

ড° ৰঞ্জন কলিতা এগৰাকী চিন্তাশীল লেখক। অসমীয়া আৰু নেপালী উভয় ভাষাতে সাহিত্য চৰ্চা আৰু গৱেষণা কৰ্মত ব্ৰতী কলিতা সম্প্ৰতি তেজপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপকৰূপে কৰ্মৰত। বিশ্ববিদ্যালয় অনুদান আয়োগৰ সৌজন্যত তেওঁ লোকসংস্কৃতি বিষয়ত ইতিমধ্যে সফলতাৰে এটি গৱেষণা প্ৰকল্প সম্পন্ন কৰিছে। ভাৰতীয় জন ভাষা জৰীপৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া ভাষা'ৰ প্ৰবিষ্টি লেখক কলিতাৰ দ্বাৰা সৃষ্ট মৌলিক আৰু সম্পাদিত গ্ৰন্থসমূহ হৈছে ক্ৰমে 'অসমীয়া লোকসংস্কৃতিত হুঁচৰি আৰু দেউটি', 'নাৰী আৰু মানৱ অধিকাৰ', 'গৰিমা', 'জয়মতী' আদি। সদৌ অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন পত্ৰিকা সম্পাদক কলিতাৰ ৰাষ্ট্ৰীয়- আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পঠিত গৱেষণা পত্ৰৰ সংখ্যা আঢ়ৈ কুৰিৰো অধিক। অসমৰ সাংবাদিকতা জগতৰ সৈতেও ঘনিষ্ঠভাৱে জড়িত কলিতাই নেপালী আৰু অসমীয়া ভাষাত প্ৰাপ্ত প্ৰবাদ-পটন্তৰৰ তুলনাত্মক অধ্যয়নৰ এক তথ্য সমৃদ্ধ গৱেষণা গ্ৰন্থও প্ৰস্তুত কৰিছে।




গৱেষণাৰ প্ৰথম পৰ্যায়ত গৱেষণা কৰ্মৰ বিভিন্ন খুটি-নাতি সম্পৰ্কত জ্ঞান আহৰণ কৰি পদ্ধতিগতভাৱে গৱেষণাত আগবঢ়াৰ পথ নিৰ্দেশক ৰূপে 'গৱেষকৰ হাতপুথি'ৰ লেখাসমূহ প্ৰস্তুত কৰা হৈছে। সুদীৰ্ঘ কালজুৰি গৱেষণা গুৰুৰ দায়িত্ব বহন কৰি, গৱেষণাৰ পথাৰত হাল-কোৰ বাই বিদ্যাৰ্থীক প্ৰজ্ঞাৰ দৰ্শন দিয়া অগ্ৰজ গৱেষণা গুৰুসকলে তেখেতসকলৰ দীৰ্ঘদিনীয়া সঞ্চিত অভিজ্ঞতাক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰেৰণ কৰি জাতীয় দায়িত্বৰ প্ৰতি তেখেতসকলৰ আশাসুধীয়া প্ৰচেষ্টাক সংৰক্ষিত কৰিছে।

978-81-923580-8-6

মূল্য ঃ ৪৮০.০০ টকা

গৱেষকৰ হাতপুথি

সম্পাদনা ঃ ড° ৰঞ্জন কলিতা

# গৱেষকৰ হাতপুথি

সম্পাদনা

ড° ৰঞ্জন কলিতা



# গৱেষকৰ হাতপুথি

সম্পাদনা
ড° ৰঞ্জন কলিতা

তেজপুৰ মহাবিদ্যালয়
তেজপুৰ

***Govesokor Haatputhi :*** (A Handbook for Researchers) Collections of articles on different aspects of Research, edited by Dr. Ranjan Kalita & Published by Dr. Charu Saharia Nath, Principal, Tezpur College, Tezpur.

© Editor

First Edition : February, 2014

ISBN : 978-81-923580-8-6

D.T.P. : Sanjib Jyoti Haloi

Price : Rs. 480/- Only

*All right reserved. No part of this publication may be reproduced, stored in retrieval system, or transmitted in any form or otherwise, without the prior permission of the editor.*

---

Printed at : Kaziranga Book House, A4, Julu Market, Near Anundoram Borooah Setu, Chandmari, Guwahati-21

জ্ঞানৰ সন্ধানত ব্ৰতী
প্ৰতিজন গৱেষকৰ হাতত...

# প্ৰকাশকৰ একাষাৰ

ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ আনুষ্ঠানিক পৰিগণ্ডীত বিদ্যায়তনিক গৱেষণা কৰ্মক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। ভাৰতবৰ্ষৰ অঙ্গৰাজ্য অসমৰ শৈক্ষিক মহলতো সাম্প্ৰতিক কালত গৱেষণাৰ প্ৰতি আগ্ৰহ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। কিন্তু সু-নিৰ্দিষ্ট পদ্ধতি অবিহনে গৱেষণা কাৰ্যত আগবঢ়াতো সম্ভৱ নহয়। এম. ফিল বা পি. এইছ. ডি পৰ্যায়ৰ গৱেষণাত অভিজ্ঞ তত্বাবধায়ক থাকে যি গৱেষকক গৱেষণা পদ্ধতিৰ সন্ধান দিয়ে। ইয়াৰ বিপৰীতে বিশ্ববিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰম ভিত্তিক গৱেষণা কৰ্ম, গৱেষণা প্ৰকল্প অথবা আলোচনা চক্ৰৰ গৱেষণা পত্ৰ প্ৰস্তুত কৰোতে গৱেষণা পদ্ধতি অনুসৰণৰ ক্ষেত্ৰত ন শিকাৰু বিদ্যাৰ্থীসকল নানান সমস্যাৰ সন্মুখীন হয়। ইতিপূৰ্বে প্ৰকাশিত গৱেষণা পদ্ধতি বিষয়ক সুবৃহৎ গ্ৰন্থসমূহ নতুন গৱেষক বা বিশ্ববিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰি হৃদয়ঙ্গম কৰাতো বৰ সহজ সাধ্য নহয়। কাজেই নতুন গৱেষক বা বিশ্ববিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজন পূৰাব পৰাকৈ গৱেষণা পদ্ধতি বিষয়ক গ্ৰন্থ এখনৰ নিতান্তই প্ৰয়োজন উপলব্ধি হয়।

তেজপুৰ মহাবিদ্যালয়স্থিত বিশ্ববিদ্যালয় অনুদান আয়োগৰ 'সম সুযোগ কেন্দ্ৰ'ই আয়োজন কৰা গৱেষণা পদ্ধতি বিষয়ক কৰ্মশালাৰ লগত সঙ্গতি ৰাখি 'গৱেষকৰ হাতপুথি' এখন প্ৰকাশৰ দিহা কৰাতো আদৰণীয় আৰু প্ৰশংসনীয় পদক্ষেপ। আশাকৰোঁ গ্ৰন্থখনে নতুন গৱেষকৰ প্ৰয়োজন পূৰণ কৰিবলৈ সক্ষম হ'ব।

**ড° চাৰু চহৰীয়া নাথ**
অধ্যক্ষা
তেজপুৰ মহাবিদ্যালয়

দিনাঙ্ক ঃ ২৭-১-২০১৪
তেজপুৰ

# আগচ'ৰা

সাম্প্ৰতিক সময়ত শিক্ষক-শিক্ষাৰ্থীৰ বৌদ্ধিক জাগৰণ আৰু জ্ঞানৰ অন্বেষণত বিদ্যায়তনিকভাৱে গৱেষণা পত্ৰিকা বা গৱেষণা প্ৰকল্প অথবা গৱেষণা গ্ৰন্থৰ চাহিদা ব্যাপক হাৰত বৃদ্ধি পাইছে। বিশেষতঃ বৰ্তমানৰ উচ্চ শিক্ষা ব্যৱস্থাত নিৰ্দ্ধাৰিত পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ অন্তত শিক্ষাৰ্থীসকলৰ বাবে সাৰস্বত জীৱনত প্ৰৱেশৰ প্ৰথম পদক্ষেপৰূপে পদ্ধতিগতভাৱে গৱেষণা পত্ৰিকা, গৱেষণা গ্ৰন্থ, গৱেষণা প্ৰকল্প আৰু গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰাটো বাধ্যতামূলক হৈ পৰিছে। এম. ফিল আৰু পি. এইচ. ডি. পাঠ্যক্ৰমত খোজ থৈয়ে নতুন গৱেষকসকল বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা দেখা যায়। বিশেষকৈ গৱেষণা কৰ্মৰ বাবে উপযুক্ত বিষয় এটা কিদৰে চয়ন কৰিব, তথ্য সংগ্ৰহ বা বিশ্লেষণৰ কামত কিদৰে অগ্ৰসৰ হ'ব, পাদটীকা নিৰ্দেশনা অথবা গ্ৰন্থপঞ্জী প্ৰস্তুতকৰণত কি পদ্ধতি অনুসৰণ কৰিব আদি বিবিধ বিষয় তেওঁলোকৰ বাবে একো একোটা ডাঙৰ সমস্যা হৈ দেখা দিয়ে। উপযুক্ত যোগাযোগৰ অভাৱ অথবা অন্যান্য কাৰিকৰী সমস্যাৰ বাবে নতুন গৱেষকসকলৰ অগ্ৰজ গৱেষণা গুৰুসকলক ঢুকি পোৱাটোও সকলো সময়তে সম্ভৱপৰ হৈ নুঠে, অথচ বৌদ্ধিক উত্তৰণৰ দুৱাৰ গঁৰিলাত সেইসকল গুৰুৰ গৱেষণা সম্পৰ্কীয় ধাৰণা আৰু সদোপদেশ নহ'লেও ছাত্ৰ-ছাত্ৰীৰ গৱেষণা যাত্ৰা কাণ্ডাৰীবিহীন নাও সদৃশ হৈ পৰে। নতুন গৱেষকসকলৰ এনেবোৰ সমস্যালৈ লক্ষ্য ৰাখিয়েই অসমীয়া ভাষাৰ প্ৰথিতযশা অধ্যাপক তথা গৱেষণা গুৰু মহেন্দ্ৰ বৰা, নগেন শইকীয়া আদিয়ে গৱেষণা প্ৰসংগত কাৰিকৰী বিষয়ৰ নিৰ্দেশিকা গ্ৰন্থৰূপে গৱেষণা প্ৰণালী সম্পৰ্কীয় পুথি ৰচনা কৰি ইতিমধ্যে এক মহত্ত্বৰ দায়িত্বৰ সম্পন্ন কৰি থৈ যোৱাৰ পিছতো আমাৰ দ্বাৰা 'গৱেষকৰ হাতপুথি' শীৰ্ষক গ্ৰন্থ সম্পাদনাৰ কাম হাতত লোৱা হ'ল।

'গৱেষকৰ হাতপুথি' এম. ফিল বা পি. এইচ. ডি. পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ গৱেষণা কৰ্মৰ তত্ত্বাৱধানৰ বাবে ৰচিত কাৰিকৰী বিষয়ক নিৰ্দেশনা সম্বলিত পদ্ধতিগত গ্ৰন্থ নহয়। গৱেষণাৰ কামত আত্মনিয়োগ কৰি প্ৰথম পৰ্যায়তে গৱেষণাৰ বিভিন্ন খুটি-নাতি সম্পৰ্কত জ্ঞান আহৰণ কৰি পদ্ধতিগতভাৱে গৱেষণাত আগবঢ়াৰ পথ নিৰ্দেশক ৰূপেহে গ্ৰন্থখনিৰ লেখাসমূহ প্ৰস্তুত কৰা হৈছে। সুদীৰ্ঘ কালজুৰি গৱেষণা গুৰুৰ দায়িত্ব বহন কৰি, গৱেষণাৰ পথাৰত হাল-কোৰ বাই বিদ্যাৰ্থীক প্ৰজ্ঞাৰ দৰ্শন দিয়া আমাৰ অগ্ৰজ গুৰুসকলে একোটা মাত্ৰ মৌখিক অনুৰোধত একে আষাৰতে সঁহাৰি জনাই তেনেই সীমিত সময়ৰ ভিতৰত নিজৰ নিজৰ বৌদ্ধিক অনুশীলনক পৰম আস্থা আৰু মমতাৰে আমাৰ হাতত অৰ্পণ কৰিছে। সকলো গৱেষক শিক্ষাৰ্থীৰ হৈ সেইসকল গুৰুক আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। একে সময়তে গৱেষণা কৰ্মৰ তত্ত্বাৱধায়কৰূপে ন-কৈ যোগদান কৰি প্ৰজ্ঞাৰ চৰ্চাৰে নিজক পোহৰাই শিক্ষাৰ্থীসকলকো আলোকৰ বাট দেখুৱাবলৈ বদ্ধ পৰিকৰ হোৱা নতুন প্ৰজন্মৰ সেইসকল গৱেষণা গুৰুকো আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, আমাৰ এটা মাত্ৰ অনুৰোধতে যিসকলে তেখেতসকলৰ বহু মূল্যবান লেখা একোটা এই গ্ৰন্থলৈ প্ৰেৰণ কৰি আমাক অনুগৃহীত কৰাৰ লগতে জাতীয় দায়িত্বৰ প্ৰতিও তেখেতসকলৰ আশাসুধীয়া প্ৰচেষ্টাক সংৰক্ষিত কৰিছে গ্ৰন্থখনিৰ প্ৰতিটো লেখাৰ মহত্ত্ব এইসকল গৱেষণা গুৰুৰ প্ৰাপ্য। সকলো ধৰণৰ দোষ-ত্ৰুটিৰ দায় সম্পাদকে মূৰ পাতি ল'লো।

তেজপুৰ মহাবিদ্যালয়ত অৱস্থিত বিশ্ববিদ্যালয় অনুদান আয়োগৰ 'সম সুযোগ কেন্দ্ৰ'ৰ উদ্যোগত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা সন্মানীয়া ড° চাৰু চহৰীয়া নাথ বাইদেৱে 'গৱেষকৰ হাতপুথি' প্ৰকাশৰ দায়িত্ব লোৱাৰ বাবে আন্তৰিক ধন্যবাদ জনালোঁ। মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা সম সুযোগ কেন্দ্ৰৰ উপদেষ্টা শ্ৰীযুত কমল চন্দ্ৰ উপাধ্যায়ে আত্মিক প্ৰেৰণাৰে আমাক সহযোগ কৰিছে। তেখেতলৈকো আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। লগতে ডি. টি. পি. আৰু ছপাশালৰ কামখিনি আন্তৰিকতাৰে আৰু নিয়াৰিকৈ সম্পন্ন কৰি আমাক সহায় কৰাৰ বাবে ভাতৃপ্ৰতীম শ্ৰীমান সঞ্জীৱজ্যোতি হালৈৰ শলাগ ল'লোঁ।

বিনীত

তেজপুৰ ঃ ২৬-০১-২০১৪

**ৰঞ্জন কলিতা**

# ভিতৰচ'ৰা

গৱেষণানো আচলতে কি? গৱেষণাৰ পৰিকল্পনা কিদৰে কৰা হয়। বিষয় নিৰ্বাচনৰ বিধিসমূহ কি কি? গৱেষণাৰ উদ্দেশ্য প্ৰকাৰভেদে, তথ্য সংগ্ৰহ প্ৰণালী, প্ৰাপ্ত তথ্যৰ চূড়ান্ত প্ৰস্তুতকৰণ, তথ্য বিশ্লেষণ, গ্ৰন্থ প্ৰণয়ন, ক্ষেত্ৰ অধ্যয়ন, গৱেষকৰ আচৰণীয় বিধি, গৱেষণা গ্ৰন্থৰ বিভিন্ন ভাগ, প্ৰসংগ সমল আদি আটাইবোৰ বিষয়তে পুঙ্খানুপুঙ্খ বিশ্লেষণেৰে হাতী মাৰি ভুৰুকাত ভৰাইছে ড° জগদীশ পাটগিৰিয়ে তেওঁৰ 'গৱেষণা তত্ত্ব ঃ এটি আলোকপাত' শীৰ্ষক প্ৰবন্ধত। একে বিষয়তে বিস্তৃতভাৱে আলোকপাত কৰিছে ড° পল্লৱী ডেকা বুজৰবৰুৱাই 'গৱেষণা পদ্ধতি তত্ত্ব ঃ পৰিচয় আৰু বিকাশ' শীৰ্ষক নিবন্ধত। গৱেষণা পদ্ধতিৰ সাধাৰণ পৰিচয় আগবঢ়াই গৱেষণাৰ সংজ্ঞা, উদ্দেশ্য, লক্ষ্য, প্ৰকাৰ আদি সমস্ত বিষয়ৰ সম্পৰ্কত সামগ্ৰিক আলোচনা প্ৰস্তুত কৰি উলিয়াইছে নৰমালতী চক্ৰৱৰ্তীয়ে "Methodology in Research Work" শীৰ্ষক প্ৰবন্ধত। গৱেষণা কি, ইয়াৰ লক্ষ্য, উদ্দেশ্য, গুৰুত্ব, বৈশিষ্ট্য, প্ৰকাৰভেদ, বিভিন্ন প্ৰকাৰৰ গৱেষণা পদ্ধতি, পদ্ধতি আৰু প্ৰণালীৰ পাৰ্থক্য, সমস্যা চিনাক্তকৰণ, তথ্য চয়ন, ৰূপাংকন আদি সমস্ত বিষয়ক সন্নিৱিষ্ট কৰি গৱেষণাৰ তত্ত্ব সম্পৰ্কীয় আলোচনা কৰিছে অধ্যাপক ড° চন্দন গোস্বামী, ড° প্ৰদীপ মহন্ত আৰু ড° চুমী কলিতাই যথাক্ৰমে 'Basics of Reseach আৰু 'Types of Research' শীৰ্ষক প্ৰবন্ধ দুটিত।

গৱেষণা গ্ৰন্থ এখননো দৰাচলতে কিয় আৰু কাৰ বাবে লিখা হয়? কেৱল আনুষ্ঠানিক ডিগ্ৰী এটা লাভৰ বাবেই গৱেষণা গ্ৰন্থ লিখা হয়? নে গৱেষণা গ্ৰন্থ সৃষ্টিৰ আঁৰত অন্য উদ্দেশ্যও নিহিত হৈ থাকে?' যথাৰ্থ পদ্ধতি অনুসৰণেৰে আৰু উৎসৰ্গীকৃত মনোভাবেৰে লিখা গৱেষণা গ্ৰন্থ এখনে কোনো এটা জাতিৰ আৰ্থ-সামাজিক আৰু বৌদ্ধিক দিশক কিদৰে প্ৰভাবান্বিত কৰিব পাৰে? এই সমস্ত বিষয়ক খৰচি মাৰি আলোচনা কৰিছে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দীনেশ বৈশ্যই 'কাৰ বাবে কেনেকৈ লিখিম গৱেষণা গ্ৰন্থ' শীৰ্ষক নিবন্ধত।

'গৱেষণা সম্পৰ্কীয় গৱেষণা ঃ এক সংক্ষিপ্ত সাৰ' শীৰ্ষক প্ৰবন্ধত সাম্প্ৰতিক সময়ত বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্দ্ধাৰণ কৰি দিয়া নিৰ্দ্দিষ্ট নীতি-নিয়মৰ পৰিগণ্ডীত এম. ফিল. পি. এইচ. ডি. আদি ডিগ্ৰীৰ অপৰিহাৰ্যতা আৰু গুৰুত্ব সম্পৰ্কে আলোকপাত কৰিছে অধ্যাপক ড° দিলীপ বৰাই। গৱেষণাৰ মহত্ত্ব আৰু সাম্প্ৰতিক প্ৰজন্মৰ মাজত গৱেষণাৰ স্পষ্টতা সম্পৰ্কে জাগ্ৰত সহস্ৰ কৌতুহলৰ নিবৃত্তিকল্পে আনুষংগিকভাৱে গৱেষণাৰ পদ্ধতি, গৱেষণা গ্ৰন্থ প্ৰণয়ন ৰীতি, উদ্ধৃতি, পাদটীকাদিৰ অৰ্ন্তভুক্তি, গ্ৰন্থপঞ্জীৰ প্ৰস্তুতি আদি সমস্ত বিষয়তো তেওঁ এক সামগ্ৰিক বিশ্লেষণ দাঙি ধৰিছে।

বিদ্যায়তনিকভাবে গৱেষণা কাৰ্যৰ গুৰুত্ব কি? যথাৰ্থ অৰ্থত গৱেষণা যেনে হোৱা উচিত, সাম্প্ৰতিক সময়ত গৱেষণা তেনে হৈছে নে? গৱেষণা কৰ্মত গৱেষকৰ লগতে তত্ত্বাবধায়কৰো বিভিন্ন দায়িত্ব সম্পৰ্কে ইংগিত কৰি, ফলপ্ৰসু গৱেষণা কৰ্ম সম্পন্ন কৰিবলৈ গৱেষকৰ প্ৰস্তুতি, গুণাৱলী, দক্ষতা আহৰণৰ বিভিন্ন বিধি আদি সম্পৰ্কত আলোচনা কৰিছে ড° নীলমোহন ৰায়ে তেওঁৰ 'গৱেষণা, গৱেষক আৰু তত্ত্বাৱধায়ক' শীৰ্ষক নিবন্ধত।

গৱেষণা আৰু গৱেষক সম্পৰ্কত ব্যক্তিগত অভিজ্ঞতাৰ জেৰ ধৰি ড° মুকুল চক্ৰৱৰ্তীয়ে লিখি উলিয়াইছে একেখন গৱেষণা ক্ষেত্ৰতে সুকীয়া দৃষ্টিভংগীৰে নতুন নতুন সত্য উদ্‌ঘাটনৰ বিশ্লেষণাত্মক তথ্য। প্ৰসংগক্ৰমে গুৰু চৰিত কথাৰ দৃষ্টান্ত দাঙি ধৰি গৱেষণা কৰ্মৰ উদ্দেশ্য আৰু উপযোগিতাৰ গুৰুত্ব সম্পৰ্কেও তেওঁ আলোচনা কৰিছে 'গৱেষণা আৰু কিছু অভিজ্ঞতা' শীৰ্ষক প্ৰবন্ধত।

গৱেষণা কৰ্মত ভৰি থৈয়েই শিক্ষাৰ্থীসকলৰ মাজত সৃষ্টি হোৱা এটা আহুকলীয়া প্ৰশ্ন হ'ল কি বিষয়ত গৱেষণা কৰিব? বিষয় নিৰ্বাচন প্ৰক্ৰিয়া সঠিক আৰু সময়োপযোগী নহ'লে গৱেষণা কৰ্মৰ সমস্ত কষ্ট পশুশ্ৰম হোৱাৰ আশংকাই ছাত্ৰ-ছাত্ৰীক সততে বিহ্বল কৰি তোলে। নতুন গৱেষকৰ এই সমস্যাক দূৰ কৰি গৱেষণা ক্ষেত্ৰক বহুধাবিভক্ত আৰু বৈচিত্ৰ্যশালী কৰি তোলাৰ মানসেৰে ড° সূৰ্য দাসে প্ৰস্তুত কৰিছে 'গৱেষণাৰ বিষয় নিৰ্বাচন সম্পৰ্কে কিছু কথা।'

বহিঃ বিশ্ব অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ সকলো উপাদানৰে একোটা নিজস্ব পৰিচয় আছে। এই বিশ্বব্ৰহ্মাণ্ডৰ বৃহৎ পৰিসৰৰ অন্তৰ্গত ব্যক্তিবাচক, উপাধিবাচক, পদবীবাচক, স্থানবাচক, ডালবাচক, পৰ্বতবাচক, বস্তুবাচক, আলি-পদূলিবাচক নাম প্ৰভৃতি সমৃদ্ধ বিষয়বস্তুক সামৰি আধুনিক গৱেষণাত সন্নিৱিষ্ট হৈছে 'নামতত্ত্ব' বিষয়টি। ছাত্ৰ-ছাত্ৰীৰ পক্ষে তুলনামূলকভাৱে 'নামতত্ত্ব' বিষয়টি কিছু নতুন আৰু জঁটিল। উপযুক্ত তথ্য

আৰু বিশ্লেষণাত্মক আলোচনাৰ অভাৱেই ইয়াৰ কাৰক। গ্ৰীকৰ অন'মেচষ্টিকচ্‌ৰ আধাৰত 'নামতত্ত্ব'ৰ আধুনিক আৰু উত্তৰ আধুনিক কালৰ বিশ্বজনীন অধ্যয়ন প্ৰাচুৰ্য্যক বিজ্ঞানসন্মত পদ্ধতিৰে কিদৰে গৱেষণা কৰিব লাগে, সেই বিষয়ত বিস্তৃত ৰূপত আলোকপাত কৰিছে ড° শৰৎ কুমাৰ ফুকনে তেওঁৰ 'নামতত্ত্ব অধ্যয়নৰ সমল, প্ৰণালী আৰু পদ্ধতি' শীৰ্ষক প্ৰবন্ধত। মন কৰিবলগীয়া যে লেখাটোৰ আগৰছোৱা অসমীয়া ভাষাত আৰু পিছৰছোৱা ইংৰাজী ভাষাত সম্পন্ন কৰা হৈছে। লেখকে সেয়ে দুৱাৰডলিতে কৈছে, "থলুৱা, ৰাষ্ট্ৰীয় তথা বিশ্বজনীন ধাৰাৰ নামতত্ত্ব শ্ৰেণী বিভাজনৰ উপাদানসমূহক পদ্ধতিগতভাৱে সজাওঁতে আমাৰ বৃহৎসংখ্যক জনসংখ্যাৰ স্বাৰ্থক সামৰিবলৈ ইয়াৰ মাধ্যম বহু প্ৰচলিত পশ্চিমীয়া ইংৰাজী ভাষাৰ আশ্ৰয় লোৱা হৈছে। ইংৰাজী ভাষাক মূল হিচাবে লোৱাৰ অন্য এক সবল যুক্তি আছে যিহেতু অদ্যাপি থলুৱা ভাষাসমূহত পৰ্যাপ্ত পৰিমাণৰ বিশিষ্টমানৰ কাৰিকৰী শব্দমালাৰ অভাৱ।" 'নামতত্ত্ব'ৰ লেখীয়া তুলনামূলকভাৱে কিছু আচহুৱা আৰু জঁটিল বিষয় এটাৰ উপলব্ধিকল্পে ড° ফুকনৰ উল্লিখিত প্ৰবন্ধটি প্ৰত্যাহ্বান নতুন গৱেষকৰ বাবে এক কুঁহিপাঠ সদৃশ হ'ব বুলি আশা কৰা হৈছে।

প্ৰস্তাৱিত গৱেষণাকৰ্মৰ বাবে বিষয় এটা বাৰু নিৰ্দিষ্ট কৰা হ'ল। কিন্তু বিষয়টোৰ বিস্তৃত অধ্যয়নৰ দিশত আগবঢ়া যাব কেনেকৈ? সমল সংগ্ৰহৰ বাবে কি কি সুনিৰ্দিষ্ট পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়িব? সাহিত্য বিষয়ত সমল সংগ্ৰহৰ বাবে গ্ৰহণ কৰা পদ্ধতিয়েই জানো বিজ্ঞান বিষয়তো গ্ৰহণযোগ্য হ'ব? গৱেষণাৰ বিষয় এটি নিৰ্ধাৰণ কৰি সুনিৰ্দিষ্ট ক্ষেত্ৰলৈ সোঁ-শৰীৰে গৈ ক্ষেত্ৰ অধ্যয়নৰ যোগেদি কিদৰে সমল গোটোৱাৰ পৰা আৰম্ভ কৰি প্ৰস্তাৱিত ফলাফলত উপনীত হ'বগৈ পাৰি, সেই বিষয়ত ছাত্ৰ-ছাত্ৰীক পুঙ্খানুপুঙ্খভাৱে প্ৰজ্ঞাৰ বাট দেখুৱাইছে ড° ভীমকান্ত বৰুৱাই 'গৱেষণা কৰ্মত ক্ষেত্ৰ অধ্যয়ন' ড° সুনীল কুমাৰ দত্তই 'লোকসংস্কৃতিৰ বিষয়ে গৱেষণাৰ বাবে পূৰ্ব প্ৰস্তুতি', ড° দীপক কুমাৰ ৰায়ে 'ক্ষেত্ৰ সমীক্ষণ আৰু পৰ্যৱেক্ষণ পদ্ধতি' ড° লক্ষী দাস পাঠকে 'লোকসংস্কৃতি গৱেষণাত ক্ষেত্ৰানুসন্ধান পদ্ধতিৰ প্ৰয়োজনীয়তা' ড° পৰাগ কুমাৰ ভট্টাচাৰ্যই 'গৱেষণা ঃ তুলনামূলক অধ্যয়ন' আৰু ড° ইন্দিৰা বড়োৱে 'Research and Data Collection' শীৰ্ষক প্ৰবন্ধত।

গৱেষণা কাৰ্য সফলভাৱে সম্পন্ন কৰিবলৈ সুনিৰ্দিষ্ট গৱেষণা পদ্ধতি অনুসৰণ কৰি ক্ষেত্ৰ অধ্যয়ন সম্পন্ন কৰিব লাগে। কিন্তু কেতিয়বা গৱেষকসকল এনে কিছুমান পৰিৱেশ বা পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া যে সেয়া সমাধান কৰিবলৈ গৱেষণা পদ্ধতিৰ দ্বাৰা সম্ভৱ নহয়। তেনে পৰিস্থিতিত নিৰ্দিষ্ট গৱেষণা পদ্ধতিৰ পৰিগণ্ডীৰ বাহিৰত গৱেষকসকলে নিজস্ব বুদ্ধিমত্তাৰে গৱেষণাৰ বাবে তথ্য-সমল গোটাবলগীয়া হয়। ডঃ উপেন ৰাভা হাকাচামে গৱেষণাৰ 'ক্ষেত্ৰ অধ্যয়ন সম্পৰ্কীয় কিছু অসৰ বৰহী উপায়' সম্পৰ্কে আলোচনা কৰি কৈছে যে, প্ৰয়োজন সাপেক্ষে গৱেষণা পদ্ধতিৰ গ্ৰন্থত লিপিবদ্ধ নোহোৱা আৰু অনেক দিশ আছে যিবিলাক হয়তো এগৰাকী দীৰ্ঘকালৰ অভিজ্ঞতাৰে অভিজ্ঞ তত্ত্বাৱধায়ক বা ক্ষেত্ৰ অধ্যয়নকাৰীৰ ক্ষেত্ৰ অধ্যয়নকাৰীৰ পক্ষে সহজাত। ব্যক্তিগত অভিজ্ঞতাৰ স্মৃতি সুঁৱৰি কেবাটাও আমোদজনক উদাহৰণৰ মাজেৰে ড° হাকাছামে এই জাতীয় ক্ষেত্ৰ অধ্যয়ন সম্পৰ্কত তেওঁৰ "গৱেষণাৰ ক্ষেত্ৰ অধ্যয়ন সম্পৰ্কীয় কিছু অসৰবৰহী উপায়" প্ৰবন্ধত আলোচনা কৰিছে।

ভাষাতত্ত্ব আৰু সাহিত্য বিষয়ত নিত্য নতুন বিষয়ে গৱেষকক নিতৌ হাতবাউল দিছে। অথচ যথাৰ্থ যোগাযোগ আৰু বিষয় জ্ঞানৰ অভাৱত ছাত্ৰ-ছাত্ৰীহঁতে এই নতুন বিষয়বোৰক নিজৰ নিজৰ গৱেষণা কৰ্মত অৰ্ন্তভুক্ত কৰাৰ সাহস গোটাব পৰা নাই এতিয়াও। শিক্ষাৰ্থীসকলৰ এই মানসিক দ্বিধাগ্ৰস্ততা দূৰ কৰাৰ মানসেৰে সাহস আৰু প্ৰত্যয়েৰে গৱেষণাৰ পথাৰত চহাই মৈয়াই শইচ সোণোৱালী কৰিব পৰাকৈ ড° দ্বীজেন্দ্ৰনাথ ভকতে সম্পূৰ্ণ নতুন আৰ্হিত লিখি উলিয়াইছে 'টাইপ আৰু মৌটিফ পদ্ধতিৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাৰ এটি গল্পৰ বিশ্লেষণ" শীৰ্ষক প্ৰবন্ধ। ভকতৰ এই বিশ্লেষণৰ আৰ্হিতে নতুন গৱেষকসকলে টাইপ আৰু মৌটিফ বিশ্লেষণ' পদ্ধতিক সাৰোগত কৰি লোকসাহিত্যৰ বুকুত অবগাহন কৰি থকা বিবিধ সম্পদৰ ব্যৱহাৰিক বিশ্লেষণৰ কাম হাতত ল'ব পাৰে।

সাহিত্য বিষয়ৰ ছাত্ৰ-ছাত্ৰীৰ গৱেষণাৰ কাৰণে সাম্প্ৰতিক কালত বিশেষ গুৰুত্ব লাভ কৰিবলৈ সক্ষম হোৱা অন্যতম বিষয়টো হৈছে পাশ্চাত্য সাহিত্যৰ অধ্যয়ন। পাশ্চাত্যৰ সাহিত্যিক বিশেষৰ সাহিত্যকৃতিৰ গৱেষণা, ভাৰতীয় সাহিত্যৰ সৈতে পাশ্চাত্য সাহিত্যৰ তুলনামূলক আলোচনা, ভাৰতীয় সাহিত্যত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ আদি বিভিন্ন বিষয়ত গৱেষণাৰ বাবে অগ্ৰসৰ হোৱাৰ প্ৰাক্‌মুহূৰ্তত ছাত্ৰ-ছাত্ৰীসকলে কি কি বিষয়ত গুৰুত্ব দিব লাগে, অধ্যয়নৰ ক্ষেত্ৰত কেনে প্ৰণালী আয়ত্ব কৰিব লাগে, এই ধৰণৰ বিষয়বস্তুৰ গৱেষণাই প্ৰাচ্য-পাশ্চাত্যৰ ভাষা-সাহিত্য-সংস্কৃতি আদিৰ মাজত কেনে ধৰণে সংযোগ সেতু গঢ়িব পাৰে আদি বিবিধ বিষয়ত আলোচনা আগবঢ়াইছে ড° তৰণী ডেকাই তেওঁৰ 'পাশ্চাত্য সাহিত্য বিষয়ক গৱেষণাৰ পদ্ধতি ঃ এটি প্ৰাথমিক আলোচনা' শীৰ্ষক প্ৰবন্ধত।

সাহিত্যৰ বিচাৰত শেহতীয়াভাৱে বিশেষ গুৰুত্ব লাভ কৰিবলৈ আৰম্ভ কৰিচে 'শৈলীবিজ্ঞান' বিষয়টোৱে। অথচ এই শৈলীবিজ্ঞান অধ্যয়নৰ পৰিসৰত কি কি বিষয়

অর্ন্তভূক্ত কৰা উচিত; কি নির্দিষ্ট গতিৰে অগ্ৰসৰ হ'লে শৈলীবিজ্ঞানৰ আৰ্হিত সাহিত্যতত্ত্বৰ অধ্যয়ন সম্ভৱ হয়; ৰচনাৰ ৰূপ আৰু বিষয়ৰ মাজৰ সম্পৰ্কৰ সংযোগে· এই অধ্যয়নক কিদৰে প্ৰভাৱিত কৰে; সাহিত্য সমালোচনা, দার্শনিক ভাবনা, মানসিক প্ৰৱণতা, ঐতিহাসিক প্ৰেক্ষাপট আদিৰ লগত শৈলীবিজ্ঞান অধ্যয়নৰ যোগসূত্ৰ আছে নে- এনে বহু বিষয়ৰ সন্মিলিত সহাৰস্থানেৰে শৈলীবিজ্ঞান বিষয়ত বিশেষভাৱে আলোকপাত কৰি ড° অনুৰাধা শৰ্মাই লিখিছে 'শৈলীবিজ্ঞান ঃ অধ্যয়নৰ পৰিসৰ আৰু পদ্ধতি' শীৰ্ষক প্ৰৱন্ধ।

আনুষ্ঠানিকভাৱে তেওঁ গৱেষণা গুৰু নহয়। বিশ্ববিদ্যালয়ৰ অধীনত তেওঁ পি. এইচ. ডি.ও লাভ কৰা নাই। অথচ ব্যৱহাৰিক জীৱনত ধ্বনিতত্ত্বৰ প্ৰয়োগ সম্পৰ্কত সুদীৰ্ঘকাল জুৰি তেওঁ সাৰস্বতভাৱে একাণপতীয়াকৈ গৱেষণাকৰ্মত ব্ৰতী হৈ আছে। বাক্‌যন্ত্ৰৰ প্ৰতিটো অংগৰ পুঙ্খানুপুঙ্খ পৰীক্ষা-নিৰীক্ষা আৰু সিবোৰৰ বৈজ্ঞানিক ব্যৱহাৰেৰে যোৱা দুটা দশকত তেওঁ শতাধিক মুকবধিৰ ছাত্ৰ-ছাত্ৰীৰ মুখৰ মাত উলিয়াইছে? বিশ্ববিদ্যালয়ৰ পি. এইচ. ডি. ডিগ্ৰী প্ৰাপ্তিতকৈয়ো ই কম কথা নে? সম্পাদকৰ একান্ত অনুৰোধত ধ্বনিতত্ত্বৰ আমৰণ গৱেষক মুণীন্দ্ৰ নাথ কলিতাই ছাত্ৰ-ছাত্ৰীৰ বাবে আগবঢ়াইছে 'ব্যৱহাৰিক জীৱনত ধ্বনিতত্ত্বৰ ব্যৱহাৰ আৰু গৱেষণা' শীৰ্ষক প্ৰবন্ধ।

মানৱ জীৱনৰ ভাষিক প্ৰয়োজন পূৰণৰ হেতু আবিৰ্ভাৱ হোৱা গদ্য সাহিত্যৰ বাহন হোৱাৰ পিছৰে পৰা লেখক বিশেষৰ গদ্যৰীতিয়েও ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ মনোযোগ আকৰ্ষণ কৰিছে। কোনো এক সাহিত্য-কৰ্মৰ অথবা সাহিত্যিক বিশেষৰ গদ্যৰীতিৰ অধ্যয়ন সম্পন্ন কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলে কোনবোৰ দিশত গুৰুত্ব দিয়া উচিত? কিমান ঐকান্তিকতাৰে কিমান গভীৰলৈ প্ৰৱেশ কৰিলে আৰু কি কি বিধি-প্ৰণালী সাৰোগত কৰি প্ৰৱেশ কৰিলে গৱেষকসকলৰ পক্ষে গদ্যৰীতিৰ অধ্যয়ন প্ৰক্ৰিয়া ফলপ্ৰসু আৰু সুদূৰপ্ৰসাৰী হ'ব? এই সমস্ত বিষয়ত আলোকপাত কৰিছে ড° চুমী কলিতাই তেওঁৰ 'গদ্যৰীতি অধ্যয়নৰ পৰিসৰ আৰু প্ৰণালী' শীৰ্ষক নিবন্ধত।

গৱেষণা গ্ৰন্থ ৰচনাৰ ক্ষেত্ৰত গৱেষকৰ পক্ষে এক গুৰুত্বপূৰ্ণ কাম হ'ল গ্ৰন্থপঞ্জী নিৰ্মাণ। বৰ্তমান সময়ত আনুষ্ঠানিক ৰূপত আৰু বিদ্যায়তনিকভাৱে পি. এইচ. ডি., এম. ফিল আদি পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ গৱেষণা পত্ৰ বা গৱেষণা গ্ৰন্থৰ গ্ৰন্থপঞ্জী নিৰ্মাণত এম. এল. এ. (M.L.A.) হাতপুথিৰ আৰ্হি গ্ৰহণ কৰা দেখা যায়। কিন্তু উপযুক্ত বোধগম্যতাৰ অভাৱত বহু সময়ত সেয়া নিখুঁত হৈ নুঠেগৈ। ছাত্ৰ-ছাত্ৰীসকলৰ এই অসুবিধা দূৰীকৰণ বাবে সম্পাদকৰ তাগিদাত মানৱ মেধিয়ে লিখি উলিয়াইছে 'এম. এল. এ. (M.L.A.) হাতপুথিৰ আৰ্হিত গ্ৰন্থপঞ্জী প্ৰস্তুত প্ৰণালী" শীৰ্ষক প্ৰবন্ধ।

সমাজ বিজ্ঞান বিষয়ত গৱেষণাৰ গুৰুত্ব, পদ্ধতি, বিবিধ সমস্যা, ক্ষেত্ৰ অধ্যয়ন, সমাজ বিজ্ঞানৰ অধ্যয়নত মানবীয় দৃষ্টিভংগী আৰু ব্যৱহাৰিক নীতি-নিষ্ঠা আদি বিবিধ বিষয়ত আলোকপাত কৰি ড° কেশৱ বসুমতাৰীয়ে তেওঁৰ 'Research Process in Social Science' প্ৰস্তুত কৰিছে।

গৱেষণা কাৰ্যৰ তথ্য বিশ্লেষণৰ সময়ত সততে ব্যৱহৃত এটি অভিধা হ'ল Random Sampling। অসমীয়া ভাষাত এই Random Sampling ৰ প্ৰতিশব্দ ৰূপে 'যাদৃচ্ছিক প্ৰতিচয়ন' শব্দটো গ্ৰহণ কৰা হৈছে। গৱেষণা কাৰ্যত বিশেষকৈ সমাজবিজ্ঞানৰ গৱেষণাত Ramdom Sampling এক অতিশয় গুৰুত্বপূৰ্ণ অংশ। কি কি বিষয়ৰ আৰু কি কি ধৰণৰ গৱেষণাত Ramdam Samplingৰ প্ৰয়োজন হয়; কি কি প্ৰকাৰে Ramdom Sampling কৰিব পাৰি- এই সমস্ত বিষয়ৰ সামগ্ৰিক আলোচনাৰে অধ্যাপক ড° মৃন্ময় কুমাৰ শৰ্মাই প্ৰস্তুত কৰিছে- 'Random Sampling in Social Sciences' শীৰ্ষক প্ৰবন্ধ।

ড° প্ৰদীপ কুমাৰ পাত্ৰই বিনিৰ্মাণ তত্ত্ব (Deconstructive Theory)ৰ সহায়ত কাব্য সাহিত্য কেনেকৈ অধ্যয়ন আৰু বিশ্লেষণ কৰিব পাৰি সেই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে তেওঁৰ "Deconstractive Study of Poems" শীৰ্ষক প্ৰবন্ধত। আনুষংগিকভাবে তেওঁ প্ৰসিদ্ধ উড়িয়া কবি জয়ন্ত মহাপাত্ৰৰ কাব্য বিশ্লেষণৰ আধাৰত ভাৰতীয় কাব্য চেতনাত বিনিৰ্মাণ তত্ত্বৰ অস্তিত্ব সম্পৰ্কেও সম্যক আলোচনা আগবঢ়াইছে।

ড° বসন্ত কলিতাই তেওঁৰ Role of Dummies in Regression Anylasis শীৰ্ষক প্ৰবন্ধত সমাশ্ৰয়ন বিশ্লেষণ (Regression Anylasis)ত কৃত্ৰিম চলকৰ ভূমিকাৰ বিষয়ে আলোচনা প্ৰসংগত শিক্ষাগত অৰ্হতা, লিংগ আদি নিৰ্দেশ কৰিবলৈ কিদৰে সাংখ্যিক চলকৰ পৰিপূৰক হিচাপে গুণগত চলক বা কৃত্ৰিম চলক ব্যৱহাৰ কৰিব পাৰি তাৰ আভাস প্ৰদান কৰিছে। এনেকুৱা চলকে শূণ্য বা এক মান গ্ৰহণ কৰে; শূণ্যই এটা নিৰ্দিষ্ট গুণ নথকাটো আৰু এক সংখ্যাই গুণ থকাটো বুজায়। সমাশ্ৰয়ন বিশ্লেযেণত কৃত্ৰিম চলকৰ সংখ্যা সদায় যিমানটা গুণ থাকে তাতকৈ এক কম হয়।

ব্ৰহ্মপুত্ৰ আৰু বৰাক —এই দুই উপত্যকাৰ গাতে লাগি থকা চৰ অঞ্চলৰ লোকসকলৰ সমাজ, সংস্কৃতি, সাহিত্য, ধৰ্ম আদি বিভিন্ন বিষয়ে বৃহত্তৰ অসমীয়া সংস্কৃতিক সততে সমৃদ্ধ কৰিছে। জীৱনপঞ্জীৰ অগ্ৰগতি আৰু বৌদ্ধিক জ্ঞানান্বেষণৰ

উত্তৰণ ঘটাৰ লগে লগে এইবোৰ বিষয়তো বৃহৎ গৱেষণাৰ দ্বাৰ উন্মুক্ত হৈ পৰিছে। অথচ যথোপযুক্ত চৰ্চাৰ অভাৱত সিবোৰ এতিয়াও পোহৰলৈ অহা নাই। চৰ অঞ্চলত গৱেষণাৰ যথোপযোগী বিষয়, সুবিধা-অসুবিধা, ক্ষেত্ৰ অধ্যয়ন আদি বিষয়ত আলোকপাত কৰিছে ড° আখতাৰুল ইছলামে তেওঁৰ "CHAR : A Quest for a Second Thought" শীৰ্ষক প্ৰবন্ধত। চৰ অঞ্চল আৰু ইয়াৰ আবাসীসকলৰ কি কি বিষয়ত ইতিমধ্যে গৱেষণা কাৰ্য সম্পন্ন হৈছে আৰু কি কি বিষয়ত হ'বলৈ বাকী আছে এই সম্পৰ্কতো তেওঁ সামগ্ৰিক আলোচনা আগবঢ়াইছে। আনুষংগিকভাৱে কিছু গৱেষণা গ্ৰন্থৰ নাম, বৰ্তমানৰ গৱেষণাৰ দিশ, স্বৰূপ আদিও সূক্ষ্মাতিসূক্ষ্ম ৰূপত প্ৰবন্ধটোত প্ৰকাশ পাইছে।

গৱেষণা কৰ্মত কম্পিউটাৰৰ ব্যৱহাৰ বৰ্তমানৰ তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ যুগত কিমানদূৰ অপৰিহাৰ্য, সেই কথা গৱেষকসকলক নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। কিন্তু গৱেষণাত কম্পিউটাৰৰ প্ৰয়োজন বুলি কৈয়ে আমি হাত সাৱটি বহি থাকিলে হ'বনে? কম্পিউটাৰ নো আচলতে কি? গৱেষণা কৰ্মত কম্পিউটাৰৰ ভূমিকা কেনেধৰণৰ? শিক্ষাৰ্থীসকলৰ উপযোগীকৈ কম্পিউটাৰৰ মূল সংযুতি, তাৰ কাৰ্যপ্ৰণালী, তথ্য সঞ্চয়ন, পাঠ প্ৰস্তুতকৰণ, দৃশ্যশ্ৰাব্য সমল অধ্যয়নৰ পৰা আৰম্ভ কৰি যোগাযোগৰ মাধ্যমলৈ প্ৰতিটো স্তৰতে কম্পিউটাৰৰ উপযোগিতা সম্পৰ্কত বিস্তৃতভাৱে আলোকপাত কৰিছে ড° মনোজ কুমাৰ ডেকাই তেওঁৰ 'Role and Uses of Computer in Research' শীৰ্ষক প্ৰবন্ধত।

# সূচীপত্ৰ

# গৱেষণা তত্ত্ব ঃ এটি আলোকপাত

ড° জগদীশ পাটগিৰী

মানুহৰ বিভিন্ন দিশৰ অধ্যয়ন আৰু গৱেষণা সুস্থ জাতি গঠনৰ বাবে অতি গুৰুত্বপূৰ্ণ। মানৱ সভ্যতা-সংস্কৃতিৰ বিভিন্ন বিষয়ৰ অধ্যয়ন অবিহনে মানৱ জাতিৰ আধুনিক সংস্কৃতিৰ বুনিয়াদ নিৰ্মাণ কৰাটো সম্ভৱ নহয়। প্ৰত্যেকখন উন্নত দেশেই নিষ্ঠা, আন্তৰিকতা আৰু শ্ৰদ্ধাৰে নিজ নিজৰ দেশৰ সকলো স্তৰৰ জীৱন-যাত্ৰাৰ অধ্যয়ন আৰু নিৰৱচ্ছিন্ন গৱেষণাৰেহে তেওঁলোকৰ দেশৰ সমৃদ্ধি সাধন কৰিব পাৰিছে। এক অৰ্থত ক'বলৈ গ'লে অধ্যয়ন আৰু গৱেষণা এটি জাতিৰ সমৃদ্ধিৰ বাবে অতি আৱশ্যকীয়। গৱেষণাই জাতীয় সংস্কৃতিৰ বিভিন্ন দিশ বিশ্লেষণ কৰি নতুন ভাব আৰু আদৰ্শৰ ভিত্তি প্ৰস্তুত কৰাত প্ৰভূত পৰিমাণে সহায় কৰে। ন ন অধ্যয়ন, বিশ্লেষণ, পৰ্যালোচনা, উদ্ভাৱন আৰু আবিস্কাৰে মানৱ সভ্যতাৰ ভেঁটি নতুনকৈ দৃঢ় কৰি আহিছে। ইতিহাস, নৃতত্ত্ব, লোক-সংস্কৃতি, সমাজতত্ত্ব, অৰ্থনীতি, ধৰ্ম, ভাষাতত্ত্ব, শিক্ষা, ৰাজনীতি, দৰ্শন, পুৰাতত্ত্ব, স্থাপত্য-ভাস্কৰ্যৰ প্ৰতিটো দিশৰ অধ্যয়ন আৰু গৱেষণাই জাতীয় জীৱনক নতুন উন্নত আৰু ৰূপত গঢ়ি তুলিব পাৰে। মানুহৰ চিন্তা-চেতনাৰ উত্তৰণৰ বুৰঞ্জীয়েই এই কথাৰ সাক্ষী। পৃথিৱীৰ উন্নত দেশসমূহত দিনে-ৰাতি জ্ঞানৰ সাধনাত ব্যস্ত নাগৰিকসকলে ব্যৱহাৰিক চাহিদাটোকে মূল উদ্দেশ্য হিচাপে লৈ আগবাঢ়িছে। জীৱনৰ প্ৰতিটো স্তৰৰ মান উন্নতকৰণত তেওঁলোকৰ এই অধ্যয়ন আৰু গৱেষণাইহে সহায় কৰিছে। প্ৰতিটো বিষয়কে ভিন্ন ভিন্ন দৃষ্টিভংগীৰে বিচাৰ-বিশ্লেষণ কৰি নাগৰিকসকল অকল বৌদ্ধিকভাৱেই উন্নত হোৱা নাই, উন্নত কৰিছে তেওঁলোকৰ সামগ্ৰিক জীৱন-ধাৰাকো।

অসমত বিভিন্ন বিষয়ত বৌদ্ধিক চিন্তা-চৰ্চা আৰু গৱেষণাৰ বাট মুকলি কৰিছিল ড° বাণীকান্ত কাকতি, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° সূৰ্য কুমাৰ ভূঞা প্ৰমুখ্যে

পণ্ডিতসকলে। তেওঁলোকৰ পাছত ড° প্ৰফুল্লদত্ত গোস্বামীকে আদি কৰি আন এচামেও আমাৰ গৱেষণাৰ ক্ষেত্ৰখনলৈ প্ৰচুৰ অৱদান দি গৈছে। বৰ্তমান বৈদ্যুতিন মাধ্যমৰ দ্ৰুত সম্প্ৰসাৰণৰ লগে লগে উন্নয়নশীল দেশসমুহত, বিশেষভাৱে যুৱকসকল অধ্যয়ন বিমুখ হোৱাটো পৰিলক্ষিত হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগে উচ্চ শিক্ষা বিস্তাৰৰ বাবে গৱেষণা কৰ্মৰ উন্নতিৰ ওপৰত গুৰুত্ব দিছে। বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু আন আন শিক্ষা প্ৰতিষ্ঠানত শিক্ষকসকলৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে গৱেষণা বিশেষকৈ Ph.D. ডিগ্ৰী বাধ্যতামূলক কৰিছে। Ph.D. ডিগ্ৰী লোৱাৰ ক্ষেত্ৰত সংশ্লিষ্ট গৱেষণকজনে গৱেষণা পত্ৰ প্ৰকাশ কৰাটো বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশাৱলীত আছে। কিন্তু আমাৰ ৰাজ্যত গৱেষণা-পত্ৰ (Research Paper) প্ৰকাশৰ কোনো সুব্যৱস্থা নাই।

জ্ঞান পিপাসী মানুহৰ মনত অনবৰতে এটা উচ্চ শিক্ষাই ক্ৰিয়া কৰি থাকে। গৱেষণাই আমাৰ জ্ঞান বঢ়োৱাত সহায় কৰে, লগতে বিষয়টো সম্পূৰ্ণৰূপে বুজি উঠাত সহায় কৰে। জ্ঞান আহৰণৰ এক পৰম্পৰাগত মাধ্যম হৈছে উচ্চশিক্ষা। এজন গৱেষকে এখন গৱেষণা-পত্ৰ তৈয়াৰ কৰিবলৈ লওঁতে কেইবাটাও গুণ আয়ত্ত কৰিব লাগে।

(১) অধ্যয়ন হৈছে প্ৰথম গুণ। অধ্যয়ন অবিহনে গৱেষণা সম্ভৱ নহয়, গৱেষণা যিহেতু সত্য তথা বৈজ্ঞানিক দৃষ্টিভংগীৰ ওপৰত আধাৰিত সেয়েহে অধ্যয়ন অবিহনে ইয়াৰ সফলতা লাভ কৰিব নোৱাৰি।

(২) অধ্যৱসায় হৈছে গৱেষণাত থাকিবলগীয়া আন এক গুণ। যথেষ্ট ধৈৰ্য আৰু পৰিশ্ৰমৰ অবিহনে সফলতা লাভ কৰা সম্ভৱ নহয়, কিয়নো প্ৰথমতেই গৱেষণা-পত্ৰখন লিখাৰ আগতেই বহুত কথা পঢ়িবলগীয়া, শিকিবলগীয়া হয়। কেতিয়াবা সৰু কথা এটাও সত্য সিদ্ধান্তলৈ আহিবলৈ বহুত কিতাপ চাবলগীয়া হ'ব পাৰে।

(৩) দৃষ্টিভংগীৰ নৈব্যক্তিকতা গৱেষণাত থাকিবলীয়া আন এটা গুণ। সিদ্ধান্তসমূহৰ ওপৰত ব্যক্তিগত ৰুচি-অভিৰুচিৰ ছাঁ পৰিবলৈ দিব নালাগে।

(৪) লেখাৰ অভ্যাস থাকিলে গৱেষণা গ্ৰন্থখনক এটা ধুনীয়া ৰূপ দিব পাৰি।

(৫) গৱেষকজন সৎ (honest) হ'ব লাগিব। লগতে তেওঁ সত্যবাদী হ'ব লাগিব। জাতি, উপজাতি, ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি, ইতিহাস, ৰাজনীতি, সমাজনীতি ইত্যাদি বিষয়বোৰত সঠিক তথ্য যুক্তিৰে নিজৰ অভিমত দিব পাৰিব লাগিব।

গৱেষণা সদায় মৌলিক আৰু সত্যৰ ওপৰত আধাৰিত। লগতে নতুন জ্ঞানৰ অন্বেষণ আৰু সমস্যা সমাধানৰ বাবে গৱেষণা অনন্য এক নিশ্চিত পন্থা। গৱেষণা হৈছে জ্ঞানৰ শৃংখলাৱদ্ধতা বিষয়ক এক অনুসন্ধান প্ৰক্ৰিয়া— "Research is the fountain head of knowledge for the sake of knowledge and an important source of guideline provided to solving problem" (C.R. Kothari) বৈজ্ঞানিক পদ্ধতিৰে পৰীক্ষা-নিৰীক্ষাৰ জৰিয়তে কোনো এটা সমস্যাৰ সমাধান কৰাটোৱেই গৱেষণা। গৱেষণাৰ এক সুপৰিকল্পিত নীতি আছে আৰু এই সুপৰিকল্পিত নীতিক আগবঢ়াই নিয়া প্ৰথম জ্ঞান মাৰ্গৰ যাত্ৰী হৈছে গৱেষকসকল।



'গৱেষণা'ৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Research'। ইংৰাজী ভাষাৰ Research শব্দটো ফৰাচী ভাষাৰ Researche শব্দটোৰ পৰা নতুনকৈ গঠন কৰা হৈছে। ইংৰাজী 'Standard Dictionary of the English Language' অভিধানখনৰ মতে Research-ৰ অৰ্থ হ'ল—কোনো ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ বিধিবদ্ধভাৱে কৰা অনুসন্ধান (A Systematic investigation of some Phenomenon)। 'গৱেষণা' শব্দটোৰ আভিধানিক অৰ্থ হ'ল 'জ্ঞানান্বেষন'। Research শব্দটোৱে আৰম্ভনিতে কোনো বিষয়ৰ পুনৰ অনুসন্ধান কাৰ্য বুজাইছিল যদিও পিছলৈ ই সযত্ন অনুসন্ধান (Careful search), তদন্ত (investigation) আৰু জ্ঞানৰ সমৃদ্ধিৰ বাবে কৰা পদ্ধতিত অনুসন্ধান (Systematic investigation towards increasing the sum knowledge) এই অৰ্থকো সামৰে। Rober Ross-ৰ মতে গৱেষণা হ'লে কোনো এটা সমস্যাৰ বিশেষ বিষয়ৰ অনুসন্ধান (Research : An Introduction)। আনহাতে Tyrus Hilway-ৰ মতে বিশেষ কোনো এটা সমস্যাৰ সমাধান কৰাই গৱেষকৰ উদ্দেশ্য (Introduction to Research) গৱেষণা শব্দৰ গুৰিতে সংস্কৃত 'গো' 'গৰ' শব্দ বা 'গবেষ্' ধাতু। 'গম' ধাতুৰ উত্তৰ 'ডো'-প্ৰত্যয় যুক্ত গৈ 'গো' শব্দ নিষ্পন্ন হৈছে। 'গো' শব্দটোৰ অৰ্থ 'গম্যতে অনেন' অৰ্থাৎ যাৰ দ্বাৰা যোৱা হয়। ইয়াৰো বেলেগ বেলেগ অৰ্থ আছে। যেনে ঃ জ্ঞান, গৰু, পৃথিৱী, বাক্য, সৰস্বতী দেৱী, মা, জল, চকু আদি সংস্কৃত ব্যাকৰণ অনুযায়ী গমনাৰ্থক ধাতু জ্ঞানাৰ্থত ব্যৱহাৰ হয়। যেনে ঃ অনুধাৱন, অধিগত, অধিগম্য, দুৰধিগম্য শব্দবোৰৰ অৰ্থ ক্ৰমে পৰ্যালোচনা, জ্ঞাত, জ্ঞেয় আৰু দুৰ্জ্ঞেয়। ঠিক তেনেদৰে অসমীয়াত 'গম' শব্দটোৰ ব্যৱহাৰ আছে। যেনে ঃ গম পোৱা, অৰ্থ বুজি পোৱা, জানি পোৱা। সংস্কৃত 'এষণ' শব্দটোৰ অৰ্থ হৈছে 'অন্বেষণ'। গতিকে 'গৱেষণা' শব্দটোৰ অৰ্থ হ'ল 'জ্ঞানান্বেষন'।

**গৱেষণাৰ পৰিকল্পনা ঃ বিষয়-নিৰ্বাচন ঃ** গৱেষণা অধ্যয়নৰ আটাইতকৈ প্ৰয়োজনীয় কামটো হৈছে গৱেষণা গ্ৰন্থখনৰ উপযোগীকৈ এটা বিষয় বিচাৰি উলিওৱা। কিয়নো যিকোনো এটা বিষয় ল'লৈই সি গৱেষণা নহয়। বিশ্ববিদ্যালয়ৰ নিয়ম অনুসৰি এই বিষয় হ'ব—নতুন তথ্য আৱিস্কাৰ (Discovery of New facts) বা

সমালোচনাত্মক তথ্য সমীক্ষা (Critical survey of facts) বা আনৰ আৱিস্কৃত তথ্যাৱলীৰ মাজৰ সম্পৰ্ক নিৰ্ধাৰণ (Relations between facts discovered by others)।

এজন গৱেষকে বিষয়টো নিৰ্বাচন কৰোঁতে কেইবাটাও কথাৰ ওপৰত নজৰ দিবলগীয়া হয়। যেনে ঃ

১। এনে এটা বিষয় উলিয়াবলৈ যন কৰিব লাগে যাতে বিষয়টিৰ পৰিসৰ সামৰিব নোৱাৰাকৈ বহল নহয় আৰু ঠিক একেদৰে একেখিনি কথাকে বাৰে বাবে কৈ নাথাকিলে থাউকতে ওৰ পৰাকৈ ঠেকো নহয়।

২। গৱেষণাৰ বিষয়টো আৰু গৱেষকজনৰ মনৰ মাজতো এক সম্পৰ্ক আছে। কোনোবাজন মানুহ বহিৰ্মুখী আৰু কোনোবাজন অন্তৰ্মুখী। ঠিক একেদৰে গৱেষণাৰো ধৰণ দুটা—পৰীক্ষা নিৰ্ভৰ অধ্যয়ন আৰু বিশ্লেষণমূলক অধ্যয়ন। সেয়েহে বহিৰ্মুখী মনৰ গৱেষকৰ কাৰণে পৰীক্ষা নিৰ্ভৰ অধ্যয়ন গৱেষণা কাৰ্য মনোগ্ৰাহী হয় (এই অধ্যয়নৰ কাৰণে বহু সময়ত ক্ষেত্ৰ সমীক্ষনৰ প্ৰয়োজন হৈ পৰে) আৰু অন্তমুৰ্খীজনৰ কাৰণে পুথিভঁৰাল জড়িত গৱেষণা বেছি ফলপ্ৰসু হয়।

৩। বিষয়টি এনেভাৱে নিৰ্বাচন কৰিব লাগে যাতে নিৰ্ধাৰিত সময়ৰ ভিতৰত কৰি তাক শেষ কৰিব পাৰি।

৪। নিৰ্বাচিত বিষয়টি এনেদৰে তাৎপৰ্যপূৰ্ণ হ'ব লাগে যাতে সেই বিষয়টোৰ গৱেষণাই তাৰে আঁত ধৰি ভৱিষ্যৎ অগ্ৰৱৰ্তী গৱেষণাৰ বাট পোহৰাবলৈ নাপাহৰে। ইত্যাদি আৰু বহুতো কথা অধ্যয়ন কৰিবলগীয়া হয়।

**গৱেষণাৰ প্ৰকাৰভেদ ঃ**

গৱেষণা কাৰ্যৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগত সংগতি ৰাখি ইয়াৰ প্ৰকৃতি কেনে হ'ব তাক নিৰ্ণয় কৰাটোও গৱেষণাৰ প্ৰাথমিক কাম। গৱেষণাত গণনা পদ্ধতি এক উল্লেখযোগ্য পদ্ধতি। গণনা পদ্ধতি সম্পৰ্কে কেল্‌ভিনে এক নিৰ্ভৰযোগ্য উক্তি আগবঢ়াইছে—(Kilven's statement as quoted by Gerald Hotton) "I often say that when you cannot measure what you are speaking about and express it in member, your knowledge is of a meagre unsatisfactory kind. It may be the beginning of knowlegde." গৱেষণাৰো প্ৰকাৰভেদ আছে সেইবোৰ হৈছে—

১। পৰিচয়মূলক (Introductory)
২। ঐতিহাসিক (Historical)



৩। বিশ্লেষণাত্মক (Analyical)/বৰ্ণনাত্মক (Descrptive)
৪। সমীক্ষাত্মক (Critical)
৫। তুলনামূলক (Comparative)
৬। সমাজতত্ত্বমূলক/সামাজিক (Sociological/Social Research)

**১। পৰিচয়মূলক ঃ** এই গৱেষণাৰ ঘাই উদ্দেশ্যটো হৈছে বিষয়টো প্ৰতিষ্ঠা কৰা। এই গৱেষণাত সাধাৰণতে এটা নতুন বিষয় বিজ্ঞানসন্মত পদ্ধতিৰে অধ্যয়ন কৰা হয়।

**২। ঐতিহাসিক ঃ** কোনো এটা বিষয়ৰ অতীতৰ অধ্যয়নৰ লগতে বৰ্তমান ভৱিষ্যতৰ এক কালানুক্ৰমিক বিকাশৰ নিৰ্ভৰযোগ্য ৰূপ প্ৰতিষ্ঠা লাভ কৰাই ঐতিহাসিক গৱেষণাৰ প্ৰধান উদ্দেশ্য। ঐতিহাসিক গৱেষণাই জাতিৰ উত্থান-পতন, বিশ্বৰ বহুমুখী প্ৰগতি, মানৱ সভ্যতাৰ বিকাশ ইত্যাদি সকলো দিশৰে অধ্যয়ন কৰে। P. Saravanavel-ৰ উক্তি এইক্ষেত্ৰত প্ৰণিধানযোগ্য, "It is the induction of priniples through search to the past and social forces which have shaped the present." ঘটনাৰ ধাৰাবাহিকতা ৰক্ষা কৰা ঐতিহাসিক গৱেষণাৰ প্ৰধান কাম।

**৩। বৰ্ণনাত্মক গৱেষণা ঃ** এটা বিষয়বস্তুক সমকালীন সীমাৰেখাৰ ভিতৰত ৰাখি বিশ্লেষণাত্মক ৰীতিৰে অধ্যয়ন তথা সাহিত্যৰ ওপৰত কৰা অনুসন্ধানেই বৰ্ণনাত্মক গৱেষণাৰ ঘাই লক্ষ্য। এই ধৰণৰ গৱেষণাত তথ্য সংগ্ৰহ কৰাৰ লগতে তথ্যসমূহৰ ব্যাখ্যা আৰু মূল্যাংকনো কৰা হয়। এই গৱেষণাত বিভিন্ন ধৰণৰ পদ্ধতি অৱলম্বন কৰা হয়, যাৰ সহায়ত বৈজ্ঞানিক পদ্ধতিৰে লব্ধ তথ্যৰ বিশ্লেষণ কৰা হয়। পদ্ধতিকেইটা হ'ল— চাৰ্ভে পদ্ধতি (Survey), ব্যক্তি অধ্যয়ন পদ্ধতি, গোষ্ঠী অধ্যয়ন, প্ৰবৃত্তি অধ্যয়ন পদ্ধতি আদি।

**৪। তুলনামূলক গৱেষণা পদ্ধতি ঃ** দুটা ভিন্ন জাতীয় বস্তুৰ মাজত তুলনা কৰাই হৈছে তুলনামূলক গৱেষণাৰ ঘাই উদ্দেশ্য। তুলনামূলক পদ্ধতি অধ্যয়নৰ পটভূমি স্বাভাৱিকতে বহল। তুলনাৰ ক্ষেত্ৰখন বহুদূৰলৈকে বিস্তৃত হ'ব পাৰে। যিকোনো তুলনামূলক অধ্যয়নৰ দুটা উদ্দেশ্য আছে। ইয়াৰে প্ৰথমটো হ'ল দুজন সমান প্ৰতিভাশালী লেখকৰ সাহিত্যকৃতি বা সৃষ্টিকৰ্ম দুটা সমান্তৰাল সাহিত্য ৰূপৰ তুলনা কৰি কিছুমান ধ্যান-ধাৰণাৰ পোহৰত উভয়ৰে মূল্যাংকন নকৰি পৰস্পৰৰ সাধ্য-সাধনাৰ সহধৰ্মিতা আৰু বৈসাদৃশ্যৰ প্ৰতীতিৰে ব্যক্তি নিৰপেক্ষ বা দেশনিৰপেক্ষ সাৰ্বজনীন সিদ্ধান্তত উপনীত হোৱা। আনহাতেদি দ্বিতীয়টো হ'ল উভয়ৰ মাজত পাৰস্পৰিক আদান-প্ৰদান অথবা দাতা গ্ৰহীতাৰ সম্বন্ধটো স্পষ্টকৈ দেখুওৱা।

**৫। সামাজিক গৱেষণা ঃ** সামাজিক গৱেষণাৰ প্ৰধান লক্ষ্য হ'ল অধ্যয়নৰ বাবে গ্ৰহণ কৰা বিষয়টি আৰ্থ-সামাজিক পটভূমিত থৈ তাৰ সামাজিক দিশটো নিৰ্ণয় কৰা। এই ধৰণৰ গৱেষণা প্ৰধানত ঃ দৰ্শন, শিক্ষা, ৰাজনীতি, অৰ্থনীতি, সামাজনীতি আদি সম্বন্ধীয় গৱেষণা। গৱেষক বাৰ্লিৰ মতে (Burlley) "Social research studies empirically veriable and valid data, besides data which are meaningful in relation to the formulated hypothesis and theoritical frame of reference."

**৬। পৰীক্ষামূলক গৱেষণা ঃ** পৰীক্ষামূলক গৱেষণা হৈছে সত্যজ্ঞান তথা সিদ্ধান্ত আহৰণৰ এক নিৰ্ভৰযোগ্য স্বয়ং সম্পূৰ্ণ প্ৰণালী। এইধৰণৰ গৱেষণা কেৱল সুব্যৱহৃত, সুনিয়ন্ত্ৰিত গৱেষণাগাৰ (laboratory) তহে সম্ভৱ। বিজ্ঞানৰ অগ্ৰগতি আৰু অভিবৃদ্ধিত পৰীক্ষামূলক গৱেষণাৰ দান আটাইতকৈ অধিক। To generalise the variables to a wider population of interest—হৈছে পৰীক্ষমূলক গৱেষণাৰ উদ্দেশ্য।

**৭। সমীক্ষাত্মক ঃ** সমীক্ষাত্মক অধ্যয়নৰ ক্ষেত্ৰত এজন গৱেষকে তেওঁৰ অধ্যয়নত যিটো দিশ গ্ৰহণ কৰে সেই দিশৰ নিৰ্ভৰযোগ্য স্বৰূপ দাঙি ধৰিবলৈ প্ৰতিটো তথ্য বা তত্ত্ব অন্তৰ্সাক্ষ্য আৰু বৰ্হিৰ্সাক্ষ্যৰ ভিত্তিত বিচাৰ কৰি শুদ্ধাশুদ্ধতা নিৰ্ণয় কৰা।

ওপৰত উল্লেখ কৰা গৱেষণাৰ প্ৰকাৰ কেইটাৰ ভিতৰত এজন গৱেষকে কোনটো প্ৰকাৰৰ গৱেষণা কৰিব সেইটো ঠিক কৰি ল'লেহে সঠিক পথেৰে আগবাঢ়িবলৈ সহজ হয়। এজন গৱেষকে বিষয়-নিৰ্বাচনৰ পৰা গৱেষণা গ্ৰন্থখন লেখি উলিওৱালৈকে মুঠতে সাতটা স্তৰ পাৰ হ'ব লগা হয়। সেয়া হ'ল—

১। বিষয়-নিৰ্বাচন
২। তথ্য সংগ্ৰহ
৩। তথ্য-বিন্যাস আৰু আঁচনি প্ৰস্তুতকৰণ
৪। তথ্য-বিশ্লেষণ/সমীক্ষা
৫। তথ্য চূড়ান্তকৰণ
৬। তথ্যৰ পুনৰ মূল্যায়ন আৰু আঁচনি চূড়ান্তকৰণ।
৭। গ্ৰন্থ প্ৰণয়ন।

**তথ্য সংগ্ৰহ ঃ** এজন গৱেষকে তথ্যৰ ওপৰত ভিত্তি কৰি গৱেষণাৰ কাম কৰিবলগীয়া হয়। তথ্য প্ৰধানতঃ দুই প্ৰকাৰৰ মুখ্য তথ্য আৰু গৌণ তথ্য। মৌলিক ৰচনাৰ পৰা যিবোৰ তথ্য সংগ্ৰহ কৰা হয় তাক মুখ্য তথ্য বোলে। মৌলিক তথ্যৰ



অন্তৰ্ভুক্ত বিষয়সমূহ হ'ল, যেনে— মৌলিক ৰচনাদি (কাব্য মহাকাব্য, খণ্ড কবিতা, গীতি কবিতা, সংগীত, গল্প, উপন্যাস, নাটক, চিঠি-পত্ৰ, আত্মজীৱনী, ভ্ৰমণকাহিনী আদি), গৱেষণা গ্ৰন্থাদি (Doctoral thesis), সাক্ষাৎকাৰ (Interview), প্ৰশ্নমালা (Questiionnaries), গৱেষণা পত্ৰাদি (Research paper), চৰকাৰী প্ৰতিবেদন (Reports) আদি।

আনহাতেদি আকৌ মৌলিক তথ্যৰ অভাৱত তাৰ অনুবাদ, সাৰাংশ নাইবা আলোচনাৰ পৰা যিবিলাক তথ্য সংগ্ৰহ কৰা হয় তাক গৌণ তথ্য বোলে। গৌণ তথ্যৰ অন্তৰ্ভুক্ত বিষয়সমূহ হ'ল—গৱেষণাৰ সাৰাংশ আৰু সমালোচনা (Summaries and reviews of Research), মূল ৰচনাৰ অনুবাদ (Translation), মূলৰ সাৰাংশ (Abstract), সৰ্ববিদ্যাসংগ্ৰহমূলক গ্ৰন্থ (Encylopaedia) আৰু মূল গ্ৰন্থৰ টোকা বিষয়ক প্ৰকাশিত অন্যান্য গ্ৰন্থাদি (other publications containing factual information, commentaries) আদি।

পুথিভঁৰাল হৈছে তথ্য সংগ্ৰহৰ এক প্ৰধান উৎস। পুথিভঁৰালত বিষয় আৰু লিখক অনুযায়ী সূচক পত্ৰ প্ৰস্তুত কৰি ৰখা হয়। বিষয়ৰ শ্ৰেণী বিভাজন সাধাৰণতে— ১। ডিওৱি দশমিক পদ্ধতি, ২। লাইব্ৰেৰী অফ্ কংগ্ৰেছ পদ্ধতি আৰু ৩। ৰংগনাথন পদ্ধতি। সূচক-পত্ৰত দি থোৱা ১। গ্ৰন্থৰ স্থান সূচক সংখ্যা, ২। উপাধি প্ৰথমে দি লিখা লেখকৰ নাম, ৩। গ্ৰন্থৰ নাম, ৪। প্ৰকাশ আৰু সংস্কৰণৰ তাৰিখ আৰু ৫। গ্ৰন্থখন পুথিভঁৰালত পঞ্জীয়ন কৰোঁতে দিয়া সংখ্যাৰ ভিত্তিত প্ৰয়োজনীয় গ্ৰন্থ বিচাৰি উলিয়াব পাৰি।

গ্ৰন্থসমূহৰ পৰা এজন গৱেষকে কেনে ধৰণেৰে তথ্যসমূহ সংগ্ৰহ কৰিব তাৰ এটা শ্ৰেণী বিভাজন মনত ৰাখিলে সুবিধা হয়। যেনে — ১। গ্ৰন্থকাৰৰ দ্বাৰা আৱিস্কৃত কোনো তথ্য, ২। অন্য কোনো উৎসৰ পৰা উদ্ধৃত তথ্য, ৩। গ্ৰন্থকাৰৰ নিজৰ মত, ৪। গ্ৰন্থকাৰে ব্যৱহাৰ কৰা কোনো প্ৰমাণ এজন গৱেষকে তথ্য হিচাপে সংগ্ৰহ কৰিব পাৰে।

কিতাপ অথবা প্ৰবন্ধপাতিৰ পৰা টোকা লোৱাৰ ধৰণ চাৰিটা হ'ল—সাৰাংশ টোকা, উৎকলন টোকা, শব্দান্তৰণ টোকা আৰু বিমিশ্ৰ টোকা।

**১। তথ্য সংগ্ৰহৰ সজুঁলিসমূহ ঃ** এজন গৱেষকে যেতিয়া গৱেষণাৰ কাৰণে ক্ষেত্ৰ অধ্যয়নৰ বাবে যাব তেতিয়া তেওঁক আৱশ্যকীয় সজুঁলিৰ প্ৰয়োজন হয়। তেখেতে লগত নিয়া কাকত-কলমৰ উপৰিও প্ৰয়োজন হোৱা আন সজুঁলিসমূহ হৈছে— ১। কম্পাছ আদিসহ স্কেল, মেগ্নিফাইং গ্লাছ, ২। চক্ পেঞ্চিল, ৩। কোনো বিষয়ৰ

সাঁচ কাকতত উঠাই ল'বৰ বাবে চিয়াহী, ৰঙীণ পেঞ্চিল বা তেনে ধৰণৰ সামগ্ৰী, ৪। কেমেৰা, ৫। টেপ-ৰেকৰ্ডাৰ, ৬। সাধাৰণ ঘড়ী, ষ্টপ ওৱাচ্ছ, ৭। কেঁচী, কটাৰী, আঠা আদি সামগ্ৰী। ক্ষেত্ৰ অধ্যয়নলৈ যোৱা যিকোনো এজন গৱেষকৰ বাবেই এইবিলাক হ'ল প্ৰাথমিক সজুঁলি।

**২। তথ্য-বিন্যাস আৰু আঁচনি প্ৰস্তুতকৰণ চূড়ান্তকৰণ ঃ** গৱেষণা কৰ্মৰ প্ৰথম ভাগটো বুলি যদি আমি তথ্য সংগ্ৰহৰ পৰ্বটো ধৰি লওঁ তেনেহ'লে প্ৰাপ্ত তথ্যসমূহৰ বিন্যাস কৰি গ্ৰন্থখনৰ আঁচনি প্ৰস্তুত কৰা আৰু প্ৰাথমিক খচৰা কৰা সময়খিনিলৈকে তাক দ্বিতীয় ভাগ বুলিব পাৰোঁ। প্ৰস্তাৱিত গ্ৰন্থখনৰ যিটো প্ৰাথমিক আঁচনি কৰি লোৱা হয় তাৰ ওপৰতে ভিত্তি কৰি তথ্যসমূহৰ শ্ৰেণী বিভাজন কৰা হয়। এইখিনি কামৰ সময়ছোৱা এজন গৱেষকৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ। গৱেষণাৰ ফল তথ্য-পাতিৰ শুদ্ধ বিন্যাসৰ ওপৰতে নিৰ্ভৰ কৰে। প্ৰতিটো অধ্যায়-উপ অধ্যায়ৰ বাবে আৱশকীয় তথ্যসমূহ ভাগ কৰি লোৱাৰ পিছতহে গৱেষকজনে তেওঁৰ খচৰা পৰিকল্পনাটো চূড়ান্ত কৰাৰ সুবিধা হয়। নহ'লে গৱেষণা কাৰ্যটি সুশৃংঙ্খলিত হৈ নুঠে।

**৩। প্ৰাপ্ত তথ্যৰ পুনৰ মূল্যায়ন আৰু আঁচনিৰ চূড়ান্তকৰণ ঃ** গৱেষকজনৰ মূল লক্ষ্য হৈছে সত্য অন্বেষণ। তথ্যৰ পুনৰীক্ষণ শব্দটোৱে নিৰ্দেশ কৰে যিবোৰ তথ্য সংগৃহীত হৈছে সেই তথ্যবোৰৰ উপযোগিতা আৰু শুদ্ধতা নিশ্চিত কৰিবৰ কাৰণে কৰা বিচাৰ। যিকোনো এটা তথ্য কোনো এজন প্ৰসিদ্ধ পণ্ডিতৰ ৰচনাৰ পৰা সংগ্ৰহ কৰিলেও সেই তথ্যৰ মূল বিচাৰ কৰি গৱেষকজন নিশ্চিত হ'ব লাগে। তথ্যসমূহৰ বিন্যাসৰ ভিত্তিত গ্ৰন্থখনৰ অধ্যায় আৰু উপঅধ্যায়সমূহো পুনৰ বিন্যাস কৰি গ্ৰন্থখনৰ আঁচনিৰ ৰূপৰেখা চূড়ান্ত কৰি লোৱা হয়।

তথ্যৰ পুনৰ মূল্যায়ন আৰু আঁচনি চূড়ান্তকৰণৰ পিছত গৱেষকজনৰ গ্ৰন্থ প্ৰণয়নৰ কাম আৰম্ভ হয়। প্ৰথম অৱস্থাত গৱেষকজনে গ্ৰন্থখনৰ এটা খচৰা কৰি উলিয়াব লাগে যাতে তাক পুনৰ বিশ্লেষণেৰে চূড়ান্তৰূপ দিব পাৰি।

**৪। তথ্য সমীক্ষা/তথ্য বিশ্লেষণ ঃ** গৱেষক এজনে তথ্যসমূহ কামত আৰম্ভ কৰাৰ আগেয়ে সমীক্ষা চলোৱাৰ অতিকে প্ৰয়োজন, যাতে তথ্যসমূহ নিৰ্ভৰযোগ্য হয়নে নহয় সেই কথা গম পোৱা যায়। এইক্ষেত্ৰত দুইধৰণে সমীক্ষা চলাব পাৰি। প্ৰথমে বাহ্যিক আৰু তাৰ পিছত আভ্যন্তৰীণ সমীক্ষা। বাহ্যিক সমীক্ষাত প্ৰধানত ৰচয়িতা আৰু ৰচনাপাঠৰ অগ্নিপৰীক্ষা অতি প্ৰয়োজনীয়। কোন পৰিস্থিতিত কেতিয়া, ক'ত কি উদ্দেশ্যত ৰচনা কৰিছিল এইবোৰ চাব লাগিব।

বাহ্যিক পৰীক্ষাত যিখিনি পোৱা যায় তাৰ সন্দেহ দূৰ কৰিবৰ কাৰণেই



আভ্যন্তৰীণ সমীক্ষাৰ প্ৰয়োজন। মুখ্য অৰ্থৰ অনুসন্ধান কৰা এই সমীক্ষাৰ উদ্দেশ্য।

**৫। গ্ৰন্থ প্ৰণয়ন ঃ** এজন গৱেষকে গৱেষণা গ্ৰন্থ এখন প্ৰণয়ন কৰিবলৈ যাওঁতে বহুতো স্তৰ পাৰ কৰিবলগীয়াত পৰে। গ্ৰন্থ এখন প্ৰণয়ন কৰিবলৈ হ'লে অকল যে পুথি প্ৰবন্ধই যথেষ্ট এনে নহয়, কিয়নো দেশে-দেশে জ্ঞান-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত সুক্ষ্মাতি সুক্ষ্ম অন্বেষণৰ ঢল নামিছে। ইয়াৰ ফলত দুটা ঘটনা ঘটিছে এটা হৈছে সকলোবোৰ বিষয় বিশিষ্ট হৈ অনেক অনুবিদ্যাক্ষেত্ৰত পৰিণত হৈছে আৰু আনটো হৈছে প্ৰতিটো বিদ্যাক্ষেত্ৰৰ সীমাৰেখা ধুৱঁলী-কুঁৱলী হৈ প্ৰতিবেশী আনকি আপাত সম্পৰ্কহীন, বিদ্যাক্ষেত্ৰৰ ভিতৰ দেশত প্ৰৱেশ কৰি অনেক সংকৰ বিদ্যাক্ষেত্ৰৰ সৃষ্টি হৈছে।

**৬। গৱেষণাৰ ক্ষেত্ৰ অধ্যয়নৰ ভূমিকা ঃ** এজন গৱেষকৰ কাৰণে ক্ষেত্ৰ অধ্যয়নৰ দিশটো গুৰুত্বপূৰ্ণ। কিতাপৰ উপৰিও এনে কিছুমান কথা আছে যিবোৰ জীৱনৰ পথাৰৰ পৰা সংগ্ৰহ কৰিবলগীয়া হয়। গৱেষণাৰ এইটো প্ৰক্ৰিয়াকে ক্ষেত্ৰ অধ্যয়ন বা সমীক্ষন বুলি কোৱা হয়। ভাষা আৰু সংস্কৃতিৰ লগত জড়িত গৱেষণাত ক্ষেত্ৰ অধ্যয়নৰ আশ্ৰয় ল'বলগীয়া হয়। আঞ্চলিক শিষ্ট সাহিত্য, লোকসাহিত্য আৰু উপভাষাৰ বিষয়ত গৱেষণা কৰাৰ কাৰণে গৱেষকে ক্ষেত্ৰ অধ্যয়ন কৰিব লগা হয়। উদাহৰণ স্বৰূপে তাৰাশংকৰ বন্দোপাধ্যায়, মানিক বন্দোপাধ্যায়ৰ দৰে সাহিত্যিকৰ ৰচনাত বেছিভাগেই অঞ্চলভিত্তিক। গতিকে এই সাহিত্যক সকলৰ ওপৰত গৱেষণা কৰিবলৈ গ'লে যি অঞ্চলৰ পটভূমিত তেওঁলোকৰ গ্ৰন্থ লিখিত সেই অঞ্চলটো ভ্ৰমণ কৰি গৱেষকে তাৰ সামাজিক, অৰ্থনৈতিক, ভাষিক আৰু স্যাংস্কৃতিক আদি তথ্য সংগ্ৰহ কৰিব লাগিব।

ক্ষেত্ৰ অধ্যয়নৰ ঘাই উপাদান হৈছে তথ্যৰ নমুনা আৰু ঘাই উপকৰণ দুটা হ'ল—এটা টেপ ৰেকৰ্ডাৰ আৰু এটা কেমেৰা। ওপৰত আগতেই এই বিষয়ে উল্লেখ কৰি অহা হৈছে। নমুনা কেইবা প্ৰকাৰৰো হ'ব পাৰে প্ৰধানত নমুনা এলেকা নিৰূপনৰ বাবে গ্ৰহণ কৰা নিৰ্বাচন প্ৰণালীৰ ওপৰত নিৰ্ভৰশীল নমুনাৰ শ্ৰেণী দুটা—অবিন্যস্ত নমুনা আৰু যথাযথ নমুনা। অবিন্যস্ত নমুনা কোনো টো প্ৰত্যয়ৰ সত্যতা নিৰূপনৰ উদ্দেশ্যৰে নিৰ্দিষ্ট এটা শতকতা হাৰৰ সংখ্যা পূৰ কৰি সন্মুখত যাকে পোৱা যায় তাৰে পৰা সংগ্ৰহ কৰা হয়। আৰু যথাযথ নমুনা সংগ্ৰহৰ বাবে তথ্যদাতাৰ বিষয়ে অৰ্হতাটো আগতেই নিৰূপন কৰি লোৱা হয়।

অবিন্যস্ত নমুনাৰ ৰূপ আকৌ দুটা—আঞ্চলিক নমুনা আৰু স্তৰীভূত নমুনা। আঞ্চলিক নমুনাত তথ্যবস্তুৰ যোগান ধৰিব পৰা সমস্তৰৰ সমষ্টিক কিছুমান খণ্ডত বিভক্ত কৰি লোৱা হয়, তাৰপাছত প্ৰতিটো খণ্ডৰ পৰা সমপৰিমাণৰ অবিন্যস্ত তথ্য

নমুনা সংগ্ৰহহ কৰা হয়। স্তৰীভূত নমুনাত সমস্তৰ সমষ্টিটোক অৰ্হতাৰ মাত্ৰাভেদৰ ভিত্তিত বিভিন্ন তৰপত বিভক্ত কৰি লোৱা হয় আৰু তাৰ পাছত প্ৰতিটো খণ্ডৰ পৰা নিৰ্দিষ্ট অনুপাতৰ অবিন্যস্ত তথ্য নমুনা সংগ্ৰহ কৰা হয়। দৰাচলতে স্তৰীভূত নমুনা, অবিন্যস্ত নমুনা আৰু যথাযথ নমুনাৰ দোমোজাৰ বস্তু। তথ্য সংগ্ৰহ কৰাৰ ক্ষেত্ৰত এইটো আটাইতকৈ উৎকৃষ্ট প্ৰণালী।

নমুনা যি ধৰণেই নহওক কিয় সেয়া সংগ্ৰহ কৰাৰ ঘাই উপায়টো হ'ল সাক্ষাৎকাৰ গ্ৰহণ। সাক্ষাৎকাৰ গ্ৰহণৰ কাৰণে গৱেষকজনে নিজকে আগৰে পৰা প্ৰস্তুত কৰি তুলিব লাগে। মন কৰিবলগীয়া কথাটো এয়ে যে প্ৰতিটো প্ৰশ্ন পোনপটীয়া হ'ব লাগে আৰু ভুলতো প্ৰত্যাশিত উত্তৰটোৰ কোনো আভাস দিব নালাগে। লগতে সাক্ষাৎকাৰ গ্ৰহণৰ আগতে দাতাগৰাকীক আৱশ্যক স্থলত গোপনীয়তা ৰক্ষা কৰাৰ বিষয়ে আশ্বাস দিবলৈও পাহৰিব নালাগে। শেষত ৰেকৰ্ড কথাখিনি শুনি মূল অংশবোৰ টোকাবহীত টুকি ল'ব লাগে।

**গৱেষণা কাৰ্যৰ/অধ্যয়নৰ উদ্দেশ্য আৰু এজন গৱেষকৰ বাবে আচৰণীয় বিধি ঃ**

গৱেষণা অধ্যয়ন প্ৰক্ৰিয়াটো এটা অত্যন্ত জটিল প্ৰক্ৰিয়া, ইয়াৰ পৰিসৰো বহু ব্যাপক। গৱেষক এজনে কোনো বিষয়ত গৱেষণা কৰিবলৈ লোৱাৰ মূল উদ্দেশ্যটো হৈছে গৃহীত বিষয়টো সম্পৰ্কে কোনো অনুসন্ধান হোৱা নাই বা বিষয়টো সম্পৰ্কে ব্যৱহৃত তথ্যপাতি পৰ্যাপ্ত নহয়। গৱেষণাৰ বিষয়টো এনেদৰে তাৎপৰ্যপূৰ্ণ হ'ব লাগে যাতে সেই বিষয়টোৰ গৱেষণাই তাৰে খেও ধৰি ভৱিষ্যৎ অগ্ৰৱৰ্তী গৱেষণাৰ বাট পোহৰাবলৈ নাপাহৰে। গৱেষণা বিষয়টোৱে ধাৰ নিচিগা অনুসন্ধানৰ দুৱাৰ মুকলি কৰিব পৰা সাঁচাৰ কাঠিৰ যোগান ধৰিব লাগে। ই গৱেষণাৰ মুখ্য উদ্দেশ্য।

গৱেষণাৰ উদ্দেশ্য মুখ্যতঃ চাৰি প্ৰকাৰ — অনুসন্ধান, বৰ্ণনা, চিনাক্তকৰণ, পৰীক্ষণ তথ্য সংগ্ৰহৰ বাবে ব্যৱহৃত হ'ব লগা কৌশলসমূহ হ'ল— উদ্দেশ্যমূলক সিদ্ধান্ত, তথ্য সংগ্ৰহৰ যথাৰ্থতা, বিশ্বাসযোগ্যতা আৰু সংক্ষিপ্ততা।

গৱেষকৰ কাৰণে আচৰণীয় বিধি বুলি ক'বলৈ যাওঁতে এটা কথা মনত ৰাখিব লাগিব যে তেওঁ সকলো সময়তে অনিগন্ধিৎসু বৈজ্ঞানিক মন এটা লৈ কাম কৰিব লাগিব কিয়নো গৱেষণা কাৰ্য আৰু গৱেষকজন হ'ল এজন বিজ্ঞানী। সেয়েহে তেওঁ পালনীয় কৰ্তব্য হ'ল—

১। তেওঁ কাৰো দ্বাৰা প্ৰভাৱিত হ'ব নালাগিব।

২। কাৰো প্ৰতি তেওঁৰ পক্ষপাতিত্ব থাকিব নালাগিব।



৩। প্ৰতিটো তথ্যই তেওঁৰ বাবে দৰকাৰী, কিন্তু পৰীক্ষা নকৰাকৈ কোনো তথ্য গ্ৰহণ নকৰিব।

৪। প্ৰাসংগিকতা বিচাৰ কৰিহে তথ্য ব্যৱহাৰ কৰিব।

৫। তেওঁ প্ৰতিটো পদক্ষেপতে নিজৰ মত বা সিদ্ধান্তকো প্ৰশ্ন কৰিব।

৬। প্ৰতিটো তথ্য, নিৰপেক্ষভাৱে আৰু নিৰ্মোহভাৱে বিচাৰ কৰিব।

৭। তথ্যৰ শুদ্ধতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিব।

৮। বিষয়ৰ শেহতীয়া অধ্যয়ন আৰু তথ্য পাতিসমূহো বিচাৰলৈ আনিব লাগিব।

৯। পূৰ্ব সিদ্ধান্ত গ্ৰহণ কৰি তত্ত্ব-গধুৰ হ'লেও প্ৰতিষ্ঠা কৰাটো অনুচিত। (ড° নগেন শইকীয়া গৱেষণা পদ্ধতি পৰিচয় পৃ.৬)।

ইত্যাদি সকলোবোৰ দিশেই এজন গৱেষকে চালি-জাৰি চাইহে কামত আগবাঢ়িব পাৰে।

**গৱেষণাৰ ভাষা আৰু প্ৰকাশ ভংগী ঃ** গৱেষণা কৰ্মটো যিহেতু বৈজ্ঞানিক কৰ্ম আৰু সেইবাবে ইয়াৰ লগত ব্যক্তিগত আৰু ব্যক্তিনিষ্ঠ ভাৱ-অনুভূতিৰ কোনো সম্পৰ্ক নাই। সেইপিনৰ পৰা গৱেষণাৰ ভাষা আৰু প্ৰকাশভংগী সম্পূৰ্ণ নৈব্যক্তিক হ'ব লাগে। তথ্যযুক্তি আৰু সিদ্ধান্ত সৰল আৰু পোনপটীয়াকৈ প্ৰকাশ কৰাৰ বাবে ভাষা ইয়াৰ একমাত্ৰ মাধ্যম। গৱেষণাৰ ভাষাত কোনো প্ৰকাৰৰ দ্ব্যৰ্থতা থাকিব নালাগিব। গতিকে ইয়াৰ ভাষা হ'ব লাগে পোনপটীয়া, সৰল, দ্ব্যৰ্থহীন আৰু নিৰলংকৃত। গৱেষণাৰ ভাষাত যিমান কম শব্দৰে মূল কথা ক'ব পাৰি সিমানে কম শব্দ ব্যৱহাৰ কৰিব লাগে। গৱেষণা গ্ৰন্থখন যিটো ভাষাত লিখা হয় সেই ভাষাটোৰ ওপৰত গৱেষকজনৰ দখল থাকিব লাগিব যাতে তেওঁৰ মত বা সিদ্ধান্ত নিৰ্ভুল হয়। গৱেষণা গ্ৰন্থত প্ৰথম পুৰুষত কোনো কথা লিখা উচিত নহয়। গতিকে কোনো ব্যক্তি বা বিষয়ৰ বিশ্লেষণ সূচক শব্দ ব্যৱহাৰ কৰিব নালাগে।

গৱেষণা গ্ৰন্থৰ বাক্য গাঁথনি সৰল হ'ব লাগে। দীঘলীয়া সমাসবদ্ধ শব্দৰে বাক্য ৰচনা কৰাৰ পৰা বিৰত থাকিব লাগে।

**গৱেষণা গ্ৰন্থ এখনৰ প্ৰস্তুত ৰূপৰ ভাগসমূহ ঃ**

যিকোনো গৱেষণা কাৰ্যৰ আৰম্ভণিৰ পৰ্বৰ পৰা বিষয়বস্তু নিৰ্বাচন কৰি ক্ৰম অনুসৰি তথ্য সংগ্ৰহকে আদি সিবোৰৰ সুক্ষ্মাতিসূক্ষ্ম বিশ্লেষণ কৰি গৱেষণা গ্ৰন্থখন সম্পূৰ্ণ কৰালৈকে গৱেষকগৰাকীয়ে বিভিন্ন স্তৰৰ মাজেদি সিদ্ধান্ত উপনীত হ'বলগীয়া হয়। এই বিভিন্ন স্তৰৰ যুক্তিসন্ত প্ৰণালীবদ্ধ শ্ৰেণী বিন্যাসৰ প্ৰকাশেই এখন গৱেষণাগ্ৰন্থ। গৱেষণাগ্ৰন্থখন প্ৰস্তুত কৰোতে গৱেষকগৰাকীয়ে পাঠকৰ কথাও মনত ৰাখিব লাগিব।

যাতে প্ৰস্তুত হোৱা গ্ৰন্থখন পঢ়ি তাৰ প্ৰতিটো ব্যাখ্যা, কথা, প্ৰসঙ্গ, ইংগিত, উদ্দেশ্য, আদৰ্শ, ভাৱাদৰ্শ, সিদ্ধান্ত স্পষ্টৰূপত উদ্ভাষিত হয়। ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ে নিজৰ নিজৰ দৃষ্টিভংগী অনুসৰি এইক্ষেত্ৰত নিজাববীয়া কিছুমান নীতি-নিয়ম প্ৰণয়ন কৰি লৈছে। বিশ্ববিদ্যালয় ভেদে এনে নীতি-নিয়মৰ কিছু তাৰতম্য হ'লেও মৌলিক কথাবোৰ একেই।

**১। প্ৰাৰম্ভিক ভাগ (Preliminaries)**

(ক) বেটুপাত (Cover)
(খ) নাম-পত্ৰ বা কাঁড়পাত (Title page)
(গ) খালী পৃষ্ঠা (Blank page)
(ঘ) ভূমিকা আৰু ঋণস্বীকাৰ (Preface & Acknowledgment)
(ঙ) সূচীপত্ৰ (List of contents)
(চ) সুবিন্যস্ত তথ্য তালিকাসূচী (List of tables)
(ছ) চিত্ৰসূচী (List of illustrations)
(জ) সংক্ষিপ্তকৃত শব্দসূচী (Abbreviations)

**২। মূলভাগ (Text)**

(ক) প্ৰস্তাৱনা/অৱতৰণিকা — Introduction
(খ) আংশিক নাম-পত্ৰ — Half title page
(গ) মূলপাঠঃ প্ৰথম অধ্যায় — Text : First Chapter
(ঘ) অধ্যায়সমূহ — Chapters
(ঙ) উপসংহাৰ — Summing up

**৩। প্ৰসংগ সমল (Reference materials)**

(ক) পৰিশিষ্ট (প্ৰয়োজন অনসৰি) — Appendices
(খ) গ্ৰন্থপঞ্জী — Bibliography

গৱেষণা গ্ৰন্থ এখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এটা অংশ হৈছে উপসংহাৰ। এই অংশটোৰ প্ৰধান কাম হ'ল সংযুক্তিকৰণ (Function of tying together) আৰু মূল্যায়ন (Evaluation)। এজন গৱেষকে গৱেষণাৰ বাবে এটা বিষয়ে বাছি লোৱাৰ পৰা গৱেষণা সম্পূৰ্ণ কৰি গৱেষণা গ্ৰন্থ এখন প্ৰস্তুত কৰি উলিওৱা লৈকে বিভিন্ন স্তৰ পাৰ হ'বলগীয়া হয় আৰু এই স্তৰসমূহৰ প্ৰত্যেকটো অংশই অতিশয় গুৰুত্বপূৰ্ণ। গৱেষণা গ্ৰন্থখনৰ যিকেইটা অধ্যায়ত বিভক্ত কৰি প্ৰস্তাৱিত বিষয়ত আলোচনা কৰা হৈছে সেইবোৰ বিষয়ক ঐক্যসূত্ৰত বিবৃত কৰি আকৌ সংক্ষেপে বিবৃত কৰি আলোচিত বিষয়



সম্পৰ্কে এটা স্থিৰ সিদ্ধান্তত উপনীত হ'ব লাগিব। গৱেষকৰ এই সিদ্ধান্তটো পৰীক্ষক আৰু পাঠকৰ ওচৰত আটাইতকৈ আকৰ্ষণীয় বিষয়। গৱেষণা গ্ৰন্থখৰ উপসংহাৰৰ পৰ্বটি নিয়াৰিকৈ সমাপন হোৱাৰ লগে লগে গৱেষণা গ্ৰন্থখনেও পূৰ্ণ লাভ কৰে।

-----------------------------------------

## গ্ৰন্থপঞ্জী

**অসমীয়া ঃ**


১। পুৰকাইত নিখিলেশ ঃ প্ৰবন্ধ সাহিত্য আৰু গৱেষণা গ্ৰন্থৰ ৰচনা পদ্ধতি, জিজ্ঞাস প্ৰকাশ।
২। বৰা, মহেন্দ্ৰ ঃ গৱেষণা প্ৰণালী তত্ত্ব, ডিব্ৰুগড়, বনলতা, ২০০৯
৩। বৰপূজাৰী, হেৰম্বকান্ত ঃ গৱেষণা পদ্ধতি পৰিচয়, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড় - ১, ২০১১


**ইংৰাজী ঃ**


1. Anderson, Durston & Poole : Thesis and Assignment Writing, Wiley Eastern Pvt. Ltd., New Delhi, 1970.
2. Bedekar, V.H. : How to write Assignments, Research papers, Dissertation and Thesis, Kanak Publicatation, New Delhi, 1982.
3. Berry, R., : How to write Research paper, Pargaman Press, London, 1966.
4. Joseph Gibaldi and Walter S. Achiter : Hand book for writers of Rersearch papers.
5. Kothari, CR : Research Methodology
6. Patgiri, Jagadish : Folkorre and Folklife As Reflected through Modern Assamese Social Drama, G.U. Library, 1977.
7. Patgiri, Jagadish (ed) : Manavayatan, Vol. II No. II, Guwahati, 2013
MLA Hand book for writers of Research papers, Seventh Edition, 2009, Affiliated East-West Press, Pvt. Ltd., New Delhi.
8. Ross Ropert : Research : Introduction, Barnes and Nobles, New York, 1974.

# গৱেষণা পদ্ধতিতত্ত্ব ঃ পৰিচয় আৰু বিকাশ

**ড° পল্লৱী ডেকা বুজৰবৰুৱা**

**০.০ অৱতৰণিকা**

সাধাৰণ অৰ্থত গৱেষণা শব্দই জ্ঞানৰ অন্বেষণক বুজায়। কেতিয়াবা আকৌ গৱেষণাক নিৰ্দ্দিষ্ট এটা বিষয়ৰ প্ৰাসংগিক তথ্যৰ বিজ্ঞানসন্মত আৰু পদ্ধতিগত অনুসন্ধান বুলিও ক'ব পৰা যায়। The Advanced Lerner's Dictionary of Current English অনুযায়ী 'গৱেষণা হ'ল জ্ঞানৰ যিকোনো ক্ষেত্ৰত নতুন কোনো সত্যৰ সন্ধানত বিশেষভাৱে কৰা একপ্ৰকাৰ সতৰ্ক অনুসন্ধান'।[১] সকলো মানৱীয় জ্ঞানেই মানুহে স্বাভাৱিক পৰিৱেশৰ পৰা আহৰণ কৰে। হাণ্ট ই এফ্ আৰু কলগুাৰ ডি চি ৰ মতে জ্ঞানৰ উৎসক তিনি ভাগত ভাগ কৰিব পাৰি—

১। প্ৰাকৃতিক বিজ্ঞান

২। সামাজিক বিজ্ঞান

৩। মানৱীয়তাৰ সম্পৰ্কীয় বিজ্ঞান (ইতিহাস-সাহিত্য-দৰ্শন আদি বিষয়ক)[২]

প্ৰাকৃতিক বিজ্ঞানে বস্তুগত পৰিৱেশৰ লগত সম্পৰ্ক ৰাখে, য'ত মানুহক সামাজিক বিজ্ঞানৰ প্ৰেক্ষাপটত ৰাখি মানুহৰ সামূহিক জীৱনৰ সকলো দিশৰ বিষয়ে অধ্যয়ন কৰা হয়। আনহাতে মানৱীয়তা সম্পৰ্কীয় বিজ্ঞান (ইতিহাস-সাহিত্য-দৰ্শন আদি)য়ে ধৰ্ম, দৰ্শন, সংগীত, কলা আৰু সাহিত্য আদিৰ জৰিয়তে এটা নিৰ্দ্দিষ্ট দিশত মানুহৰ সাংস্কৃতিক জীৱনৰ লগত সম্পৰ্ক ৰাখে। সি যি কি নহওক ওপৰত উল্লেখ কৰা তিনি ধৰণৰ উৎসৰ জ্ঞানানুসন্ধানক গৱেষণা বুলি অভিহিত কৰিব

১. TheAdvanced Lerner's Dictionary of Current English, Oxford, 1952, P-1069
২. Dr. C. Rajendra Kumar, Research Methodology, APH Publishing Corporation, Darya Ganj, New Delhi-110002, 2008, p-2



পাৰি। গৱেষণা কি এই সম্পৰ্কে অসমীয়াত ড° মহেন্দ্ৰ বৰাৰ 'গৱেষণা প্ৰণালীতত্ত্ব' আৰু ড° নগেন শইকীয়াৰ 'গৱেষণা পদ্ধতিৰ পৰিচয়' নামৰ দুখন গ্ৰন্থ আছে। সাম্প্ৰতিক সময়ত ইয়াৰ সংজ্ঞা, লক্ষ্য, উদ্দেশ্য, প্ৰকাৰ আৰু পদ্ধতিৰ অনেক বিকাশ সাধন হৈছে। তেনে শেহতীয়া সূত্ৰ অথবা তথ্য সম্পৰ্কে অসমীয়াত কোনো আলোচনা নাই। সেইবিষয়ে সজাগতা সৃষ্টি কৰাটোৱেই এই আলোচনাৰ উদ্দেশ্য।

**১.০ গৱেষণাৰ সংজ্ঞা**

বহু পণ্ডিতে গৱেষণাক আন্দোলন বুলি অভিহিত কৰিব খোজে— এই আন্দোলন জনাৰ পৰা নজনা ক্ষেত্ৰলৈ যাত্ৰাৰ আন্দোলন; এই যাত্ৰা হ'ল নতুনক আৱিষ্কাৰ কৰাৰ যাত্ৰা। তথাপি দেখা যায় গৱেষণা পৰিভাষাটো সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে মতামত আগবঢ়াইছে। তেনে কেইটিমান বিশেষ পৰিভাষা তলত দিয়া ধৰণৰ—

১। ক্লিফৰ্ড উদিৰ মতে গৱেষণাত কোনো সমস্যাৰ স্বৰূপ উদ্‌ঘাটন, তাৰ মূল্যায়ন আৰু প্ৰয়োজন সাপেক্ষে পুনৰ উদ্‌ঘাটন আদি বিভিন্ন দিশ জড়িত হৈ থাকে। সেই কাৰণে গৱেষণাকৰ্মৰ সমগ্ৰ প্ৰক্ৰিয়াটোত প্ৰাক্ -কল্পনা অথবা লাভ কৰিবলগীয়া সিদ্ধান্তৰ পূৰ্বানুমান, তথ্য সংগ্ৰহ, সংৰক্ষণ, পৰীক্ষণ আৰু মূল্যায়ন আদি কাৰ্য সম্পন্ন কৰা হয়। পিছৰ পৰ্যায়ত কোনো সমাধান অথবা সিদ্ধান্তত উপনীত হ'বলৈ তথ্যৰ সংযোজন- বিয়োজনো ঘটোৱা হয়। আৰু সামৰণিত সংযোজন-বিয়োজন প্ৰক্ৰিয়াৰ মাজেৰে নিষ্কাশিত তথ্যৰ লগত সতৰ্কতাৰে প্ৰাক্-কল্পনাৰ তুলনা কৰি নতুন সিদ্ধান্তত উপনীত হ'বলৈ প্ৰয়াস কৰা হয়।

২। ৰেড্‌মেন আৰু মেৰীয়ে গৱেষণাক নতুন জ্ঞান আহৰণৰ এক প্ৰকাৰ পদ্ধতিগত প্ৰয়াস বুলি অভিহিত কৰিছে।

৩। ডি শ্লাৰিংগাৰ আৰু এম্ ষ্টিফেন্‌চনে "এন্‌চাইক্লপেডিয়া অৱ চ'ছিয়েল ছাইঞ্চ"ত কৈছে যে গৱেষণা হ'ল জ্ঞানৰ শুদ্ধতা অথবা জ্ঞান বৃদ্ধিৰ উদ্দেশ্যে হোৱা বিষয়, বস্তু অথবা প্ৰতীক আদিৰ এনে প্ৰয়োগ, য'ত গৱেষণাই কোনো নতুন তত্ত্ব প্ৰণয়ন কৰে অথবা নতুন কলাৰ অনুশীলন কৰে।

৪। জ'ন ডব্লিউ বেটছ্‌য়ে কৈছে, যে গৱেষণা হ'ল একপ্ৰকাৰ পদ্ধতিগত আৰু বস্তুনিষ্ঠ বিশ্লেষণ। ইয়াত পৰ্যবেক্ষণৰ এনে কিছুমান নিয়ন্ত্ৰণৰ দ্বাৰা তথ্য-প্ৰমাণ সংৰক্ষণ কৰা হয়, যাৰ বিকাশ সাধন কৰি আকাংক্ষিত ফলাফল অথবা সম্ভাব্য সমাধান সূত্ৰত উপনীত হ'ব পাৰি। ইয়াৰ জৰিয়তে শেষ সিদ্ধান্তত কোনো সাধাৰণ নীতি বা তত্ত্বত উপনীত হ'ব পৰা যায়।

৫। ৱেব্ষ্টাৰৰ "টুয়েণ্টিয়েথ্ চেঞ্চুৰী ডিক্সনেৰী"ত কৈছে যে গৱেষণা হ'ল জ্ঞানৰ কোনো ক্ষেত্ৰৰ সত্য অথবা নীতি প্ৰতিষ্ঠাৰ বাবে ধৈৰ্য আৰু সতৰ্কতাৰে কৰা কঠোৰ শ্ৰমসাধ্য অনুসন্ধান অথবা পৰীক্ষণ।[৩]

অৰ্থাৎ দেখা গ'ল গৱেষণাৰ কাৰণে গৱেষকৰ মাজত আত্মবিশ্বাসৰ আধিক্যতকৈ সন্দিগ্ধতা বা উৎসুকতাৰ আধিক্যহে অধিক বাঞ্চনীয়। আন বহু পণ্ডিতেও একেমুখে ক'ব খোজে যে, গৱেষণা হ'ল নতুন জ্ঞান আহৰণৰ পদ্ধতিগত প্ৰয়াস।[৪] অৰ্থাৎ গৱেষণা হ'ল কোনো সত্য, তত্ত্ব, আদৰ্শ অথবা কাৰ্যৰ বিজ্ঞানসন্মত প্ৰক্ৰিয়া। আনহাতে এই কথাও সৰ্বজন বিদিত যে মানুহৰ মৌলিক প্ৰবৃত্তিত বুদ্ধিজাত অনুসন্ধিৎসা সহজাতভাৱে সংপৃক্ত হৈ থাকে। সেয়ে যিকোনো অচিনাকি সমস্যাৰ সন্মুখীন হৈ যদিও মানুহ প্ৰথমে আচৰিত, হয়, ভিতৰৰ অনুসন্ধিৎসু প্ৰবৃত্তি কিন্তু লগে লগে তৎপৰ হৈ উঠে— তৎকালীনভাৱে সেই অচিনাকি সমস্যাৰ উৎস অনুসন্ধানত লাগি যায়। লগতে সমস্যাৰ সমাধান অথবা তাৎক্ষণিক প্ৰত্যাহ্বানৰ পৰা পৰিত্ৰাণ সূত্ৰৰো সন্ধান কৰে। নিজৰ মাজত থকা তেনে সহজাত মানৱীয় অনুসন্ধিৎসাৰ পৰা উদ্ভূত মৌলিক প্ৰবৃত্তিৰ তাড়নাতে গৱেষকে একোটা লক্ষ্য বিষয়ৰ প্ৰাসংগিক তথ্য আহৰণৰ প্ৰয়াস কৰে। তেনে আহৃত তথ্যৰ পৰীক্ষণ, মূল্যায়ন, পৰ্যবেক্ষণৰ জৰিয়তে নজনাক জনাৰ, নুবুজাক বুজাৰ জ্ঞানান্বেষণ কৰে। মুঠতে ক'ব পাৰি, গৱেষণা হ'ল— একোটা সমস্যাৰ নিৰপেক্ষ আৰু পদ্ধতিগত উপায়েৰে সমাধানসূত্ৰত উপনীত হ'বলৈ কৰা জ্ঞানৰ অন্বেষণ। আচলতে পদ্ধতিগত প্ৰয়াসেৰে নিৰ্মাণ কৰা কোনো নিৰপেক্ষ তত্ত্বও হ'ল একপ্ৰকাৰ গৱেষণা। গৱেষণাত সকলো প্ৰকাৰ অগ্ৰগতি বা বিকাশেই অনুসন্ধানৰ পৰিণতিতহে সম্ভৱ হয়।

**১.১ গৱেষণাৰ উদ্দেশ্য ঃ**

যিকোনো গৱেষণাৰ উদ্দেশ্য হৈছে বৈজ্ঞানিক পদ্ধতিৰে নিৰ্বাচন কৰি লোৱা একোটা বিষয় সম্পৰ্কত উদ্ভৱ হোৱা প্ৰশ্নৰ উত্তৰ উদ্ধাৰ কৰা। কি কৰিব বিচৰা হৈছে, অৰ্থাৎ কিহৰ অনুসন্ধানত গৱেষণাৰ প্ৰয়োজন হৈছে— সেইটোৱেই হ'ল গৱেষণাৰ ক্ষেত্ৰত আটাইতকৈ প্ৰথামিক আৰু গুৰুত্বপূৰ্ণ প্ৰশ্ন। সেই প্ৰশ্নৰ উত্তৰ অনুসন্ধানী প্ৰয়াসতে নিৰ্ণয় হয় গৱেষণাৰ উদ্দেশ্য। বাস্তৱিকতে সকলো গৱেষণাকৰ্মতে সৰ্বস্তৰৰ গ্ৰহণযোগ্য সামূহিক কল্যাণৰ লগতে গৱেষকৰ ব্যক্তিগত কিছুমান উদ্দেশ্য

৩. Dr. C. Rajendra Kumar, Research Methodology, APH Publishing Corporation, Darya Ganj, New Delhi-110002, 2008, p-1-2

৪. L.V. Redman and A.V.H. Mory, The Romance of Research, 1923, p-10



নিহিত হৈ থাকে। সকলো গৱেষণাৰ থাকে অতি সূক্ষ্ম, গভীৰ তাৎপৰ্যপূৰ্ণ দূৰদৰ্শী কাৰ্যকাৰিতা থকা অন্তৰ্নিহিত উদ্দেশ্য। তেনে কেইটিমান সূক্ষ্ম, গভীৰ তাৎপৰ্যপূৰ্ণ দূৰদৰ্শী কাৰ্যকাৰিতা থকা অন্তৰ্নিহিত উদ্দেশ্য হ'ল—

১। সৰ্বজন গৃহীত নতুন ক্ষেত্ৰ বা দৃষ্টিভংগীৰ কোনো বিষয়ৰ সত্য উদ্ঘাটন।

২। কোনো বিশেষ পৰিস্থিতি অথবা বিষয়ৰ সত্য ছবি নিৰ্মাণ কৰা।

৩। কোনো সংঘটিত পৰিঘটনা অথবা তাৰ লগত জড়িত অন্য প্ৰাসংগিক সত্য নিৰ্ণয় কৰা।

৪। পূৰ্বানুমিত প্ৰাক্-কল্পনাৰ লগত প্ৰাপ্ত তথ্যৰ সম্পৰীক্ষণ কৰা।

একে সময়তে গৱেষকৰ নিজা স্তৰত ব্যৱহাৰিক বাস্তৱতাৰ দিশৰ পৰাও আৰোপিত হয় কিছুমান আপাতঃ স্থূল আৰু সাময়িক প্ৰয়োজন সাপেক্ষ কিন্তু অতীৱ প্ৰয়োজনীয় উদ্দেশ্যও থাকে। এনেদৰে গৱেষণাৰ লগত গৱেষকৰ ব্যক্তিগত স্তৰৰ প্ৰয়োজন পূৰণ কৰা দেখাত স্থূল, কিন্তু বস্তুতঃ বাহ্যিক প্ৰয়োজনত আৰোপিত তেনে কেইটিমান সাধাৰণ উদ্দেশ্য হ'ল—

১। গৱেষণাৰ জৰিয়তে এটি ডিগ্ৰীৰ লগতে গুৰুত্বপূৰ্ণ সা-সুবিধাৰ আকাংক্ষা।

২। সমাধান নোহোৱা কিছুমান সমস্যাৰ সমাধানৰ বাবে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ আকাংক্ষা; কিছুমান ব্যৱহাৰিক সমস্যাৰ সমাধান অনুসন্ধানৰ গৱেষণা সূচনা কৰা।

৩। সৃষ্টিশীল চিন্তাৰে অধ্যয়ন কৰি বৌদ্ধিক আনন্দ লাভৰ আকাংক্ষা

৪। সমাজৰ কল্যাণ কৰাৰ আকাংক্ষা

৫। মান্যতা প্ৰাপ্তিৰ আকাংক্ষা

যি কি নহওক, আচলতে গৱেষণাকৰ্মৰ বাবে অধ্যয়নৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ অন্তৰালত থকা উদ্দেশ্যৰ ক্ষেত্ৰত কেৱল এই তালিকাই পৰ্যাপ্ত নহয়। ইয়াৰ উপৰিও আন বহুত আনুসংগিক দিশ যেনে— চৰকাৰ, নিয়োগ-নীতি, নতুনত্বৰ প্ৰতি অন্তহীন তৃষ্ণা তথা অনুসন্ধিৎসা, কোনো বিষয় বা কৰ্মৰ লগত থকা বিভিন্ন অনিয়মিত সংযোগ আদিক বুজিবলৈ থকা প্ৰবল আকাংক্ষা, সামাজিক চিন্তা আৰু সমাজ-সচেতনতা আদি বিভিন্ন উদ্দেশ্যও নিহিত থাকে গৱেষণা-কৰ্মৰ পশ্চাদভূমিত।

**১.২ গৱেষণাৰ লক্ষ্য ঃ**

গৱেষণাৰ মূল লক্ষ্য হৈছে লুকাই থকা আৰু এতিয়ালৈকে উদ্ধাৰ নোহোৱা সত্য পোহৰলৈ অনা। যদিও প্ৰত্যেক গৱেষণা-কৰ্মৰ ক্ষেত্ৰত একোটা সুকীয়া আৰু নিৰ্দ্দিষ্ট উদ্দেশ্য নিহিত হৈ থাকে, তথাপি সকলো গৱেষণাৰ ক্ষেত্ৰতে প্ৰযোজ্য হোৱা কেইটিমান সাধাৰণ লক্ষ্য তলত দিয়া ধৰণৰ—

১। একোটা প্ৰেক্ষাপট অথবা ক্ষেত্ৰৰ প্ৰতি সজাগতা সৃষ্টি কৰাই নহয়, নতুন দৃষ্টিভংগীৰে একোটা বিষয়ৰ মূল্যায়ন কৰা [ উদ্‌ঘাটনকাৰী (Exploratory) অথবা প্ৰণালীবদ্ধতাৰ (Formulative) গৱেষণা পদ্ধতিত এনে লক্ষ্যৰ অধ্যয়ন হয়।]

২। নিৰ্দ্দিষ্ট একোটি বিষয়, পৰিঘটনা অথবা গোটবিশেষৰ নিৰ্ণয় কৰা আৰু সেই বৈশিষ্ট্যসমূহৰ যথাৰ্থ ছবি এখন পৰিষ্কাৰ ৰূপত উদ্ধাৰ কৰা [এই লক্ষ্যৰে কৰা অধ্যয়ন প্ৰক্ৰিয়া বৰ্ণনাত্মক (Descriptive) গৱেষণা পদ্ধতিত সম্পন্ন হয়।]

৩। কোনো বিশিষ্ট দিশ বা বিষয়ৰ লগত জড়িত আন কোনো দিশ বা বিষয়ৰ বাৰাংবাৰতা নিৰ্দ্ধাৰণ কৰা [সমস্যাৰ কাৰণ নিৰ্ণায়ক (Diagnostic) গৱেষণা পদ্ধতিত এই লক্ষ্য নিহিত হয়।]

৪। কোনো বিষয় অথবা দিশৰ গৱেষণাৰ বাবে প্ৰাথমিকভাৱে প্ৰস্তুত কৰা প্ৰাক্-কল্পনাৰ লগত পৰিৱৰ্তিত সিদ্ধান্তত পৰীক্ষণ [প্ৰাক্-কল্পনা-পৰীক্ষণ (Hypothesis-testing) পদ্ধতিত এই লক্ষ্য নিহিত হয়।]

**২.০ গৱেষণাকৰ্মৰ প্ৰকাৰ ঃ**

গৱেষণা-কৰ্মৰ বিভিন্ন প্ৰকাৰ থাকে। প্ৰাথমিকভাৱে ভাগ কৰিব পৰা গৱেষণা-কৰ্মৰ প্ৰকাৰসমূহ এনেধৰণৰ—

**২.১ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক গৱেষণা ঃ**

এই পদ্ধতি দুটাৰ সহায়ত বিভিন্ন প্ৰকাৰৰ পৰীক্ষণ আৰু সত্য উদ্‌ঘাটনৰ অনুসন্ধান কৰিব পৰা হয়। বৰ্ণনাত্মক গৱেষণাৰ উদ্দেশ্য হ'ল যিকোনো বিষয়ৰ বৰ্তমান স্থিতিৰ সঠিক অৱস্থাৰ বৰ্ণনা কৰা। এই পদ্ধতিৰ প্ৰধান বৈশিষ্ট্য হ'ল বাস্তৱত কি ঘটি আছে অথবা কি ঘটিবগৈ পাৰে গৱেষকে কেৱল তাৰহে বিৱৰণ দিব পাৰে, পৰিৱৰ্তনশীল পৰিস্থিতিৰ ওপৰত গৱেষকৰ কোনো নিয়ন্ত্ৰণ নাথাকে। অতীতত কি ঘটিছিল, তেনেধৰণৰ সত্য উদ্‌ঘাটন কৰা বহুবোৰ প্ৰকল্পতে বৰ্ণনাত্মক তথা বিশ্লেষণাত্মক দুয়োধৰণৰ গৱেষণা পদ্ধতি ব্যৱহাৰ কৰা হয়। বৰ্ণনাত্মক পদ্ধতিত পূৰ্বধাৰণাৰে সিদ্ধান্তৰ একোটা সীমা বান্ধি লোৱা ধৰণৰ গৱেষণা কৰা নহয়। এই পদ্ধতিৰ বৈশিষ্ট্য হ'ল গৱেষক কোনোপধ্যে পূৰ্বধাৰণাৰ ওপৰত নমনীয় হ'ব নোৱাৰে আৰু গৱেষণাৰ অন্তত পাবলগীয়া সিদ্ধান্তৰ ওপৰতো গৱেষকৰ কোনো ধৰণৰ পূৰ্ণনিয়ন্ত্ৰণ নাথাকে। গৱেষকে মাত্ৰ প্ৰকৃততে কি ঘটিল বা ঘটিব পাৰে, সেই সত্যহে দাঙি ধৰিব পাৰে। এনেধৰণৰ পূৰ্বধাৰণাৰ সীমা বান্ধি ল'ব নোৱাৰা অৰ্থাৎ কোনো প্ৰাক্-কল্পনা কৰিব নোৱাৰা এনে ধৰণৰ গৱেষণাত গৱেষকে প্ৰচলিত সংখ্যা, মাত্ৰা বা অংশ আদিৰ জোখ উলিয়াব



পাৰে। উদাহৰণস্বৰূপে— বজাৰ দৰ, মানুহৰ সাঁহাৰি অথবা অন্য একেধৰণৰ তথ্য উদ্‌ঘাটনৰ গৱেষণা ইত্যাদি। আনহাতে বিশ্লেষণাত্মক গৱেষণা পদ্ধতিত গৱেষকে আগৰে পৰা থকা সত্য, তথ্য আৰু সূত্ৰৰ ব্যৱহাৰ কৰে আৰু বিষয়ৰ সঠিক সিদ্ধান্তত উপনীত হ'বলৈ সিবিলাকৰ বৌদ্ধিক মূল্যায়ন কৰে।

**২.২ প্ৰায়োগিক আৰু মৌলিক গৱেষণা ঃ**

সকলো গৱেষণাই হয় প্ৰায়োগিক, নহয় মৌলিক। প্ৰায়োগিক গৱেষণাত সমাজ, উদ্যোগ অথবা সংগঠন আদিত সৃষ্টি হোৱা তাৎক্ষণিক কোনো সমস্যাৰ সমাধান অথবা সিদ্ধান্তত উপনীত হোৱাৰ লক্ষ্য আগত ৰখা ধৰণৰ অধ্যয়ন হয়। আনহাতে মৌলিক গৱেষণাত প্ৰধানকৈ যিকোনো সমস্যাৰ সমাধান তথা সিদ্ধান্তৰ সাধাৰণীকৰণ অথবা সমাধানৰ বাবে তত্ত্ব নিৰ্ণয়ৰ প্ৰয়াস কৰা হয়। কেৱল জ্ঞানৰ খাতিৰত জ্ঞানৰ অনুসন্ধানেই হ'ল বিশুদ্ধ আৰু মৌলিক গৱেষণা। কিছুমান গৱেষণাত আকৌ কিছুমান স্বাভাৱিক প্ৰেক্ষাপটৰ গাণিতিক মূল্যায়ন কৰা হয়। একেদৰে মানৱীয় চৰিত্ৰ, আচাৰ অথবা সামাজিক-সাংস্কৃতিক বিভিন্ন বিষয় আদিৰ অধ্যয়ন কৰি সাধাৰণীকৰণৰ কোনো সূত্ৰত উপনীত হ'বলৈ প্ৰয়াস কৰা হয় মৌলিক গৱেষণাত। আনহাতে নিৰ্দ্দিষ্ট সামাজিক, বাণিজ্যিক, অৰ্থনৈতিক অথবা ৰাজনৈতিক সমস্যাৰ ক্ষেত্ৰত কৰা হয় প্ৰায়োগিক গৱেষণা। গতিকে প্ৰায়োগিক গৱেষণাৰ মূল লক্ষ্য হ'ল কিছুমান জৰুৰী ব্যৱহাৰিক সমস্যাৰ সূত্ৰ আৱিষ্কাৰ কৰা। যিক্ষেত্ৰত মৌলিক গৱেষণাই পোনপটীয়াকৈ পূৰ্ব জ্ঞানৰ বিজ্ঞানসন্মত অধ্যয়নৰ জৰিয়তে বিস্তৃত ক্ষেত্ৰত তাক প্ৰয়োগ কৰি লাভ কৰা নতুন সিদ্ধান্তক নিৰ্দ্দেশ কৰে।

**২.৩ গুণগত আৰু পৰিমাণগত গৱেষণা ঃ**

গুণগত গৱেষণা গুণ বা বৈশিষ্ট্য নিৰ্ণায়ক প্ৰেক্ষাপটত প্ৰয়োগ হয়। গুণগত প্ৰয়াসত অধ্যয়নৰ দৃঢ়তা, দৃষ্টিভংগী, কাৰ্যকৰিতাৰ সহায়ত বস্তুনিষ্ঠ মূল্যায়নত গুৰুত্ব দিয়া হয়। এনে ক্ষেত্ৰত গৱেষকৰ অন্তৰ্দৃষ্টি আৰু ধাৰণাৰ স্পষ্টতা গুৰুত্বপূৰ্ণ হয়। গুণগত প্ৰয়াসতো ফলাফল কেতিয়াবা বস্তুনিষ্ঠ নহৈ কঠিন স্তৰৰ পৰিমাণ নিৰ্ণয় কৰা বিশ্লেষণাত্মক প্ৰকৃতিৰ হ'ব পাৰে। সাধাৰণতে সামূহিক সাক্ষাৎকাৰ আদি পদ্ধতিত অধিক মনোযোগ দিয়া কৌশলসমূহ এনে প্ৰয়াসত গ্ৰহণ কৰা হয়। উদাহৰণ স্বৰূপে যেতিয়া মানৱীয় চৰিত্ৰ সম্পৰ্কে গৱেষণা কৰা হয়। (যেনে— কিয় মানুহে চিন্তা অথবা সৃষ্টি কৰে ধৰণৰ), তেতিয়া সাধাৰণতে গুণগত গৱেষণাৰ অন্তৰ্গত অতি গুৰুত্বপূৰ্ণ এটি দিশ 'উদ্দেশ্যধৰ্মী গৱেষণা' কৰা হয়। এনে ধৰণৰ গৱেষণাত বিশেষ উদ্দেশ্য উদ্‌ঘাটনৰ প্ৰয়োজনত সাক্ষাৎকাৰ আদিৰ সহায় লোৱা হয়। এনে 'উদ্দেশ্যধৰ্মী

গৱেষণা'ত প্ৰয়োগ হোৱা অন্যান্য কৌশলবোৰ হ'ল— শব্দ-সংযোজন কৰা, বাক্য সম্পূৰ্ণ কৰা ইত্যাদি ধৰণৰ পৰীক্ষা হ'ল মেজাজ, মনোবৃত্তি অথবা মতাদৰ্শ নিৰ্ণয়ৰ গৱেষণা। বিশেষ কোনো বিষয় অথবা সংগঠন সম্পৰ্কে মানুহে কি ভাৱে আৰু কি অনুভৱ কৰে, সেই সত্য উদ্ধাৰ কৰিবলৈকো গৱেষণা কৌশল নিৰ্মাণ কৰা হয় গুণগত গৱেষণা ক্ষেত্ৰত। মানৱীয় আচৰণৰ কোনো বিশিষ্ট দিশ উদ্‌ঘাটনৰ লক্ষ্যৰে কৰা সামাজিক বিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত গুণগত গৱেষণাৰ প্ৰয়োগ বিশেষভাৱে গুৰুত্বপূৰ্ণ হয়। এই গৱেষণা প্ৰক্ৰিয়াৰে মানুহৰ কোনো ভাল লগা-বেয়া লগা দিশ সম্পৰ্কে অথবা বহু বিচিত্ৰ মানৱীয় আচৰণৰ কাৰণ আৰু কাৰক বিশ্লেষণ কৰি উলিয়াব পাৰি। যিবোৰে মানুহক কোনো বিশেষ আচৰণ কৰিবলৈ অনুপ্ৰাণিত কৰে। বাস্তৱতে এনেধৰণৰ মূল্যায়নৰ গৱেষণা তুলনামূলকভাৱে এটা অতি কঠিন কাৰ্য।

আনহাতে পৰিমাণগত গৱেষণা জোখ অথবা পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। অৰ্থাৎ সংখ্যা বা জোখ নিৰ্ণয়ৰ প্ৰেক্ষাপটত প্ৰয়োগ হয় পৰিমাণগত গৱেষণা। পৰিমানগত প্ৰয়াসক সহজ কৰিবলৈ আকৌ তিনিটা উপভাগত ভাগ কৰি লোৱা হ'ল— যুক্তিৰ সহায়ত, পৰীক্ষামূলকভাৱে আৰু অনুকৰণধৰ্মীয়ভাৱে সিদ্ধান্তত উপনীত হ'ব পৰা। ইয়াৰে ভিতৰত যুক্তিৰ সহায়ত সিদ্ধান্তত উপনীত হ'ব পৰা প্ৰয়াসৰ উদ্দেশ্য তথ্যভিত্তিক, যাৰ সহায়ত যিকোনো বিষয়ৰ বৈশিষ্ট্য নিৰ্ণয় অথবা জনসংখ্যা নিৰ্ণয়ৰ দৰে গৱেষণা কাৰ্য সম্পন্ন কৰিব পাৰি। এনে গৱেষণাক সচৰাচৰ জৰীপ বুলিও অভিহিত কৰা হয়, য'ত শুদ্ধ সিদ্ধান্তত উপনীত হ'বলৈ প্ৰশ্নপত্ৰৰ সহায়ত পৰীক্ষণ অথবা পৰ্যবেক্ষণৰ সহায়ত জনসংখ্যাৰ নমুনা অধ্যয়ন কৰা হয়। আনহাতে গৱেষণাৰ পৰিৱৰ্তিত পৰিৱেশ সাপেক্ষে বৈশিষ্ট্য নিৰ্ণয় কৰা ধৰণৰ ক্ষেত্ৰত আকৌ গৱেষণাৰ পৰীক্ষামূলক প্ৰয়াসৰহে অধিক নিয়ন্ত্ৰণ থাকে। এনে ক্ষেত্ৰত বিভিন্ন পৰিৱৰ্তন আৰু বিৱৰ্তনৰ চৰিত্ৰ পৰ্যবেক্ষণৰ বাবে পদ্ধতিৰ কিছু কৌশলগত পৰিৱৰ্তন সাধন কৰা হয়। একেদৰে অনুকৰণমূলক প্ৰয়াসত গৱেষণাৰ বাবে এনে কিছু কৃত্ৰিম পৰিৱেশ গঠন কৰা হয়, যি পৰিৱেশৰ সহায়ত প্ৰাসংগিক তথ্য যোগাৰ কৰিবলৈ সুবিধা হয়। সাংখ্যিক অথবা পৰিসংখ্যা নিৰ্ণায়ক আৰ্হিৰ কৰ্মপদ্ধতিত অধিক ক্ৰিয়াশীল ৰূপত গৱেষণাৰ বাবে প্ৰতিনিধিত্বমূলক কৌশল গঠন কৰা হয়। একোটা স্থায়ী আৰু সঠিক সমাধানসূত্ৰত উপনীত হ'বলৈ গৱেষণাৰ প্ৰাথমিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰখা হয় আৰু সেই অনুযায়ী বিশেষ আচৰণ পদ্ধতিৰো প্ৰতিনিধিত্ব কৰা হয়।

**২.৪ ধাৰণাভিত্তিক আৰু পৰীক্ষামূলক গৱেষণা ঃ**

ধাৰণাভিত্তিক গৱেষণাৰ সম্পৰ্ক কিছুমান বিমূৰ্ত ধাৰণা অথবা তত্ত্বৰ লগত।



সাধাৰণতে দাৰ্শনিক অথবা চিন্তাবিদসকলে কোনো নতুন ধাৰণা নিৰ্মাণ অথবা পূৰ্ব প্ৰচলিত কোনো ধাৰণাৰ নতুন ব্যাখ্যা আগবঢ়াবলৈ ইয়াৰ ব্যৱহাৰ কৰে। আনহাতে, পৰীক্ষামূলক গৱেষণা আকৌ অভিজ্ঞতা আৰু পৰ্যবেক্ষণৰ ওপৰতহে নিৰ্ভৰশীল হয়। এনে গৱেষণাত অভিজ্ঞতা আৰু পৰ্যবেক্ষণৰ সত্যৰ ওচৰত কেতিয়াবা প্ৰচলিত তত্ত্ব আৰু পদ্ধতিকো উলাই কৰা হয়। ই হ'ল সম্পূৰ্ণ তথ্য-নিৰ্ভৰ গৱেষণা। যিমান দূৰলৈকে পাৰি অভিজ্ঞতা আৰু পৰ্যবেক্ষণৰ জৰিয়তে তথ্য সংগ্ৰহ কৰি সিদ্ধান্তত উপনীত হ'বলৈ প্ৰয়াস কৰা হয়। এই ধাৰণৰ গৱেষণাত প্ৰথমতেই সত্যৰ উৎস উদ্‌ঘাটন কৰাটো প্ৰয়োজন হয় আৰু সক্ৰিয়ভাৱে প্ৰকাশিত তথ্য সংগ্ৰহৰ ক্ষেত্ৰত অগ্ৰসৰ হ'বলগীয়া হয়। এনে গৱেষণাত গৱেষকে প্ৰস্তুত কৰি লোৱা এটি প্ৰাক্-কল্পনা (hypothesis) ৰ ভিত্তিত পৰ্যাপ্ত তথ্য সংগ্ৰহ কৰি তাৰ সত্যাসত্য নিৰূপণৰ বাবে কঠোৰ পৰিশ্ৰম কৰিব লাগে। তাৰ পিছতহে গৱেষকজনে বিষয়ক্ষেত্ৰৰ লগত সংগতি ৰক্ষা কৰি প্ৰত্যাশিত সিদ্ধান্তত উপনীত হ'ব পৰাকৈ নিজে ভাবি উলিওৱা সজ্জাৰে সজাই লৈ তথ্য অথবা তথ্যদাতাৰ পৰীক্ষামূলক ব্যৱহাৰ কৰিব লগা হয়। সেয়ে এনে গৱেষণাত গৱেষকৰ পৰ্যবেক্ষণ ক্ষমতা, তথ্য-সংগ্ৰহৰ কৌশল আৰু সংগৃহীত তথ্যৰ সঠিক প্ৰয়োগৰ চিন্তা আদি দিশত বুদ্ধি আৰু দক্ষতা থাকিবই লাগিব। আচলতে সমগ্ৰ গৱেষণা প্ৰক্ৰিয়াটোৰেই গৱেষকৰ নিয়ন্ত্ৰণ-দক্ষতাৰ ওপৰত নিৰ্ভৰশীল হয়। যেতিয়া কোনো বিষয় বা ক্ষেত্ৰৰ নিৰ্দ্দিষ্ট পৰিৱৰ্তনশীলতাই আন কোনো বিষয়ৰ নমনীয় অংশত কেনেবাকৈ আঘাত কৰে বা প্ৰভাৱ পেলায়, তেতিয়া তেনেধৰণৰ অতি জটিল আৰু বহুক্ষেত্ৰত স্পৰ্শকাতৰ আৱেগাদি জড়িত সত্যৰো অতি সতৰ্কতাৰে সঠিক প্ৰমাণৰ অনুসন্ধান কৰা হয় পৰীক্ষামূলক গৱেষণাৰ জৰিয়তে। সেয়ে আজিকালি আগতে নিৰ্মাণ কৰি লোৱা এটি শক্তিশালী সম্ভাব্য প্ৰাক্-কল্পনাৰ ভিত্তিত তথ্য প্ৰমাণ, অভিজ্ঞতা আদিৰ সংগ্ৰহ, পৰীক্ষণ, পৰ্যবেক্ষণ আৰু মূল্যায়নৰ ভিত্তিত সিদ্ধান্তত উপনীত কৰোৱা ধৰণৰ পৰীক্ষামূলক গৱেষণাক প্ৰাধান্য দিয়া পৰিলক্ষিত হয়।

**২.৫ অন্যান্য প্ৰকাৰৰ গৱেষণা ঃ**

আন বহুধৰণৰ গৱেষণা প্ৰয়াস আছে, য'ত ওপৰত উল্লেখ কৰি অহা ধৰণৰ গৱেষণা প্ৰকাৰসমূহৰে ব্যৱস্থা হ'লেও, সিবিলাকৰ ব্যৱহাৰৰ ক্ষেত্ৰত তাৰতম্য পৰিলক্ষিত হয়। বহুক্ষেত্ৰত হয় গৱেষণাৰ উদ্দেশ্য, নহয় নিৰ্ধাৰিত নিৰ্দ্দিষ্ট সময়ত সম্পূৰ্ণ কৰিবলগীয়া দায়বদ্ধতা অথবা গৱেষণাৰ পাৰিপাৰ্শ্বিকতা অথবা আন বহুধৰণৰ দিশ আদিৰ ওপৰত নিৰ্ভৰ কৰি গৱেষণাৰ প্ৰকাৰ প্ৰয়োগ হয়। সময়ৰ প্ৰতি থকা দায়বদ্ধতা দিশৰ পৰাও এককালীন গৱেষণা অথবা দীৰ্ঘকালীন গৱেষণা বুলি দুটা

প্ৰকাৰ চিহ্নিত কৰিব পাৰি। ইয়াৰে প্ৰথমটোৰ ক্ষেত্ৰত গৱেষণা একক সময়ত সম্পূৰ্ণ কৰিবলগীয়া হয় আৰু দ্বিতীয়টো ক্ষেত্ৰত বেলেগ বেলেগ বিভিন্ন সময়ত গৱেষণাকৰ্ম সম্পূৰ্ণ কৰিব পাৰি। আনহাতে অধ্যয়ন ক্ষেত্ৰ অনুযায়ীও কিছুমান প্ৰকাৰ নিৰ্ধাৰণ কৰিব পাৰি। যেনে— ক্ষেত্ৰৰ পৃষ্ঠভূমি নিৰ্ভৰ, গৱেষণাগাৰ নিৰ্ভৰ, পুথিভঁৰাল নিৰ্ভৰ, অনুকৰণ নিৰ্ভৰ ইত্যাদি। যি পাৰিপাৰ্শ্বিকতাত গৱেষণা কাৰ্য চলে, সেই পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰ কৰি এই সকলো প্ৰকাৰৰ গৱেষণা কাৰ্য আগবাঢ়ে। আন ধৰণৰ কিছু গৱেষণাক আকৌ নিদানিক অথবা সমস্যাৰ কাৰণ নিৰ্ণায়ক গৱেষণাৰ প্ৰকাৰত অন্তৰ্ভুক্ত কৰিব পাৰি। এনে গৱেষণাই কোনো বিশেষ পৰিস্থিতি অধ্যয়ন কৰি পুংখানুপুংখ ৰূপত প্ৰাথমিক নৈমিত্তিক সম্পৰ্ক নিৰ্ণয়ৰ প্ৰয়াস কৰে। সাধাৰণতে এনে গৱেষণাতে অতি ক্ষুদ্ৰ নমুনা ব্যৱহাৰ কৰিও গভীৰ অনুসন্ধান কৌশলেৰে গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰা হয়। আনহাতে গৱেষণা কোনো সূত্ৰ উদ্‌ঘাটনকাৰীও হ'ব পাৰে অথবা তেনে সূত্ৰৰ বিধিৱদ্ধতা প্ৰদানকাৰীও হ'ব পাৰে। উদ্‌ঘাটনকাৰী গৱেষণাৰ লক্ষ্য হ'ল পৰীক্ষণ বা মূল্যায়নতকৈ এটি প্ৰাক্-কল্পনাৰ বিকাশ সাধন কৰাহে। আনহাতে বিধিৱদ্ধতা প্ৰদানকাৰী গৱেষণাৰ ক্ষেত্ৰত বৃহৎ গঠন আৰু পৰিসৰ পৰিপ্ৰেক্ষাত কোনো নিৰ্দ্দিষ্ট প্ৰাক্-কল্পনাৰ পৰীক্ষণ সম্ভৱ নহয়। সেইদৰে ঐহিহাসিক গৱেষণা বুলিও এটি প্ৰকাৰ বিভাজন কৰিব পাৰি; ইয়াত মানুহৰ ব্যক্তিগত দৰ্শন আৰু সামূহিক দৃষ্টিভংগীৰ সৈতে দূৰৱৰ্তী অতীতৰ সত্যৰ ঐতিহাসিক উৎস যেনে— চুক্তি, তথ্য আদি বিচাৰ কৰা হয়। গৱেষণাক সমাধান সন্ধানী অথবা সিদ্ধান্ত সন্ধানী বুলিও আন এটি প্ৰকাৰ বিভাজন কৰিব পাৰি। সমাধান সন্ধানী গৱেষণাত গৱেষকৰ সমস্যাৰ মূল বা উৎস উদ্‌ঘাটনৰ পূৰ্ণ স্বাধীনতা থাকে, তাৰবাবে গৱেষকে অনুসন্ধান পদ্ধতিৰ পুনৰ্নিমাণো কৰিব পাৰে— এনে গৱেষণা গৱেষকে কোনো নতুন ধাৰণা নিৰ্মাণৰ ইচ্ছাৰেও আৰম্ভ কৰিব পাৰে। সিদ্ধান্ত সন্ধানী গৱেষণাত সদায়েই সিদ্ধান্ত প্ৰদানকাৰীৰ ৰূপত অৱতীৰ্ণ হয় গৱেষক। এনে ক্ষেত্ৰত সমস্যাও নথকা নহয়; কাৰণ গৱেষকে নিজকে বৰ্ণনা দুৰ্বলতাৰ পৰা মুক্ত কৰিব নোৱাৰিবও পাৰে। বিজ্ঞানসন্মত ৰূপত কোনো কাৰ্যকাৰী বিভাগত প্ৰযোজ্য হোৱাকৈ প্ৰয়োগ কাৰ্যকৰী গৱেষণাও হ'ব পাৰে সিদ্ধান্ত সন্ধানী গৱেষণাৰ একপ্ৰকাৰ উদাহৰণ। সাম্প্ৰতিক সময়ত বিষয় বৈচিত্ৰ্য আৰু জ্ঞানৰ ক্ষেত্ৰৰ বৃহৎ পৰিসৰৰ পৰিপ্ৰেক্ষাত গৱেষণাৰ এনে পদ্ধতিসমূহৰ ভিতৰতো অনেক সূক্ষ্ম বিকাশ ঘটাৰ পৰিপ্ৰেক্ষাত গৱেষণাৰ বিভিন্ন প্ৰকাৰ বিভাজন কৰিব পাৰি। যেনে—



| গৱেষণা | পদ্ধতি | প্ৰকাৰ বৈশিষ্ট্য |
|---|---|---|
| **গুণগত ঃ**<br>গুণগত প্ৰয়াসত অধ্যয়নৰ দৃঢ়তা, দৃষ্টিভংগী, কাৰ্যকাৰিতাৰ সহায়ত বস্তুনিষ্ঠ মূল্যায়নত গুৰুত্ব দিয়া হয়। এনে ক্ষেত্ৰত গৱেষকৰ অন্তৰ্দৃষ্টি আৰু ধাৰণাৰ স্পষ্টতা গুৰুত্বপূৰ্ণ হয়। | ঐতিহাসিক | ◆ পদ্ধতিগত আৰু বস্তুনিষ্ঠ স্থিতিত থাকি সত্য প্ৰতিষ্ঠাৰ বাবে প্ৰমাণৰ মূল্যায়ন আৰু সংশ্লেষণ, অতীতৰ পৰিঘটনা সম্পৰ্কে সিদ্ধান্ত নিৰ্ণয় কৰা<br>◆ ক'ত পৰিঘটনাটো সংঘটিত হ'ল, কোন ব্যক্তি সেই পৰিঘটনাৰ লগত জড়িত, কেতিয়া কোন সময়ত পৰিঘটনাটো ঘটিছিল, কেনে ধৰণৰ মানৱীয় ক্ৰিয়া-কলাপ সেই পৰিঘটনাৰ লগত জড়িত আদি দিশসমূহ উন্মোচন কৰা। |
| | তুলনামূলক | ◆ প্ৰায়ে বিভিন্ন সমাজৰ মানুহৰ বিচিত্ৰ অভিজ্ঞতাৰ অধ্যয়ন কৰিবলৈ ঐতিহাসিক পদ্ধতিতো তুলনামূলক পদ্ধতিৰ ব্যৱহাৰ হয়। হয় অতীতৰ কোনো সময়ৰ পৰিপ্ৰেক্ষাত, নহয় বৰ্তমানৰ কোনো সমান্তৰাল অৱস্থাৰ পৰিপ্ৰেক্ষাত হোৱা ঐতিহাসিক অধ্যয়নত তুলনামূলক পদ্ধতিৰ ব্যৱহাৰ হয়।<br>◆ বৃহৎ পৰিসৰ (সামূহিক বিপ্লৱ) অথবা সূক্ষ্ম পৰিসৰ (ব্যক্তিগত খণ্ড)ৰ অভিজ্ঞতাৰ পৰিচালনাত।<br>◆ প্ৰকৃতপক্ষে সামাজিক গৱেষণাত সম্ভৱ নহয় গৱেথকে নৈমিত্তিক বিষয় কিছুমান নিয়ন্ত্ৰণ কৰিবলগীয়া হ'লে পৰীক্ষামূলক গৱেষণাৰ ক্ষেত্ৰতো |

| গৱেষণা | পদ্ধতি | প্ৰকাৰ বৈশিষ্ট্য |
|---|---|---|
| | | তুলনামূলক পদ্ধতি ব্যৱহাৰ হয়। তেনে ক্ষেত্ৰত ইতিহাস আৰু তুলানাই গৱেষকক স্বাভাৱিক পৰীক্ষণ প্ৰক্ৰিয়াৰ যোগান ধৰিব পাৰে। এই প্ৰক্ৰিয়াৰে নিৰ্দিষ্ট গৱেষণা পৰিপ্ৰেক্ষাত হোৱা অপ্ৰয়োজনীয় বৈশিষ্ট্য কিছুমানক বাদ দিবও পাৰি। |
| | বৰ্ণনাত্মক | ◆ তথ্য, স্মাৰক চিহ্ন আদিৰ পৰিৱৰ্তে বৰ্ণনাত্মক গৱেষণাই পৰ্যবেক্ষণক সংগৃহীত তথ্যৰ গুৰুত্বৰে বিশ্বাস কৰে।<br>◆ যি পৰিঘটনাৰ পুনৰাবৃত্তি আকৌ হোৱাটো আশা কৰা যায়, তেনে স্বাভাৱিক পৰিস্থিতিক প্ৰতিষ্ঠা কৰাৰ বাবে পৰিস্থিতি অধ্যয়নৰ পদক্ষেপ গ্ৰহণ কৰা হয়।<br>◆ লিখা অথবা সংগ্ৰহ কৰা পৰ্যবেক্ষণ সামগ্ৰীসমূহ পৰ্যায়ক্ৰমে বিশ্লেষণ কৰা হয়।<br>◆ মানৱীয় পৰ্যবেক্ষণ আৰু সঁহাৰিৰ ক্ষেত্ৰত হওক, নিৰ্বাচিত অধ্যয়ন ক্ষেত্ৰই হওক, অথবা সাক্ষাৎকাৰৰ ক্ষেত্ৰত ব্যৱহৃত পক্ষপাতদুষ্ট প্ৰশ্নই হওক তথ্য-বিকৃতিৰ সম্ভাৱনা থাকিব পাৰে। |
| **সাংখ্যিক অথবা পৰিমাণগত ঃ** পৰিমাণগত গৱেষণা | সম্বন্ধযুক্ত | ◆ সম্বন্ধযুক্ত শব্দটোৱে পৰিসংখ্যাগত সংযোগৰ জোখ-মাপৰ কথাও ব্যক্ত কৰে আৰু দুটা প্ৰেক্ষাপটৰ সম্বন্ধ |



| গৱেষণা | পদ্ধতি | প্ৰকাৰ বৈশিষ্ট্য |
|---|---|---|
| জোখা অথবা পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। অৰ্থাৎ সংখ্যা বা জোখ নিৰ্ণয়ৰ প্ৰেক্ষাপটত প্ৰয়োগ হয় পৰিমাণগত গৱেষণা। পৰিমাণগত প্ৰয়াসক সহজ কৰিবলৈ আকৌ তিনিটা উপভাগত ভাগ কৰি লোৱা হ'ল— যুক্তিৰ সহায়ত পৰীক্ষামূলকভাৱে আৰু অনুকৰণধৰ্মীভাৱে সিদ্ধান্তত উপনীত হ'ব পৰা | | সম্পৰ্কেও গৱেষণাৰ কথা বুজায়।<br>◆ সম্বন্ধযুক্ত অধ্যয়ন দুই প্ৰকাৰৰ— সম্বন্ধযুক্ত আৰু পূৰ্ব ধাৰণা অধ্যয়ন। সম্বন্ধযুক্ত অধ্যয়ন হ'ল কোনো প্ৰেক্ষাপটত থকা কোনো বিষয়বিশেষৰ মাজত থকা সম্ভাব্য পাৰস্পৰিক সম্পৰ্কৰ উদ্‌ঘাটনমূলক অধ্যয়ন।<br>◆ পূৰ্ব ধাৰণা অধ্যয়নত কোনো গৱেষণা ক্ষেত্ৰত পূৰ্বৰে পৰা সম্পৰ্কিত কোনো দিশক সম্ভাব্য আচৰণ আৰু পৰিঘটনাৰ অধ্যয়নৰ মাজেৰে প্ৰতিষ্ঠা কৰাৰ আশা কৰা হয়। |
| | পৰীক্ষামূলক | ◆ গৱেষকে প্ৰত্যেক প্ৰাসংগিক পৰিস্থিতিকে পৃথক কৰি অনুসন্ধান অথবা পৰ্যবেক্ষণ কৰিবলৈ চেষ্টা কৰে আৰু যেতিয়া পৰিস্থিতিকৌশলেৰে নিৰ্মাণ কৰা হয়, তেতিয়া ফলাফল পৰ্যবেক্ষণ কৰিবলৈ পৰীক্ষামূলক পদ্ধতি ব্যৱহাৰ কৰা হয়।<br>◆ পৰীক্ষামূলক পদ্ধতিৰ বিভিন্ন প্ৰকাৰ আছে— পূৰ্ব পৰীক্ষামূলক, সঠিক পৰীক্ষামূলক, বাস্তৱ পৰীক্ষামূলক, সম্বন্ধযুক্ত আৰু প্ৰাককল্পনাযুক্ত। |

| গৱেষণা | পদ্ধতি | প্ৰকাৰ বৈশিষ্ট্য |
| --- | --- | --- |
| | মূল্যায়নাত্মক | ◆ বৰ্ণনাত্মক পদ্ধতিত গৱেষণাই জটিল সামাজিক সমস্যাৰ সমাধানৰ প্ৰয়াস কৰে। (শেহতীয়া তথাকথিত চতুৰ্থ প্ৰজন্মৰ মূল্যায়নাত্মক গৱেষণাত তলত দিয়া যুক্তিযুক্ততাসমূহ গণ্য কৰা হয়।)<br>১) যিকোনো গৱেষণাৰ ফলাফল নিৰ্ভৰ কৰিব কেনে বিষয়, কি বিষয় বা সেই বিষয়ে কেনেধৰণৰ কাম কৰে, তাতকৈ বিষয়ৰ অৰ্থবহ সংযোজনাৰ ওপৰতহে।<br>২) এইটোও থিক যে এনে সংযোজনাৰ ক্ষেত্ৰত সংযোজনকাৰীৰ মূল্যবোধৰ বিশেষ গুৰুত্ব থাকিব।<br>৩) অতিশয় জটিলতৰ শাৰীৰিক, মনস্তাত্ত্বিক, সামাজিক আৰু সাংস্কৃতিক প্ৰসংগৰ লগত থকা সম্পৰ্কও নিৰ্ণীত হ'ব লাগিব।<br>৪) এনেধৰণৰ পাৰস্পৰিক সম্পৰ্কসমূহৰ সংযোজনাৰ মূল্যায়ন গৱেষকৰ দৃষ্টিভংগী আৰু আত্মনিয়োজনৰ ওপৰত নিৰ্ভৰ কৰিব।<br>৫) মূল্যায়ণ ক্ৰিয়াত্মক হোৱাটো বাঞ্ছনীয়। পাঠ্যক্ৰম নিশ্চিত কৰিব লাগে, যি প্ৰয়োজনীয় বুজাবুজিৰ সিদ্ধান্তত উপনীত কৰাব পাৰে।<br>৬) বহুজন গৱেষক হ'লে অংশগ্ৰহণকাৰী সকল সম সহযোগী হ'ব- প্ৰতিটো দিশৰ আঁচনি ৰূপাংকন, ৰূপায়ন, পুনৰীক্ষণ আৰু ফলাফলত উপনীত হোৱা সকলো দিশতে। |



| গৱেষণা | পদ্ধতি | প্ৰকাৰ বৈশিষ্ট্য |
| --- | --- | --- |
| | ক্ৰিয়াত্মক | ◆ যদিও পৰীক্ষামূলক গৱেষণাৰ সৈতে একে, এই প্ৰক্ৰিয়াত পৰীক্ষামূলক আৱদ্ধ ব্যৱস্থাতকৈ বাস্তৱ পৃথিৱীৰ সমস্যাৰ লগত জড়িত হয়। বাস্তৱৰ কিছুমান ক্ষুদ্ৰ পৰিসৰৰ প্ৰক্ৰিয়াত এনে হস্তক্ষেপৰ পৰীক্ষণ অথবা ওচৰৰ পৰা তেনে হস্তক্ষেপৰ ফলাফল নিৰ্ণয় কৰা হয়।<br>◆ কোনো নিৰ্দিষ্ট সমস্যা অথবা নিৰ্দিষ্ট পৰিস্থিতিৰ সাক্ষ্যৰ ভিত্তিত তাৎক্ষণিকভাৱে গ্ৰহণ কৰা গৱেষণা প্ৰক্ৰিয়া, য'ত পৃথক বৈশিষ্ট্য থাকিলেও কোনো নিৰ্দিষ্ট দিশক মূল পৰিস্থিতি অথবা প্ৰসংগৰ পৰা পৃথকভাৱে অধ্যয়নৰ কোনো পদক্ষেপ লোৱা নহয়।<br>◆ নিৰৱচ্ছিন্ন নিৰীক্ষণ আৰু মূল্যায়নৰ যোগেদি সিদ্ধান্তত উপনীত হ'বলৈ প্ৰয়াস কৰা হয়। সিদ্ধান্তসমূহ তাৎক্ষণিকভাৱে প্ৰয়োগ কৰাৰ প্ৰয়াস আৰু ভৱিষ্যত সম্ভাৱনাৰ দিশ নিৰীক্ষণ কৰা হয়।<br>◆ এই প্ৰকাৰ গৱেষণাৰ প্ৰায়োগিক ৰূপ নিৰ্দিষ্ট সমস্যা বা পৰিস্থিতিৰ সমাধানকল্পে নিয়োজিত হয়। এক পৰীক্ষণ-নিৰীক্ষণ নিৰ্ভৰ গৱেষণা, য'ত সাধাৰণীকৰণৰ বিজ্ঞানসন্মত প্ৰয়োজন পূৰণ নহ'বও পাৰে। |

| গৱেষণা | পদ্ধতি | প্ৰকাৰ বৈশিষ্ট্য |
|---|---|---|
| গুণগত/ পৰিমাণগত | নৃতাত্ত্বিক | ◆ বাহিৰৰ পৰা প্ৰক্ষেপ কৰা কোনো তত্ত্বতকৈ গৱেষিত বিষয়ত কেনেকৈ নিজৰ চিন্তা প্ৰয়োগ কৰিব পাৰি তাৰ প্ৰতিহে থাকে গৱেষকৰ আগ্ৰহ বেছি।<br>◆ কাৰণ ইয়াৰ লক্ষ্য হ'ল এটা পূৰ্বগঠিত সূত্ৰক প্ৰতিনিধিত্ব কৰি প্ৰেক্ষাপট-নিৰ্ভৰ তথ্যৰ আধাৰত নতুন দৃষ্টিভংগীৰ প্ৰতিষ্ঠা কৰা। বিষয়ৰ প্ৰাকৃতিক বা স্বাভাৱিক সংগঠন বা সংযোজনৰ জৰিয়তে সম্পূৰ্ণ সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক অৱস্থাৰ সম গুৰুত্বৰে অধ্যয়ন কৰা।<br>◆ সংস্কৃতি বহুসময়ত ভাষা, আচৰণ আৰু পাৰিপাৰ্শ্বিকতাৰ মাজতো লুকাই থাকে। বিষয় একোটাৰ অধ্যয়নত সাংস্কৃতিক পশ্চাদভূমিৰ এনে অধ্যয়নে কেতিয়াবা ফলাফল নিৰ্ণয়ৰ ক্ষেত্ৰত সমস্যাৰো সৃষ্টি কৰে। স্বাভাৱিকতে কোনো অতীত পৰিঘটনাৰ সুবহু পুনৰাবৃত্তি নঘটে। গতিকে অতীতৰ ক্ষেত্ৰত পূৰ্বগঠিত সূত্ৰক প্ৰতিনিধিত্ব কৰাৰ বাহিৰে নতুন সত্যৰ প্ৰাপ্তি সম্ভৱ নহয়। সেই সত্যৰ আধাৰতে বৰ্তমানৰ সত্যত উপনীত হ'বলগীয়া হয়। |



| গৱেষণা | পদ্ধতি | প্ৰকাৰ বৈশিষ্ট্য |
|---|---|---|
| | নাৰীবাদী/ পৰিচয়ৰ ৰাজনীতি | ◆ প্ৰচলিত কোনো এটি গৱেষণা প্ৰকাৰেই লিংগভেদ আৰু লিংগভেদ কেন্দ্ৰিক অস্তিত্ব ৰক্ষাৰ প্ৰশ্ন বা অৱস্থাৰ বিভিন্ন সামাজিক পৰিঘটনাৰ মূল্যায়নত গুৰুত্ব দিয়া নাছিল। গৱেষণাৰ বিপুল সম্ভাৱনা বহন কৰা এই প্ৰকাৰটোত সেই দিশত গুৰুত্ব দিয়া হ'ল।<br>◆ যদিও বহুতে নাৰীবাদৰ প্ৰতি থকা বিদ্বেষৰ দৃষ্টিকোণেৰে নাৰীবাদৰ প্ৰভাৱক অস্বীকাৰ কৰে, তৎস্বত্তেও কিন্তু সামাজিক ক্ষেত্ৰত ঘটি থকা পক্ষপাতিত্বৰ বিচিত্ৰ অভিজ্ঞতাই এই বিষয়ৰ গভীৰ অধ্যয়নৰ পোষকতা কৰে।<br>◆ অস্তিত্বৰ ক্ষেত্ৰত থকা ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক বাধ্য-বাধকতা, চাৰিত্ৰিক বৈচিত্ৰ্য, লিংগভেদ অনুযায়ী পাৰস্পৰিক সম্পৰ্ক আদি দিশৰ অধ্যয়ন কৰাত গুৰুত্ব দিয়া হ'ল। আটাইতকৈ বেছি গুৰুত্ব দিয়া হ'ল লিংগভেদৰ কাৰণে ঘটা মানৱীয় অধিকাৰ খৰ্ব হোৱাৰ বিভিন্ন সত্য উদ্‌ঘাটনৰ দিশক। |
| | সাংস্কৃতিক | ◆ সাধাৰণতে তত্ত্বগত বিতৰ্কসমূহ, যেনে-উত্তৰ আধুনিকতাবাদ, উত্তৰ গঠনবাদ আদিয়ে ভাষা আৰু সাংস্কৃতিক দিশৰ ওপৰত গুৰুত্ব দিছে। তেওঁলোকৰ মতে সামাজিক অধ্যয়নৰ ক্ষেত্ৰত এনে দিশবোৰৰ কেন্দ্ৰীয় গুৰুত্ব থাকে। |

| গৱেষণা | পদ্ধতি | প্ৰকাৰ বৈশিষ্ট্য |
|---|---|---|
| | | ◆ বিভিন্ন ধৰণৰ সুপ্ত, গুপ্ত আৰু লুপ্ত তথ্য উদ্‌ঘাটনৰ উদ্দেশ্যেৰে বিভিন্ন বিষয় ক্ষেত্ৰৰ লগত বিনিময়ৰ জৰিয়তে সাংস্কৃতিক পাঠসমূহৰ বিকাশ সাধন কৰা হৈছে। যেনে- অ'পেৰা, টিভি, ক'ক্‌টেইল্ পাৰ্টি, ফেশ্বন ইত্যাদিৰ জৰিয়তে।<br>◆ সাংস্কৃতিক পাঠৰ অনুসৰণ, তুলনা প্ৰত্যাহ্বান আৰু সাধাৰণীকৰণ সূত্ৰৰ অধ্যয়নৰ বাবে নতুন পদ্ধতিৰ প্ৰয়োজনীয়তা উপস্থিত হৈছে। যেনে- ভাষা গঠনৰ উপাদান, পৰিৱেশ অনুযায়ী ভাষাৰ নৃবিজ্ঞান ইত্যাদি। |

**৩.০ সামৰণি ঃ**

আলোচনাৰ পৰা দেখা গ'ল গৱেষণা পৰিভাষাটো যদিও পদ্ধতি অৰ্থতহে ব্যৱহাৰ হয়, গৱেষণা-কৰ্ম প্ৰকৃততে এটি সম্পূৰ্ণ শৈক্ষিক কাৰ্যক্ৰম। অৰ্থাৎ যিকোনো বিষয়ৰ প্ৰকৃত সত্যত উপনীত হ'বৰ উদ্দেশ্যে তথ্য, ধাৰণা, সংকেত সংগ্ৰহ আৰু পৰীক্ষণ কৌশল আদিৰ নিৰ্মাণ আদিৰ সংযোগত নিৰ্মাণ হোৱা এক প্ৰকাৰ কলা বা তত্ত্ব হ'ল গৱেষণা। আচলতে নজনাক জনাৰ প্ৰতি দুৰ্বাৰ আকাংক্ষাই গৱেষণা আৰু তাৰবাবে প্ৰয়োজন হোৱা পদ্ধতিৰ মূল চালিকা শক্তি; যি শক্তিৰ প্ৰয়োগত গৱেষক এজনে অজ্ঞাত সত্যৰ অনুসন্ধানত গৱেষণা কৰে। গতিকে গৱেষণা হ'ল কোনো নজনা সত্যৰ বিজ্ঞানসন্মত অনুসন্ধান একপ্ৰকাৰ কলা। কোনো পূৰ্বজ্ঞানৰ অভিজ্ঞতাৰ আধাৰত অধিক উন্নত ৰূপত নতুন জ্ঞানৰ অনুসন্ধানৰ একপ্ৰকাৰ কলা। কোনো পূৰ্বজ্ঞানৰ অভিজ্ঞতাৰ আধাৰত অধিক উন্নত ৰূপত নতুন জ্ঞানৰ অনুসন্ধান কৰা। অৰ্থাৎ তথ্যৰ সংগ্ৰহণ, পৰ্যবেক্ষণ, তুলনা, পৰীক্ষণ আৰু অধ্যয়নৰ সহায়ত কৰা সত্যানুসন্ধান। গৱেষণাৰ সংজ্ঞা সম্পৰ্কে এতিয়ালৈকে প্ৰাপ্ত সূত্ৰসমূহৰ আধাৰত গৱেষণাৰ কেইটিমান সাধাৰণ বৈশিষ্ট প্ৰতীয়মান হয়। সেইকেইটা হ'ল—



১। গৱেষণা এটি পদ্ধতিগত অনুসন্ধান।

২। জ্ঞানৰ কোনো বিশেষ বিষয় বা ক্ষেত্ৰৰ ভিতৰলৈ কৰা অনুসন্ধান

৩। কোনো নীতি বা সত্য প্ৰতিষ্ঠা কৰিবলৈ কৰা কাৰ্য

৪। পূৰ্ব প্ৰতিষ্ঠিত জ্ঞানৰ বিকাশ সাধন অথবা তাৰ আধাৰত কৰা নতুন সত্য উদ্‌ঘাটনৰ মৌলিক প্ৰয়াস

গৱেষণা সম্পৰ্কীয় সামগ্ৰিক আলোচনাই গৱেষণাৰ পদ্ধতি সম্পৰ্কে বহুকেইটি তথ্য সাব্যস্ত কৰিলে সেইবোৰ হ'ল—

১। গৱেষণাৰ মৌলিক পদ্ধতি দুই প্ৰকাৰৰ— সাংখ্যিক বা পৰিমাণগত আৰু গুণগত প্ৰয়াস।

২। পৰিমাণগত প্ৰয়াসক সহজ কৰিবলৈ আকৌ তিনিটা উপভাগত ভাগ কৰি লোৱা হ'ল— যুক্তিৰ সহায়ত, পৰীক্ষামূলকভাৱে আৰু অনুকৰণধৰ্মীভাৱে সিদ্ধান্তত উপনীত হ'ব পৰা।

৩। গুণগত প্ৰয়াসত অধ্যয়নৰ দৃঢ়তা, দৃষ্টিভংগী, কাৰ্যকাৰিতাৰ সহায়ত বস্তুনিষ্ঠ মূল্যায়নত গুৰুত্ব দিয়া হয়। এনে ক্ষেত্ৰত গৱেষকৰ অন্তৰ্দৃষ্টি আৰু ধাৰণাৰ স্পষ্টতা গুৰুত্বপূৰ্ণ হয়।

---

**গ্ৰন্থপঞ্জী**

C. R. Kothari : The Advanced Lerner's Dictionary of Current English, Oxford, 1952

: Research Methodology : Methods & Techniques, second edition, New Age International (P) Limited, Publishers, First Edition : 1985, Second Edition : 2004, Reprint : 2006

L. V. Redman and A. V. H. Mory : The Romance of Research, Published by Williams and Wilkins Company, Baltimore, Maryland, 1933

Dr. C. Rajendra Kumar : Research Methodology, APH Publishing Corporation, Darya Ganj, New Delhi-110002, 2008

# কাৰ বাবে কেনেকৈ লিখিম গৱেষণা গ্ৰন্থ

ড° দীনেশ বৈশ্য

আমি যেতিয়া এখন ৰচনা লিখো, এটা চিন্তাশীল প্ৰবন্ধ লিখো, এটা গল্প অথবা এখন উপন্যাস লিখো, তেতিয়া আমি সদায়েই এটা কথা ঠিক কৰি লওঁ— কোনে পঢ়িব আমাৰ এই ৰচনা ? লিখাৰ আগতে আমি চিন্তা কৰি লওঁ কাৰ বাবে লিখিম এই ৰচনা ? অৰ্থাৎ আমাৰ ৰচনাৰ লক্ষ্য কি ? কাৰ বাবে নিৰ্দিষ্ট কৰি লিখিছো আমি আমাৰ এই লিখনি ? গল্পই হওঁক, কবিতাই হওঁক, উপন্যাসেই হওঁক বা গৱেষণা গ্ৰন্থই হওঁক লিখিবলৈ লোৱাৰ আগতে লিখাৰ বাবে উপাদান গোটোৱাৰ আগতে আমি ঠিক কৰি লওঁ আমি লিখিব ওলোৱা লিখনিৰ লক্ষ্য আৰু উদ্দেশ্য। 'থিছিছ' অথবা গৱেষণা গ্ৰন্থও তেনেকুৱাই এক লিখনি, এক গ্ৰন্থ। এই লিখনিও নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য আগত লৈ প্ৰস্তুত কৰা হয়। গৱেষণা গ্ৰন্থ এখন কেনেকুৱা পাঠকে পঢ়িব সেই কথা জনাটো অতি জৰুৰী। গৱেষকজনে, গৱেষণা গ্ৰন্থৰ লিখকজনে জানিব লাগে তেওঁ লিখা গ্ৰন্থখন কোন সকল পাঠকে পঢ়িব আৰু কিয় পঢ়িব? গৱেষণা গ্ৰন্থ এখনৰ পাঠকসকলে গ্ৰন্থ এখন কিয় পঢ়িব বিচাৰে? কি ধৰণৰ তথ্য বিচাৰে গৱেষণা গ্ৰন্থ এখনত ? কেনেকুৱা গৱেষণা গ্ৰন্থ এখন তেওঁলোকে পঢ়িব বিচাৰে ? গৱেষক এজনে সৰ্বপ্ৰথমে এই কথা জানিব লাগে।

গৱেষণা গ্ৰন্থ এখনৰ কেইবা শ্ৰেণীৰ পাঠক থাকে। গৱেষক এজনে গৱেষণা গ্ৰন্থখন লিখোতে এই পাঠকসকলৰ কথা মনত ৰাখি গ্ৰন্থ প্ৰস্তুত কৰিব লাগে। গৱেষণা গ্ৰন্থ এখনৰ প্ৰথমজন পাঠক হ'ল গৱেষণা নিৰ্দ্দেশকজন। গৱেষণা নিৰ্দ্দেশকজন সদায় এজন বৰ 'চিৰিয়াছ' পাঠক। গৱেষণা নিৰ্দ্দেশকজনে বৰ নিপুণভাৱে পাণ্ডুলিপিৰ ওপৰত হাত চলায়। গৱেষকজনক গৱেষণা গ্ৰন্থখন তছনছ কৰি, কটাকুটি কৰিবলৈ কয়, নতুন নতুন কথা যোগ দিবলৈ কয়, আৰু বহু কিবা কিবি উপদেশ দিয়ে। গৱেষণা



নিৰ্দ্দেশকগৰাকী এগৰাকী অভিজ্ঞ তথা জ্ঞানী লোক। তেওঁ জানে কেনেদৰে কি তথ্য, সম্বলিত কৰি এখন গৱেষণা গ্ৰন্থ ৰচনা কৰিলে সেইখন গৱেষণা গ্ৰন্থ উৎকৃষ্ট বিবেচিত হয়। সেই বাবেই গৱেষক এজনে অনবৰতে গৱেষণা নিৰ্দ্দেশকৰ সৈতে মত বিনিময় কৰি থাকিব লাগে, আলোচনা কৰি লাগে আৰু তেওঁৰ নিৰ্দ্দেশ মতে কাম কৰিব লাগে।

গৱেষণা গ্ৰন্থখনৰ দ্বিতীয় শ্ৰেণীৰ পাঠক হ'ল গ্ৰন্থখনৰ পৰীক্ষকসকল। বিশ্ববিদ্যালয়ে গৱেষণা গ্ৰন্থখন প্ৰথম পঢ়িবলৈ দিব পৰীক্ষক কেইজনক। গৱেষণা গ্ৰন্থৰ পৰীক্ষকসকল প্ৰচুৰ অভিজ্ঞতা সম্পন্ন আৰু জ্ঞানপুষ্ট লোক। এইসকল লোক গৱেষণা গ্ৰন্থখন পঢ়ি সন্তুষ্ট হ'লেহে গৱেষকজনে গৱেষণা ডিগ্ৰী প্ৰদানৰ বাবে উপযুক্ত বিবেচিত হ'ব। যদি তেওঁলোক সন্তুষ্ট নহয় তেনেহ'লে সেই গৱেষণা গ্ৰন্থখন ডিগ্ৰী প্ৰদানৰ বাবে উপযুক্ত বিবেচিত নহ'ব। গতিকে গৱেষণা গ্ৰন্থ এখন লিখোতে গৱেষকজনে সদায় সেইটো কথা মনত ৰাখিব লাগে যে, তেওঁ পৃথিৱীৰ আটাইতকৈ বুদ্ধিমান, আটাইতকৈ জ্ঞানী মানুহ এজনক পঢ়ুৱাবলৈ এই গৱেষণা গ্ৰন্থখন লিখিছে। গৱেষক এজনে গ্ৰন্থখনৰ প্ৰতিটো শব্দ, প্ৰতিটো বাক্য যেতিয়া এই মনোভাৱেৰে লিখিব, ভাল নহ'লে বাৰে বাৰে লিখিব তেতিয়া সেইখন গ্ৰন্থ নিশ্চিতভাৱে এখন উৎকৃষ্ট গৱেষণা গ্ৰন্থ হ'ব।

গৱেষণা গ্ৰন্থ এখনৰ তৃতীয় শ্ৰেণীটোত থকা পাঠকসকল হ'ল পৰৱৰ্তী সময়ৰ গৱেষকসকল। গৱেষণা গ্ৰন্থ এখন যেতিয়া পুথিভঁৰালত থাকিব, যেতিয়া গ্ৰন্থ এখন ছপা হৈ ছপা গ্ৰন্থৰ আকাৰত প্ৰকাশ পাব, তেতিয়া সেই গ্ৰন্থখন ভৱিষ্যতৰ গৱেষকসকলে পঢ়িব। ভৱিষ্যতৰ গৱেষকসকলে এইখন গ্ৰন্থৰ মুল্য নিৰূপণ কৰিব। ভৱিষ্যতৰ গৱেষকসকলে যেতিয়া ক'ব—এইখন গ্ৰন্থ এখন অতি উৎকৃষ্ট গ্ৰন্থ তেতিয়াহে গৱেষণা গ্ৰন্থ এখনৰ সফলতা স্বীকৃত হ'ব প্ৰকৃতভাৱে। এইখন গ্ৰন্থৰ তথ্য আৰু মত যেতিয়া আৰু বহু গৱেষকে তেওলোকৰ গৱেষণা গ্ৰন্থত উল্লেখ কৰিব তেতিয়াহে প্ৰতিপন্ন হ'ব যে এইখন গৱেষণা গ্ৰন্থ এখন উচ্চমানৰ গৱেষণা গ্ৰন্থ হৈছে। নোবেল বঁটা লাভ কৰা গৱেষকসকলে যেতিয়া নোবেল বঁটা লাভ কৰি বক্তৃতা প্ৰদান কৰে তেতিয়া তেওঁলোকে যিসকল গৱেষকৰ গৱেষণাৰ কথা বক্তৃতা প্ৰসংগত উল্লেখ কৰে সেইসকল গৱেষক নোবেল বঁটা লাভৰ সমপৰ্যায়লৈ উন্নীত হোৱা বুলি ধৰা হয়। ঠিক তেনেদৰেই যিকোনো এখন সাধাৰণ গৱেষণা গ্ৰন্থৰ উদ্ধৃতি বা মতবাদ যেতিয়া অন্য গৱেষণাত উল্লিখিত হ'ব, তেতিয়া সেইখন গৱেষণা গ্ৰন্থ এখন অসাধাৰণ গৱেষণা গ্ৰন্থলৈ উন্নীত হ'ব।

গৱেষণা গ্ৰন্থ এখনৰ চতুৰ্থ শ্ৰেণীৰ পাঠকসকল হ'ল সকলো সাধাৰণ পাঠক। সকলো সাধাৰণ পাঠকেই গৱেষণা গ্ৰন্থ এখন অসাধাৰণ দৃষ্টিভংগীৰে পঢ়ে। তেওঁলোকে কেতিয়াও গৱেষণা গ্ৰন্থ এখন সাধাৰণ গ্ৰন্থৰ দৰে নপঢ়ে। সকলো সাধাৰণ পাঠকে বিচাৰে গৱেষণা গ্ৰন্থ এখন উচ্চমানৰ গ্ৰন্থ হোৱাতো। তেওঁলোকে গৱেষণা গ্ৰন্থ এখনত উচ্চমানৰ মতামত, দৰ্শন, নিৰ্ভুল তথ্য আৰু উচ্চমানৰ বিশ্লেষণ সন্নিবিষ্ট হোৱাটো বিচাৰে। তেওঁলোকে বিচাৰে গ্ৰন্থখনৰ ভাষা সাৱলীল হোৱাটো। গ্ৰন্থখনৰ লিখনশৈলী মনোমোহা হোৱাটোও এই শ্ৰেণীৰ পাঠকে বিচাৰে। অৰ্থাৎ চতুৰ্থ শ্ৰেণীৰ পাঠকসকলে গৱেষণা গ্ৰন্থ এখন সুন্দৰ আৰু নিৰ্ভুল ভাষাৰে লিখা এক পঢ়ি ভাল লগা জ্ঞান আৰু চিন্তা উদ্ৰেককাৰী গ্ৰন্থ হিচাপে পঢ়িব বিচাৰে। গতিকে এখন গৱেষণা গ্ৰন্থ বিভিন্ন প্ৰকাৰৰ পাঠকৰ মনোগ্ৰাহী হোৱাটো বাঞ্চনীয়। যিখন গৱেষণা গ্ৰন্থ ওপৰত উল্লিখিত চাৰিও শ্ৰেণীৰ পাঠকৰ বাবে মনোগ্ৰাহী হয় সেইখন গৱেষণা গ্ৰন্থই এখন উৎকৃষ্ট গৱেষণা গ্ৰন্থ হিচাপে বিবেচিত হয়।

গৱেষণা পদ্ধতি, গৱেষণাৰ সমল, গৱেষণাৰ বিষয়বস্তু নিৰ্বাচন আদি গৱেষণাৰ বিভিন্ন দিশ সামৰি গৱেষণা গ্ৰন্থ এখন কেনেদৰে লিখিব লাগে, কেনেদৰে গৱেষণা কৰিব লাগে, এই সকলো কথাৰ বিষয়ে লিখা নানা ধৰণৰ গ্ৰন্থ পোৱা যায়। গৱেষণা নিৰ্দ্দেশকসকলেও নিজৰ নিজৰ মতে গৱেষকজনক উপদেশ অথবা নিৰ্দেশ দিয়ে। গৱেষণা কাৰ্য্যত নানা ধৰণৰ তত্ত্ব আৰু পদ্ধতি প্ৰয়োগ কৰা হয়। নানা ধৰণৰ নীতি আৰু নিয়ম বান্ধি চলা হয়। কিন্তু সৰ্বোপৰি গৱেষণা গ্ৰন্থ এখনৰ উৎকৃষ্টতা নিৰ্ভৰ কৰে সেই কথাৰ ওপৰত সেই গৱেষণা সমাজৰ বাবে কিমান উপযোগী। সেই গৱেষণা কাৰ্য্যৰ স্থায়িত্ব বা গ্ৰহণযোগ্যতা সমাজৰ বাবে কিমান সুদুৰপ্ৰসাৰী।

গৱেষণা কাৰ্য্য বুলিলেই বহুতে ভয় খায়। ভীতিগ্ৰস্ততাৰ বাবে বহুতে ভালদৰে গৱেষণা কাৰ্য্য সম্পন্ন কৰিব নোৱাৰে আৰু এখন ভাল গৱেষণা গ্ৰন্থ লিখিব নোৱাৰে। গৱেষণা সদায় আনন্দদায়ক হ'ব লাগে। গৱেষণাক কেতিয়াও বলে নোৱাৰা শিল বুলি ধৰিব নালাগে। গৱেষণা কৰি, গৱেষণাৰ সমল বিচাৰি ঘুৰি অনাবিল আনন্দ যিজনে লাভ কৰে সেইজনেহে ভাল গৱেষণা কৰিব পাৰে। গৱেষণা প্ৰেমৰ দৰে হ'ব লাগে। যিদৰে প্ৰেমত পৰা লোক দিনে নিশাই প্ৰেমত উদ্বাউল হৈ থাকে তেনেদৰে গৱেষণা কৰা লোজনেও গৱেষণা কাৰ্য্যক প্ৰেমৰ দৰেই ধৰি লৈ দিনে নিশাই গৱেষণাৰ কথাকেই ভাবিব পৰা হ'ব লাগে। গৱেষণাৰ প্ৰেমত পৰা লোকে সদায় উচ্চস্তৰৰ গৱেষণা কৰিব পাৰে। যিদৰে প্ৰেমৰ চিঠি সজাই পৰাই লিখিবলৈ চেষ্টা কৰে তেনেদৰেই গৱেষণা গ্ৰন্থখনৰ সজোৱা-পৰোৱা চালে চকুৰোৱা হ'ব লাগে। গৱেষণা গ্ৰন্থখনত ওপৰে-ওপৰে



চকু ফুৰায়ো মানুহে ভাল পাব লাগে। তথ্যসমূহ ধুনীয়াকৈ সজাই পৰাই শ্ৰেণী বিভাজন কৰি উপস্থাপন কৰিব লাগে। যিমান পাৰি তথ্যৰ প্ৰমান দিব লাগে। ভাল ফটো ডিজিটেল প্ৰিণ্টেৰে গ্ৰন্থত ছপাব লাগে। কেতিয়াও নিম্নমানৰ ফটো ব্যৱহাৰ কৰিব নালাগে। ফটো সদাই ডিজিটেল পদ্ধতিৰে চপাই দিব লাগে, কেতিয়াও এঠা লগাই দিব নালাগে।

Bobliography কেতিয়াও ভুল হ'ব নালাগে। পাৰিলে প্ৰতিটো অধ্যায়ৰ সৈতে প্ৰাসংগিক গ্ৰন্থপুঞ্জী সন্নিবিষ্ট কৰিব লাগে। একেবাৰে শেষত পুনৰ Bobliography দিব লাগে। Bobliography শেহতীয়া শৈলীৰে লিখিব লাগে। সম্ভৱ হ'লে Abbreviation আৰু Index দিব লাগে।

মুঠতে গৱেষণা গ্ৰন্থখন এখন আন্তৰ্জাতিক মানৰ আটক ধুনীয়া গ্ৰন্থ হ'ব লাগে।

# গৱেষণা সম্পৰ্কীয় গৱেষণা ঃ এক সংক্ষিপ্ত-সাৰ

ড° দিলীপ বৰা

গৱেষণা পদ্ধতিৰ তাত্ত্বিক দিশটোৰ বিচাৰ-বিশ্লেষণ কৰি প্ৰবন্ধ এটা লিখাটো আমাৰ দৰে অল্পমতি লোকৰ কাম নহয়। তদুপৰি অসমীয়া মানুহে অসমীয়া ভাষাত গৱেষণাৰ তাত্ত্বিক দিশ সম্পৰ্কে যে কিবা লিখিব পাৰে, সেই কথা কোনো গৱেষকে বিশ্বাস নকৰে আৰু কিবা স্বৰূপত কোনোবাই লিখিলেও তাক কোনেও গ্ৰহণ নকৰে। কাৰণ, অসমৰ কথা বাদেই দিলো ভাৰতবৰ্ষৰ দৰে দেশবোৰৰ চৰকাৰ যেনেকৈ এতিয়া আমেৰিকাৰ নিৰ্দেশ মতে চলে, গৱেষণা বা সাহিত্য-সংস্কৃতিয়েও তেনেকৈ পাশ্চাত্য তত্ত্বই দেখুওৱা বাটেৰেই খোজ পেলায়। তেনে তত্ত্বৰ প্ৰভাৱ নথকা চিন্তা-সৃষ্টি বা গৱেষণাৰ যে এই ভাৰতভূমিত কোনো কদৰ নাই সেই কথা বিভিন্ন ক্ষেত্ৰত নৈমিত্তিক প্ৰমাণিত হৈ আছে, নিৰ্দিষ্ট এটা প্ৰমাণৰ নিশ্চয় কোনো প্ৰয়োজন নাই। এনেবোৰ কথা জনাৰ পিছতো অধ্যাপক ৰঞ্জন কলিতাই সম্পাদনা কৰা গৱেষণা পদ্ধতিৰ তাত্ত্বিক আলোচনাৰে সমৃদ্ধ এই গ্ৰন্থখনত এটা প্ৰবন্ধ লিখি ভুচুং পহু হোৱাৰ ইচ্ছা মোৰ নাছিল। কিন্তু ৰঞ্জন মোৰ নিজৰ ভাইৰ দৰে। জ্বৰে এৰিলেও কৰপটীয়ে নেৰা দি ৰঞ্জনে এৰিলেও তেওঁৰ ভ্ৰাতৃত্বৰ আব্দাৰে নেৰে। এতেকে আমাৰ নেতাসকলে স্বজন-তোষণ কৰিবলৈ যাওঁতে ৰাইজৰ সন্মুখত তেওঁলোকৰ স্বৰূপ ওলাই পৰাদি মোৰো যে গৱেষণা-জ্ঞানৰ ভাণ্ড ফুটিব সেইটো মই বুজি পাইছো। সেইবাবেই আহোমসকলে য'ত যি দেখিছে, পাইছে তাকে বুৰঞ্জী পুথিত লিখাদি মইও গৱেষণা কৰোঁতে, কৰাওঁতে য'ত যি দেখিছো, শুনিছো তাকে ইয়াত বৰ্ণাব খুজিছোঁ। সেয়েহে এই লেখাটো গৱেষণা সম্পৰ্কীয় গৱেষণালব্ধ অভিজ্ঞতাৰ সংক্ষিপ্ত সাৰ।

প্ৰথমেই আহোঁ গৱেষণাৰ লক্ষ্য বা উদ্দেশ্যলৈ। মোৰ ব্যক্তিগত ক্ষেত্ৰ অধ্যয়নৰ



ভিত্তিত এই কথা মই ন দি ক'ব পাৰোঁ যে বিশ্ববিদ্যালয় অনুদান আয়োগে বাধ্যতামূলক কৰা তিনিটা বিদ্যায়তনিক কৰ্মত বাধ্যবাধকতা উঠাই দিলে নিমিষতে তাত ভীৰ কমি যাব। তাৰে প্ৰথমটো হ'ল পৰিশীলন পাঠ্যক্ৰমত যোগদান কৰা, দ্বিতীয়টো হ'ল - আলোচনা চক্ৰত যোগদান কৰা আৰু তৃতীয়টো হ'ল- পি এইচ ডি কৰা। এই তিনিওটা কৰ্মৰে ঘোষিত লক্ষ্য হ'ল শিক্ষকৰ বৌদ্ধিক উৎকৰ্ষ সাধন কৰা আৰু অঘোষিত অন্তৰ্নিহিত উদ্দেশ্য হ'ল- চাকৰিৰ জখলা বগোৱাৰ চৰ্ত পূৰণ কৰা। বিশ্ববিদ্যালয় অনুদান আয়োগে এনে নীতি নিৰ্ধাৰণ কৰাৰ ফলত শিক্ষাৰ বজাৰখন ভাল হৈছে সঁচা, কিন্তু অধ্যয়ন-অধ্যাপনাৰ মূল লক্ষ্য-উদ্দেশ্যৰ পৰা গোটেই বিষয়টো বহুদূৰ আঁতৰি আহিছে।

(১) গৱেষণা কৰ্ম - এক উচ্চস্তৰৰ সাধনা। পি এইচ ডি বা গৱেষণা পত্ৰ যিয়েই নহওক এনে সাধনাৰ বাবে অন্তৰৰ পৰা এক অনন্ত তাগিদা অনুভৱ কৰিব লাগিব। জ্ঞানৰ এই সাধনাত ব্ৰতী হ'বলৈ ব্যক্তিজন কায়-মনো-বাক্যে প্ৰস্তুত হ'ব লাগিব। কিন্তু প্ৰায় ক্ষেত্ৰতে এনে নহয় বাবেই পি এইচ ডিত নামভৰ্তিকৰণৰ বাবে হাহাকাৰ কৰা একোজন ছাত্ৰ-নামভৰ্তি কৰি উঠি দুবছৰলৈ ভুমুকি মাৰিবলৈ নাহে। ইয়াৰ মাজত তেওঁৰ ঘৰ সজা হয়, মাটি কিনা হয়, খুলশালীয়েকৰ বিয়া, পৰিয়াল লৈ ফুৰিবলৈ যোৱা সকলোবোৰ কাম হয়। মাত্ৰ যিটো কামৰ বাবে তেওঁ এসময়ত অনুনয়-বিনয় কৰিছিল সেই কামটোৰহে খবৰ কৰিবলৈ তেওঁৰ সময় নহয়। সেইবাবেই গৱেষণা বা পঢ়া-শুনা কৰাৰ দৰে জটিল কষ্টসাধ্য কাম কৰিবলৈ এক গভীৰ আন্তৰিক তাগিদাৰ প্ৰয়োজন বুলি মই বুজিছোঁ। নহ'লে গৱেষণা কৰ্ম চাকৰিৰ প্ৰমোচনৰ প্ৰয়োজনীয় চৰ্ত পূৰণৰ বাবে প্ৰদান কৰা প্ৰতিবেদন হ'ব, তাৰ পৰা বিশেষ বৌদ্ধিক উৎকৰ্ষ সাধিত নহ'ব।

(২) গৱেষণাৰ লক্ষ্য যদি এটা বিষয় গভীৰভাৱে অধ্যয়ন কৰাটো হয়, তেনেহ'লে তাৰ বাবে এজন উপযুক্ত পৰামৰ্শদাতা বা তত্ত্বাৱধায়ক নিৰ্বাচন কৰিব লাগিব। আগতে মেথড'লজিৰ কিতাপত এই কথাটোও আছিল যে গৱেষণাৰ বাবে বিষয় এটা ঠিক কৰি লোৱাৰ পিছতে এজন উপযুক্ত গৱেষণা গুৰু বাচি লোৱা উচিত। বহু কথাৰ বাবেই এইটো অপৰিহাৰ্য। কাৰণ, পি এইচ ডি গৱেষণাৰ বহু কথাই গৱেষণা গুৰুগৰাকীৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰথম কথা তেওঁ বিষয়টো সম্পৰ্কে ওৱাকিবহাল হ'ব লাগিব, দ্বিতীয়তে, তেওঁৰ সৈতে কাম কৰি গৱেষকজনৰ ভাল লাগিব লাগিব, তৃতীয়তে, চিন্তা-চৰ্চাৰ স্তৰ বুজি পোৱা ধৰণৰ হ'ব লাগিব, তেওঁৰ ব্যৱহাৰ বিৰক্তিকৰ হ'ব নালাগিব, চতুৰ্থতে, তেওঁ বিনিময় বিচৰা ধৰণৰ মানুহ হ'ব নালাগিব— ইত্যাদি অনেক কথাই হয়তো গৱেষকজনৰ বাবে প্ৰয়োজনীয় হ'ব। একেদৰে গৱেষণা গুৰুজনৰো এনেবোৰ

কথা চাবলগীয়া থাকিব। গৱেষণা কৰা বা কৰোৱা প্ৰত্যেকজন ব্যক্তিয়েই এই কথাকেইটা অপৰিহাৰ্য বুলি মৰ্মে মৰ্মে উপলব্ধি কৰিছে। কিন্তু এতিয়া বিষয়টো বাধ্যতামূলক হোৱাৰ লগে লগে এই কথাবোৰৰ গুৰুত্ব নোহোৱা হ'ল। পি এইচ ডি গৱেষণা এতিয়া হৈ পৰিল এটা পাঠ্যক্ৰম। গতিকে তাত নামভৰ্তি কৰিলে এজন গৱেষণা গুৰু পোৱা যাব আৰু তেওঁৰ লগতে কাম কৰিব লাগিব। গৱেষণাৰ প্ৰাথমিক চৰ্ত হিচাপে থকা এই প্ৰয়োজনীয় কথাবোৰ এতিয়া অপ্ৰয়োজনীয় হৈ পৰিল, যিটো ভাল গৱেষণাৰ বাবে সুফলদায়ক বুলি বিবেচনা কৰিব নোৱাৰি।

(৩) তৃতীয়তে আহিল গৱেষণা সম্পৰ্কীয় প্ৰাথমিক জ্ঞান। আগতে তাৰ বাবে পাঠ্যক্ৰম নাছিল। এতিয়া পাঠ্যক্ৰম বাধ্যতামূলক হ'ল। গতিকে গৱেষণাৰ পদ্ধতিকে ধৰি প্ৰয়োজনীয় বিষয়বোৰ আনুষ্ঠানিকভাৱে শিকোৱাৰ ব্যৱস্থা হ'ল। এইটো নিশ্চিতভাৱেই এটা ভাল সিদ্ধান্ত। ইয়াৰ জৰিয়তে এজন গৱেষকে তেওঁৰ নিজৰ পৰামৰ্শদাতাগৰাকীৰ উপৰিও আন আন শিক্ষকৰ সৈতেও মত বিনিময়ৰ সুবিধা পায় আৰু ই গৱেষকগৰাকীৰ চিন্তাৰ জগতখন বহল আৰু সমৃদ্ধ কৰিব পাৰে। কিন্তু আদাক দেখি উঠিল গা কেতুৰীয়ে বোলে মোকো খাৰ দৰে পাঠ্যক্ৰম এটা আৰম্ভ কৰিলেইতো নহ'ব। গৱেষকসকলে বাচনি পৰীক্ষাতে উত্তীৰ্ণ হৈ কোনোমতে নামভৰ্তিকৰণ কৰিব, পৰামৰ্শদাতা এজনো পাব, কিন্তু পাঠ্যক্ৰমত যোগদান কৰাৰ বাবে ছুটী কোনে দিব? ইফালে কলেজত পাঞ্চিং মেচিন। চৰকাৰে কৈছে পি এইচ ডি নহ'লে পাঁচ বছৰৰ পিছত চাকৰি এৰি দিব লাগিব। কিন্তু ক'ৰ্চ ৱৰ্ক কৰাৰ বাবে ছুটী দিয়াৰ ব্যৱস্থা নাই। গতিকে যিবোৰ ঠাইত এই সকলো কথা বুজা-পৰাৰ মাধ্যমেৰে হয় তালৈকে গৱেষকসকল ঢাপলি মেলিব। এনেবোৰ সাধাৰণ কথা বিশ্ববিদ্যালয় অনুদান আয়োগ বা চৰকাৰে বিবেচনা নকৰাৰ মূলতেই আছে ব্যক্তিগত প্ৰতিষ্ঠানবোৰক ব্যৱসায় কৰাৰ সুবিধা দিয়াৰ কৌশল। গতিকে ব্যৱস্থাটো ভাল আছিল যদিও তাৰ পৰা বৰ বেছি কামত আহিছে বুলি ক'ব নোৱাৰি।

এই প্ৰসংগতে এটা কথা উল্লেখনীয় যে অসমৰ দুই এক পণ্ডিত ব্যক্তিয়ে বিশ্ববিদ্যালয়সমূহৰ গৱেষণাৰ মান নিম্নগামী হোৱাৰ কথা কয়। তেওঁলোকে অৱশ্যে গৱেষণা কেনে হোৱা উচিত তাৰ দুই এটা নমুনা দেখুৱাই দিলে বিশ্ববিদ্যালয়সমূহ ধন্য হ'লহেঁতেন। তেওঁলোকে ব্যৱস্থাটোৰ বিৰুদ্ধে মাত নামাতে, মাত্ৰ শিক্ষকসকলক দোষ জাপি দিয়ে। পিছে বাস্তৱ পৰিস্থিতিতো যথেষ্ট জটিল। এতিয়া একোজন শিক্ষকে চেমিষ্টাৰ পদ্ধতিত যথেষ্ট পাঠদান কৰিব লাগে, বহী চাব লাগে, পৰীক্ষা পাতিব লাগে। এনেবোৰ কাম-কাজ কৰিও তেওঁ নিয়মিত ৰূপত দৰমহা পাতি নাপায়। ইফালে চৰকাৰৰ



চৰ্ত। তাৰ মাজতে টানি-আঁজুৰি কিবা এটা কৰি দিয়ে। যথেষ্ট আসোঁৱাহ থাকিলেও গৱেষণা গুৰুৱে সেইখন পাৰ কৰি দিবলৈ বাধ্য হয়, কাৰণ যোল্ল / সোতৰ বছৰ ধৰি দুহেজাৰ টকা বেতনেৰে ল'ৰা-ছোৱালীক পঢ়ুৱাই থকা একোজন শিক্ষক আৰু তেওঁৰ পৰিয়ালটোৱে বাট চাই থাকে সেই ডিগ্ৰীটোলৈ। এই বাস্তৱ পৰিস্থিতিটো বাহিৰৰ পৰা বুজা নাযায়। সেইবাবেই আমাৰ দৰে দেশ এখনত দেখাক দেখি কিছুমান চৰ্ত আৰোপ কৰিলেই নহয়, তাৰ বাবে প্ৰাৰম্ভিক সা-সুবিধাৰ ন্যূনতম ব্যৱস্থাও গঢ়ি তোলা দৰকাৰ।

এইবোৰ হ'ল গৱেষণা সম্পৰ্কীয় প্ৰাথমিক অভিজ্ঞতা। এই অভিজ্ঞতাবোৰে গৱেষণাৰ প্ৰায় সকলোবোৰ প্ৰাথমিক চৰ্তকে উলাই কৰে। যেনে - গৱেষণাৰ বাবে থাকিবলগীয়া অদম্য আন্তৰিক তাগিদা, বিষয় নিৰ্বাচন, গৱেষণা গুৰু নিৰ্বাচন, গৱেষণাৰ পৰিৱেশ ইত্যাদি সকলোবোৰ কথাই এতিয়া অৰ্থহীন। এতিয়া গৱেষণাও স্নাতক, স্নাতকোত্তৰৰ দৰে এক ডিগ্ৰী। নামভৰ্তি কৰিব লাগে, মাহে মাহে মাচুল দিব লাগে, ক'ৰ্চ ৱৰ্ক কৰিব লাগে, পৰীক্ষা দিব লাগে আৰু এই গোটেই পাঠ্যক্ৰমটোৰ প্ৰয়োজনীয়তা পূৰ্তিৰ বাবে এখন থিছিচ বা গৱেষণা গ্ৰন্থ জমা দিব লাগে। সকলো পৰীক্ষাতে যিদৰে আজিকালি এক শতাংশ উত্তীৰ্ণ কৰোৱাৰ লক্ষ্য থাকে, গৱেষণাতো তেনে লক্ষ্য নিশ্চিত। আনহাতে সকলো পৰীক্ষাতে যিদৰে পাছ কৰা প্ৰতিজন ছাত্ৰই একে প্ৰজ্ঞা বা মেধাৰ অধিকাৰী নহয়, পি এইচ ডিৰ ক্ষেত্ৰতো সকলো গৱেষণা উৎকৃষ্ট নহ'বও পাৰে। সেইবাবেই গৱেষণা বিভাগত কাম কৰা কৰ্মচাৰীসকলৰ দুই একে কেতিয়াবা মন্তব্য কৰে যে এওঁ ছাৰ However Ph. D. কথাটোৰ অৰ্থ সোধাত জানিব পাৰিলো যে পৰীক্ষকে প্ৰতিবেদনত লিখিছে যে তেওঁৰ কামটোৰ এইখিনি সীমাবদ্ধতা আছে, সেইখিনি অসম্পূৰ্ণতা আছে বা ইমানখিনি আসোঁৱাহ আছে; কিন্তু তেওঁ গৱেষণাৰ সকলো নীতি, নিয়ম আৰু পদ্ধতিগত দিশ মানি চলি ভালেখিনি সমল গোটাইছে আৰু গৱেষণা গ্ৰন্থখন লিখিছে। সেয়েহে ইমানখিনি সীমাবদ্ধতা থকাৰ পিছতো However the candidate may be awarded the Ph D degree under............ University.

গতিকে বাহিৰৰ পৰা কেৱল গৱেষণাৰ মান নিম্নগামী হোৱা বুলি ক'লেই নহ'ব। এনে লোকসকলৰ বহুতেই বিশ্ববিদ্যালয়বোৰৰ মূল প্ৰশাসনিক সমিতিৰ সদস্যপদ লৈ বহি থাকে। তেওঁলোকে ব্যৱস্থাটোৰ পৰিৱৰ্তনৰ বাবে মাত মাতিলে বা এটা সুব্যৱস্থা প্ৰণয়ন কৰিলে নিশ্চয় মানদণ্ডও উন্নত হ'ব আৰু এটা ইতিবাচক বাতাবৰণ গঢ় লৈ উঠিব।

গৱেষণাৰ ক্ষেত্ৰত ইতিমধ্যে বিভিন্নজনে কৰা কামৰ মাজেৰেই কিছুমান পদ্ধতিয়ে

গুৰুত্ব লাভ কৰিছে। আচলতে আমাৰ কলা বিভাগৰ গৱেষণাৰ পদ্ধতি বুলিবলৈ মূল পদ্ধতি দুটাই (১) বৰ্ণনাত্মক আৰু (২) ব্যাখ্যাত্মক বা বিশ্লেষণাত্মক। এতিয়া গৱেষণা গ্ৰন্থ এখনত আচলতে বৰ্ণনাত্মক দিশটোতকৈ ব্যাখ্যাত্মক দিশটোত প্ৰাধান্য দিয়া উচিত। আনহাতে বিশ্লেষণ বা ব্যাখ্যা কৰিবলৈ যাওঁতেই নিজে নিজেই আলোচনাই কিছুমান পদ্ধতিৰ আশ্ৰয় ল'ব। অৰ্থাৎ ক'ৰবাত সেই ব্যাখ্যা তুলনাৰ মাজেৰে আহিব, ক'ৰবাত সমাজতাত্ত্বিক অন্বেষণ লাগিব, ক'ৰবাত প্ৰেক্ষাপট বিচাৰ লাগিব, ক'ৰবাত ঐতিহাসিক বিচাৰ-বিশ্লেষণ লাগিব ইত্যাদি। এই প্ৰত্যেকটো প্ৰয়োজনীয় কথাৰ বাবে আলোচনাই নিজস্ব পদ্ধতি গ্ৰহণ কৰিব। সেইবাবেই গৱেষণাৰ বাবে কেতবোৰ মাৰ্কামাৰা পদ্ধতি ব্যৱহাৰ কৰিব লাগিব বুলি কোনো কথা নাই, বৰং বিষয়বস্তুৰ পৰিসৰ আৰু আলোচনাৰ প্ৰয়োজনীয়তাইহে পদ্ধতিৰ দিক নিৰ্ণয় কৰিব। মূল কথাটো হ'ল বিষয়টোৰ গভীৰ বিচাৰ-বিশ্লেষণ। এতিয়া তাৰ বাবে যদি তুলনাত্মক পদ্ধতিটোৰেই আটাইতকৈ প্ৰয়োজনীয় হয় তেনেহ'লে গৱেষকে তুলনাত্মক সাহিত্য অধ্যয়ন কৰি তাৰ পৰা সাদৃশ্য সম্বন্ধাত্মক পদ্ধতি, পৰম্পৰা অধ্যয়ন পদ্ধতি, প্ৰভাৱ অধ্যয়ন পদ্ধতি, স্বীকৃতি অধ্যয়ন পদ্ধতি, সম্বন্ধমূলক দ্বন্দ্বাত্মক পদ্ধতি আদিৰ বিষয়ে বুজি ল'ব লাগিব আৰু প্ৰয়োজন সাপেক্ষে এটা বা ততোধিক পদ্ধতিৰে বিষয়টো বিশ্লেষণ কৰিব লাগিব। একেদৰে সাহিত্যৰ আলোচনাত কেৱল অলংকাৰ, উপমা বা সমাজ চিত্ৰৰ বিচাৰ নকৰি তাক শেহতীয়া সাহিত্য তত্ত্ববোৰৰ দৃষ্টিৰেও বিচাৰ কৰিব লাগিব। তাৰ বাবে সংশ্লিষ্ট সাহিত্য কৰ্মৰ সমাজ-ৰাজনৈতিক প্ৰেক্ষাপট, অৰ্থনৈতিক অৱস্থা, সাংস্কৃতিক আৱহাৱা- এই সকলোবোৰ দিশ মনত ৰাখিব লাগিব। একেদৰে শৈলীবিজ্ঞানৰ দৃষ্টিৰে সাহিত্য কৰ্মৰ ভাষিক আৰু নান্দনিক দিশবোৰো বিচাৰ কৰিব লাগিব। সেইবাবেই আমি গৱেষণা প্ৰণালীতত্ত্বৰ কিতাপত লিখা কথাবোৰকে পদ্ধতি বা প্ৰণালী বুলি ভাবিলে নহ'ব। গৱেষণীয় বিষয়ৰ সৈতে ৰজিতা খুৱাই সেই সময়ৰ ইতিহাস, সমাজনীতি, ৰাজনীতি, অৰ্থনীতি আৰু প্ৰয়োজনীয় তাত্ত্বিক সমলবোৰ ধৈৰ্য্যসহকাৰে গভীৰভাৱে অধ্যয়ন কৰিলে নিজে নিজেই অধ্যয়নৰ পদ্ধতি পৰিষ্কাৰ হৈ পৰিব।

গৱেষণাৰ ক্ষেত্ৰত বহুতেই কিছুমান ধৰা বন্ধা কথা শিলৰ ৰেখাৰ দৰে মানি চলিব বিচাৰে। যেনে- পাশ্চাত্য অনুকৰণৰ প্ৰভাৱতেই বহু পণ্ডিতে কয় যে কোনো নামৰ পিছত বিশেষণযুক্ত উপাধি গৱেষণাৰ ভাষাত গ্ৰহণীয় নহয়। কিন্তু শংকৰদেৱৰ পিছত বা জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা, লক্ষ্মীনাথ বেজবৰুৱা, বাণীকান্ত কাকতি আদিৰ দৰে ব্যক্তিৰ নামৰ পিছত 'দেৱ' শব্দটো লগালে গৱেষণাৰ মান নিম্নগামী হোৱাৰ কোনো কাৰণ নেদেখো। বৰং এইটোৰে আমাৰ নিজস্ব ভাষিক শৈলীৰ স্বাক্ষৰহে বহন কৰে। আনহাতে, পাশ্চাত্য পণ্ডিতৰ নামৰ পিছফালে 'চাহাব' শব্দটো লগোৱাৰ ঔপনিৱেশিক মোহৰৰ পৰা আমি এতিয়াও মুক্ত হ'ব পৰা নাই। ঠিক একেদৰে কোৱা হয় যে অলংকাৰযুক্ত গদ্য গৱেষণা গ্ৰন্থত পৰিহাৰ কৰিব লাগে। কিন্তু এটা বিষয়ৰ বৰ্ণনা বা ব্যাখ্যাই নিজস্বভাৱেই এটা ভাষিক শৈলী গ্ৰহণ কৰে। অদৰকাৰী ঠাইত অলংকাৰ প্ৰয়োগ নিশ্চয় বৰ্জনীয়, কিন্তু সেইবুলিয়েই প্ৰয়োজনীয় ঠাইতো গৱেষণাৰ ভাষা বুলি অলংকাৰ বৰ্জন কৰিলে গ্ৰন্থখন নিৰ্জীৱ হ'বলৈ বাধ্য। গৱেষণাই হওক বা তাতকৈও ওপৰৰ কিবাই হওক, মূল কথাটো হ'ল গ্ৰন্থখনৰ ভাষাই পাঠকক বিষয়বস্তুৰ ভিতৰলৈ টানি নিব পাৰিব লাগিব। তাৰ বাবে প্ৰয়োজনমতে ভাষাটো ব্যৱহাৰ কৰিব লাগিব। কোনোবাই ক'লে বুলিয়েই একেবাৰে নীৰস-নিষ্প্ৰাণ ভাষাৰে গৱেষণা পত্ৰ বা গ্ৰন্থ লিখিব লাগিব বুলি কোনো কথা থাকিব নোৱাৰে।



গৱেষণাৰ ক্ষেত্ৰত আটাইতকৈ উল্লেখনীয় বিষয়টো হ'ল উদ্ধৃতি আৰু পাদটীকা। এইক্ষেত্ৰত বেছিভাগেই শেহতীয়া এম এল এ ষ্টাইলমতে উদ্ধৃতি আৰু পাদটীকা প্ৰয়োগ কৰিব লাগিব বুলি খুটি মাৰি বহি থাকে। আনহাতে, গৱেষণা গ্ৰন্থ বা পত্ৰ এখনত যথেষ্টসংখ্যক উদ্ধৃতি আৰু পাদটীকা ব্যৱহাৰ কৰাৰ প্ৰতিও অনেকে গুৰুত্ব প্ৰদান কৰে। এইক্ষেত্ৰত আমি ভাবো যে গৱেষণা গ্ৰন্থ এখনৰ মূল কথাটো হ'ল এটা বিষয়ক তুলি ধৰিব পৰাকৈ উপস্থাপন কৰা মৌলিক আলোচনা আৰু তাক প্ৰতিপন্ন কৰিব পৰাকৈ দাঙি ধৰা তথ্য আৰু যুক্তি। গতিকে, উদ্ধৃতি বা পাদটীকাৰ ব্যৱহাৰ এনেকৈ নকৰি তেনেকৈ কৰিলে গৱেষণাৰ মোল কমিব বুলি মোৰ মনে নধৰে। এইটোও এটা পাশ্চাত্য নিৰ্ভৰ দৃষ্টিভংগী। এনে হোৱাৰ বাবে আমাৰ গৱেষণা গ্ৰন্থবোৰ অজস্ৰ উদ্ধৃতিৰে ভাৰাক্ৰান্ত হৈ পৰে, অধিক কি বহু সময়ত বহু গৱেষণা গ্ৰন্থ কেৱল বিভিন্ন পণ্ডিতৰ উদ্ধৃতিৰ সমষ্টি হৈ পৰে। আমাৰ কথা হ'ল গ্ৰন্থখনত ক'ব লগা কথাখিনি নিটোলকৈ যুক্তি সহকাৰে তুলি ধৰাটোহে গ্ৰন্থখনৰ মূল কথা। তাৰ বাবেহে প্ৰয়োজনীয় উদ্ধৃতি বা পাদটীকা ব্যৱহাৰ হ'ব লাগে। সেইক্ষেত্ৰত ব্যৱহাৰৰ নীতি-নিয়ম ইফাল সিফাল হ'লেও সাংঘাতিক প্ৰমাদ ঘটিব বুলি ভবাৰ কোনো প্ৰয়োজন নাই। মাত্ৰ এটা কথা মন কৰা উচিত যে যি ধৰণেই উদ্ধৃতি বা পাদটীকা ব্যৱহাৰ কৰা নহওক কিয়, গোটেই গ্ৰন্থখনত সেই একেটা ধৰণে সিবোৰৰ ব্যৱহাৰ হ'ব লাগে যাতে পাঠকে উজুটি নাখায়।

উদ্ধৃতি আৰু পাদটীকাৰ দৰেই গ্ৰন্থপঞ্জীৰ ক্ষেত্ৰতো একেধৰণৰ দৃষ্টিভংগী দেখা যায়। এম এল এ ষ্টাইলৰ কোনোবাটো সংস্কৰণত এটা পদ্ধতি আৰু আন এটাত আন ধৰণৰ এটা পদ্ধতি দেখা যায়। মেথড'লজীৰ অন্যান্য কিতাপতো ইয়াৰ পাৰ্থক্য দেখা

যায়। কোনোবাই কয়- মহিলা লেখক হ'লে নামটো আগত আৰু উপাধিটো পিছত, আনহাতে পুৰুষ লেখক হ'লে উপাধিটো আগত আৰু নামটো পিছত। আন কোনোবাই কয়- সকলোক্ষেত্ৰতে উপাধিটো আগত আৰু নামটো পিছত লিখিব লাগে। কোনোবাই কয়- লিখকৰ নামটো ইটালিক কৰিব লাগে আৰু কিতাপৰ নাম স্বাভাৱিকভাৱে ৰাখিব লাগে। কোনোবাই কয়- কিতাপৰ নামটোহে ইটালিক কৰিব লাগে। আন কোনোবাই আকৌ সকলো আখৰ স্বাভাৱিকভাৱে ৰাখি কিতাপৰ নামটো ঘনলিপিত বা ব'ল্ডত লিখিব লাগে বুলিহে কয়। এখন গ্ৰন্থত এটা ইউনিফৰ্মিটি থাকিব লাগে— তাত কাৰো দ্বিমত থাকিব নোৱাৰে। কিন্তু এইক্ষেত্ৰত পাশ্চাত্য মত অনুসৰি সময়ে সময়ে পদ্ধতিবোৰ সলনি কৰিব লাগিবই বুলিও কোনো কথা থাকিব নালাগে। এইক্ষেত্ৰত আমি ভাবো যে মূল গ্ৰন্থখনৰ বিষয়বস্তুক প্ৰতিপাদিত কৰিবৰ বাবে যিবোৰ উদ্ধৃতি, পাদটীকা, পৰিশিষ্ট আদি ব্যৱহৃত হ'ব সেই সকলোবোৰ কেনেকৈ ব্যৱহাৰ কৰিব আৰু কেনেকৈ সজাব সেইক্ষেত্ৰত গ্ৰন্থকাৰৰ স্বাধীনতা থকা উচিত। মাত্ৰ লেখকে চাব লাগিব যাতে তেওঁৰ পদ্ধতিটো বুজাত পাঠকৰ কোনো অসুবিধা নহয়। অৰ্থাৎ এটা সহজ, সুশৃংখলিত পদ্ধতি তেওঁ গ্ৰহণ কৰিব। কোনোধৰণৰ ধৰা বন্ধা নীতি ইয়াৰ হেঙাৰ হ'ব নালাগে।

আচলতে, আমাৰ বৌদ্ধিক জগতখনত আজিও এনেবোৰ বিষয়ক লৈ গভীৰভাৱে আলাপ-আলোচনা হোৱা নাই। আমাৰ মন-মগজুত এনে এটা ধাৰণা সোমাই আছে যে গৱেষণাৰ দৰে জটিল কথাবোৰত কোনো নিৰ্দিষ্ট নীতি-নিয়ম উদ্ভাৱন কৰাৰ ক্ষমতা আমাৰ নাই আৰু থাকিলেও সেইবোৰ কেতিয়াও গ্ৰহণীয় হ'ব নোৱাৰে। গতিকে পাশ্চাত্য প্ৰচলিত নীতি-নিয়মবোৰৰ প্ৰতি আমি অধিক সচেতন হৈ পৰোঁ, অথচ আমাৰ গৱেষণীয় বিষয়টোক যথাযথভাৱে প্ৰতিপাদিত কৰাত আমি সিমান সচেতন নহওঁগৈ। আমাৰ বোধেৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ গৱেষণাৰ প্ৰশ্নত এনেবোৰ বিষয়ক লৈ চিন্তা-চৰ্চা কৰাৰ সময় সমাগত। অৰ্থাৎ গৱেষণা সম্পৰ্কীয় কথা-বতৰাবোৰ আৰু ইয়াৰ বিভিন্ন পদ্ধতিবোৰৰ বিষয়েই এতিয়া এক গৱেষণাৰ প্ৰয়োজন।

# গৱেষণা, গৱেষক আৰু তত্ত্বাৱধায়ক ঃ এটি চমু আলোচনা

**ড° নীলমোহন ৰায়**

ইংৰাজী Research শব্দৰ প্ৰতিশব্দৰূপে আমি 'গৱেষণা' শব্দটো ব্যৱহাৰ কৰোঁ। Research শব্দই আৰু কিছু মান শব্দ বা শব্দবন্ধনক সূচিত কৰে; যেনে - তত্ত্বানুসন্ধান, তত্ত্বানুশীলন, সত্যাসত্য পৰীক্ষা, সযত্ন অনুসন্ধান, পুনৰম্বীক্ষা, জ্ঞানবৰ্ধনাৰ্থে বিধিসন্মত অনুসন্ধান প্ৰভৃতি। যদিও উপৰ্যুক্ত অৰ্থত 'গৱেষণা' শব্দটোৰ সঞ্চালনি প্ৰয়োগ দেখা যায়, প্ৰকৃততে 'গৱেষণা' শব্দটোৰ উৎস অতি প্ৰাচীন।

ঋক্‌বেদৰ দিনৰ পৰাই সংস্কৃতত গৱেষণা শব্দটোৰ প্ৰয়োগ চলি আহিছে। শব্দটোৰ মূলত আছে সংস্কৃত 'গো', 'গব' শব্দ অথবা 'গৱেষ' ধাতু। 'গো' শব্দৰ অৰ্থ 'গম্যতে অনেন' অৰ্থাৎ যাৰ দ্বাৰা যোৱা হয়। 'গো' শব্দৰ আৰু বহুতো অৰ্থ আছে, যেনে - জ্ঞান, গৰু, পৃথিবী, বাক্য, সৰস্বতী দেৱী, মা, জল, চকু ইত্যাদি। সংস্কৃত ব্যাকৰণ অনুযায়ী গমনাৰ্থক ধাতু জ্ঞানাৰ্থত ব্যৱহাৰ হয়। যেনে - অনুধাৱন, অধিগত, অধিগম্য, দুৰধিগম্য শব্দবিলাকৰ অৰ্থ যথাক্ৰমে পৰ্যালোচনা, জ্ঞাত, জ্ঞেয় আৰু দুৰ্জ্ঞেয়। অসমীয়াত জ্ঞানাৰ্থত 'গম' শব্দৰ ব্যৱহাৰ আছে। 'গম পোৱা' অৰ্থাৎ বুজিপোৱা, অৱগত হোৱা। সংস্কৃত 'এষণ' শব্দটোৰ অৰ্থ হৈছে 'অন্বেষণ'। গতিকে গৱেষণা শব্দটোৰ অৰ্থ হৈছে 'জ্ঞানান্বেষণ'।[১]

'গৱেষণা'ৰ ব্যুৎপত্তিগত অৰ্থ যিয়েই নহওক কিয় Researchৰ প্ৰতিশব্দৰূপে বৰ্তমান যুগত বহুলভাৱে ব্যৱহাৰ হোৱা বিষয়টো সম্পূৰ্ণৰূপে বিদ্যায়তনিক। অৰ্থ-ব্যাপ্তি ঘটি ক্ৰমে গৱেষণাৰ অৰ্থ হৈছে যিকোনো বিষয়ৰ প্ৰণালীবদ্ধ আৰু সুশৃংখলিত অনুসন্ধান বা অধ্যয়ন। কলা, বাণিজ্য, বিজ্ঞান প্ৰভৃতি যিকোনো দিশৰেই প্ৰণালীবদ্ধ তথা পদ্ধতিগত অধ্যয়ন কৰিবলৈ হ'লে গৱেষকৰ লাগিব আত্মমগ্ন আৰু নিৰপেক্ষ সাধনা। বিষয়টো যিমানেই জঁটিল বা দুৰূহ নহওক কিয় তাক অধ্যয়নৰ যোগেদি এনে

এটি পৰ্যায়লৈ আনিব লাগিব যাতে সাধকে আত্মমগ্ন নিষ্ঠাৰ সৈতে অধ্যয়ন কৰি যোৱাৰ লগে লগে লাভ কৰে সাধনাৰ বিমল আনন্দ।

গৱেষণা পত্ৰ বা গৱেষণা গ্ৰন্থ এটি জ্ঞানগৰ্ভ বিষয়ক লৈ ৰচিত হয়। লক্ষণীয় যে বিষয়টো হ'ব লাগিব পূৰ্বতে অনালোচিত অৰ্থাৎ নতুন। সম্পূৰ্ণ বিষয়টোক পত্ৰাকাৰে বা গ্ৰন্থাকাৰে ৰূপায়িত কৰিবলৈ সুনিৰ্দিষ্ট কিছু পদ্ধতি অনুসৰণ কৰাটো বাধ্যতামূলক। উপক্ৰমণিকাৰ পৰা উপসংহাৰলৈকে বিষয়টো এডাল অচ্ছেদ্য সূত্ৰত গ্ৰথিত হ'ব লাগে। কোনোধৰণৰ শৈথিল্য গৱেষণা গ্ৰন্থৰ উপযোগী নহয়।

গৱেষণাগ্ৰন্থৰ উদ্দেশ্য হৈছে তত্ত্ব উদ্ঘাটন আৰু সেই বিষয়ত সিদ্ধান্ত উপস্থাপন। এই কাৰ্যৰ বাবে যি বৈজ্ঞানিক পদ্ধতি অনুসৰণ কৰা হয় তাৰ প্ৰথম পদক্ষেপ হ'ল-তথ্য সংগ্ৰহ, তাৰপিছত পুংখানুপুংখৰূপে তথ্য নিৰীক্ষণ আৰু শেষত গভীৰ আত্মমগ্নতাৰে তথ্য উপলব্ধি কৰিবলৈ সচেষ্ট হোৱা। ইয়াৰ ফলত ঘটিব তত্ত্বোপলব্ধি। অৱশেষত উপলব্ধ তত্ত্ব সম্পৰ্কীয় নিজস্ব সিদ্ধান্তৰ প্ৰকাশ তথ্য সংগ্ৰহ, তথ্য নিৰীক্ষণ, মনঃসংযোগ, তত্ত্বোপলব্ধি আৰু সিদ্ধান্ত প্ৰকাশ - এই পদ্ধতিগত স্তৰসমূহ সকলো গৱেষকেই অতিক্ৰম কৰিব লাগিব।[২]

গৱেষণামূলক ৰচনা সাহিত্যৰ অন্যান্য বিভাগ, যেনে- গল্প, উপন্যাস, কবিতা, নাটক আদিতকৈ সম্পূৰ্ণ সুকীয়া সৃষ্টি। উপৰ্যুক্ত সৃজনীমূলক সাহিত্যত বিষয়বস্তুৰ সত্যতা বা যথাৰ্থতা সম্পৰ্কে কোনো প্ৰশ্ন উত্থাপিত নহয়। কিন্তু গৱেষণামূলক ৰচনাৰ সফলতা নিৰ্ভৰ কৰে সত্যনিষ্ঠ আৰু প্ৰামাণ্য তথ্যৰ ওপৰত। সেয়ে গৱেষণা পত্ৰত সত্যতা আৰু যুক্তিসিদ্ধতা আৰম্ভণিৰে পৰা শেষলৈকে অক্ষুণ্ণ ৰখাটো অতি প্ৰয়োজনীয়।

তথ্য-প্ৰমাণৰ লগতে যুক্তিনিষ্ঠতাও গৱেষণাকৰ্মৰ অন্যতম দিশ। সেয়ে, সংক্ষেপতে ক'বলৈ গ'লে তথ্য আৰু যুক্তিৰ সু-সামঞ্জস্যপূৰ্ণ আৰু নিৰ্ধাৰিত পদ্ধতিৰ মাধ্যমত বিশ্লেষণ আৰু সযত্ন, সৰ্তক সিদ্ধান্ত সাপেক্ষে সত্য আৱিষ্কাৰেই গৱেষণাকৰ্মৰ মূল লক্ষ্য। ভাষাত মাধুৰ্যৰ অভাৱে গৱেষণাকৰ্মৰ যিমান ক্ষতি নকৰে তাতকৈ অধিক ক্ষতি কৰে বিষয়বস্তুৰ বা তথ্যৰ অপৰ্যাপ্ততা, অপূৰ্ণতা বা ভুল-ত্ৰুটিয়ে। সেয়ে গৱেষণাকৰ্মত নিৰন্তৰ সততা আৰু নিষ্ঠা বজায় ৰখা উচিত।[৩]

গৱেষণাৰ কেইটামান সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে সুৰভি বন্দ্যোপাধ্যায়ে উল্লেখ কৰা কথাখিনি মনকৰিবলগীয়া।[৪]

১) গৱেষণা হ'ল এটি মৌলিক কাম।

২) সাধাৰণতে এটি নিৰ্দিষ্ট বিষয়ক কেন্দ্ৰ কৰিয়েই গৱেষণাকৰ্ম পৰিচালিত হয়।



৩) কোনো বিশেষ দৰ্শন, দৃষ্টিভংগী বা মতবাদৰ দ্বাৰা প্ৰভাৱিত নহৈ মুকলিমনেৰে গৱেষণাত আত্মনিৱেদন কৰিব লাগে।

৪) গৱেষণাৰ মান নিৰ্ভৰ কৰে গৱেষকৰ কৌতূহলী আৰু অনুসন্ধিৎসু দৃষ্টিভংগীৰ ওপৰত।

৫) 'গৱেষণা' যিহেতু এটি বৈজ্ঞানিক পদ্ধতি, সেয়ে ই যুক্তি আৰু পৰিমাপ বা পৰিসংখ্যাগত উপস্থাপনৰ ওপৰত প্ৰভূত নিৰ্ভৰশীল।

৬) গৱেষণা হ'ল অনুসন্ধান আৰু সিদ্ধান্তৰ এক সম্মিলিত গঠন পদ্ধতি।

৭) গৱেষণা হ'ল গৱেষকৰ জ্ঞান আৰু বুদ্ধিৰ সচেতন প্ৰয়োগ আৰু প্ৰকাশ।

বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভৰ উদ্দেশ্যেই হওক অথবা তথ্য যুক্তিগ্ৰাহ্য পাণ্ডিত্যপূৰ্ণ ৰচনাৰ বাবেই হওক গৱেষণামূলক ৰচনা লিখাৰ আগতে গৱেষকে স্থিৰ কৰি ল'ব লাগিব যে গৱেষণাৰ জৰিয়তে তেওঁ কোন সত্য নিৰূপণ কৰিব বিচাৰে, ৰচনাৰ সম্ভাব্য পাঠক কোনসকল আৰু গৱেষণাৰ জৰিয়তে সেই পাঠককুলক তেওঁ কি নতুনত্বৰ সম্ভেদ দিব। গৱেষণাৰ ফলে যদি পাঠকবৰ্গক নতুন একো দিবলৈ সমৰ্থ নহয়, অৰ্থাৎ তেওঁলোকৰ পৰিচিত তথ্যৰেই মাথোঁ পুনৰাবৃত্তি হয়, তেন্তে সেই ৰচনাৰ প্ৰয়োজনীয়তা নাথাকে আৰু পাঠক সমাজত সি সমাদৃতও নহয়। গৱেষণাকৰ্মৰ উদ্দেশ্য-- সংগৃহীত উপাদনসমূহ বিশ্লেষণ আৰু পুনৰ্বিশ্লেষণ কৰি নিজৰ জ্ঞান আৰু অভিজ্ঞতাৰ দ্বাৰা সেইবোৰৰ সত্যতা চালি-জাৰি চোৱা আৰু সেই সত্যৰ ওপৰত ভিত্তি কৰি নিজৰ চিন্তা ভাবনা আৰু মন্তব্যসহ বিষয়টোক উপস্থাপন কৰা আৰু বিষয়টোৰ ওপৰত নতুন আলোকসম্পাত কৰা। গৱেষণাকৰ্মৰ জৰিয়তে এই অভীষ্ট লক্ষ্য দুই ধৰণে পূৰণ হ'ব পাৰে - নতুন তথ্য আৱিষ্কাৰৰ দ্বাৰা অথবা জনা তথ্যৰ নৱতম ব্যাখ্যাৰ দ্বাৰা।[৫]

গৱেষকৰ গাত কিছুমান গুণ থাকিব লাগে। তেওঁ জ্ঞানান্বেষী, অধ্যৱসায়ী আৰু পৰিশ্ৰমী হোৱাটো বাঞ্ছনীয়। সৎ আৰু বিনয়ী এই কাৰণেই হ'ব লাগে যে তেওঁ গৱেষণা-গুৰুৰ উপৰি তেওঁৰ গৱেষণা কৰ্মৰ সমল বিচাৰি বহুতৰে ওচৰলৈ যাবলগীয়া হয়। আচৰণত ঔদ্ধত্য বা অশ্ৰদ্ধাৰ ভাব থাকিলে লোকৰ সহায় পোৱাটো সদায়েই সম্ভৱ নহয়। সেয়ে নিজৰ এটি মহৎ কৰ্মৰ বাবে আনৰ সৈতে শ্ৰদ্ধাপূৰ্ণ ব্যৱহাৰ কৰাটো নিতান্তই আৱশ্যক।

জ্ঞানৰ প্ৰতি অদম্য উৎসাহ থাকিলেহে এগৰাকী গৱেষকে গৱেষণাৰ ছঁয়া-ময়া দুৰ্গম পথ -পৰিক্ৰমা অতিক্ৰম কৰিবলৈ সক্ষম হ'ব। গৱেষণা কাৰ্যৰ আৰম্ভণিতে গৱেষকে কিছু অসুবিধা বা জঁটিলতাৰ সন্মুখীন হোৱাটো স্বাভাৱিক। যিকোনো কামৰ আৰম্ভণিতে এই অসুবিধা আছে। এটা প্ৰবন্ধ বা সাধাৰণ ৰচনা লিখিবলৈ হ'লেও প্ৰথমতে

ক'ৰ পৰা কেনেকৈ আৰম্ভ কৰা যায় - এই লৈ দ্বিধাগ্ৰস্ততা আহে। মনত প্ৰবল হেঁপাহ আৰু নিষ্ঠা থাকিলে প্ৰাথমিক স্তৰ অতিক্ৰম কৰাটো সম্ভৱ হৈ উঠে। যিহেতু নতুন বিষয় আৰু লিখাৰ পদ্ধতিও নতুন অৰ্থাৎ প্ৰণালীবদ্ধ, সেয়ে গৱেষণা-নিৰ্দেশকৰ নিৰ্দেশনাত প্ৰথম অৱস্থাত এটা অধ্যায়েই বহুবাৰ সংশোধন কৰিব লগীয়া হ'ব পাৰে। নিৰ্দেশকে চাই-চিতি ভুল ত্ৰুটি আঙুলিয়াই আৰু প্ৰয়োজনীয় দিহাপৰামৰ্শ আগবঢ়াই আকৌ লিখি আনিবলৈ ক'ব। সেইমতে লিখি অনাৰ পিছতো নিৰ্দেশকে বিচৰা ধৰণে হয়তো হৈ নুঠিব, সেয়ে তেওঁ আকৌ এবাৰ চাই-চিতি প্ৰয়োজন অনুসৰি দিহা, পৰামৰ্শ দি শুদ্ধৰূপত লিখি আনিবলৈ দিব। এইখিনি কাম নিশ্চয় কষ্টকৰ; কিন্তু তাতেই ভয় খাই অথবা অসন্তুষ্ট হৈ গৱেষণা কাৰ্য এৰি দিয়াটো প্ৰকৃত গৱেষকৰ কাম নহয়।

ওপৰত উল্লেখ কৰা হৈছে যে আত্মমগ্নহৈ অতি নিষ্ঠা সহকাৰে গৱেষণাকৰ্ম কৰি গৈ থাকিলে এটা সময়ত গৱেষকে সেই সাধনাৰ জৰিয়তে বিমল আনন্দ লাভ কৰিব পাৰিব লাগিব। সেয়া সম্ভৱ নহ'লে গৱেষণাকাৰ্য হ'ব তিক্ততাৰ নামান্তৰ। সাধনাত আনন্দ পোৱাটো গৱেষণাৰ বিষয় আৰু অধ্যায় বিভাজনৰ ওপৰতো বহু পৰিমাণে নিৰ্ভৰ কৰে। প্ৰত্যেক গৱেষকৰে অধ্যয়নৰ বা পছন্দৰ বিষয় সুকীয়া সুকীয়া। প্ৰথমতে গৱেষকজনে নিজৰ পছন্দৰ বা ব্যুৎপত্তি থকা বিষয় এটাহে গৱেষণাৰ কাৰণে ল' ব লাগে। কবিতা ভাল নোপোৱা গৱেষক এজনে কবিতাৰ বিষয়ে গৱেষণা কৰিবলৈ গ'লে আত্মমগ্নতা বা তীব্ৰ এষণা অনুভৱ কৰিব নোৱৰাটো স্বাভাৱিক। আনহাতে কবিতা ভাল পোৱা গৱেষক এজনে যদি একেই বিষয়তে গৱেষণা কৰাৰ সুবিধা পায়, তেন্তে বিষয়টোৰ সৈতে তেওঁৰ ধ্যান-জ্ঞান-স্বপ্ন সোনকালে একাত্ম হৈ পৰিব আৰু সেই কষ্টকৰ সাধনাৰ বাটত তেওঁ নিৰন্তৰ আনন্দও লাভ কৰি থাকিবলৈ সক্ষম হ'ব।

সেইকাৰণে গৱেষণাৰ বিষয়-নিৰ্বাচন অতি চিন্তাপ্ৰসূত হোৱাটো বাঞ্ছনীয়। বিষয় এটা নিৰ্বাচন কৰাৰ সময়ত চাব লাগিব যে - বিষয়টোত সমস্যা আছে, অথচ কোনেও সেই সমস্যা সমাধানৰ বাবে ইতিপূৰ্বে প্ৰণালীবদ্ধ আলোচনা কৰা নাই। তদুপৰি বিষয়টো বিশ্ববিদ্যালয়ে নিৰ্ধাৰণ কৰি দিয়া সময় আৰু পৰিধিৰ ভিতৰত সামৰিব পৰা বিধৰ হ'ব নে নহয় তাকো চাব লাগিব। কিয়নো অতি চুটি হ'লেও যিদৰে গৱেষণাকৰ্ম অগ্ৰাহ্য হ'ব পাৰে, সেইদৰে অতিকায় হ'লেও সি বিশ্ববিদ্যালয়ৰ পৰা প্ৰশংসিত নহ'ব। শেহতীয়া নিৰ্দেশমতে এম.ফিল. ডিগ্ৰীৰ বাবে এশ পৃষ্ঠা আৰু পিএইচ.ডি. ডিগ্ৰীৰ বাবে তিনিশ পৃষ্ঠা বাঞ্ছনীয় বুলি ধৰা হয়। অৱশ্যে ইয়াৰ সামান্য কম-বেছি হোৱাটোও বিশেষ আপত্তিকৰ কথা নহয়। গতিকে বিষয় নিৰ্বাচনৰ সময়ত আয়তনৰ দিশটো যিদৰে মনত ৰাখিব লাগে, ঠিক তেনেদৰে বিশ্ববিদ্যালয়-নিৰ্ধাৰিত সময়ৰ ভিতৰত যাতে



গৱেষণাকৰ্ম সম্পন্ন হয়, সেইফালেও দৃষ্টি দিব লাগে। স্মৰ্তব্য যে গৱেষণাৰ মান গৱেষণাগ্ৰন্থৰ গুণৰ ওপৰতহে নিৰ্ভৰশীল, আয়তনৰ ওপৰত নহয়।

আকৌ অধ্যায় বিভাজনৰ আসোঁৱাহে বহুতো সময়ত গৱেষকৰ কৰ্মোদ্যম স্তিমিত কৰি দিয়ে। অস্পষ্ট, খোকোজা লগা অধ্যয় বিভাজনে গৱেষকক সদায় নিৰুৎসাহ কৰে। পাতনিৰ পৰা উপসংহাৰলৈ একেডাল সূতাৰে গথা মালাৰ দৰেই হ'ব লাগে গৱেষণা গ্ৰন্থখন। মালাৰ প্ৰতিটো ফুলৰে যিদৰে আছে সুকীয়া বৰ্ণ- গন্ধ অথচ আটাইবোৰ মিলি হয় সংহত এধাৰি মালা, সেইদৰে প্ৰতিটো অধ্যায়ৰ এটি সুকীয়া বৈশিষ্ট্য থাকিব লাগিব। সেই অধ্যায়ৰ কথাখিনি মাথোঁ সেই বিশেষ অধ্যায়তে লিখা হ'ব, আন অধ্যায়ত লিখা নহ'ব। এনেকৈ প্ৰতিটো অধ্যায়ৰ কথাখিনি স্বতন্ত্ৰ হ'ব লাগিলে তাৰ অধ্যায় বিভাজনো স্পষ্ট হ'ব লাগিব। আনহাতে এটা অধ্যায়ৰ সৈতে তাৰ পৰৱৰ্তী অধ্যায়ৰ লগত থাকিব লাগিব এক অবিচ্ছেদ্য আন্তঃসম্পৰ্ক। এই সম্পৰ্কই বিবিধ অধ্যায়বিশিষ্ট গৱেষণপত্ৰখনক অখণ্ড ৰূপত প্ৰকাশ কৰিব। অধ্যায় বিভাজনৰ অস্পষ্টতাই গৱেষকক বহুত সময়ত বিমোৰত পেলায়। প্ৰতিটো অধ্যায়ৰ কথা গৱেষকজনে সম্যকৰূপত গৱেষণা-নিৰ্দেশকৰ পৰা বুজি ল'ব লাগে। তাৰপিছত প্ৰতিটো অধ্যায়ৰ স্বতন্ত্ৰৰূপ আৰু সেইবোৰৰ সমষ্টিগত, অবিচ্ছেদ্য, অখণ্ড পূৰ্ণৰূপ বা অৱয়ব সম্পৰ্কে গৱেষকে গভীৰভাৱে চিন্তা কৰি শিলত কটা মূৰ্তিৰ দৰে মনৰ গভীৰত অংকন কৰি ল'ব লাগে।

গৱেষণাক আনন্দময় কৰি তোলাৰ বাবে গৱেষকে আত্মমগ্ন নিৰৱচ্ছিন্ন সাধনা কৰা উচিত। ধ্যান-জ্ঞান আৰু ইচ্ছা যেতিয়া একেমুখী হৈ পৰিব তেতিয়া গৱেষকে হাত সাৰটি বহি থাকিব নোৱাৰিব, সাধনাৰ সমাপ্তিৰ ফালে তেওঁৰ মন ধাবিত হ'বই। গৱেষণা কাৰ্য সমাপ্তি নোহোৱালৈকে তেওঁ নিৰন্তৰ পীড়া অনুভৱ কৰিব আৰু শেষত এফালে কষ্ট আনফালে আনন্দানুভৱেৰে সাধনাৰ সমাপ্তি ঘটিব। অৰ্থাৎ কষ্ট তেতিয়া আনন্দলৈ পৰ্যবসিত হ'ব।

গৱেষকৰ আন এটি থাকিবলগীয়া গুণ হ'ল স্পষ্টবাদিতা। গৱেষকৰ বিজ্ঞানসন্মত অধ্যয়নত যিটো সত্যৰূপে প্ৰতিভাত হৈছে, তাক স্পষ্টৰূপত প্ৰকাশ কৰাটো গৱেষকৰ কাম। কাৰোবাৰ অপ্ৰিয়ভাজন হোৱাৰ ভয়ত যদি গৱেষক সত্যধৰ্মৰ পৰা আঁতৰি আহে, তেন্তে তেওঁ পৰৱৰ্তী বা সমসাময়িক সমালোচকৰ তীক্ষ্ণ সমালোচনাৰ সন্মুখীন হ'ব লাগিব। অধ্যয়নত প্ৰাপ্ত তেওঁৰ কথাখিনি বলিষ্ঠ যুক্তি আৰু অকাট্য প্ৰমাণেৰে তেওঁ নিৰ্ভীকভাৱে উপস্থাপন কৰিব পাৰিব লাগিব।

গৱেষকজন হ'ব লাগে আৱেগ-নিৰপেক্ষ। তেওঁ বিষয়বোৰ বৰ্ণনা কৰিবলৈ

গৈ আৱেগিক হৈ পৰিব নালাগিব। আৱেগৰ দ্বাৰা পৰিচালিত হ'লে নিৰপেক্ষতা নাথাকে, আৰু নিৰপেক্ষতা নাথাকিলে সি বিজ্ঞানপ্ৰসূতও হ'ব নোৱাৰে। স্পৰ্শকাতৰ বিষয় হ'লেও আৰু তেনেক্ষেত্ৰত নিজে কোনো এটি দিশ ব্যক্তিগতভাৱে পছন্দ কৰিলেও অথবা কোনো বিশেষ জাতি-বৰ্ণ-ধৰ্ম-ভাষা-সংস্কৃতিৰ প্ৰতি দুৰ্বলতা থাকিলেও গৱেষকজন এইবোৰ ক্ষেত্ৰত সদায় নিৰুদ্বেগ, নিৰপেক্ষ আৰু আৱেগৰহিত হৈ থাকিব লাগিব। স্মৰ্তব্য যে,

প্ৰকৃত গৱেষক সত্যৰ হে পূজাৰী, কোনো বিশেষ ধৰ্ম-বৰ্ণ-ভাষা-জাতি-সংস্কৃতিৰ পূজাৰী নহয়। তেওঁৰ প্ৰধান কাম হ'ল সত্য-অন্বেষণ আৰু তাক যুক্তি সহকাৰে প্ৰতিষ্ঠা কৰা।

গৱেষকজনৰ থাকিবলগীয়া আৰু এটি গুণ হ'ল সততা (honesty)। এই কথা নিশ্চিত যে, গৱেষণাৰ দৰে এটা দুৰূহ কাম কৰিবলৈ যাওঁতে অসংখ্যজনৰ সহায়-সহযোগিতাৰ আৱশ্যক হয়; তেনেদৰে তথ্য সংগ্ৰহৰ বাবে বহুতো গ্ৰন্থৰ সহায় ল'বলগীয়া হয়। গৱেষকজনে যথাস্থানত সেই সকললৈ কৃতজ্ঞতা আৰু গ্ৰন্থঋণ স্বীকাৰ কৰিব লাগে। ঋণ স্বীকাৰৰ অবিহনে গৱেষকজনে কৰা এই কৰ্ম কুম্ভীলক বৃত্তিৰেই নামান্তৰ হ'ব। মনত ৰাখিব লাগিব, ঋণ স্বীকাৰ কৰিলে গ্ৰন্থৰ মৌলিকতা-গুণ কেতিয়াও হ্ৰাস নাপায়; ঋণ স্বীকাৰ মহততাৰহে লক্ষণ।

গৱেষণা পত্ৰৰ ভাষা সম্পৰ্কেও গৱেষকজন সচেতন হ'ব লাগে। আৱেগ-বিহ্বল ভাষা গৱেষণাৰ উপযুক্ত নহয়। প্ৰতিটো কথাতে বিশেষণ বা বিশেষণীয় বিশেষণ লগোৱা ভাষা গৱেষণাত নিৰ্মমভাবে বৰ্জনীয়। সন্মানসূচক বা প্ৰশংসাসূচক শব্দ বা উপাধিও গৱেষণাত থাকিব নালাগে। যেনে, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য, বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰভৃতি। এই ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ লিখাটোৱেই নিৰপেক্ষ গৱেষকৰ কাম। উপৰ্যুক্ত ব্যক্তিসকলৰ কৰ্মধাৰাৰ বিচাৰৰ আগতেই তেনে ব্যক্তিৰ প্ৰতি সমাজত ইতোমধ্যে প্ৰচলিত থকা ধাৰণাৰ বশবৰ্তী হৈ গৱেষকজনে কামত নামিলে নিৰ্মোহ আৰু নিৰপেক্ষ আলোচনা হোৱাত বাধাপ্ৰাপ্ত হ'ব। তেওঁৰ আলোচনা পদে পদে পক্ষপাতিত্ব-দোষত দুষ্ট হোৱাৰ সম্ভাবনা থাকিব। সেয়ে গৱেষকে শংকৰদেৱ, মাধৱদেৱ, কমলাকান্ত ভট্টাচাৰ্য, দেৱকান্ত বৰুৱা প্ৰমুখ্যে সকলোকে একো একোটি পৰীক্ষণীয় বিষয় বুলিয়েই হে ধৰিব লাগিব। একেদৰে বিদ্যায়তনিক উপাধি বা আন কোনো গুণবাচক উপাধিও নামৰ আগত বা পিছত ব্যৱহাৰ কৰিব নালাগে। যেনে - পদ্মশ্ৰী নলিনীবালা দেৱী, অপ্ৰমাদী কবি মাধৱ কন্দলী, ৰঘুনাথ চৌধাৰীদেৱ, নীলমণি ফুকনদেৱ



আদিৰ বিশেষণবোৰ বৰ্জন কৰিব লাগে। একেদৰে গ্ৰন্থপঞ্জী, পাদটীকা অথবা মূলপাঠত কেতিয়াও ড° উপাধিৰ উল্লেখ কৰিব নালাগে। গৱেষকৰ ভাষা আৰু প্ৰকাশভংগী সম্পৰ্কে নগেন শইকীয়াই লিখা কেইটামান উপদেয় কথা ইয়াত উল্লেখ কৰা হ'ল ঃ

"...ইয়াৰ ভাষা হ'ব লাগে পোনপটীয়া, সৰল, দ্ব্যৰ্থহীন আৰু নিৰলংকৃত। ইয়াত হৃদয়ৰ অনুভৱৰ উত্তাপ প্ৰকাশৰ স্থান নাই; মস্তিষ্কৰ বৈজ্ঞানিক বিচাৰৰহে স্থান আছে। সেইবাবে গৱেষণা-কৰ্মৰ প্ৰত্যেকটো শব্দই গণিতৰ একো একোটি সংখ্যাৰ দৰে হোৱা উচিত। দ্বিতীয়তে, গৱেষণাৰ ভাষা হ'ব লাগে ঘন, অৰ্থাৎ যিমান কম শব্দৰে মূলকথা ক'ব পাৰি সিমান কম শব্দ ব্যৱহাৰ কৰিব লাগে। সেইবাবে, অপ্ৰয়োজনীয়ভাৱে কথা বহলোৱা বা পুনৰাবৃত্তি কৰাটো এটা দোষ বুলি ধৰা হয়। যিটো ভাষাত গৱেষণা-গ্ৰন্থ লিখা হয়, সেই ভাষাৰ ওপৰত গৱেষকজনে প্ৰয়োজনীয় দখল আয়ত্ব কৰি ল'ব লাগে যাতে তেওঁৰ মত বা সিদ্ধান্ত নিৰ্ভুল আৰু অবিকৃতৰূপত প্ৰকাশিত হয়। চতুৰ্থতে প্ৰথম পুৰুষত কোনো কথা লিখিব নালাগে।... তেওঁৰ ভাষা আৰু প্ৰকাশভংগীয়ে গৱেষকজনৰ বৈজ্ঞানিক দৃষ্টিভংগীৰ পৰিচয় বহন কৰিব লাগিব। সেইবাবে, অলংকাৰশূন্য, সৰল অথচ সংক্ষিপ্ত, দ্ব্যৰ্থহীন, প্ৰাঞ্জল আৰু ব্যকৰণগত দোষৰ পৰা মুক্ত ভাষাই হ'ল গৱেষণা-কৰ্মৰ বাবে আদৰ্শ ভাষা।"[৬]

শেষত গৱেষণাৰ মান সম্পৰ্কে দুটিমান কথাৰ অৱতাৰণা কৰা হ'ল। দৰাচলতে গৱেষণা হ'ল এটি উচ্চ পৰ্যায়ৰ বিদ্যায়তনিক বিষয়। কিন্তু বৰ্তমান ই 'কেৰিয়াৰ'ৰ স্তৰলৈ অৱনমিত হৈছে। সম্প্ৰতি উচ্চশিক্ষাৰ ক্ষেত্ৰত গৱেষণাক অত্যাৱশ্যকীয় বুলি গণ্য কৰা হৈছে। কিছুমান ক্ষেত্ৰত ইয়াক বাধ্যতামূলকো কৰা হৈছে। মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু অধ্যক্ষসকলৰ চাকৰী আৰু পদোন্নতিৰ বাবে এম.ফিল, পিএইচ.ডি. ডিগ্ৰী অত্যাৱশ্যকীয় কৰাৰ পিছৰে পৰা উক্ত ডিগ্ৰী লাভৰ কাৰণে সংশ্লিষ্টসকলৰ মাজত হেতা-ওপৰা লাগিছে। ইয়াৰ ফলত গৱেষণাৰ মান নিম্নগামী হৈছে। এনেকি এই সুযোগতে কিছুমান অৰ্থলোভী ভুৱা প্ৰতিষ্ঠানে বৃহৎ ধনৰ বিনিময়ত উক্ত ডিগ্ৰী প্ৰদান কৰি অসংখ্য ভুৱা ডক্টৰেট বা এম.ফিল ডিগ্ৰীধাৰীৰ সৃষ্টি কৰিছে। গৱেষণাৰ দৰে এটি পবিত্ৰ গৌৰৱময় সন্মানজনক বিষয়ক এইবোৰ প্ৰতিষ্ঠানে কলংকিত কৰি সমগ্ৰ উচ্চশিক্ষা ব্যৱস্থাটোকেই কালিমালিপ্ত কৰি আছে। অধ্যক্ষ বা অধ্যাপকৰ চাকৰিৰ কাৰণে পংগুপালৰ দৰে উচ্চশিক্ষিত লোকে বৃহৎ ধনৰ বিনিময়ত সেইবোৰ প্ৰতিষ্ঠানৰ পৰা ডিগ্ৰী ক্ৰয়ৰ বাবে ধাবিত হৈছে। ইতিমধ্যে ভুৱা ডিগ্ৰী প্ৰদানকাৰী বহুত প্ৰতিষ্ঠানৰ কথা পোহৰলৈ আহিছে। উচ্চশিক্ষাৰ এনে অৱনতি সঁচাকৈয়ে মৰ্মান্তিক।

আনহাতে স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা যিবোৰ এম.ফিল বা পিএইচ.ডি.

ডিগ্ৰী বছৰে বছৰে প্ৰভূত পৰিমাণে প্ৰদান কৰি থকা হৈছে সেইবোৰৰ মান সম্পৰ্কে বিভিন্ন স্তৰত প্ৰশ্ন উত্থাপিত হৈছে। গৱেষকসকলে ডিগ্ৰী লাভ কৰাৰ পিছত তেওঁলোকৰ গৱেষণাপত্ৰ গ্ৰন্থাকাৰে প্ৰকাশ নকৰাৰ কাৰণে বিশেষকৈ এনেধৰণৰ প্ৰশ্ন জাগ্ৰত হয়। বিশ্ববিদ্যালয়বোৰত ইমানেই গৱেষণাপত্ৰ জমা হৈ আছে যে সেইবোৰ ৰখাৰ কাৰণে ঠাইৰ অভাবে দেখা দিছে। অথচ সেইবোৰৰ অতি ক্ষুদ্ৰ অংশ এটাহে পৰৱৰ্তীকালত প্ৰকাশৰ মুখ দেখিবলৈ সক্ষম হয়।

গৱেষণাই নতুন দিগন্তৰ সন্ধান দিয়ে বা দিব লাগে। অৰ্থাৎ বৃহৎ পাঠকসমাজক গৱেষণাই প্ৰবুদ্ধ কৰিব পাৰিব লাগে। কিন্তু ডিগ্ৰীধাৰীসকলে যদি তেওঁলোকৰ গৱেষণাৰ ফচল আনক জানিবলৈ সুযোগেই নিদিয়ে অৰ্থাৎ প্ৰকাশ নকৰে, তেন্তে জাতি বা দেশ উপকৃত হ'ব কেনেকৈ? অকল তেওঁৰ ডিগ্ৰীলাভ আৰু তাৰ দ্বাৰা চাকৰি লাভ অথবা দৰমহা বৃদ্ধি কেতিয়াও সমাজৰ কল্যাণকৰ হ'ব নোৱাৰে। এইকথা গৱেষকসকলেও জানে। তথাপি যে প্ৰকাশ নকৰে তাৰ কাৰণটোহে চিন্তনীয়। তাৰমানে আৰ চুলি, তাৰ চুলি বান্ধি যাওঁ নেঘেৰি খোপা।

একেদৰে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অৰ্থ সাহায্যত মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ শিক্ষকসকলে সম্পন্ন কৰা Minor Research Project, Major Research Project বোৰও গ্ৰন্থাকাৰে প্ৰকাশ হোৱা দেখা নাযায়। যিকোনো Project বা অধ্যয়নেই হ'ব লাগে বৃহত্তৰ পাঠক সমাজৰ স্বাৰ্থত বা দেশৰ স্বাৰ্থত। লাখ লাখ টকা অৰ্থ সাহায্য লাভৰ বিনিময়ত প্ৰস্তুত কৰা ক্ষুদ্ৰ বা গুৰু গৱেষণাপত্ৰ প্ৰকাশিত ৰূপত পালেহে সকলোৱে উপকৃত হ'ব। কিন্তু দুৰ্ভাগ্যক্ৰমে শতকৰা এজন বা দুজনৰ গৱেষণাপত্ৰ অথবা MRP হে গ্ৰন্থাকাৰে প্ৰকাশিত হোৱা দেখা যায়। ইয়াৰ মূলকাৰণটো হ'ল এইবোৰত মৌলিক চিন্তা, আন্তৰিকতা আৰু গভীৰ অন্বেষা বা অধ্যয়নৰ কোনো ছাপ নাথাকে।

গৱেষণাৰ মান যে নিম্নগামী হৈছে তাক আজি সকলো চিন্তাবিদেই একমুখে স্বীকাৰ কৰিছে আৰু সেই লৈ উদ্বেগো প্ৰকাশ কৰিছে। এগৰাকী অধ্যাপকে লিখিছেঃ

"আজিকালি গৱেষকৰ দৃষ্টি অকল উপাধিৰ ফালেহে, কামৰ মানৰ ফালে নাই। পদোন্নতিৰ কাৰণে আৰু বিশ্ববিদ্যালয় আয়োগৰ নিৰ্দেশ মানিবলৈ বাধ্য হৈ সকলোৱে গৱেষণাৰ কামলৈ আগবাঢ়ি আহিছে। সেয়েহে যিকোনো উপায়ে উপাধিটো লোৱাৰ এটি অধীৰ আগ্ৰহ দেখা যায়। গতিকে গৱেষণা কামৰ দ্বাৰা দেশৰ উন্নতি কি হ'ব, সমাজৰ কি উপকাৰত লাগিব পাঠকৰ মনত আনন্দ দিব নে নাই সেইটো ভবাৰ সময় নাই। কামটো কোনোমতে শেষ কৰিব পাৰিলেহে ৰক্ষা পৰোঁ এনেকুৱা এটা মানসিকতা গঢ়ি উঠিছে। কিন্তু এটা কথা গৱেষকে মনত ৰাখিব লাগিব যে বিশ্ববিদ্যালয়



আয়োগে শিক্ষাৰ মান উন্নত কৰাৰ কাৰণেহে গৱেষণাৰ নিয়ম-নীতি প্ৰৱৰ্তন কৰিছে, দেশৰ উন্নতিৰ হকে কাম কৰাৰ নিৰ্দেশ জাৰি কৰিছে। সেয়েহে গৱেষকে সংকীৰ্ণ দৃষ্টিভংগীৰ বশৱৰ্তী নহৈ ক্ষুদ্ৰ স্বাৰ্থপূৰণ কৰাৰ অপচেষ্টা দূৰ কৰি গৱেষণা কামটো যাতে কল্যাণকামী, শিক্ষাপদ আৰু ৰসগ্ৰাহী হয়...সেইদিশে চকু দিব লাগিব।"[৭]

এই সন্দৰ্ভত অকল গৱেষকসকলক দোষ দিলে নহ'ব। তত্ত্বাৱধায়কৰ পৰা আৰম্ভ কৰি উচ্চশিক্ষাৰ সৈতে জড়িত বিশ্ববিদ্যালয়, বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট বিভাগ, বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ, ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা বিভাগ আদি সকলোৱেই এৰাব নোৱৰা দায়-দায়িত্ব আছে। গৱেষণাৰ মান উন্নত কৰাৰ ক্ষেত্ৰত বিশেষভাৱে দায়িত্ব আহি পৰে তত্ত্বাবধায়কগৰাকীৰ ওপৰত। প্ৰয়োজনানুগ দিহা-পৰামৰ্শ, তত্ত্বাবধানতা, নিৰ্দেশনা, বিষয়-বাছনি প্ৰভৃতি সকলোক্ষেত্ৰতে তত্ত্বাবধায়কগৰাকীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সময়ৰ অভাৱ বুলি অজুহাত দেখুৱাই তত্ত্বাৱধায়কে গা এৰা দিয়া কাৰ্য সমূলি হিতকৰ নহয়। তত্ত্বাৱধায়কৰ এনে গা এৰা দিয়া কাৰ্যৰ এটি আমোদজনক অথচ চিন্তা-উদ্ৰেককাৰী ঘটনা উল্লেখ কৰিছে নিখিলেশ পুৰকাইতে। তত্ত্বাৱধায়ক অধ্যাপকগৰাকী হ'ল এজন লব্ধপ্ৰতিষ্ঠ সাহিত্যিক। তেওঁ ইমানেই ব্যস্ত যে তত্ত্বাৱধান কৰাৰ তেওঁ সমূলি সময় নাপায়। গৱেষণাৰ বিষয় ঠিক হোৱাৰ পিছত নাম পঞ্জীকৰণৰ বাবে বিশ্ববিদ্যালয়ৰ কৃতী-ছাত্ৰ এজন গৱেষকে বিষয়টোৰ সংক্ষিপ্তসাৰ (Synopsis) আৰু লগত আৱেদন পত্ৰখন তত্ত্বাৱধায়কক দি ক'লে - 'ছাৰ, সংক্ষিপ্তসাৰটো অলপ চাই দিয়ক।' তত্ত্বাৱধায়কগৰাকীয়ে গৱেষকজনক ক'লে, 'চোৱাৰ কোনো দৰকাৰ নাই। আৱেদনপত্ৰত ক'ত চহী কৰিব লাগে কোৱা।' গৱেষকজনে দেখুৱাই দিয়াত তেওঁ চহী কৰি দি ক'লে, 'তুমি এইখন জমা কৰি দিয়া আৰু কাম কৰি যোৱা।' কাম শেষ কৰি গৱেষকজনে লিখাৰ ফাইলটো তত্ত্বাৱধায়কগৰাকীক দি ক'লে, 'ছাৰ আপুনি এবাৰ পঢ়ি চাওক, ঠিক হৈছে নে নাই।' তেওঁ ক'লে, 'তুমি টাইপ কৰি লৈ আহা। মই পঢ়ি চাম।' গৱেষকে টাইপ কৰি অনাৰ পিছত তত্ত্বাৱধায়কে ক'লে, 'তুমি এইখন জমা দি দিয়া, মই পিছত পঢ়িম।' উপাধি লাভৰ পিছত গৱেষকে আহি সুধিলে, ' ছাৰ গৱেষণা গ্ৰন্থখন আপুনি পঢ়ি চাইছিল নে?' তেতিয়া তত্ত্বাৱধায়কে ক'লে, 'এইখন ছপা হৈ ওলোৱাৰ পিছত পঢ়িম।' ছপা হোৱাৰ পিছত গৱেষকে সুধিলে, 'এতিয়া আপুনি পঢ়ি চাব নে?' মূৰ খজুৱাই তেওঁ ক'লে, 'তুমি এটা কাম কৰা, এইখন কোনো এটা গৱেষণা প্ৰতিষ্ঠানক দান কৰা।'[৮]

গৱেষণাৰ এনে কৰুণ পৰিহাসত উদ্বিগ্ন হোৱা আন এগৰাকী অধ্যাপকৰ মন্তব্য ইয়াত তুলি দিয়া হ'ল। অধ্যাপক গৰাকী সাতখন বিশ্ববিদ্যালয়ৰ গৱেষণাপত্ৰৰ পৰীক্ষক। তেওঁ লিখিছে -

"মেজাজ, মূল্যায়ন ও মানসিকতার বিচারে 'গবেষণা'র কার্যক্রম 'একাডেমিক' স্তর থেকে 'কেরিয়ারে'র স্তরে নেমে আসায় গবেষণা স্বধর্মচ্যুত হয়েছে। কেবলমাত্র গবেষকের প্রতি দোষারোপ করে লাভ নেই। তাঁদের যোগ্যতা ও গবেষণা কর্মে অধিকারভেদ, গবেষণা-পরিচালনা, গবেষণা-নিবন্ধের গুণগত মান ও গবেষণা সম্পর্কিত বিধি-ব্যবস্থা ও পরীক্ষা, সর্বস্তরে রয়েছে ত্রুটি ও শৈথিল্য। গবেষক যে বিষয় নিয়ে কাজে নেমেছেন সেই বিষয়ের সঙ্গে অঙ্গাঙ্গীভাবে সংলিপ্ত তথ্য বা ভাবসূত্র ও প্রাসঙ্গিক চিন্তাচর্চার ক্ষেত্র সম্বন্ধে তাঁর অধ্যয়ন, ধ্যান-ধারণা অনেক ক্ষেত্রে এত সীমিত যে তার বিচার-বিশ্লেষণের ধারা সঙ্কীর্ণ হয়ে যায়। থিয়োরি বা তত্ত্বের ভারবাহী যারা, যারা সংস্কার- বিশ্বাস ও পূর্বানুমানকে ঐতিহাসিক যাথার্থ্য ও বৈজ্ঞানিক যুক্তির ওপরে স্থান দিতে চায় তারা গবেষণার ঘোড়াকে শকটের পেছনে জুড়ে দিয়ে একটা পরিকল্পিত সিদ্ধান্তের দিকে ঠেলে নিয়ে যায়।"[৯]

অৱশ্যে এই কথাও মনত ৰাখিব লাগিব যে- অধ্যয়ন, অধ্যাপনাত নিষ্ঠাবান আৰু গৱেষণা কাৰ্যত আত্মনিমগ্ন অহমিকাহীন আৰু ছাত্ৰ-গৱেষকৰ হিতাকাংক্ষী, দায়িত্বশীল অনেক গুণী তত্ত্বাৱধায়ক সাম্প্ৰতিক কালতো যিদৰে আছে, সেইদৰে আছে অকল ডিগ্ৰীৰ বাবে নহয়, গৱেষণাৰ দ্বাৰা নতুন দিশ উন্মোচনত আগ্ৰহী বহুতো নিষ্ঠাবান অধ্যয়নশীল, সমাজদায়বদ্ধ আত্মমগ্ন গৱেষক।

---

**পাদটীকা ঃ**

১. পুৰকাইত, নিখিলেশ ঃ প্ৰবন্ধ সাহিত্য আৰু গৱেষণা গ্ৰন্থৰ ৰচনা পদ্ধতি; ১ম প্ৰকাশ-২০০৪, পৃ. ২৬

২. সদ্যোক্ত গ্ৰন্থ, পৃ. ২৫

৩. মুখোপাধ্যায়, জগমোহন ঃ গবেষণাপত্র অনুসন্ধান ও রচনা; ২য় মুদ্রণ, ২০০৬, পৃ.১১

৪. সুৰভি বন্দ্যোপাধ্যায় ঃ গৱেষণা প্ৰকৰণ ও পদ্ধতি, দ্বিতীয় সংস্কৰণ, পৃ. ১৫-১৬

৫. মুখোপাধ্যায়, জগমোহন ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ.১১

৬. শইকীয়া, নগেন ঃ গৱেষণা-পদ্ধতি পৰিচয়; চতুৰ্থ মুদ্ৰণ, ২০১১

৭. পুৰকাইত, নিখিলেশঃপূৰ্বোক্ত গ্ৰন্থ, পৃ.২৯

৮. পুৰকাইত, নিখিলেশঃ সদ্যোক্ত গ্ৰন্থ, পৃ. ২৯-৩০

৯. বিশ্বাস, সুকুমাৰ ঃ 'গবেষণা - কী ও কেন'; বাংলা বিভাগীয় পত্রিকা, গৌহাটী বিশ্ববিদ্যালয়, ১৯৯৪-৯৫, পৃ. ৪২)

# গৱেষণা আৰু কিছু অভিজ্ঞতা

**ড° মুকুল চক্ৰৱৰ্তী**

একেটা বিষয়তে দুজনে গৱেষণা কৰা বা আগতে সেই সম্পৰ্কীয় গুৰুত্বপূৰ্ণ গ্ৰন্থ থকাৰ পিছতো কোনোবা গৱেষকে বিষয়টোত গৱেষণা কৰা কথাটোক লৈ বিভিন্ন সময়ত কাকতে-পত্ৰই আলোচনা-সমালোচনা হোৱা দেখা যায়। এই সন্দৰ্ভত আমাৰ নিজৰ গৱেষণা কৰ্মৰ সৈতে জড়িত কিছু কথা আলোচনাৰ মাজলৈ আনিব খুজিছোঁ। আমাৰ গৱেষণাৰ বিষয় আছিল 'গুৰু-চৰিত-কথা'ৰ ভাষা— এটি বিশ্লেষাত্মক অধ্যয়ন।' গৱেষণাৰ বিষয়, পঞ্জীয়নৰ নিয়ম-নীতিবোৰ গুৱাহাটী বিশ্ববিদ্যালয়ত আগেয়ে কিছু সুকীয়া আছিল। গৱেষণা গুৰুৰ লগত আলোচনা কৰি, গৱেষণাৰ প্ৰস্তাৱ লিখি, সেই প্ৰস্তাৱত গৱেষণা গুৰুৰ অনুমোদন লৈ, সেই প্ৰস্তাৱৰ তিনিটা প্ৰতিলিপি, নিৰ্দিষ্ট মাচুল জমা দিয়া ৰছিদ সংলগ্ন কৰি শৈক্ষিক পঞ্জীয়কৰ ওচৰত জমা দিব লাগিছিল। তাৰ পিছত শৈক্ষিক পঞ্জীয়কে বিভাগীয় নীতি-নিৰ্দেশনা অনুসৰি দুগৰাকী বিষয়-বিশেষজ্ঞৰ ওচৰলৈ গৱেষণাৰ প্ৰস্তাৱ (Synopsis)টো পঠিয়াই দিয়ে। বিষয় বিশেষজ্ঞই গৱেষণাৰ বিষয়টো চালি-জাৰি চাই, যদিহে নিৰ্দিষ্ট বিষয়টোত কাম কৰাৰ থল থাকে তেন্তে প্ৰস্তাৱটোত অনুমোদন জনাই নিৰ্দিষ্ট মন্তব্যৰ সৈতে শৈক্ষিক পঞ্জীয়কৰ ওচৰলৈ পঠিয়ায়, নাথাকিলেও পঠিয়ায়। গৱেষণাৰ বাবে অনুমোদন জনালে শৈক্ষিক পঞ্জীয়কে অনুমোদনৰ কথাটো পত্ৰযোগে জনাই পঞ্জীয়ন কৰাৰ অনুমতি দিয়ে। গৱেষণাৰ প্ৰস্তাৱ জমা দিয়াৰ পৰা পঞ্জীয়নলৈ প্ৰায় ছমাহ কাল। এই ছমাহ কাল এক উৎকণ্ঠাৰ কাল। সন্দেহ, শংকাই আগুৰি থকা কাল। ইয়াৰ মূল কাৰণ হ'ল আমাৰ নিৰ্দিষ্ট বিষয়টিত গৱেষণা কৰাৰ থল থকা-নথকাক লৈ। বহুতে (মানে এক শ্ৰেণীৰ গৱেষণা গুৰু আৰু বিশেষজ্ঞই) প্ৰশ্ন তোলে নিৰ্দিষ্ট এখন গ্ৰন্থৰ ভাষাৰ বিষয়ে কাম হ'বনে? ইয়াৰ অৰ্থ পৰিসৰ ঠেক। যিসকলক ক'ব পাৰি তেওঁলোকক কওঁ— ড° লীলাৱতী শইকীয়া

(বৰা) বাইদেউৰ 'The Ramayana of Madhav Kandali : A Linguistic Study' — এখন গ্ৰন্থৰ আলোচনা। তেনেক্ষেত্ৰত 'গুৰু-চৰিত-কথা'ৰ ভাষাৰ আলোচনাও সম্ভৱ। তাৰ পিছত প্ৰশ্ন আহে ১৯৫২ ইং চনত উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱে 'কথা-গুৰু-চৰিত' সম্পাদনা কৰি, ১৯৮৭ ইং চনত মহেশ্বৰ নেওগদেৱে 'গুৰু-চৰিত-কথা' সম্পাদনা কৰি সম্পাদকীয়ত 'গুৰু-চৰিত-কথা' পুথিৰ ভাষা সন্দৰ্ভত বিতংকৈ আলোচনা কৰি থৈছে— তেনেস্থলত 'গুৰু-চৰিত-কথা'ৰ ওপৰত কি গৱেষণা কৰিবাহে? এনে প্ৰশ্ন শুনি মনটো সেমেকি যায়; হ'লেও ভাষাৰ বিষয়ে যথেষ্ট আলোচনা কৰাৰ থল আছে বুলি বিষয়ৰ পৰা বিষয়ন্তৰলৈ গতি কৰোঁ। এদিন বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা আনন্দৰ বতৰা কঢ়িয়াই অনা পত্ৰখন পালোঁ। আমাৰ গৱেষণাৰ প্ৰস্তাৱত কৰ্তৃপক্ষই অনুমোদন জনাইছে। অনুমোদনৰ মূলতে আছিল বিষয় বিশেষজ্ঞৰ অনুমোদন। সুখৰ বিষয় এই যে যি দুগৰাকী বিষয় বিশেষজ্ঞলৈ আমাৰ গৱেষণাৰ প্ৰস্তাৱটো অনুমোদনৰ বাবে পঠোৱা হৈছিল তেওঁলোক আছিল ক্ৰমে ড° মহেশ্বৰ নেওগ আৰু ড° সত্যস্বৰূপ মিশ্ৰ। সেই সময়ৰ শৈক্ষিক পঞ্জীয়ক মহোদয়ৰ সদিচ্ছা অনুসৰি উক্ত কথা জানিব পাৰিছিলোঁ, আনকি সেই অনুমোদনত কি লিখিছিল তাকো তেওঁ জানিবলৈ দিছিল। ড° নেওগে বিষয়টোত অনুমোদন জনাইছিল এনেদৰে—

> 'I have gone through the papers in connection with the application of Shri Mukul Shakrawarty for registration as Ph. D. Student under Dr. Parikshit Hazarika in the subject, গুৰু-চৰিত-কথাৰ ভাষা ঃ এটি বিশ্লেষনাত্মক অধ্যয়ন, The plan for the work is well drawn up. The Subject for investigation is adequate enough and is expected to yield good extensive results. It is good that the student proposes to write his work in Assamese.
>
> I recommend the subject for the study proposed.

আৰু ড° সত্যস্বৰূপ মিশ্ৰই অনুমোদন জনাইছিল এনেদৰে—

> 'I am to inform you that, I have gone through the paper and I found Sri Mukul Chakrawarty fully qualified for registration for Ph. D. under Dr. P. Hazarika on 'the language of Guru Chaita Katha : A Critical Study'.
>
> Therefore I recommend the case.'

দুয়োগৰাকী বিষয় বিশেষজ্ঞৰ এনে অনুমোদনে আমাক পৰৱৰ্তী সময়ত গৱেষণা-কৰ্মত অগ্ৰসৰ হ'বলৈ উৎসাহ যোগাইছিল। ড° সত্যস্বৰূপ মিশ্ৰ অসমৰ



বাহিৰৰ পণ্ডিত। 'গুৰু-চৰিত-কথা' সম্পৰ্কে তেওঁ কিমান দূৰ অৱগত নাজানোঁ। আমাৰ প্ৰস্তাৱটো পৰীক্ষা কৰি তেওঁ বিষয়টো পঞ্জীয়নৰ বাবে অনুমোদন জনাই আমাক পৰম কৃতাৰ্থ কৰিছিল। কিন্তু ড° মহেশ্বৰ নেওগ? প্ৰাচ্যতত্ত্ববিদ এই গৰাকী পণ্ডিত আধুনিক যুগৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পুৰোধা ব্যক্তি। 'গুৰু-চৰিত-কথা' তেওঁৰ নখ দৰ্পনত। দীৰ্ঘ দিনৰ পৰিশ্ৰমৰ অন্তত 'গুৰু-চৰিত-কথা' সম্পাদনা কৰি ছপা কৰি উলিয়াইছে। গৱেষণালব্ধ অভিজ্ঞতাৰে দীৰ্ঘ পৃষ্ঠাজুৰি সম্পাদকীয় লিখি ভাৰতত 'গুৰু-চৰিত-কথা'ৰ প্ৰচাৰ-প্ৰসাৰৰ ব্যৱস্থা কৰিছে। এনে এগৰাকী পণ্ডিত ব্যক্তিয়ে আমাৰ গৱেষণা প্ৰস্তাৱৰ উপযুক্ত মূল্যায়ন কৰিছে। এনে মূল্যায়নৰ পৰা এই কথাই প্ৰমাণিত হয় যে তেওঁৰ দৰে ব্যক্তি এজনে খৰচি মাৰি কাম এটা কৰাৰ পিছতো নতুন গৱেষকৰ বাবে সেই বিষয়ত আৰু কাম কৰাৰ অৱকাশ থাকে। কৰিবলগা কামখিনিৰ সামান্যতম হয়তো আমাৰ গৱেষণা কৰ্মৰ পৰিকল্পনাত তেওঁ দেখি আমাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কালৰ গতিত নেওগ ডাঙৰীয়া আমাৰ মাজৰ পৰা হেৰাই গ'ল। আজি যদি আমাক কোনোবাই সোধে 'গুৰু-চৰিত-কথা'ৰ ভাষাতাত্ত্বিক দিশত আৰু কিবা গৱেষণা হ'ব পাৰে নেকি? তাৰ উত্তৰত একে ফুকতে আমি ক'ম যে 'গুৰু-চৰিত-কথা'ৰ অকল ভাষাতত্ত্বই নহয় গ্ৰন্থখনৰ বিভিন্ন দিশত গৱেষণা কৰাৰ থল আছে। ইতিমধ্যে এই গ্ৰন্থখনৰ বিষয়ে নতুন নতুন গৱেষণা কৰ্ম বিভিন্ন গৱেষকে কৰি থকা তথ্যও আমাৰ হাতত আছে। এই ক্ষেত্ৰত অধিক তথ্য দিবলৈ নগৈ গৱেষিকা অনুশ্ৰী অধিকাৰীৰ নামটোকে উল্লেখ কৰিলোঁ মাত্ৰ। তেওঁ 'গুৰু-চৰিত-কথা'ৰ নামবাচক শব্দৰ 'বৈজ্ঞানিক অধ্যয়ন'— শীৰ্ষ বিষয়ত গৱেষণা কৰি আছে। মুঠ কথা কোনো বিষয় সম্পৰ্কে ইতিপূৰ্বে গৱেষণা হ'লেও পৰৱৰ্তী সময়ত একে বিষয়ত পুনৰ গৱেষণা কৰিব পৰাৰ থল থাকে। সময়ে সময়ে বাতৰি কাকতৰ দুই-এটা গৱেষণা বিষয়ক বাতৰিয়ে খলকনি তোলে। অমুক গাইডৰ অধীনত গৱেষণা কৰি পি, এইচ, ডি, ডিগ্ৰী লাভ কৰা একেটা বিষয়তে আন এজনে অমুক গাইডৰ অধীনত গৱেষণা কৰি পি, এইচ, ডি, ডিগ্ৰী লাভ কৰিলে। বাতৰিটোৱে খলকনি লগোৱাটো স্বাভাৱিক। একেখন বিশ্ববিদ্যালয়ৰ অধীনত ঘটনাটো ঘটিলে কেইদিনমানলৈ চৰ্চাৰ বিষয় হয়। কিন্তু এই ক্ষেত্ৰত সম্পূৰ্ণ বিষয়টো নজনাকৈ অনাহক হৈ চৈ লগোৱাৰ কোনো যুক্তি নাথাকে। অৱশ্যে বিশ্ববিদ্যালয়ৰ বিভাগৰ শৃংখলাহীনতাৰ বাবে অথবা গৱেষকৰ অদূৰদৰ্শিতাৰ বাবে এনে ঘটনা কেতিয়াবা ঘটিব পাৰে। এই ক্ষেত্ৰত উভয় পক্ষই সচেতন হ'লে এনে চৰ্চাৰ পৰা আঁতৰি থাকিব পাৰি। গৱেষণাৰ ঢাপ অতিক্ৰম কৰোঁতে এনে ভুল সাধাৰণতে ধৰা পৰাটো স্বভাৱিক। কেতিয়াবা এনে অৱস্থাত পিছৰ গৱেষকজনে শিৰোনামাৰ সামান্য সংশোধন কৰিব

লগা হয়। কিন্তু গুৰুত্বপূৰ্ণ কথা হ'ল এনে গৱেষণা কৰ্ম পৰিপূৰক হ'ব লাগে। পৰিপূৰকভাৱে একেটা বিষয়তে পিছৰ গৱেষকজনে গৱেষণা কৰ্ম আগবঢ়াই নিলে ফলপ্ৰসু হয়। কেতিয়াবা দুজন গৱেষকৰ একেটা বিষয়ৰ গৱেষণাও পৃথক পৃথক হয়। ইয়াত কোনো আগ-পাচৰ কথা নাথাকে। এনে পৃথক হোৱাৰ মূলতে হ'ল বিষয়ৰ অধ্যয়ন পদ্ধতি আৰু দৃষ্টিভংগী। এনে পদ্ধতি দুটা। এটা উদ্‌ঘাটনমূলক (explortory) আৰু আনটো হৈছে ব্যাখ্যামূলক(explanatory)। ভাষাতত্ত্ব আৰু সংস্কৃতি বিষয়ক গৱেষণাত অধ্যয়নৰ জৰিয়তে নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব পাৰি। ইয়েই উদ্‌ঘাটনমূলক পদ্ধতি। আনহাতে ব্যাখ্যামূলক পদ্ধতিত ভাষা-সাহিত্য-সংস্কৃতিৰ বিক্ষিপ্ত তথ্যবোৰক কিছুমান ঐক্যসূত্ৰেৰে সুসংবদ্ধ কৰি ব্যাখ্যাৰ জৰিয়তে গৱেষণা আগবঢ়োৱা হয়। মুঠ কথা এনে পদ্ধতি অৱলম্বনৰ মাধ্যমত একেটা বিষয়ৰ গৱেষণা বিভিন্নজন গৱেষকৰ হাতত পৃথক হৈ পৰে।

---------------------------------------

**সহায়ক গ্ৰন্থসমূহ ঃ**

বৰা, মহেন্দ্ৰ; গৱেষণা প্ৰণালী তত্ত্ব; বনলতা, ডিব্ৰুগড়-১, আগষ্ট ২০০৯
K.V.V.L. Narasimha Rao}(ED.) Resarch Methodology in Linguistic; CIIL, Mysore, India.2000 Jennifer M. Bayer

# গৱেষণাৰ বিষয় নিৰ্বাচন সম্পৰ্কে কিছু কথা

**ড° সূৰ্য দাস**

ইয়াত গৱেষণা তত্ত্বৰ বিষয়ে আলোচনা কৰা নহয়। সেই বিষয়ে ক'বলৈ আমাৰ অধিকাৰ নাই। আমি যদিও গৱেষণা কৰিছিলো আমি আনুষ্ঠানিক শিক্ষাদানৰ লগত জড়িত নহওঁ। আমাৰ শিক্ষাগুৰুসকলে আৰু শিক্ষাগুৰু স্থানীয় অপ্ৰমাদী গৱেষকসকলে দেখুৱাই যোৱা পথ আৰু পদ্ধতিৰে গৱেষণা কৰিছিলোঁ, তেখেত সকলৰ ছপা হৈ ওলোৱা গৱেষণা গ্ৰন্থসমূহত দেখা পোৱা পদ্ধতিসমূহ অনুসৰণ কৰি। তেখেতসকলৰ দৰেই এই নিবন্ধ লেখকেও কোনো পৰোক্ষ উৎসৰ পৰা তথ্য আহৰণ নকৰি পোনপটীয়া উৎসৰ পৰা তথ্য আহৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ। শিক্ষাদানৰ লগত জড়িত নহৈও গৱেষণাৰ সৈতে নিজকে জড়িত কৰাৰ প্ৰথম কাৰণ হ'ল সত্য উদঘাটনৰ হাবিয়াস। দ্বিতীয়তে মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰুসকল (কলেজ বিশ্ববিদ্যালয়)ৰ পদাঙ্ক অনুসৰনৰ হাবিয়াস। ড° মহেশ্বৰ নেওগে প্ৰাচ্যতত্ত্বৰ ভিতৰতে অসমতত্ত্বৰ গৱেষণাক প্ৰতিষ্ঠা কৰা কাৰ্যত এই নিনাও গৱেষকেও হাত উজান দিবলৈ বিচাৰিছিল।

আপুনি কি বিষয় লৈ গৱেষণা কৰিব ? বহুতো গৱেষণা প্ৰত্যাশীৰ বাবে এটি আহুকলীয়া প্ৰশ্ন। এই লেখক যিহেতু অসমীয়া সাহিত্যৰ ছাত্ৰ, গতিকে গৱেষণাৰ বিষয় সম্পৰ্কে যি কথা কোৱা হ'ব, সেয়া অসমীয়া সাহিত্য-সংস্কৃতিৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা-সাহিত্য-সংস্কৃতি, ইতিহাস-ভূগোল আৰু বিভিন্ন জনগোষ্ঠীৰ বিচিত্ৰ সংস্কৃতি, জীৱন-ধাৰাৰ মাজতে সীমাবদ্ধ থাকিব। অসমীয়া ভাষা-সাহিত্য বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি গৱেষণা কৰিবলৈ ওলালে এই বিশাল আৰু বৈচিত্ৰ্যপূৰ্ণ ৰাজ্যকেইখনৰ বিভিন্ন জাতি-জনজাতিৰ ভাষা-সংস্কৃতি আৰু জীৱন-ধাৰণ প্ৰণালীৰ হেজাৰটা বিষয়ে আপোনাক হাত বাউলি মাতি আছে। প্ৰয়োজন কেৱল আপোনাৰ অনুসন্ধিৎসা, আগ্ৰহ, ভালপোৱা আৰু শ্ৰম কৰিব পৰাৰ ক্ষমতা। ড° বিৰিঞ্চি কুমাৰ

বৰুৱাৰ আমেৰিকা ভ্ৰমণ কাহিনী প্ৰফেচৰ বৰুৱাৰ চিঠিত এটি অধ্যায় আছিল কিহৰ বিষয়ে গৱেষণা কৰিব ? ৰঙালাওৰ বিষয়ে— অৰ্থাৎ আপাতঃ দৃষ্টিত এটি ক্ষুদ্ৰ বিষয়ো এজন উপযুক্ত গৱেষকৰ হাতত পৰি সমাজৰ উপকাৰী গৱেষণা গ্ৰন্থ হৈ উঠিব পাৰে। অসমীয়া ভাষা-সাহিত্যৰ ছাত্ৰ বাবে অসমৰ হাতী, অসমীয়া সংস্কৃতিত হাতী, অসমৰ মাছ, মাছ ধৰা সঁজুলি, মাছমৰা উৎসৱ, মাছ সম্পৰ্কীয় গীত-মাত, সাহিত্য, ফকৰা-যোজনা খণ্ডবাক্য এই সকলো সামৰি কি এখন সুন্দৰ গৱেষণা গ্ৰন্থ হ'ব পাৰে। তেনেদৰে হ'ব পাৰে অসমৰ বাঁহ আৰু অসমৰ মানুহৰ তাহানিৰ গৃহ-নিৰ্মাণ প্ৰণালীৰ বিষয়েও একোখন গৱেষণা গ্ৰন্থ। কেৱল মন কৰিলেই হ'ল। ইয়াৰ উপৰিও আৰু বহুতো বিষয়ে এতিয়াও ইনাই-বিনাই অপেক্ষা কৰি আছে উপযুক্ত গৱেষকৰ বাবে। তদুপৰি সংস্কৃত আৰু অসমীয়া ভাষা-সাহিত্য বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ এটি গৱেষণাৰ বিষয় হ'ব পাৰে পুৰণি অসমীয়া সাহিত্যৰ বিভিন্ন গ্ৰন্থৰ সমীক্ষিত পাঠ নিৰ্ণয় কৰি সম্পাদনা কৰা। কিন্তু সম্প্ৰতি অসমীয়া সাহিত্যৰ কাণ্ডাৰীসকল আৰু সেই সম্পৰ্কীয় বিভিন্ন প্ৰতিষ্ঠানৰ বাবে পাঠ-সমীক্ষা বিজ্ঞান এটি অৱহেলিত বিষয়। গৱেষণা কৰিব পৰা যি বিভিন্ন বিষয়ৰ সামান্য আভাস দিয়া হ'ল সেই বিষয়সমূহৰ যিকোনো এটা বা তেনে ধৰণৰ অইন যি বিষয়লৈ গৱেষণা কৰিবলৈ মন মেলে, সেই বিষয়ে এটি স্পষ্ট ধাৰণা লৈ এটি চমুটোকা সহ নিৰ্দেশকৰ ওচৰ চাপক, নিশ্চয় আপুনি এখন উচ্চমানৰ গৱেষণা গ্ৰন্থ ৰচনা কৰি অসমৰ সাহিত্য-সংস্কৃতিৰ অনাবিষ্কৃত দিশ পোহৰলৈ আনি গৱেষকৰূপে নিজেও এটি বিষয়ৰ বিশেষজ্ঞ বুলি পৰিগণিত হ'ব পাৰে। গতিকে গৱেষণাৰ বাবে তেনে এটি বিষয়হে নিৰ্বাচন কৰক, যিটো বিষয়ৰ তেনে এটি গুৰুত্ব আৰু মূল্য আছে। তদুপৰি গৱেষণাৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ বাবে সাজু থাকিব লাগিব প্ৰয়োজন অনুসৰি। দ্বিতীয়তে গৱেষণাৰ বাবে প্ৰয়োজনীয় লিখিত তথ্যৰ বাবে পৰোক্ষ উৎসৰ তথ্য গ্ৰহণ নকৰিব, প্ৰয়োজনীয় উৎস গ্ৰন্থ পঢ়িহে গ্ৰহণ কৰিব। তেনেদৰে সংবাদদাতা আৰু তথ্যৰ উৎস গৱেষণা গ্ৰন্থ পৰিষ্কাৰকৈ উল্লেখ কৰক।

আমি যে গৱেষণা কৰিবলৈ লওঁ বা Research কৰো এই শব্দ দুটাৰ অৰ্থ কি বা শব্দ দুটা কেনেদৰে উদ্ভৱ হৈছে। ব্যৱহৃত শব্দ দুটিৰ অৰ্থ বিস্তাৰ ঘটি এতিয়া এই শব্দ দুটি মৰ্যাদাপূৰ্ণ বা সন্মানজনক শব্দৰূপে সমাজত প্ৰতিষ্ঠা লাভ কৰিছে। ইংৰাজী SEARCH শব্দটোৰ আগত অসমীয়া ব্যাকৰণ মতে Re উপসৰ্গটো লগ লগাই দি RESEARCH শব্দটো সৃষ্টি কৰা হৈছে। SEARCH মানে বিচৰা বা বিচাৰা। RE-SEARCH মানে পুনৰ বিচৰা বা বিচাৰা বা বাৰে বাৰে বিচাৰা; যেতিয়ালৈকে সঠিক



তথ্যটো বা সঠিক উত্তৰটো বিচাৰি নাপায়, তেতিয়ালৈকে বাৰে-বাৰে বিচাৰি থাকক। বিজ্ঞানৰ গৱেষকসকলে সঠিক উত্তৰটো নোপোৱালৈকে বাৰে বাৰে পৰীক্ষাগাৰত পৰীক্ষা কৰি থাকে। ৰেডিয়াম আৱিষ্কাৰক কুৰি দম্পতীয়ে কেনেদৰে অশেষ ধৈৰ্য্যৰে ক্লান্তিহীনভাৱে ৰেডিয়াম আৱিষ্কাৰ কৰিবলৈ পৰীক্ষা-নিৰীক্ষা কৰি গৈছিল সেই কথা পঢ়ি চাব পাৰে।

ভাৰতীয় ভাষাত ব্যৱহাৰ হোৱা গৱেষণা শব্দটো হ'ল সংস্কৃত ভাষাৰ শব্দ। গো-শব্দৰ লগত এষণা যুক্ত হৈ গৱেষণা শব্দটো উদ্ভৱ হৈছে। ইয়াৰ অৰ্থ হ'ল গৰু বিচৰা। হেৰুৱা গৰু এটা বা গাইজনী বিচাৰি উলিওৱাটো কিমান কষ্টকৰ কাম সেয়া যাৰ ঘৰৰ গৰু হেৰায়, তেওঁলোকেহে বুজি পাব। ভাৰতীয় সংস্কৃতি আৰু অৰ্থনীতিত বৈদিক যুগৰ পৰা এতিয়ালৈকে গৰুৰ মূল্য কিমান সেয়া সকলোৱে জানে। সেয়েহে ভাৰতীয় সাহিত্যতো গৰুৱে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। ভাৰতীয় সাহিত্যৰ দুজনী প্ৰসিদ্ধ গাই সুৰভি আৰু নন্দিনীৰ কথা কোনে নেজানে? বৈদিক সংস্কৃতত যুদ্ধৰ আন এটা নাম হ'ল গবিষ্ট গৰুৰ বাবে দুদল মানুহৰ মাজত হোৱা যুদ্ধক গবিষ্ট বুলি কোৱা হৈছে। মৎস্য দেশৰ গৰুৰ বাবে মহাভাৰতৰ বিৰাট পৰ্বত কৌৰৱসকলে সেই দেশ আক্ৰমণ কৰাৰ ফলত হোৱা যুদ্ধৰ কথা মহাভাৰতৰ সকলো পাঠকেই জানে। ভাৰতীয় আৰ্য সভ্যতাৰ অৰ্থনীতিত গৰুৰ গুৰুত্বৰ কথা লক্ষ্য কৰিয়েই উপনিষদক গাই, শ্ৰীকৃষ্ণক গাই খীৰোৱা ব্যক্তি, অৰ্জুনক দামুৰী আৰু গীতাক সুধী সমাজে পান কৰা গাখীৰ বুলি কৈছে।

*সৰ্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ।*
*পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধাংগীঅমৃতং মহৎঃ।।*

মহাপুৰুষ মাধৱদেৱে নামঘোষাত এই শ্লোকটো অনুবাদ কৰি প্ৰাচীন ভাৰতীয় সাহিত্যৰ দৰে অসমীয়া সাহিত্য আৰু অসমৰ জনমানসতো গো-সম্পদক উচ্চতম আসনত প্ৰতিষ্ঠিত কৰি থৈ গৈছে।

*সকলে উপনিষদ বেনু দোগ্ধা ভৈলা অনে নন্দসুত*
*তাৰ বৎস ভৈলা কুন্তীসুত ধনঞ্জয়।*
*দুগ্ধ ভৈলা মহাগীতামৃত কৃষ্ণৰ চৰণে দিয়া চিত্ত*
*সুবুদ্ধি সকলে সন্তোষে পান কৰয়।।*

কোনো গৱেষকে ভাৰতীয় সমাজত গো-সম্পদৰ এই স্থানক গৱেষণাৰ বিষয়ে হিচাপও গ্ৰহণ কৰিব পাৰে।

গৱেষণা কেৱল গৱেষণাৰ বাবেই বা নিজৰ CAREER গঠনৰ বাবেই কৰা

উচিত নহয়। গৱেষণাও হ'ব লাগে সমাজৰ হিতৰ বাবে, মানুহৰ কল্যাণৰ বাবে। তদুপৰি গৱেষণা হ'ব লাগে জ্ঞানৰ ভাণ্ডাৰ সকলোৰে বাবে মুকলি কৰি দিয়া কাৰ্য। হেমচন্দ্ৰ বৰুৱাৰ হেমকোষে অসমীয়া ভাষাক মৰ্যাদাৰ আসনত প্ৰতিষ্ঠা কৰাৰ পিচত ড° বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থই অসমীয়া ভাষাক এটি মৰ্যাদাপূৰ্ণ স্বতন্ত্ৰ ভাষাৰূপে সেই সময়ৰ অসমীয়া ভাষা বিদ্বেষীসকলৰ মাজত প্ৰতিষ্ঠা কৰে। ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ বড়ো ভাষাৰ বিষয়ে গৱেষণা কৰি প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থই বড়ো ভাষাক দেশৰ এটি প্ৰধান ভাষা হিচাপে প্ৰতিষ্ঠা কৰাত সহায় কৰে। অসমৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন দিশৰ বিষয়ে গৱেষণা কৰি প্ৰস্তুত কৰি উলিওৱা কেইখনমান আলোক সন্ধানী গ্ৰন্থ হ'ল ড° মহেশ্বৰ নেওগৰ SANKARDEV AND HIS TIMES, ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ NEW VAISNAVITE MOVEMENT AND SATRA INSTITUTION OF ASSAM, ড° প্ৰফুল্ল দত্ত গোস্বামীৰ BALLADS AND TALES OF ASSAM, ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ A CULTURAL HISTORY OF ASSAM, ড° বাণীকান্ত কাকতিৰ ASSAMESE : ITS FORMATION AND DEVELOPEMENT, ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ HISTORY OF CIVILISATION OF ASSAMESE PEOPLE ইত্যাদি আলোক সন্ধানী গৱেষণা গ্ৰন্থ। Ph. D., D.LITT-ৰ গৱেষণা গ্ৰন্থ নহ'লেও ড° মুকুন্দমাধৱ শৰ্মাদেৱে গ্ৰন্থ ৰত্নত্ৰয়ী আখ্যা দিয়া কৃষ্ণকান্ত সন্দিকৈদেৱে সমীক্ষিত পাঠেৰে সম্পাদনা কৰি উলিওৱা 'নৈষধ চৰিত', 'সেতুবন্ধ' আৰু 'যশস্তিলক চম্পু' এই তিনিও গ্ৰন্থ গৱেষণা গ্ৰন্থ হিচাপে, গ্ৰন্থ সম্পাদনাৰ ক্ষেত্ৰত আদৰ্শ সম্পাদনা গ্ৰন্থ হিচাপে আৰু আদৰ্শ সমীক্ষিত পাঠৰূপে এতিয়ালৈকে অম্লান হৈ আছে আৰু থাকিব। এই তিনিওখন গ্ৰন্থই দেশ-বিদেশৰ বহুতো গৱেষকৰ বাবে নতুন নতুন গৱেষণাৰ বাট মুকলি কৰি দিছে আৰু ভৱিষ্যতৰ গৱেষকসকলক সদায় অনুপ্ৰাণিত কৰি থাকিব। উল্লিখিত গৱেষণা গ্ৰন্থকেইখনৰ পাত লুটিয়ালে, তেখেতসকলে যিমানবোৰ প্ৰসঙ্গ পুথি, আলোচনী, কাকত-পত্ৰ, জাৰ্নেল আদিৰ উল্লেখ কৰিছে, তাকে দেখি বিস্ময় মানিব লাগে। লগতে তেখেতসকলৰ অধ্যয়নৰ বিস্তৃতি আৰু জ্ঞানৰ গভীৰতাৰ বলত পাঠকৰ পৰা তেখেতসকলে গভীৰ শ্ৰদ্ধা আদায় কৰে। প্ৰাচ্যবিদ্যা আৰু অসমতত্ত্ব বা উত্তৰ-পূৰ্বাঞ্চলৰ বিষয়ে গৱেষণা কৰিব খোজা যিকোনো বিষয়ৰ বাবে এই গ্ৰন্থকেইখনৰ সৈতে চিনাকি হোৱাটো অপৰিহাৰ্য বুলি এই নিবন্ধ লেখকে অনুভৱ কৰে।

এজন গৱেষকৰ গৱেষণা জীৱন-জোৰা সাধনা আৰু প্ৰতিদিনৰ কৰ্ম। গৱেষণা কৰি Ph.D. ডিগ্ৰী লাভ কৰাৰ পিচত ইতিমধ্যে নাম উল্লেখ কৰি অহা গৱেষক



পণ্ডিতসকলে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন বিষয়ে গৱেষণা সম্পন্ন কৰি জগতৰ বিদ্বৎ সমাজলৈ কেনে গভীৰ আৰু বিপুল অৱদান আগবঢ়ালে সেইকথা প্ৰতিজন গৱেষক আৰু ভৱিষ্যতলৈ যিসকলে গৱেষণা কৰিব তেখেতসকলে জানি থোৱা উচিত। এই গৱেষণা গ্ৰন্থসমূহৰ অধ্যয়নে তেখেতসকলক নতুন নতুন বিষয়ৰ সন্ধান দিব। বিপুল পৰিমাণৰ গৱেষণাৰে অসমৰ জাতীয় জীৱন আৰু বিদ্বৎ সমাজক সমৃদ্ধ কৰা ড° নেওগ চাৰে ইমানবোৰ কাম কৰিও একো কৰা নহ'ল বুলি আক্ষেপ কৰি এটি কবিতাত লেখিছিল—"হেলাতে কটালো জীৱনৰ আশীটা বছৰ।" ১৯৯১ নে ১৯৯২ চনত কেইবাটাও বৈঠকত ড° সত্যেন্দ্ৰনাথ শৰ্মাচাৰৰ ঘৰতে চাৰৰ অনাতাঁৰ আত্মজীৱনী জীৱনৰ দীঘ-বাণি বাণীবদ্ধ কৰোঁতে চাৰে কৈছিল—"মই চাকৰিৰ পৰাহে অৱসৰ ল'লো, কামৰ পৰা অৱসৰ লোৱা নাই নহয়।" সেই অনুষ্ঠানটো বাণীবদ্ধ কৰাৰ অলপদিন আগতেহে চাৰে চিকিৎসালয়ৰ পৰা উভতি আহিছিল যদিও লেখা-পঢ়াত মন দিব পৰাকৈ সুস্থ-সবল হোৱা নাছিল। তথাপিও সেই অৱস্থাতো তেখেতে তেখেতৰ আত্মজীৱনীখন নতুনকৈ লেখাৰ আৰু মহাভাৰতৰ বিষয়ে এখন নতুন গ্ৰন্থ ৰচনাৰ পৰিকল্পনাৰ কথা আমাক জনাইছিল। অথচ সেই সময়ত তেখেত হাতত কলম লৈ চহী কৰিবলৈ পৰা অৱস্থাতো নাছিল। আকাশবাণীৰ চুক্তি-পত্ৰখনত স্বাক্ষৰ কৰিবলৈ লৈ তেখেতৰ হাতৰ পৰা কলমটো বাৰে বাৰে পৰি যোৱা দেখি আমাৰ দুচকু অশ্ৰুৰে ভৰি পৰিছিল। অথচ তেতিয়াও জ্ঞানাৰ্জন আৰু গৱেষণাৰ প্ৰতি তেওঁৰ অদম্য হেপাহ আৰু তৃষ্ণা। নিৰন্তৰ অন্বেষণ আৰু অনুসন্ধিৎসাই হ'ল প্ৰকৃত লেখক, গৱেষকৰ জীৱনৰ সাধনা। তেখেত সকলে সদায় নতুন নতুন কৰ্মক্ষেত্ৰ বা গৱেষণাক্ষেত্ৰৰ সন্ধান কৰে আৰু প্ৰতিদিনে নিজকে লেখা আৰু গৱেষণা ক্ষেত্ৰত নিয়োজিত ৰাখে। ড° নেওগ চাৰৰ 'গুৰু-চৰিত কথা'ৰ আৰু অৰুণোদইৰ একত্ৰ সঙ্কলন আৰু ভক্তি-ৰত্নাকৰ সম্পাদনাৰ গভীৰ সুদীৰ্ঘ পাতনি, গভীৰ আৰু বিস্তৃত অধ্যয়ন আৰু বিৰামহীন অন্বেষণৰ পৰিণত ফল। তেনেদৰে সত্যেন্দ্ৰ নাথ শৰ্মা চাৰৰ ৰামায়ণৰ ইতিবৃত্ত, অসমীয়া নাট্য-সাহিত্য, অসমীয়া কাহিনী কাব্যৰ প্ৰৱাহ অসমীয়া সাহিত্যৰ বিভিন্ন দিশৰ আদৰ্শ ৰসপূৰ্ণ সমালোচনা আৰু নতুন নতুন অধ্যয়ন ক্ষেত্ৰত গৱেষণা, বিচৰণ আৰু বিস্তৃত আৰু গভীৰ অধ্যয়নৰ পৰিপূৰ্ণ প্ৰাপ্তি। এইসকলোবোৰ গ্ৰন্থই সদায়েই নিত্য নতুন গৱেষণাৰ সন্ধান দিব।

# নামতত্ত্ব অধ্যয়নৰ সমল, প্ৰণালী আৰু পদ্ধতি

**ড° শৰৎ কুমাৰ ফুকন**

*নামতত্ত্বৰ* আতিগুৰি বিচাৰিবলৈ হ'লে প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ আকৰ স্বৰূপ *বেদ-উপনিষদ, শ্ৰুতি-স্মৃতি, ব্ৰাহ্মণ, মহাকাব্য, পুৰাণ* আৰু *তন্ত্ৰ-মন্ত্ৰ* আদি বিভিন্ন সাহিত্যলৈ উভতি যাব লাগিব, যথা --*ঋক্‌বেদৰ* ১০-৭১-১, ১০-৮২-২, ৮-৪৫-১, ১-২২-৭, ৮-৫-৭, ৮-৫-৩১, ৭-২০-৭ আৰু ৭-১৮-১১ প্ৰভৃতি *ৰিক্‌সমূহ* এই প্ৰসংগত উল্লেখ কৰিব পাৰি। ঠিক তেনেদৰে *ঐতেৰেয় আৰণ্যকৰ* ২-১৬, *নিৰুক্তৰ* --১-২২, ১-৩৩, ১২-১৯, ৬-১, ২-১ অধ্যায়ত, *শোনাকৰ বৃহৎ দেৱতাৰ* --১-২৪-৩১, *শতপথ ব্ৰাহ্মণ, সাংখ্যায়ন সূত্ৰ, ঐতৰেয় ব্ৰাহ্মণ, মনুস্মৃতি, ৰামায়ণ* আৰু *মহাভাৰত* আদিতো *নামতত্ত্ব* সম্বন্ধীয় ভালেখিনি তথ্য নিহিত হৈ আছে। *পুৰাণসমূহো* এই ক্ষেত্ৰত পিছ পৰি থকা নাই। অন্যহাতে একাংশ ভাষাতত্ত্ববিদে সম্ভেদ দিয়ামতে ভাৰতবৰ্ষত লৌহযুগতেই ব্যাকৰণ সমৃদ্ধ নামতত্ত্ব অধ্যয়নৰ সুং সূত্ৰ পোৱা যায়। উদাহৰণ স্বৰূপে *নামতত্ত্ব* সমল সন্নিবিষ্ট তামিলসকলৰ প্ৰাচীনতম ব্যাকৰণ *টোলকাপিয়ম* সময় কাল ১০,০০০-৮,০০০ খ্ৰীঃ পূঃৰ ভিতৰত, *যক্ষই* ৬০০ খ্ৰীঃ পূঃতে ব্যাকৰণবিদ *পাণিনিতকৈও* পূৰ্বে ভাৰতবৰ্ষত নামৰ ব্যাকৰণিক ব্যাখ্যা আগবঢ়াইছিল, ব্যাকৰণবিদ *পাণিনিৰ* পৰৱৰ্তী *নামৰ* ব্যাকৰণ আৰু বিশ্লেষকসকল --*পিঙ্গল* ২০০ খ্ৰীঃ পূঃ, *কাত্যায়ন* আৰু *পতঞ্জলি* দ্বিতীয় খ্ৰীঃ পূঃ ইত্যাদি। প্ৰাশ্চাত্যত এই দিশৰ পদ্ধতিগত অৱদানকাৰীসকলৰ খতিয়ান ল'লে পোনপ্ৰথমেই গ্ৰীচৰ *ফিলিটাচ* (৩৪০-২৮৫ খ্ৰীঃ পূঃ) আৰু *কলিমচাচ* (৩১০-২৪০ খ্ৰীঃ পূঃ) নাম ল'ব লাগিব। এওঁলোক দুয়োক অনুসৰণ কৰি এই দিশত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা ব্যাকৰণবিদসকল হৈছে --*জেন'ডটাচ* (৩৮০ খ্ৰীঃ পূঃ), *এৰিটোষ্টিনচ* (২৭৬-১৯৫ খ্ৰীঃ পূঃ), *ৰাইনাচ* (২৭৫-১৯৫ খ্ৰীঃ পূঃ),



*এৰিষ্টোফেনচ* (২৫৭-১৮০ খ্ৰীঃ পূঃ), *এৰিষ্টাৰকাচ* (২২০-১৪৩ খ্ৰীঃ পূঃ), লেটিন ব্যাকৰণবিদ *লুচিয়াচৰ অৰবিলিয়াচ পুপিলাচ* (১১৪-১৪ খ্ৰীঃ পূঃ), ৰোমান ব্যাকৰণবিদ যথাক্ৰমে --*মাৰ্কাচ ভেৰিয়াচ ফ্লাকাচ* (৫৫ খ্ৰীঃ পূঃৰ পৰা খ্ৰীঃ ২০), *কুইনটাচ ৰেমিয়াচ পলিয়েমন, মাৰ্কাচ ভলেৰিয়াচ প্ৰোবাচ* খ্ৰীঃ ৬৯-৯৬, *লেটিন* ব্যাকৰণবিদ *এইমিলিয়াচ এচপাৰ* আৰু *আৰবীয়* ব্যাকৰণবিদ *আব্দুলা ইবন আবি ইচাক আল হাড্ৰামি* (খ্ৰীঃ ৭৩৫) আদি। এখেতসকলে সমকালীন *গ্ৰীচ, ৰোম, ইটালী* আৰু *আৰবদেশত* নামৰ ব্যাকৰণিক ব্যাখ্যা কৰিছিল।

আমাৰ উত্তৰ-পূৰ্বাঞ্চলত সততে প্ৰচলিত আধ্যাত্মিক ধাৰাৰ বিষ্ণু-শিৱ সহস্ৰনাম আৰু শতৰুদ্ৰীয় নামসমূহো আধুনিক নামতত্ত্বৰে একাংশ বুলি ক'ব পাৰি। তদুপৰি *বায়ু, বিষ্ণু, বৰাহ, মৎস্য, শিৱ, দেৱী, পদ্ম* আৰু *কালিকা* প্ৰভৃতি *পুৰাণ* তথা *যোগিনীতন্ত্ৰ* আৰু কামাখ্যা তন্ত্ৰ আদিতো জলবাচক-পৰ্বতবাচক, দ্বীপবাচক নামৰ উপস্থিতি আৰু বিশ্লেষণ পোৱা যায়। মুং-ডুন-চুন-খামৰ প্ৰথম তাই-আহোম চাওফা চাওলুং চ্যুকাফায়ো খ্ৰীঃ ১২২০ মানতেই দেওধাই-বাইলুং-মহন পণ্ডিতক *বুৰঞ্জী* লিখিবলৈ নিৰ্দেশ দিয়াৰ লগে-লগে পদ্ধতিগত নামকৰণৰ প্ৰক্ৰিয়াৰো আৰম্ভ কৰে। শ্ৰীমন্ত শংকৰদেৱেও খ্ৰীঃ ১৬ শতিকাত --*নাম মাহাত্ম্য, নাম মহিমা, নাম অপৰাধ, নাম অন্বয়* আৰু *উৰেষা-বৰ্ণন* প্ৰভৃতি অধ্যায় নৱবৈষ্ণৱ সাহিত্যত সংযোজিত কৰি *নামতত্ত্বৰ* ধাৰাটি চহকী কৰি গৈছে।

ভাৰতীয় পৰিৱেশত পঞ্চম-ষষ্ঠ শতিকা খ্ৰীঃ পূঃত বিখ্যাত ব্যাকৰণবিদ্ পাণিনিয়ে সংস্কৃত ভাষাৰ বিভিন্ন সূত্ৰসমূহ প্ৰণয়ণ কৰোঁতে *নামতত্ত্ব* বিজ্ঞানকো সেই যুগতেই সামৰি লৈ প্ৰথম পদ্ধতিগত অধ্যয়নৰ খুটি মাৰি গৈছে। পাণিনিৰ *অষ্টাধ্যায়ী* গ্ৰন্থৰ ১-৩৩, ৪-২-৫৭-৭০ অধ্যায়ত সেই সময়ৰ বিভিন্ন স্থানৰ নামসমূহৰ উল্লেখৰ লগে লগে ব্যাকৰণিক ব্যাখ্যা পোৱা যায়। ইয়াৰ স্থান বিভাজনসূচক বিভিন্ন শব্দৰ প্ৰয়োগ দেখা যায়। যেনে—মণ্ডল, বিষয়, জনপদ, পুৰ, নগৰ আৰু গ্ৰাম ইত্যাদি। তদুপৰি আফগানিস্থানৰ পৰা মগধলৈ বিস্তৃত হৈ থকা বিভিন্ন স্থান আৰু জনপদসমূহৰ বিস্তৃত বৰ্ণনা ইয়াত পোৱা যায়। নামতত্ত্বই *ভূতত্ত্ব, ভূগোল, ইতিহাস, নৃতত্ত্ব* আৰু *ভাষা-সংস্কৃতি* আদিক সাঙুৰি কিদৰে পৃথিৱীৰ প্ৰান্তৰে প্ৰান্তৰে অনাদিকালৰে পৰা মানৱ সংস্কৃতিক চহকী কৰি আহিছে তাৰ ছবিও পাণিনিৰ বৰ্ণনাত প্ৰতিফলন ঘটিছে। কোনো এখন স্থান কিদৰে নিৰূপণ কৰা হয়, অষ্টাধ্যায়ী গ্ৰন্থত তাৰ বৰ্ণনা দিছে এনেদৰে —

ক. এই স্থান এই দেশত অৱস্থিত।

খ. এই স্থান অমুক ব্যক্তি বা গোষ্ঠীৰ দ্বাৰা নামাংকিত হৈছে।

গ. এই স্থান এইসকল ব্যক্তি তথা গোষ্ঠীৰ বাসস্থান।

ঘ. এই স্থানৰ কাষত এই বিখ্যাত স্থান আছে, ইত্যাদি।

পাণিনিৰ *অষ্টাধ্যায়ী* গ্ৰন্থৰ নামতত্ত্বৰ বিভিন্ন দিশ বিশ্লেষণ হোৱা আন আন সূত্ৰসমূহ হৈছে --৪.৩.৮৯, ৪.৩.৯০, ৪.২.৯২-১৪৫, ৪.২.৫২-৫৪, ৪.৩.১১৭-১২০, ৮.৪.৪-৫ আদি। পাণিনিৰ পদানুসৰণ কৰি আন এগৰাকী ভাৰতীয় ব্যাকৰণবিদ্ পতঞ্জলিয়ে ২য় শতিকা খ্ৰীঃ পূঃত নামতত্ত্বৰ সূত্ৰসমূহ বিশ্লেষণ কৰি দেখুৱায়। ইয়াৰ ভিতৰত *জম্বু, প্লক্ষ, শাল্মলী, কুশ, ক্ৰৌঞ্চ, শক* আৰু *পুষ্কৰ* আদিৰ বিশ্লেষণ বিশেষভাৱে উল্লেখনীয়। *পতঞ্জলিৰ নাম* সম্বন্ধীয় বিশ্লেষণত সমসাময়িক আৰ্যৱৰ্তৰ নদী-নলা আৰু আন-আন জলাশয় জলাধাৰসমূহে বিশেষ স্থান পাইছে। প্ৰাচীন মীমাংসা আৰু ন্যায় দৰ্শনসমূহতো নামতত্ত্ব সম্বন্ধে যথেষ্ট চৰ্চা পোৱা যায়। এই ক্ষেত্ৰত উল্লেখনীয় ব্যক্তিসকল হৈছে—*মধুক, শ্বেতকেতু, গালভ, গাৰ্গ, ৰথিতাৰা* আৰু *শৌনক* ঋষি আদি। *পাণিনিৰ* পৰৱৰ্তী ব্যাকৰণসমূহৰ ভিতৰত বামন আৰু জয়াদিত্যৰ কাশিকাবৃত্তি, জিতেন্দ্ৰ বুদ্ধিৰ ন্যাস, সৰ্ববৰ্মনৰ কা-তন্ত্ৰ ব্যাকৰণ, চন্দ্ৰৰ চান্দ্ৰ ব্যাকৰণ, দেৱ নন্দীৰ জৈনেন্দ্ৰ ব্যাকৰণ, হেমচন্দ্ৰৰ লিঙ্গানুশাসন, ভোজদেৱৰ সৰস্বতী কণ্ঠাভৰণ আৰু বোপদেৱৰ মুগ্ধবোধ ব্যাকৰণ ইত্যাদিতো নামতত্ত্বৰ চৰ্চা লক্ষ্য কৰা যায়। ভাৰতবৰ্ষত নামতত্ত্বৰ ধাৰাটি ইয়াৰ পৰৱৰ্তী কালতো সণ্ডালনিকৈ চলি আছিল। ইয়াৰ সন্তেদ স্থলপুৰাণ আৰু অপ্পয় দীক্ষিতৰ নাম সংগ্ৰহমালা আদিতো পোৱা যায়।

*নামতত্ত্বৰ* ধাৰণাটি আমাৰ দেশৰ দৰে পৃথিৱীৰ আন-আন দেশতো বা সভ্যতাসমূহতো প্ৰাচীন কালৰ পৰাই প্ৰৱাহমান। গ্ৰীচ্ দেশত হোমাৰৰ *ওডিছি* কাব্যতো নামতত্ত্বৰ সংশ্লিষ্ট বিশ্লেষণ চেগা-চোৰোকাকৈ পোৱা যায়। দাৰ্শনিক চক্ৰেটিছ আৰু প্লেটোৱেও সম্যক্ভাৱে নামতত্ত্বৰ ওপৰত বিশ্লেষণ আগবঢ়াই থৈ গৈছে। পৰৱৰ্তী সময়ত মাৰ্কাচ্ টেৰেনচিয়াচ্ ভাৰু নামৰ ব্যাকৰণবিদ্ গৰাকীয়ে --*ডি লিংগুৱা লেটিনা* ৰচনাৰে আৰু দাৰ্শনিক উইটগেনষ্টাইন এ চিত্ৰাংকিত ভাষা আদিৰ ওপৰত বৰ্ণিত বিশ্লেষণেৰে নামৰ ভাষাতত্ত্বৰ ভঁৰাল চহকী কৰি গৈছে। চুবুৰীয়া চীন দেশত সম্ৰাট হোৱাংটিৰ দিনৰ ৰাজসভাৰ পণ্ডিতসকলে নামতত্ত্বৰ সূত্ৰসমূহৰ বিশ্লেষণ আগবঢ়াই থৈ গৈছে। উদাহৰণ স্বৰূপে তেওঁবিলাকৰ *চুংকু, মুংকাও, মাওচান, টিয়েন, টিয়েনচান, আলটাই* আৰু *নানচাও* আদি স্থাননামসমূহলৈ আঙুলিয়াব পাৰি। ঠিক তেনেকৈয়ে প্ৰাচীন *মায়া-আজটেক-অলমেক-টলটেক-ইংকা, কামি, য়াংজে,*



*অনুৰাধা, কেল্ট, নৰচ, বাইজেনটাইন, নীলপৰীয়া-মিচৰ-নুবিয়া সভ্যতা* আৰু *মেচোপটেমীয়া* সভ্যতাতো চেগা-চোৰোকাকৈ আদি দেৱতাসমূহৰ নামৰ লগতে নদী-নলা, প্ৰাচীন নগৰ-চহৰৰ নামৰ বিশ্লেষণ পোৱা যায়।

পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা আদি প্ৰজাতিসমূহৰ মাজতো *নামতত্ত্বৰ* ধাৰাটি সণ্ডালনিকৈ চলি আছে আৰু এই প্ৰাথমিক নামসমূহতো ব্যাকৰণিক তথা ভাষাতাত্ত্বিক্ প্ৰক্ৰিয়াসমূহৰ সৌ তাহানিতেই আৰম্ভ হৈছিল। এনেধৰণৰ আদি প্ৰজাতিসমূহ হৈছে যথা অষ্ট্ৰেলিয়া--টাছমেনিয়াৰ --*মাওৰী, কুৰী, মুৰী, নুঙ্গা, নুঙ্গাৰ, কুলিন, ইৰৱা, পলিনেচিয়ান, কামবেৰা, ইয়াৱাবাহ, হুপভেল, জাপুকাই, লাওৰা, কনকা, গাৰিনজেৰি, এড়য়ামাথানহা, টাওনদি, ইৰিকিলা, কাতকাদো, ওলোৰোকাটা, আনাঙ্গো, ৰঙ্গি, টিৰি* আৰু *মাকাই* ইত্যাদি আমেৰিকা যুক্তৰাষ্ট্ৰৰ --*চেৰ'কী, এলগোকুয়ান, পুবানাকি, ইউনাবাগো, পোতাৱাটমি, সোৰণ, চুকটৌ, চিকাচ্, ক্ৰিক্, চেমিনল, অলগেগ্ৰপ, কাদো, কোৱাটো, ইৰোকুইচ, আপালেচি, তিমুচোৱান, কালোচা, চাহোকেয়া, কুইভিৰা, আৰিকেৰা, হিদতচা, নেজপাৰ্জ, ক্ৰ, লাকুটা, উতে, আৰাপাহো, চেনী, বানক, মৰমনচ, মগোলন, হোহোকম, পুব্লন, বিচবি, আপাচি, পয়ৰোউতে, গ্ৰেবিলিনেও, চুমাচ্, আহলুন, ইচপ'কেন, টাকেলমা, দুৱামিচ্, তাহিতিয়ান, পলিনিচিয়ান* আৰু *ৱাইকিকি* প্ৰভৃতি। এই আদি প্ৰজাতিসমূহে জন্তুৰ বিশেষ-বিশেষ চিঞৰ-মাত, চিকাৰৰ থলি, মাছমৰা ঠাই, প্ৰাকৃতিক চিহ্ন সম্বলিত বিশেষ-বিশেষ ভৌগোলিক স্থান, সূৰ্যোদয়-সূৰ্যাস্তৰ-ভৰদুপৰীয়াৰ স্থান আৰু বৰষুণৰ থলি ইত্যাদি উপাদানবোৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

*নামৰ* প্ৰাথমিক অধ্যয়নসমূহ পৃথিৱীৰ বিভিন্ন প্ৰান্তত ভিন্ ভিন্ পৰ্যায়ত উন্মেষ হলেও এনে অধ্যয়নে বিজ্ঞান ভিত্তিক পৰিসৰলৈ অগ্ৰসৰ হ'বলৈ বহু শতাব্দীৰ অনুশীলন প্ৰয়োজন হৈছিল। নামৰ অধ্যয়নে পাশ্চাত্যত বিশেষকৈ গ্ৰীক দেশত দ্বিতীয় শতিকা খ্ৰীঃ পূঃ মানৰ পৰা এক বিজ্ঞান ভিত্তিক অধ্যয়নৰ পৰ্যায় পায়। সেই সূত্ৰেই গ্ৰীক ভাষাৰ --*অন'মা* অৰ্থাৎ *নাম, ষ্টিকচ্* বৰ্ণনা বা *বিজ্ঞান* বা *তত্ত্বৰ* উৎপত্তি। ইয়াত উদ্ভাৱন হোৱা আন-আন ভাগসমূহ হৈছে --এনথ্ৰপ'নিমি বা ইপনিমি বা ব্যক্তিবাচক নাম; চাৰনেমচ্ বা ইপনিমি বা উপাধিবাচক নাম; ইথন'নিমি বা জনগোষ্ঠীবাচক নাম; টপ'নিমি বা স্থাননামবাচক নাম; হাইড্ৰ'নিমি বা জলবাচক নাম ; অৰ'নিমি বা পৰ্বত বাচক নাম; কৰ' বা চৰ'নিমি বা মহাকাশৰ স্থাননাম; ক্ৰেমাট'নিমি বা বস্তুবাচক নাম; মাইক্ৰ'টপনিমি বা জনবসতি বিহীন স্থাননাম; টেকন'নিমি বা পৰোক্ষ নাম প্ৰভৃতি।

আধুনিক বিশ্বত নামতত্ত্বৰ প্ৰথম সোঁত বোৱায় খ্ৰীঃ ১৭৬৮ ত পশ্চিমীয়া দেশৰ জাৰ্মান পণ্ডিত আলফ্ৰেইড উইলহেম লিবেনিজ ডাঙৰীয়াই। সেয়ে লিবেনিজকেই আধুনিক *নামতত্ত্বৰ* পিতৃপুৰুষ বোলা হয়। লিবেনিজৰ পদাংক অনুসৰণ কৰি --জে. এইচ. ৰাওগু, ফয়াৰ ষ্টিম্যেন আৰু ইছাক টেইলৰ আদিয়ে নামতত্ত্বৰ ধাৰাটি পশ্চিমীয়া দেশসমূহৰ ভিন্ ভিন্ স্থানত বহুলাংশে আগুৱাই লৈ যায়। ইংৰাজী স্থাননামসমূহৰ ব্যাকৰণিক ধাৰাটি জে. জে. ইগলিগে প্ৰৱাহিত কৰে। বৈজ্ঞানিক বিশ্লেষণৰে ইংৰাজ স্থাননাম অধ্যয়নৰ ইতিহাসত তেওঁ আজি প্ৰথম গৰাকী বাটকটীয়া ৰূপে পৰিচিত হৈছে। প্ৰাশ্চাত্য দেশৰ আধুনিক যুগৰ আন-আন আগশাৰীৰ নামতত্ত্ববিদসকল --এণ্ড্ৰু ব্ৰীজ (*Andrew Breeze*), ৰিচাৰ্ড কোৰেৎজ (*Richard Coates, Birth -1949, Works -Survey of English Place Name, Historical Linguistics, Channel Island, Place names of St. Kilda, Hampshire and Sussex etc.*), আইঅন কোনিয়া (*Ion Conea*), জন মেকনিল ডডচন (*John McNeil Dodgson*), ইলাৰ্ট ইকৱাল (*Eilert Ekwall,1877-1964, Books --English Place names and Personal names, The place names of Lancashire, English place names in-ing, English river names, Stduy on Street Names of the City of London etc.*), মাৰ্গাৰেট গেলিং (*Margaret Gelling, Born -1924 and Died -2009, Books --Signposts to the Pass, The Landscape of Place Names; She was the President of the English Place Names Society*), গিলিয়ান ফেল'জ জেনচেন (*Gillian Fellows Jensen*), অলিভাৰ পেডেল (*Oliver Padel, Born -1948, Book --Arthur in medieval Welsh literature, Comish place name elements, A popular dictionary of Comish palce names etc.*), ৰৰ্বাট এল ৰামচে (*Robert L. Ramsay, 1880-1953, Books --Missouri Place names*), হেনৰী স্কুলক্ৰাফট (*Henry Schoolcraft, 1793-1864, He named many of Michigan's counties, Faux Indian Names etc.*), এলবাৰ্ট হিউজ স্মিথ (*Albert Hugh Smith, 1903-1967, Books --The place names of the North Riding of Yorkshire, The place names of the East Riding of Yorkshire, English place names Elements, The place names of the West Riding of Yorkshire etc.*), জৰ্জ আৰ ষ্টিৱাৰ্ট (*George R. Stewart, 1895-1980, Books --Names on the Land: A Historical Account of Place Naming in the United States, A Concise Dictionary of American Place Names, Names on the Globe, American Given Names* ), আইজাক টেইলৰ (*Isaac Taylor, 1829-1901, Works --The Liturgy and the Dissenters, Leaves from and Egyptain Notebook, Words and Place, Etruscan Researches, Names and Their Histories, The Alphabet and Greeks and Goths etc.*), উলিয়াম জে. ৱাটচন (*William J. Watson,1865-1948, Works --The Celtic Place Names of Scotland, Place Name of Ross of Cromarty, The History of the Celtic Place Names of Scotland* ), হেলেন কাৰফুট (*Helen Kerfoot, is curently and Emertius Scientist with Natural Resources in Ottawa, Canada and Chair of the United Nations Group of Experts,UNGEGN)*, ফাৰজান অৰমেলিং *(Ferjan Ormeling of Netherland)* আৰু ক্ৰেইগ ৱেডাৰহিল (*Craig Weatherhill, B. 1950, Books --The Principal Antiquities of the Lands End District, Comovia: Ancient Sites of Comwall and Scilly, 4000 B.C-A.D.1000, A Concise Dictionary of Comish Place Names etc.*), জাৰ্মানীৰ ফোৰষ্টিম্যেন, নৰৱেৰ ৰিগ্, চুইডেনৰ নৱেন, ইংলেণ্ডৰ স্কিট আৰু ফ্ৰান্সৰ লংনন প্ৰভৃতি। *নামতত্ত্বৰ* বিভিন্ন শাখাসমূহক পশ্চিমীয়া দেশসমূহত *ভাষাবিজ্ঞানী, নৃতত্ত্ববিদ্, ভূগোলবিদ্, ভাস্কৰ্য-স্থপতিবিদ্, পুৰাতত্ত্ববিদ্, ইতিহাসবিদ্* তথা সমাজ বিজ্ঞানীসকলে যৌথভাৱে অধ্যয়ন চলাই গৈছে। এনেধৰণৰ নামতত্ত্ববিদ্‌ৰ সংখ্যা আজি সহস্ৰজনৰো অধিক হৈছেগৈ। বৰ্তমান সময়ত জোচেফ ব্ৰু, মেপ্ল, ভি. হেনচলাৰ, জিণ্টাৰ ই ৰেপাৰ, টমগেস্ক, কাৰ্ন্ধাণ, অৰমেলিং, বটলব হেলিলেণ্ড, লচি মলাৰ, অমৰ লাৰিবি, চাল জাটৰ, অৰিকা, মিলান তলৰকে আদনিক, কি চুক লি, কেথলিন আৰু অ'ব্ৰেইন আদিৰ এই দিশৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ বিপৰীতে কিন্তু আমাৰ দেশত যোৱা কেবাটাও শতাব্দী ধৰি নামতত্ত্বৰ ধাৰাটি প্ৰায় শুকাই যোৱাৰ লেখিয়াই হৈছিলগৈ। ঊনবিংশ শতাব্দীৰ পূৰ্বাৰ্ধৰ পৰাহে এই বিজ্ঞান চৰ্চা ভাৰতত পুনৰ আৰম্ভ হয়। খ্ৰীঃ ১৮৩৪ ত এইচ. ব্লেকম্যেন, খ্ৰীঃ ১৮৩৪ত ৰামকমল সেন, খ্ৰীঃ ১৮৭২ত কেৰেলাৰ গানডাৰ্ট, খ্ৰীঃ ১৮৭৮ত আৰ. পি. ব্ৰানফিল আদিয়ে সমাজ বিজ্ঞান তথা ইতিহাসৰ বৰ্ণনাৰে স্থাননামসমূহৰ বিশ্লেষণ দাঙি ধৰি বৰ্তমানৰ নামতত্ত্বলৈ বিশেষ অৱদান আগবঢ়ায়। আজি সৰ্বভাৰতীয় নামতত্ত্বৰ ক্ষেত্ৰত বিখ্যাত ভাষাবিজ্ঞানীসকল হ'ল --এছ. কে. চেটাৰ্জি, কে সুকুমাৰ সেন, কে. পি. গোস্বামী, ডি. জাবেৰে গৌড়া, এম. এম. কুলবুৰগি, কে. ভি. ৰমেশ,

এইচ. ডি. শঙ্কলিয়া, বি. চি. ল, হৰিদাস ভট্ট আৰু এছ. এছ. ৰামচন্দ্ৰ মূৰ্তি আদি।

অসমৰ নামতত্ত্বত স্থাননাম অধ্যয়নত তাই-আহোমৰ প্ৰথমগৰাকী চাওফা চাওলুং চ্যুকাফা (এই ৰীতি দেওধাই-বাইলুঙক বুৰঞ্জী লিখাৰ আদেশ দিয়াৰ লগতেই জড়িত আছে। অৱশ্যে চাওলুং চ্যুকাফাই তাইসকলৰ মাজত প্ৰচলিত চুংকু সম্ৰাজ্যৰ ২৮৫২ খ্ৰীঃ পূঃৰ এই পৰম্পৰাক পূৰ্বৰ ৰীতি অনুসৰিহে গ্ৰহণ কৰিছে), তাৰ পৰবৰ্তী কালত নৱবৈষ্ণৱ আন্দোলনৰ কৰ্ণধাৰস্বৰূপ শংকৰদেৱৰ উপৰি তেওঁৰ প্ৰধান অনুগামী মাধৱদেৱ, হৰিদেৱ, গোপাল আতা, অনিৰুদ্ধদেৱ, চৰ্তুভুজ আৰু পৰ্হিয়া আতা আদিয়ে চৰিত পুথিসমূহৰ যোগেদি নামৰ অৰ্থ সম্বন্ধে বিশেষ বৰঙণি আগবঢ়ায়। অৱশ্যে প্ৰাচীন অসমৰ আদি প্ৰজাতি—অষ্ট্ৰিক্, ভেড্ডীড, দ্ৰাবিড়, বড়ো আৰু কাৰ্বি প্ৰভৃতি জনগোষ্ঠীসমূহে প্ৰাথমিক পৰ্যায়তে নামকৰণ কৰা নদী-নলা, পৰ্বত-পাহাৰ আদি উপাদানসমূহ উত্তৰ আধুনিক কালৰ বিজ্ঞানভিত্তিক ব্যাখ্যাবোৰৰ সৈতে সমানে ফেৰ মাৰি আছে। এওঁবিলাকৰ নামকৰণৰ লগত পৃথিৱীৰ বিভিন্ন প্ৰান্তত অৱস্থান কৰা আদি প্ৰজাতি --*চেৰ'কী, এলগোকুয়ান, পুবানাকি, ইউনাবাগো, সোৰণ, চুকটৌ, ক্ৰিক্, চেমিনল, অলগেগ্ৰুপ, কাদো, কোৰাটো, ইৰোকুইচ, আপালেচি, তিমুচোৱান, কালোচা, কুইভিৰা, হিদতচা, লাকুটা, উতে, আৰাপাহো, বানক, মগোলন, হোহোকম, বিচবি, আপাচি, পয়ৰোউতে, চুমাচ্, আহলুন, ইচপ'কৈন, দুৱামিচ্, তাহিতিয়ান, পলিনিচিয়ান* আৰু *ৱাইকিকি*সমূহৰ প্ৰক্ৰিয়াৰ লগত বহুলাংশে সামঞ্জস্য আছে। পৰৱৰ্তী সময়ত ইংৰাজ চাহাব এম. ক'চৰ জিলা নামসমূহৰ টোকা, ড° বাণীকান্ত কাকতীৰ--*এচামিজ, ইটচ্ ফৰমেচন এণ্ড ডেভেলপমেণ্ট*, ৰাজমোহন নাথৰ --*দি বেকগ্ৰাউণ্ড অৱ এচামিজ কালচাৰ, এ ক্লু তু দা ইনদাচ ভেলি স্ক্ৰিপ্ত এণ্ড চিভিলাইজেচন*, ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ --*এ কালচাৰেল হিষ্টৰি অব্ আসাম*, বেণুধৰ শৰ্মাৰ --*ঠাই নামৰ আঁতিগুৰি --বুৰঞ্জী সফুঁৰা*, সৰ্বানন্দ ৰাজকুমাৰ আৰু যোগেন্দ্ৰনাথ ফুকনৰ—*লিক ফান তাইৰ প্ৰবন্ধ*, ১৯৬৬, ড° মহেশ্বৰ নেওগৰ --*পবিত্ৰ অসম*, ড° লীলা গগৈৰ --*দি বুৰঞ্জী, হিষ্টৰিকেল লিটাৰেচাৰ অব্ আসাম*, দেৱেন শৰ্মাৰ --*নামনি অসমৰ ঠাইনাম* আদিৰ অৱদান উল্লেখযোগ্য। ইয়াৰ উপৰিও সতেন্দ্ৰনাথ গোস্বামী, প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য, হেম বুঢ়াগোঁহাই আৰু যমুনা বৰগোঁহাই প্ৰভৃতিয়ে কেবালানিও এই শিতানৰ প্ৰবন্ধ ৰচনা কৰিছে। প্ৰবন্ধ লিখকেও ইতিমধ্যে --*টপ'নিমি অব্ আসাম, এ ষ্টাডি অব্ হড'নিমি, এ ফিউ এচপে'ক্টচ্ অব্ প্লেচ্ নেম ষ্টাডি উইথ স্পেচিয়েল ৰেফাৰেন্চ্ টু আসাম, চাৰনেমচ্ অব্ আসাম, হাইড্ৰ'নিমি অব্ আসাম, অৰ'নিমি অব্ আসাম, অন'মৈষ্টিকচ্ আসাম* ১-২-৩ আৰু সুপ্ৰীতি



ফুকনৰ লগত যৌথভাৱে --*এনথ্ৰপ'নিমি অব্ আসাম, জেনেচিচ অব্ এনচিয়েণ্ট টপ'নিমচ্ অব চেণ্ট্ৰেল এণ্ড লোৱাৰ আছাম, অনোমেস্টিক্ ইন ফক্ লিটাৰেচাৰ অব্ আসাম* আদি গ্ৰন্থৰ যোগেদি *নামতত্ত্বৰ* ধাৰাটিত *ইতিহাস, সমাজ বিজ্ঞান, ভাষাবিজ্ঞান* আৰু *নামতত্ত্বৰ* বিষয়সমূহ সন্নিৱিষ্ট কৰি বিশ্বৰ আগশাৰীৰ নামতত্ত্ববিদ্সকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে।

*নামতত্ত্বৰ* বিভিন্ন শাখা-প্ৰশাখাৰ অধ্যয়নৰ সমল, প্ৰণালী আৰু পদ্ধতিসমূহৰ মাজত সমন্বয় থাকিলেও শাখাৰ ভাগ অনুযায়ী ইয়াৰ প্ৰক্ৰিয়াসমূহৰ মাজত সূক্ষ্মস্তৰত বহু ভিন্নতা আছে। *নামতত্ত্ব অধ্যয়নৰ সমল, প্ৰণালী আৰু পদ্ধতি* মূলতঃ ক্ষেত্ৰ অধ্যয়ন বা থল পৰিদৰ্শন ভিত্তিক আৰু পুথিভঁৰালমুখী --দুটা স্বকীয় ধাৰাত বিভক্ত। ইয়াৰ উপৰি বিভিন্ন আন্তঃবিষয়সমূহৰ সমন্বয়ৰে ঐতিহাসিক সময়কাল আদি আৰু তাৰ অন্তঃবৰ্ত্তি উপাদানসমূহৰ বিশ্লেষণো নামতত্ত্ব অধ্যয়নৰ প্ৰণালী পদ্ধতিৰ অংগ। এই প্ৰস্তাৱনাৰেই নামতত্ত্বৰ প্ৰণালী আৰু পদ্ধতিৰ উপাদানসমূহক পৰীক্ষা কৰিব পাৰি।

*নামতত্ত্বৰ দৰ্শন* সমন্ধে ক'বলৈ হ'লে *নাম* একো-একোটা স্থিতি, সাংকেতিক চিহ্ন, চিনাকী কিম্বা পৰিচয়পত্ৰ। *নামতত্ত্ব অধ্যয়নৰ সমল, প্ৰণালী আৰু পদ্ধতিত* এই পৰিচয় প্ৰদান প্ৰক্ৰিয়াত জীৱ জগতৰ উপাদানসমূহ বিশেষকৈ মানৱ প্ৰজাতিৰ *মানসিক অৱস্থা* বা *মননশীলতা, মানসিক উৎকৰ্ষ সাধনৰ স্তৰ, বিশ্বজগত সম্বন্ধে বাস্তৱিক জ্ঞান* ইত্যাদিৰ সাংস্কৃতিক ক্ৰিয়া-কলাপেই ইয়াৰ মুখ্য উপাদান। *নাম* বা *পৰিচয়*ৰ গুণমান বিশিষ্টতা সৰ্বদায়েই আপেক্ষিক সম্পৰ্ক তথা অৱস্থাৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে *নাম* বা *পৰিচয়*ৰো সঘনে বিৱৰ্তন ঘটি থাকে। পৰিচয় প্ৰদানৰ অথবা নামকৰণৰ মুখ্য উপাদানটো *আক্ষৰিক, শব্দাংশৰ সংযোজন, গঠন*, ইয়াৰ *অৰ্থ* আৰু *পদ* আদিৰ বিশ্লেষণ প্ৰাথমিক পৰ্যায়ৰ *নামতত্ত্ব অধ্যয়নৰ সমল, প্ৰণালী পদ্ধতি*ৰ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ লগত সংযোজিত প্ৰাকৃতিক তথা সাংস্কৃতিক উপাদানৰ বিশ্লেষণো ইয়াৰ আওতাৰ ভিতৰত। কেতিয়াবা-কেতিয়াবা ধ্বনি সন্নিবিষ্ট সাংকেতিক চিহ্নৰ উপাদানো উপলক্ষ কৰা যায় আৰু সিও পৰিচয় বা নামৰ সমাৰ্থক। তেনেক্ষেত্ৰত এনে ধ্বনি চিহ্নৰ উদ্ভাৱন প্ৰয়োজনীয়তাৰ দিশটোও প্ৰণালী আৰু পদ্ধতি প্ৰক্ৰিয়াৰ অন্তৰ্গত। অন্যহাতে কিছুমান উপাদান অব্যক্ত অৱস্থাতো ব্যাপ্ত থাকে।

*নামতত্ত্বৰ* প্ৰধান শাখাবোৰ --*স্থাননাম, জল-পৰ্বতবাচক নাম, ব্যক্তি-জাতিবাচক নাম, উপাধিবাচক তথা আলি-পদুলি-ভাস্কৰ্য-স্থাপত্য-পথাৰ-হাবি-বননি নামৰ প্ৰণালী* আৰু ইয়াৰ *অধ্যয়নৰ পদ্ধতি*ৰ ক্ষেত্ৰত --*মূল শব্দ, উপসৰ্গ, প্ৰত্যয়, পদ, অলঙ্কাৰ,*

*অনুকাৰ যুক্ত, অৰ্থ, গুণৰাশি, অব্যক্ত-স্থিতি* আদি উপাদানসমূহৰ বিশ্লেষণতেই অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতি নিহিত হৈ আছে। *নামতত্ত্ব* অধ্যয়নৰ বাবে প্ৰাচীন প্ৰাচ্য আৰু পাশ্চাত্য দুয়ো সভ্যতাতে অৰ্থ ভাষাতত্ত্ব আৰু ব্যাকৰণৰ ওপৰত গুৰুত্ব দিয়া দেখা গৈছে। পশ্চিমীয়া গ্ৰীকসকলৰ মাজত হোমাৰৰ *ওডিচি*ৰ সৃষ্টিৰ দিনকে ধৰি মূলতঃ নামৰ অৰ্থ বিন্যাস আনহাতে প্ৰাচ্যৰ প্ৰাচীন ব্যাকৰণবিদ *পাণিনি* আৰু *পতঞ্জলিয়ে নামৰ --অৰ্থ, ধ্বনি, ব্যাকৰণ, ভাষাতত্ত্ব, ভৌগোলিক, ইতিহাস* আদি কেউটা দিশতে গুৰুত্ব দিছে। এই সন্দৰ্ভত *নামতত্ত্ব দৰ্শন* অধ্যায়ত সবিস্তাৰে বৰ্ণনা দিয়া হৈছে।

ওপৰৰ বিশ্লেষণসমূহক ব্যৱহাৰিক দিশত আগুৱাই নিওতে নামতত্ত্ব উপাদানসমূহৰ ক্ষেত্ৰ অধ্যয়নত --*গাঁও, কেন্দ্ৰ, মৌজা, মহকুমা, জিলা, প্ৰাদেশিক ভিত্তিৰ উপাদান, ঐতিহাসিক সময় নিৰ্ধাৰণ* আৰু *তুলনামূলক ব্যাখ্যা* ইত্যাদি অতিশয় গুৰুত্বপূৰ্ণ। ব্যক্তিবাচক নামৰ অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতিত ব্যক্তি নামসমূহৰ উৎসৰ শুদ্ধ সমল আৰু নামকৰণ প্ৰক্ৰিয়াৰ বিশ্লেষণেই মূলাধাৰ।

**সমল বা উৎস**

নামতত্ত্ব অধ্যয়নৰ সমল, প্ৰণালী আৰু পদ্ধতিত *নামতত্ত্ব* আৰু ইয়াৰ শাখাসমূহৰ বিজ্ঞানসন্মত অধ্যয়নৰ বাবে প্ৰয়োজন সাপেক্ষ সমলসমূহক প্ৰাথমিক পৰ্যায়ত নিৰ্ধাৰণ কৰি লোৱাটো একান্তই বাঞ্ছনীয়। *নামতত্ত্ব* অধ্যয়নত ব্যৱহৃত সমলসমূহক তিনিটা পৰ্যায় বা শ্ৰেণীত বিভক্ত কৰিব পাৰি।

১. প্ৰাথমিক পৰ্যায় বা প্ৰথম শ্ৰেণীৰ সমল।

২. দ্বিতীয় পৰ্যায় বা শ্ৰেণীৰ সমল।

৩. তৃতীয় পৰ্যায় বা শ্ৰেণীৰ সমল।

থলুৱা পৰিৱেশত প্ৰাথমিক পৰ্যায়ৰ সমলৰ ভিতৰত প্ৰধানকৈ --*থল* বা *ক্ষেত্ৰ পৰিদৰ্শন* আৰু *অনুসন্ধান-অধ্যয়ন, লোকসাহিত্য-সংস্কৃতিৰ সমল সংগ্ৰহ, পুৰাতাত্ত্বিক* আৰু *প্ৰত্নতাত্ত্বিক সমল, প্ৰাচীনতম্ সাহিত্য --বেদ, ব্ৰাহ্মণ, উপনিষদ, পুৰাণ, আৰণ্যক* আৰু *তন্ত্ৰ-মন্ত্ৰ, পাষাণলিপি, তাম্ৰলিপি, বুৰঞ্জী* বা *ইতিহাস* (প্ৰকাশিত যেনে --বিভিন্নজনৰ *অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, কছাৰী বুৰঞ্জী, দাতিয়লীয়া বুৰঞ্জী, ত্ৰিপুৰাৰ বুৰঞ্জী, আহোম বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী, ভূএগৰ বুৰঞ্জী, পাটশাহনামা* আৰু *চুতীয়াৰ বুৰঞ্জী* ইত্যাদি আৰু অপ্ৰকাশিত --ভিন ভিন *তাই-আহোম* আৰু *পুৰণি অসমীয়া ভাষাৰ বুৰঞ্জী, চৰিত পুথি, বংশাৱলী*), *বংশাৱলী* যেনে --*দৰং ৰাজবংশাৱলী, তুংখুঙীয়া বংশাৱলী, বুঢ়াগোঁহাই বংশাৱলী, বৰগোঁহাই বংশাৱলী, লানমাখু চেতীয়া বৰফুকন বংশাৱলী* প্ৰভৃতি; *মুদ্ৰা, গুৰুচৰিত, মন্দিৰৰ গাৰ লেখন, মন্দিৰৰ ঘণ্টাৰ লেখন, বৰতোপৰ গাৰ লেখন, বিদেশী পৰ্যটকৰ টোকা* আৰু বিৰৰণ যথা --গ্ৰীক্ পৰ্যটকঃ *মেগাস্থিনিচ্, প্লিনি, ষ্ট্ৰেব', কাৰটিয়াছ, দিওডৰচ্* আৰু *প্লুটাৰ্ক; চীনা পৰ্যটকঃ ফাহিয়ান, চাংকিয়েন* আৰু *হিউৱেন চাং;* মুছলমান পৰ্যটকঃ *আলবেৰুণী, মিনহাজ উজ চিৰাজ, ইবনবটুতা, মালিক উজবেক্, মিনাজুদ্দিন* আৰু *আবু উমৰ ই ওচমান;* শিখ পৰ্যটকঃ *গুৰু টেগবাহাদুৰ;* পটুগীজ পৰ্যটকঃ *ফাডাৰ ষ্টিফেন কেচেলা, ফাডাৰ জন কাব্ৰাল;* ফৰাচী পৰ্যটকঃ *ফ্ৰাঞ্চিচ্ বাৰ্নিয়াৰ;* ইটালীয়ান পৰ্যটকঃ *নিকলাও মেনুচি; ইংৰাজ পৰ্যটকঃ ৰাওলফিটচ্, আলেকজেণ্ডাৰ দাও* আৰু *কেপ্তেন ৰেলচ্* আৰু *ফ্ৰাঞ্চিচ্ হেমিলটন* প্ৰভৃতিসমূহক ধৰিব পাৰি।

দ্বিতীয় শ্ৰেণী পৰ্যায়ত *নামতত্ত্ব* অধ্যয়নৰ সমলে --*বিভিন্ন ৰাজপত্ৰ, ৰাজপত্ৰিকা, ভূমি সম্পৰ্কীয় দলিল, মানচিত্ৰত উল্লিখিত নাম, চৰকাৰী-বে-চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে সংৰক্ষিত কৰি ৰখা দলিল, প্ৰকাশিত* আৰু *অপ্ৰকাশিত গৱেষণামূলক গ্ৰন্থ* আদিক বুজায়।

তৃতীয় শ্ৰেণী বা পৰ্যায়ৰ *নামতত্ত্ব* অধ্যয়নৰ সমল বুলিলে আমি সাধাৰণতে বিভিন্ন *প্ৰকাৰৰ প্ৰকাশিত গ্ৰন্থ, আলোচনী* আৰু *টোকা* ইত্যাদিকে বুজো।

*নামতত্ত্ব* শাখাসমূহৰ অধ্যয়নৰ মাজত প্ৰণালী আৰু পদ্ধতি বহুলাংশে মিল থাকিলেও শ্ৰেণী বিভাজন সাপেক্ষ ইয়াৰ স্থিতি অৱশ্যেই সুকীয়া।

**ব্যক্তিবাচক নামকৰণ প্ৰক্ৰিয়াত** --*প্ৰাকৃতিক উপাদানৰ নাম, ঈশ্বৰ, দেৱ-দেৱতা-দেৱীৰ নাম, ঋষি-মুনিৰ পত্নীৰ নাম, গুণৰাশিৰ নাম, বাৰমাহৰ নাম, সাদিনৰ নাম, পৰিসাংখ্যিক নাম, উপনাম, বেয়া নাম অৰ্থাৎ অপদেৱতাৰ পৰা হাত সাৰিবলৈ দিয়া নাম, জোকোৰা নাম, ওৰফে নাম, ছদ্ম নাম, গুপ্ত নাম বা সোঁৱৰণি নাম, জীৱ-জন্তুৰ নাম, বন-বিৰিখৰ নাম, ফল-ফুলৰ নাম, গ্ৰহ-নক্ষত্ৰৰ নাম, নদী-পৰ্বত-গুহাৰ নাম, বিভিন্ন পাথৰৰ নাম, প্ৰসাধন সামগ্ৰীৰ নাম, গহনা-গাঁঠিৰ নাম, ৰাগ-ৰাগিনীৰ নাম, স্বৰ্গীয় নৃত্য পটিয়সীৰ নাম, যুৱতীয়া নাম, লোকসাহিত্যৰ নাম, বৈদিক নাম, মহাকাব্যিক নাম, ঐতিহাসিক নাম, ব্ৰহ্মা-বিষ্ণু-ৰুদ্ৰ-মহেশ্বৰ-গণেশ* আদিক লৈ *শত-সহস্ৰাধিক নাম, বিদ্যাৰ উপাধিৰ নাম, ঐতিহাসিক ৰজা-ৰাণীৰ নাম, অব্যক্তৰ নাম, পুৰুষ-প্ৰকৃতি, প্ৰকৃতি-পুৰুষৰ যুগ্ম নাম, শৈৱিক-শাক্ত-বৈষ্ণৱ নাম, মহাপুৰুষৰ নাম, পদাৰ্থৰ নাম, গ্ৰন্থৰাজিৰ নাম, স্থাননাম, পদৱী-বিষয়াৰ নাম, মৰমিয়াল* বা *আদৰৰ নাম* আৰু *কাব্যিক নাম* প্ৰভৃতিবোৰে ক্ৰিয়া কৰাৰ লগে-লগে নামতত্ত্ব অধ্যয়নৰ সমল, প্ৰণালী আৰু পদ্ধতিৰো ভিত্তি স্বৰূপ হৈ পৰে।

*নামতত্ত্বৰ* প্ৰণালী আৰু পদ্ধতিত ব্যক্তিবাচক নামৰ কিছুমান মূল-মূল সূত্ৰই ক্ৰিয়া কৰি থাকে যথা--

➢ কোনো ব্যক্তিবাচক তথা কোনো ধৰণৰ নাম বা পৰিচয় অৰ্থবিহীন নহয়।

➢ ব্যক্তি নামে অতীত-বৰ্তমান আৰু ভৱিষ্যৎ, ব্যাকৰণ, ভাষাতত্ত্ব, ধৰ্ম-সংস্কৃতি আদি নীৰৱে কৈ থাকে।

➢ ব্যক্তিবাচক নাম কেতিয়াবা প্ৰত্যয় বিহীন, কেতিয়াবা প্ৰত্যয়যুক্ত হৈ থাকে।

➢ ব্যক্তিবাচক নামত বিশেষ্যৰ লগত বিশেষণ, বিশেষণৰ লগত বিশেষ্য আৰু উভয় লিঙ্গৰ উপস্থিতি কাৰকসমূহো দেখিবলৈ পোৱা যায়।

*ব্যক্তিবাচক নামতত্ত্বৰ* বিশেষ উপাদান অধ্যয়নৰ সুক্ষ্মস্তৰত প্ৰণালী আৰু পদ্ধতিত গ্ৰহণ কৰিব লগা ব্যৱস্থাৱলী হৈছে --

ক. ব্যক্তিবাচক নামৰ শুদ্ধতা।

খ. ব্যক্তিবাচক নামৰ ভাষাৰ গুৰি, ধ্বনিতত্ত্ব, ভাষাতত্ত্ব-ব্যাকৰণ আদি।

গ. ব্যক্তিবাচক নামৰ অৰ্থ।

ঘ. ব্যক্তিবাচক নামৰ লগত জড়িত থকা সম্ভাব্য সন্ধি বা পদৰ বিশ্লেষণ।

ঙ. নামৰ ঐতিহাসিক সময়, ধৰ্ম্মীয়, ধৰ্ম্মনিৰপেক্ষ আৰু গুণমান বিশিষ্ট পটভূমি।

চ. ব্যক্তিবাচক নামৰ তুলনামূলক অধ্যয়ন।

ছ. ব্যক্তিবাচক নামৰ শ্ৰেণীবিভাজন।

জ. ব্যক্তিবাচক অব্যক্ত নামৰ বিৱৰণ।

ঝ. ব্যক্তিবাচক নামৰ লিঙ্গ ভিত্তিক বিচাৰ।

ঞ. ব্যক্তিবাচক যৌথ বা যুগ্ম নামৰ অৰ্থৰ বিশ্লেষণ।

ট. ব্যক্তিবাচক অলংকাৰযুক্ত-অনুকাৰযুক্ত-কাব্যিক নামৰ বিশ্লেষণ ইত্যাদি।

ঠ. ব্যক্তিবাচক নাম বহু সময়ত একাধিকভাৱে ব্যৱহাৰ হয় যেনে --সোঁৰণী নাম বা গুপ্ত নাম, মৰমত মতা নাম, পোচাকী নাম, জোকোৱা নাম, লিখক-নাট্যকাৰ-অভিনেতাৰ উপনাম, উগ্ৰপন্থী সংগঠনৰ সভ্যৰ উপনাম আৰু চমু নাম প্ৰভৃতি।

ব্যক্তিবাচক নামৰ অধ্যয়নৰ সমল, প্ৰণালী ও পদ্ধতিৰ --উপাধি বা পদৱী, স্থাননাম, জলবাচক, পৰ্বতবাচক নাম, জনবসতিবিহীন পথাৰ-হাবি-বননিৰ নাম, যোগাযোগ ব্যৱস্থা আৰু গড়-আলি-পদুলিৰ নাম আদিৰ অধ্যয়নৰ প্ৰণালী আৰু



পদ্ধতিৰ মাজত সামঞ্জস্য আছে। উত্তৰ আধুনিক কালৰ গোলকীকৰণ বিশ্বৰ বৰ্তমান সময়ত বিশেষকৈ উন্নত পশ্চিমীয়া দেশসমূহত উপাধি বা পদৱীবাচক নামৰ অধ্যয়নত উপাধিৰ অৰ্থ বিশ্লেষণৰ উপৰি বংশমৰ্যাদা তথা বংশৰ শিপা আৰু ইতিহাসসমূহৰ অধ্যয়নো ব্যাপকভাৱে প্ৰচলিত হৈছে।

**স্থাননাম অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতি ঃ** *স্থূল* আৰু *সুক্ষ্ম* এই দুই পৰ্যায়ত ইয়াক গ্ৰহণ কৰিব পাৰি। স্থাননামৰ প্ৰণালী আৰু পদ্ধতিত সাধাৰণতে নিম্ন বৰ্ণিত উপায়েৰে সমলসমূহ সংগ্ৰহ কৰা হয়।

ক. স্থাননামৰ ক্ষেত্ৰ ভিত্তিক জৰীপ ঃ জৰীপকাৰীয়ে সৰ্বপ্ৰথমেই স্থাননামৰ অঞ্চল বিশেষৰ *ভূতত্ত্ব, ভূগোল, নৃতত্ত্ব, উদ্ভিদ-প্ৰাণী বিজ্ঞান, পুৰাতত্ত্ব, প্ৰত্নতত্ত্ব, ভাস্কৰ্য-স্থাপত্য, লোকসাহিত্য, ইতিহাস, পৰিৱেশ-পৰিস্থিতি, সমাজতত্ত্ব* আৰু *ৰাজনীতি বিজ্ঞান* আদি বিষয় সমন্ধীয় প্ৰাথমিক জ্ঞান আহৰণ কৰা নিতান্তই প্ৰয়োজন। জৰীপকাৰীসকল একে সময়তে প্ৰাথমিক পৰ্যায়ৰ--ভূতত্ত্ব, *ভূগোলবিদ্যা, নৃতত্ত্ব, উদ্ভিদ-প্ৰাণীবিজ্ঞান, পুৰাতত্ত্ব, প্ৰত্নতত্ত্ব, ভাস্কৰ্য-স্থাপত্যবিদ্যা, ইতিহাস, ভাষাতত্ত্ব, কলা, পৰিৱেশ-পৰিস্থিতি অধ্যয়ন বিজ্ঞান, সমাজ বিজ্ঞানৰ* যৌথ ভূমিকা পালন কৰিব পৰা গুণমান বিশিষ্ট ব্যক্তি হোৱা প্ৰয়োজন। জৰীপকাৰীয়ে স্থাননামৰ সমল আহৰণ কৰোতে --*দেশ, প্ৰদেশ, জিলা, মহকুমা, চক্ৰ, মৌজা, গাঁও* আৰু *চুবুৰি* প্ৰভৃতিৰ উপাদানক সামৰিব লাগে। জৰীপকাৰীয়ে জৰীপ কাৰ্যৰ দলপতিৰ নিৰ্দেশ অনুযায়ী নিদিষ্ট সমলসমূহক আক্ষৰিক ক্ৰম অনুসাৰে বাচিলৈ শ্ৰেণী অনুযায়ী ইয়াক চিহ্নিত (*codify*) কৰি লোৱাৰ প্ৰয়োজন।

খ. নিৰ্দিষ্ট স্থাননামৰ অক্ষাংশ-দ্ৰাঘিমাংশৰ বিচাৰ, স্থাননামৰ উচ্চতা-নিম্নতা।

গ. স্থাননামৰ লগত জড়িত সংশ্লিষ্ট নদীৰ সোঁপাৰ-বাওঁপাৰ বা উত্তৰ-দক্ষিণৰ বিচাৰ।

ঘ. স্থাননামৰ প্ৰদেশ-জিলা-মহকুমাভিত্তিক অৱস্থিতি।

ঙ. শুদ্ধৰূপৰ স্থাননামৰ বাছনি।

চ. স্থাননামৰ অৰ্থ।

ছ. স্থাননামৰ ভাষাতাত্ত্বিক বিশ্লেষণ।

জ. স্থাননামৰ নামকৰণৰ লগত জড়িত নৃগোষ্ঠী বা জাতি-প্ৰজাতিৰ নাম আৰু ভাষা তথা ধৰ্ম্মীয় বৈশিষ্ট্য।

ঝ. স্থাননামৰ লগত সংযোজিত ইতিহাস, পাৰ্শ্বৱৰ্তী অঞ্চলৰ মঠ, মন্দিৰ, দৌল-দেৱালয়, পুখুৰী আৰু ৰাজহাউলি আদি সাংস্কৃতিক উপাদানৰ বিশদ বিৱৰণ।

ঞ. বিশেষ স্থানৰ জনবসতি আৰু বিৱৰ্তন, অৰ্থনৈতিক-সামাজিক তথা ৰাজনৈতিক অৱস্থা।

ট. স্থাননামৰ লগত সংযোজিত ভূতাত্ত্বিক, পৰিৱেশ সমন্ধীয় তথা পুৰাতাত্ত্বিক বিৱৰণ।

ঠ. স্থাননামৰ পৰিৱৰ্তন আৰু পুৰণি নামৰ বিশ্লেষণ।

ড. স্থাননামৰ লগত জড়িত জলবায়ু --উত্তাপ, বৰষুণ, জাৰ-জহ।

ঢ. স্থাননামৰ লগত জড়িত পৰ্যটন ব্যৱস্থাৰ সা-সুবিধা।

ণ. স্থাননামৰ লগত সংশ্লিষ্ট ধৰ্ম্মীয় ধাৰা আৰু পৰম্পৰা প্ৰভৃতিসমূহৰ বিস্তৃত বিৱৰণ ৰাশিয়েই স্থাননামৰ সুক্ষ্ম পৰ্যায়ত প্ৰণালী আৰু পদ্ধতি প্ৰক্ৰিয়া ইত্যাদি।

স্থাননাম অধ্যয়নত নিম্নবৰ্ণিত প্ৰণালী বা পদ্ধতিও ব্যৱহাৰ কৰিব পাৰি যথা-

. অধ্যয়ন কৰিবলৈ লোৱা নিৰ্দিষ্ট অঞ্চলৰ ভূতাত্ত্বিক, ভৌগোলিক, নৃতাত্ত্বিক, ইতিহাস, পৰিৱেশ বিজ্ঞান আদিৰ বিস্তৃত বৰ্ণনাৰে তথা স্থাননামতত্ত্বৰ ইতিহাস সম্বলিত টোকাৰে বিষয় প্ৰৱেশ অধ্যায়।

নিৰ্দিষ্ট অঞ্চলৰ স্থাননাম আৰু তাৰ প্ৰয়োজনীয় প্ৰাথমিক আৰু দ্বিতীয়-তৃতীয় পৰ্যায় বা শ্ৰেণীৰ সমল পাব পৰা বিষয়সমূহৰ অধ্যয়ন।

নিৰ্দিষ্ট অঞ্চলৰ স্থাননামসমূহৰ নামকৰণ হোৱা পদ্ধতিৰ অধ্যয়ন।

নিৰ্দিষ্ট অঞ্চলৰ স্থাননামৰ শ্ৰেণী বিভাজন।

প্ৰাচীন থলুৱা ভাষিক গোষ্ঠীসমূহৰ বিৱৰণেৰে আৰু ভাষা অনুসৰি স্থাননামৰ অৰ্থ তথা ভাষাতাত্ত্বিক বিৱৰণ।

নিৰ্দিষ্ট অঞ্চলৰ বিশেষ-বিশেষ স্থানবোৰৰ অতীত বুৰঞ্জী।

লোক সাহিত্যত উল্লেখিত বা প্ৰতিফলন হোৱা নিৰ্দিষ্ট অঞ্চলৰ স্থাননাম।

নিৰ্দিষ্ট অঞ্চলৰ ধৰ্ম-সংস্কৃতিৰ লগত জড়িত স্থাননাম।

নিৰ্দিষ্ট অঞ্চলৰ স্থাননামবোৰৰ লগত জড়িত বুৰঞ্জী নৃতাত্ত্বিক ঘটনা প্ৰৱাহৰ বিৱৰণ (স্থাননামৰ আগত বহা প্ৰত্যয়, স্থাননামৰ পিছত বহা প্ৰত্যয়, একক বা মৌলিক স্থাননাম)।

সামৰণি।

পৰিশিষ্ট, গ্ৰন্থপঞ্জী, মানচিত্ৰ, আলোকচিত্ৰ আদি সমাহাৰ। (এই প্ৰণালী আৰু পদ্ধতি লিখকৰ চনৰ *টপ'নিমি অৱ আছাম* গ্ৰন্থত ব্যৱহাৰ কৰা হৈছে।)



**জল আৰু পৰ্বতবাচক নাম অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতি**

অধ্যয়নকাৰীৰ পৰ্যাপ্ত পৰিমাণে প্ৰকৃতিৰ উপাদানসমূহৰ ভিন্-ভিন্ প্ৰকাৰৰ গুণমান বিশিষ্টতাৰ ওপৰত গভীৰ জ্ঞান থকাৰ প্ৰয়োজন। সাধাৰণতে জল আৰু পৰ্বতবাচক নামৰ শিতানত নামবোৰ প্ৰাচীন হোৱাৰ কাৰণে প্ৰাকৃতিক গুণাগুণেই প্ৰধান্য পাই আহিছে। সেয়েহে অনাদি কালৰে পৰা পৃথিৱীৰ বিভিন্ন প্ৰান্তত বসবাস কৰা আদি নৃগোষ্ঠীসমূহে তেওঁবিলাকৰ সামূহিক প্ৰাকৃতিক জ্ঞানৰ আধাৰত মান অনুসৰি জল আৰু পৰ্বতবাচক নামসমূহ নামকৰণ কৰি আহিছে। জলবাচক নামৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰণালী আৰু পদ্ধতি স্থাননামৰ আনুসঙ্গিক উপাদানৰ লগতে --জলৰাশিৰ ঃ উৎসৰ চৰিত্ৰ, মধ্যভাগ-নিম্নভাগৰ অৱস্থা, সংগমস্থলৰ চিত্ৰ, উচ্চতা, আকাৰ সৰু-ডাঙৰ, দ-বাম, পাৰৰ চৰিত্ৰ, পানী-পাহাৰৰ ৰং, গতিবেগ, ঢৌ, বোকা-পানী, পানীৰ উত্তাপ, পানীৰ পৰিষ্কাৰ-মলিনতাৰ চৰিত্ৰ, পানীৰ ৰাসায়নিক উপাদান, পানীৰ সোৱাদ-টেঙা, নদীৰ গড়া, উচ্চতা-নিম্নতা, মাছ-পুঠি আৰু অন্যান্য জলজ প্ৰাণীৰ অৱস্থিতি, পাৰৰ প্ৰাকৃতিক সমল --উপনৈ, উদ্ভিদ-পৰ্বত-পাহাৰ, সাংস্কৃতিক ইতিহাস, কৰ্মৰাজি ও সভ্যতা ইত্যাদিবোৰ নিহিত হৈ আছে। জলবাচক আৰু পৰ্বতবাচক নামৰ অধ্যয়নতো *ভূতাত্ত্বিক, ভূগোলবিদ্, পুৰাতাত্ত্বিক, ভাস্কৰ্য-স্থাপত্যবিদ্, ইতিহাসবিদ্, অৰ্থনীতিবিদ, সমাজতাত্ত্বিক, নৃতাত্ত্বিক, ভাষাতাত্ত্বিক, পৰিৱেশ-পৰিস্থিতি অধ্যয়ন বিজ্ঞানী, উদ্ভিদ-প্ৰাণী বিজ্ঞানী* আদিৰ ইতিহাসৰ সময় সাপেক্ষে উমৈহতীয়া বিশ্লেষণৰ প্ৰয়োজন।

পৰ্বতবাচক নামৰ অধ্যয়নৰ ক্ষেত্ৰত--মূলতঃ *ভূতাত্ত্বিক্* আৰু *ভৌগোলিক* তথা সাংস্কৃতিক জ্ঞানৰ প্ৰয়োজন। পৰ্বতবাচক নামৰ অধ্যয়নৰ লগত ভূ-প্ৰাকৃতিক উপাদান গঠনৰ সময়, গঠনৰ উপাদান, গঠন প্ৰণালীৰ বৈশিষ্ট্য, ৰং, আকাৰ, উচ্চতা-নিম্নতা, বয়স, খনিজ সম্পদ, সংশ্লিষ্ট নদী বা আন-আন প্ৰাকৃতিক উপাদান, বন-বিৰিখ, জীৱ-জন্তু-পক্ষীৰ উপস্থিতিৰ উপৰি জনসাহিত্য বা লোকসাহিত্যৰ উপাদান, বৈদিক যুগ বা তাৰো পূৰ্বৰ আদি মানৱৰ সাংস্কৃতিক জগতৰ ধৰ্ম্মীয় ধাৰা-পৰম্পৰা বিশেষকৈ জড়ো উপাসনা, ঋষি-মুনিৰ আস্থান-আশ্ৰম, ঐতিহাসিক যুদ্ধ-বিগ্ৰহ-চুক্তি-জয়-পৰাজয় আদি সমলসমূহ নিৰৱছিন্নভাৱে জড়িত হৈ আছে। সূক্ষ্মস্তৰত জল আৰু পৰ্বতবাচক নামৰ অধ্যয়নত বিশিষ্ট জল বা পৰ্বতবাচক উপাদানৰ ভূতাত্ত্বিক্ গঠনৰ সময় নিৰূপনৰ লগতে স্থাননামত ব্যৱহাৰ কৰিব পৰা প্ৰণালী আৰু পদ্ধতিকেই প্ৰয়োগ কৰিব পাৰি।

আধুনিক বিশ্বত বিশেষকৈ পশ্চিমীয়া উন্নত দেশসমূহত স্থাননাম, পৰ্বত-

জল-আলি-পদূলি-বস্তু-জনবসতিবিহীন স্থানবাচক বিষয় সন্নিৱিষ্ট উপাদানসমূহৰ ক্ষেত্ৰত আজি গোলকীকৰণ বিশ্বৰ ব্যাপক অৰ্থনৈতিক পৰিসৰৰ সুবিধাৰ্থে--খনিজাত পদাৰ্থৰ আহৰণ, প্ৰাচীন তথা মধ্যযুগীয় ঐতিহাসিক সম্পদৰ সংৰক্ষণ, পৰ্বত আৰোহণ, পৰ্যটন, যোগাযোগ, বিভিন্ন জল-পৰ্বতমাতৃক খেল-ধেমালি, শাৰীৰিক মানসিক ক্ষেত্ৰৰ উন্নয়নৰ হকে ন-ন সাংস্কৃতিক উপাদান উদ্ভাৱনেৰে পূৰ্বৰ এই ধাৰাসমূহৰ অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতিত নৱতম সংযোজন হ'ব ধৰিছে।

*নামতত্ত্ব* আৰু ইয়াৰ শাখা-প্ৰশাখাসমূহৰ পদ্ধতি আৰু প্ৰণালীৰ অধ্যয়নৰ উপসংহাৰত সুক্ষ্ম পদ্ধতিৰে কিদৰে মৌলিক উপাদানবিলাকৰ বিশ্লেষণ কৰিব পাৰি, তাৰ কেইটামান উদাহৰণ আগবঢ়োৱা হ'ল।

**ব্যক্তিবাচক নামৰ উদাহৰণ ঃ অনিৰুদ্ধ ঃ** প্ৰাচীন সংস্কৃত ভাষাৰ ৰূপ ন-ৰুদ্ধ >আধুনিক পৰিৱৰ্তীত অসমীয়া ৰূপ অনিৰুদ্ধ। মূলতঃ ই ভাৰতীয় মূলৰ। নামবাচক বিশেষ্য পদ। লিঙ্গ --পুংলিঙ্গ। অৰ্থ --অজেয়, অপ্ৰতিৰোধ্য। মহাভাৰতৰ খ্যাত শ্ৰীকৃষ্ণৰ নাতি আৰু প্ৰদ্যুন্নৰ পুত্ৰ --অনিৰুদ্ধ। শোণিতৰাজ বাণাসুৰৰ ৰাজকন্যা ঊষাৰ স্বামী। অনিৰুদ্ধ নাম বজ্ৰৰ পিতৃৰ লগত জড়িত। ব্ৰহ্মা-বিষ্ণু অৱতাৰৰ এক অংশ। শাক্যমুনিৰ সহযোগী। মহাভাৰতত খ্যাত অন্য এক চৰিত্ৰ --বৃষ্ণি। অসমৰ খ্ৰীঃ ১৭ শতিকাৰ নৱবৈষ্ণৱ ধৰ্মৰ মায়ামৰীয়া ঠালৰ এগৰাকী প্ৰধান গুৰু। অনিৰুদ্ধ নামৰ ব্যক্তিবাচক নাম গুণৰাজি বিশিষ্ট শ্ৰেণীৰ অন্তৰ্গত।

ব্যক্তিবাচক নামৰ লগতে জড়িত আন-আন ব্যক্তিবাচক নামৰ শ্ৰেণীবোৰ হৈছে--*জোকোৱানাম, জোৱানাম, উপনাম, সোৰৰণী বা গুপ্তনাম, বিয়াৰ পিছৰ নাম, মৰমৰ নাম, ওৰফে নাম, লিখক, খেলুৱৈ তথা বিভিন্ন সংগঠনৰ ছদ্ম নাম* আৰু *ধৰ্ম্মীয় নাম* ইত্যাদি।

**পৰোক্ষ নাম বা টেকন'নিম ঃ** এই পৰোক্ষ নাম বা টেকন'নিমত সাধাৰণতে কোনো কোনো সামাজিক ৰীতি-নীতিৰ বাবে ব্যক্তিবাচক নাম উচ্চাৰণ কৰা নাযায়। বিশেষত বিবাহিতা মহিলাই বিশেষ-বিশেষ অৱস্থাত মধ্যযুগৰে পৰা প্ৰায় বৰ্তমান সময়লৈকে স্বামীৰ নাম পোনপতীয়াকৈ লোৱাটো সামাজিকভাৱে অসন্মানসুচক, আনহাতে দৈৱ শক্তিৰ কু-প্ৰভাৱৰ পৰা স্বামীক ৰক্ষণাবেক্ষণ দিবলৈ পৰোক্ষ নাম ব্যৱহাৰ কৰি আহিছে। এনেক্ষেত্ৰত মহিলাই পোনপতীয়াকৈ নিজৰ স্বামীৰ নাম কোৱাৰ বিপৰীতে ল'ৰা-ছোৱালী, ভাই-ভতিজা, লগ-সমনীয়াৰ সহায়ত নাম প্ৰকাশ কৰাৰ প্ৰয়াস কৰে যেনে --দেউতাৰৰ নামটো, ভিনিহিয়েৰ-খুৰাদেউৰাৰ নামটো বা এওঁৰ নামটো কৈ দিয়া প্ৰভৃতি। আমাৰ সামাজিক ব্যৱস্থাত একালত ই বা এওঁ



আমুকৰ পুতেক বা জীয়েক, ভায়েক বা ভনীয়েক, ভতিজা বা ভাতিজী আদিবোৰো প্ৰচলিত আছিল। কেতিয়াবা-কেতিয়াবা স্বামীৰ নাম এনে যে পৰিবাৰে সামাজিকভাৱে উল্লেখ কৰিবলৈ লাজ অনুভৱ কৰে ধৰি লোৱা হওক --এগৰাকী ব্যক্তিৰ নাম *তিতাৰাম*। সেই *তিতাৰাম* এবাৰ --তিতাৰাম *তিতাবৰলৈ গৈছিল, তিতাবৰৰ পৰা তিতাৰামে তিতাকেৰেলা আনিছিল, তিতাকেৰেলাবোৰ যে ইমান তিতা, তিতাৰামেও তিতাখিনি খাব নোৱাৰিলে।* এই বাক্যশাৰী *তিতাৰাম*ৰ স্ত্ৰীয়ে আনৰ আগত ক'বলৈ হ'লে কব --*সিজন সিঠাইলৈ গৈছিল, সিঠাইৰ পৰা সিজনে সিজনবোৰ আনিছিল, সিবোৰ যে ইমান সিজন, সিজনেও সিবোৰক খাব নোৱাৰিলে।* কেতিয়াবা বিশেষ পৰিস্থিতিত নিজৰ স্বামীৰ নাম নলৈ --*আমুকৰ দেউতাক, আমুকৰ খুড়াক, আমুকৰ পেহাক* ইত্যাদি। এনেদৰে ব্যক্তি বিশেষৰ পোনপটীয়াকৈ নাম নলৈ *পৰোক্ষ নাম* বা *পৰিচয়*ৰ ব্যৱহাৰিক দিশটোকেই --*পৰোক্ষ নাম* বা *টেকন'নিম* বোলা হয়। আৰু এনে নাম পৃথিৱীৰ পূব-পশ্চিম আৰু উত্তৰ-দক্ষিণ কেও দিশতে প্ৰচলিত হৈ আছে।

[illegible] ঃ

**বেজবৰুৱা ঃ** *বেজবৰুৱা* শব্দ এক জীৱিকাভিত্তিক মধ্যযুগৰ পদৱী। *বেজ* বা *বৈদ্য* শব্দৰ লগত তাই-আহোমসকলৰ ৰাজত্ব কালৰ *বৰুৱা* অৰ্থাৎ এটা শাখাৰ প্ৰধানৰূপে উপাধি বা পদৱী সংযোগ হৈ গঠন হৈছে। ইয়াত *বেজ* শব্দই মধ্যযুগৰ চিকিৎসকক বুজাইছে। *বৰুৱা* শব্দই সেইকালৰ বেজসকলৰ ওপৰৰ বিষয়ববীয়া বা আজিৰ অধীক্ষক সমপৰ্যায়ৰ দায়িত্বশীল বিষয়া। সেইয়ে বেজবৰুৱা। এই বেজবৰুৱাসকলকে ৰাজবৈদ্যও বুজোৱা হৈছিল। তাই-আহোমসকলে তেওঁলোকৰ ভাষাত ইয়াকে--ফুকে-চাংচাৰি বুলিছিল। এই চাংসাৰি বা বেজ-বৈদ্যৰ বসবাসৰ গাঁৱক লৈয়ে উত্তৰ কামৰূপত *চাংসাৰি* আৰু উজনিত চাংচোৱা বেজৰ আৱাস স্থানক লৈ *চাংচোৱা* নামৰ স্থান (গোলাঘাট জিলা)। বেজবৰুৱা উপাধি বা পদৱী খ্ৰীঃ ১৭ শতিকাত আহোম স্বৰ্গদেউ চ্যুতল্লা ওৰফে জয়ধ্বজসিংহদেৱৰ দিনত সৃষ্টি হৈছিল। তেতিয়াৰ পশ্চিম দেশৰ পৰা অহা *কলিবৰ ব্ৰাহ্মণ*ক ১০০০ পুৰা ব্ৰহ্মোত্তৰ মাটি দানেৰে মুং-ডুন-চুন-খামৰ ৰাজধানী গড়গাঁৱৰ ৰাজকীয় চিকিৎসালয়ত বেজ-বৈদ্যৰ প্ৰধান বা বেজবৰুৱা পাতি প্ৰতিষ্ঠা কৰিছিল। *কলিবৰ ব্ৰাহ্মণ* আধুনিক অসমৰ সাহিত্যজগত খ্যাত সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ পূৰ্ব্বপুৰুষ আছিল। তদানিন্তন বেজবৰুৱাসকলে বন-বিৰিখৰ পৰা ঔষধ তৈয়াৰ কৰাৰ উপৰি ৰোগীৰ নাড়ী-নক্ষত্ৰৰ পৰীক্ষা-নিৰীক্ষাও কৰিছিল। প্ৰয়োজন সাপেক্ষে যৌগিক আচাৰ-নীতিকো চিকিৎসা ব্যৱস্থাৰ লগত সংযোগ ঘটাইছিল। তেতিয়াৰ চিকিৎসক

বা বেজসকলৰ কেবাটাও ঠাল বা ফৈদ আছিল, যেনে --বিহিয়া, বিহতোলা, চাংবেজ, জৰা বেজ আৰু বেচাবেজ প্ৰভৃতি। এওঁবিলাকক ভিন্ ভিন্ প্ৰকাৰৰ বনৌষধি সংগ্ৰহৰ কামত ব্যৱহাৰ কৰা হৈছিল। মধ্যযুগৰ চিকিৎসাৰ ব্যৱস্থাৰ বাবে কেবাখনো নিদান বা চিকিৎসা শাস্ত্ৰ প্ৰচলিত আছিল। উক্ত নিদানবোৰ এই বেজবৰুৱাসকলেই বৈদ্য তথা বেজসকলৰ সাহায্যত ৰচনা আৰু প্ৰচাৰ কৰিছিল। বেজবৰুৱা আৰু বেজৰ খেলৰ লগত তেতিয়াৰ গন্ধীয়া-ৰসেন্দ্ৰসকলৰ এক সুসম্পৰ্ক আছিল। বেজবৰুৱাসকলক চিকিৎসাৰ বিষয়ৰ উপৰিও দেশৰ গাভৰুসকলৰ মেল চোৱাচিতা কৰিবলৈও দায়িত্ব দিয়া হৈছিল। সেইফালৰ পৰা এওঁবিলাক গাভৰু মেলীয়া বৰুৱা পদৱীৰ খিতাপো পাইছিল। ব্যৱহাৰিক অৰ্থত বেজবৰুৱাসকল ৰজাৰ ব্যক্তিগত চিকিৎসক হোৱাৰ উপৰি ৰাজসভাৰ বৌদ্ধিক চিন্তা-চৰ্চাৰো আঙ্গিক হৈ পৰিছিল। চিকিৎসাৰ লগত জড়িত *বেজবৰুৱা* পদৱীৰ উপৰিও নামনি অসমত জীৱিকা সম্বলিত *চুলিকটা খেলৰ মুৰব্বী* হিচাপেও উক্ত পদৱী বিতৰণ কৰা হৈছিল। সেয়েহে *বেজবৰুৱা* পদৱী --*ব্ৰাহ্মণ, আহোম, দৈৱজ্ঞ, গণক*ৰ উপৰি অনুসুচিত *নাপিত* সম্প্ৰদায়ৰ মাজতো প্ৰচলিত হোৱা দেখা যায়। প্ৰাথমিক স্তৰত *বেজবৰুৱা পদৱী* বা *উপাধি* তাই-আহোম, ব্ৰাহ্মণসকলৰ মাজতেই সীমিত আছিল। বেজবৰুৱাসকলক তাই-আহোম চাওফা বা স্বৰ্গদেউসকলে ৰাজকীয় চনদ বা তাম্ৰ শাসনেৰে পৰ্যাপ্ত পৰিমাণৰ ভূমিদান কৰিছিল। পৰৱৰ্তীকালত বেজবৰুৱাসকলক সত্ৰ-সচং, মঠ-মন্দিৰ চোৱাচিতাৰ বাবেও নিয়োগ কৰা হৈছিল। *বেজবৰুৱা পদৱী* বা *উপাধি* জীৱিকা সম্বন্ধীয় খেল শ্ৰেণীৰ অন্তৰ্গত। উল্লেখনীয় যে *বেজবৰুৱা*ৰ তলতে কুৰি বেজৰ ওপৰত এগৰাকী *বেজবৰা* উপাধি বা পদৱীৰ বিষয়া আছিল। সেয়ে *বেজবৰা* এটি উপাধি বা পদৱী। *বেজবৰুৱা পদৱী* বা *উপাধি* অসমৰ উজনি-নামনি দুয়োটা অংশতে সিচঁৰিত হৈ আছে। উপাধি বা পদৱীৰ অধ্যয়নৰ যোগেদি এছোৱা ঐতিহাসিক সময়ৰ অৰ্থনৈতিক-ৰাজনৈতিক-সামাজিক ক্ৰমণিকাৰ এখন চিত্ৰ পাব পাৰি।

**স্থাননাম বৰ্ণনাৰ উদাহৰণ**

**অসম ঃ** ভৌগোলিকভাৱে ভাৰতবৰ্ষৰ উত্তৰ-পূবত --২৩°৪২$^{/}$ - ২৮°৩২$^{/}$২০$^{//}$ উত্তৰ অক্ষাংশ আৰু --৮৯°৩৬$^{/}$০৫$^{//}$- ৯৬°৪৫$^{/}$৪০$^{//}$ পূব দ্ৰাঘিমাংশৰ মধ্য অঞ্চলত আধুনিক অসমত ব্যাপ্ত হৈ আছে। ভূতাত্ত্বিকভাৱে এই ভূখণ্ড *প্ৰিকেমব্ৰিয়ান, আপাৰ ক্ৰিটাচিয়াচ্, ই'ৱচিন, অলিগ'চিন, মাইঅ'চিন, মাইঅ'-প্লাইঅ'চিন, প্লাইঅ'-প্লাইষ্ট'চিন, ৰিচেণ্ট* আৰু *কোৱাটাৰনেৰি* স্তৰৰ শিলাখণ্ডৰে গঠিত। ভূতাত্ত্বিক অধ্যয়নে সম্ভেদ দিয়ামতে অসমৰ ভূখণ্ডৰ তলত --*লৌহ, চিলিমিনাইট,*



*ইউৰেনিয়াম, চুণশিল, মূল্যৱান ছেণ্ডষ্টন-কোৱাৰ্টজাইট-নিচ্-চেল-ক্লে-চল্ট, কয়লা, প্ৰাকৃতিক গেচ* আৰু *তেল* আদি প্ৰচুৰ পৰিমাণে লুকাই আছে। অসমৰ জলবায়ু নাতিশীতোষ্ণ অঞ্চলৰ অন্তৰ্গত। তদুপৰি দক্ষিণ-পশ্চিম আৰু উত্তৰ-পূব মৌচুমীবলয়ৰ দ্বাৰা প্ৰভাৱান্বিত। শীতকালৰ উত্তাপ স্থানভেদে ৩°-৪°চেণ্টিগ্ৰেডলৈ, গ্ৰীষ্মকালত ই প্ৰায় ৩৬° মানলৈ প্ৰসাৰিত হয়। ছয়ঋতু বিশিষ্ট অসমত বৰষুণৰ তাৰতম্য আছে। সেয়ে হ'লেও গ্ৰীষ্ম-বৰ্ষা ঋতুত গড় প্ৰতি ৬০-৭০ ইঞ্চি আকৌ শীত বা বসন্ত ঋতুত ই প্ৰায় ১০-১৫ ইঞ্চিলৈ নামি আহে। গ্ৰীষ্ম-বৰ্ষা ঋতুত জল আৰ্দ্ৰতা প্ৰায় ৯০ শতাংশ। প্ৰায় হেজাৰ মিলিয়ন বছৰৰ পূৰ্বেই এই অঞ্চলত প্ৰাথমিক পৰ্যায়ৰ জীৱৰ অনুসন্ধান পোৱা গৈছে। নৃতাত্ত্বিক ভাৱে এই বৃহৎ অঞ্চলৰ মাজেদিয়েই আদিম হম'চেপিয়ান প্ৰজাতিৰ পূৰ্বজে সুদূৰ উত্তৰ-পূব ইথৌপিয়া দেশৰ হাড়ৰ অঞ্চলৰ পৰা মধ্য এছিয়া হৈ দক্ষিণ-পূব এছিয়াৰ জাভা, সুমাত্ৰা আদি দেশলৈ পৰিভ্ৰমণ কৰা সমল জান-নিজানকৈ ব্যাপ্ত হৈছে। আনহে নালাগে প্ৰাচীন চীনৰ পিকিং মানৱৰ লগতো এই অঞ্চলৰ যোগাযোগ ঘটিছিল। প্ৰাচীন মঙ্গোলীয়সকলৰ এই ভূখণ্ডলৈ আগমনৰ ইতিকথাও ইয়াতেই নিহিত হৈ আছে। সেয়ে হ'বলা পৰৱৰ্তী যুগৰ বিখ্যাত চিল্ক পথ বা দক্ষিণ-পূব এচিয়াৰ সাগৰীয় সংযোগে অষ্ট্ৰ-এচিয়াটিক প্ৰজাতিৰ এই অঞ্চললৈ আগমনো সুচল কৰি তুলিছিল। অসমৰ বৃহত্তৰ *কামাখ্যা, ভূৱন, শ্লং, চেৰা-চিণ্ডাই, মুপা, গুইলং, তিনকিলো, সিজু, হাফলং, প্ৰচাডাণ্ডিক* আদি অঞ্চলসমূহত বিস্তাৰিত হৈ থকা *চিয়েমি, মাণ্ডেমুৰুং, কেংলেংপু, খাচিয়া* পাহাৰৰ *শ্লোং-মৌচমাই-চেৰা-চিনডাই* আদিম প্ৰজাতিবোৰৰ ইতিহাসেও প্ৰাথমিক স্তৰৰ নৃতাত্ত্বিক অধ্যয়নৰ ন ন সমল অৱধাৰিত ৰূপত নিতৌ আগবঢ়াই আহিছে। ভূ-প্ৰাকৃতিক অসমৰ মূল জলস্ৰোত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ তথা শাখা-প্ৰশাখাবোৰৰ ভূমিকাও সাংস্কৃতিক ক্ষেত্ৰত বিশেষভাৱে উল্লেখনীয়। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ তথা শাখা-প্ৰশাখাবোৰৰ যোগেদিয়েই আদিকালত ভিন্ ভিন্ প্ৰজাতিসমূহ তদানিন্তন অসমলৈ আগমন ঘটিছিল। প্ৰাগ্ ঐতিহাসিককালত বা আদিযুগত অসমৰ সীমা পূবৰ শ্ৰীবিজয়ৰ খামজাং উপত্যকাৰপৰা পশ্চিমে কুশী নদী, উৰিষ্যা পৰ্যন্ত, উত্তৰে হিমালয়ৰ কাঞ্চনজঙ্ঘাৰপৰা দক্ষিণে লোহিত্য সাগৰলৈ বিস্তাৰিত হৈ আছিল। অৱশ্যে এই সীমা সময়ে-সময়ে কিছু বঢ়া-টুটাও হৈছিল। এচোৱা বিশেষ সময় পূবে চীন-ম্যানমাৰ দেশৰ সীমাৰপৰা পশ্চিমে কুশী-কৰতোৱা নদী, উত্তৰে হিমালয়ৰ পৰা দক্ষিণে বৰ্তমানৰ বাংলাদেশৰ মধ্যাংশ মানলৈ প্ৰাচীন অসমৰ ভূ-ৰাজনৈতিক অঞ্চল আছিল। অসমৰ আদি মানৱ প্ৰজাতি --*চিয়েমি, মাণ্ডেমুৰুং, খেংলেংপু,*

*মোপিয়া-মুলুংগৰ, শ্লং-চেৰা-চিণ্ডাইৰ* উপৰিও --*অষ্ট্ৰিক, ভেড্ডীড্, নিগ্ৰো, দ্ৰাৱিড়, কিৰাত-চীন-মঙ্গোলয়দ, পানী, আৰ্য*সকলৰ অৱস্থিতি আৰু সাংস্কৃতিক অৱদানেৰে আজিৰ মিশ্ৰিত অসম। অসমৰ মানৱ সংস্কৃতিক পৰিক্ৰমাৰ বয়স নিৰ্ধাৰণত আদিমতম হম'চেপিয়ানসকলক সাঙুৰিলে প্ৰায় ১১৬ হাজাৰ বছৰৰ পূৰ্বলৈ আগুৱাব লাগিব। এই ভূখণ্ডত --এহাতে চীন-প্ৰশান্তপৰীয়া আনহাতে ভূমধ্যপৰীয়া আৰু আফ্ৰিকীয় সভ্যতাৰ সাংস্কৃতিক বিৱৰ্তন ঘটিছিল। অসমৰ প্ৰাথমিক অৰ্থনৈতিক জীৱন প্ৰণালীত পৃথিৱীৰ আন আন অংশৰদৰেই গুহাবাসীৰ জীৱনৰ প্ৰাৰম্ভিকতাৰে জীৱ-জন্তুৰ চিকাৰ, মাছমৰা, ফল-মূল সংগ্ৰহ কৰাৰ সময়ছোৱা পাৰ হৈ পৰিয়াল গঠন, গাঁও-ভূঁইৰ লগতে সমাজ গঠন, পশু ঘৰচীয়াকৰণ আৰু পালন, কৃষিজাত শস্যৰ ঘৰচীয়াকৰণ আৰু কৃষি ব্যৱস্থা, পানী খেতিৰ ব্যৱস্থা, মাটিৰ ভিন ভিন বাচন-বৰ্তন উদ্ভাৱন আদিৰে আৰম্ভ হৈছিল। প্ৰাগ্ ঐতিহাসিক, আদি, মধ্যযুগৰ সমল সমৃদ্ধ অসমত ওপৰত উল্লিখিত জাতি-প্ৰজাতিৰ সংস্থাপনৰ পৰৱৰ্তী সময়ত --*অসুৰ, দানৱ, দাস বা শূদ্ৰ, বৰ্মণ, শালস্তম্ভ, পাল, দেৱ, খেন, জিতাৰি, ভূঞা, মৰাণ, বৰাহী-কছাৰী, চুতীয়া, আহোম, কোচ* আৰু *মোগল* প্ৰভৃতি ৰাজবংশসমূহ উন্মেষ ঘটিছিল আৰু তেওঁবিলাকৰ ৰাজত্ব কালতে নিৰ্দিষ্ট ৰাষ্ট্ৰতান্ত্ৰিক-অৰ্থনৈতিক-সামাজিক ব্যৱস্থা, ভাষিক তথা আন-আন সাংস্কৃতিক উপাদানসমূহ বিস্তাৰিত হৈ পৰিছিল। ৰাজ শাসনকালৰ শিলালিপি, তাম্ৰলিপি, চিকিৎসা শাস্ত্ৰ, বানচেং বা মঙলতি পুথি, বুৰঞ্জী, বংশাৱলী প্ৰভৃতিসমূহ মধ্যযুগৰ এক মাইলৰ খুঁটি। প্ৰাথমিক পৰ্যায়ৰ জনজাতীয় ধৰ্ম্মীয় বিশ্বাস বা জড়োপাসনা, শাক্ত, শৈৱ, আদি-বৈষ্ণৱ, বৌদ্ধ-জৈন, নৱ-বৈষ্ণৱ বা মহাপুৰুষীয়া ধৰ্মৰ আকৰসমূহ, বিশেষকৈ মঠ-মন্দিৰ, শিলালেখ-তাম্ৰফলক, ধৰ্ম্মীয় পুথি-পাঁজিসমূহ অসমৰ সাংস্কৃতিক জগতৰ আন এক সংযোজন। অসম হোৱাৰ পূৰ্বেই --*বাণপুৰ, সোণাপুৰ, হিড়িম্ব, হালালি, লাহদৈ, ডিমালাং, ডৈৰাং, ডিমাচায়া, বিদৰ্ভ, শোণিতপুৰ, দিল্লী, বিশ্বনাথ, কদলি, ডবাক, খচ্, মণিপুৰ, নাগ, জয়তুঙ্গবৰ্ষ, চচেং, ধেংটা, পুণ্ড্ৰবৰ্ধন, কৰ্ণসুৱৰ্ণ, কুণ্ডিল, দুৱৈনচ্, চেৰিকা, ইমদি, দেৰদাই, দোৱানচ্, পলিবুথ্ৰা, কালুতা, কপিলী, লাউ বা লৌড়, হাহেই, আদিংগিৰি, ডিমলাগিৰি, থেৱংগিৰি, মাওফ্লাং, সৌমাৰপীঠ, স্বৰ্ণপীঠ, ৰত্নপীঠ, ভদ্ৰপীঠ, বৰাহী ৰাজ্য, মৰাণ ৰাজ্য, চুতীয়া ৰাজ্য* আৰু *ভূঞা ৰাজ্য* প্ৰভৃতি সৰু-বৰ দেশ আছিল। অসম নামৰ ভাষাতাত্ত্বিক্ তথা ঐতিহাসিক বিশ্লেষণৰ বিবাদ আজিও অন্ত পৰা নাই। এই সম্পৰ্কত কেইটামান উদাহৰণ দিয়া হ'ল।

হা-শান (বড়োৰ হা =মাটি বা দেশ, শান এটা জাতি অৰ্থাৎ শানসকলৰ মাটি বা দেশ) >আ-শান >অসম।



হা-শাম >আ-শাম > আশম > আহম > অহম > অসম।

লা-চাম (ডাই, নুৱা, লু আদিয়ে তাই-আহোমক মতা নাম) >লা-শাম >আ-শাম >অসম।

শান >আ-শান >আশান >আশাম >আসাম>আহম >অহম >অসম।

আও-হ্‌ম (একেলগ হোৱা) >আহোম >আহম >অহম >অসম।

ন-সম (অসমান, অজেয়) >অসম (মংগোলীয়সকলৰ মতে ই বিতৰ্কিত আৰ্যমূলীয় বিশ্লেষণ)।

ৰ্ৰাম (ম্যানমাৰী শব্দ) >আসাম >অসম (ড° সুনীতি কুমাৰ চেট্টাৰ্জীয়ে দিয়া বিশ্লেষণ)।

*অসম* (*Asom*) বা *আশাম, আসাম* (*Asham, Asam*), *আহমদেশ* (*Ahamdesh*), *আসেন* (*Ashen, Asen*) নাম --শ্ৰীমন্ত শংকৰদেৱৰ জাতি বিচাৰৰ ৰচনাত, মোগল দৰবাৰৰ লিখনীত, ফৰাচী পৰ্যটকৰ লিখনী, দৰং ৰাজবংশাৱলী, গৌৰ-কোচবিহাৰ দেশৰ ৰচনাৰাজিত, বৰতোপৰ গাৰ লিখনীত, মুদ্ৰা আৰু তাম্ৰলিপি প্ৰভৃতিত উল্লেখ হৈ আহিছে। যদিও অসম, আহম, আহোম আদি শব্দবোৰক লৈ বিতৰ্ক চলি আছে মুঠ কথাত আমাৰ বিচাৰৰে অসম আৰু আহোম জাতিৰ নাম পূৰ্বৰ মুংমাও দেশৰ পৰা পশ্চিমৰ দেশ খাবলৈ অহা চাওলুং চ্যুকাফা আৰু তেওঁ সগোত্ৰীয় সহযোগীসকলৰ আগমণৰ পিছৰপৰাই দেশখনে প্ৰাগজ্যোতিষ-কামৰূপৰ পূবৰ *সৌমাৰখণ্ড*ৰ পৰা পৰ্যায়ক্ৰমে অসম আৰু তাই জাতিৰ ঠালটোৰে থলুৱাভাৱে নতুন দেশ সৃষ্টি কৰি মুং-ডুন-চুন-খাম (বৰ্তমানৰ অসম) নাম দি ইয়াতে মূল তাই ঠালৰ একালত শানৰূপে জনাজাত জাতিটোৰে আহোমৰূপে পৰিচিত হয় আৰু ই দেশী-বিদেশী সৰ্বস্তৰত এনেদৰেই গ্ৰহণযোগ্য হৈ পৰে। ইংৰাজসকলৰ ৰাজত্বকালত এই নামেই (*Assam*) আসাম হয়। সেয়ে *আহোম* শব্দক বাদ দি *অসমক* কল্পনা কৰা অমূলক আৰু অসম শব্দৰ গুৰি তাই-আহোম জাতি।

অসমৰ পূৰ্বৰ নামসমূহ হৈছে --*কোষাকৰণ ভূমি, ধৰ্ম্মাৰণ্য, কুশাৰণ্য, চম্পকাৰণ্য, পৰ্বতদেশ, গুহাদেশ, কিৰাতদেশ, গিৰিবৰ্ত, গিৰিব্ৰজ, গিৰিকাচল, নাটকাচল, পূৰ্বাচল, সংযমণি, বৰুণালয়, সপ্ত-পাতাল, উত্তৰকুৰু, মন্দাকিনী, ভোগৱতীপুৰী, প্ৰাচী, স্বৰ্গ, সুতল, অমৰাৱতী, অলকাপুৰী, নন্দন, উপজ্যোতিষ্, উত্তৰজ্যোতিষ্, মৎস্যদেশ, লাওটি, লৌহিত্যদেশ, লোহিচ্ছ, পাৰালোহিত্য, পৰ্বৰ, বিযুৰ, বিষুবন, সুটান, কুমাৰীদেশ, পগৰজোতিক্, প্ৰাগ্‌জ্যোতিষ্, চেৰিচ্, থীচ্, থীনা,*

*খামৰ্ন্দ বা কামৰ্ন্দ, কামৰূপ, কামাখ্যা, কামাখ্যা-কামৰূপ, কমতা-কামৰূপ, উপৰিপট্টন, প্ৰাজ্য, চতুৰপীঠ-সৌমাৰপীঠ, স্বৰ্ণপীঠ, ৰত্নপীঠ, ভদ্ৰপীঠ, ৰূমী, বৈশালী, মুংপাকাম, মুং-ডুন-চুন-খাম, বাহাৰিস্তান* আৰু *কাঙ্গুৰ* প্ৰভৃতি।

**জলবাচক নাম**

**ব্ৰহ্মপুত্ৰ ঃ** ব্ৰহ্মপুত্ৰ নদী ৩০°৩০′ উত্তৰ অক্ষাংশ আৰু ৮২°০২′ পূব দ্ৰাঘিমাংশত প্ৰায় ৫১৫০ মিটাৰ উচ্চতাত অৱস্থিত। ইয়াৰ উৎপত্তিৰ স্থান চীনৰ অন্তৰ্গত তিব্বতদেশৰ চেমা-য়ুদুং হিমপ্ৰৱাহৰ পৰা প্ৰায় ৭৫ কিলোমিটাৰ পশ্চিমত। ব্ৰহ্মপুত্ৰই তিব্বত, অৰুণাচল, অসম, বাংলাদেশ হৈ বঙ্গোপসাগৰত মিলিছেগৈ। ইয়াৰ দৈৰ্ঘ্য তিব্বতদেশত ১৬০০ কিলোমিটাৰ, অৰুণাচল প্ৰদেশত ২০০ কিলোমিটাৰ, অসমত ইয়াৰ দৈৰ্ঘ্য প্ৰায় ৬৫০ কিলোমিটাৰ আৰু বাংলাদেশত প্ৰায় ৪৫০ কিলোমিটাৰ, সৰ্বমুঠ দৈৰ্ঘ্য প্ৰায় ২৯০০ কিলোমিটাৰ। নদীখনৰ বহল উপত্যকা অঞ্চল ৮০-৮৫ কিলোমিটাৰ। ব্ৰহ্মপুত্ৰ নদীৰ উপত্যকা ভূমিৰ লগত প্ৰাচীন কংকতী আৰু লৌহিত্য সাগৰৰ সমন্ধ আছে। ভূতাত্ত্বিক ভাৱে এই বৃহৎ অঞ্চল টেথিচ্ সাগৰৰ অন্তৰ্ভুক্ত আছিল। ইয়াৰ উত্তৰ বাহিনীত ৫৭খন উপনৈ আৰু দক্ষিণ বাহিনীত ৩৩খন উপনৈ। উত্তৰৰ প্ৰধান উপনৈ --*ডিমাই, ডিগাৰু, বালিজান, কুণ্ডিল, দিবং, চেচেৰি, দিহং, চিমেং, চাৰিকৰীয়া, জীয়াঢল, চামপৰা, সুৱণশিৰি, ৰঙানদী, ডিক্ৰং, পিচলা, পাভ, বৰগ্ৰাং, পুথিমাৰি, বৰলিয়া, পাগলাদিয়া, মানাহ, বেঁকী* আৰু *আই* প্ৰভৃতি। দক্ষিণ বাহিনীৰ উপনৈ— *লোহিত, ন-ডিহিং, ডিব্ৰু, বুঢ়ীডিহিং, ডিচাং, ডৰিকা-ডিখৌ, নামদাং, জাজী, কাকজান, ভোগদৈ, কাকডোঙা, ডৈয়াং, কপিলী, ডিগাৰু, বৰপানী, কৃষ্ণাই* আৰু *জিনাৰী* ইত্যাদি।

*ব্ৰহ্মপুত্ৰ* নামটো খ্ৰীঃ দশম শতিকাত ৰচিত *কালিকা পুৰাণ* তথা *পদ্ম পুৰাণত* পোনপ্ৰথমবাৰৰ বাবে ভূমুকি মাৰে। ব্ৰহ্মপুত্ৰ --প্ৰাচীন সংস্কৃত বা তৎসম শব্দ ব্ৰহ্মা অৰ্থাৎ হিন্দুৰ সৃষ্টিকৰ্তা। নদীখনৰ জন্ম কাহিনীৰ লগত কালিকা পুৰাণে শান্তনু ঋষিৰ পত্নী আমোঘা আৰু ব্ৰহ্মাদেৱৰ এক অসামাজিক বা অবৈধ সম্পৰ্কৰ কথাও উল্লেখ কৰিছে। লোকপ্ৰবাদ মতে *ব্ৰহ্মপুত্ৰ* নদ *ব্ৰহ্মা* আৰু *আমোঘাৰ* পুত্ৰ। ইয়াৰ লগত ঋষি পৰশুৰামৰ কাহিনীও জড়িত হৈ আছে। প্ৰবাদমতে পৰশুৰামে মাতৃ ৰেণুকাৰ হত্যাৰ কুঠাৰ ধুবলৈ গৈ ব্ৰহ্মা আৰু আমোঘাৰ পুত্ৰস্বৰূপ পাহাৰবৃত জলৰাশিক নামনিলৈ বোৱাই পঠাইছিল। অৱশ্যে ভৌগোলিকভাৱে এনেবোৰ ব্যাখ্যাৰ লগত সামঞ্জস্য কম। ভাষাতাত্ত্বিকৰ মতে এই *ব্ৰহ্মা* শব্দৰ লগত পুত্ৰ সংযোগ হৈ *ব্ৰহ্মপুত্ৰ* হৈছে। ইয়াৰ দুঠাইত *হ* আৰু *ম*, ত আৰু ৰ ব্যঞ্জন বৰ্ণৰ সংযোগ ঘটিছে।



ব্ৰহ্মাৰ পুত্ৰ এই শব্দ দুটাৰ মাজৰ *া* কাৰ আৰু *ৰ* বিলোপ ঘটিছে। ই বিশেষ্যৰ পদাংশ। দৰাচলতে বড়ো-কছাৰীসকলৰ এটা অন্যতম ঠাল ৰাভাসকলে নৈখনক দিয়া নাম *বুল্লুংবুথুৰ* নামকে এই কাহিনী সংযোজনেৰে আৰ্যাকৃত ৰূপ দিয়া হ'ল। ব্ৰহ্মপুত্ৰৰ আন আন পুৰণি নাম --*গ্ৰীক্ৰ ঐদেনচ্, দিয়াৰদেনচ্, দোৱানায়, দিয়ামে, দোৱানচ্, খামাউচ্, পাৰ্চিনেচ্, খাটাই, থলুৱা* জনজাতিৰ --*লাওটি, ডিলাও, টি-লাও, লেওটি, লুইত, লোহিত, বুঢ়ালুইত, শ্ৰীলুইত, বৰলুইত, বৰনদী, বৰনৈ, দিহং, দিবং, চয়ন, শিৱন, বুল্লুংবুথুৰ, সংস্কৃত মূলীয়* --*হ্ৰদ, হ্ৰদিনী, হিৰণ্য, ব্ৰাহ্মী, মন্দাকিনী, কৰকায়া, লোহিত্যসিন্ধু, লৌহিন, লোহিনী, কৰহৰ্তিকা, যমুনা, মেঘনা, লক্ষা, ধৌনী, শ্যামা, অন্তঃবৰ্ত্তী, অন্তঃশীলা, বৌদ্ধমূলীয়* --*পাৰালোহিত্য, লোহিচ্চ, ইয়ালা, চাংপো, চিয়াং, চংদো, ইণ্ডোব্ৰহ্ম, তাই-আহোমসকলৰ* --নাম-দাও-ফি, নাম-টি-লাও ইত্যাদি। ব্ৰহ্মপুত্ৰ নদীৰ উপত্যকাত ১১৬ হাজাৰ বছৰৰ পূৰ্বৰ হম'চেপিয়ান সংস্কৃতিৰ উন্মেষ ঘটিছিল। ইয়াৰ উপৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ সভ্যতাত সুদূৰ প্ৰশান্ত-ভূমধ্য-আফ্ৰিকীয় সংস্কৃতিৰ কৃষ্টিৰ কঠীয়াও পোৱা গৈছে। ব্ৰহ্মপুত্ৰৰ জলৰাশিয়ে যুগে-যুগে বিটৌত কৰি ধ্বংস কৰাৰ ফলত নৱ প্ৰস্তৰ যুগৰ সিপাৰৰ সমলসমূহ সততে পোৱাত অসুবিধা। সেই হ'লেও নদীখনৰ উপত্যকা ভূমিৰ পাহাৰ কন্দৰৰ গুহা --*হাফলং, তিনকিলো, খাংখুই, সিজু, গুইলং* আৰু *মুপা* আদিত আদিম মানৱৰ সন্ধান পোৱা গৈছে। তদুপৰি এই সুবৃহৎ উপত্যকাতে *বাণপুৰ, সোণাপুৰ, হিড়িম্ব, হালালি, লাহদৈ, ডিমালাং, ডৈৰাং, ডিমাচায়া, বিৰ্দভ, শোণিতপুৰ, বিশ্বনাথ, কদলি, ডবাক, খচ্, মণিপুৰ, নাগ, জয়তুঙ্গবৰ্ষ, চচেং, ধেংটা, পুণ্ড্ৰবৰ্ধন, কৰ্ণসুৱৰ্ণ, কুণ্ডিল, দুৱৈনচ্, চেৰিকা, ইমদি, দেৰদাই, দোৱানচ্, পলিবুথ্ৰা, কালুতা, কপিলী, লাউ, হাহেই, আদিংগিৰি, ডিমলাগিৰি, থেব্ৰংগিৰি, মাওফ্লাং, বৰাহী ৰাজ্য, মৰাণ ৰাজ্য, চুতীয়া ৰাজ্য, ভূএঞা ৰাজ্য* প্ৰভৃতি সৰু-বৰ ৰাজ্য, দেশ গঢ়লৈ উঠিছিল। আৰু ব্ৰহ্মপুত্ৰ উপত্যকা ভূমি বিভিন্ন প্ৰাগ্ ঐতিহাসিক আৰু ঐতিহাসিক সময়ত --*কোষাকৰণভূমি, ধৰ্মাৰণ্য, কুশাৰণ্য, চম্পকাৰণ্য, পৰ্বতদেশ, গুহাদেশ, কিৰাতদেশ, গিৰিবৰ্ত, গিৰিব্ৰজ, গিৰিকাচল, নাটকাচল, পূৰ্বাচল, সংযমণি, বৰুণালয়, সপ্ত-পাতাল, উত্তৰকুৰু, মন্দাকিনী, ভোগৱতীপুৰী, প্ৰাচী, স্বৰ্গ, সুতল, অমৰাৱতী, অলকাপুৰী, নন্দন, উপজ্যোতিষ, উত্তৰজ্যোতিষ, মৎস্যদেশ, লাওটি, লৌহিত্যদেশ, লোহিচ্চ, পাৰালোহিত্য, সুটান, কুমাৰীদেশ, পগৰজোতিক, প্ৰাগ্‌জ্যোতিষ, চেৰিচ্, থীচ্, থীনা, খামৰ্ন্দ বা কামৰ্ন্দ, কামৰূপ, কামাখ্যা, কামাখ্যা-কামৰূপ, কমতা-কামৰূপ, উপৰিপট্টন, প্ৰাজ্য* আৰু *চতুৰপীঠ --সৌমাৰপীঠ, স্বৰ্ণপীঠ, ৰত্নপীঠ, ভদ্ৰপীঠ, ৰূমী, বৈশালী, মুংপাকাম,*

*মুং-ডুন-চুন-খাম, বাহাৰিস্তান, কাঙ্গুৰ* প্ৰভৃতি নামেৰে জনজাত হৈছিল। অসমৰ আদি মানৱ প্ৰজাতি --চিয়েমি, শ্লোং-চেৰা-চিনডাইৰ উপৰিও --*অষ্ট্ৰিক, ভেড্ডীড, নিগ্ৰো, দ্ৰাবিড়, মঙ্গোলয়দ, আৰ্য*সকলৰ অৱস্থিতি আৰু সাংস্কৃতিক অৱদানেৰে আজিৰ মিশ্ৰিত ব্ৰহ্মপুত্ৰ বা অসম উপত্যকা। ইয়াতেই *অসুৰ, দানৱ, শূদ্ৰ, বৰ্মণ, শালস্তম্ভ, পাল, খেন, জিতাৰি, ভূঞা, কছাৰী, চুতীয়া, মৰাণ-বৰাহী, আহোম, কোচ* আদি ৰাজবংশই ৰাজত্ব কৰিছিল। ব্ৰহ্মপুত্ৰৰ বুকুত পুৰাতাত্ত্বিক *ব্ৰহ্মকুণ্ড, শদিয়াৰ কেঁচাইখাতী, বিশ্বনাথক্ষেত্ৰ, নাগশঙ্কৰক্ষেত্ৰ, ৰত্নপুৰ বা মাজুলীক্ষেত্ৰ, উমাটুমনি, উমানন্দ, দুইমুণিশিলা, কামাখ্যা, হাজো, হাতীমুৰা, বাঘবৰ, শ্ৰীসূৰ্য* প্ৰভৃতি সমলসমূহো বিস্তাৰিত হৈ আছে। আদি ধৰ্ম জড়োপাসনা, শাক্ত, শৈৱ, বৌদ্ধ-জৈন, বৈষ্ণৱ তথা নৱবৈষ্ণৱ বা মহাপুৰুষীয়া ধৰ্মীয় ধাৰা আৰু পৰম্পৰাসমূহো এই উপত্যকাতে জীপ লৈ উঠিছিল। অৰ্থনৈতিক পটভূমিত প্ৰাথমিক সমাজবাদী সাম্যবাদী সমাজ ব্যৱস্থাৰ অৰ্থনৈতিক অৱস্থাৰ পৰা আধুনিক আৰু উত্তৰ আধুনিক বিশ্বৰ নৱতম অৰ্থনৈতিক ধাৰা প্ৰৱাহিত হৈ আছে।

**সাংস্কৃতিক জলবাচক নাম –শিৱসাগৰ পুখুৰী ঃ** স্বৰ্গদেউ শিৱসিংহ ওৰফে চাওফা চ্যুতানফাদেৱৰ ৰাণী দ্বিতীয় বৰৰজা দ্ৰোপদীয়ে স্বামীৰ নাম গৰিমামণ্ডিত কৰিবলৈ কলঞ্চুপৰীয়া গোঁহাই গাঁৱত এক বিশাল পুখুৰী খন্দাই তিনি দ'ল বান্ধি উছৰ্গা কৰে। স্বৰ্গদেউ শিৱসিংহৰ নামত খন্দা এই পুখুৰীক শিৱসাগৰ বোলা হয়। সাগৰ অৰ্থই --বিশাল পুখুৰীক বুজাইছে। বুৰঞ্জীবিদ বেণুধৰ শৰ্মা ডাঙৰীয়াৰ মতে এশ পুৰাতকৈ অধিক মাটিৰে আবৰা আৰু শতাধিক ব্ৰাহ্মণক উছৰ্গা অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰি দান-দক্ষিণা দিলে তেনে পুখুৰীক সাগৰ বোলা হয় (*বেণুধৰ শৰ্মাৰ ৰচনাৱলী*, সম্পাদক অজিত কুমাৰ শৰ্মা দ্ৰষ্টব্য)। এনে সাগৰ শিৱসাগৰ জিলাত জয়সাগৰ, গৌৰীসাগৰ, আঠাইসাগৰ, ৰুদ্ৰসাগৰ, লক্ষ্মীসাগৰ প্ৰভৃতি। বাৰমহীয়া পানী থাকিবলৈ তেতিয়াৰ চাংৰুঙে কাৰিকৰী কৌশলেৰে পুখুৰীৰ চৌমেৰে বাজখাৰৈ বা যমুনা খান্দি দিছিল। পানীৰ উহ বিচাৰিবলৈ অমাৱস্যাৰ ৰাতি মাটিৰ চাকি লৈ পৰিভ্ৰমণ কৰা হৈছিল। উহ পোৱাৰ পিছত সেই ঠাইত নাদ সদৃশ গাত খান্দি ৰসেন্দ্ৰৰহঁতোৱাই ৰাসায়নিক দ্ৰব্য আৰু ৰহণ ঢলা হৈছিল। ইয়াৰ পিছত চৌপাশৰ পৰা পাৰ বান্ধি মাটি জপাই দিয়া হৈছিল। এই পুখুৰী খন্দা প্ৰক্ৰিয়া তাই-আহোমসকলৰ স্বকীয় পদ্ধতি। শিৱসাগৰ পুখুৰীৰ পাৰতে শিৱ-বিষ্ণু আৰু দেৱীদ'ল। চিমাণ্টিক পৰিবৰ্তন হৈ শিৱসাগৰ পুখুৰীৰ নামেৰে একালৰ ব্ৰিটিছ শাসনত শিৱপুৰ জিলা পিছলৈ যথাক্ৰমে --শিৱসাগৰ মহকুমা আৰু বৰ্তমান জিলাৰ নাম। ভুবন চন্দ্ৰ সন্দিকৈ, চাংৰুং ফুকনৰ বুৰঞ্জী আৰু লীলা গগৈ, *টাই সংস্কৃতিৰ ৰূপৰেখা* পৃঃ ১৬৫



ত উল্লেখ থকা মতে '...১৬৫৫ শকত জেঠৰ ১৮ দিন যাওতে গুৰুবাৰে শিৱসাগৰ পুখুৰী আৰম্ভে। ১৬৫৬ শকত বৈশাগৰ ৬ দিন যাওতে গুৰুবাৰে প্ৰতিষ্ঠা। পানীতে পূৰা-পশ্চিমাকৈ দীঘে ২১৭ বেও, প্ৰস্থে উত্তৰা-দক্ষিণাকৈ ১৮০ বেও, আতে মাটি ৯৭। পুৰা। ঢাপে-খাৰৈএ দীঘে ২৮৩ বেও, প্ৰস্থ ২৭৫ বেও। জপাই মাটি ১৯৪। পুৰা।" ই সাংস্কৃতিক জলবাচক নাম। আৰু এই শিতানৰ আন-আন উপাদনবোৰ হৈছে --খাল (ৰূপহী খাল), কুণ্ড আদি। প্ৰাকৃতিক জলবাচক নামে নদীৰ উপৰিও অন্যান্য প্ৰাকৃতিক জলাশয়—বিল-হাৱৰ, জান-জুৰি আদিকো সামৰিছে।

**পৰ্বতবাচক নাম**

**দয়-কাও-ৰং বা পাট-কাই-চেং-কান পাহাৰ ঃ** দয়-কাও-ৰং শব্দ তাই-আহোম ভাষাৰ অন্তৰ্গত। ইয়াত দয় =পৰ্বত, কাও =নটা, ৰং =শাৰী অৰ্থাৎ ন-শাৰী পৰ্বত। দয়-কাও-ৰং পাহাৰ অসম-নাগালেণ্ড-ম্যানমাৰ সীমান্তত। মধ্যযুগৰ খ্ৰীঃ ১৩ শতিকাৰ আৰম্ভণিত এই পাহাৰ দেওদিয়েই চাওলুং চ্যুকাফাই মুং-ডুন-চুন-খাম গঢ়িবলৈ আগুৱাইছিল সুদূৰ মুংমাও দেশৰ পৰা। পৰবৰ্তী সময়ত দয়-কাও-ৰং পাহাৰেই তাই-আহোম আৰু নৰা ৰাজ্যৰ সীমা হৈছিল। এই দয়-কাও-ৰং পাহাৰত চাওলুং চ্যুকাফাই দেওধাই- মোহনবাইলুং পণ্ডিতৰ হতুৱাই পূৰ্বাপৰ ৰীতিৰে পয় পাতিছিল। চ্যুকাফাৰ পৰিনাতি চুডাংফা বা বামুণীকোঁৱৰৰ দিনত খ্ৰীঃ ১৪ শতিকাত নৰা ৰজাৰ বৰ সেনাপতি তাচিনপো' আৰু আহোমৰ তাতাৎবিন বৰগোহাঁইৰ মাজত তিপামৰ কুঁহিয়াৰবাৰীৰ কাষত এখন যুদ্ধ হ'ল। দীৰ্ঘদিনৰ যুদ্ধৰ পিছত কোনোপক্ষ নহৰা নিজিকাত উপায়হীন হৈ দুই সেনাপতিয়ে কুকুৰা কাটি জলৰাশি চুই শপত খাই দয়-কাও-ৰঙক স্থায়ীকৈ দুই ৰাজ্যৰ সীমা পাতি দুয়োৰে পাহাৰৰ শিলৰ প্ৰাচীৰত প্ৰতিচ্ছবি খোদিত কৰিলে। তেতিয়াৰপৰা এই দয়-কাও-ৰঙৰ নাম পাট-কাই-চেং-কান হ'ল। ইয়াত পাট-কাই-চেং-কান শব্দৰ অৰ্থ --পাট =কটা, কাই =কুকুৰা, চেং =শপত, কান =গ্ৰহণ কৰা বা লোৱা অৰ্থাৎ কুকুৰা কাটি শপত গ্ৰহণ কৰা সিদ্ধান্ত। আৰু তেতিয়াৰপৰাই দয়-কাও-ৰঙৰ নাম গুচি পাট-কাই-চেং-কান হ'ল। পৰবৰ্তী কালত পাট-কাই-চেং-কান শব্দ চুটি হৈ কেৱল পাটকাই ৰূপ ল'লে। সেয়ে পাটকাই পৰ্বতৰ নামৰ ইতিহাস। এই দয়-কাও-ৰং বা পাট-কাই পৰ্বততে স্বৰ্গদেউ লক্ষ্মীসিংহ আৰু গৌৰীনাথসিংহই পৰিৱেশ পৰিশোধনৰ বাবে খ্ৰীঃ ১৮ শতিকাৰ শেষৰফালে বৃহৎ পৰিমাণৰ বৃক্ষ ৰোপণ কৰিছিল। দয়-কাও-ৰং বা পাট-কাইৰ কাষত ভিন্ ভিন্ নগা ফৈদৰ নামেৰে কেইবালানি পাহাৰ, যেনে --*নামতিলিক কাংলাই, খাৰুখু, পাংকাং, টিঠাং, বিংলাও, টাৰু, লুকা, লুকলাং, টাপুটাপা, লুকনাম*

আৰু *লুকনা* প্ৰভৃতি। এই অঞ্চল খনিজ সম্পদ কয়লাৰ কাৰণে বিখ্যাত। দয়-কাও-ৰং নাম প্ৰাকৃতিক শ্ৰেণীৰ। পাট-কাইৰ নাম সাংস্কৃতিক শ্ৰেণীৰ অন্তৰ্গত।

**গড়-প্ৰাচীৰ-সুৰঙ্গ আলিবাচক নামৰ বিৱৰণৰে উদাহৰণ**

**দুৰৰণি আলি ঃ** দুৰৰণি নাম দুৰৰি ঘাঁহৰ নামৰ লগত অনি প্ৰত্যয় সংযোগ হৈ গঠন হৈছে যিদৰে আমনি, নাহৰণি, কঠালনি, বাঁহনি আৰু কাঠনি প্ৰভৃতি। দুৰৰণি আলি নামৰ লগত তাই-আহোম চাওফা চ্যুখ্ৰাংফা ওৰফে স্বৰ্গদেউ ৰুদ্ৰসিংহদেৱে খ্ৰীঃ ১৬৯৬-১৭১৪ ৰ ভিতৰত আহোমৰ ৰাজধানী ৰংপুৰৰ পানীদুৱাৰ আলিৰ পৰা বৰআলিলৈ বন্ধোৱা আলিৰ প্ৰকাৰ আৰু পদ্ধতি জড়িত হৈ আছে। বিশ্ব চাংবুন বৰুৱাৰ ঘৰত থকা *চাংৰুং ফুকনৰ বুৰঞ্জী*য়ে সম্ভেদ দিয়া মতে স্বৰ্গদেউ ৰুদ্ৰসিংহই চে-হুং বা গড়গাঁৱৰ পৰা চে-মুন বা ৰংপুৰলৈ আহোমৰ ৰাজধানী স্থানান্তৰ কৰি বাট, ঘাট, পথ, হাউলী গঢ়িলে, খাবৈ- পুখুৰী খন্দালে। শিলৰ সাকো, ধোন্দ বন্ধালে। এই প্ৰক্ৰিয়াতে চাংৰুং ফুকনে প্ৰথমে এই আলি বন্ধোৱাৰ বাবে অনা মাটিক ধুলি কৰি শ শ হাতীৰ হতুৱাই টিপাই ইয়াৰ ওপৰত দূৰৰি ঘাঁহ লগায়। দুৰৰণি আলিৰ বিৱৰণ হৰকান্ত বৰুৱা সদৰ আমিনৰ *অসম বুৰঞ্জী*ৰ ১৪১ পৃষ্ঠাত, ই. এ.গেইটৰ এ. *হিষ্টৰী অৱ আসাম*ৰ পৃঃ ১৮১ ত সবিশেষ উল্লেখ আছে। দূৰৰণি আলি সাংস্কৃতিক প্ৰক্ৰিয়াৰে বন্ধালেও ই প্ৰাণী উদ্ভিদ বিদ্যা নামকৰণ শ্ৰেণীৰ অন্তৰ্গত। এই শিতানৰ আন আন নামবোৰ হৈছে— ৰাজগড়, নিমনাগড়, ৰংপুৰৰ কাৰেঙৰ পৰা ডিখৌ নৈলৈ সুৰঙ্গ, ধাইআলি, ধোদৰআলি আৰু বৰআলি ইত্যাদি।

**জনবসতিবিহীন স্থাননামৰ উদাহৰণ**

**ডিৰাকহাবি ঃ** *ডিৰাক* শব্দটো বড়ো ভাষাৰ অন্তৰ্গত। বড়ো ভাষাবিদ মোহিনী মোহন ব্ৰহ্মদেৱে জনোৱামতে ইয়াৰ অৰ্থ -- এখন একাবেকা নদী, ইয়াৰ হাবি প্ৰত্যয় যোগ হৈছে, হাবিৰ অৰ্থ ঘন গছ আৰু বননি। নদীখনৰ কাষৰীয়া অঞ্চলক লৈয়ে ডিৰাক হাবি যেনেকৈ --*নামবৰহাবি, ৰাকচুংহাবি, তৰাতলি হাবি* প্ৰভৃতি। ডিৰাক হাবি বৰ্তমানৰ তিনিচুকীয়া জিলাত আৰু একালৰ জনবসতি বিহীন নানা বন্য প্ৰাণীৰ সংৰক্ষিত বনাঞ্চল। এতিয়াৰ ডিৰাক হাবিত লাহে-লাহে জনবসতি আৰম্ভ হৈছে। পূৰ্বতে ই উপৰিপটুন, লাহদৈ, হালালি, ডিমালাং, বিদৰ্ভ আৰু সোমাৰপীঠ-খণ্ড আদিৰ অংশ বিশেষ আছিল। এই শ্ৰেণীৰ স্থাননামক ইংৰাজীত *মাইক্ৰ'টপনিমি* বোলা হয়। এনে শ্ৰেণীৰ স্থাননামৰ অন্তৰ্গত বৃহৎ পথাৰসমূহো যেনে --*জয়খামদাং পথাৰ, আহোম পথাৰ, ৰহঢলা পথাৰ, লখিমীপথাৰ, জেৰেঙাপথাৰ, বচাপথাৰ, হামদৈপথাৰ* আৰু *চাংমাইপথাৰ* ইত্যাদি।



**নামতত্ত্বৰ শ্ৰেণী বিভাজন পদ্ধতিৰ অধ্যয়ন**

*নামতত্ত্ব*ক মূলতঃ নিম্ন প্ৰধান বিষয়-ভাগকেইটাৰে শ্ৰেণী বিভাজন কৰিব পাৰি। ইয়াকে নামতত্ত্বৰ মুখ্য বা প্ৰধান বিভাগ বোলা হয়। অৱশ্যে ই নামতত্ত্ব বিষয়বস্তুৰ একো-একোটা ভাগ বা অংশহে। সেয়ে হ'লেও প্ৰাথমিক পৰ্যায়ত এই ভাগকেইটাই প্ৰধান শ্ৰেণী বিভাজনৰ স্বৰূপ। এই বিষয় ভাগকেইটাকো উপাদান, উপাদানসমূহৰ চাৰিত্ৰিক বৈশিষ্টতা, গঠন, ভাষাতত্ত্ব-ব্যাকৰণ, প্ৰাকৃতিক আৰু সাংস্কৃতিক দিশ আদিৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট অংশবোৰত শ্ৰেণী বিভাজনৰ ৰূপবোৰ প্ৰদৰ্শন কৰা হৈছে। এই ধৰণৰ বিভাজনক গৌণ শ্ৰেণী বিভাগ বোলা হয়। ইয়াকে কৰিবলৈ যাওঁতে *নামতত্ত্ব* ধাৰাটিৰ অধ্যয়নত প্ৰাচ্য-পাশ্চাত্যত ঘটি থকা উভয় দিশকে সামৰাৰ উপৰিও বিশ্বৰ নামতত্ত্ব বিশেষজ্ঞসকলৰ এই দিশৰ দীৰ্ঘদিনৰ গৱেষণা আৰু অধ্যয়নৰ ফলশ্ৰুতিত উদ্ভৱ হোৱা বিষয় তথা ভাগ সাপেক্ষ শ্ৰেণী বিভাজনকো উপস্থাপন কৰা হৈছে। সামগ্ৰিকভাৱে নামতত্ত্বৰ শাখাসমূহৰ শ্ৰেণী বিভাজনৰ মাজত বহুলাংশে সামঞ্জস্য থাকিলেও নিৰ্দিষ্ট শাখাসমূহৰ স্বকীয়তা অনুযায়ী নিজস্ব চাৰিত্ৰিক বৈশিষ্টতা প্ৰতিফলন ঘটিছে। থলুৱা, ৰাষ্ট্ৰীয় তথা বিশ্বজনীন ধাৰাৰ *নামতত্ত্ব* শ্ৰেণী বিভাজনৰ উপাদানসমূহক পদ্ধতিগতভাৱে সজাওঁতে আমাৰ বৃহৎসংখ্যক জনসংখ্যাৰ স্বাৰ্থক সামৰিবলৈ ইয়াৰ মাধ্যম বহু প্ৰচলিত পশ্চিমীয়া ইংৰাজী ভাষাৰ আশ্ৰয় লোৱা হৈছে। ইংৰাজী ভাষাক মূল হিচাবে লোৱাৰ অন্য এক সবল যুক্তি আছে যিহেতু অদ্যাপি থলুৱা ভাষাসমূহত পৰ্যাপ্ত পৰিমাণৰ বিশিষ্টমানৰ কাৰিকৰিক শব্দমালাৰ অভাৱ। অন্যহাতে পদ্ধতিগত আধুনিক আৰু উত্তৰ আধুনিক নামতত্ত্বৰ লেখিয়া বিষয়বস্তুৰ গুৰি পশ্চিমীয়া হোৱাত এই যুক্তিৰ সবলতা বাঢ়িছে আৰু যিমানদূৰ সম্ভৱ এই দিশত সৰল-সহজ আৰু সৰলীকৃত ভাষাৰ প্ৰয়োগ ঘটাবলৈ প্ৰচেষ্টা কৰা হৈছে।

● *এনথ্ৰপ'নিমি* বা *ব্যক্তিবাচক-চাৰনেমচ্* বা *উপাধিবাচক নাম, ইপনিমি* বা *ব্যক্তি তথা উপাধিবাচকনাম*ৰপৰা উৎপত্তি হোৱা নাম, *টপ'নিমি* বা *স্থাননামবাচকনাম* আদি।

*Anthroponymy* বা *এনথ্ৰপ'নিমিক ব্যক্তিবাচক-চাৰনেমচ্ বা উপাধিবাচক, ইপ'নিম* আৰু *ইথন'নিম* বা *জাতিবাচক নাম*ৰূপে শ্ৰেণী বিভাগ কৰিব পাৰি।

In the western countries the personal names are classified as follows Classification put forwarded by Adrian Room.

1. *Praenonnen* -The first name was the *praenomen*. This was a personal name and the equivalent of what we would now

call a first name, given name, f'ore name or Christian name e.g. Appius (App), Aulus, Caeso, Decimus, Lucius, Marcus etc. Woman names are Antonio, Claudia and Julia etc.

2. *Nomen* -The Second name was *Nomen* that of a person's Gen or Clan. Nomen, Nomina, can often be recognized by the ending ius-Claudius, Antonius, Julius and Lucius etc.

3. *Cognomen*- A later third name was the *congnomen* of Nickname e.g. Lomgus, tall; Naso, nosy; Sulla, red headed; Barbatus and curly etc.

4. *Agnomen* -Occassionally, the Romans would have a fourth name also. This was an Agnomen or Additional Cognomen, Publius Coprnelius Scipio Afriuanus', whose Agnomen relates to his success in Af'rican battles.

5. *Tripplc Name System*- Many Western countries including America, Russia, Rome follow this system.

**E.G. Withy Combe has put forwarded a Christian names into--**Semetic names- Muses. Samuel and Yaweh.

*Indo-European names* -oh Sanskrit, (Greek. Slavonic. Germanic, Celtic origin; Indra, Indraketu; Bogu-slav, Bogoj; Celtic-Catur rix, Catoc; German -Haribald, Herilo; Old English- Ceolric, Ceola; Scandinavian-Sigurd, Siggi; Greek-Niko-Kams and Nikwr.

*Greek names* -Demosthenes, Philocles.

Celtic and Salvonic names

*Roman names* -Praenomen-Marcus, Nomen-Tullius: Cognomen Cicero etc.

*Old English names* -Aethel, Ead, (old German, Gothic, old Scandinavian).

*Norman names -A*lfred, Edgar. Ethelbert etc. Influence of Church --Malhew, Peter, John, Andrew, William, Robert, Ralph, Richard etc.

Changes in 12$^{th}$ & 13$^{th}$ centuries -Aliena, Anligune, Ismenia, Camilla, Lavina and Pavi etc.

Nick names.

Men's names for women.

* Circumstances of birth.

* The Reformations.

* The Puritan names.



Surnames as Christian names.

Two or more Christian names etc.

**George R Stewart categorised the American Personal names as-** The Anglo-Saxon Personal names.

--The Norman Personal names -The later middle age, The Reformation, The early immigrants, Influence of Mayflower --17$^{th}$ century namings, 18$^{th}$ century namings, 19$^{th}$ century namings, 20$^{th}$ century namings.

Along with this, Stewert has put forwarded certain principles in American namings :

1. The name is bestowed soon after the birth-usually a; soon as the sex of the baby is known.
2. The name thus bestowed is considered permanent.
3. The name is of specific reference to sex. It is a boy's cm a girl's name.
4. With rare exceptions the namers select a name that is good according to their own standards.
5. Maintenance of a 'name pool'
6. Just as names may he lost from the pool by lack of use, so also they may he added by borrowing from foreign language.
7. The name thus chosen may have been originally from Hebrew, Greek. Italian etc.

*The personal names in Assam* can be classified according to.

**I.Literary origin**

*Oldest literatures* --Vedas. Upanishads, Puranas, Smritis, Srutis etc., Epics : Rarnayana, Mtrhabharata, Pali and Prakrit literature, Sanskrit literature, Drarma, Characters etc.

Folk Literatures, Saiva literatures, Sakta literatures, Historical literature.

Names from Arunodoi period, Bengali Literatures, Hindi literatures etc.

**II. Classification based on objects**

Planets, moon and stars, Flowers and plants, Birds and animals, River and Hill names, Towns and City's names. Holy and Historical places, Ornaments --Wearing apparels, Stories and Metals, Fine arts -- Dance, Music, Arts, Days, Month, Moments of Birth, Season

etc., Rag and Ragini etc.

**III. Classification based on**

Secular, Non-Secular,

Secular -- Literary - Objects, Historical, Linguistics etc.

Non Secular or Religious --Hindu names, Mahemmedan names, Christian names, Buddhist names, Jain names and so on.

**IV. Classification based on various ethnic groups**

Austric group of namings, Bodo group of namings, Aryan group of namings, Dravid namings, Tai group of namings and so on.

**V. Linguistic Classifications**

Suffixes, Prefixes, Simplexes, Infixes, Specifics, Generics, Grammatical composition, viz., Noun+Past participle, Adjective + Noun, Noun+Noun, Syllables, Mono, Di, Tri and so on, Innovation and Modifications, Translations, Borrowings, Abstract Nouns.

**VI. Lexically personal names can be classified into Brids.**

Literatures: Classical literatures, Assumes literature

Metals

Almanac: Months

Constellation or Lunar Mansion

Heavenly bodies

Seasons, Days, Part of the days

*Nature:* Five spirits, Earth, Water, Wind, Light, Flowers, Trees, Plants,

Creepers and then- parts,

Other objects: Sea, Mountain, River, etc. Abstract Nouns and

Adjectives: Virtues. Emotions

Abstract nouns and adjectives with good connotations.

**VII. Historical Classification : (period wise)**

Pre-Historic, Early, Medieval, Modern

Again, Dynasty wise --Naraka-Bhauma, Bhauma-Barman, Kachari, Pala, Salstambha, Jitari, Chutiya, Bhuyan, Moran, Barahi, Tai-Ahom, Koch and so on.

**Surnames Classification**

During *Nibandha* period in 5-6th century B.C., the Indian grammarian, *Panini* in his *Astadhyayi* divides the surnames into four classes (*India as known to Panini*, V.S. Agarwala, p. 182).



I. *Gotra* names mentioned in Chapter 4, - pada I of the *Astadhyayi*, e.g. Gargya.

II. *Patronymics*, e.g., *Upagu*'s son called *Aupagava* (*Tasyapatyam*, IV. I. 92).

III. Names derived from the localities, where a person or his ancestors lived.

IV. Personal names proper (V.3.78.84; V.3.65; VI. 2.106; VI. 2.159; VI. 2.165).

*Patanjali* in his *Mahabhasya* mentions *Panini* by *Matronymic*. *SARVE SABANGPADADESA DASHIPUTRASHYA* PANINI, *Mahabhasya* on *Panini*, I. I. 20 (Vol. I, p.75).

*Muni Punyavijay Angavijja*, in his *PRAKRITAGRATHAPARISAD*, (Varanashi, 1957.) a work generally placed in 3rd century, has much useful material about names. The classes mentioned here are as follows:

I. Gotranama

II. Ayanama (Constillations)

III. Kamma (Profe ssion)

IV. Sarira (Body)

V. Karana (Office).

In addition to these, there may be a number of classifications to study the surnames. Depending upon secular and non- secular character of the surnames there may be a classification --

A. Secular, B.Non- secular

**Secular surnames can be further sub- divided into**

a. Professional
b. Occupational
c. Royal titles
d. From place names
e. From Bio-kingdom
f. Traditional or from historical significance
g. From literary world
h. From physical characteristic of nature
i. From descripitive role of a certain character
j. From object name
k. From educational qualification

l. Other name signifiers : Miscellaneous.

**Non secular surnames can be classified -**

**I. Religion wise**

a. Hindu surname
b. Islamic surnames
c. Christian surnames
d. Buddha surnames
e. Jain surnames
f. Zoroastrian surnames etc.

**II. Caste wise**

a. Brahmin
b. Kayastha
c. Kalita
d. Ahom
e. Chutiya
f. Moran
g. Muttak
h. Borahi
i. Kachari
j. Tiwa @Lalung
k. Tripura
l. Rabha- Hasong
m. Mishing
n. Koibarta
o. Dhoba, Napit, Madapi and so on.

**III. Trade wise/ Community wise**

a. Bodo
b. Rabha-Hajong
c. Hojai
d. Garo/Achik
e. Khasi
f. Jayanta
g. Mishing
h. Tea tribes
i. Hmar
j. Kuki



k. Thadow etc.

**IV. Classification based on Rulers of various dynasties**

a. Ahom rulers
b. Chutiya rulers
c. Kachari rulers
d. Varman rulers
e. Pal-Bhauma rulers
f. Danava rulers
g. Mahemmedan rulers etc.

**V. Based on region wise**

a. Upper Assam
b. Middle Assam
c. Lower Assam

In upper Assam, the cultural influence is comparatively new, i.e. from A.D. 11th century onward, mostly activated through the Tibeto- Burmans and the Tais, whereas in lower Assam, the cultural heritage is more complicated as it has Aryan, non- Aryan of various tribes and the activities are on since time immemorial.

**Classifications made elsewhere are**

I. Ch. Dasaiah Choudhury in *The Study of Telugu Surnames and its Importance*, in Studies in Indian Place Name, Vol.VI, 1984; has classified surnames into following categories:

1. Surnames after place names
2. Surnames after personal names
3. Surnames after business or profession
4. Surnames after animals
5. Surnames after colour and other things.

II. **S. S.Ramchandra Murthy** in *A Study of some important Telugu Surnames* has (Studies in Indian Place Names, vol. III, 1982) classified as follows,

1. Surnames after place names
2. Surnames after personal names
3. Surnames after indicating scholarship–
   a. Poetic talent
   b. Talent in Veda, philosophy, etc.
   c. Teaching professions

d. Scholarship in general.
4. Office held.

**III. Eldson Smith,** in *New Dictionary of an American Family Name* (1973), classified the family names as follows -

1. From the man's place of residence, either present or past
2. From the man's occupation
3. From the father's name
4. From a descriptive nickname.

**IV. Basil Cottle** in his Book *Surnames classified the surnames as*, FLON

1. From his Father's/ ancestor's name
2. From his Locality name
3. From his Occupation or status
4. From his Nickname.

**V. P. H. Reany** (1967) has classified the surnames as LRON,
L = Local surnames
R = surnames of Relationship
O = Occupational surnames and official surnames
N = Nicknames.

**VI. E. G. Withcombe's** classification shows following elements

1. Patronymics
2. Place of origin
3. Trades
4. Nicknames.

**VII. Bardsely** (1901) classified as follows-

1. Local
2. Baptismal
3. Occupation and official
4. Nicknames
5. Foreign.

**Hydronymy** : Classifications on Hydronymy

Hydronymy can be classified according to their area, form, characteristics etc.

**Areawise or Sizewise**

*Sagar : Sagar* is a suffix word to denote a large kind of



tank. A tank is classified as *Sagar* when its area is more than 100 *Puras* or 400 *Bighas* and its consecration ceremony was performed by atleast 100 number of Brahmins viz. Jaysagar, Gaurisagar, Rudrasagar, Athaisagar and Lakhimisagar etc.

*Pukhuri (Tank)* : NIA As. *Pukhuri* is a suffix word to denote a comparatively smaller tank than Sagara. When the area is less than 400 Bighas and the consecration ceremony is done with less than 100 Brahmins, it is called a Pukhuri viz. Bhatiyaparar Pukhuri, Mathadangar Pukhuri, Bharali Barua Pukhuri, Barpatra Pukhuri etc. The original word is 'Puskarini'> Pukhuri.

*Dighi:* Dighi, a suffix word to denote a canal form of tank comparatively smaller than Sagara (Dighi is double the length of its breadth), viz. Sakaladighi, Darrangdighi cf. NIA As. Dighali etc.

*Barpukhuri :* Bar, a prefix word to denote a big tank. This kind of tank is smaller than 'Sagar'. Sometimes 'Sagars' are also called 'Barpukhuri'.

*Sarupukhuri :* Saru, a prefix word to denote a small pond, normally privately utilised for multiferious work by the general masses.

**Formwise or Shapewise classification**

*Juriapukhuri or Jurpukhuri:* This hydronym comes from 'Jur' or 'Juria' means a pair of tanks like -Jurpukhuri in Guwahati, Jurpukhuri in Devasthan in Karbi Anglong district, Juriapukhuri in Mornoi area of Goalpara district.

*Kuwa (Nad or Well):* It is a kind of hydronym whose shape is normally round and depth is more compared to its length and breadth. Normally is available in northern, middle, and western Assam. It has got western influence. Normally no consecration ceremony was observed.

*Kunda:* Kunda, a suffix word to denote a small pond, in Kalika purana and Yoginitantra there are number of references on 'kundas' viz. Chandrakunda, Mochankunda, Aswakrantakunda, Manikarnikakunda, Narayankunda, Bindukunda, Siddhakunda, Brahmakunda, Ramkunda, Sitakunda, Vijaykunda, Nagkunda, Yugakunda, Brittakunda, Durgakunda, Vishnukunda, Sivakunda, Kumarkunda, Apurnbharvakunda, Barahkunda, Antaralkunda, Varunkunda, Parsuramkunda, Kamakhyakunda, Bhoirabkunda etc.

*Kupa:* Kupa, a suffix word for tank viz. Yoginitantra refers, Durga Kupe tu purbashyang devamamrattakeswarong, Dhanustrayantare Devi pujayet kesabadina. Tashya devashya yamye tu dhanurashtantare priye. Gajakarong krishnabarnong pujyedagananayakong.

*Pakhali*, a suffix word for water resevoir viz. Kathagurucharit refers: Silar Pakhali at Bongaigaon connected with madhabdeva.

*Patnad :* A handy Nad or Well smaller than a Nad. It was excavated close to a Bahar or camp. One such Patnad or Patkuwa can still be seen in Rajabahar (in Dergaon Kamal Duara College campus), another at Aghonibari in Dibrugarh district.

*Sarobar :* Sarobar, a suffix word for big tank viz. Durgasarobar, Shaubhagyasarobar etc.

*Tinikonia :* A tank with three 'chuk' or corners is called Tinikonia viz. Tinikonia pukhuri at Tinichukia after whose name the old Changmaipathar @ Bengmora came to be known as Tinichukia. There is Tinikonia pukhuri in Charaideo and Viswanth area also.

*Dighali :* When shape of a tank is alongated then it is called 'Dighali' viz. Dighalipukhuri in Guwahati connected with the marriage story of Kamrupi princess Bhanumati and Duryudhana.

**Characterwise (Tank) classification**

*Itarebandha pukhuri or Brickbank tank*: A tank with brick bank and whose steps are also of brick, it is known as 'Brick' tank.

*Silpukhuri or Stonebank tank*: A prefix word. A tank with stones or rocks all around and its steps are of stones is known as 'Stonetank' or *Silpukhuri* viz. Silpukhuri of Guwahati another at old Bar Ali near Gaurisagar in Sivasagar district.

*Mitha* : A prefix word. The characteristics of the water of this kind of tanks are normally mineral free and light and tasty. There are numbers of Mithapukhuri in the old capitals of the Ahom, Charaideo, Gargaon and Rangpur.

*Tenga:* A prefix word. A tank with water of soury taste is called Tenga pukhuri i.e., a tank full of iron and other minerals viz. a Tengapukhuri in Sivasagar district.

*Sukan* : A prefix word. A tank without water is known as Sukanpukhuri viz. Betbari Sukanpukhuri, Demow Sukanpukhuri, and



Doigrung Sukanpukhuri etc.

*Panibil* : As opposed to Sukan there is a kind of tank called 'Panibil' means which remains full with water throughout the year viz. Panibilpukhuri or Sonadoipukhuri of Sivasagar, a bird sanctuary.

*Padum* : A prefix word. A tank with full of Padum or Lotus. cf-Bhet, Meteka, Erali pukhuris etc.

Bali : A prefix word. A tank with sand at base.

Da : A prefix word denotes - depth.

Bam : A prefix word, denotes - shallow.

Pota : A prefix word, denotes - filled up.

**Hodonymy Classifications**

In south India, the road or street names are classified on the basis of qualitative elements by D. Javare Gowda in 1977 (SIPN, Vol. I, 1980, Mysore, pp. 10-11). They are as follows:

Names originating from the personal names of gentlemen, local dignitaries, ministers, saints, historical figures, artists etc.

Names adopted from mohalla or county names themselves.

Names from temples.

Names from villages to which the roads lead.

Names after institutions and prominent public places of a particular locality.

Names from castes and occupations of the people of surrounding places.

Names descriptive of trades existing in a particular habitation.

Names indicative of situation and size of the streets.

Names derived from important events.

Names, signifying types or structures of house.

On the basis of the study of street names of Pondicerry Town, (Ville-Noire means Black Town), Mr. A. Sabastian classified the roads as:

Streets bearing the name of principal villages/towns/localities (15 street names of 1856 AD and 4 names in 1990).

Street names bearing caste names taken as communities (15 streets of 1856 AD).

Street names of religious character

a. Hindu (7 roads each of 1856/1990).

b. Christian (6 each of 1856/1990).

C. Muslim (2 roads each of 1856/1990).

Street names bearing the names of prominent persons.

a. List of Frenchmen (Governors, Bussinessmen).

b. List of persons of National importance.

c. Local people. (Notables and others).

Street names of men of arts and letters.

Street names of commercial products.

Street names of public utility service. All total 79 streets of 1856 AD and 67 Street names of 1990.

**The classification of hodonymy in Assam can be done as -**

*Natural names like* -connected with a mountain or hill, relief, river, natural pond or beel, forest, vegetations, etc.

*Cultural names like* -connected with an episode, historical name, fort or bahar name, religious institutions, community hall, tribe or community name, personal name, place name, village name, field name, market name, tank name, temple name, professional and occupational clan name, royal title or designation of nobles, organizational names, and commemorative names etc.

Another kind of classification can be done by the Road Engineers like -Rastriya Path (31-Baihatacharali to the west on the northern bank, 36 -Nagaon to Dimapur, 37 -southern bank Dibrugarh to Jogighopa, 38 -Dibrugarh to Lekhapani, 39 -Golaghat to Dimapur, 40 -Guwahati to Shillong, 44 -Guwahati to Dharmanagar, 51 -Goalpara to Mancachar, 52 -Tezpur to Dhemaji, 53 -Silchar to Jiribam), Rajyic Path, Municipal or Urban Road, Garkaptani Path, Gaon Panchayatar Ali, Habir Rasta (Forest Road), etc.

Similarly depending upon construction of roads -Pacca Ali, Pathardia Ali, Kaccha Ali etc.

*Miscellaneous* : The category which donot fall under A, B, C and D categories.

**Oronymy Nomenclature, Classification and Purpose of study**

The Naming process and Classification of Oronymy in Assam



can be made generally under the following categories viz.

1. Natural category

2. Cultural category.

*Physiographic names* : This group of names mainly deals with physiographic character of the land viz. Hajo, Namchang and Lakhuti etc.

*Cultural origin*: Names after the religious gods and goddesses like Mahadev parvat, Bhuvanpahar, Umananda, Srisuryyapahar, Deopahar, Kamakhyapahar, Raksashinipahar etc.

*Episode origin*: Pat-kai-seng-kan, Dekdhoa pahar and Kukurakotapahar etc.

Numeral figures like, Doi-kao-rong and Trikut parvat etc.

Plant related: Singari parvat, Bhomoraguri pahar etc.

Animal or Fauna origin like Ajagar @ Ajangar (python) pahar, Makri pahar (Monkey), Lokhra (Lokra ?) pahar (tiger), Chila pahar, Garurachal (bird), Negheriting pahar (bird or shape of the landscape) etc.

Naming after the colour of the surface: Ranga pahar, Nilachal and Kalapahar etc.

Naming after prominent historical characters or some personality: Vasistha, Lankeswar, Phulara, Chatala and Chand pahar etc.

Naming after descriptive origin: Sandhyachal, Udayachal and Purvachal etc.

Naming after the age of hill like -Burha pahar and Gabharu pahar etc.

Naming after place names like Sonapur pahar, Chaygaon pahar, Lanka pahar, Matia pahar and Tiru pahar etc.

Naming after the tribes: Naga pahar, Karbi Anglong, Luchai pahar etc.

In general Oronym suffixes in Assam are: Hachu, Pahar, Parvat, Soila, Sikhar, Sringa, Giri, Arleng, Jo, Boi, Bum and Achal etc.

The purpose of study of Oronymy of Assam is basically to the trace the following issues:

1. The implication of study of Oronyms in linguistics study

as the Oronyms is also words and archive of words; 2. The study of Oronyms is to find out the relation of men with the nature and environment; 3. To measure the cultural links and taste of the people of Assam through Oronymy study; 4. To find out the historical connection with the Oronyms; 5. To measure the mental standard and psyche of the people of Assam in naming the Oronyms.

All these features will be seen in the forthcoming chapters and paragraphs of the work Oronymy of Assam.

টপ'নিমি বা স্থানবাচক নামসমূহক তলত দিয়া ধৰণে শ্ৰেণী বিভক্ত কৰিব পাৰি-

Inhabited places -Cities, Towns, Villages etc.

Uninhabited places -Hills or Mountains, Fields and Forests etc.

Hodonymy -Streets, Roads and Ramparts etc.

Hydronymy -Rivers, Lakes, Ponds and Beels etc.

Oronymy -Mountains or Hills, Mounds, Elevated places

Micro-Toponym

Choronym

Chremotonym etc.

*J.J. Egglig* classifies names into two broad categories and then subdivides them as :

a. Natural names and

b. Cultural names. These names are derived from some natural feature or characteristic.

a. Inherent

b. Adherent

c. Relational.

Cultural names - They reflect the cultures:

*Material culture*: a. Physical, b. Economic, c. Intellectual.

Spiritual culture: a. Moral, b. Religious, and c. Political.

*George R. Stewart*, in his *American Place names* 1970, pp. xxviii-xxxii put forward a classification of place names by Mechanism of Origin:

Place names originate from the need or desire to distinguish one place from others. A place will be named if people frequenting it I. conceive it as its entity and II. Find it to be in some way useful, and therefore worth naming. Primitive people, for instance, rarely



have a name for a mountain range, since it is too large for them to see all at once and thus to conceive as entity. Even a single mountain may not be named, because there is no advantage in its being so known, though springs and meadows on its slope will have names. To distinguished one place to another of the same kind (generic), the users of a language employ certain devices or mechanisms, ten of which are here discussed. Nearly all (If not, indeed all) of the place-names of USA originate in one of these ways.

Descriptive names, Association names, Possessive names, Incident names, Commemorative names, Commendatory names, Coined (manufactured) names, Transfer and shift names, name cluster, Folk-etymology, Mistake names.

In this connection, it may be recalled, Adrian Room put forwarded a naming pattern of English namings which he preferred to call as *Category of Place names* also like -Place names, Aristocratic title, Royal names and titles etc.

In Northern Ontario, they have 9 categories of names viz.,

Descriptive, Associative, Possessive, Incident, Commemorative,

Euphemistic, Manufactured and compound, Shift, Weird name.

In the Indian context, *S.K.Chatterjee* and *H.D. Sankalia* had drawn a naming pattern on the basis of classification of place name (which has been already discussed).

In the case of our region, the place names can be categorized under the following heads:

**I.Anthropo-Historical**

Paleolithic origin, Megalithic origin, Neolithic origin, Proto-Historic origin, Historical origin.

With the existing place names -- Historical, Geographical, Ethnological or Anthropological or Sociological, Linguistics, Religio-Cultural, Folk-lore, Miscellaneous.

Historical category can be further classified into -period wise, Ancient or Pre-historic Era, Early Medieval, Medieval, Late Medieval, Modern Period.

**II. Historical Category can be divided on the basis of Ethnic groups**

Austric, Negrito, Indo-Chinese stock, Later Mongoloids.

Indo-Aryans, Historical Classification on the basis of Dynastic Rules: Danava-Asura : Mairang hill after Mahiranga Danava.

Naraka-Bhauma (Varmana: 4th century AD- 650 AD): Kaluto (Korotoya), Kamalopo (Kamrupa).

Bana, Bhismaka (Contemporary to Naraka), Devesvar, Dharmapala, Ramchandra, Sankal or Sankaladvip 1st century AD).

Salastambha (650-990AD), Palas (990 AD-1138 AD), Devas (Vaidargarh, Hamchakunchi), Kamata (Kamatapur), Kacharis (Dihing, Dikhow), Bhuyans (Bihpur, Biswanath), Chutiyas (Sonagiri, Chandangiri, Swetagiri), Moran (Moran, Bengmora), Borahi (Bolom, Hallem, Bihali), Mahemmadan (Fatemabad, Islampur, Mirza), Ahom (Tipam, Tirap, Timon, Nampong, Namdang, Namdaophi etc.), Koch (Kocharbhita, Chikangram etc.), Historical place names whether in use or not in use.

Geographical classification -As the theme of geography is a place, so we may have a distinct Geographical classification of place names which will cover almost all the place names of the world and remaining names can be placed in Miscellaneous category:

Physical geography -Hills or Mountains, Plateaus, Valleys, Rivers, Lakes, Beels, Ponds, Caves and Caverns etc.

**Cultural geography -**

*Rural:* Names of villages: professional or non-professional, village shrines, village agricultural fields, tanks, temples etc.

*Urban:* Capitals, Towns, Growth centers etc.

*Economic geography* -Place names relating to economic products -Minerals, Agricultural products, Dairy products etc.

*Political geography* -Place names relating to war, treaty, agreements, territorial divisions and the like.

*Regional geography* -Place names relating to regional distributions of Human and animal kingdom and the names derived from.

*Biogeography* -Place names relating to Flora and Fauna.

*Historical geography* -Place names derived from historical relics, monuments, history connected with the places.

*Literary classifications*: Place names originated in different literary periods can be placed in these categories.



i. Vedas, Upanisads and Samhitas

ii. Epics

iii. Purans, Tantras and various other old literary religious and secular works like Arthasastra, Raghuvamsa, Harshacarita, Yoginitantra, Haragauri Sambada etc.

iv. Epigraphs and Monuments

v. Folk literatures, Folk-lores

vi. Historical literatures -Buranjis, Chronicles, Vamsavalis etc.

vii. Traveller's accounts.

viii. Study of coins.

**Linguistic classifications**

i. Austric

ii. Mongoloid language -Bodo, Rabha, Karbi, Lalung, Dimacha, Miching etc.

iii. Aryan language -Sanskrit, Prakrit, Assamese etc.,

iv. Later Mongoloids -Tai-Ahom, Tai-Phake, Tai-Khamti, Singpho etc.,

v. Arabic, Manipuri, Bengali, Hindi etc.

**Religio-Cultural classifications**

i. Hindu shrines -Saiva, Sakta, Vaisnava

ii. Buddha (Vihar) and Jain etc.

iii. Mushlim shrines -Dargah, Mosque etc.

iv. Christian -Church.

Miscellaneous : This category includes those place names which are not included in any of the categories.

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল বিশ্বজনীন, ৰাষ্ট্ৰীয় স্তৰ তথা আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ *নামতত্ত্বৰ* শ্ৰেণী বিভাজনসমূহে বিভিন্ন শ্ৰেণীৰ লগত জড়িত হৈ থকা মূলতঃ প্ৰাকৃতিক আৰু সাংস্কৃতিক উপাদানবোৰৰ বৈশিষ্ট্যতাক প্ৰতিফলন ঘটাইছে। দৰাচলতে *নামতত্ত্বৰ* শ্ৰেণীবিভাজনৰ কোষসমূহৰ মাজতেই *নামতত্ত্বৰ* মূল সাহটো নিহিত হৈ আছে। এতিয়ালৈ উদ্ভাৱন হোৱা নামৰ শাখাবোৰৰ আধাৰত এই শ্ৰেণী বিভাজন ঘটুওৱা হৈছে যদিও সমাগত দিনত *নামতত্ত্বৰ* ন-ন উদ্ভাৱনত ই সলনি বা অধিক সংযোজন হ'বলৈ বাধ্য। সেয়ে শ্ৰেণী বিভাজন, বিৱৰ্তন আৰু গতিশীল ধাৰাৰ অন্তৰ্গত। নতুন গৱেষকসকলে নামতত্ত্ব অধ্যয়নৰ প্ৰতি অনুৰাগ প্ৰদৰ্শন কৰি বিষয়টিত অগ্ৰহ জন্মাব পাৰিলে আৰু গৱেষণালব্ধ পদ্ধতিৰে এই বিষয়ত কাম কৰিলে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অলেখ নতুন দিশ পোহৰলৈ আহিব।

# গৱেষণা কৰ্মত ক্ষেত্ৰ অধ্যয়ন

ড° ভীমকান্ত বৰুৱা

আজিকালি সচৰাচৰ দেখা যায় যে বহুতো গৱেষকে নগৈ গঁড়গাঁৱৰ বতৰা দিয়ে। গৱেষণা ক্ষেত্ৰলৈ সোঁ-শৰীৰে গৈ অধ্যয়ন কৰিবলৈ টান পায়। দহ-পোন্ধৰখনমান কিতাপ গোটাই লৈ সিবোৰত থকা কথাবোৰক অদল-বদল কৰি অথবা Internet ৰ ওপৰতে নিৰ্ভৰ কৰি গৱেষণা কৰে আৰু সিদ্ধান্তসমূহ দাঙি ধৰে। কেতিয়াবা আকৌ এনে গৌণ তথ্যৰ সিদ্ধান্তৰ ভেঁটিত প্ৰস্তুত কৰা গৱেষণা কৰ্মৰ ওপৰত নিৰ্ভৰ কৰিয়েই আন কোনোৱে গৱেষণা কৰিব বিচাৰে। এনে প্ৰৱণতাই গৱেষণা কৰ্মৰ পথাৰখন কলুষিত কৰাৰ উপৰিও গৱেষণা কৰ্মৰ নিৰ্ভৰযোগ্যতাৰ সম্পৰ্কেও সন্দেহ ওপজায়। গৱেষণা কৰ্মৰ কৰ্তৃত্বসুলভ নিৰ্ভৰযোগ্যতাৰ পৰা আঁতৰি তৰল সিদ্ধান্ত দিবলৈ চেষ্টা কৰে। তেনে গৱেষণা-কৰ্ম নিৰ্দিষ্টপদ্ধতিৰ মাজত সম্পন্ন কৰিলেও সি তৰল বিধৰ হৈ পৰে আৰু গৱেষকজনক তেনে গৱেষণাই কৰ্তৃত্বসুলভ মনোবৃত্তি গঢ় দিব নোৱাৰে। গতিকে ক্ষেত্ৰ অধ্যয়ন নথকা সমাজ বিজ্ঞানৰ গৱেষণা কেতিয়াও নিৰ্ভৰযোগ্য হ'ব নোৱাৰে। কৰ্তৃত্বশীল আৰু নিৰ্ভৰযোগ্য সমাজ অধ্যয়ন বিষয়ৰ সিদ্ধান্ত সদায়ে ক্ষেত্ৰ অধ্যয়নভিত্তিক হয় আৰু তথ্য নিৰ্ভৰশীল হয়। ক্ষেত্ৰ অধ্যয়নত গৈ বিভিন্ন সমল আহৰণ কৰি সেই সমলৰ পৰা তথ্য প্ৰস্তুত কৰি উলিওৱা হয়। আৰু তেনে তথ্যৰ আধাৰতহে গৱেষণা কৰ্মৰ সিদ্ধান্তত উপনীত হ'ব পাৰি। উক্ত সমলসমূহ সূচক ব্যক্তিৰ জৰিয়তে ক্ষেত্ৰ অধ্যয়নত সংগ্ৰহ কৰিব পাৰি। গাখীৰৰ পৰা যেনেকৈ মঠনিত ধৰি মাখন উলিয়াব পাৰি, আকৌ মাখনৰ পৰা যেনেকৈ ঘিউ প্ৰস্তুত কৰিব পাৰি ঠিক তেনেকৈ ক্ষেত্ৰ অধ্যয়নত সংগ্ৰহ কৰা সমলৰ পৰা তথ্যক আদায় কৰিব পাৰি আৰু তেনে তথ্যৰ আধাৰত সিদ্ধান্ত দিব পাৰি।

এতিয়া প্ৰশ্ন হ'ল- ক্ষেত্ৰ অধ্যয়ন কেনেকৈ কৰিব লাগে? ক্ষেত্ৰ অধ্যয়নলৈ



যোৱাৰ পূৰ্ব গৱেষকজনে যথেষ্ট অধ্যয়ন কৰিব লগা হয় আৰু তেনে অধ্যয়নৰ জৰিয়তে জ্ঞানলব্ধ হৈহে ক্ষেত্ৰ অধ্যয়নলৈ যাব লাগে। আকৌ প্ৰশ্ন হয়- তেনে অধ্যয়ন কেনে বিষয়ৰ হ'ব? গৱেষণা বিষয়ৰ লগত সংগতি থকা আৰু আনুষংগিক বিষয়বোৰৰ সৈতে গৱেষকজন ভালকৈ পৰিচিত হ'ব লাগিব। বিষয়ৰ তাত্ত্বিক জ্ঞান, আনুষংগিক বিষয়ৰ তাত্ত্বিক জ্ঞান, পদ্ধতিগত অধ্যয়নৰ জ্ঞানৰ উপৰিও ক্ষেত্ৰ অধ্যয়নলৈ যাবলগীয়া সমাজ-সংস্কৃতি সম্পৰ্কে জ্ঞান থকা দৰকাৰ। তদুপৰি ক্ষেত্ৰখনৰ সূচক ব্যক্তিসকলৰ সন্ধান কৰা আৰু কেনে সূচক ব্যক্তিৰ পৰা সমলসমূহ আহৰণ কৰিবলৈ সুবিধা হ'ব সেই সম্পৰ্কীয় যাৱতীয় তথ্য আহৰণ কৰাটো এজন গৱেষকৰ প্ৰধান কৰ্তব্য হৈ পৰে।

এইখিনিতে মন কৰিবলগীয়া যে বিষয় অনুসৰি ক্ষেত্ৰ অধ্যয়নৰ পদ্ধতি সুকীয়া সুকীয়া। উদাহৰণস্বৰূপে পুৰণি পুথি-পাঁজি অধ্যয়নৰ ক্ষেত্ৰত যি ধৰণৰ ক্ষেত্ৰ অধ্যয়ন হ'ব; সাহিত্য, সংস্কৃতি, ভাষা আদি অধ্যয়নৰ ক্ষেত্ৰত একেবাৰে একে ক্ষেত্ৰ অধ্যয়ন নহ'বও পাৰে। পুৰণি পুথি অধ্যয়নত যেনেকৈ পাঠ সমীক্ষাৰ জৰিয়তে মূল পাঠ উদ্ধাৰ কৰি লোৱা হয় আৰু তাৰ পিছতহে বিষয়টো অধ্যয়ন কৰা হয় ঠিক তেনেকৈ সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত সি নহ'বও পাৰে। সেয়ে বিষয় অনুযায়ী ক্ষেত্ৰ অধ্যয়নৰ প্ৰস্তুতিও বেলেগকৈ কৰা হয়। ক্ষেত্ৰ অধ্যয়নৰ বাবে উক্ত বিদ্যায়তনিক প্ৰস্তুতিৰ বাহিৰেও আন কিছুমান সা-সঁজুলিও যোগাৰ কৰি ল'ব লাগে। এনে সা-সঁজুলিৰ ভিতৰত আজি-কালি আধুনিক যন্ত্ৰপাতি ব্যৱহাৰ কৰা হৈছে। পূৰ্বে কিছু কাৰ্ড প্ৰস্তুত কৰি কলম-পেঞ্চিলে লিখা হৈছিল যদিও সিবোৰৰ ঠাইত কম্পিউটাৰ ব্যৱহাৰ হ'বলৈ ধৰিছে। সেয়ে আজি-কালি ক্ষেত্ৰ অধ্যয়নত সৰু লেপ্‌টপ্ কম্পিউটাৰ এটি ব্যৱহাৰ কৰাটো সচৰাচৰ পৰিলক্ষিত হয়। ই সমল সংগ্ৰহত যথেষ্ট সহায় কৰিব পাৰে। ইয়াৰ উপৰিও কেমেৰা, ডিজিটেল ৰেকৰ্ডাৰ, কাগজ-কলম, পেঞ্চিল, কাটা-কম্পাছৰ বাকচ আদিও যোগাৰ কৰি লোৱা অতীব প্ৰয়োজন। তদুপৰি বিষয় অনুসৰি প্ৰশ্নসূচী তৈয়াৰ কৰিব লগা হ'লে তাক প্ৰয়োজন অনুসৰি আৰু নীতি অনুসৰি যুগুতাই শেষ ৰূপ বা অন্তিম ৰূপ দি ল'ব লাগিব। ক্ষেত্ৰ অধ্যয়নলৈ যোৱাৰ পূৰ্বে কোনখিনি তথ্য বা সমল আহৰণৰ বাবে ক্ষেত্ৰ অধ্যয়নত যাবলৈ লৈছে সেই কথা স্পষ্ট আৰু পৰিষ্কাৰ কৰি ল'ব লাগিব।

ক্ষেত্ৰ অধ্যয়নৰ বাবে গৱেষকজনৰ আন কিছুমান গুণৰো আৱশ্যক হয়। সিবোৰৰ ভিতৰত যিকোনো সমাজত সহজেই মিলিব পৰা গুণটো আটাইতকৈ প্ৰয়োজনীয় গুণ। এটি সহনশীল মনোভাব, মিলি যাব পৰা গুণ, অধ্যয়ন কৰিবলগা সমাজখনৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাব ইত্যাদি গুণবোৰো এজন

গৱেষকৰ বাবে অতি প্ৰয়োজনীয়। গৱেষকজনৰ নিজৰ ভাষা-সাহিত্য-সংস্কৃতি, খাদ্যাভাস, বস্ত্ৰ-পৰিধান, চিন্তা-চৰ্চা, ধৰ্ম আদি নিমিলাৰ বাবেই যদি গৱেষকজনৰ ক্ষেত্ৰ অধ্যয়নত অসহিষ্ণু হৈ পৰে, তেন্তে তেনে গৱেষকৰ বাবে ক্ষেত্ৰ অধ্যয়ন কৰাটো সম্ভৱ নহয়। ক্ষেত্ৰ অধ্যয়নৰ সমাজখনক গৱেষকজনৰ বিচাৰত নিজৰ শুদ্ধ পথলৈ আনিবৰ বাবে দোষ-গুণ বিচাৰি কৰি জাপি দিয়োটোও ক্ষেত্ৰ অধ্যয়নৰ সময়ছোৱাৰ উদ্দেশ্য হ'ব নোৱাৰে। প্ৰাপ্ত সমলখিনি সংগ্ৰহ কৰি তাৰ জৰিয়তে তথ্য প্ৰস্তুত আৰু সিদ্ধান্তসমূহ সমাজৰ আগত দাঙি ধৰাটোহে গৱেষকজনৰ প্ৰধান লক্ষ্য। এটা কথা মনত ৰখা দৰকাৰ যে ক্ষেত্ৰ অধ্যয়নৰ তথ্যবোৰ শুদ্ধ নহ'লে বৈজ্ঞানিক বিশ্লেষণৰ জৰিয়তে গৱেষণা কৰ্মত কৃতকাৰ্যতা লাভ কৰা সম্ভৱ নহয়। শুদ্ধ আৰু নিখুঁত তথ্য সংগ্ৰহ কৰিবৰ বাবে সমল সংগ্ৰহৰ পদ্ধতিও শুদ্ধ হ'ব লাগিব। সেয়ে ক্ষেত্ৰ অধ্যয়ন প্ৰক্ৰিয়াত কিছুমান নিৰ্দিষ্ট পদ্ধতি ব্যৱহাৰ কৰা হয়, সেইকেইটা হৈছে—

১. ব্যক্তিগতভাৱে অংশগ্ৰহণ কৰি পৰ্যবেক্ষণ কৰা পদ্ধতি

২. সাক্ষাৎকাৰ, প্ৰশ্নসূচী

৩. নমুনা সংগ্ৰহ

১। পৰ্য্যবেক্ষণ পদ্ধতি হ'ল এক প্ৰাথমিক আৰু উমৈহতীয়া পদ্ধতি। এই পদ্ধতি অতি পুৰণি আৰু মৌলিক। ইয়াৰ জৰিয়তে গৱেষণা ক্ষেত্ৰখনৰ লগত গৱেষকজনৰ প্ৰত্যক্ষ সংস্পৰ্শ সম্ভৱ হয়। এই পৰ্য্যবেক্ষণ পদ্ধতিৰ ভিতৰত নিয়ন্ত্ৰিত, অনিয়ন্ত্ৰিত, অংশগ্ৰহণ আৰু অনা-অংশগ্ৰহণ ইত্যাদি ধৰণেও ভাগ কৰা হয়। নিয়ন্ত্ৰিত পৰ্য্যবেক্ষণত পৰ্য্যবেক্ষণ কৰিবলগীয়া বিষয়টি আগতীয়াকৈ ঠিক কৰি সৰু সৰু গোটবোৰৰ মাজত কৃত্ৰিম পৰিৱেশ সৃষ্টি কৰি প্ৰতিক্ৰিয়া পৰ্য্যবেক্ষণ কৰা হয়। আনহাতেদি স্বাভাৱিক পৰিৱেশত ক্ষেত্ৰ পৰ্য্যবেক্ষণ কৰি অনিয়ন্ত্ৰিত পৰ্য্যবেক্ষণ কৰা হয়। অংশগ্ৰহণমূলক পৰ্য্যবেক্ষণত গৱেষকজন দীৰ্ঘদিন ধৰি গৱেষণা ক্ষেত্ৰখনত থাকি সেই সমাজখনৰে এজন ব্যক্তিৰ দৰে হৈ পৰে আৰু তাৰ জৰিয়তে তেওঁ অধ্যয়ন কৰিবলগা গৱেষণা বিষয়সমূহ পৰ্য্যবেক্ষণ কৰি সমল আৰু তথ্য আহৰণ কৰে। অংশগ্ৰহণমূলক ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে শুদ্ধ সমল আহৰণ কৰি গৱেষণা কৰ্মৰ সফল সমাপ্তি ঘটাব পাৰে। এনে ক্ষেত্ৰ অধ্যয়নৰ সময়ছোৱাত গৱেষকজনে বহুতো সংঘটিত ঘটনাৰ সম্ভেদ পায় আৰু তেনে সংঘটিত ঘটনাবিলাক টুকি ৰাখি অধ্যয়ন চলোৱাকে Case Study বুলি কোৱা হয় অথবা সংঘটিত ঘটনাৰ অধ্যয়ন বুলি ক'ব পাৰি। আনহাতে গৱেষকজনে শাৰীৰিকভাৱে ক্ষেত্ৰখনৰ লগত নিজকে জড়িত নেৰাখি সমাজখনৰ বাহিৰৰ পৰাই সমল সংগ্ৰহ কৰে যাক অনা-অংশগ্ৰহণ বা অংশগ্ৰহণবিহীন



পৰ্য্যবেক্ষণ বুলি কোৱা হয়। এনে ক্ষেত্ৰত গৱেষকজনে কোনো ব্যক্তিৰ পৰা সমাজৰ বাহিৰত থাকিয়েই সমল সংগ্ৰহ কৰে। এনে পৰ্য্যবেক্ষণ নিৰ্ভৰযোগ্য পৰ্য্যবেক্ষণ বুলি ভবাটো টান।

২। সাক্ষাৎকাৰ আৰু প্ৰশ্নসূচী হ'ল ক্ষেত্ৰ অধ্যয়নৰ বাবে প্ৰয়োজনীয় অন্য এক পদ্ধতি। সাক্ষাৎকাৰ সূচী বা প্ৰশ্নসূচী হ'ল সাক্ষাৎকাৰৰ সময়ত সংগ্ৰহ কৰিবৰ বাবে গৱেষকজনে আগতীয়াকৈ প্ৰস্তুত কৰি লোৱা এনে প্ৰশ্নসূচী। সাক্ষাৎকাৰ সূচীত গৱেষকজনে নিৰ্ধাৰিত আৰু প্ৰয়োজনীয় প্ৰশ্নবোৰ আগতীয়াকৈ জুকিয়াই লয় আৰু সেই প্ৰশ্নবোৰ তেওঁ নিজেই গৈ সূচক ব্যক্তিৰ পৰা প্ৰশ্নৰ জৰিয়তে উত্তৰবোৰ সংগ্ৰহ কৰে। আনহাতেদি প্ৰশ্নসূচী হ'ল গৱেষকজনে প্ৰস্তুত কৰা প্ৰশ্নসমূহ। কোনো ব্যক্তিৰ জৰিয়তে বা ডাকযোগে সূচক ব্যক্তিলৈ প্ৰেৰণ কৰে আৰু তাৰ পিছত সিবোৰ সংগ্ৰহ কৰে। কেতিয়াবা গৱেষকজনে নিজেও প্ৰশ্নসূচীসমূহ সূচক ব্যক্তিৰ ওচৰত বিতৰণ কৰি এৰি দিয়ে আৰু পৰৱৰ্তী সময়ছোৱাত সেই প্ৰশ্নসূচীসমূহ সংগ্ৰহ কৰে। এনে সাক্ষাৎকাৰ প্ৰশ্নসূচীত সদায়ে সূচকে (informant) যে শুদ্ধ উত্তৰ দিব সি সঁচা নহয়। কিয়নো আৰ্থিক অৱস্থা, বেমাৰ-আজাৰ, বয়স আদিৰ ক্ষেত্ৰত এনে অৱস্থাত শুদ্ধ উত্তৰ পোৱা বৰ টান। সেয়ে, পুনৰ প্ৰমাণ (Cross verification) কৰি চোৱাৰ উদ্দেশ্যে বহুতো গৱেষকে কিছুদিনৰ মূৰত দ্বিতীয়বাৰৰ বাবেও পুনৰ সাক্ষাৎকাৰসূচী প্ৰেৰণ কৰা দেখা যায়।

৩। নমুনা সংগ্ৰহ পদ্ধতিত অধ্যয়নৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি কোনো এখন ক্ষেত্ৰৰ পৰা প্ৰতিনিধিত্বমূলকভাৱে এক বিশেষ সংখ্যাৰ গোট বাছি লৈ অধ্যয়ন চলোৱা হয়। সচৰাচৰ এনে নমুনা সংগ্ৰহ পদ্ধতি ব্যৱহাৰ কৰিলেও সি "গোস্পদে নভো মণ্ডলম" অৰ্থাৎ গৰুৰ খোজত বিশ্বব্ৰহ্মাণ্ডখন দেখাৰ দৰেহে হয়। আচলতে গৰুৰ খোজত বিশ্বব্ৰহ্মাণ্ডখন নাথাকে। প্ৰাথমিক অধ্যয়নৰ বাবে এনে পদ্ধতি ব্যৱহাৰ কৰিলেও অন্তিম সিদ্ধান্তৰ বাবে এই পদ্ধতিৰ গ্ৰহণযোগ্যতা সন্দেহৰ উৰ্ধত নহয়।

এইখিনিতে মন কৰিব লাগিব যে সমল দাতা বা সূচক ব্যক্তিজন নিৰ্বাচন কৰোঁতে সঠিক হৈছে নে নাই সেই কথা বিচাৰ কৰি ল'ব লাগে। বিভিন্ন বিষয় অনুসৰি সমল দাতাৰ গুণ আৰু অৰ্হতা সম্পৰ্কে অধ্যয়ন কৰি লোৱাৰ পিছতহে সমল দাতাজন নিৰ্বাচন কৰি ল'ব লাগে। অথবা অভিজ্ঞ ব্যক্তিকহে সূচক ব্যক্তি বা সমল দাতা ৰূপে নিৰ্বাচন কৰিব লাগে। উদাহৰণস্বৰূপে William J. Samarin নামৰ লেখকজনে ভাষা অধ্যয়নৰ বাবে ক্ষেত্ৰ অধ্যয়নত সূচক ব্যক্তি কোন হ'ব লাগে এই সম্পৰ্কে কিছুমান অৰ্হতা নিৰ্ধাৰণ কৰিছে। ক্ষেত্ৰ অধ্যয়নৰ সময়ছোৱাত সমল দাতাৰ বা তথ্য দাতাৰ

পৰিচয় পাব পৰাকৈ তেওঁৰ নাম, বয়স, লিংগ, ঠিকনা, শিক্ষাগত অৰ্হতা, পেচা ইত্যাদিৰ দৰে কথাবোৰ লিপিবদ্ধ কৰি আনিব লাগে যাতে পৰৱৰ্তী কালত গৱেষণা প্ৰতিবেদনৰ পৰিশিষ্টত সেইবোৰ গাঁঠি দিব পাৰি। উক্ত কথাখিনিৰ পৰাই গৱেষণা কৰ্মত ক্ষেত্ৰ অধ্যয়নৰ গুৰুত্ব কিমান সেই কথা সহজ অনুমেয় হৈ পৰে। সম্প্ৰতি এই প্ৰবন্ধত সকলোবোৰ কথাৰ মাজলৈ নগৈ থুল-মূলকৈ নমুনা হিচাপে ক্ষেত্ৰ অধ্যয়নৰ দিশ কেইটামানহে দাঙি ধৰা হৈছে। ক্ষেত্ৰ অধ্যয়ন কৰোঁতে ক্ষেত্ৰত থকা অৱস্থাত গৱেষকজনৰ বুদ্ধি, বৃত্তি, জ্ঞান আৰু তাৎক্ষণিক চিন্তা শক্তিৰ জৰিয়তে সকলোখিনি কাম সম্ভৱ কৰি ল'ব পাৰে।

# লোকসংস্কৃতিৰ বিষয়ে গৱেষণাৰ বাবে পূৰ্ব প্ৰস্তুতি

**ড° সুনীল কুমাৰ দত্ত**

'লোকসংস্কৃতি' আৰু 'গৱেষণা' শব্দ দুটাৰ এটাৰ লগত আনটো খাপ নোখোৱা কথা যেন লাগে। যেনেকৈ 'দাংমাৰি' আৰু 'কম্পিউটাৰ' শব্দ দুটা ইটোৰ সৈতে সিটোৰ সম্পৰ্ক বুজবিলৈ টান। কাৰণ লোকসংস্কৃতি হ'ল- সাধাৰণ কথাত মৌখিক ভাবে চলি অহা গীত, নৃত্য, সাধুকথা, বিশ্বাস, আচাৰ-ব্যবহাৰ, সা-সামগ্ৰী, উৎসৱ-অনুষ্ঠান আদি। ইফালে 'গৱেষণা হ'ল প্ৰয়োগশালাৰ পৰীক্ষা-নিৰীক্ষা, যুক্তি, সু-সংহত চিন্তা আৰু বৈজ্ঞানিক প্ৰণালীৰে কৰা অধ্যয়ন। হয়তো কঠোৰ পৰিশ্ৰম সাপেক্ষে গৱেষণাৰ অন্তত সাময়িক জিৰণিৰ বাবেহে লোকসংস্কৃতিৰ আশ্ৰয় লোৱা হয়। গতিকে লোকসংস্কৃতিক নো গৱেষণাৰ প্ৰণালীবদ্ধ কাৰ্যক্ৰমৰ সৈতে কেনেকৈ জড়িত কৰিব পাৰি ? আন নহ'লেও লোকসংস্কৃতিৰ বিষয়ে গৱেষণা কৰিবলৈ যেতিয়া চৰকাৰী অথবা বেচৰকাৰী সংস্থাৰ ওচৰলৈ আৰ্থিক অনুদান বিচাৰি যোৱা হয়, তেতিয়া এনে ধৰণৰ প্ৰশ্নৰ সন্মুখীন নোহোৱাকৈ থকা নহয়। লোকসংস্কৃতিৰ বিষয়ে গৱেষণাধৰ্মী চিন্তা-চৰ্চা এশ বছৰতকৈও অধিক কালৰ আগৰ পৰাই চলি আহিছে। বৰ্তমান বিশ্বৰ বহুতো দেশত উচ্চতম শিক্ষানুষ্ঠান বিশ্ববিদ্যালয় স্তৰত আৰু অন্যান্য প্ৰতিস্থানতো এই বিষয়ত হোৱা গৌৰৱপূৰ্ণ গৱেষণা-অধ্যয়ন-চৰ্চাই আন্তৰ্জাতিক স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। 'লোকসংস্কৃতি'ও এতিয়া ৰাজনীতি বিজ্ঞান, সমাজ-শাস্ত্ৰ, অৰ্থনীতিৰ নিচিনা সমাজ বিজ্ঞানৰ অন্তৰ্ভূক্ত এটি মৰ্যাদাপূৰ্ণ বিষয়। লোক পৰিৱেশ্যকলা এটি উপভোগ কৰি লাভ কৰা আনন্দৰ দৰে লোকসংস্কৃতিৰ গৱেষণাও সমানেই আনন্দদায়ক অভিজ্ঞতা। এতিয়া লোকসংস্কৃতিক লোকসংস্কৃতি-বিজ্ঞান (Folkloristics) নাম দি ইয়াৰ প্ৰণালীবদ্ধ পঠন-পাঠনক বিদ্যায়তনিক মৰ্যাদা দিয়া হৈছে। বিদ্যায়তনিক বিষয় এটাত থকাৰ দৰে লোকসংস্কৃতি-বিজ্ঞানৰো স্বকীয় তত্ত্ব আৰু পদ্ধতি আছে। কিন্তু এই কথাও সঁচা যে

লোকসংস্কৃতিৰ এটি যথোপযুক্ত সংজ্ঞা এতিয়াও নিশ্চিতভাবে কৈ দিব পৰা নাযায়। লোকসংস্কৃতিৰ এটা বৈশিষ্ট্যই হ'ল 'সঞ্চৰণশীলতা', ই স্থিৰ নহয়। সেয়েহে লোকসংস্কৃতি সংজ্ঞা বা সূত্ৰও স্থিৰ ভাবে নিৰ্দ্ধাৰণ কৰাটো সম্ভৱ হৈ উঠা নাই। লোকসংস্কৃতিৰ উপাদানবোৰ মুখে মুখে চলি অহা মৌখিক উপাদান আৰু সেইবোৰ পৰম্পৰাগত। ইমুখ-সিমুখ হৈ সেইবোৰ বিয়পি পৰে মানুহৰ মাজত, সেয়েহে সময়ৰ ব্যৱধানত এইবোৰৰ সামান্য পৰিবৰ্তন হোৱাটো তেনেই স্বাভাৱিক কথা। তেনেহলে স্থান আৰু সময়ভেদে সিবোৰৰ ভিন্ন ভিন্ন ৰূপ দেখা পোৱা যায়। বিভিন্ন দেশত আৰু বিভিন্ন জনগোষ্ঠীৰ মাজত লোকসংস্কৃতি বুলি পৰিচয় কৰি দিয়া বস্তুবোৰো স্বৰূপ বেলেগ বেলেগ। আমেৰিকাত আৰু আমাৰ কাষৰীয়া বাংলাদেশত 'লোকগীত' গায়কসকলে স্বৰচিত লোকগীত গায়। আমাৰ ইয়াত কোনোবাই তেনে কৰিলে 'প্ৰকৃত' লোকগীত বুলি স্বীকৃতি দিয়া হ'বনে বাৰু?

লোকসংস্কৃতিৰ পণ্ডিত ৰিচাৰ্ড এম ডৰ্ছনে তো বিজতৰীয়া লোকসংস্কৃতিৰ উপাদানবোৰক বুজাবলৈ Fakelore শব্দটো সৃষ্টি কৰিছে। তেখেতৰ এখন কিতাপৰ নাম হ'ল- Folklore and Fakelore- Essays towards a Discipline of Folk Studies (হাবাৰ্ড বিশ্ববিদ্যালয় প্ৰেছ, **১৯৭৬** )। অৱশ্যে লোকসংস্কৃতিবিদসকলে নিৰ্দিষ্ট বৈশিষ্ট্য আছেনে নাই সেই কথা বিচাৰ কৰিহে লোকসংস্কৃতিৰ উপাদান নিৰ্দ্ধাৰণ কৰে। এই কথা ঠিক যে, লোকসংস্কৃতিৰ উপাদানবোৰ বিভিন্ন প্ৰকাৰৰ; কিছুমান যদি বস্তুগত (tangible), আন কিছুমান ভাবগত (Intangible), আন কিছুমানক আকৌ এই দুয়োভাগৰ কোনো এভাগতে পেলাব নোৱাৰি। তাৰে কিছুমানক যদি ক্ষুদ্ৰ ক্ষুদ্ৰ (যেনে, কথা কৈ থাকোঁতে জেঠীয়ে টিক-টিকালে কওঁতাজনৰ আচৰণ), আনবোৰ হয়তো অতি ব্যাপক আৰু অতি সমৃদ্ধ (যেনে- উৎসৱ-পাৰ্বণ)। গীত-সাধুকথা আদি এক ধৰণৰ উপাদান আৰু মানুহৰ বাসগৃহ, ভাস্কৰ্য, ব্যৱহাৰিক সা-সঁজুলি আদি আন প্ৰকাৰৰ উপাদান। সেয়েহে এই বিষয়টোৰ বুজাই দিবলৈ টান যদিও লোকসংস্কৃতি মানে নো কি আমি নুবুজাকৈ থকা নাই। এইবোৰৰ শ্ৰেণীবিভাজন সহজ নহ'লেও, লোক-উক্তি, লোকসাহিত্য, লোকবিশ্বাস আৰু লোকাচাৰ, লোকজীৱন - আদি শ্ৰেণী নিৰ্দ্ধাৰণ কৰি উপাদানসমূহক শ্ৰেণীবদ্ধ কৰাৰ চেষ্টা কৰা হৈছে। তথাপিও এনে বহু উপাদান আছে, যিবোৰক কোনো শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰি অথবা একাধিক শ্ৰেণীৰ মাজতো সুমুৱাব পৰা যায়।

সম্প্ৰতি আমাৰ অসমীয়া ভাষাত লোকসংস্কৃতিৰ বিষয়ে গৱেষণা কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে। হয়তো তুলনামূলক ভাৱে নতুন বিষয় হোৱা বাবে ইয়াত এতিয়া গৱেষণাৰ স্থল অধিক বুলি ধাৰণা কৰা হয়। লোকসংস্কৃতিৰ বিষয়ে ওপৰত কোৱাৰ দৰে সকলোৰে অলপ নহয় অলপ ধাৰণা থকা বাবে বহুতেই এই বিষয়ত গৱেষণা কৰিবলৈ আগবাঢ়ি আহে। হয়তো লোকসংস্কৃতিৰ গৱেষণা আন বিষয়তকৈ 'সহজ' বুলিও অনেকেই গণ্য



কৰে। লোকসংস্কৃতিৰ বিষয়ে সাধাৰণ চৰ্চাকাৰীৰ সংখ্যাও অধিক। সন্দেহ নাই, ইয়াৰে বহুতৰ কিন্তু বিষয়টো সম্পৰ্কে সম্যক প্ৰশিক্ষণ নাই অথবা কষ্ট কৰি বিষয়টোৰ তাত্ত্বিক কথাবোৰৰ সম্পৰ্কেও অৱগত হৈ নলয়। বহুতে নিজেই নিজৰ 'তত্ত্ব' একোটা সৃষ্টি কৰি লয়। একো একোখন গৱেষণা পত্ৰ (আৰু প্ৰকাশিত গ্ৰন্থ)ত দেখা যায় যে লোকসংস্কৃতি বিষয়ৰ কোনো তাত্ত্বিকৰ বা গৱেষণা পত্ৰিকাৰ নাম- কোনোটোৰে উল্লেখ নাথাকে। লোকসংস্কৃতিক গৱেষণাৰ বাবে এক Comfort Zone বুলি অৰ্থাৎ নিৰাপদ স্থল বুলি ভবাৰ দিন উকলি গ'ল। এই বিষয়ৰ গৱেষণাও অতি শ্ৰমসাধ্য, প্ৰণালীবদ্ধ, বৈজ্ঞানিক পদ্ধতিৰ বৌদ্ধিক অনুশীলন। গৱেষকসকলে কঠোৰ শ্ৰম কৰি প্ৰণালীবদ্ধভাৱে অধ্যয়নৰ অন্তত আগবঢ়োৱা উপসংহাৰ আৰু সিদ্ধান্তসমূহ হে আমাৰ জ্ঞান চৰ্চাৰ জগতলৈ আগবঢ়োৱা অমূল্য বৰঙণি বুলি স্বীকৃত হ'ব। কেৱল চখৰ বাবে কৰা চেষ্টাক কেতিয়াও বৈজ্ঞানিক অনুশীলন বুলি ক'ব নোৱাৰি।

লোকসংস্কৃতিৰ অন্তৰ্ভুক্ত যিকোনো বিষয়ৰে গৱেষণা হ'ল inter-disciplinary অৰ্থাৎ একাধিক বিষয়ৰে সৈতে যুক্ত অনুশীলন। সাহিত্য আৰু সংস্কৃতিতত্ত্ব (Cultural Studies)ৰ উপৰিও সমাজতত্ত্ব (Sociology), নৃতত্ত্ব, মনস্তত্ত্ব আদি বিষয়বোৰৰ সম্যক ধাৰণা থকাটোও লোকসংস্কৃতিৰ গৱেষণাৰ বাবে পূৰ্ব চৰ্ত বুলি ক'ব পাৰি। আনকি অৰ্থনীতি, বুৰঞ্জী বা ৰাজনীতি বিজ্ঞান আদি বিষয়ৰ কোনো কোনো কথাও জনাটো প্ৰয়োজন হ'ব পাৰে। ইংৰাজী ভাষাত এই বিষয়টোৰ আটাইবোৰ মৌলিক গ্ৰন্থ লিখা হৈছে বুলিব পাৰি আৰু আৰু ৰুচ, ফৰাচী, জাৰ্মান বা আন ভাষাত ওলোৱা লোকসংস্কৃতিৰ মৌলিক গ্ৰন্থবোৰৰ ইংৰাজী অনুবাদ পোৱা যায়। এই বিষয়ৰ আন্তৰ্জাতিক গৱেষণা পত্ৰিকা (Research Journal) বেচিভাগেই ইংৰাজীত আছে। চনৰ পৰা প্ৰকাশ হৈ আজিও চলি থকা Journal of American Folklore (JAF) এখন অতি পুৰণি লোকসংস্কৃতি বিষয়ক উল্লেখযোগ্য পত্ৰিকা (Journal)। American Folklore Society ৰ এইখন মুখপত্ৰ স্বৰূপ। লণ্ডনৰ The Folklore Society ৰ গৱেষণা পত্ৰিকাখন হ'ল- Folklore। এইখনো চনৰ পৰাই প্ৰকাশিত হৈ আছে। কেইখনমান লোকসংস্কৃতি বিষয়ক উল্লেখযোগ্য পত্ৰিকা হ'ল- Tennessee Folklore Society Bulletin (TFSB), Southern Folklore Quarterly (SFQ), Midwest Folklore (MF), Journal of the Folklore Institute (JFI published from Indiana University), Indiana Folklore (IF), Western Folklore (WF), New York Folklore (NYF), Folklore Forum (FF), Folklore Feminists Communication (FFemC)। কেৱল ফকৰা-যোজনা (প্ৰবচন)ৰ বিষয়ে Proverbium নামৰ এখন গৱেষণা পত্ৰিকা প্ৰকাশ হৈ আহিছে। ফিনলেণ্ডৰ পৰা প্ৰকাশিত The Folklore Fellows Communications (FFC) এখন পুৰণিয়েই ( চনৰ পৰা প্ৰকাশিত) নহয়;

মৰ্যাদাসম্পন্ন পত্ৰিকা। আমেৰিকাৰ হাবাৰ্ড, নিউয়ৰ্ক, পেঞ্চিলভেনিয়া, কেলিফৰ্ণিয়া, ৱাশ্বিংটন আদি বিশ্ববিদ্যালয়বোৰৰ পৰাও লোকসংস্কৃতি বিষয়ৰ পত্ৰিকা ওলাই আছে।

লোকসংস্কৃতি বিষয়ৰ গৱেষণা কৰিবলৈ আগবঢ়াৰ আগতে যিবোৰ কিতাপ পঢ়ি বিষয়টো সম্পৰ্কে খৰচি মাৰি জানি লোৱা প্ৰয়োজন সেইবোৰ কিতাপৰ তালিকা দিবলৈ হ'লে এখন সুকীয়া কিতাপেই হয়। কিন্তু তাৰে কিছু কিতাপৰ নাম উল্লেখ কৰা হ'ল- Introducing Folklore, Folklore and Folk life: An Introduction, Every Man His Way, The Study of Folklore, Folklore: Selected Essays, Russian Folklore, European Folklore in America, Our Living Traditions: An Introduction to American, The Study of American Folklore: An Introduction, Morphology of the Folklore, Structural Models in Folklore and Transformational Essays, Structural Analysis of the Oral Traditions, Folklore and Psychoanalysis, American Folklore and the Historian, The voice of the Folk: Folklore and American Literary Theory, The Proverb, Proverb, The Folktale, Studies in Irish and Scandinavian Folktales, The Types of the Folktale, Motif-Index of Folk Literature (6 Volumes), American Folk Legend: A Symposium, European Anecdotes and Gests, An Introduction to Folk Music in the United States, The Ballad of Tradition, The Ballad Revival, The Viking Book of Folk Ballads of the English Speaking World, The British Broadside Ballad and Its Music, Witchcraft in old and New England, The Book of Days, American Ways of Life, Games of England, Scotland and Ireland, American Nonsinging Games, Folksong Style and Culture, Oral Literature in Africa, African Folklore, Folkloristics: An Introduction, Golden Bough, Essays in Folkloristics, American Folklore Scholarship : A Dialogue of Dissent, Folklore, Myths and Legends: A World Perspective, Myths: A Handbook, Folklore: A Study and Research Guide, The Folklore Text: From Performances to Print, Story: A Handbook, Indiana Folklore: A Reader, Folk & Fairy Tales: A Handbook, Feminist Theory and the Study of Folklore ইত্যাদি।

লোকসংস্কৃতি বিষয়ৰ গৱেষণাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল- ক্ষেত্ৰ অধ্যয়ন । এই বিষয়তো পঠনীয় কিতাপৰ সংখ্যা অনেক। তাৰে উল্লেখযোগ্য দুখন কিতাপৰ নাম হ'ল- Fieldwork আৰু A Guide for Fieldworkers in Folklore। তদুপৰি Research Methodology ৰ বিষয়ে নিৰ্ভৰযোগ্য গ্ৰন্থ আগতীয়াকৈ পঢ়ি লোৱাটো একান্ত প্ৰয়োজন। ওপৰৰ তালিকাখনত নথকা আৰু বহু গ্ৰন্থ আছে, বিশেষকৈ



ভাৰতীয় লোকসংস্কৃতিবিদ্ জৱাহৰলাল হাণ্ডু, বীৰেন্দ্ৰনাথ দত্ত, মজহাৰুল ইছলাম (বাংলাদেশ), সৌমেন সেন, বিৰিঞ্চিকুমাৰ বৰুৱা, প্ৰফুল্লদত্ত গোস্বামী আদিৰ লোকসংস্কৃতি বিষয়ৰ গ্ৰন্থবোৰ নপঢ়াকৈ এই বিষয়ৰ গৱেষণালৈ আগবাঢ়ি অহাটো ভাবিব নোৱাৰা কথা।

ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে লোকসংস্কৃতিৰ গৱেষণাৰ এটা অপৰিহাৰ্য বিষয় হ'ল- ক্ষেত্ৰ সমীক্ষণ বা ক্ষেত্ৰ অধ্যয়ন। এই ক্ষেত্ৰ সমীক্ষণ বা ক্ষেত্ৰ অধ্যয়নৰো নিৰ্দিষ্ট পদ্ধতি আছে। বহুতে নগৈ গড়গাঁৱৰ বতৰা দিয়াৰ দৰে ইতিপূৰ্বে প্ৰকাশিত গ্ৰন্থৰ পৰাই 'তথ্য সংগ্ৰহ' কৰা দেখুৱায়, কিন্তু যথাৰীতি সেই ঋণৰ বাবে কৃতজ্ঞতাও প্ৰকাশ নকৰে। গৱেষণা পদ্ধতিৰ মতে এনে কাৰ্য অনৈতিক। বহু বছৰৰ আগতে আনে সংগ্ৰহ কৰি যোৱা তথ্যকে সমসাময়িক কালৰ তথ্য বুলি চলাই দিয়াটো ও সফল গৱেষণা কাৰ্য হ'ব নোৱাৰে। বিবাহ অনুষ্ঠানত বিয়ানাম গোৱাটো বৰ্তমান প্ৰায় লুপ্ত হ'বলৈ ধৰিছে। বিয়ানামৰ প্ৰকাশিত সংগ্ৰহবোৰক ভিত্তি কৰি সেই বিষয়ে তাত্ত্বিক আলোচনা আগবঢ়ালে বাস্তৱৰ লগত সঙ্গতিহীন ছবি এখনহে অঁকা হয়। বহুতে এনে নকৰাকৈও থকা নাই। এইবোৰ ক্ষেত্ৰ অধ্যয়নৰ প্ৰতি যথোচিত গুৰুত্ব নিদিয়াৰ উদাহৰণ। তেনে আৰু এটি বিষয় হ'ল- আমাৰ মালিতা বা বেলাডবোৰ। বেলাডবোৰো অতীতৰ বস্তু হ'লগৈ, এতিয়া কোনোৱেই মালিতা গোৱা শুনিবলৈ পোৱা নাযায়। যি কেইটা আছিল সেইকেইটা পণ্ডিতসকলে সংগ্ৰহ কৰি প্ৰকাশ কৰি থৈ গৈছে। সেই আপুৰুগীয়া সংগ্ৰহৰ ওপৰত ভিত্তি কৰিয়েই আজি বহুতে অসমীয়া বেলাড সম্পৰ্কে তত্ত্বগধুৰ 'বিশ্লেষণাত্মক' অধ্যয়ন কৰিবলৈ আগবাঢ়ে। সাধাৰণ জ্ঞানেৰেই বুজিব নোৱাৰিনে যে এয়া অনৈতিক কাৰ্য (Unethical Practice)? লোকসংস্কৃতি যিহেতু আমাৰ প্ৰাত্যহিক জীৱনৰ লগতে সাঙোৰ খাই থকা 'বস্তু', সেয়েহে নিজৰ জীৱনৰ অভিজ্ঞতাৰ কথাকে 'তথ্য' হিচাপে চলাই দিব পৰাৰ সুবিধা ইয়াত নথকা নহয়; কিন্তু লোকসংস্কৃতিৰ উপাদানবোৰৰ ভিন ভিন Version থকাটো ও স্বাভাৱিক। অতি সুক্ষ্ম পৰ্যৱেক্ষণৰ দ্বাৰা সেই ধৰণৰ Version উদ্ধাৰ কৰি আলোচনাৰ মাজলৈ অনাটো গৱেষকৰ অৱশ্য-কৰ্তব্য। বহুতৰে তেনেকুৱাৰ প্ৰতি অনীহা দেখা যায়।

এনেদৰে দেখা যায়, লোকসংস্কৃতিক বিষয় হিচাপে লৈ গৱেষণা কৰিবলৈ লোৱাটো আদৰণীয়। কিন্তু সেয়া হ'ব লাগিব তত্ত্ব আৰু পদ্ধতি অনুসৰণ কৰি কৰা সঁচা অৰ্থৰ গৱেষণা। কঠোৰ পৰিশ্ৰম, গভীৰ চিন্তা আৰু বিস্তৃত অধ্যয়নৰ বাটেদি নগৈ সহজ পথেৰে বাট বুলিলে গৱেষণা নহয়, গৱেষণাৰ নামান্তৰ হে হয়গৈ।

# গৱেষণাৰ ক্ষেত্ৰ অধ্যয়ন সম্পৰ্কীয় কিছু অসৰবৰহী উপায়

ড° উপেন ৰাভা হাকাচাম

গৱেষণা-গ্ৰন্থৰ বাবেই হওঁক বা অন্য পুথি-প্ৰবন্ধাদিৰ তথ্য আহৰণৰ বাবেই হওঁক ক্ষেত্ৰ অধ্যয়ন (field study) এটা অত্যন্ত দৰকাৰী উপায়। বিশেষকৈ লোক-সংস্কৃতিতত্ত্ব (folklore), উপভাষাবিজ্ঞান (dialetology), অভিধানতত্ত্ব (lexicaology), নৃতত্ত্ব(anthropology) আদি লোকজীৱনৰ লগত সম্পৰ্ক থকা বিষয়বস্তু সন্দৰ্ভত এগৰাকী গৱেষক (researcher) বা তথ্য অনুসন্ধানকাৰী (enumerator/investigator)ৰ বাবে সংশ্লিষ্ট ক্ষেত্ৰত উপনীত হৈ টেপৰেকৰ্ডাৰ, ডিজিটেল কেমেৰা বা অন্য বৈদ্যুতিন মাধ্যম যোগে তথ্যসমূহ দৃশ্য-শ্ৰব্যৰূপত (visual and oral/audio-visual) সংগ্ৰহ কৰা (data collection) আৰু তাক প্ৰণালীবদ্ধ ৰূপত নথিভুক্ত কৰা (documentation) অত্যন্ত দৰকাৰী কাৰ্য। সেয়েহে এগৰাকী চিনাকি বা অচিনাকি (ভাষা-সমাজ-সংস্কৃতিৰ বিষয়ে পূৰ্বে চাক্ষুসভাবে জ্ঞান নোহোৱা এটা জনগোষ্ঠী বা সম্প্ৰদায়ৰ বিষয়ে গৱেষণা কৰোঁতে) গৱেষকে সেই সেই ভাষা-সমাজ-সংস্কৃতিৰ বিষয়ে সম্যক জ্ঞান থকা এগৰাকী হ'লেও দ্বিভাষী (bilingual) বা বহুভাষী (multilingual) সূচক/সূচিকা (informant) বা দোভাষী (interpretor) নিৰ্বাচন কৰি ল'বলগীয়া হয়। এইক্ষেত্ৰত বিশেষ সাৱধানতা অৱলম্বন কৰিবলগীয়া হয় যাতে সূচক বা দোভাষীজনে অহেতুক হস্তক্ষেপ (ওস্তাদি) কৰি তথ্যসমূহ ভিন্ন ৰূপত উপস্থাপন নকৰে অৰ্থাৎ সূচক বা দোভাষীজন প্ৰকৃতাৰ্থত এজন বিশ্বাসী অনুবাদক বা তৰ্জমাকাৰীহে হ'ব লাগে। আমাৰ গৱেষণা প্ৰণালীতত্ত্ব মতে যিকোনো নিখুঁত উচ্চাৰণ আৰু চলন-ফুৰণত সক্ষম একভাষী (nonlingual) বা বহুভাষী (multilingual) লোক মাত্ৰে (physically handicapped by differently abled person-ৰ বাহিৰে) সি পুৰুষেই হওঁক বা মহিলাই হওঁক সূচক বা সূচিকা হ'ব পাৰে। এইক্ষেত্ৰত ব্যক্তিজন



বৰকৈ বাহিৰৰ লোকৰ সৈতে বা বৰ্হিবিশ্বৰ সৈতে সম্পৰ্ক ৰক্ষা নকৰাকৈ থকা আৰু একেটা অঞ্চল বা সমাজ-সংস্কৃতিৰ পৰিমণ্ডলত ডাঙৰ-দীঘল হোৱা, বিশেষকৈ বিয়া বাৰু হোৱা হ'লে বেছি ভাল। তেওঁ শ্ৰব্য-দৃশ্য মাধ্যমৰ প্ৰতি বিশেষ অনুৰাগ থকা (over serious) অথবা অলপতে ভয়-ভীত খোৱা (over nervous) লোক হ'ব নালাগে। যেনে আছে তেনেভাৱে (as it is, natural, normal) কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰাকৈ কথা-বতৰা পতা (conversation) বা আলোচনাত ভাগ লোৱা ব্যক্তি (discussion) হ'লে আৰু বেছি ভাল।

আমাৰ অভিজ্ঞতাৰ পৰা ক'ব বিচাৰোঁ যে এনে উপায় অৱলম্বন কৰিবলৈ গ'লেও কেতিয়াবা মূল উদ্দেশ্যৰ পৰা আঁতৰি যোৱা হ'ব বা বহু সময় বাহৰ পাতি অযথা অৰ্থব্যয় আৰু কালক্ষয় কৰিবলগীয়া হ'ব। আলোচনা চক্ৰ আদিৰ বাবে কিছু খৰতকীয়াকৈ যুগুতাবলগীয়া গৱেষণা পত্ৰিকাৰ (research paper) ক্ষেত্ৰত বৰ্তমানৰ যান্ত্ৰিক দৃশ্য-শ্ৰব্য মাধ্যমৰ সহায় লৈ দীৰ্ঘকালৰ বন্ধুত্ব আৰু বিশ্বাসযোগ্যতাৰ ওপৰত নিৰ্ভৰ কৰি দূৰভাষিক বাৰ্তালাপ (telephonic discussion) বা e-mail আদি যোগেও কিছু নিৰ্ভুল আৰু নিৰ্ভৰযোগ্য তথ্য আহৰণ কৰিব পৰা যায়। (আমাৰ লগত প্ৰায় অসমৰ সকলো অঞ্চলৰ সকলো জনজাতি-জনগোষ্ঠীৰ বিষয়ে ভাল জ্ঞান থকা স্বজাতিৰ অথবা গৱেষণা প্ৰণালীৰ লগত বিশেষ পৰিচয়তথকা গৱেষক-লেখকৰ যোগাযোগ এইদৰে হৈ থাকে। অৱশ্যে মই নিজে তেনে ব্যক্তিৰ ওচৰলৈ আগে-পিছে গৈ পাইছোঁ আৰু যৌথভাৱে ক্ষেত্ৰ অধ্যয়নো কৰিছোঁ) এই পদ্ধতিটো তথ্যসমূহৰ পুনৰীক্ষণৰ (cross examination) বাবে খুবেই সুবিধাজনক। আনকি প্ৰাথমিক উৎস (primary source) হিচাপে ব্যৱহাৰ কৰা কোনো লিখিত তথ্যৰ ছপা ভুল বা উচ্চাৰণৰ অপূৰ্ণতা সন্দৰ্ভত চালি-জাৰি চাবলৈ এই উপায় মই নিজে অৱলম্বন কৰোঁ (যেতিয়াই প্ৰয়োজন হয় তেতিয়াই at any moment)। উদাহৰণ স্বৰূপে— মৰাণ বা সোণোৱাল কছাৰী জনগোষ্ঠীৰ মাজত প্ৰচলিত এফাঁকি গীতৰ যদি দুই-তিনিটা পাঠান্তৰ পাওঁ তেতিয়া শুদ্ধ বুলি কোনটো গ্ৰহণ কৰা যাব তাৰ বিষয়ে এনেকৈ মাতৃভাষীৰ দ্বাৰা প্ৰত্যায়িত (attestation) কৰি ল'ব পৰোঁ। তেনে এটা ঘটনা ঘটিছিল সোণোৱাল কছাৰীৰ ক্ষেত্ৰত—

*মাখি মূৰে কাটি খোলটো বনাং (বনালোঁ)*
*চেৰেপাৰ ছালেৰে চালং (চোৱালোঁ)*
*ঝক (ভোক) ছালেৰে বুৰতি (বৰটি) টানিলং (টানিলোঁ)*
*ফিয়ং (ফৰিং) ঠেঙেৰে বালং (বালোঁ)।*

এই বিহুগীতফাঁকিৰ (হুঁচৰি) দুই-তিনিটা পাঠান্তৰ পাইছিলোঁ আৰু অৱশেষত

ধেমাজি মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপক নৱ সোণোৱালৰ জৰিয়তে শুদ্ধ ৰূপটি (সোণোৱাল কছাৰীৰ কথিত অসমীয়া) উলিয়াবলৈ সক্ষম হৈছিলোঁ, বিশেষ এগৰাকী ব্যক্তিয়ে যোগান ধৰা দূৰভাষ নম্বৰৰ জৰিয়তে বাৰ্তালাপ কৰি। (বন্ধনীৰ ৰূপকেইটা মান্য অসমীয়া)

কেতিয়াবা একেটা জনগোষ্ঠী বা সম্প্ৰদায়ৰ মাজত দুই বা ততোধিক ৰূপ প্ৰচলিত থাকে (ভাষাৰ ক্ষেত্ৰত)। তেতিয়া ক্ষেত্ৰ অধ্যয়নৰ সুবিধা গ্ৰহণ নকৰাকৈ সেই দিশত ব্যুৎপত্তি থকা লোকৰ সৈতে আলোচনা কৰিও এটা ভাল (নিৰ্ভুল) সিদ্ধান্তত উপনীত হ'ব পৰা যায়। যেনে— ৰাভামিজভাষী পাতি ৰাভাসকলৰ মাজত দুধনৈৰ পূবে/প ৰ ম / ব্যঞ্জন ধ্বনিকেইটা অসমীয়া স/×/ৰ দৰে আৰু পশ্চিমত গোৱালপৰীয়া উপভাষা বা বাংলা-হিন্দীৰ দৰে অৰ্থাৎ দন্ত্য স/s/ হিচাপে উচ্চাৰিত হয়। (সেয়েহে এফাঁকি বহুৰঙী বা বগেজাৰী গীতৰে দুটা দুটা পাঠান্তৰ পোৱা যাবও পাৰে। উদাহৰণ—

(ক) *ৰংজুলি অঞ্চলত প্ৰচলিত গীত ঃ*

*ছাওৰা কান্দে খাং খাং মংস দেখা পাই;*
*শহুৰে যুজে ছুৰে ঠেং বোহাৰী ফেলালা খাই।*

(খ) *ছোট মাটিকা অঞ্চলত প্ৰচলিত গীত ঃ*

*ছাওৰা কান্দে খাং খাং মছং দেখা পাইয়া*
*ছুচুৰে খুজে চৰে ঠেং বোহাৰী ফেলাল খাইয়া।*

অথবা নেপালীসকলৰ মাজত সন্তানৰ ডাঙৰ-সৰু বুজোৱা যি বাৰ-তেৰটা ৰূপ আছে তাৰে প্ৰত্যেকৰে পুংলিংগত দুটাকৈ ৰূপ ঃ কাঞ্চা/কাঞ্চো (সৰু/কনিষ্ঠ) মাঁইলা/মাঁইলো (দ্বিতীয়/মধ্যম), জেঠা/জেঠো (জ্যেষ্ঠ) আদি পোৱা গৈছে যি দৰাচলতে মূল নেপাল ভূখণ্ডত নেপালীসকলৰ কথিত ভাষাৰ বৈশিষ্ট্য; যিটো প্ৰব্ৰজনৰ সময়তে অসমলৈ লৈ অহা হৈছিল। এনে কথাৰ ৰহস্য ভেদ কৰিবলৈ আমাক দূৰভাষিক বাৰ্তালাপেও যথেষ্ট সহায় কৰে।

আৰু এটা উপায় যদিও পদ্ধতিগতভাৱে কিছু ভুল, তথাপি ভাল প্ৰয়োজনীয় হ'ব পাৰ—বিশেষকৈ লোকভাষা (folk speech) আৰু সমাজভাষাৰ (sociolect) অন্তৰ্গত ভিত্তিভাষা (basilect), মধ্যমভাষা (mesolect) আৰু উচ্চ মৰ্যাদা পূৰ্ণ ভাষা (acrolect)-ৰ সমল নিৰ্ধাৰণৰ ক্ষেত্ৰত। বৰ্তমান এনে এটা অঞ্চল নাই বা এনে কোনো ব্যক্তি নাই যি বহিৰ্বিশ্বৰ সৈতে সম্পৰ্ক নৰখাকৈ এক চেকেণ্ড থাকিব পাৰিছে। দূৰদৰ্শন আৰু অন্যান্য প্ৰচাৰ মাধ্যমৰ কৰাল গ্ৰাসত পৰি একভাষী লোকৰ দৈনন্দিন জীৱনতো এনে প্ৰভাৱ পৰিছে। সেয়েহে বহু বয়োবৃদ্ধ বা বয়োবৃদ্ধা লোকে আজিকালি কৰা/নকৰা



interest (এণ্ট্ৰেছ) থকা/নথকা, লাইন লগা/থকা-নথকা, মাথা মাৰা, লাভ-লোচ (loss, লোকচান), পৰ্তা, সস্তা, ৰিছ্কি (risk), গেৰাণ্টি (guarantee) আদি বিদেশী ভাষাৰ শব্দ (উচ্চাৰণ) ব্যৱহাৰ কৰে। এনে ক্ষেত্ৰত তেওঁলোকৰ মাজত কোনটো ৰূপ basilect-ৰ নে mesolect-ৰ নে acrolect-ৰ তাক নিৰ্ধাৰণ কৰিবলৈ আমাক সততে এগৰাকী আধুনিক ভাষাবিজ্ঞানৰ জ্ঞান থকা মাতৃভাষী (native) গৱেষক বা সূচকৰ প্ৰয়োজন হয়, যিজনৰ সহায় ল'লে অতি সহজে নিখুঁত ৰূপ একোটা পাব পাৰি। যিটো হয়তো ব্যৱহাৰকাৰী বয়সস্থ লোকসকলেই পাহৰি গৈছিল তাক বিশেষ বাক্যভংগী (সাধাৰণতে প্ৰবাদ-পটন্তৰ বা গীত-মাতত ছন্দ আকাৰে লিপিৱদ্ধ হৈ থাকে বাবে এনে লোকভাষাৰ মৃত্যু নহয় বা বিকৃতি নঘটে) প্ৰয়োগ কৰি মনত পেলাই দিবলগীয়া হয়। এইটো যেনিবা ভাষাবিজ্ঞানৰ back formation (পশ্চাৎগঠন) বা সংবিধানৰ back log গৰিমাৰ দৰে এটা ব্যৱস্থা; যাক back information বা back practise বুলিব পাৰি (terms দুটা লেখকৰ স্বসৃষ্ট)। তথ্য সংগ্ৰহৰ আন এটা প্ৰাচীন আৰু জনপ্ৰিয় পদ্ধতি হ'ল পূৰ্ব নিৰ্ধাৰিত কিছুমান প্ৰশ্নাৱলী (questionnaire) প্ৰস্তুত কৰি মাতৃভাষী (native speaker) বা ব্যৱহাৰকাৰীসকলৰ মাজত বিতৰণ কৰি তাৰ মৌখিক (oral interview) বা লিখিত (written chart) উত্তৰ টুকি লোৱা। এই পদ্ধতিটোও কাৰিকৰীগতভাৱে বৰ বেছি সুবিধাজনক নহয়। উদাহৰণস্বৰূপে জনজাতিসকলৰ মাজত যদিহে কিছুমান সাজপাৰৰ নাম আগতে ইংৰাজী বা অসমীয়া লিখি নিয়া হয় তেন্তে তেওঁলোকৰ ভাষাত তেনে সাজপাৰৰ নাম নাপাবও পাৰে বা পালেও অনুবাদ কৰা বা ধাৰ কৰা একোটা শব্দহে হ'ব পাৰে। (উদাহৰণ— shirt /কামিজ, বনিয়ন/guernsey/গেঞ্জি, petticoat/ছায়া, ব্লাউজ/blouse ইত্যাদি)। কিন্তু তাতোকৈ যদি তেওঁলোকক ক্ষেত্ৰ অধ্যয়নৰ সময়ত সকলোবিলাক পুৰণিকলীয়া বা অত্যাধুনিক সাজ-পাৰ দেখুৱাই দি নামবিলাক ক'বলৈ দিয়া হয় আৰু তাক বৰ্ণনামূলক পদ্ধতিৰে (descriptive : a kind of lower garment used by the aged woman, এবিধ মেখেলা জাতীয় নিসীয়া বস্ত্ৰ আদি) লিখি লোৱা হয় সেইটো বেছি কামত আহিব। এইখিনিতে প্ৰাচীন কালৰ এগৰাকী ব্ৰিটিছ প্ৰশাসনীয় বিষয়া আৰু গ্ৰন্থ প্ৰণেতাজনে দুধনৈ অঞ্চলৰ ডাকবাংলাত বহি সেই অঞ্চলৰ কেৱল ৰাভা ভাষাহে জনা ৰাভাভাষী প্ৰজা এজনক মাতি আনি কিছুমান শব্দ সুধি-সুধি লিখি লওঁতে হোৱা এটা অপ্ৰীতিকৰ কাণ্ডৰ (ভাষা বিভ্ৰাট) উল্লেখ কৰাৰ মোহ সামৰিব নোৱাৰিলো। তেওঁ ভঙা ভঙা অসমীয়াতে (চাহাবী অসমীয়া অৰ্থাৎ বৰ্তমানৰ হিংলিচ টাইপেৰে) সুধিলে—

"তুমলোক কুকুৰক কি কয়?"

উত্তৰত সি ক'লে— কুকুৰক 'কি' কয়।

আকৌ বুজি পোৱা নাই বুলি ভাবি একেটা প্ৰশ্নকে কেবাবাৰো দোহাৰিলে আৰু মানুহজনে প্ৰত্যেক বাৰে একেদৰে উত্তৰ দিলে। এইদৰে কেবাবাৰো সুধি সুধি একেটা উত্তৰে পোৱাত বিৰক্ত হৈ আৰু তেওঁক ঠাট্টা (insult) কৰা বুলি ভাবি মদগৰ্বী চাহাবজনে মানুহজনক উধাই-মুধাই চাবুকেৰে কোব সোধালে। তেনেতে আহক এজন দোভাষী (খুব সম্ভৱ বাংলাভাষী বাবু)। তেওঁহে চাহাবক ভালকৈ বুজাই দিলে যে— ৰাভা ভাষাত কুকুৰক (dog) ‘কি’ বুলিয়ে কয় (কোৱা হয়), গতিকে উত্তৰটো শুদ্ধ।

নিজৰ ভুলটো জানিব পাৰি চাহাবজনে সেই মানুহজনক (প্ৰজাক) পুৰস্কাৰ দিছিল। তথ্যখিনি দুধনৈৰ ৰাভা অধ্যয়নৰ বাটকটীয়া ৰাজেন ৰাভাৰ মুখে শুনা। (১৯৮৩)

আজিকালিৰ ভাষাত যদিহে প্ৰশ্নকৰ্তাই ভাল অসমীয়াত বা গোৱালপৰীয়া (ৰাভামিজ) উপভাষাত “তোমালোকৰ ৰাভা ভাষাত কুকুৰক (কুকুৰ দেখুৱাই দি) কি বুলি কয় বা কুকুৰৰ নাম কি? বুলি সুধিলেহেঁতেন তেতিয়া হয়তো মানুহজনে উত্তৰত ক’লেহেঁতেন—“আমাৰ ভাষাত (আমি) কুকুৰক ‘কি’ বুলি কোৱা হয় (কওঁ)।” অৱশ্যে তাতো এটা কথা আছে। ৰাভা ভাষাত কেইবা প্ৰকাৰৰো কুকুৰ থাকে—যদিহে দেখুৱাই দিয়া কুকুৰটো বা কুকুৰজনী মতা, মাইকী, পগলা, পোৱালী, বুঢ়া হয় তেন্তে over serious হৈ হয়তো কৈ পেলাবও পাৰে এইবুলি—কি বুদা (বুঢ়া), কি মাবা (ঢেঁকুৰা), কি মাজু (ঢেঁকুৰী), কি পাগ্লা/জাপ্ৰা (চঁক খোৱা কুকুৰ/পগলা কুকুৰ), কি ছাব্ৰা (কুকুৰ পোৱালী/puppy) ইত্যাদি।

আনহাতে মানুহক গালি পাৰোঁতে ‘কি’ শব্দটোৰ ৰাভাত মুঠেই প্ৰয়োগ নাই ঃ বৰঞ্চ কুক্কুৰ, কুত্তা, কুত্তাৰ বাচ্চা, কুক্কুৰৰ পোৱালী আদি ধাৰ কৰা শব্দৰহে প্ৰয়োগ আছে। এইমাত্ৰ দিয়া উদাহৰণ ৰাজিত সৌভাগ্যবশতঃ এটা উমৈহতীয়া জাতিবাচক শব্দ (generic term classical noun) কি (কুকুৰ/the dog) পোৱা গৈছে; ৰাভা আদি তিব্বত-বৰ্মীয় সমাজত কেতিয়াবা তেনে একোটা উমৈহতীয়া জাতিবাচক শব্দৰ খুবেই অভাৱ। যেনে—মদ বা লাওপানী বুজাবলৈ ৰাভাত-চকো (rice beer), মাখাম (ঝুগলী ভাত), ছিনছিনা (পোহন/ৰহী মদ), চিনাল (দুৰাতিৰ বাবে প্ৰস্তুত মদ্য পূজাত ব্যৱহৃত) আদি পৃথক-পৃথক শব্দৰহে প্ৰয়োগ আছে। এইক্ষেত্ৰত ৰাভা ভাষাত পূৰ্বনিৰ্ধাৰিত প্ৰশ্নমালাৰে মদ (wine/rice beer) শব্দটোৰ প্ৰতিশব্দ বিচাৰিবলৈ গ’লে অকল এটাহে শব্দ পোৱাৰ সম্ভাৱনাই বেছি; যিটো কোনো এটা ভাষাৰ socio-linguistic (সমাজ-ভাষা তাত্ত্বিক) অধ্যয়নৰ বাবে বৰ এটা সুবিধাজনক নহ’ব।

পুনৰ ৰাভাসকলৰ সৈতে হোৱা আন এটা ঘটনাৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ। এইটো অৱশ্যে ভাষা বিভ্ৰাটৰ ঘটনাহে—শব্দৰ অৰ্থ নিৰূপণ বা সমল সংগ্ৰহৰ ঘটনা



নহয়। এবাৰ এজন বৰবাবু/বৰকৰ্তা (জমিদাৰৰ দায়িত্ববাহী বিষয়া)-ৰ সৈতে গাঁৱৰ এজন কঠিতোল/পাৰেয়াই (চকীদাৰ বা পিয়ন শ্ৰেণীৰ লোক) লুং লুঙীয়া বাটেদি গৈ থাকোঁতে বাবুজনৰ ভৰিত লাগি থকা চীনাজোক (ৰাভাত বছেং) দেখি কঠিতোল জনে মাত দিলে ভঙা ভঙা অসমীয়া বাংলাত— “বাবু। তোৰ তাথেং বছেং/বসেং” অৰ্থাৎ তোৰ ঠেঙত চীনাজোক বুলি। কিন্তু আধা বুজি পোৱা বাবুজনে (অসমীয়া-বাংলাত কোৱা বুলি ভাবি) তেওঁৰ ভৰিৰ পৰা চীনা জোকডাল এৰুৱাই নেপেলাই তেওঁ নিজেহে মাটিত আলাসত তপিনা কৰি বহিবলৈ ল’লে (তেওঁৰ মতে—“বাবু তোৰ ঠেঙৰ পেৰত বহেক বা বসেক”)। শেষত ভুল বুজিব পাৰি আন এটা হাঁহি উঠা ঘটনাৰ সৃষ্টি হৈছিল। এই দুটা অঘটনৰ পৰা আমি এইটো শিক্ষাই ল’ব পাৰোঁ যে, গৱেষক বা তথ্য অনুসন্ধানকাৰীজনৰ কিছু হ’লেও ক্ষেত্ৰ অধ্যয়ন কৰিবলগীয়া জনগোষ্ঠীটোৰ কথিত ভাষা সম্পৰ্কে প্ৰাথমিক জ্ঞান থকা উচিত। অৱশ্যে বহুক্ষেত্ৰত ভাষা শিকিবলৈ যাওঁতে কোনো কোনো ‘খেয়ালী’ সূচক-সূচিকাৰ দ্বাৰা অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন হ’বলগীয়াতো নপৰা নহয়। আমি গম পোৱা মতে—গাৰো, বড়ো আৰু কাৰ্বিসকলৰ মাজত ভাষা আয়ত্ব কৰিবলৈ যাওঁতে কেইটামান শব্দৰ (অশ্লীল/taboo) প্ৰয়োগৰ পৰা আমি সাৱধানে আঁতৰি থাকিব লাগে। সাধাৰণতে সেইকেইটা শব্দৰেই খেয়ালী মনৰ জনজাতীয় লোকসকলে ধেমালিৰ চলেৰে নিজৰ নিজৰ ভাষাৰ প্ৰাথমিক জ্ঞান দিব বিচাৰে। উদাহৰণ —

১। গাৰো ভাষাত পানীক চি/tsi আৰু স্ত্ৰী জননাংগক ছি/tshi/বোলে। অসমীয়া ভাষীয়ে এই দুটা শব্দৰ ধ্বনিগত বা উচ্চাৰণগত পাৰ্থক্য বুজি নাপাই যথাক্ৰমে পানী খুজিবলৈ যাওঁতে অইন এটা গোপনীয় বস্তু খোজা বুলি ভাবিব আৰু আৰু পানী খোজা বিশেষ নাৰী গৰাকীৰ দ্বাৰা গালি খাই অপদস্থ হ’বলগীয়াও হ’ব পাৰে।

২। বড়ো ভাষাৰ চুনি/চুইনি (চূণ) আৰু খৈনী (চাদা) এই দুটা শব্দৰ মাজত আকাশ-পাতাল পাৰ্থক্য। কোনোবাই খৈনী (চাদা) খাবলৈ যদি ‘চুইনি’ৰ পৰিবৰ্তে ‘খইনি’ খোজে তেন্তে অচিনাকি মহিলাই তেওঁক চুইহে নিকিলাব। কাৰণ বড়ো ভাষাত ‘খইনি’ শব্দৰ অৰ্থ যৌনসংগম কৰা কাৰ্য।

৩। কাৰ্বিসকলৰ মাজত বিশেষকৈ তিৰোতাসকল বা গাভৰুসকলৰ পৰা আপুনি কেতিয়াও ‘মোক’ অমুক দিয়ক বুলি কিবা এটা বা পানী খোৱা মগ (mug/মাগ) নুখুজিব। তেতিয়া তেওঁলোকৰ ভাষাত যথাক্ৰমে ‘স্তন’ আৰু ‘স্ত্ৰীজননাংগ’ সূচাব বাবে আপোনাক তেওঁলোকে খুব বেয়া পাব আৰু আপোনাৰ কাৰ্বি ভাষা শিকাৰ মুদাই মৰি পেলাব।

অৱশ্যে অইনে ধেমালিতে এনে অপ্ৰীতিকৰ কাণ্ডৰ সৃষ্টি কৰিবলৈ দিয়া বুলি

ভাবি হয়তো কোনোবা ৰাংঢালি প্ৰকৃতিৰ নাৰীৰ (সেই গৰাকীয়ে আপোনাৰ পৰৱৰ্তী কালৰ ভাল বান্ধৱী বা সূচিকা হৈও যাব পাৰে পৰিস্থিতিটো আপুনি চম্ভালিব পাৰিলে) হাতত পাৰিলে আপোনাৰ বাবে এইফেৰা অহিতে হিত হৈহে পৰিব। এটা জনগোষ্ঠীৰ সৈতে অন্তৰংগতা স্থাপন কৰিবলৈ যাওঁতে এনেধৰণৰ দুই-এক অপ্ৰীতিকৰ কাণ্ডৰো অৱশ্যে আৱশ্যকতা আছে। ক্ষেত্ৰ অধ্যয়নৰ আন এটা অপ্ৰণালীৱদ্ধ উপায় হৈছে সংবাদদাতা বা ছাত্ৰীক খাৰা কৰা (fitting বা fixing কৰা) অৰ্থাৎ কোনো তথ্যৰ সপক্ষে কোৱা বুলি বা সেই তথ্যৰ যোগান ধৰা বুলি বিশেষ ব্যক্তিৰ দ্বাৰা স্বীকাৰ কৰোৱা। আমি নিজেও এই উপায় অৱলম্বন কৰিবলগীয়াত পৰিছিলোঁ (আমাৰ গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰোঁতে)। মই নাভাবোঁ এইটো এটা অসৎ উপায় বুলি; কাৰণ লেখকে নিজে স্বীকাৰ নকৰিলে আন কাৰো সাধ্য নাই যে — বিশেষ এটা তথ্য বিশেষ এজন ব্যক্তিৰ পৰা লোৱা হোৱা নাই। এনে উপায় অৱলম্বন কৰিবলগীয়া হয় সাধাৰণতে বিশেষ কোনো লিখিত তথ্য নথকা বা তেনেকৈ স্বল্প চাৰ্টত থকা জনগোষ্ঠী এটাৰ ভাষী-সংস্কৃতিৰ সম্বন্ধে আন এটা যথেষ্ট লিখিত তথ্য থকা আৰু বহুত চৰ্চিত জনগোষ্ঠী এটাৰ ভাষা-সংস্কৃতিৰ সৈতে তুলনা কৰিবলৈ লাগিলে। ভাৰসাম্যতা বৰ্তাই ৰখাৰ স্বাৰ্থত এনে উপায় অৱলম্বন কৰিবলগীয়া হয়; তাতে যদিহে গৱেষকজনে নিজে সেই স্বল্পচাৰ্টত ভাষাৰ সৰ্বজ্ঞ বিশাৰদ (master) হয়। এক প্ৰকাৰে ক'বলৈ গ'লে গৱেষকজন নিজে জনা কথাকেহে তথ্য হিচাপে ব্যৱহাৰ কৰে; কিন্তু কেতিয়াবা কেতিয়াবা তথ্যবাহকজনক প্ৰত্যয় নিয়াবলৈ (লগতে expert সকলকো) আন এগৰাকী তথ্য দাতাৰ সহায় ল'বলগীয়া হয়। কেতিয়াবা হয়তো তথ্যদাতা/দাত্ৰী হিচাপে ব্যৱহৃত হোৱাজনক শিকাই বুজাইহে ল'বলগীয়া হয়—"আমাৰ ভাষাত বিশেষ দুটা ধ্বনি ওচৰা-উচৰিকৈ থাকিলে পিচৰটোৰ কাৰণে আগৰটোৰ পৰিবৰ্তন হয় ইত্যাদি ইত্যাদি বুলি আৰু যেতিয়া কথাটো তেওঁ বুজি পাব তেতিয়া তেওঁক ক'ব লাগিব এইবুলি যে—গৱেষণাৰ ক্ষেত্ৰত এজন সূচক/সূচিকা লাগে বাবে আপোনাৰে নামটো গ্ৰন্থখনত দিয়া হ'ব; আপোনাৰ কিবা আপত্তি আছে নেকি এই বুলি। সাধাৰণতে সাহিত্যৰ প্ৰতি বিশ্বাস থাকিলে মাতৃভাষী স্বগোষ্ঠীৰ লোকজনে বিনা প্ৰতিবাদে সূচক/সূচিকা হ'বলৈ সন্মত হ'ব আৰু গ্ৰন্থখন প্ৰকাশ পোৱাৰ পিচত তেওঁৰ হাতত একপি গতাই দিলে তেওঁৰ আনন্দৰ সীমা নোহোৱা হ'ব।

গৱেষণা প্ৰণালীতত্ত্বই নাসামৰা আন এটা উপায় হ'ল— সংঘবদ্ধ সূচক/সূচিকাৰ (group informants) সহায় লোৱা। লোকসংস্কৃতিৰ ক্ষেত্ৰত তথ্য আহৰণ কৰোঁতে বিশেষকৈ লোকবিশ্বাস বা লোক পৰিবেশ্য কলা সম্পৰ্কীয় বিশেষ তথ্য বিশেষ এগৰাকীৰ পৰা নলৈ সমূহীয়াভাৱেও ল'ব পাৰি—তেতিয়া বেছি নিৰ্ভৰযোগ্য হোৱাৰ



দৰেহে হয়। সমকালীন কিছুমান ঘটনা বা মুখৰোচক গল্পৰ প্ৰত্যক্ষ সাক্ষী স্বৰূপে প্ৰায় এখন অঞ্চলৰ সমস্ত ৰাইজে থিয় হ'ব পাৰে। কিছুমান অপ্ৰীতিকৰ বা অতিৰঞ্জিত ঘটনাৰ সাক্ষী হিচাপেও তেওঁলোকে অকলশৰীয়াভাৱে নহৈ উমৈহতীয়াভাৱে অংশগ্ৰহণ কৰে। বিশেষকৈ সোপাধৰা সন্ত্ৰাস, ডাইনীৰ অপক্ৰিয়া সম্পৰ্কীয় ধ্যান-ধাৰণা, ভূত-প্ৰেত সম্পৰ্কীয় ভয়-ভীত আৰু ইয়াৰ প্ৰতিকাৰ, নানা ধৰণৰ লোক চিকিৎসা- লোক বিশ্বাস-পৰম্পৰা ইত্যাদি ক্ষেত্ৰৰ তথ্য আহৰণৰ বেলিকা। তলত তেনে কিছুমান তথ্যসূত্ৰ আমাৰ দ্বাৰা ৰচিত আৰু অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত 'ৰাভা লোক-সংস্কৃতি' (২০০৬) নামৰ গ্ৰন্থখনৰ পৰা উদ্ধৃত কৰা হ'ল।

১। **(ক) মূলপাঠ (text)** ঃ সেইদৰে কুকুৰীকণাই পোৱা লোকক বাহী মুখে শুই উঠিয়ে কুকুৰাই ত্যাগ কৰা বিষ্ঠাৰে চকুত লেপন দিবলৈ দিহা দিয়া হয়।[১]

**(খ) পাদটীকা (short note/end note)** ঃ ১। (লেখকৰ) ছাতাবাৰী গাঁৱৰ খিলদিং মাৰাক নামৰ (৬০) এজন জোজা গাৰো সম্প্ৰদায়ৰ লোকক ৰগৰতে কোনোবাই তেওঁৰ চকুৰ ছানি পৰা ৰোগত পকা খুদ জলকীয়া থেতেলিয়াই লগাবলৈ দিয়াত তেনে কৰাতে ভাল হোৱা দেখি স্থানীয় লোকে তবধ মানিছিল। অৱশ্যে পোহনীয়া কুকুৰা চৰাইৰ চকুত ঘাঁ হ'লে এইদৰে পকা খুদ জলকীয়া বটি লগাই দিয়াৰ বিধান অতি পূৰ্বকালৰে পৰা প্ৰচলিত। (সংবাদ ঃ ছাতাবাৰী গাঁৱৰ ৰাইজ, ১৯৭৮-৮০ চনৰ ঘটনা)

দ্ৰষ্টব্য ঃ ৰাভা লোক-সংস্কৃতি, ২০০৬, পৃ. ১০৫, ১১১

২। **(ক) মূলপাঠ** ঃ সোপাধৰাই ঘৰৰ বেৰ কাটি মাকৰ কোলাত শুই থকা কেঁচুৱাটো নতুবা ৰাতি জনসমাগমৰ মুচলনৈ বোকোচাত বান্ধি লোৱা কেঁচুৱাটো কোমোৱাৰে স্থানান্তৰ কৰি অপহৰণ কৰি নি নতুন দলং নিৰ্মাণ কৰোঁতে প্ৰয়োজন হোৱা জল দেৱতাৰ পূজাত বলি দিয়া হৈছিল বুলি জনৰৱ শুনা যায়। এনে কৰিব নোৱাৰিলে চুক্তিমৰ্মে নিজৰ পাটিৰ ঘৈণীয়েকজনীকে ফুচুলাই আনি হ'লেও বলি দিবলগীয়া হৈছিল বুলি লোক দৃষ্টান্ত পোৱা যায়।[১]

**(খ) পাদটীকা** ঃ ১। আগিয়া-লক্ষীপুৰ পথৰ বৰ্তমানৰ লেমাকোণা বজাৰৰ চেৰৰ 'চি-কাংক্ৰা' নামৰ সৰুজান এখনৰ ওপৰত ব্ৰিটিছৰ দিনতে সজোৱা দলংখনত এনেদৰে গৰ্ভৱতী নাৰী বলি দিয়া হৈছিল বাবে সেই সময়ত বাৰিষাকালি বৰষুণৰ বতৰত অকলে দলংখন পাৰ হৈ যাব লাগিলে সেই নাৰীৰ উচুপনি শুনা গৈছিল বুলি লোক-পটন্তৰ আছে। (সংবাদ ঃ স্থানীয় ৰাইজ)

দ্ৰষ্টব্য ঃ প্ৰাগুক্ত, পৃ. ১১৪, ১২২

**৩। (ক) মূলপাঠ ঃ** বুধিয়ক-বুদ্ধিমতী ল'ৰা-ছোৱালীয়ে অন্তৰ্বাসৰ সময়ছোৱাত কনচো দেৱীৰ প্ৰিয়পাত্ৰ হোৱাৰ যথেষ্ট অৱকাশ পায়। যেনে— কেঁচুৱাৰ আলপৈচান ধৰি, ছলনা কৰি কেঁচুৱাৰ মূৰত কচুৰ পাতেৰে ঢাকি দি নজনাৰ ভাও ধৰিলে যখিনীয়ে হেনো দঢ়াই দঢ়াই কচুপাত গুচাই দিবলৈ অনুৰোধ কৰে। কচুপাতক হেনো যখিনীয়ে বৰ ভয় কৰে। যেতিয়া গুচাই দিয়া হয় তেতিয়া সন্তুষ্টহৈ যখিনীয়ে 'চেক্‌চেক্ লাগিব নে দুংদুং লাগিব নে ছাও চাও লাগিব' বুলি সোধে। চেক্‌চেকে ৰূপৰ মোহৰ (কাচা টাকা) প্ৰাপ্তিৰ যোগ, দং দুং-এ তলৰ আলু আদিৰ মোনা (ডাঙৰ ডাঙৰ আলু হোৱা ৰুলে) আৰু ছাও ছাও-এ কৃষিজাত ধান আদি শস্যৰ মোনাটোক বুজায়। এইবোৰ সংকেত ধৰ্মী, বস্তু একোটাৰ পৰা উৎপন্ন হোৱা শব্দৰ ভিত্তিত গঢ়া হৈছে। যখিনী দেৱীয়ে হেনো বগা আৰু ফটফটীয়া ভাতহে খায়—কেকোঁৱা-শামুক আদি পিটিকা কৰি। অন্তৰ্বাসৰ সময়ছোৱাত বিলুপ্ত শিশু এজনে নোখোৱা নোবোৱাকৈ লোক চকুৰ অন্তৰালত থাকিও নোদোকা হৈ উভতি অহাটো মনকৰিবলগীয়া।

**(খ) পাদটীকা ঃ** আজিৰ পৰা ২০/২৫ বছৰ আগতে আমাৰ গাঁৱৰ দুই-এজনৰ এনে নিৰুদ্দিষ্ট হোৱা ঘটনা ঘটিছিল। মাবল নামৰ ল'ৰাই সিহঁতৰ ঘৰৰ ওচৰৰে বট গছজোপাতে কেবাদিনো লোকচক্ষুৰ অন্তৰালত কনচোৰ তত্ত্বাৱধানত আছিল আৰু নিৰ্দিষ্ট পদ্ধতিৰে পূজা সম্পাদন কৰাৰ লগে লগে নিজ ঘৰতে আবিৰ্ভাৱ হৈছিল। (সংবাদ ঃ ছাতাবাৰী গাঁৱৰ ৰাইজ, ১৯৮৫)

দ্ৰষ্টব্য ঃ প্ৰাগুক্ত, পৃ. ১২৯, ১৩১

লোক-সংস্কৃতিৰ ক্ষেত্ৰ অধ্যয়নৰ সময়ত কিছুমান মজাৰ ঘটনা বা কহিনীৰ উদ্ভৱ হয়। তাৰে দুটামান ঘটনা-অনুঘটনাৰ (incident) কথা উল্লেখ কৰি এই প্ৰবন্ধৰ মোখনি মাৰিম বুলি ভাবিছোঁ।

বৰ অসমৰ বৰ্নিল সংস্কৃতি (২০০৮) নামৰ বীণা লাইব্ৰেৰীয়ে প্ৰকাশ কৰা মোৰ এখন গ্ৰন্থত 'লোক-সংস্কৃতিত পিঠা আৰু পিঠাগুড়ি' শীৰ্ষক নিবন্ধত 'কুকুৰ পিঠা' সম্পৰ্কীয় এক মজাৰ ঘটনা (সমল?) উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰি লিখিয়েই পেলালোঁ এইবুলি—"নগাকে আদি কৰি পৰ্বতীয়া বহু জনজাতিৰ মাজত কেবাদিনো একো নেখোৱাকৈ ৰখা পোহনীয়া কুকুৰটোক উদৰ পূৰাই পিঠাগুড়ি খুৱাই লৈ টঙনিয়াই টঙনিয়াই হত্যা কৰি গোটে গোটে পুৰি পেট ফালি তাৰ ভুৰিৰ পৰা চুঙাপিঠা সদৃশ খাদ্যবস্তু উলিয়াই খোৱাটো একধৰণৰ তৃপ্তিকৰ খাদ্যাভাস। এনে পিঠাই 'কুকুৰ পিঠা' নামে জনাজাত।" (পৃ.৪৪) এদিনাখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভাগীয় কক্ষত কথা-প্ৰসংগত ইয়াৰ সত্যাসত্য সম্বন্ধে আলোচনা কৰোঁতে মৰল ছাৰে (প্ৰয়াত



ড° দীপাঙ্কৰ মৰল) মোক ভয় খুৱাই ক'লে— "এনেধৰণৰ তথ্য প্ৰমাণ নথকা কথাৰ উল্লেখ কৰিলে কেনেবাকৈ যদি নগাই গম পায় তোমাক ঘেচেংকৈ (খকৰাই) কাটিব।" গতিকে মই ইবোৰ সপক্ষে, চাক্ষুস বিৱৰণ থকা গ্ৰন্থ বা ব্যক্তিৰ সন্ধানত কিছুদিন (তিনিমাহ মান) কটালোঁ—নাই কোনো সন্ধান পোৱা নগ'ল। সকলোৱে আমিও শুনাটো হ'লে শুনিছো বুলি জনালে কিন্তু ক'ত পঢ়িছো, কাৰ পৰা শুনিছোঁ সেয়া হ'লে ক'ব নোৱাৰিলে। কিছুমানে গাৰোসকলেও এনেদৰে কুকুৰ পিঠা খায়; আনকি কুকুৰটোক টঙনিয়াই মাৰি নিজৰ চাৰিওফালে অভিকেন্দ্ৰিক বল প্ৰয়োগ কৰি (চাদৰখনত মেৰিয়াইলৈ এমূৰত ধৰি গৃহিনীসকলে চুৱেটাৰ আদি ডাঠ-গধুৰ কাপোৰ বিলাকৰ পানী আটি উলিয়াবলৈ ঘূৰাই লোৱা ব্যৱস্থাৰ দৰে) মলদ্বাৰেদি তেনে পিঠা বহিৰ্গমন (বাহিৰ) কৰি যুগুতাই লয় বুলি একাঠি চৰা মন্তব্যৰে মোক উৎসাহিত কৰিবলৈকো নেৰিলে। কিন্তু বহু ভাবি-গুণি এনে এটা মুখৰোচক গল্পৰ উল্লেখ নিবন্ধটিত অন্তৰ্ভুক্ত নকৰিলে প্ৰকৃত সত্য অনুসন্ধানৰ (গৱেষণাৰ মূল লক্ষ্যই যিটো) পৰা চিৰকাল বঞ্চিত হৈ থাকিম বুলি ভাবি সৰু এটা পাদটীকাৰে (নং ২৫, পৃ.৪৬) প্ৰথম সংস্কৰণটি প্ৰকাশ কৰিলোঁ এইবুলি— "বিঃদ্ৰঃ অসমীয়া লোকমানসত ৰোপিত হৈ অহা এই ধাৰণাৰ সপক্ষে যথেষ্ট প্ৰমাণ পোৱা হোৱা নাই।"

গ্ৰন্থখন প্ৰকাশ পোৱাৰ কিছুদিন পিছতে হঠাৎ অৰুণোদইৰ মে'ই ১৮৪৭ সংখ্যাত এই বিষয়ক এটি লিপিৱদ্ধ তথ্য পালোঁ এইবুলি—"গাৰোসকল নানা জাতি আচে।... সিহঁতে মেকুৰি, সাপ, ভেঁকুলি খাই, কিন্তু গাখিৰক বৰকৈ ঘিন কৰে। কুকুৰৰ মঙ্গহত সিহঁতৰ বৰ প্ৰিতি আৰু কুকুৰক আগৈ খোৱে মানে চাউল খুআই, জুইত পুৰি সেই তাত পেট ফালি উলিয়াই বৰ সোৱাদ বস্তু বুলি খাই।"

তাৰে চাৰি-পাঁচ বছৰমান পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ-ছাত্ৰী (JRF) সকলে মোৰ জন্মদিন উপলক্ষে উপহাৰ দিয়া এখন সদ্য প্ৰকাশিত (বনফুল প্ৰকাশৰ দ্বাৰা) ৰিভাৰ ডগ (ভাইটি) নামৰ অনূদিত গ্ৰন্থত কুকুৰ পিঠা সম্পৰ্কীয় আন এক লিখিত তথ্য পাই গ'লো (২=১=১৩/৩০/১/১৩)। March shand-ৰ দ্বাৰা ৰচিত River dog (২০০২) নামৰ সেই ভ্ৰমণ কাহিনীত উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত কুকুৰ সম্পৰ্কীয় বহু বিশ্বাস আৰু ধাৰণা ইয়াত অৱতাৰণা কৰা হৈছে তেওঁৰ ভ্ৰমণৰ অন্যতম লগৰী 'ভাইটী' নামৰ কুকুৰৰ সন্ধান সম্পৰ্কীয় লেখাটিত। অনুবাদকৰ ভাষাত— "অন্য এখন গ্ৰন্থত পাইছিলোঁ কেইটামান মন বেয়া কৰা তথ্য, কুকুৰৰ মাংস অসমৰ কিছুমান অঘৰী জনজাতিৰ অতি প্ৰিয় খাদ্য আৰু বিশেষ উৎসৱৰ সময়ত কুকুৰৰ পেটত চাউল সুমুৱাই দি ৰন্ধা পৰম্পৰাগত খাদ্যবিধ।" (উৎস ঃ বিপুল

দেউৰীৰ দ্বাৰা অনূদিত অসমীয়া ভাষান্তৰ, ৰিভাৰ ডগ, ২০১২, পৃ.৮৩)

এইবেলি 'বৰ অসমৰ বৰ্ণিল সংস্কৃতি'ৰ পৰিৱৰ্দ্ধিত সংস্কৰণত (২০১৪) এইবিলাক নব্যলব্ধ তথ্য-পাতি চাই-জাৰি চাই সংযোজন-বিয়োজন কৰোঁতে কৰোঁতে ২৭২ পৃষ্ঠাৰ গ্ৰন্থখন প্ৰায় ৪৫০ পৃষ্ঠা কলেৱৰত পৰিণত হৈছেহি আৰু উক্ত পাদটীকাটি ২৫ নম্বৰৰ ঠাইত নতুনত হৈছেহি ৩১ নম্বৰ।

ক্ষেত্ৰ অধ্যয়নৰ সময়ত কেতিয়াবা নভবাকৈয়ে কিছুমান তথ্য হাতত আহি পৰে; যিবিলাক হয়তো কাহানিও পোহৰলৈ অহা নাছিল বা এক বিশেষ অঞ্চলৰ লোকৰ মাজত বা বিশেষ গ্ৰন্থৰ পাততহে সীমাবদ্ধ ৰূপত প্ৰচলিত আছিল। তেনে এটা ঘটনা (তথ্য)ৰ বিষয়ে ইয়াত উল্লেখ কৰিব বিচাৰিছোঁ। 'বৰ অসমৰ কৃষিকেন্দ্ৰিক লোকাচাৰ আৰু উৎসৱ-অনুষ্ঠান' শীৰ্ষক প্ৰবন্ধ প্ৰস্তুতৰ বেলিকচা (২০০৭) ধানৰ খেতি আক্ৰমণ কৰা পোক-পৰুৱা দূৰীকৰণ বা ৰোগ প্ৰতিকাৰৰ ক্ষেত্ৰত কি কি উপায় অৱলম্বন কৰা হয়। গোৱালপাৰা জিলাৰ কাহিবাৰী নিবাসী (ৰংজুলী) শ্ৰীনীলেশ্বৰ ৰাভাই (৫৫, ১০-৯-০৭) মোক আচৰিত কৰি (মই আগে-পিছে নুশুনা আৰু পঢ়িবলৈ নোপোৱা) এটা তথ্য দিলে; যি তথ্য মই 'বৰ অসমৰ বৰ্ণিল সংস্কৃতি'ৰ প্ৰথম সংস্কৰনত (২০০৮) উক্ত প্ৰৱন্ধৰ পাদটীকা নং ৭৬-ত আন এজন সূচকৰ দ্বাৰা প্ৰত্যায়িত কৰি সন্নিবিষ্ট কৰিছিলো এইবুলি—

**(ক) মূলপাঠ ঃ** সেইদৰে অঞ্চল আৰু গোষ্ঠী বিশেষে পাৰ পোকৰ আক্ৰমণ ৰোধ কৰিবলৈ কিছু অভিনৱ বিধানো আছে।[৭৬]

**(খ) পাদটীকা ঃ** ৭৬। নামনি অসমৰ পাতি ৰাভাসকলে প্ৰথমে মূৰৰ পৰিৱৰ্তে ভৰিৰে জন্ম হোৱা শিশুক (আগঠেঙীয়া) চিনাক্ত কৰি তেনে ব্যক্তিৰ হতুৱাই হাহাৰ বা পাৰ পোকে আক্ৰমণ কৰা পথাৰত ভৰিৰে পানী মাৰিবলৈ দিয়া হয়। এনে কৰিলে এই পোক ধ্বংস হয় বুলি বিশ্বাস (সংবাদ ঃ নীলেশ্বৰ ৰাভা, ৫৫, কাহিবাৰী—ৰংজুলী, গোৱালপাৰা আৰু ভূবিন ৰাভা, ৫৮, কুলশী লোহাৰঘাট, কামৰূপ)।

আনহাতে ৰংদানি ৰাভাসকলে এই কাৰ্যটো আমুন্দা (মগৰীয়া) অৰ্থাৎ ঋতুস্নান নকৰাকৈ মাতৃগৰ্ভত স্থিত সন্তানৰ জৰিয়তে কৰায়। (সংবাদ ঃ মহেন্দ্ৰ ৰাভা, ৫৮, মালাধৰা, গোৱালপাৰা)।

কিন্তু কিতাপখন প্ৰকাশ হোৱাৰ দুবছৰমানৰ পিছত এদিন হঠাতে বিষ্ণু প্ৰসাদ ৰাভাৰ ৰচনা সমগ্ৰ (দ্বিতীয় খণ্ড, ১৯৯৭, পৃ. ১৪৯১) খনতে প্ৰায় অনুৰূপ তথ্য লাভ কৰিলোঁ; যিটো গ্ৰন্থখনৰ এইবেলিৰ পুনৰৰ্বৰ্দ্ধিত সংস্কৰণত (পাদটীকা নং ৮০খ) সন্নিবিষ্ট কৰিছোঁ এইবুলি—"ধান ৰোৱাৰ পিছত যদি ধানত পোকে ধৰে, মাকৰ গৰ্ভৰ



পৰা ওভটাকৈ জন্ম লোৱা মানুহে পথাৰৰ ধানৰ ওপৰত পানী ছটিয়ালে পোকে নধৰে।"

অকল এয়াই নহয়, ওভটা জনম বা গৰু জন্ম বা আগঠেঙীয়া নামেৰে পৰিচিত এনে ব্যক্তিৰ দ্বাৰা বহু আসুৰিক চিকিৎসাৰো বিধান আছে। উদাহৰণ স্বৰূপে, ছয়গাঁও অঞ্চলৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ মাজত উপযুক্ত সময়ত তামোল, নাৰিকল আদি লাগনি গছত ফল নধৰিলে তেনেদৰে জনম পোৱা ব্যক্তিয়ে ৰাতিপুৱা শুই উঠি বাহিমুখে গছৰ গুৰিত গুৰিয়ালে ফল ধৰে বুলি বিশ্বাস আছে। (সূচক ঃ কামাখ্যা গেটত অৱস্থিত প্ৰিণ্ট ৱাৰ্থ প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীভৱেন গোস্বামী, ৫৫, ২০১১)

আনকি সৰ্বভাৰতীয় পৰ্য্যায়তো এনে লোকচিকিৎসা-ৰ বিধান আছে। 'অতিথি তুম কব যাওগী' হিন্দী জনপ্ৰিয় বোলছবিখনত এনেধৰণে জন্ম লোৱা অতিথিৰ নামভূমিকাত পৰেশ ৰাৱালে কঁকালৰ বিষত কেঁকাই থকা লোকক ভৰিৰে লঠিয়াই আৰোগ্য কৰা দেখুওৱা হৈছে। মনকৰিবলগীয়া যে—এই লেখা লিখি থকা পৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক সঞ্জীৱ নাথে (যোৰহাটস্থিত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা বীণাপাণি দেৱীৰ সৈতে লেখকক লগ কৰিবলৈ আহোঁতে, ১০/১/১৪ তাৰিখে আবেলি ২ বজাত লেখকৰ বিভাগীয় কোঠাত) কথা প্ৰসংগত তেওঁৰ দেউতাকে দেৰগাঁও অঞ্চলৰ মাৰোৱাৰী সম্প্ৰদায়ৰ বয়োবৃদ্ধ লোকক এই উপায়েৰে চিকিৎসা কৰিবলগীয়া হৈছিল বুলি জনায়।

এই প্ৰসংগতে ৰাভাসকলৰ 'আমুন্দা' (নু'মু'ন্দা) সন্তানৰ অনুৰূপ মৰাণসকলৰ মগুৱা (মোগোৱা/মুগৰীয়া) সন্তানৰ ক্ষেত্ৰত বজ্ৰভয় প্ৰতিকাৰাৰ্থে কৱচ কাপোৰৰ প্ৰস্তুত আৰু পৰিধানৰ কথাও আহি পৰে।

এই সম্পৰ্কে লেখকে অন্যত্ৰত 'অন্য এক কৱচ কাপোৰৰ সন্ধান' (নন্দিনী, একাদশ বছৰ, তৃতীয় সংখ্যা, ছেপ্টেম্বৰ/১০) শিৰোনামাৰে তিনিচুকীয়া জিলাৰ ব্যাৰেকুৰি—নমতাপুং অঞ্চলৰ মৰাণ সমাজত প্ৰচলিত কৱচ কাপোৰৰ লগত জড়িত লোকাচাৰ-লোকবিশ্বাসৰ বিষয়ে আলোচনা কৰিছোঁ।

এইখনৰ অসমীয়া সমাজত অতিকৈ জনপ্ৰিয় কৱচ কাপোৰৰ (একে ৰাতিৰ ভিতৰতে কঁপাহ নেওঠি, সূঁতা কাটি বৈ উলিওৱা পৱিত্ৰ বস্ত্ৰ; যিখন যুদ্ধলৈ যোৱা পুৰুষে পৰিধান কৰে) সৈতে প্ৰস্তুতৰ দিনকাল আৰু পৰিধানৰ উদ্দেশ্য দুয়োটাই বেলেগ। মৰাণ সমাজত দিনৰ ভাগত ৫/৭/৯ গৰাকী বিধৱা তিৰোতা (ওভটা জনম হ'লে বেছি ভাল) গোট খাই ৫/৭/৯ ঘৰৰ পৰা কঁপাহ গোটাই আনি সূঁতা উলিয়াই তাৰে এজনী কুমাৰী ছোৱালীৰ ভৰিৰ জোখৰ এবেগেত দৈৰ্ঘ্যৰ কৱচ কাপোৰ প্ৰস্তুত কৰি মগুৱা সন্তানক (জীৱিত কালছোৱালৈকে) পৰিধান কৰোৱা হয়। এই উপলক্ষে

মৰাণ সমাজত পৰুৱাৰ শিপিনীৰ গীতৰ সমতুল্য ‘মগুৰা খেঈ’ পৰিৱেশন কৰাৰো বিধান আছে। (মুখ্য উৎস ঃ টোকলী বৰগোহাঁই, ৭৫, নমতাপুং, বাৰেকুৰি, তিনিচুকীয়া, ৩১/৮/০৯)। মনকৰিবলগীয়া যে লেখকে শৈশৱতে মাতৃৰ মুখে শুনা তথ্য মতে ৰাভাসকলে বজ্ৰভয়ৰ নিবাৰণাৰ্থে কঁকালত ‘ৰুবুক মালা’ অভাৱে পুৰণি ব’ মৃতা পৰিধান কৰোৱা হয়।

গৱেষণা গ্ৰন্থত যে সূচক-সূচিকাৰ প্ৰকৃত নাম—ধান আৰু দিন-বাৰ উল্লেখ কৰিব লাগে তাৰ কোনো মানে নাই। বৰঞ্চ গোপনীয়তা ৰক্ষাৰ খাটিৰত কেতিয়াবা কিছুমান ব্যক্তিৰ পৰিচয় উহ্য ৰখাটোহে প্ৰয়োজনীয় কথাহৈ পৰে। তেনে টো ঘটনা লেখাৰ এবছৰ পূৰ্বে ক্ষেত্ৰ অধ্যয়নৰ সময়ত লাভ কৰা অভিজ্ঞতাৰ আধাৰত উল্লেখ কৰা হ’ল— ঘটনাটো ইমানেই জগৰ লগা যে সংঘটিত অঞ্চলটোৰ সম্প্ৰদায়টোৰ নাম প্ৰকাশ কৰাটোও বিপদজনক। এনেদৰে জন্ম হোৱা সন্তানে কেঁচুৱা অৱস্থাত নানা ধৰণৰ বেমাৰ-আজাৰত আক্ৰান্ত হোৱা, সঘনাই অপায়-অমঙ্গল ঘটা আদি লক্ষণে দেখা দিয়ে। কিন্তু তেনে অৱস্থাত পোহনীয়া হাতীৰ মাউতক মান ধৰি কোলাত কেঁচুৱালৈ সাতবাৰ হাতীটোৰ তলেদি পাৰ কৰালে অমঙ্গল খণ্ডন হয়। অৱশ্যে এনে কৰিলে হাতীটোৰ প্ৰাণহানি হোৱাটো নিৰ্ঘাত। তেওঁৰ (নাম প্ৰকাশৰ পৰা বিৰত থাকিলোঁ) ল’ৰাটোক এনে উপায়েৰে চিকিৎসা কৰোঁতে এমাহৰমানৰ ভিতৰত সঁচা-সচিকৈ হাতীটো মৰি থাকিল বুলি আমাক অৱগত কৰিছিল। (যোৱা ২০/০১/১৩ তাৰিখে উজনি অসমৰ প্ৰাচীন কীৰ্তি চিহ্ন পৰিপূৰ্ণ নগৰ এখনৰ দাঁতিকাষৰীয়া ঠাইত বসতি থকা বিশেষ সম্প্ৰদায়ৰ জাতীয় সাংস্কৃতিক সমাৰোহত অংশগ্ৰহণ কৰিবলৈ যাওঁতে প্ৰত্যক্ষ হোৱা ঘটনা) ল’ৰাটো বৰ্তমান অতি সুস্থ-সবল আৰু বয়স ১৫/১৬ বছৰ। ১২/১৩ বছৰ আগতেহে সংঘটিত হৈ যোৱা হাতীৰ মৃত্যু হোৱা ঘটনাৰ প্ৰকৃত ৰহস্য ভেদ হৈ গ’লে হাতীৰ মাউতে ‘ল’ৰাটোৰ ভৱিষ্যততকৈ হাতী ডাঙৰ নহয়’ বুলি মানিলেও হাতীৰ গৰাকীয়ে সুদাই এৰিবনে। এনে পৰিপ্ৰেক্ষিততে সূচক/সূচিকাৰ নাম উহ্য ৰাখিবলগীয়া হয়।

মুঠতে গৱেষণা প্ৰণালী তত্ত্বমতে গৱেষণাৰ ক্ষেত্ৰ অধ্যয়নৰ দিশত মানি চলিবলগা সকলো নীতি-নিৰ্দেশনা আখৰে আখৰে যে পালন কৰিব লাগিব এনে কথা হ’ব নোৱাৰে। তাত লিপিবদ্ধ নোহোৱা আৰু অনেক দিশ আছে যিবিলাক হয়তো এগৰাকী দীৰ্ঘকালৰ অভিজ্ঞতাৰে অভিজ্ঞ তত্বাৱধায়ক বা ক্ষেত্ৰ অধ্যয়নকাৰীৰ তেনেই কুক্ষিগত। তদুপৰি বিশ্বৰ সকলো প্ৰান্তৰ ক্ষেত্ৰতে যে একেখিনি নীতি-নিয়মে প্ৰযোজ্য হ’ব তাৰো কোনো মানে নাই। অঞ্চল আৰু সম্প্ৰদায় বা জনগোষ্ঠী ভেদে আনকি বিষয়বস্তু অনুসাৰেও ক্ষেত্ৰ অধ্যয়নৰ কিছু তাৰতম্য আছে।

# ক্ষেত্ৰ সমীক্ষণ আৰু পৰ্যৱেক্ষণ পদ্ধতি

**ড° দীপক কুমাৰ ৰায়**

মানৱবিদ্যাৰ পঠন-পাঠন আৰু গৱেষণাৰ ক্ষেত্ৰত ক্ষেত্ৰ সমীক্ষাৰ গুৰুত্ব অপৰিহাৰ্য। সামগ্ৰিক জীৱন-চৰ্যাৰ পূৰ্ণাঙ্গ পৰিচয় আৰু প্ৰত্যক্ষভাৱে মানুহৰ জীৱনযাত্ৰাৰ পৰিচয় পাবলৈ হ’লে ক্ষেত্ৰ সমীক্ষা কৰাতো অতি আৱশ্যক। ক্ষেত্ৰ সমীক্ষাভিত্তিক অধ্যয়নৰ মাজেদি লাভ কৰা যুক্তিনিষ্ঠ তত্ত্ব, তথ্য আৰু প্ৰণালীৱদ্ধ জ্ঞানৰ জৰিয়তেহে গৱেষণা কৰ্মত সাৰ্থকতা লাভ কৰিব পাৰি। লোকসংস্কৃতি চৰ্চা, ভাষাবিজ্ঞান চৰ্চা, জাতি-জনজাতিবিলাকৰ জীৱন চৰ্চা, নৃবিদ্যা আদি বিদ্যাশৃংখলাৰ ক্ষেত্ৰত ক্ষেত্ৰ সমীক্ষণভিত্তিক গৱেষণা অপৰিহাৰ্য হৈ উঠিছে।

যিকোনো বিষয়ৰ ক্ষেত্ৰ সমীক্ষাৰ ক্ষেত্ৰত প্ৰথমে প্ৰস্তুতিৰ প্ৰয়োজন। ক্ষেত্ৰ সমীক্ষাৰ বাবে নিৰ্বাচিত অঞ্চলৰ ভৌগোলিক অৱস্থান, হাট-বজাৰ, স্বাস্থ্যকেন্দ্ৰ, জনগণনাৰ তথ্য, ভাষা আদিৰ লগতে ক্ষেত্ৰ সমীক্ষাৰ উদ্দেশ্য সম্পৰ্কেও গৱেষকজনৰ স্পষ্ট ধাৰণা থাকিব লাগিব। ক্ষেত্ৰ সমীক্ষাৰ প্ৰস্তুতিপৰ্বক তলত দিয়া ধৰণে দেখুৱাব পাৰি—

ক্ষেত্ৰ সমীক্ষাৰ প্ৰস্তুতি (Preparatory Stage)

বুদ্ধিবৃত্তিগত (Intelectual) বস্তুগত (Material)

শিবিৰ স্থাপন, সংযোগ, বন্ধুত্ব স্থাপন, ক্ষেত্ৰবন্ধু বাছনি, দিনপঞ্জী

(Camp, Contact, Rappart, Working Freind, Diary maintain)

**বুদ্ধিবৃত্তিগত প্ৰস্তুতিঃ** জনগোষ্ঠীৰ প্ৰকৃতি, জীৱনচৰ্যা, পূৰ্বতন সমীক্ষাৰ আলোচনা আৰু ফলাফল, ভূ-প্ৰাকৃতিক পৰিস্থিতি সম্পৰ্কে ক্ষেত্ৰ সমীক্ষণ কাৰ্যৰ পূৰ্বে গৱেষকজন অৱগত হোৱাটো জৰুৰী। সেইকাৰণে লাইব্ৰেৰী কৰ্ম (Library work) সম্পন্ন কৰাটো অতি প্ৰয়োজন। স্থানীয় অঞ্চলৰ আচাৰ-ব্যৱহাৰ, ভদ্ৰতা-

সম্ভাষণ, জনগোষ্ঠীৰ মূল্যবোধ আদিও জানি লোৱা আৱশ্যক। তদুপৰি প্ৰশাসনিক অনুমতি ব্যতিৰেকে বিভিন্ন ধৰণৰ সমস্যা সৃষ্টি হ'ব পাৰে। সেইকাৰণে স্থানীয় প্ৰশাসনৰ, পঞ্চায়তৰ অথবা গাঁওবুঢ়াৰ অনুমতিৰো প্ৰয়োজন।

**বস্তুগত প্ৰস্তুতিঃ** ভিতৰুৱা গাঁও নাইবা পাহাৰীয়া অঞ্চলৰ পৰিৱেশত অথবাঃ যোগাযোগবিহীন ঠাইত ক্ষেত্ৰ সমীক্ষণ কৰিবলৈ হ'লে বস্তুগত প্ৰস্তুতিৰ প্ৰয়োজন। কাৰণ তেনে অঞ্চলত ক্ষেত্ৰ সমীক্ষণৰ বাবে প্ৰথমে প্ৰয়োজন হয় ক্ষেত্ৰ-শিবিৰ স্থাপনৰ। কি ধৰণৰ প্ৰাকৃতিক পৰিৱেশত কি ধৰণৰ সাজ-পোচাক পিন্ধিবলৈ লগত নিব লাগিব, বানপানীৰ সময়ত কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আদি বস্তুগত প্ৰস্তুতি।

ক্ষেত্ৰ সমীক্ষণ কাৰ্যত বিভিন্ন ধৰণৰ যান্ত্ৰিক সহায়ৰো আৱশ্যক হয়। আজিৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত তথ্য সংগ্ৰহৰ বাবে টেপ ৰেকৰ্ডাৰ, ডিজিটেল ভিডিও কেমেৰা, স্থানীয় মানচিত্ৰ, জোখ-মাখৰ সঁজুলি আদিৰ ক্ষেত্ৰ সমীক্ষণৰ সময়ত বিশেষ প্ৰয়োজন। ইয়াৰ লগতে টৰ্চ লাইট, কাগজ, পেন, ছুৰী, আলপিন, ক্লীপ, হাৰ্ড বৰ্ড আৰু প্ৰাথমিক চিকিৎসাৰ বাকচ (First Aid Box) এটা লগত নিয়াটো অতি প্ৰয়োজন।

ক্ষেত্ৰ সমীক্ষাৰ বাবে নিৰ্বাচিত অঞ্চলত শিবিৰ স্থাপনৰ লগতে সহযোগ বন্ধুত্ব স্থাপন, ক্ষেত্ৰবন্ধু বাছনি আৰু দৈনিক কামৰ খতিয়ান নিয়মীয়াকৈ দিনপঞ্জীত লিপিৱদ্ধ কৰিব লাগে। দিনপঞ্জী দুই ধৰণৰঃ- ব্যক্তিগত দিনপঞ্জী (personal diary) আৰু ক্ষেত্ৰ দিনপঞ্জী (Field diary) ।

ক্ষেত্ৰ সমীক্ষণ কাৰ্যৰ উক্ত দুই ধৰণৰ প্ৰস্তুতিৰ পিছত গৱেষকে বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰি তথ্য সংগ্ৰহ কৰিব লাগে। নিৰ্ভৰযোগ্য সঠিক তথ্য সংগ্ৰহ কৰি কাংখিত ফল লাভৰ বাবে তথ্য সংগ্ৰহৰ বিভিন্ন পদ্ধতি সম্পৰ্কে গৱেষকজনে জ্ঞান আহৰণ কৰা প্ৰয়োজন। সাধাৰণতে তথ্য দুই ধৰণৰ- প্ৰাথমিক তথ্য আৰু গৌণ তথ্য

**(ক) প্ৰাথমিক তথ্য (Primary Data)**ঃ- ক্ষেত্ৰ সমীক্ষণলব্ধ তথ্য সামগ্ৰী এজন গৱেষকৰ কাৰণে 'প্ৰাথমিক তথ্য' হিচাপে গুৰুত্ব সহকাৰে বিবেচিত হয়।

**(খ) গৌণ তথ্য (Secondary Data)**ঃ- তথ্য সংগ্ৰহৰ অন্যতম উৎস পুথিভঁৰালসমূহৰ সহায়ক গ্ৰন্থ, বিভিন্ন দলিল দস্তাবেজ, সংবাদ পত্ৰ, চৰকাৰী নথি-পত্ৰ আদি এজন গৱেষকৰ গৱেষণাৰ পথ নিৰ্দেশনাত গৌণ তথ্য ৰূপে বিবেচিত হ'ব।

**তথ্য সংগ্ৰহৰ পদ্ধতি (Methods of Data Collection)**ঃ তথ্যপাতি সংগ্ৰহ কৰিবলৈ প্ৰয়োজন অনুসৰি সুনিৰ্দিষ্ট পদ্ধতি বাছি লৈ তথ্য সংগ্ৰহ কৰিব



লাগে। এই পদ্ধতিবোৰৰ ভিতৰত উল্লেখযোগ্য পদ্ধতিটো হ'ল-পৰ্যবেক্ষণ পদ্ধতি (Observational Method)

দাৰ্শনিক আৰু সমাজতত্ত্ববিদসকলে ক্ষেত্ৰ সমীক্ষণত অনুসৰণ কৰা প্ৰধান পদ্ধতি হ'ল-পৰ্যবেক্ষণ পদ্ধতি। ই দৰাচলতে পৰিকল্পিত অনুধাৱন। পৰবৰ্তী কালত পৰ্যবেক্ষণৰ লগত প্ৰযুক্তিগত কৌশল অৱলম্বন কৰা আৱশ্যক হৈ পৰিছে।

কোনো জনগোষ্ঠী নাইবা মানুহৰ জীৱন-চৰ্যা সম্পৰ্কে প্ৰত্যক্ষভাৱে অনুধাৱন কৰাৰ বাবে পৰ্যবেক্ষণ পদ্ধতি অপৰিহাৰ্য। পৰ্যবেক্ষণ পদ্ধতি চাৰিধৰণৰ-

(অ) সক্ৰিয় পৰ্যবেক্ষণ পদ্ধতি (আ) নিষ্ক্ৰিয় পৰ্যবেক্ষণ পদ্ধতি

(ই) নিয়ন্ত্ৰিত পৰ্যবেক্ষণ পদ্ধতি আৰু (ঈ) অনিয়ন্ত্ৰিত পৰ্যবেক্ষণ পদ্ধতি।

সক্ৰিয় পৰ্যবেক্ষণ পদ্ধতি হ'ল প্ৰত্যক্ষভাৱে ক্ষেত্ৰ অধ্যয়ন কৰা। এই পদ্ধতিত সামাজিক আচাৰ আচৰণ, বিশ্বাস, সংস্কাৰ আদি অনুধাৱন কৰিব লাগে। এই ক্ষেত্ৰত জনগোষ্ঠীয় ক্ষেত্ৰ সমীক্ষাকাৰ্য পৰিচালনা কৰা আৰু অধ্যয়ন অনুসন্ধানৰ বাবে গাঁওবুঢ়াৰ অনুমতি আৱশ্যক।

জনগোষ্ঠীয় জীৱন-চৰ্যাৰ লগত ক্ষেত্ৰসমীক্ষকে যেতিয়া সক্ৰিয়ভাৱে অংশগ্ৰহণ নকৰি কেৱল দূৰৰ পৰা নিৰীক্ষণ কৰে আৰু তীক্ষ্ণ দৃষ্টিৰে, বিশ্লেষণাত্মক মানসিকতাৰে তথ্য সংগ্ৰজহ কৰে- এই ধৰণৰ পৰ্যবেক্ষণ হ'ল নিষ্ক্ৰিয় পৰ্যবেক্ষণ পদ্ধতি। তাত্ত্বিকিসকলে ইয়াক Quasi Participant Observation বুলি চিহ্নিত কৰিছে।

যেতিয়া নিৰীক্ষিত বিষয়বস্তুৰ ওপৰত কোনো ধৰণৰ নিয়ন্ত্ৰণ নাইবা প্ৰভাৱ আৰোপিত নহয়; ভিন্ন ভিন্ন পৰিৱেশত উপস্থিত হৈ পৰ্যবেক্ষণ কাৰ্যত আত্মনিয়োগ কৰা হয় তাক অনিয়ন্ত্ৰিত পৰ্যবেক্ষণ পদ্ধতি বোলা হয়। আনহাতে যেতিয়া গৱেষকৰ নিজৰ কৰ্মধাৰাৰ ওপৰত বিধিসন্মত নিয়ন্ত্ৰণ থাকে অৰ্থাৎ পৰ্যবেক্ষণৰ ওপৰত নিয়ন্ত্ৰণ ৰাখি নিজৰ উদ্দেশ্য সম্পন্ন কৰা হয়, তাক কোৱা হয় নিয়ন্ত্ৰিত পৰ্যবেক্ষণ পদ্ধতি। আচলতে সময়-সুবিধা অনুসৰি কিছু সালসলনি কৰি সক্ৰিয় আৰু নিয়ন্ত্ৰিত পৰ্যবেক্ষণ পদ্ধতি গৱেষণাৰ ক্ষেত্ৰ সমীক্ষাত অধিক প্ৰয়োজন হয়। অনুকল্প বা প্ৰময়ে (Hypothesis) ৰচনাৰ ক্ষেত্ৰত পৰ্যবেক্ষণ পদ্ধতি বিশেষ ভাৱে সহায়ক হৈ উঠে। কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ গৱেষণাত এই ধৰণৰ পৰ্যবেক্ষণ পদ্ধতি পথ নিৰ্দেশক হৈ পৰে।

পৰ্যবেক্ষণ পদ্ধত্তিৰ বাহিৰেও আন আন পদ্ধতি বোৰ যেনে সাক্ষাৎকাৰ পদ্ধতি (Narrative Interview Method), কুলজভিত্তিক পদ্ধতি

(Geneological Method), ব্যক্তি নিৰীক্ষণ পদ্ধতি (Case study Method), অনুসূচী পদ্ধতি (Achedule Method), পৰিসংখ্যাগত পদ্ধতি (Statistical Method)আদিৰো গৱেষণাত যথেষ্ট গুৰুত্ব আছে। । কিন্তু পৰ্যবেক্ষণক বাদ দি কোনোটো পদ্ধতিয়েই সাৰ্থকতা লাভ নকৰে। ভাষাবিজ্ঞান, লোকসংস্কৃতি, সমাজশাস্ত্ৰ, বাণিজ্য আৰু বিজ্ঞান সকলো অধ্যয়নত এই পদ্ধতিৰ আৰশ্যক।

---------------------------------------------

**সহায়ক গ্ৰন্থসমূহ ঃ**

(১) ৰেৰতীমোহন সৰকাৰ ঃ লোকসংস্কৃতিৰ পদ্ধতিবিদ্যা, লোকসংস্কৃতি আদিবাসী সংস্কৃতিকেন্দ্ৰ, কলকাতা-৬৮, ২০০৫

(২) নগেন শইকীয়া ঃ গৱেষণা পদ্ধতি পৰিচয়, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়-৩, ২০১০

# লোকসংস্কৃতিৰ গৱেষণাত ক্ষেত্ৰানুসন্ধানৰ প্ৰয়োজনীয়তা

**ড° লক্ষী দাস পাঠক**

সাধাৰণভাবে সাহিত্য, সঙ্গীত, চিত্ৰ, স্থাপত্য, ভাস্কৰ্য, চাৰু-কাৰু-শিল্পকলাকে সংস্কৃতি বুলি আখ্যা দিয়া হয়। মানুহৰ চিন্তা, কল্পনা, ধ্যান-ধাৰণা, ভাবানুভূতিৰ অভিব্যক্তি হিচাবে শিল্পকলাসমূহ সংস্কৃতিৰ অঙ্গ হৈ পৰে আৰু এই শিল্পকলাৰ অন্তৰালতেই লুকাই থাকে জগত আৰু জীৱনৰ পৰিচয়। গতিকে মানৱ মনৰ আৰু মানৱ সমাজৰ চিন্তা সংস্কৃতিৰ উপকৰণৰ মাজত বিদ্যমান হৈ থাকে। সাহিত্য-শিল্প মূলতঃ জীৱন আৰু জগতৰ দাপোন। জীৱনৰ চেতনা অবিহনে সংস্কৃতিৰ বিকাশ হ'ব নোৱাৰে। মানুহৰ মননশক্তি, চিন্তাশক্তি, সৃষ্টিশক্তিৰ প্ৰণালীবদ্ধ ৰূপৰ পৰিচয়ৰ মাজত সংস্কৃতি মূৰ্ত হৈ উঠে। মানুহৰ ব্যৱহাৰিক জীৱনধাৰাৰ মাজেৰে যি সৃষ্টিৰ পৰিচয় বিকাশ হয় তাৰ মাজতেই সংস্কৃতিৰ স্বৰূপ ওলাই পৰে। মানৱ জীৱনৰ গতিশীল যাত্ৰাৰ নিয়মেই হ'ল সংস্কৃতি আৰু তাৰ উপকৰণবোৰ হ'ল— আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান, ধৰ্ম-কৰ্ম, ক্ৰিয়া-কাৰ্য, শিক্ষা-দীক্ষা, খেলা-ধূলা, আনন্দ-বিনোদন ইত্যাদি। তদুপৰি জীৱন যাপনৰ বস্তুগত উপকৰণসমূহ যেনে— ঘৰবাৰী, খাদ্য, বস্ত্ৰ, অয়-অলঙ্কাৰ আদিৰ লগতে, আভ্যন্তৰিণ মনৰ আবেগ অনুভূতিৰ লগত জৰিত যেনে— সাহিত্য, সঙ্গীত, চিত্ৰকলা, স্থাপত্য ভাস্কৰ্য আদিয়েও সংস্কৃতিৰ পৰিচয় দাঙি ধৰে।

সংস্কৃতি পদৰ দ্যোতনা অতি বিশাল। ভাৰতীয় ভাষাত ব্যৱহাৰ হোৱা সংস্কৃতি পদটো ইংৰাজী Culture অভিধাৰ প্ৰতিশব্দ নহয়। ইংৰাজী Culture পদটো আচলতে পৰিমাৰ্জনৰ কথাটোৰ নিৰ্দেশ নকৰে, কিন্তু সংস্কৃতিৰ প্ৰসঙ্গত পৰিমাৰ্জনৰ কথাটো আঙুলিয়াই দিব পাৰি, কিয়নো সংস্কাৰ কৰি লোৱা হয় যাক সেয়ে সংস্কৃতি। খৃঃ ১৮৬৫ চনত এডৱাৰ্ড টাইলাৰে 'Culture' পদটো সৰ্বপ্ৰথমে

প্ৰয়োগ কৰিছিল। এই 'Culture' অভিধাৰ মূল হৈছে লেটিন ভাষাৰ ‘কোল’ ধাতুজাত Colere বা Cultura বা কুলতুৰা। ইয়াৰ অৰ্থ কৰ্ষণ কৰা বা খেতি কৰা। গতিকে সংস্কৃত কৃষ্টি আৰু লেটিন 'Culture'-ৰ মাজত অৰ্থৰ ফালৰ পৰা মিল দেখা যায়। লেটিন Cultura পদৰ পৰাই ইংৰাজীত 'Culture' পদটো উদ্ভৱ হৈছে। সেই উদ্দেশ্যে দেখা যায় অসমীয়া বা বাংলা ভাষাত Culture পদৰ প্ৰতিশব্দ স্বৰূপে ‘কৃষ্টি’ পদটো ব্যৱহাৰ কৰা হৈছে।

লোকসমাজৰ বিভিন্ন কৃতিৰ সমষ্টিয়েই সংস্কৃতি। সংস্কৃতি বিশ্বজনীন, আনহাতে ই গতিশীল। সংস্কৃতিৰ আঞ্চলিক ৰূপ আছে। সংস্কৃতিয়ে সমাজ জীৱনৰ গতি নিৰ্ধাৰণ কৰে। সংস্কৃতিক অভিজাত বা শিষ্ট সংস্কৃতি আৰু লোক সংস্কৃতি বা জনকৃষ্টি আদি ভাগত বিভাজিত কৰিব পাৰি। অভিজাত সংস্কৃতিক মাৰ্গীয় সংস্কৃতি বা পৰিশীলিত সংস্কৃতি বোলা হয়। ই এক বিশাল পৰম্পৰা, সেয়ে অভিজাত সংস্কৃতিক ‘গ্ৰেট ট্ৰেডিছন’ বুলিও কোৱা হয়।

সংস্কৃতিৰ নানা ৰূপ আৰু নানান ৰূপৰ ৰূপান্তৰো সদায় হৈ থাকে দেশে দেশে, গোষ্ঠীয়ে গোষ্ঠীয়ে। বিভিন্ন সংস্কৃতিৰ ৰূপ বিভিন্ন যেনে ভাৰতীয় সংস্কৃতি, পাশ্চাত্য সংস্কৃতি। আনহাতে উৰিয়া, বাঙালী, অসমীয়া প্ৰত্যেক গোষ্ঠীৰ নামেৰে নিজ সংস্কৃতি। সংস্কৃতিৰ এই বিভিন্ন ৰূপৰ যেনেকৈ শিষ্ট সংস্কৃতি বা অভিজাত সংস্কৃতি আছে সেইদৰে লোকসংস্কৃতি বা জনকৃষ্টিও আছে। শিষ্ট সংস্কৃতি বাদ দিলে সংস্কৃতিৰ বৃহত্তম অংশক লোকসংস্কৃতি বোলা হয়। সংস্কৃতিৰ নাম মানৱ জীৱন যাত্ৰাৰ ব্যৱহাৰ্য বস্তু বা উপকৰণৰ নামেৰেও হ'ব পাৰে। যেনে- প্ৰস্তৰ প্ৰধান সংস্কৃতি, ব্ৰোঞ্জ প্ৰধান সংস্কৃতি, তাম্ৰ প্ৰধান সংস্কৃতি, লৌহ প্ৰধান সংস্কৃতি। আনহাতে আদিম যুগৰ পৰা আজিলৈকে সমাজৰ মাজত থকা শ্ৰেণী ব্যৱস্থাৰ লগত সাঙোৰ খাই থকা মতসমূহক লৈও সংস্কৃতিৰ নামকৰণ হ'ব পাৰে। যেনে— আদিম সাম্যবাদী, সামন্ততান্ত্ৰিক, পুঁজিতন্ত্ৰী, সমাজতন্ত্ৰী ইত্যাদি। মানুহৰ জীৱিকাৰ উপায় অৱলম্বনক লৈ সংস্কৃতিৰ নাম অভিহিত হ'ব পাৰে। যেনে— চিকাৰজীৱী, পশুপালক, কৃষিজীৱী, শিল্পজীৱী ইত্যাদি।

সংস্কৃতিৰ এই বিশাল ৰূপক বিচাৰ বিশ্লেষণ কৰি পণ্ডিতসকলে লোকসংস্কৃতিক লোকবিজ্ঞান বা লোকবিদ্যা বুলি আখ্যা দিছে। লোকসংস্কৃতি হ'ল সমাজবিজ্ঞান। লোকসংস্কৃতিৰ প্ৰতিটো উপাদানকে বিজ্ঞানৰ মাত্ৰা প্ৰদান কৰি পৰ্যালোচনা কৰাৰ থল আছে। গ্ৰীম ভাতৃদ্বয়ে ব্যৱহাৰ কৰা Volkskunde শব্দটোৰ অৰ্থ লোকজ্ঞান বা লোকবিদ্যা। আনহাতে উইলিয়াম জনছ থম্পছনে সৃষ্টি কৰা



'Volklore' পদটোৰ অৰ্থও লোকজ্ঞান বা লোকবিদ্যা। গতিকে লোকসংস্কৃতিৰ লগত Folklore শব্দটোৱে সাঙোৰ খোৱা। কিয়নো Folklore পদটো প্ৰথমে ব্যৱহাৰ কৰা হৈছিল মৌখিক উপাদানক নিৰ্দিষ্ট কৰিবলৈ। মৌখিক সৃষ্টিক সাধাৰণতে মৌখিক সাহিত্য বুলি ক'ব পাৰি। লোকসাহিত্যৰ লগত লোকজীৱনৰ সম্পৰ্ক আছে। লোক বিজ্ঞানীসকলে লোকসাহিত্যৰ পৰিপূৰক স্বৰূপে লোকজীৱনৰ দিশটোও Folklore বা লোকসংস্কৃতিৰ মাজত সংযোজিত কৰি ইয়াৰ পৰিসৰ বহল কৰি লৈ যায়।

লোকসংস্কৃতি বা লোকবিদ্যা মানৱ সমাজৰ অতীত, বৰ্তমান, ভৱিষ্যতৰ চেতনা। জনসমুদ্ৰ যেনেকৈ কেতিয়াও শুকাই নাযায়, তেনেকৈ লোকসংস্কৃতিৰ সমুদ্ৰও শুকাই নাযায়।

লোকসংস্কৃতি স্থুল জঁটিলতাহীন আৰু অকৃত্ৰিম। লোকজীৱনৰ ব্যক্তিগত অভিজ্ঞতাই লোকসংস্কৃতিৰ প্ৰধান উৎস। লোকসংস্কৃতি লোকমুখত প্ৰচাৰিত, লোকশ্ৰুতি গৃহীত আৰু লোকস্মৃতিত ৰক্ষিত হয়। এই গুণৰ বাবেই নৃতত্ত্ব, পুৰাতত্ত্ব, ধৰ্মতত্ত্ব, সমাজতত্ত্ব, ভাষাতত্ত্ব তথা জাতিতত্ত্বৰ প্ৰকৃত উপাদান লোকসংস্কৃতিৰ মাজত প্ৰৱহমান হৈ থাকে। এটা জাতিৰ মৌলিকতা তথা স্বকীয়তাৰ পৰিচয় জনাৰ একমাত্ৰ লোকসংস্কৃতিৰ দ্বাৰাই সম্ভৱ।

অতীতৰ পৰা লোকসংস্কৃতি মুখ পৰম্পৰাগতভাৱে চলি আহিলেও ইয়াৰ পদ্ধতিগত বা বিজ্ঞানসন্মত চিন্তাচৰ্চাৰ সূচনা হয় ঊনৈশ শতিকাৰ আদি ভাগৰ পৰাহে। লোকসংস্কৃতি ঊনৈশ শতিকাৰ নৱন্যাসবাদৰ লক্ষণৰ লগত জৰিত এক বৌদ্ধিক চিন্তাধাৰা। লোকসংস্কৃতি বা লোকবিদ্যা বা লোকবিজ্ঞানৰ উপাদানক আন্তৰ্জাতিক খ্যাতিসম্পন্ন লোকসংস্কৃতিবিদ ড০ ৰিচাৰ্ড এম. ডৰচনে চাৰিটা বহল ভাগত ভাগ কৰিছে— (ক) মৌখিক লোকবিদ্যা বা মৌখিক সাহিত্য, (খ) ভৌতিক সংস্কৃতি, (গ) সামাজিক লোক ৰীতি-নীতি আৰু (ঘ) লোক পৰিৱেশ্য কলা।

লোকবিদ্যা বা লোকসংস্কৃতিৰ পৰিসৰ ব্যাপক, ইয়াৰ যি চাৰিটা উপাদান উল্লেখ কৰিছে তাৰ প্ৰথম উপাদান মৌখিক লোকবিদ্যা (Oral Folklore)ত লোককাহিনী, লোককবিতা, লোকমহাকাব্য, লোকোক্তি, সাঁথৰ বা দিষ্টান, লোকভাষাক সন্নিবিষ্ট কৰিব পাৰি। দ্বিতীয় উপাদান সামাজিক লোক প্ৰথা বা লোকাচাৰত লোকউৎসৱ-অনুষ্ঠান, অৱসৰ বিনোদন আৰু খেল-ধেমালি, লোক-ঔষধ, লোকধৰ্মক সন্নিবিষ্ট কৰিব পাৰি। তৃতীয় উপাদান ভৌতিক সংস্কৃতিত লোকশিল্প লোককলা,

লোকস্থপতি বিদ্যা, লোক আভৰণ আৰু ৰন্ধন প্ৰণালীক সংযোজিত কৰা হয় আৰু চতুৰ্থ উপাদান লোকপৰিবেশ্য কলা (Folk peerforming art)ত লোকনাট্য লোকসংগীত, লোকনৃত্যক ল'ব পাৰি।

লোকসাহিত্য, আচাৰ-অনুষ্ঠান, বিশ্বাস, সংস্কাৰ, উৎসৱ, পূজা-পাৰ্বন, মেলা আৰু লোকসমাজৰ যাৱতীয় ক্ৰিয়া-কৰ্ম তথা ভাষা, দৰ্শন ইত্যাদিৰ যোগফলেই লোকসংস্কৃতি। বিষয়গত দিশৰ ফালৰপৰা লোকসংস্কৃতিক তিনিটা ভাগত বিভক্তক কৰিব পাৰি। যেনে— (ক) বৰ্ণনামূলক লোকসংস্কৃতি, (খ) তুলনামূলক লোকসংস্কৃতি আৰু (গ) গঠনমূলক লোকসংস্কৃতি।

লোকসংস্কৃতি বিষয়ৰ চিন্তাচৰ্চা আৰু গৱেষণাৰ প্ৰয়োজনীয়তাক গুৰুত্ব সহকাৰে ল'ব বিচাৰিলে লোকসংস্কৃতিৰ গৱেষক সকলে এই বিষয়ৰ বিভিন্ন উপাদানৰ লগত জৰিত থকা বিষয়সমূহৰ বিচাৰ বিশ্লেষণ কৰিববলৈ আগবাঢ়িব লাগিব। বৈজ্ঞানিক পদ্ধতিৰে লোকসংস্কৃতিৰ বিভিন্ন তথ্যৰ ওপৰত আলাপ-আলোচনা, সমীক্ষা, কৰ্মশালা, সংগ্ৰহ, সংকলন, বিচাৰ-বিশ্লেষণ, নানান পৰীক্ষা-নিৰীক্ষাৰ বাবে প্ৰয়োজন সাপেক্ষে আগবাঢ়িব লাগিব। যিহেতু ঊনবিংশ শতাব্দীৰ আদিতেই লোকসংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত বিজ্ঞানভিত্তিক এক গৱেষণাৰ তত্ত্ব আৰু পদ্ধতি প্ৰয়োগৰ সূচনা হৈছে, সেয়েহে সমাজতত্ত্ব, নৃতত্ত্ব, পুৰাতত্ত্ব, ইতিহাস, ভূগোল, দৰ্শন আদি বিষয়ৰ লগত সামঞ্জস্য ৰাখি গৱেষণাৰ ক্ষেত্ৰত আগবাঢ়িব লাগিব। এইখিনিতে লোকসংস্কৃতিৰ চিন্তাচৰ্চাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সাম্যক জ্ঞানৰ আৱশ্যক। প্ৰথমতে দেখা যায় লোকবিদ্যাৰ চিন্তাচৰ্চাই পূৰ্বপুৰুষসকলৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ বিষয়ে জ্ঞান লাভ কৰাত সহায় কৰে। নৃ-জাতিৰ সভ্যতা-সংস্কৃতিৰ বিষয়ে জানিববলৈ লোকবিদ্যা অধ্যয়নে সহায় কৰে। লোকসংস্কৃতি সভ্যতাৰ অংশ বিশেষ। লোকসংস্কৃতিয়ে এখন দেশৰ বা এটা জাতিৰ অতীতৰ প্ৰামাণিক সাক্ষ্যপত্ৰ স্বৰূপ। গতিকে কোনো জাতিৰ জাতীয় ইতিহাস ৰচনাৰ ক্ষেত্ৰত, ৰাজনৈতিক বুৰঞ্জী প্ৰণয়নত সেই জাতিৰ লোকবিদ্যাৰ ভূমিকা গুৰুত্বপূৰ্ণ।

সাহিত্যৰ ক্ষেত্ৰত দেখা যায় লোকসাহিত্যই লিখিত সাহিত্যৰ সমল যোগায়। লিখিত সাহিত্যত লোকসাহিত্যৰ অলঙ্কাৰৰ প্ৰভাৱ পৰে। আনহাতে ভাষাতত্ত্বৰ বিচাৰ বিশ্লেষণত লোকসাহিত্য, লোক-ভাষাৰ ওচৰ চাপিব লাগে। গতিকে ভাষাবিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰত লোকসংস্কৃতিৰ চৰ্চা অতিকে প্ৰয়োজনীয়।



সাংস্কৃতিক চেতনা বা জাতীয় চেতনা জগাই তোলাত লোকসংস্কৃতিৰ সমলে সহায় কৰে। জাতীয় বুৰঞ্জীৰ বতৰা লোকসংস্কৃতিৰ সমলে আগবঢ়ায়। নিজ দেশৰ মাটিৰ গোন্ধৰ গীত-মাত লোকসংস্কৃতিৰ সমলত পোৱা যায়। গতিকে লোকসংস্কৃতিৰ বৈজ্ঞানিক অনুশীলনৰ সংযোগত জাতিৰ ইতিহাসৰ বিলুপ্ত হোৱা বহু তথ্য উদ্ধাৰ কৰিব পাৰি। সেয়েহে লোকবিদ্যা চিন্তাচৰ্চা আৰু গৱেষণাৰ প্ৰয়োজনীয়তাৰ নিতান্তই আৱশ্যক।

লোকসংস্কৃতি বিষয়ক গৱেষণা পদ্ধতিৰ ক্ষেত্ৰত নৃতত্ত্বসন্মত বৈজ্ঞানিক গৱেষণা পদ্ধতিৰ ক্ষেত্ৰানুসন্ধানমূলক পদ্ধতিয়েই প্ৰয়োগ কৰা হয়। লোকসংস্কৃতিৰ অনুশীলনত নৃতত্ত্বসন্মত বৈজ্ঞানিক গৱেষণা পদ্ধতিৰ দ্বাৰা সংগ্ৰহ-কৰ্ম নিয়াৰিকৈ কৰিব পাৰি। লোকসংস্কৃতিক গৱেষণাৰ ক্ষেত্ৰানুসন্ধান কৰ্মই জাতীয় উপাদানসমূহৰ সঠিক মূল্যায়ণ কৰাত সহায় কৰে। সেয়েহে প্ৰকৃত বাস্তৱ পটভূমিৰ পৰা লোকসংস্কৃতিৰ উপকৰণ আদিৰ সংগ্ৰহৰ মাজেৰে লোকসংস্কৃতিৰ চৰ্চাৰ গভীৰতা ব্যাপক কৰি তোলে। সেই কাৰণেই লোকসংস্কৃতিৰ বিষয়ত ক্ষেত্ৰানুসন্ধান কাৰ্য এক বিশেষ প্ৰণালী হিচাবে পৰিগণিত হৈছে আৰু লোকসংস্কৃতি চৰ্চা ক্ষেত্ৰতো সহায় কৰিছে। নিৰ্বাচিত স্থানত প্ৰত্যক্ষভাৱে উপস্থিত হৈ ক্ষেত্ৰানুসন্ধান কৰি তথ্য সংগ্ৰহ কৰাকে গৱেষণাৰ প্ৰধানতম পদ্ধতি বুলি বিবেচনা কৰা হয়।

সাধাৰণভাৱে লোকসংস্কৃতি অনুশীলনৰ ক্ষেত্ৰত ঐতিহ্য নিৰ্ভৰ বিষয়সমূহৰ সংগ্ৰহ, শ্ৰেণী বিভাজন আৰু বিচাৰ বিশ্লেষণৰ ওপৰতহে প্ৰাধান্য দিয়া হয়। সামগ্ৰিকভাৱে লোকসংস্কৃতি চৰ্চাৰ কৰ্ম প্ৰচেষ্টাত সংগ্ৰহ, সংৰক্ষণ, পঠন-পাঠন, গৱেষণা-অনুশীলন, বিচাৰ-বিশ্লেষণ, ক্ষেত্ৰানুসন্ধান, মূল্যায়ণ, প্ৰকাশন প্ৰভৃতি যাৱতীয় বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হয়। লোকসংস্কৃতিবিদসকলে ক্ষেত্ৰানুসন্ধানৰ সময়ত সংগ্ৰহ আৰু সংগৃহীত কৰা উপকৰণৰ ভিত্তিত লোকসংস্কৃতিৰ গতিপ্ৰকৃতিৰ নিৰ্ণয় কৰে আৰু সম্ভাৱনাময় প্ৰৱণতাবোৰ নিৰূপিত হয়। এই ক্ষেত্ৰত লোকসংস্কৃতিৰ লগত জৰিত সামাজিক, ঐতিহাসিক, সাংস্কৃতিক, নৃতাত্ত্বিক তাৎপৰ্যসমূহ উন্মোচিত কৰাত সহায়হৈ পৰে। লোকসংস্কৃতিৰ উদ্ভৱ আৰু বিকাশৰ লগতে তাৎপৰ্য অনুধাৱনৰ ক্ষেত্ৰত লোকসংস্কৃতিৰ লগত সামঞ্জস্য থকা বিভিন্ন বিষয়ৰ মূল্যায়ণৰ কাৰ্যত লোকসংস্কৃতিবিদ সকলৰ ভূমিকা আৰু বিষয়বস্তু চৰ্চাৰ কৰ্মপৰিধিক মূখ্যতঃ চাৰিটা ভাগত বিভক্ত কৰা হৈছে—

লোকসংস্কৃতি

ক্ষেত্ৰানুসন্ধান — তথ্যবিভাজন — সংৰক্ষণ-সংকলন — অনুশীলন

লোকসংস্কৃতি চৰ্চাৰ চতুৰ্থ পৰ্যায়ত অৰ্থাৎ অনুশীলনত লোকসংস্কৃতিৰ উপাদানউপকৰণৰ, বিচাৰ-বিশ্লেষণ তথা তাৎপৰ্য নিৰ্ণীত হয়। অৱশ্যে এই সকলোবোৰ ক্ষেত্ৰানুসন্ধানৰ তথ্যৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰকৃততে ক্ষেত্ৰানুসন্ধানলব্ধ তথ্যৰ ভিত্তিতেই লোকসংস্কৃতি চৰ্চাৰ তথ্য বিভাজন বা উপাদান সমূহৰ শ্ৰেণীবিন্যাস, সংকলন-সংৰক্ষণ কৰ্ম প্ৰভৃতি অনুষ্ঠিত হয় আৰু তেতিয়াই ক'ব পাৰি লোকসংস্কৃতিৰ বস্তুনিষ্ঠ অনুশীলন সাৰ্থক হৈছে।

ক্ষেত্ৰানুসন্ধানৰ সময়ত ক্ষেত্ৰ নিৰ্বাচন অতি গুৰুত্বপূৰ্ণ বিষয়। লোকসংস্কৃতি বিজ্ঞানৰ মতে য'ত স্বাভাৱিক স্বতঃস্ফুৰ্তৰূপে লোকসংস্কৃতিৰ উপকৰণবোৰ নিশ্চিত ৰূপে পোৱাৰ সম্ভাৱনা থাকে, তেনে ক্ষেত্ৰকে লোকসংস্কৃতিৰ উপযুক্ত কৰ্মক্ষেত্ৰ বুলি কোৱা হয়। লোকসংস্কৃতিৰ উপাদান সংগ্ৰহ কৰাৰ ক্ষেত্ৰত উপযুক্ত ক্ষেত্ৰভিত্তিক অনুসন্ধানে গৱেষণা কাৰ্যও সফল কৰে। লোকসংস্কৃতিৰ পঠন-পাঠন পদ্ধতিৰ কাৰণে ক্ষেত্ৰানুসন্ধান কৰ্ম, সংগ্ৰহ কৰ্মসমূহ নিৰ্দিষ্ট নিয়মৰ মাজেৰে বিজ্ঞানসন্মত পদ্ধতিৰে কৰিলেহে গৱেষণাৰ ন্যায় ফল পোৱা যায়। আধুনিক লোক-সংস্কৃতি বিজ্ঞানেও বৈজ্ঞানিক অনুশীলন প্ৰচেষ্টাৰ জৰিয়তে ক্ষেত্ৰানুসন্ধান কাৰ্যত বিভিন্ন পদ্ধতি প্ৰয়োগ কৰি আগবাঢ়িছে। সেয়েহে লোকসংস্কৃতিৰ অনুশীলনত বা গৱেষণাত ক্ষেত্ৰ গৱেষকৰ ভূমিকা গুৰুত্বপূৰ্ণ কাৰণ তেওঁৰ সংগৃহীত তথ্যাদিৰ ভিত্তিতেই তেওঁৰ গৱেষণাকৰ্ম পৰিচালিত হোৱাত প্ৰতিপন্ন হয়।

কোনো গৱেষণা কৰ্মত তথ্য বা উপাদান সংগ্ৰহ তথা 'ডাটা কালেকশ্বন' অন্যতম প্ৰাথমিক কৰ্তব্য। লোকসংস্কৃতিৰ তথ্য বা উপাদান উপকৰণ সংগ্ৰহৰ প্ৰকৃত স্থান নিৰ্ণয়ৰ ক্ষেত্ৰত সদায় সচেতন হোৱা আৱশ্যক। গৱেষণা ক্ষেত্ৰত লোকসংস্কৃতিৰ ক্ষেত্ৰ গৱেষক সকলে তথ্য সংগ্ৰহ কাৰ্য পৰিচালনা কৰিবৰ কাৰণে কিছুমান পদ্ধতি অনুসৰণ কৰিব লাগে আৰু ইয়াক লোকসংস্কৃতি গৱেষণা কাৰ্যত 'এথনোগ্ৰাফিক এ্যাপ্ৰোচ টু দি ফিল্ড' বোলা হয়। লোকসংস্কৃতিৰ ক্ষেত্ৰত জাতিতত্ব বা নৃতত্বমূলক ক্ষেত্ৰানুসন্ধান পদ্ধতি অৱলম্বন কৰিলেও গৱেষকে স্বকীয় বিষয়ত শৃংখলানুসৰি বিশিষ্ট পদ্ধতি অৱলম্বন কৰিহে আগবাঢ়িব লাগে, নহ'লে ক্ষেত্ৰানুসন্ধান কৰ্ম যথাযথ ভাৱে সাৰ্থক লাভ কৰিবলৈ সমৰ্থ নহ'ব।



লোকসংস্কৃতি অনুশীলনৰ ক্ষেত্ৰত কেৱল মাত্ৰ বাহ্যিক তত্বমূলক জ্ঞানেই যথেষ্ট নহয়। জাতিতত্ত্ব, সামাজিক, অৰ্থনৈতিক পৰিৱেশ, ঐতিহাসিক, ভৌগোলিক পটভূমি, প্ৰতিবেশ-পৰিৱেশ, শিক্ষা, ধৰ্ম, আচাৰ-ব্যৱহাৰ, জীৱন-যাপন পদ্ধতি ইত্যাদিৰ জ্ঞান আৰু জনাৰ আগ্ৰহ থকা আৱশ্যক। লোকজীৱনৰ বাস্তৱ পৰিচয় পাবলৈ হ'লে লোকসংস্কৃতিৰ গৱেষকে ক্ষেত্ৰানুসন্ধান কৰিবই লাগিব। সেয়েহে লোকসংস্কৃতি চৰ্চাৰ সাৰ্থকতাৰ অন্যতম প্ৰধান আৰু প্ৰাথমিক চৰ্ত হিচাবে ক্ষেত্ৰানুসন্ধান কৰ্ম বা 'ফিল্ড্ ওৱাৰ্ক' বিবেচিত হৈছে। আধুনিক লোকসংস্কৃতি বিজ্ঞানৰ মতে গ্ৰন্থাগাৰ, গৱেষণা কক্ষ বা পঢ়াৰ টেবুলতে বহি কাম কৰি বা বক্তৃতা-গ্ৰন্থ-ৰেকৰ্ড নিৰ্ভৰ জ্ঞান আহৰণ কৰি গৱেষণাৰ কাম কৰিলে প্ৰকৃত লোক-সংস্কৃতিবিদৰূপে পৰিগণিত হ'ব নোৱাৰে। প্ৰকৃত জ্ঞান ক্ষেত্ৰানুসন্ধানৰ কৰ্মৰ অভিজ্ঞতাৰ দ্বাৰাহে আৰ্জিত হয় আৰু তেতিয়াই ক'ব পাৰি লোকসংস্কৃতি বিজ্ঞানৰ প্ৰকৃত গৱেষক বুলি।

লোকসংস্কৃতি বিজ্ঞান লোকসংস্কৃতি সম্পৰ্কিত ক্ষেত্ৰানুসন্ধান কাৰ্যক প্ৰধানতঃ চাৰিটা ভাগত ভাগ কৰা হয়। যেনে—

ক্ষেত্ৰানুসন্ধান

প্ৰাৰম্ভিক কাৰ্য — পূৰ্বপ্ৰস্তুতি — প্ৰত্যক্ষ ক্ষেত্ৰ সমীক্ষা — পৰৱৰ্তী অনুশীলন

উক্ত চাৰিটা বিভাগ অনুসাৰে ক্ষেত্ৰানুসন্ধান কাৰ্যত লোকসংস্কৃতিৰ গৱেষণা কৰ্মীয়ে গৱেষণা প্ৰস্তুত কৰিব পাৰে প্ৰধান চাৰিটা জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি। যেনে—

ক) লোকসংস্কৃতি বিষয়ক সাধাৰণ তত্বমূলক জ্ঞান।

খ) অনুসন্ধেয় বিষয়গত জ্ঞান।

গ) সংশ্লিষ্ট অনুসন্ধান ক্ষেত্ৰ সম্পৰ্কিত আঞ্চলিক জ্ঞান আৰু

ঘ) প্ৰত্যক্ষ ক্ষেত্ৰ গৱেষণা সংক্ৰান্ত পদ্ধতি বিদ্যাগত জ্ঞান।

লোকসংস্কৃতিৰ ক্ষেত্ৰানুসন্ধানৰ কাৰ্যত অংশ গ্ৰহণৰ দিশত এজন গৱেষক বা সমবেত ভাৱেও কাৰ্যত উপবিষ্ট হ'ব পাৰে। গোষ্ঠী বা সমবেত গৱেষণাৰ সফলতাৰ ওপৰত দৃষ্টি ৰাখি গৱেষণাৰ চাৰিটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰিব পাৰি আৰু এই চাৰিটা বৈশিষ্ট্যৰ প্ৰতি গুৰুত্ব দিয়া প্ৰয়োজন। যেনে—

১) অনুশীলনৰ প্ৰকল্প, পৰিধি, লক্ষ্য সম্পৰ্কে সমৰূপ উপলব্ধি।

২) বিষয়বস্তু তথা তথ্যৰ শ্ৰেণী-উপশ্ৰেণী বিষয়ক সামঞ্জস্যপূৰ্ণ প্ৰচেষ্টা।

৩) অনুশীলন তথা বিশ্লেষণ পদ্ধতি সম্পৰ্কিত ঐক্যমত আৰু পাৰস্পৰিক সহযোগিতা।

৪) অংশ গ্ৰহণকাৰী সকলৰ মাজত বিষয়বস্তু আৰু পদ্ধতি সম্পৰ্কিত বুজাপৰা।

উক্ত চাৰিবিধ বিষয়ৰ সমন্বয়তে সমবেত ক্ষেত্ৰ গৱেষণাই সাফল্য লাভ কৰে।

ক্ষেত্ৰানুসন্ধান কাৰ্যত যথাযথ পৰিচালনাৰ কাৰণে সমগ্ৰ কৰ্মধাৰকে কেবাটাও পৰ্বত বিভক্ত কৰা হয়।

প্ৰাৰম্ভিক পৰ্ব ঃ ইয়াৰ লগত সাধাৰণ বিষয়গত পৰিচয়, অনুসন্ধানৰ মূল তালিকা প্ৰণয়ন, বিশেষ স্থান বা অঞ্চল নিৰ্বাচনত জৰিত থাকে।

যাত্ৰাৰ পূৰ্ব প্ৰস্তুতি পৰ্ব ঃ ইয়াৰ লগত সংযোজিত কৰিব পাৰি তত্বগত প্ৰস্তুতি অৰ্থাৎ বিষয়জ্ঞান, গন্তব্য স্থানৰ সামাজিক, অৰ্থনৈতিক তথা ঐতিহাসিক, ভৌগোলিক পৰিচয়। ইয়াৰ লগতে বস্তুগত প্ৰস্তুতি অৰ্থাৎ প্ৰয়োজনীয় গ্ৰন্থ-পত্ৰ-পত্ৰিকা, স্থানীয় মানচিত্ৰ, কেমেৰা, টেপ ৰেকৰ্ডাৰ, ফিল্ম, টৰ্চ আৰু ঔষধ ইত্যাদি।

প্ৰাথমিক উপস্থিতি ঃ ইয়াৰ লগত জৰিত কৰিব পাৰি ক্ষেত্ৰ অৱস্থানত উপস্থিত হৈ স্থানীয় অধিবাসীৰ লগত সম্প্ৰীতিমূলক সংযোগ স্থাপন কৰা কাৰ্যক।

প্ৰত্যক্ষ ক্ষেত্ৰানুসন্ধান পৰ্ব ঃ এই পৰ্বৰ লগত উপযুক্ত স্থানীয় সহায়ক নিৰ্বাচন, স্থানীয় আঞ্চলিক মানচিত্ৰ অঙ্কন, স্থানীয় ইতিহাস তথা গাৱঁৰ ইতিহাস, প্ৰাথমিক গণনা ইত্যাদি জৰিত হৈ পৰে।

উদ্দেশ্যমূখী সুপৰিকল্পিত কৰ্মপৰিচালনা পৰ্ব ঃ এই পৰ্বৰ লগত তথ্যাদি সংগ্ৰহ, উপাদানৰ শ্ৰেণীবদ্ধ, লিপিবদ্ধ কৰাৰ লগতে সংশ্লিষ্ট বিষয়ৰ মন্তব্য প্ৰদান কৰা হয়।

ক্ষেত্ৰাভিজ্ঞতাৰ পৰ্ব ঃ এই পৰ্বত ক্ষেত্ৰকৰ্ম তথা সংগৃহীত তথ্যৰ বিৱৰণ, ক্ষেত্ৰানুসন্ধানৰ সুবিধা-অসুবিধা, ৰাস্তা-পদুলি, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিস্থিতি, স্থানীয় সহযোগিতা তথা অসহযোগিতা, তথ্যাদি সংগ্ৰহত সুবিধা-অসুবিধাৰ লগতে বিভিন্ন মতামত সন্নিবিষ্ট কৰিব পাৰি।

প্ৰকৃতাৰ্থত লোকসংস্কৃতি বিজ্ঞানৰ গৱেষণা কাৰ্যৰ মৌলিকতা, সাৰ্থকতা, প্ৰামাণিকতা তথা বিশুদ্ধতা আদি বহুলভাৱে নিৰ্ভৰ কৰে যথাযথ ক্ষেত্ৰানুসন্ধান পদ্ধতিৰ প্ৰয়োগ বা অনুসৰণৰ ওপৰত। সেয়েহে ক্ষেত্ৰ গৱেষণা সম্পৰ্কিত পদ্ধতিৰ



সহায়ত সত্যনিষ্ঠ তথা নিৰপেক্ষভাৱে ক্ষেত্ৰানুসন্ধান কৰ্ম পৰিচালনা কৰা প্ৰয়োজন। সামগ্ৰিক বিচাৰৰ পৰা দেখা যায় লোকসংস্কৃতিৰ ক্ষেত্ৰানুসন্ধান সম্পৰ্কৰ তত্ত্ব তথা পদ্ধতিবিদ্যা একান্তভাৱেই লোকসংস্কৃতি শাস্ত্ৰৰ অনুগামী আৰু ক্ষেত্ৰানুসন্ধানৰ পদ্ধতি সুলভ বিদ্যাগত জ্ঞান, তাৰ গৱেষণা কৰ্মৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে লোকসংস্কৃতি বিজ্ঞানৰ গৱেষণা কাৰ্যত ক্ষেত্ৰানুসন্ধান পদ্ধতিগত শিক্ষাৰ স্থান শ্ৰেষ্ঠ হিচাবে পৰিগণিত হৈছে।

---

**প্ৰসঙ্গপুথি ঃ**


১। গোস্বামী, প্ৰফুল্লদত্ত ঃ অসমীয়া জন সাহিত্য।

২। গোস্বামী, ভৃগুমোহন ঃ সংস্কৃতি ঃ কৃষ্টি জনকৃষ্টি আৰু অন্যান্য।

৩। বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমৰ লোক-সংস্কৃতি।

৪। শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস।

৫। চট্টোপাধ্যায়, তুষাৰ ঃ লোক-সংস্কৃতিৰ তত্বৰূপ ও স্বৰূপ সন্ধান।

৬। আহমদ, ওয়াকিল ঃ বাংলাৰ লোক-সংস্কৃতি।

৭। নায়ক, জীৱেশ ঃ লোক-সংস্কৃতি পৰিকচয়।

৮। চৌধুৰী, দুলাল ঃ লোক-সংস্কৃতি সমীক্ষাৰ পদ্ধতি।

৯। Dorson., Richard M. (Ed.) : Folklore and Folklife : An Introduction.

# গৱেষণা ঃ তুলনাত্মক অধ্যয়ন

**ড° পৰাগ কুমাৰ ভট্টাচাৰ্য**

জ্ঞানৰ অন্বেষণেই হ'ল গৱেষণা। নতুন সত্য উদ্‌ঘাটনৰ সযত্ন সন্ধান গৱেষণাৰ মাজত নিহিত থকাৰ কথা উল্লেখ কৰি (The advance Learner's Dictionary ত কোৱা হৈছে —

a careful investigation or inquiry specially thought search for new facts in any branches of knowledge.

(The advance Learner's Dictionary 1952 P.1069)

Redman আৰু Mory য়েও গৱেষণাৰ লগত সংযুক্ত এই সত্যটোলৈ আঙুলিয়াই দি কৈছে যে গৱেষণাৰ লক্ষ্য হ'ল নতুন জ্ঞান লাভৰ এক পদ্ধতিগত প্ৰয়াস স্বৰূপ।

'a systematized effort to gain new knowledge

( L.V. Redman and A.V.H. Mory 'The Romance of Research 1923 P.10)

গৱেষণা আচলতে এটা আৱিস্কাৰৰ কাৰণে কৰা যাত্ৰা স্বৰূপ। যেতিয়া অপৰিচিতৰ স'তে আমাৰ মুখামুখি হয় আমি বিস্ময়াভূত হওঁ আৰু ইয়ে আমাক নজনাক জনাৰ ৰহস্য উন্মুক্ত কৰাৰ বাবে অনুপ্ৰাণিত কৰে। এই অনুসন্ধিৎসাই হ'ল সকলো জ্ঞানৰ উৎস। সেইফালৰ পৰা ই এক প্ৰকাৰ সত্যানুসন্ধানৰ যাত্ৰা। অধ্যয়ন, নীৰিক্ষণ, তুলনা, পৰীক্ষা আদি ইয়াৰ লগত সম্পৃক্ত হৈ থাকে।

গৱেষণাৰ লক্ষ্য হ'ল বৈজ্ঞানিক পদ্ধতিৰে সকলো প্ৰশ্নৰ উত্তৰ বিচৰা। যি সত্য লুকাই থাকে আৰু যি এতিয়ালৈ উদ্‌ঘাটিত হোৱা নাই তাৰ বিচাৰেই হ'ল গৱেষণাৰ লক্ষ্য। এই লক্ষ্যবোৰ এনে ধৰণৰ —

বিষয় এটাৰ লগত পৰিচিত হোৱাৰ লগতে সেই বিষয়ে অন্তদৃষ্টি লাভ কৰা,



ইয়াক কোৱা হয় আৱিস্কাৰ মূলক গৱেষণা exploratory বা formative research studies.

কোনো এটা চৰিত্ৰ পৰিৱেশ বা গোষ্ঠীৰ বিষয় যথাযথ বৰ্ণনামূলক গৱেষণাই হ'ল বৰ্ণনাত্মক গৱেষণা Descriptive research studies.

এটা ঘটনা সময় আৰু ইয়াৰ লগত জড়িত বিষয়ৰ অধ্যয়নেই হ'ল নিদানমূলক গৱেষণা diagnostic research studies.

তেনেদৰে কোনো এটা অনুমানৰ পৰীক্ষাৰ গৱেষণাই হ'ল অনুমানমূলক গৱেষণা hypothesis-testing research studies.

গৱেষণা প্ৰণালী method আৰু প্ৰাণালীবদ্ধতা methololgy সম্পৰ্কে গৱেষকৰ সম্পূৰ্ণ জ্ঞান থকা দৰকাৰ। গৱেষণাৰ বাবে গ্ৰহণ কৰা নীতি আৰু কৌশলেই হ'ল গৱেষণা প্ৰণালী। পুথিভঁৰালৰ পৰা টোকা সংগ্ৰহ, ঐতিহাসিক তথ্যৰ বিশ্লেষণ আৰু প্ৰমাণিত তথ্য আদি ইয়ে সামৰি লয়। লগতে বিষয়বস্তুৰ বিশ্লেষণৰ বিষয়ে নোট কৰা, কথাছবি বা টেপৰেপৰ দ্বাৰা সহায় লোৱা পৰিসংখ্যামূলক তথ্যৰ গ্ৰহণ আদি ইয়াৰ ভিতৰুৱা। ইয়াৰ বাহিৰেও তেওঁ যি পদ্ধতিবোৰ গৱেষণাৰ সময়ত গ্ৰহণ কৰে সেইবোৰেই গৱেষণা প্ৰণালী। গৱেষণাৰ প্ৰণালীবদ্ধতা হ'ল — পদ্ধতিগত ভাৱে সমস্যাটো অনুধাৱন। তেওঁ প্ৰয়োগ কৰা প্ৰতিটো প্ৰাণালীৰ যুক্তিযুক্ততা প্ৰাসঙ্গিকতা সম্পৰ্কেও তেওঁ সচেতন হ'ব লাগে। এনেদৰে কোন কোন নিয়ম কোনে কোন বিষয় বা প্ৰসঙ্গৰ বাবে উপযোগী তাৰ অৱগতিও এই প্ৰাণালীবদ্ধতাৰ ভিতৰত। পৰে গৱেষণা প্ৰণালীবদ্ধতাৰ methololgy ৰ বিভিন্ন দিশ আছে আৰু তাৰ ভিতৰত গৱেষণ প্ৰাণালীও এটা। এই প্ৰসঙ্গত C.R Kothari য়ে Research methololgy গ্ৰন্থত কৈছে — When we talk of research methololgy we not only talk of the research methods but also consider the logic behind the method we use in the context of our research study and explain why we are using a particular method or technique and why we are not using others so that research results are capable of being evaluated either by the researcher himself or by other.

(C.R Kothari : Research methodology : methods and techniques, second edition 1947 P.11.)

গৱেষণা প্ৰাণালীবদ্ধতাৰ মাজলৈ আনিবলৈ হ'লে পাঠৰ বিশ্লেষণ, উৎকলন, পাদটীকা সংস্থাপন, গ্ৰন্থপঞ্জী প্ৰণয়ন আদি দিশলৈও চকু কৰিব লাগিব।

গৱেষণাৰ ধৰণো দুই প্ৰকাৰৰ। এবিধ হ'ল তথ্যৰ সংগ্ৰহ আৰু বিশ্লেষণ। এই

গৱেষণাত পৰীক্ষা নিৰ্ভৰ অধ্যয়নৰ বাবে পুথিগত তথ্য গভীৰ বিশ্লেষণ প্ৰয়োজন। পৰীক্ষা নিৰ্ভৰ গৱেষণাৰ বাবে বহু সময়ত ক্ষেত্ৰ সমীক্ষণৰ প্ৰয়োজন হৈ পৰে। আনহাতে, আনবিধত লাগে পুথিভঁৰালত জ্ঞানৰ অন্বেষণ। সাহিত্য সংক্ৰান্ত গৱেষণা মূলত দ্বিতীয় ধৰণৰ। এটা বিষয় বাচি লৈ তাক গ্ৰন্থ অধ্যয়নৰ যোগেদি এটা সিদ্ধান্তত উপনীত হোৱাই ইয়াৰ লক্ষ্য। এই ধৰণৰ গৱেষণাৰ বিষয়টো এনেধৰণৰ হ'ব লাগে যাতে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কামখিনি সম্পন্ন হোৱাকৈ এটা পৰিমিত পৰিসৰৰ ভিতৰত ই সম্পন্ন হয়। বিষয় নিৰ্বাচন কৰোতে চাবলগীয়া আন এটি দিশ হ'ল যাতে আগতে কোনোৱে এই দিশত গৱেষণা কৰা নাই। অৱশ্যে গৱেষণা গ্ৰন্থখনৰ সংশ্লিষ্ট দৃষ্টিকোণটো বেলেগ হ'লে বিষয়টোৰ মাজত সাদৃশ্য থাকিব পাৰে। এজন লেখকৰ নাটক বা উপন্যাসৰ বিভিন্ন দিশৰ ওপৰত গৱেষণা হ'ব পাৰে গতিকে এজন লিখকৰ কোনোবাই যদি উপন্যাসখিনিৰ ওপৰত গৱেষণা কৰিছে আন এজনে নাটকৰ ওপৰত কৰাত বাধা নেথাকে। নাইবা নাটক বা উপন্যাসৰো বিভিন্ন দিশ ল'ব পাৰে কিন্তু ইয়াত চাবলগীয়া কথাটো হ'ল গৱেষণাৰ পাঠটো যাতে এটা দীঘলীয়া প্ৰৱন্ধৰ সমান নহৈ এখন গ্ৰন্থৰ আকাৰত হয়। গতিকে বিষয়ৰ ব্যপকতা এফালে যেনেকৈ বৰ্জনীয় তেনেকৈ অতি কম পৰিসৰৰ বিষয় লৈও গৱেষণা কৰাটো সমীচিন নহ'ব। সি স্বীকৃত পাঠৰূপে পৰিগণিত নহ'ব।

অধ্যয়নৰ ফালৰ পৰা গৱেষণাৰ দুটা দিশ। এটা হ'ল উদ্‌ঘাটনমূলক আৰু আনটো ব্যাখ্যামূলক। তথ্যক্ষেত্ৰ সমীক্ষাৰ যোগেদি তথ্যৰ সংগ্ৰহ আৰু সেইবোৰ সম্পৰীক্ষাই হ'ল উদ্‌ঘাটনমূলক পদ্ধতি আৰু বিক্ষিপ্ত তথ্যাৱলীক কিছুমান ঐক্য সূত্ৰেৰে ইয়াত সু-সংবদ্ধ কৰি লোৱা হয়। বিচ্ছিন্ন বা বিক্ষিপ্ত তথ্যসমূহক সৰ্বজনগ্ৰাহ্য তত্ত্বকথাৰ পোহৰত বিচাৰ-বিশ্লেষণ দাঙি ধৰাই ইয়াৰ উদ্দেশ্য। ই মুখ্যত সাহিত্যৰ গৱেষণাৰ ক্ষেত্ৰত প্ৰযোজ্য যদিও ভাষা বা সংস্কৃতিৰ ক্ষেত্ৰতো এই প্ৰাণালীৰ আশ্ৰয় লোৱা হয়।

ব্যাখ্যামূলক পদ্ধতিৰ অন্তৰ্গত হ'ল ঐতিহাসিক ধাৰানুৱৰ্তী আৰু তুলনাত্মক পদ্ধতি। প্ৰথম বিধত আপাত বিচ্ছিন্ন তথ্যসমূহক সু-সংবদ্ধ ৰূপত ব্যাখ্যা কৰাৰ চেষ্টা কৰা হয় আৰু তুলনামূলক অধ্যায়ত দুজন প্ৰতিভাশালী লেখক বা পাঠৰ তুলনাত্মক অধ্যয়ন দাঙি ধৰা হয়। তুলনাত্মক অধ্যয়ন বা গৱেষণা কৰিবলৈ বিদেশী সাহিত্যৰ এটা বা পাঠ বা লেখক বা সাহিত্য আন্দোলন নিৰ্বাচন কৰি লোৱাৰ লগতে এইটো চাব লাগিব যিজনৰ সাহিত্য কৰ্মৰ লগত তুলনা কৰা হ'ব তাৰ লগত তুলনীয়ৰ কিমানখিনি মিল আছে। জ্যোতিপ্ৰসাদৰ নাটকত বাস্তৱবাদী নাটকৰ প্ৰভাবৰ বিষয়ে আলোচনা



কৰিব নে মেটাৰলিংকৰ নাটকৰ লগত তুলনা কৰিব সেইটো বিষয়ৰ পৰিসৰৰ ওপৰত নিৰ্ভৰ কৰিব। জ্যোতিপ্ৰসাদৰ নাটকত মনাভান্নাৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে আলোচনাৰ পৰিসৰ চমু হ'ব। আনহাতে, ইবচেনীয় শৈলীৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিলেহে ফলপ্ৰসু হ'ব। তাকে কৰিবলৈ যাওঁতে আকৌ ইবচেনৰ বাস্তৱবাদী নাট্য আন্দোলনৰ বিষয় খৰছি মাৰি জানিব লাগিব। সেই আন্দোলন সম্পৰ্কে অবগত হ'লেহে তেওঁক নাটকৰ অন্তৰ্নিহিত তাৎপৰ্যসমূহ ধাৰণ কৰিব পাৰিব আৰু অসমীয়া নাট্যকাৰক ই কেনেদৰে প্ৰভাৱিত কৰিছে সেয়াও স্পষ্ট হৈ পৰিব। ঠিক তেনেকৈ ভাৰতীয় সাহিত্যৰ মাজতো তুলনাত্মক অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। ৰবীন্দ্ৰনাথৰ উপনিষদৰ চিন্তা অসমীয়া কবিসকলৰ ওপৰত কেনেকৈ পৰিছে নাইবা তেওঁৰ ৰাজনৈতিক দৰ্শনৰ প্ৰভাৱ অসমীয়া উপন্যাসত পৰিছে নেকি তাক বিচাৰ কৰি চোৱাৰ অৱকাশ আছে। গতিকে দিশী বা বিদেশী উভয় সাহিত্যৰে তুলনাত্মক অধ্যয়ন হ'ব পাৰে। সাহিত্যৰ তেনে দিশবোৰ বাছি লৈ কামত আগবাঢ়িব লাগিব। এই ক্ষেত্ৰত প্ৰভাৱৰ কথাটোও আহি পৰে। এজন লেখকৰ ওপৰত আন এজন লেখকৰ প্ৰভাৱো আলোচনা কৰিব পাৰি। ইয়ো এক প্ৰকাৰ তুলনাত্মক অধ্যয়নৰ দৰে। ইয়াতো দুইজন লেখকৰে সৃষ্টিকৰ্মৰ বিষয়ে পুংখানুপুংখ অধ্যয়নৰ যোগেদি প্ৰভাৱৰ ধাৰণাটো সঠিক কৰি ল'ব লাগিব।

সাধাৰণতে বিষয়টোক আৰু বেছি পৰিস্কাৰ কৰিবলৈ সেই ধৰণৰ গৱেষণা গ্ৰন্থ অধ্যয়ন কৰাটো আৱশ্যক। কিন্তু তুলনাত্মক বা প্ৰভাৱমূলক অধ্যয়নৰ গৱেষণাৰ ক্ষেত্ৰত এটা মন কৰিবলগীয়া কথা হ'ল যে অসমীয়াত এই বিষয়ত বিশেষ গৱেষণা গ্ৰন্থ পোৱাটো সহজ নহয়। যিহেতু এই দিশত গৱেষকজনে প্ৰথম বাটকতীয়া স্বৰূপ হ'ব লাগিব সেই কাৰণে তেওঁ সেই ধৰণৰ গ্ৰন্থপাতি ভালদৰে অধ্যয়ন কৰি নিজস্ব ধাৰণা এটা গঢ়ি ল'ব লাগিব। এই ক্ষেত্ৰত তেওঁৰ আনটো অৱলম্বন হ'ব গৱেষণাৰ তদাৰক কৰোতাজন। গতিকে তদাৰক কৰোতাজনৰো এই দুই সাহিত্যৰ ওপৰত দখল থকা দৰকাৰ। গৱেষকে তেনেধৰণৰ তদাৰকৰ লগতে এই দিশত কাম কৰা কাৰণে আগবাঢ়িব লাগে।

মূল তথ্য টোকা গ্ৰহণৰ লগতে পাদটীকা আৰু উৎপাতনবোৰৰ সম্পৰ্কেও কিছু কথা জনা দৰকাৰ। মূল পাঠৰ টীকাটিপ্পনী সংশ্লিষ্ট পাঠৰ লগত সন্নিৱিষ্ট কৰা হয়। মূল পাঠৰ ধাৰাবাহিকতা ক্ষুণ্ণ নকৰিবলৈ বিভিন্ন প্ৰসংগক পাদটীকালৈ লৈ যাব পাৰি। লগতে কি গ্ৰন্থৰ পৰা কথাখিনি উদ্ধৃত কৰিলে তাৰ বিষয়েও পাদটীকাত সন্নিৱিষ্ট হয়। পাদটীকাত লিখকজনৰ নাম দিওঁতে কোনো বিদ্যায়তনিক উপাধি সন্নিৱিষ্ট কৰিব

নালাগে। গ্ৰন্থ হ'লে গ্ৰন্থৰ নাম, গ্ৰন্থৰ চন, পৃষ্ঠা উল্লেখ কৰিব লাগে। প্ৰবন্ধ হ'লে দুইফালে দুটা উৰ্দ্ধকমা দি প্ৰবন্ধৰ নাম উল্লেখ কৰি সংশ্লিষ্ট গ্ৰন্থৰ নাম উল্লেখ কৰিব লাগে। আলোচনী হ'লে বৰ্ষ সংখ্যা আৰু প্ৰকাশ সংখ্যা আৰু প্ৰকাশকালৰ উল্লেখ কৰিব লাগে। সম্পাদকৰ দ্বাৰা সম্পাদিত হ'লে বন্ধনীৰ ভিতৰত সম্পা. বুলি উল্লেখ কৰিব লাগে সম্পাদকৰ নামৰ পিছত। ইংৰাজী গ্ৰন্থৰ পৰা উল্লেখ কৰিলে আটাইখিনি কথা ইংৰাজীত লিখা দৰকাৰ। অনুবাদ কৰি দিয়াৰ দৰকাৰ নাই। প্ৰকাশকৰ নাম-ধাম, প্ৰকাশ কাল আদিৰ কোনোবা এটা উল্লেখ নাথাকিলেও পাদটীকা অসম্পূৰ্ণ নহয়। পাদটীকাত আগৰ টীকাটোত লিখকৰ নাম উল্লেখ থাকিলে তলৰ নিকটবৰ্তী টোকাত তেওঁৰ নাম নিদি তদীয় বুলি উল্লেখ কৰিব পাৰি। একে গ্ৰন্থ হ'লে প্ৰাগুক্ত গ্ৰন্থ বুলি উল্লেখ থকা দৰকাৰ। কেতিয়াবা তুলনীয় বক্তব্য থাকিলে তুল শব্দটো আগত দি দুয়োটা বক্তব্যই উল্লেখ কৰিব লাগে।

উৎকলনৰ ক্ষেত্ৰতো চাবলগীয়া কথাটো হ'ল এইবোৰ যাতে বেছি দীঘলীয় আৰু বহুলভাৱে প্ৰয়োগ কৰা নহয়। তেনে কৰিলে গৱেষকৰ নিজস্ব ধাৰণা প্ৰকাশ নাপায় অন্যৰ ধাৰণাৰ সমাগমহে বেছি হয়। নিজে কোৱা কথাখিনি বেছি বিশ্বাসযোগ্য হ'বৰ কাৰণেহে উদ্ধৃতিৰ বিশেষ প্ৰয়োজন। তদুপৰি কবিতাৰ দীঘলীয়া লাইন, নাটকৰ উক্তি-প্ৰত্যুক্তি আদিৰ সঘন প্ৰয়োগেৰে গৱেষণা গ্ৰন্থখন দীঘলীয়া কৰাৰ প্ৰয়োজন নাই।

এখন ভাল গ্ৰন্থপঞ্জীও গৱেষকৰ আন্তৰিকতা আৰু অধ্যয়নৰ ব্যাপকতাৰ নমুনা দাঙি দৰে। সেই কাৰণে তেওঁ গন্থপঞ্জীখন প্ৰণয়ন কৰোতে বিশেষভাৱে মনোনিৱেশ কৰিব লাগে। দুয়োবিধ সাহিত্যৰে মূল পাঠ আৰু প্ৰসঙ্গ পুথিবোৰ যুগুতাই লৈ এখন গ্ৰন্থপঞ্জী তৈয়াৰ কৰিবলৈ তেওঁ সচেষ্ট হ'ব লাগে। তুলনীয় সাহিত্যৰ গুৰুত্বপূৰ্ণ পুথিবোৰ তেওঁ প্ৰথমে সংগ্ৰহ কৰিব লাগে। লাইব্ৰেৰীত সেই ধৰণৰ গ্ৰন্থবোৰ অধ্যয়ন কৰোতে সেইবিলাকৰ বিষয়ে নোট কৰিব লাগে। ইয়াত থাকিব লাগিব লিখকৰ নাম, গ্ৰন্থৰ নাম, প্ৰকাশৰ স্থান, সংস্কৰণৰ নাম, প্ৰকাশ কাল আৰু যিখিনি কথা তেওঁ সেই গ্ৰন্থখনৰ পৰা টোকা প্ৰস্তুত কৰে সেইটো পৃষ্ঠা সংখ্যাটো উল্লেখ কৰা দৰকাৰ। গ্ৰন্থপঞ্জী তৈয়াৰ কৰাৰ সময়ত প্ৰত্যেক ভাষাৰ গ্ৰন্থবোৰ বৰ্ণানুক্ৰমে সজাব লাগে। অৰ্থাৎ অসমীয়া গ্ৰন্থখিনিৰ পিছতহে ইংৰাজীখিনি আহিব। সাধাৰণতে গ্ৰন্থকাৰৰ উপাধিটো প্ৰথমে দিয়া ভাল। বৰ্ণানুক্ৰমিক বৰ্ণনাত ইয়ে গৱেষকক সহায় কৰিব। গৱেষণাৰ উদ্দেশ্য, লক্ষ্য, অনুমান ইয়াৰ আগত এনেধৰণৰ কাম কিমান হৈছে তাৰ লেখ অৱতৰণিকাত দাঙি ধৰি উপসংহাৰত গৱেষণাৰ অন্তত তেওঁ কি পালে আৰু কি সিদ্ধান্তত উপনীত হ'ল



তাৰ সম্যক আভাস দিব পাৰিলে ই এখন সম্পূৰ্ণ গৱেষণা গ্ৰন্থত পৰিণত হ'ব বুলি ক'ব পাৰি। গৱেষণাৰ সাফল্য আৰু কেইটামান কথাৰ ওপৰত নিৰ্ভৰ কৰে। গৱেষকে যুক্তিনিষ্ঠতা, প্ৰয়োগ সিদ্ধতা আৰু আদৰ্শ যুক্ততাৰে সত্যক প্ৰতিস্থাপিত কৰিব পাৰিব লাগিব। লগতে ভাল গৱেষণাৰ বাবে কেইটামান গুৰুত্বপূৰ্ণ দিশলৈ গৱেষকে মন কৰিব লাগে। গৱেষণাৰ উদ্দেশ্য গৱেষণা গ্ৰন্থত স্পষ্টভাৱে বৰ্ণনা কৰিব লাগে আৰু সাধাৰণ ধাৰণাবোৰকো গ্ৰহণ কৰিব লাগে, গৱেষণাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদ্ধতিৰ বিষয়ে পুংখানুপুংখভাৱে বিশ্লেষণ কৰি দেখুৱাব লাগে যাতে পৰৱৰ্তী গৱেষকে এই দিশত গৱেষণা কৰিবলৈ ল'লে তেওঁৰ আগুৱাই যোৱাত সহায় হয়, তেওঁৰ ভু-ত্ৰুটি সম্পৰ্কে স্পষ্ট ধাৰণা লৈ তাক প্ৰকাশ কৰিব লাগে, তথ্যবোৰ বিশ্লেষণ পদ্ধতিৰে সত্যক সমপূৰ্ণ ৰূপে উদ্‌ঘাতিত কৰাত ব্ৰতী হ'ব লাগে বিশ্লেণৰ পদ্ধতি উপযুক্ত হ'ব লাগে। তথ্যবোৰৰ যুক্তিযুক্ততা আৰু নিৰ্ভৰশীলতাৰে উপস্থাপিত কৰা হ'ব লাগে, মূল সিদ্ধান্তটো নায্যপূৰ্ণ তথ্যৰ ভেটিত প্ৰতিস্থাপিত হ'ব লাগে, গৱেষকজন মূলত সততাৰ অধিকাৰী হ'ব লাগে। লগতে অভিজ্ঞতা আৰু অধ্যয়নপুষ্টতাৰ প্ৰতি সচেতন হ'ব লাগে। গৱেষণা আৰু গৱেষকৰ এনে সমন্বয়ৰ যোগেদিহে এখন উৎকৃষ্ট গৱেষণা গ্ৰন্থ ৰচিত হ'ব পাৰে।

# টাইপ আৰু মোটিফ পদ্ধতিৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাৰ এটি গল্পৰ বিশ্লেষণ

**ড° দ্বিজেন্দ্ৰ নাথ ভকত**

পৃথিৱীৰ বিভিন্ন সংস্কৃতিৰ সাধুকথাবোৰৰ চৰিত্ৰ আৰু উপকৰণ বিশ্লেষণ কৰি ফিনলেণ্ডৰ পণ্ডিত এন্টি আৰ্ণে আৰু আমেৰিকাৰ পণ্ডিত ষ্টিথ থমছন 'টাইপ' আৰু 'মোটিফ' বুলি দুইধৰণৰ বৰ্গীকৰণ পদ্ধতিৰ বিন্যাস কৰিছিল। 'টাইপ' হ'ল কোনো সাধুকথাৰ কাঠামোগত বৈশিষ্ট্য নিৰ্ধাৰণ কৰাৰ বাবে গ্ৰহণ কৰা এটি সুশৃঙ্খল পদ্ধতি অবলম্বনৰ উপকৰণ। এটি ছকৰ দ্বাৰা কৰা এনেধৰণৰ কাহিনীৰ অজস্ৰ ৰূপান্তৰ বা পাঠান্তৰ বিভিন্ন দেশতে পোৱা যায়, এয়ে হ'ল আৰ্ণেৰ নিৰ্দেশত 'টাইপ' আৰু যিবোৰ উপকৰণ দি 'টাইপ' গঠন হয় সেয়ে হ'ল 'মোটিফ' এই মোটিফবোৰ সাধুৰ ক্ষুদ্ৰতম ভগ্নাংশ, এইবোৰৰ দেশকাল নিৰপেক্ষ কিছুমান অনুলক্ষণ যাৰ ভিতৰত কিছুপৰিমাণে অসাধাৰণত্ব থাকিব লাগিব। যেনে— 'খোজকাঢ়ি যোৱা' এয়া কোনো 'মোটিফ' নহয় কিন্তু 'অদৃশ্য হৈ খোজ কাঢ়ি যোৱা' এটি মোটিফ। আজিলৈকে আৰ্ণে আৰু থমছনৰ সূচীমতে প্ৰায় আঢ়ৈ হাজাৰ 'টাইপ' আৰু পঁচিশ হাজাৰ 'মোটিফ' নিৰ্দ্দেশ কৰা হৈছে। এই সংখ্যা ইচ্ছামতে আৰু বঢ়াব পাৰি। থমছনে নিৰ্দ্দেশ দিছে যে যিমানে ন ন সংস্কৃতি বলয়ৰ সাধু সংকলিত আৰু বিশ্লেষণ কৰা হ'ব যিমানেই টাইপ মোটিফৰ অভিনব বৈচিত্ৰ্যও বাঢ়িব। কিন্তু তাত মূল থিয়োৰিৰ কোনো হেৰফেৰ নহ'ব।

উপৰোক্ত লোকবিজ্ঞানী দুজনৰ 'টাইপ' আৰু 'মোটিফ' পদ্ধতিৰ আধাৰত আমি লক্ষ্মীনাথ বেজবৰুৱাৰ এটি সাধুকথা 'ঢোৰা কাউৰী আৰু টিপচী চৰাই' বিশ্লেষণ কৰিবলৈ যত্ন কৰিম। সাধুকথা বিশ্লেষণৰ আটাইতকৈ পুৰণি পদ্ধতি হ'ল ঐতিহাসিক ভৌগোলিক পদ্ধতি যাৰ পথ ধৰি আগুৱালে দেখা যায় 'টাইপ ইনডেক্স' আৰু পৰবৰ্তী কালত 'মোটিফ ইন্‌ডেক্স'। সাধুকথাৰ আলোচনাত এই দুটা ইনডেক্স



একেলগে উচ্চাৰিত হয়। এটি আনটোৰ পৰিপূৰক। সাধুকথা বিশ্লেষণৰ ক্ষেত্ৰত টাইপ আৰু মোটিফ ইনডেক্স অত্যন্ত প্ৰাসঙ্গিক পদ্ধতি। আন আন পদ্ধতিৰ অনুসৰণকাৰী সকলেও কোনোৰে এই দুই ইন ডেক্সৰ যৌক্তিকতা আৰু প্ৰাসঙ্গিকতা অস্বীকাৰ কৰিব পৰা নাই। আমি লক্ষ্মীনাথ বেজবৰুৱাৰ "ঢোঁৰা কাউৰী আৰু টিপচী চৰাই" সাধুটো আলোচনা কৰোহঁক—

"এক বোলে ঢোঁৰাকাউৰী আৰু টিপচী চৰাই আছিল। সিহঁত দুয়ো সখী বন্ধালে। এদিন দুয়ো একে লগে এজোপা গছৰ ডালত বহি আছিল। এনেতে দেখিলে যে এজনী বুঢ়ীয়ে ধান সিজাই চোতালত মেলি দিছে।" ঢোঁৰা কাউৰীয়ে টিপচীক ক'লে— সখি চোৱাচোন সেই বুঢ়ী জনীয়ে ধান ৰ'দত মেলি দিছে। এথাপ মাৰি আমি আহোহঁক আহা। টিপচীয়েও এৰা আনোহঁক আহা বুলি মাত দিলত ঢোঁৰা কাউৰীয়ে ক'লে, 'কিন্তু সখি এটা কথা, মই ঠোঁটত যিমান ধান আনিম তুমিও যদি সিমান আনিব পাৰা তেন্তে তুমি মোক খাবা।' ঢোঁৰা কাউৰীৰ কথা শুনি টিপচীয়ে ভাবিলে 'মইতো তাতকৈ বেছি ধান একে থাপতে আনিব নোৱাৰিমেই, সেই দেখি বুজিছোঁ সি মোক খাবলৈ বুধি পাতিছে।' বাৰু দেখাই যাওঁকচোন সি মোক কেনেকৈ খায়। 'ইয়াকে ভাবি টিপচীয়ে উত্তৰ দিলে বাৰু সখি সেয়ে হওক।' ঢোঁৰা কাউৰীয়ে উত্তৰ দিলে— 'তেন্তে তুমি আগেয়ে থাপ মাৰি আনা' টিপচীয়ে উত্তৰ দিলে— 'নহয় সখি তুমি আগেয়ে আনা।' কাউৰীয়ে ক'লে— 'তুমি আগ হ'ব লাগে মই তোমাৰ পিছতহে।' এই কথা শুনি টিপচীয়ে তাৰ এখুদমান ঠোঁটেৰে থাপ মাৰি এঠোঁট ধান আনিলে কিন্তু সি নিচেই তাকৰ। তাৰ পিছত ঢোঁৰা কাউৰীয়ে থাপ মাৰি ইমান আনিলে যে টিপচীয়ে অনা ধানতকৈ সি অনেক গুণে সৰহ। ঢোঁৰা কাউৰীয়ে ধান আনিয়েই মাত লগালে সখি মই এতিয়া তোমাক খাব পাওঁ।' টিপচীয়ে উত্তৰ দিলে নিশ্চয় পোৱা সেই দেখি তুমি মোক খাবা কিন্তু তাৰ আগেয়ে তুমি মোৰ এটা কথা ৰাখিব লাগিব— তুমি সততে মৰা শ খাই ফুৰা সেইবাবে তোমাৰ ঠোঁটটোত বেয়া গোন্ধ, তুমি অনুগ্ৰহ কৰি তোমাৰ ঠোঁটটো সাগৰৰ পানীত ধুই মোক খোৱা। ঢোঁৰা কাউৰীয়ে 'বাৰু সখি তোমাৰ কথা ৰাখিম, মই এতিয়াই মোৰ ঠোঁটটো সাগৰৰ পানীত ধুই আহোগৈ' বুলি উৰি গৈ সাগৰৰ কাষ পাই সাগৰক মাতিলে 'সাগৰ ককাই অ' সাগৰ ককাই, সাগৰে উত্তৰ দিলে কি কৈছে? ঢোঁৰা কাউৰীয়ে ক'লে—

*'দে পানী পখালো ঠোঁট*
*ভোজন কৰো টিপচী গোট'*

সাগৰে উত্তৰ দিলে কিহতকৈ দিম? যদি কিবা এটা পাত্ৰ দিব পাৰা তেন্তে দিব পাৰো। সাগৰৰ কথা শুনি কাউৰীয়ে মাত লগালে— 'কুমাৰ ককাই, কুমাৰ ককাই ঘৰত আছেনে? কুমাৰে উত্তৰ দিলে— 'আছো কিবা কৈছে— কাউৰীয়ে ক'লে—

*'দে টেকেলি তোলো পানী পখালো ঠোঁট*
*ভোজন কৰো টিপচী গোট'*

কুমাৰে ক'লে— 'মোৰ ঘৰত গঢ়া টেকেলি নাই যদি অলপমান মাটি আনি দিব পাৰা তেন্তে মই টেকেলি এটা গঢ়ি দিব পাৰো।' কুমাৰৰ কথা শুনি কাউৰীয়ে মাটিৰ ওচৰলৈ গৈ মাটিক ক'লে—

*'দে মাটি দিওঁ কুমাৰক গঢ়ক টেকেলি*
*তোলো পানী পখালো ঠোঁট*
*ভোজন কৰো টিপচী গোট'*

মাটিয়ে উত্তৰ দিলে— 'মই নিজে কেনেকৈ দিম? যদি কিবা উপায়েৰে খান্দি নিব পাৰা নিয়া।'

মাটিৰ সমিধান পাই কাউৰীয়ে ম'হৰ ওচৰ পালেগৈ। সি ম'হক মাত লগালে—

*'দে শিং খান্দো মাটি*
*দিওঁ কুমাৰক গঢ়ক ঘটি*
*তোলো পানী পখালো ঠোঁট*
*ভোজন কৰো টিপচী গোট।'*

ম'হে উত্তৰ দিলে— 'মই নিজে মোৰ শিং কেনেকৈ দিম? যদি কিবা উপায়ে নিব পাৰা নিয়া। ম'হৰ কথা শুনি কাউৰীয়ে গৈ কুকুৰৰ ওচৰ পাই কুকুৰত ক'লে—

*'মাৰ ম'হ নিওঁ শিং খান্দো মাটি*
*দিওঁ কুমাৰক গঢ়ক ঘটি*
*তোলো পানী পখালো ঠোঁট*
*ভোজন কৰো টিপচী গোট'*

কুকুৰে উত্তৰ দিলে— 'আজি ভালেমান দিন মই গাখীৰ খাবলৈ পোৱা নাই সেই দেখি মোৰ গাৰ বল কমি গৈছে 'তুমি যদি মোক গাখীৰ খুৱাব পাৰা তেন্তে মই ম'হ মাৰি দিব পাৰো, ' এই কথা শুনি কাউৰীয়ে গাইৰ ওচৰলৈ গৈ গাইক ক'লে—



*'দে গাখীৰ খুৱাও কুকুৰক*
*বান্ধক বল মাৰক ম'হ*
*নিওঁ শিং খান্দো মাটি*
*দিওঁ কুমাৰক গঢ়ক ঘটি*
*তোলো পানী পখালো ঠোঁট*
*ভোজন কৰো টিপচী গোট'*

গায়ে উত্তৰ দিলে— 'মই বুঢ়ী হৈছো ভালেমান দিন ভালকৈ ঘাঁহ খাবলৈ পোৱা নাই। তুমি যদি মোক ভালকৈ এসোপা ঘাঁহ খাবলৈ আনি দিব পাৰা তেন্তে মই তোমাক যিমান গাখীৰ লাগে সিমান দিম।"

গাইৰ উত্তৰ শুনি কাউৰীয়ে ঘাঁহৰ ওচৰলৈ গৈ ঘাহঁক ক'লে—

*'দে ঘাঁহ খুৱাওঁ গাইক, ওলাওক গাখীৰ*
*খুৱাওঁ কুকুৰক বান্ধক বল, মাৰক ম'হ*
*নিওঁ শিং খান্দো মাটি*
*দিওঁ কুমাৰক গঢ়ক ঘটি*
*তোলো পানী পখালো ঠোঁট*
*ভোজন কৰো টিপচী গোট।'*

ঘাঁহে উত্তৰ দিলে— 'মই কেনেকৈ ঘাঁহ দিম? যদি কাটি নিব পাৰা নিয়া।'

ঘাঁহৰ কথা শুনি কাউৰী কমাৰৰ ঘৰ পালেগৈ। বাহিৰৰ পৰা কাউৰীয়ে কমাৰক মাত লগালে, "কমাৰ কাই, কমাৰ কাই, ঘৰত আছেনে? কমাৰে উত্তৰ দিলে, "আছো কাউৰী ভাই কি সকামত বা আহিলা? কাউৰীয়ে উত্তৰ দিলে—

*'দে খন্তি কাটো ঘাঁহ খুৱাওঁ গৰুক*
*ওলাওক গাখীৰ খুৱাওঁ কুকুৰক, বান্ধক বল*
*মাৰক ম'হ*
*নিওঁ শিং খান্দো মাটি*
*দিওঁ কুমাৰক গঢ়ক ঘটি*
*তোলো পানী পখালো ঠোঁট*
*ভোজন কৰো টিপচী গোট।।'*

কমাৰে ক'লে, মোৰ জুই কুৰা নুমাই গ'ল, যদি মোক জুই অলপ আনি দিব পাৰা তেন্তে মই এতিয়াই খন্তি এখন গঢ়ি দিব পাৰো।

কাউৰীয়ে কমাৰৰ কথা শুনি চাৰিওফালে চাই দেখিলে যে সাগৰৰ সিপাৰে

এঠাইত জুইৰ ধোঁৱা ওলাইছে। দেখিয়েই সি উৰি গৈ সিপাৰ পাই এজনী বুঢ়ীয়ে ধান সিজাই থকা দেখিলে। বুঢ়ীৰ ওচৰ চাপি কাউৰীয়ে ক'লে, "আই মোক অলপ জুই দিব পাৰা নে? বুঢ়ীয়ে উত্তৰ দিলে কিহত কৈ দিম? কাউৰীয়ে ক'লে— 'মোৰ ডেউকাৰ ভিতৰতে বান্ধি দিয়া', বুঢ়ীয়ে তাকে কৰিলে। কাউৰীয়ে জুই আঙঠাৰ টোপোলাটো ডেউকাত বান্ধি লৈ সাগৰৰ ওপৰেদি উৰি আহি থাকোতে তাত বতাহ লাগি জ্বলি উঠি ডেউকা পুৰি গ'লত সি মাজ সাগৰত পৰি বুৰি মৰিল। ইফালে টিপচী চৰায়ে মনে মনে কাউৰীৰ পিছে পিছে আহি আগৰে পৰা গুৰিলৈকে আটাইবোৰ লক্ষ্য কৰি আছিল। শেষত কাউৰীৰ এনে মৃত্যু দেখি সি সন্তোষ পাই এজোপা গছৰ ডালৰ পৰা উৰি আন এজোপা গছৰ ডালত পৰিল গৈ।" লক্ষ্মীনাথ বেজবৰুৱাই লিখা 'বুঢ়ী আইৰ সাধুৰ অন্তৰ্গত 'ঢোঁৰা কাউৰী আৰু টিপচী চৰাই' গল্পটো ইমানতে শেষ হ'ল। গল্পটোৰ এটি নৈতিক দিক আছে। বেচেৰা কাউৰীয়ে ইমান কষ্ট কৰিও টিপচী চৰাইক খাব নোৱাৰিলে। 'লোভে পাপ পাপে মৃত্যু' অতি লোভ কৰিবলৈ গৈ ঢোঁৰা কাউৰীয়ে প্ৰাণ বিসৰ্জন দিব লগীয়া হ'ল। বাংলা ভাষাতো 'কাক ও গোদাৰাণী' 'চড়াই আৰ কাকের কথা' বা কাক ও চড়ই' নামে তেনেধৰণৰ সাধু আছে।

আধুনিক গৱেষণাত এনেধৰণৰ সাধুবোৰক ষ্টিথ থমছন (Stith Thimpson)ৰ টাইপ সূচী অনুসৰি ইয়াক ক্ৰমবৰ্দ্ধমান কাহিনী (Cumulative tale)ৰ অন্তৰ্ভুক্ত কৰা হয়। থমছনে এনে সাধুবোৰৰ সংজ্ঞা নিৰূপণ কৰি কয় যে 'ইয়াত এটা সৰল কেন্দ্ৰীয় কাহিনী থাকে, কাহিনী কোৱাৰ ধৰণ অনুসৰি ইয়াত এটি ধেমেলীয়া ভাৱ থাকে। পদ্যৰ জৰিয়তে কাহিনীটো সূত্ৰকাৰে বা ক্ৰমানুসৰি বাৰে বাৰে আবৃত্তি কৰা হয়। তেওঁ আকৌ কয় যে— এই বোৰ কাহিনীৰ কেন্দ্ৰীয় ঘটনা যুগ যুগ অতিক্ৰম কৰি নানা ঐতিহাসিক আৰু ভৌগোলিক পৰিবেশৰ মাজতে জীয়াই থাকে। সাধু কওঁতাই ইচ্ছা কৰি কাহিনীক দীঘল কৰাৰ বাবে ন ন ঘটনাৰ অৱতাৰণা কৰি লয়। থমছনে এনে ধৰণৰ গল্পৰ বাবে টাইপ সূচীত ২০০০-২৩৯৯ সংখ্যা নিৰ্দ্ধাৰণ কৰিছে। সকলোবোৰ লোক কাহিনীৰে এটি বা একাধিক মোটিফ (Motif) আছে। এণ্টি আৰ্ণে আৰু ষ্টিথ থমছন এই দুজন পণ্ডিতে এইবোৰ মোটিফৰ সূচী (Index) তৈয়াৰ কৰিছে আৰু ইংৰাজী বৰ্ণামালাৰ লগত গাণিতিক সংখ্যা যুক্ত কৰি মোটিফবোৰক শ্ৰেণীভূক্ত আৰু সূচী ভূক্ত কৰিছে।

আমাৰ আলোচ্য সাধুটোৰ প্ৰধান চৰিত্ৰ কাউৰীয়ে মানুহৰ ভাষাত কথা কৈছে। ভাৰতীয় সাধু বা গল্পত চৰাইৰ মুখত মনুহৰ ভাষা প্ৰয়োগৰ বহুত নিদৰ্শন



আছে। এনে ধৰণৰ অলৌকিক গুণ সম্পন্ন প্ৰাণী মোটিফ বি (Motif-B)ৰ অন্তৰ্ভূক্ত কৰা হয়। তেতিয়া হ'লে ঢোঁৰা কাউৰী আৰু টিপচী চৰাই' সাধুটোৰ আন্তৰ্জাতিক টাইপ হয় ২০৩০ বি। ইয়াৰ একাধিক মোটিফ আছে। কাউৰী সবল প্ৰাণী টিপচী চৰাই দুৰ্বল, বুদ্ধিৰ বলত টিপচী চৰাইৰ জয় হৈছে। দুৰ্বলৰ জয় (Triumph of the weak) হ'ল এটি মোটিফ যাৰ সূচী সংখ্যা আছে ৩০০ (motif-300) কথা কোৱা চৰাইৰ মোটিফ হ'ল— বি-২১১.৩ (motif-B-211.3)। আৰম্ভনিতে ঢোঁৰা কাউৰী আৰু টিপচী চৰাইৰ মাজত প্ৰতিযোগিতা থকাত ইয়াৰ মোটিফ হ'ল—কে- ৮১.৩ (motif-K-81.3), পৰাজয় হ'লে শাস্তিৰ চৰ্ত ইয়াৰ মোটিফ কিউ- (motif-Q)। অবাঞ্ছিত বিপদ এৰুৱাৰ বাবে টিপচী চৰায়ে এটি কৌশল গ্ৰহণ কৰে। ইয়াৰ মোটিফ এফ (motif-F)। ইয়াত ঘটনা আছে নটা। পদ্য আকাৰত সেয়া ক্ৰমপুঞ্জিত বা বৰ্ধিত (Cumulative) হৈছে। ঢোঁৰা কাউৰী আৰু টিপচী চৰাই সাধুটোত আদিম সাম্যবাদী সমাজ তথা বৰ্বৰতাৰ চিত্ৰ পোৱা যায়। তেতিয়াৰ সময় আছিল ব্যক্তি স্বাৰ্থ ৰক্ষাৰ সংগ্ৰামৰ যুগ। তাৰে এটি আদি পাঠ এই গল্পটোৰ জৰিয়তে ফুটি উঠিছে। সেয়ে এই গল্পটো অধিক প্ৰাচীন বুলি ক'ব পাৰি। সমান্তৰালভাৱে এনেধৰণৰ গল্প অন্য ভাষাতো আছে। কাউৰী হ'ল সবল প্ৰাণী। সবলে সদায় দুৰ্বলীক গ্ৰাস কৰিব বিচাৰে। মানব সমাজতো ইয়াৰ কোনো ব্যতিক্ৰম নাই। বিশেষকৈ মধ্যযুগীয় সামন্ত সমাজত এই নীতিৰ অবাধ বিস্তাৰ আৰু প্ৰাধান্য আছিল। পশু বা চৰাই চিৰিকতিৰ চৰিত্ৰৰ আঁৰত মানব সমাজৰ কথাই ব্যক্ত হৈছে এনে ধৰণৰ লোক কাহিনীবোৰত। আমাৰ লক্ষ্মীনাথ বেজবৰুৱা সংগৃহীত বুঢ়ী আইৰ সাধুটোত অৰ্থাৎ 'ঢোঁৰা কাউৰী আৰু টিপচী চৰাই' সাধুটোত সাগৰ, কুমাৰ, মাটি, ম'হ, কুকুৰ, গাই আদি পাৰ্শ্ব চৰিত্ৰবোৰ আছে। মাটিৰ তৈয়াৰী টেকেলি বা ঘটি মাটিৰ পাত্ৰ আৰু লোৰ তৈয়াৰী খন্তি, মাটি খন্দাৰ কথা ইত্যাদি আছে। সাগৰত পানী প্ৰাকৃতিক উৎস জাত। স্থানীয় পৰিবেশৰ বাবে মাটিৰে বা টেকেলিৰে পানী তোলাৰ কথা কোৱা হৈছে। মাটিৰ পাত্ৰ, লোৰ খন্তি আদিয়ে মানব সভ্যতাৰ এটি স্তৰক ইঙ্গিত কৰিছে। এই সাধুটোত ম'হৰ শিঙেৰে মাটি খন্দাৰ কথা আছে। ইয়াত নব্য প্ৰস্তৰ যুগৰ (Neolithic Age)ৰ স্মৃতি ক্ৰিয়াশীল বুলি ভাবিব পাৰি। শিঙৰ ব্যৱহাৰ থকা আন ভাষাৰ এনে ধৰণৰ গল্পবোৰত নৱ প্ৰস্তৰ যুগৰ ধাৰণা স্পষ্ট বুলি কিছুমান পণ্ডিতে ক'ব খোজে। গতিকে আমাৰ এই গল্পটোতো তেনে ধাৰণা নুই কৰিব নোৱাৰি।

জুই আৱিস্কাৰৰ পিছত লৌহ যুগ (Iron Age) সূচীত হয়। প্ৰস্তৰ (Stone) আৰু নৱ প্ৰস্তৰ যুগৰ পিছত লৌহ যুগৰ আৰম্ভণি। সাধুটোৰ কাঠামোত বহু অতীত

স্মৃতি সংমিশ্ৰণ হৈছে। সাধুটোৰ আৰম্ভণিতে ধান অনাৰ বাজী ৰখা হৈছে। এয়া নিঃসন্দেহে কৃষি সমাজৰ চেতনাৰ ফল। অসমৰ কৃষক সমাজ এই গল্পটোৰ জন্মদাতা। কুমাৰ, কমাৰ, ম'হ, গাই, কুকুৰ, খন্তি আদিবোৰে অসমীয়া গাঁৱলীয়া সমাজৰে বস্তু বুলি নিৰ্দ্দেশ কৰিছে।

ফৰাচী নৃ-বিজ্ঞানী ক্লদ লোড ষ্ট্ৰ'ছ (Clude Levi Straccss)ৰ ক্ৰিয়াশীলতা তত্ত্ব (Functionism)ৰ আধাৰত লোক সাধুবোৰৰ যি কাঠামোত সামাজিক ব্যাখ্যা দিছে তাৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাৰ 'ঢোঁৰা কাউৰী আৰু টিপচী চৰাই' সাধুটো তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰি।

টিপচী চৰাই আৰু ঢোঁৰা কাউৰী সমগোত্ৰীয় দুটা পক্ষী। টিপচী চৰাই নায়ক আৰু কাউৰী হ'ল খল চৰিত্ৰ (Villain)। মানব সমাজত একে গোত্ৰযুক্ত সবল আৰু দুৰ্বল দুই ব্যক্তিৰ বা গোত্ৰৰ মাজত দ্বন্দৰ প্ৰতীক (Symbol) হ'ল টিপচী চৰাই আৰু ঢোঁৰা কাউৰীৰ এই মৰণান্তিক প্ৰতিদ্বন্দিতা। অসীম শক্তিৰ দ্বন্দৰ বলত চৰাইটোৱে বলে নোৱাৰি বুদ্ধিৰ আশ্ৰয় লৈছে। কাউৰীৰ দ্বাৰা টিপচী চৰাইৰ মাংস ভক্ষণ বা খোৱাৰ কথা আছে। টিপচী চৰাইক খোৱাটো এই গল্পৰ প্ৰধান ক্ৰিয়াশীলতা। আত্ম ৰক্ষাৰ বাবে টিপচী চৰাইয়ে কাউৰীক ঠোঁট ধুই অহাৰ প্ৰস্তাৱ দিয়ে। এয়া হ'ল সময় সাপেক্ষে লোৱা বা প্ৰতিৰোধৰ কৌশলগত উপায় বা পন্থা। এইটো নায়কৰ কালৰ প্ৰধান ক্ৰিয়াশীলতা। গোটেই বিষয়টো সূত্ৰবদ্ধ কৰিলে এনে হয়— fx (a) : by (b) :: fx (b) : fa-1 (y)

ইয়াত— a = কাউৰী (খল)

b = টিপচী (নায়ক)

f = ক্ৰিয়াশীলতা

x = সবল হত্যাৰ আকাঙ্খা প্ৰকাশ

y = দুৰ্বলৰ আত্ম ৰক্ষাৰ কৌশল অৱলম্বন।

কাউৰী হত্যাৰ আকাঙ্খা প্ৰকাশ কৰিছে।

টিপচী অন্যায় হত্যাৰ প্ৰতিৰোধ কৰিছে। টিপচী সফল হৈছে। অন্যায়কাৰী জুইত পুৰি মৰিছে। অপৰাধীৰ শাস্তি হওঁক এয়া সমাজে চিৰকালেই বিচাৰে। টিপচী চৰাইৰ সাহাৰ্যকাৰী হিচাপে সাগৰ, কুমাৰ, মাটি, ম'হ, কুকুৰ, গাই, ঘাঁহ, কমাৰ আৰু বুঢ়ীয়ে কাম কৰিছে। এইবোৰক জ্যামিতিক সংখ্যাৰে- a1, a2, a3... ইত্যাদি ধৰণে দেখুৱাব পাৰি। গল্পটোত একে ধৰণৰ ক্ৰিয়াশীলতাৰ পুনৰাবৃত্তি হ'ব পাৰে। শেষ ব্যক্তিয়ে (ইয়াত বুঢ়ী) খল নায়কক চূড়ান্ত শাস্তি প্ৰদান কৰিছে। তাৰ লগে লগে গল্পটোৰ সামৰণি পৰিছে। ইয়াত মানুহ আৰু পশুখিনি একাকাৰ হৈ আছে। সেয়ে ইয়াত অৰণ্য সংস্কৃতিৰ লক্ষণ পৰিস্ফুট হৈছে। আমাৰ দেশত এসময়ত কোল, মুণ্ডা, চাওঁ তাল আদি উপজাতিৰ লোকসকলে হাবি বননিত বসবাস কৰিছিল, পাহাৰ অঞ্চলত এওঁলোকৰ একাংশ এতিয়াও বসবাস কৰি আছে। বৰ্তমানেও এওঁলোকে পশুচিকাৰ আৰু কৃষিকাম উভয় প্ৰকাৰে জীৱন নিৰ্বাহ কৰে। এনে শ্ৰেণীৰ গোষ্ঠীবদ্ধ মানুহৰ দ্বাৰা এনেধৰণৰ সাধু সৃষ্টি হ'ৰ পাৰে বুলি পণ্ডিত সকলে ধাৰণা কৰে।



ই. কে মাৰাণ্ডা (Elli Kongas Maranda) নামৰ এজন পণ্ডিতে ক্ৰিয়াশীলতা তত্ত্বৰ আধাৰত সমাধান (Solutions) আৰু ফল (Result)ৰ আনুপাতিক পানীকৰণৰ যি সূত্ৰ দিছিল এই সাধুটোৰ সামাজিক পৰিকাঠামোৰ লগত তাৰ সামঞ্জস্য পোৱা যায়। তাৰ সূত্ৰটো হ'ল এনে ধৰণৰ—

QS : QR :: FS : FR

QS = Quasi Solution (আপাত সমাধান)

QR = Quasi Result (আপাত কাল)

FS = Final Solution (শেষ সমাধান)

FR = Final Result (শেষ ফল)

টিপচীয়ে কাউৰীৰ ঠোঁট পখলোৱা বা ধোৱাৰ চৰ্ত আৰোপ কৰাত 'আপাত সমাধান' আৰু কাউৰীয়ে সৰলভাৱে তাক গ্ৰহণ কৰাত 'আপাত ফল' পোৱা যায়। ইয়াৰ সূত্ৰ QS : QR। বুঢ়ীৰ ক্ৰিয়া আৰু কাউৰীৰ পৰিণতি যথাক্ৰমে 'শেষ সমাধান' আৰু 'শেষ ফল' হিচাপে কাম কৰিছে। ইয়াৰ সূত্ৰ FS : FR। টিপচী চৰাই সমাজৰ নিৰ্যাতিত শ্ৰেণীৰ প্ৰতিনিধি। বুঢ়ীও একে শ্ৰেণী ভূক্ত। সি নিজৰ শ্ৰেণীক (দুৰ্বল শ্ৰেণীক) সহায় কৰিবলৈ আগবাঢ়ি আহিছে। ইয়াত শ্ৰেণী সংগ্ৰামৰ চিত্ৰও ফুটি উঠিছে। ইয়াত মাক্সৰ শ্ৰেণী সংঘাতৰ তত্ত্বও হুবহু মিলি যায়। ৰুছ লোক কলাবিদ ওৱাই, এম্. সকোলভে (Y. M. Sokolov) কয়— 'Folklore has been and continues to be a reflection and a weapon of class conflict' ফোকলোৰ শ্ৰেণী সংগ্ৰামৰ প্ৰতিফলন আৰু অস্ত্ৰ হিচাপে কাম কৰে। আন ধৰণেও ক'ব পাৰি যে সমাজৰ শ্ৰেণী সংঘাতৰ কথা ফোকলোৰ বা লোকসংস্কৃতিত প্ৰতিফলিত হয়। ইয়াৰ মাজেদি শোষিত শ্ৰেণীয়ে শোষকৰ বিৰুদ্ধে প্ৰতিবাদী কণ্ঠস্বৰ তোলে। কাউৰীৰ বিৰুদ্ধে সংগ্ৰাম টিপচী বিজয়ৰ মাজেদি শোষিত শ্ৰেণীৰ বিজয়ৰ আকাঙ্খা প্ৰতিফলিত হৈছে।

# পাশ্চাত্য সাহিত্য বিষয়ক গৱেষণাৰ পদ্ধতি ঃ এটি প্ৰাথমিক আলোচনা

ড° তৰণী ডেকা

Oxford Advanced Learners' Dictionary মতে 'West' শব্দৰ অৰ্থ হ'ল a) Europe and the continent of America (constrasted with Asia), b) (World politics) Western Europe and America (Condtrasted with Eastern Europe, the USSR and China)। আকৌ সেই অভিধানখন মতেই 'Western' শব্দৰ অৰ্থ হ'ল, (adj) of, in, from, characteristic of the west। ইউৰোপ, আমেৰিকা সভ্যতা-সংস্কৃতি-সাহিত্যৰ লগত জড়িত নানা দিশবোৰ পাশ্চাত্য অধ্যয়নৰ ভিতৰত পৰে। এইক্ষেত্ৰত প্ৰাচ্য বা Oriental অভিধাটো পূবৰ দেশসমূহৰ লগত জড়িত আৰু পাশ্চাত্যৰ বিপৰীত অৰ্থত ব্যৱহাৰ কৰিব পাৰি। ইংলণ্ডৰ উপনিবেশ শাসনৰ অধীনস্থ দেশ হিচাবে ভাৰতত পাশ্চত্য প্ৰভাৱ মূলতঃ ইংলণ্ড বা ইউৰোপৰ ফ্ৰান্স, পৰ্তুগীজ বা হলেণ্ডৰ পৰা হৈছে বুলি ক'ব পৰা যায়। পিচলৈ আমেৰিকা বা আন আন পশ্চিমৰ দেশৰ প্ৰভাৱো আহিছে। গতিকে অতি ঠেক অৰ্থত ব্যৱহাৰ কৰিলে ইংলণ্ডৰ সাহিত্য-সংস্কৃতিৰ প্ৰভাৱটো পাশ্চাত্য প্ৰভাৱ হিচাপে ভাৰতীয় সাহিত্যৰ অংগ হিচাবে অসমীয়া সাহিত্যত বিচাৰ কৰা হয়। ১৮২৬ চনৰ পিচৰ পৰা আধুনিক অসমীয়া সাহিত্য সংস্কৃতিৰ যাত্ৰা আৰম্ভ হয়, কিয়নো 'ইয়াণ্ডাবু সন্ধি'ৰ পিচত ব্ৰিটিছসকলৰ অসমলৈ আগমন ঘটে আৰু তেওঁলোকেই শাসন-শোষণৰ সুবিধাৰ্থে আমাৰ ৰাজ্যখনত নানা ধৰণৰ প্ৰশাসনিক সংস্কাৰ আৰু আধুনিক শোষণৰ সুবিধাৰ্থে আমাৰ ৰাজ্যখনত নানা ধৰণৰ প্ৰশাসনিক সংস্কাৰ আৰু আধুনিক সভ্যতাৰ কেতবোৰ সুবিধাৰ সূচনা কৰে। ইংৰাজী শিক্ষাৰ প্ৰচলন, চাহ উদ্যোগ, তেল উদ্যোগ, ৰেলপথ, টেলিগ্ৰাফ, লোকপিয়ল, নতুন ৰাজহ ব্যৱস্থা ইত্যাদি নানা ধৰণৰ সংস্কাৰ আৰু প্ৰচলনৰ দ্বাৰাই ব্ৰিটিছ কৰ্তপক্ষই এফালে শোষণৰ পথ সুগম কৰিলে আৰু আনহাতে সেইবোৰৰ



দ্বাৰা তেওঁলোকৰ লগতে স্থানীয় সচেতন ৰাইজো কিছু পৰিমানে উপকৃত হ'ল।

আমেৰিকা ব্যপ্তিষ্ট মিচনেৰীবিলাকে ১৮৪৬ চনত 'অৰুণোদই' আলোচনীৰ জৰিয়তে আধুনিক অসমীয়া সাহিত্যৰ ভেটিটো ৰচনা কৰে— ধৰ্মনিৰপেক্ষ বিষয় কিছুমান যথা নৃতত্ব, ভূগোল, বুৰঞ্জী, সাধাৰণ বিজ্ঞানৰ আৱিষ্কাৰ, সমাজ বিজ্ঞান, জাৰ্নেলিজম আদিৰ লগত জড়িত নানা প্ৰবন্ধ অৰুণোদই প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ প্ৰাচীনতাৰ পৰম্পৰাৰ বিপৰীতে আধুনিকতাৰ সূচনা কৰে। এইবোৰ সৰু সৰু প্ৰৱন্ধ, কিন্তু আমাৰ সাহিত্যৰ বাবে প্ৰথম আৰু যুগান্তকাৰী পদক্ষেপ। তেওঁলোকে আৰম্ভ কৰা চালুকীয়া আধুনিক অসমীয়া তেতিয়াৰ পৰা আজিৰ অৱস্থাত উপনীত হৈছে। এয়া অসমীয়া সাহিত্যৰ বাবে অভাৱণীয় সহায়। তেওঁলোকে ব্যাকৰণ, অভিধান বা ভাষা-বিষয়ক নানা যুক্তিৰে লিখা প্ৰবন্ধৰে আৰু অসমৰ স্থানীয় লিখক আনন্দৰাম ঢেকিয়াল ফুকনৰ নেৰানেপেৰা চেষ্টাৰে অসমীয়া ভাষা প্ৰতিষ্ঠা কৰে। কিন্তু শিৱসাগৰীয়া অসমীয়া উপভাষাৰ লিখিত ৰূপটো তেওঁলোকে ব্যৱহাৰ কৰিলেও ভাষাটোত বহুতো নতুন ইংৰাজী শব্দ বা ইংৰাজী-পাৰ্চীৰ অসমীয়া প্ৰতিশব্দ বা ইংৰাজী বাক্য গাঁথনি সোমাল, যাৰ ফলত অৰুণোদইৰ ভাষাটোত এটি বিদেশী সুৰ থকা বুলি পিচত হেমচন্দ্ৰ গোস্বামীয়ে আঙুলিয়াই দিয়ে। অৱশ্যে পিচলৈ 'হেমকোষ'ৰ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাই বহুতো তৎসম আৰু অৰ্ধতৎসম শব্দ অসমীয়া ভাষাত সুমুৱাই দি ভাষাটোৰ বিদেশী সুৰটোৰ তীব্ৰতা কমাই কিছু সংস্কৃত গন্ধী কৰে। গুণাভিৰাম বৰুৱাকে ধৰি আন দুজনমানেও সেই সময়ৰ অসমীয়া ভাষা-সাহিত্য আধুনিক আৰু সমৃদ্ধশালী হোৱাৰ ক্ষেত্ৰত যৎপৰোনাস্তি চেষ্টা কৰিছিল। এইবোৰ ওপৰাওপৰিকৈ ঘটা ঘটনা স্বত্তেও বাণীকান্ত কাকতি, মহেশ্বৰ নেওঁগ, হীৰেণ গোঁহাই, হীৰেন্দ্ৰ নাথ দত্ত প্ৰমুখ্যে কেবাজনো বিশিষ্ট সমালোচকে মত দি কৈছে যে আধুনিক অসমীয়া সাহিত্যৰ নিৰ্মাণৰ আঁৰত যে পাশ্চাত্যৰ পোনপটীয়া বা আওপকীয়া প্ৰভাৱ আছে সেই কথাটো এৰাই চলিব নোৱাৰি। তেনেধৰণৰ ধাৰণা এটিৰ ওপৰত ভিত্তি কৰিয়েই অসমীয়া সাহিত্য আৰু পাশ্চাত্য প্ৰভাৱৰ Discourseটো চলি আছে। সেয়া বাস্তৱৰ সত্য, বাদ দিব নোৱাৰি, আমাৰ ভাষাটোৰ নিজস্ব ভংগী বা কালিকা থকা স্বত্তেও সেই অভাৱৰ পৰা আমাৰ সাহিত্য মুক্ত বুলি ক'ব নোৱাৰো। উত্তৰ-ঔপনিৱেশিকতাবাদ (Postcolonialism) তত্ব মতেও সেই মত দাঙি ধৰিব পাৰি।

কথা হ'ল, অসমৰ উপনিবেশিক যুগৰ (1826-1947) সামাজিক-অৰ্থনৈতিক-সাংস্কৃতিক ক্ষেত্ৰৰ নানা ধৰণৰ কথা অধ্যয়ন নকৰাকৈ আমি অসমীয়া সাহিত্য-সংস্কৃতিত পাশ্চাত্য প্ৰভাৱ বা পাশ্চাত্য সাহিত্য-সংস্কৃতি আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ যিকোনো তুলনামূলক অধ্যয়নৰ কথা ভাবিব নোৱাৰো। উদাহৰণ স্বৰূপে

বিভিন্ন ইউৰোপীয় বনিক গোষ্ঠীয়ে ভাৰতৰ ক'ত, কেনেকৈ বাণিজ্যিক ঘাটি স্থাপন কৰিলে, কি ধৰণে, কিহৰ ব্যৱসায় আৰম্ভ কৰিলে, শেষলৈ কিদৰে 'গোজেই গজালি'হে আমাৰ দেশৰ শাসনকৰ্তালৈ ৰূপান্তৰিত হ'ল, ভাৰতবৰ্ষখন কাহানিও বেলি মাৰ নোযোৱা বিশাল ব্ৰিটিছ সাম্ৰাজ্যৰ কিদৰে সম্পূৰ্ণভাৱে অন্তৰ্ভুক্ত হ'ল, পিচলৈ দেশীয় স্বাধীন ক্ষুদ্ৰ ৰাজ্যসমূহ সেই বিশাল সাম্ৰাজ্যত কিদৰে চামিল হ'ল—সেইবোৰ কথা আগতীয়াকৈ জানি ল'ব লাগিব। এই ৰাজনৈতিক-অৰ্থনৈতিক প্ৰেক্ষাপটটো আমাৰ বাবে বৰ দৰকাৰী। এইক্ষেত্ৰত ঔপনিশিকতাবাদ (Colonialism), উত্তৰ-ঔপনিশিকতাবাদ, (Postcolonialism) বা প্ৰাচ্যতত্ত্ব (Orientalism) আদি শিল্প-সাহিত্যৰ নানা ধৰণৰ তত্ব আৰু ধাৰণাবোৰ আমাৰ গৱেষকসকলে পৰিষ্কাৰকৈ বুজি লোৱাটো এটা প্ৰাথমিক চৰ্ত। পাশ্চাত্য সাহিত্যৰ লগত জড়িত যিকোনো বিষয় অধ্যয়নৰ ক্ষেত্ৰত এইটো এটা Starting Point বুলি ধৰিব পাৰো।

অসমলৈ ব্ৰিটিছসকল বহুত পলমকৈ আহে। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিচত যেতিয়া ব্ৰিটিছসকল অসমলৈ আহে তেতিয়া অসমৰ সামাজিক-ৰাজনৈতিক অৱস্থা থৰক্‌বৰক্। মানৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ ব্ৰিটিছসকলে অসমলৈ আহি সমৰ ভাগ্য নিয়ন্তা হৈ পৰিল। ১৮২৬ৰ আগতে সুদীৰ্ঘ ছশ বছৰ ধৰি আহোম ৰাজত্ব চলে। ব্ৰিটিছৰ দিনতকৈ আহোমৰ অৰ্থনীতি বহুত পিচপৰা আছিল। আহোমসকলে অসমখন প্ৰতিষ্ঠা কৰিলে 'সাত ৰাজ মাৰি এক ৰাজ'ৰ জৰিয়তে। ভৌগোলিক পৰিসীমাটো নিৰ্দ্ধাৰণ কৰিলে, অসমীয়া জাতি আৰু ভাষাৰ আধাৰশিলাও আহোমে প্ৰতিষ্ঠা কৰিলে। আজিৰ অসম তাৰেই ফলশ্ৰুতি। অসম আৰু অসমীয়া জাতিলৈ আহোম স্বৰ্গদেউ চুকাফা আৰু অন্যান্যসকলৰ এইটো আটাইতকৈ শ্ৰেষ্ঠ অৱদান। কিন্তু সামন্তবাদী শাসন ব্যৱস্থাত কৃষি, অৰ্থনীতিৰ কোনো বিকাশ নোহোৱাৰ বাবে আহোমৰ দিনৰ অসমৰ অৰ্থনীতি অনগ্ৰসৰ হৈ থাকিল। আহোমৰ কোনো পৰিকল্পিত ৰাজহ ব্যৱস্থা নাছিল, বজাৰ অৰ্থনীতিৰ প্ৰচলন নাছিল। সমসাময়িক মোগল সাম্ৰাজ্য বা দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ তুলনাত সেয়া বহুত পিচ পৰা অৰ্থনীতি আছিল। নগদ ধনৰ প্ৰচলন নাই, কৰ-কাটলৰ ব্যৱস্থা নাই। গতিকে যি মোগল সম্ৰাট চাহজাহানে ছয়কোটীয়া তাজহমল সাজি মোগল সাম্ৰাজ্যৰ ৰাজভঁৰাল উদং কৰিছে, সেই সময়ত আহোম ৰজাৰ হাতত তেনেকুৱা স্থাপত্য কীৰ্তি স্থাপন কৰিবলৈ নগদ ধন নাই। স্বাভাৱিকভাৱেই ব্ৰিটিছে অসমক এটি অনুন্নত অঞ্চল হিচাবে লাভ কৰে। তেনেহ'লে কিহৰ তাগিদাত ব্ৰিটিছসকল অসমৰ বাবে দৰদী হৈ উঠিল ? চাহখেতি, খনিজ তেলৰ ভাণ্ডাৰ, কয়লা আৰু বনজ সম্পদ ইত্যাদিৰ সন্ধান ভালদৰে পোৱাৰ পিচতে ব্ৰিটিছে



কলিকতাৰ পৰা অসমলৈ ঢাপলি মেলে। নহ'লে জংগল আৰু নানা ধৰণৰ মাৰাত্মক বেমাৰ-আজাৰৰ বিপদ থকা যাতায়ত আৰু চিকিৎসাৰ একেবাৰেই সা-সুবিধা নথকা অনগ্ৰসৰ অঞ্চল এটিলৈ ব্ৰিটিছ সাম্ৰাজ্যৰ চাহাবসকল কেতিয়াও মানৰ পৰা অসমীয়াক ৰক্ষা কৰিবলৈ নাহিলহেঁতেন। ৰবাৰ্ট ব্ৰুচৰ জৰিয়তে চাহখেতি কৰাই চাহৰ আন্তৰ্জতিক বজাৰ চীনৰ হাতৰ পৰা কাঢ়ি আনি নিজৰ দেশৰ ভঁৰাল কিদৰে টনকিয়াল কৰিব পাৰি তাৰেই চিন্তাত আছিল ব্ৰিটিছ কৰ্তৃপক্ষৰ বিষয়াসকল। আনহাতে, এজিলাবেথান যুগৰ ড্ৰেক, কুকৰ দৰেই দুৰ্গম অভিযান চলাব পৰা দুঃসাহসী বিষয়া বহুতো আছিল ইংৰাজ বিষয়াসকলৰ মাজত, যিসকলে পুঁজিবাদী আদৰ্শেৰে অনুপ্ৰানিত হৈ বজাৰ দখলত সিদ্ধহস্ত আছিল। গতিকে সাম্ৰাজ্যৰ মুনাফাৰ বাবে দুঃসাহসী ইংৰাজৰ প্ৰতাপত অসমত আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাৰ নানা ধৰণৰ ব্যৱস্থা স্থাপন হ'ল আৰু অসমত ঔপনিবেশিক অবাধ শোষণৰো আৰম্ভ হ'ল। গতিকে 'Workshop of the world' আখ্যা পোৱা দেশখনৰ বস্ত্ৰ উদ্যোগ বা অন্যান্য উদ্যোগ চলাবলৈ যি কেচামালৰ দৰকাৰ সেই কঁপাহ বা আন কেঁচামাল ভাৰত বা এচিয়া, আফ্ৰিকা মহাদেশত থকা উপনিবেশবোৰৰ পৰা ইংলণ্ডলৈ যায় আৰু তেওঁলোকৰ উদ্যোগত তৈয়াৰী বস্তুবোৰৰ বজাৰ হ'ল আকৌ সেই উপনিবেশবোৰ। গতিকে আহোমৰ বিপৰ্যস্ত অসমৰ মাজতে তেওঁলোকে মুনাফাৰ সন্ধান কৰে। আনহাতে আহোমৰ দিনত হোৱা মুছলমানৰ আক্ৰমন, মানৰ আক্ৰমন, বিভিন্ন ফৈদৰ দ্বন্দ্ব-খৰিয়াল, মোৱামৰীয়া বিদ্ৰোহ আদিয়ে অসমৰ সমাজ জীৱনো জুৰুলা কৰিছিল। মৰাণসকলৰ বিদ্ৰোহে আহোমৰ অসমত নতুন ৰাজনৈতিক অস্থিৰতা আৰু সামাজিক বিন্যাসৰ সৃষ্টি কৰে যিটো কথা বিশিষ্ট বুদ্ধিজিৱী ধ্ৰুৱজ্যোতি বৰা, অমলেন্দু গুহ আদিয়ে সুন্দৰকৈ নিজ নিজ গ্ৰন্থত ফঁহিয়াই দেখুৱাইছে। পাশ্চাত্য সাহিত্যত আহোমৰ দিন বা ব্ৰিটিছৰ দিনৰ এইবোৰ কথা আপাত দৃষ্টি অপ্ৰয়োজনীয় যেন লাগিব পাৰে। কিন্তু সমসাময়িক অসমৰ সামাজিক অৱস্থা আৰু ব্ৰিটিছাধীন অসমৰ আধুনিকতাৰ স্বৰূপ বুজিবলৈ এই সময়ছোৱাৰ সকলো কথা ভালদৰে জনাটো পাশ্চাত্য সাহিত্যৰ লগত যিকোনো গৱেষণা কৰ্মৰ ক্ষেত্ৰত অপৰিহাৰ্য। এয়া গৱেষণা পদ্ধতিৰ ভিতৰতে পৰে। মানৰ তিনিওটা আক্ৰমণত অসমৰ সমাজ জীৱনত বহুতো প্ৰভাৱ পৰে। বহুত মানুহৰ মৃত্যু হয়, বহুতো গৃহহাৰা হৈ পলায়ণ কৰে, ফলত অসমৰ বিভিন্ন স্থানত জনসংখ্যাগত গাঁথনিত পৰিৱৰ্তন ঘটে। ব্ৰিটিছৰ ডেৰশ বছৰীয়া শাসণ-শোষণে আধুনিকতাৰ উন্মেষ ঘটালেও ইমানবোৰ সম্পদ থকা সত্ত্বেও অসমৰ অৰ্থনীতিত কোনো মৌলিক পৰিবৰ্তন নহ'ল। বিশিষ্ট বুৰঞ্জীবিদ হেৰম্ব বৰপূজাৰীয়ে 'Assam in the days of Company' আৰু 'A Comprehensive History of Assam'

নামৰ কিতাপ দুখনত খুব সবিস্তাৰে সেই কালছোৱাৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ছবিখন অংকন কৰিছে। কোম্পানীৰ শাসনকালতে অসমত ইংৰাজী শিক্ষাৰ প্ৰচলন হয়। বিষয়াবৰ্গৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ স্বাৰ্থতে তেওঁলোকে কিছু শিক্ষানুষ্ঠান পাতে। ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ ইংৰাজ শাসকৰ 'Divide and Rule' নীতিৰ বাবে অসমীয়া ভাষাৰ ঠাইত বঙালী ভাষা স্কুলৰ, আদালত-কাৰ্যালয়ৰ ভাষা হৈ পৰে। বঙালী ভাষী আৰু অসমীয়া ভাষী মানুহৰ মাজৰ মাজত কাজিয়াৰ সৃষ্টি কৰিবলৈকে ইংৰাজ কৰ্তৃপক্ষই অসমত সেই কামটো কৰে। অৱশ্যে কিছু বঙালী কেৰানী-মহৰীয়েও ইংৰাজসকলক অসমীয়া ভাষা বঙালী ভাষাৰ ঠাল বুলি বুজাই দিয়াৰ বাবেও শাসকশ্ৰেণীয়ে এই সুবিধাটো গ্ৰহণ কৰে। গতিকে শিক্ষা ব্যৱস্থা বিপৰ্যস্ত। বঙালীসকলে সাৰ্বজনীন দুৰ্গাপূজা, সৰস্বতী পূজা, নাট্যাভিনয় আৰু যাত্ৰাৰ প্ৰচলনৰে মনোৰঞ্জনৰ বাবে কিছুমান পদক্ষেপ হাতত লয়; ফলত অসমত আধুনিক সংস্কৃতিৰ আৰম্ভণি হয়। ইংৰাজ শাসকসকলেও নতুন প্ৰশাসনিক ব্যৱস্থা, ৰেললাইন, টেলিগ্ৰাফ, ৰাষ্ট্ৰাঘাট নিৰ্মাণ, চাহ আৰু তেল উদ্যোগ, সীমিত নগৰীকৰণ, নতুন ৰাজহ ব্যৱস্থা, লোকপিয়ল ইত্যাদিৰে নতুন ৰাষ্ট্ৰ ব্যৱস্থা এটি গঢ়ি তোলে ঔপনিবেশিক স্বাৰ্থৰ প্ৰয়োজনতে। প্ৰয়োজন স্বত্তেও কলেজীয়া শিক্ষাৰ প্ৰচলন ঊনৈশ শতিকাত নহ'ল। ৰাইজৰ ধাৰাবাহিক দাবীৰ প্ৰতি সঁহাৰি দি ১৯০১ চনতহে কটন কলেজ স্থাপন কৰে। অৰুণোদই আলোচনীৰ জৰিয়তে ব্যাপ্টিষ্ট মিচনেৰীসকলে আধুনিক সাহিত্যৰ কেতবোৰ দিশ যথা উপন্যাস, অনুবাদ সাহিত্য, বিভিন্ন বিষয় আৰু বাতৰি কাকতৰ সূচনা কৰে। এই ব্যৱস্থাবোৰৰ সৰহখিনিয়ে ঔপনিবেশিক শাসন আৰু শাসকক উপকাৰ কৰাৰ বাবে গঢ়া হৈছিল যদিও অসমৰ স্থানীয় নতুন মধ্যবিত্ত শ্ৰেণীৰ দুই/চাৰিজনেও এই সুযোগ গ্ৰহণ কৰি উপকৃত হ'ল। ঢেকিয়াল ফুকনৰ ঘৰৰ ল'ৰা কলিকতালৈ গৈ ইংৰাজী শিক্ষা গ্ৰহণ কৰে। পিচলৈ লক্ষ্মীনাথ বেজবৰুৱা, হেম গোস্বামী, ৰজনীকান্ত বৰদলৈ, চন্দ্ৰকুমাৰ আগৰৱালা আদি আদ্যোপান্ত ঘৰৰ ল'ৰা কিছুমানে কলিকতালৈ গৈ উচ্চ শিক্ষা গ্ৰহণ কৰে আৰু কলিকতাৰ পৰাই এটি আধুনিক সাহিত্য-সংস্কৃতিৰ আন্দোলন গঢ়ি তোলে। 'অৰুণোদই'ৰ সাহিত্যিক Spiritটোক তেওঁলোকে যথেষ্ট আগুৱাই লৈ গৈ অসমীয়া সাহিত্যৰ ভঁৰাল নানা ধৰণৰ কবিতা, গল্প-উপন্যাস, জীৱনী-আত্মজীৱনী, হাস্য-ব্যঙ্গ ৰচনা আৰু আন আন প্ৰৱন্ধ আদিৰে উপচাই পেলায়। এয়া ইংৰাজী শিক্ষা আৰু কলিকতীয়া সংস্কৃতিৰে প্ৰভাৱ। ব্ৰিটিছৰ অধীনত গঙ্গা গোবিন্দ বৰুৱা আদি দুই-একে ব্ৰিটিছৰ অধীনত থাকিয়েই চাহ বাগান খুলি ব্যৱসায় আৰম্ভ কৰে। কিন্তু ব্ৰিটিছৰ অধীন নোহোৱাকৈ স্বাধীনতভাৱে চাহখেতি কৰিব বিচৰা বাবে মণিৰাম দেৱানে তেওঁলোকৰ ৰোষত পৰে আৰু শেষত ৰাজদ্ৰোহৰ অপৰাধত ব্ৰিটিছ কৰ্তৃপক্ষই



ফাঁচী দি মাৰে। অসমীয়া মানুহৰ স্বাধীন ব্যৱসায় তেনেকৈৰে টেটু চেপি ইংৰাজে হত্যা কৰিব খোজে। গতিকে ঔপনিবেশিক শাসনৰ ছত্ৰছায়াত থাকিয়ে অসমীয়া নতুন মধ্যবিত্ত শ্ৰেণীয়ে চাকৰি-বাকৰি আৰু ব্যৱসায়ত কিছু সফলতা অৰ্জন কৰে। কিন্তু তেনেকুৱা সফল ব্যক্তি আঙুলিৰ মূৰত খেলিব পৰা। অৰুণোদইৰ পৰম্পৰাটোক বেজবৰুৱাৰ আগতে হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই সবলভাৱে প্ৰতিষ্ঠা কৰে আৰু পিচলৈ 'জোনাকী' আৰু 'বিজুলী' চক্ৰ দুটাই এটা পৰম্পৰাক নানা ফচলেৰে সমৃদ্ধশালী কৰে। গতিকে এই যাত্ৰাপথ আছিল কণ্টকাপূৰ্ণ আৰু কৌশলপূৰ্ণ। Postcolonialism সাহিত্যতত্বৰ অৱলম্বনত আজি আমি সেইবোৰ কথা নিৰ্মোহভাৱে বিশ্লেষণ কৰা দৰকাৰ, যিটো পাশ্চাত্য সাহিত্যৰ লগত সম্পৰ্কিত। এই পটভূমিটো যিকোনো পাশ্চাত্য সাহিত্য-সম্পৰ্কিত বিষয়ৰ লগত গৱেষনাৰ লগত জড়িত আৰু সেই বিষয়ৰ প্ৰতিজন গৱেষকে অধ্যয়নৰ প্ৰাৰম্ভতে ভালদৰে জানি বুজি লব লাগিব। এইখিনি কৰোতে কোনো ধৰাবন্ধা নিয়ম নাই, সুবিধা অনুযায়ী অধ্যয়ন, সাক্ষাৎকাৰ, প্ৰশ্নাৱলী, নিজা পৰ্যবেক্ষণ আদিৰ জৰিয়তে তথ্য সংগ্ৰহ কৰি গৱেষণাত ব্ৰতী হোৱাটো প্ৰয়োজনীয় কথা।

এতিয়া অহা যাওক, পাশ্চাত্য সাহিত্য-সংস্কৃতিৰ লগত জড়িত বিষয় এটাৰ ক্ষেত্ৰ অধ্যয়ন আৰু তথ্য সংগ্ৰহৰ সমস্যাটো কিদৰে সমাধান কৰা যাব। পাশ্চাত্য সাহিত্যৰ পটভূমি সম্পূৰ্ণ সুকীয়া। কেমুৰ উপন্যাসৰ, চেমুৱেল বেকেটৰ নাটক, জেমচ জয়চৰ উপন্যাস বা কাফ্‌কাৰ গল্প বা টি.এচ. এলিয়টৰ কবিতাৰ নেপথ্যত এনে এখন সমাজ আছে য'ত বস্তুবাদী সভ্যতাৰ চূড়ান্ত শিখৰত উপনীত হৈছে বা মানৱতাৰ পতন হৈছে। যুদ্ধ আৰু মানৱতাহীনতাই এই সমাজখনক বিচ্ছিন্ন আৰু নিঃসঙ্গ কৰি তুলিছে। পুঁজিবাদী ব্যৱস্থাত যান্ত্ৰিক সভ্যতাৰ চূড়ান্ত বিন্দুটোত সকলো মানুহ একোটা দ্বীপলৈ ৰূপান্তৰিত হয়। উদ্যোগীকৰণ, নগৰীকৰণ প্ৰক্ৰিয়াই সমূহীয়া জীৱনৰ (Community life) কথা তল পেলাই দিয়ে —য'ত কেৱল 'মই', 'মোৰ' জাতীয় ব্যক্তি স্বাৰ্থই অনবৰতে ক্ৰীয়াশীল হৈ থাকে। Orientalism বা প্ৰাচ্যতত্বৰ আধাৰত বিচাৰ কৰিলে দেখা যায় আমাৰ তুলনাত ই সম্পূৰ্ণ ওলোটা প্ৰকৃতিৰ সমাজিক/ৰাজনৈতিক পৰিবেশত গঢ় লোৱা। এইটো কথা সৰ্বজন বিদিত যে ইউৰোপীয় সভ্যতা এশ শতাংশই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত প্ৰতিষ্ঠিত আৰু নিৰ্ভৰশীল। নৱজাগৰনে ইউৰোপত বিজ্ঞান, দৰ্শন, সাহিত্য শিল্পৰ উন্নতি সাধন কৰাৰ পিচত ১৮শ শতিকাত হোৱা শিল্প বিপ্লৱে সমগ্ৰ ইউৰোপত উৎপাদন আৰু বজাৰ অৰ্থনীতিৰ চেহেৰা সলনি কৰি দিয়ে। এচিয়া, আফ্ৰিকা মহাদেশৰ উপনিবেশসমূহৰ কেচামালেৰে ইংলণ্ড বা অন্যান্য ইউৰোপীয় দেশে নিজৰ উদ্যোগ চলাই সেই দেশসমূহতে সামগ্ৰী বিক্ৰি কৰি মুনাফা লুটে। ইউৰোপ-

আমেৰিকাত ১৯শ শতিকাতে বা কুৰি শতিকাৰ প্ৰথম দুটা দশকৰ ভিতৰতে আধুনিকতাবাদী শিল্প-সাহিত্যৰ আন্দোলনসমূহে পূৰ্ণতা লাভ কৰে। উত্তৰ আধুনিকতাবাদী চিন্তা-চেতনাইও যুদ্ধৰ পিচৰ পৰাই এই ভূখণ্ডত নানা ৰূপত প্ৰকাশ পায়। এনে প্ৰেক্ষাপটতে গ্ৰাম্চি বা ডেৰেডাৰ চিন্তা আৰু তত্বই প্ৰাণ পাইছে। সেইবাবেই ইউৰোপ-আমেৰিকা ভাৰতীয় উপমহাদেশতকৈ বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ আবিষ্কাৰ আৰু প্ৰয়োগৰ ক্ষেত্ৰত প্ৰায় এক শতিকা আগত। চিন্তা-চেতনাৰ ফালৰ পৰা তেওঁলোক বহুত আগত। ১৯১০চনৰ আশে-পাশে মানুহৰ আচৰণৰ পৰিবৰ্তন হয় বুলি বিখ্যাত ঔপন্যাসিক ভাৰ্জিনিয়া উল্ফে লিখিছে। এয়া আধুনিকতাৰ আগজাননী। পাশ্চাত্যৰ উন্নত দেশৰ সমাজত ব্যক্তি কেন্দ্ৰিকতাই মূলকথা। এনেকুৱা সামাজিক পৰিৱেশতে কালজয়ী সাহিত্য অথবা শিল্পৰ জন্ম হৈছে ইউৰোপত। তাৰ বিপৰীতে অসমত ইতিমধ্যে উল্লেখ কৰাৰ দৰে আধুনিকতাৰ সূচনা হয় ১৮২৬ চনৰ পিচৰ পৰাহে। প্ৰায় এক শতিকাৰ পাৰ্থক্য—চিন্তাত, সাহিত্য বা বিজ্ঞানত। এই পাৰ্থক্যখিনিৰ বাবেই আমাৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত নভবা-নিচিন্তাকৈ পাশ্চত্যৰতত্বসমূহ যধে-মধে প্ৰয়োগ কৰিব নোৱাৰো। আমাৰ পৰিবেশৰ লগত তালমিল কৰিহে সেইবোৰ প্ৰয়োগ কৰিব লাগে। আমাৰ সমাজত উত্তৰ-আধুনিকতাৰ পৰিবেশ এতিয়াও ৰচিত হোৱা নাই। কেনোবাই সেই জাতীয় সাহিত্য সৃষ্টি কৰিলেও তাৰ প্ৰেক্ষাপট পশ্চিমৰ সমাজহে, যিটো তেওঁ অধ্যয়নৰ জৰিয়তে শিকিছে বা জানিছে। পুঁজিবাদৰ পূৰ্ণ বিকাশ আমাৰ ৰাজ্যত এতিয়াও হোৱা নাই, বহু ক্ষেত্ৰত সামন্তবাদৰ লগত ই সহাৱস্থান কৰিছে। সেইবাবে ব্যক্তি স্বাতন্ত্ৰতাৰ বিকাশ মন্তৰ। নাগৰিক সমাজ বা নাগৰিকৰ অধিকাৰ সম্পৰ্কে হোৱা সামাজিক আন্দোলনবোৰো আমাৰ ইয়াত বহুত পলমকৈ আৰম্ভ হৈছে। এইক্ষেত্ৰত স্বাক্ষৰতাৰ হাৰ, উদ্যোগৰ মন্থৰতা বা কৃষিৰ প্ৰাধান্যতাৰ দৰে উপাদানবোৰ আছেই। সম্পূৰ্ণ আধুনিক জীৱন-যাত্ৰাৰ পথৰ শেষ বিন্দুত উপস্থিত হ'বলৈ এতিয়াও বাকী। অৱশ্যে ছপা মাধ্যম, ইলেক্ট্ৰনিক মাধ্যম আৰু গোলকীকৰণৰ ফল স্বৰূপে কিছুমান কথা আৰু মূল্যবোধে আমাৰ সমাজৰ সকলো স্তৰৰ মানুহকে স্পৰ্শ কৰিছে। কিছুমান ডাঙৰ বিজ্ঞানীৰো অন্ধবিশ্বাস থকা দেখা যায়, বিশেষকৈ ধৰ্মীয় বিশ্বাস বা জ্যোতিষশাস্ত্ৰৰ প্ৰভাৱ সম্পৰ্কত। প্ৰাচ্য আৰু পাশ্চাত্যৰ সামাজিক জীৱনৰ পাৰ্থক্যখিনি অনুধাৱন নকৰাকৈ আমি কেতিয়াও পাশ্চাত্য সাহিত্যৰ অধ্যয়ন বা তুলনামূলক অধ্যয়ন কৰিব নোৱাৰে। সেই কথাখিনি প্ৰত্যেকজন গৱেষকে জনা উচিত। সেইবাবেই অসম আৰু পাশ্চাত্যৰ সমাজ জীৱন বা প্ৰেক্ষাপটখিনি কি কি হ'ব পাৰে তাক গৱেষনাৰ অংশ হিচাবে উল্লেখ কৰা হ'ল। পাশ্চাত্যৰ জীৱন আৰু সাহিত্য সম্পৰ্কে তথ্য সংগ্ৰহ কৰিবলৈ হ'লে এইক্ষেত্ৰৰ গৱেষক এজনে মাত্ৰ



এবাৰ হ'লেও সংশ্লিষ্ট দেশসমূহ ভ্ৰমণ কৰা ভাল। প্ৰাথমিক তথ্য (Primary data) সমূহ সাক্ষাৎকাৰ (Interview), প্ৰশ্নাৱলী (Questionnaire) আৰু মূল গ্ৰন্থসমূহ অধ্যয়ন কৰি উলিয়াব লাগিব। উদাহৰণ স্বৰূপে অসমীয়া ৰোমাণ্টিচিজম্ আৰু কোনোবা কবিৰ কাব্যৰ লগত ইংৰাজ ৰোমাণ্টিচিজম আৰু কোনো কবিৰ তুলনামূলক অধ্যয়নৰ বাবে ইংলণ্ড ভ্ৰমণ কৰিবই লাগিব। শ্বেলী-কীটচ-বাইৰন-ৱৰ্ডচৱৰ্থ-কলেৰিজ আদিৰ জন্মস্থান, শিক্ষাস্থান বা কৰ্মস্থান ভ্ৰমণ কৰি বহুতো তথ্য সংগ্ৰহ কৰিব পৰা যায়। এই স্থানসমূহৰ আন মানুহকো সাক্ষাৎ কৰিব লাগিব। ইংৰাজ কবিসকলৰ বন্ধু-বান্ধৱ বা পৰিয়ালৰ লোকসকলক সাক্ষাৎ কৰি বহুতো কথাৰ সম্ভেদ পোৱা যাব। সেইবোৰ তথ্য কিতাপ পঢ়ি পাব নোৱাৰি। সেইবোৰ দেশৰ পুথিভঁৰালসমূহো ভ্ৰমণ কৰিব লাগে। অসমৰ পুথিভঁৰালত নোহোৱা বহুতো মূল্যৱান গ্ৰন্থ তাত পোৱা যাব। Secondary data সংগ্ৰহৰ বাবে এইটো উত্তৰ সুযোগ। ৰোমাণ্টিক কবিবোৰৰ স্মৃতি-সৌধবোৰৰ ফটো সংগ্ৰহ কৰাটো এটা ডাঙৰ কথা। পাশ্চাত্যৰ ৰোমাণ্টিচিজমৰ বাবে এই তথ্যবোৰ গুৰুত্বপূৰ্ণ। স্বাভাৱিকভাৱেই এনেকুৱা বিষয়ৰ গৱেষণা অতি খৰচী আৰু চৰকাৰী বা বেচৰকাৰী বৃত্তি অবিহনে গৰিষ্ঠ সংখ্যক গৱেষকৰ বাবে সেয়া আকাশত চাং পতাৰ নিচিনা কথা। এবাৰ ভ্ৰমণ কৰি বাকী বহু কথা Internet-ৰ সহায়তো আমি সংগ্ৰহ কৰিব পাৰো। আমাৰ দেশত পুথিভঁৰালত পোৱা কিতাপবোৰ Secondary data উৎস হিচাবে ব্যৱহাৰ অৱশ্যেই কৰিবই লাগিব। কবি বা কাব্যৰ ওপৰত নিৰ্মিত documentary বোৰেও বহুতো তথ্যৰ যোগান ধৰিব পাৰে। তেনেকুৱা উৎসবোৰৰ সন্ধান কৰি তালিকাভুক্ত কৰাটোও এটি ডাঙৰ কাম। আনহাতে, ইউৰোপ-আমেৰিকাত পঢ়ি অহা মানুহ বা প্ৰবাসী ভাৰতীয়ইও (NRI) গৱেষকক বহুতো তথ্যৰ সন্ধান দিব পাৰে। তাৰোপৰি গৱেষকৰ নিজস্ব পৰ্যবেক্ষণ আৰু অন্তদৃষ্টিৰো এটা সুকীয়া মূল্য আছে এইবোৰ গৱেষণা কাৰ্যত। পাশ্চাত্যৰ দেশৰ জীৱন-যাত্ৰা বা সমাজ জীৱন অধ্যয়ন কৰাৰ বাবে কেৱল প্ৰণালীৱদ্ধ পদ্ধতিয়েই সকলো নহয়। গৱেষকৰ বুদ্ধি বৃত্তি আৰু দৃষ্টিভঙ্গীয়েও বহুতো কথা সহজ কৰি তোলে। ৰোমাণ্টিচিজমৰ লগত ফৰাচী বিপ্লৱৰ এটি সম্পৰ্ক আছে। সাম্য মৈত্ৰী-ভাতৃত্বৰ বাণী হ'ল ফৰাচী বিপ্লৱৰ মূলমন্ত্ৰ। ৰুচো-ভল্টেয়াৰৰ দ্বাৰা এই মন্ত্ৰ উচ্চাৰিত হৈছে। গতিকে পাশ্চাত্য ৰোমাণ্টিচিজম্ অধ্যয়ন কৰিব বিচৰা গৱেষকজনৰ যদি দৃষ্টিভংগী প্ৰতিক্ৰিয়াশীল (Recctionary) হয়, দৃষ্টিভংগীৰ উদাৰতা নাই, তেওঁ সাম্য-মৈত্ৰী-ভাতৃত্বৰ মন্ত্ৰ হয়তো হৃদয়ঙ্গম কৰিবই নোৱাৰিব। ৰুচো-ভল্টেয়াৰ পঢ়িব লগাও হ'ব পাৰে। কিন্তু ৰুচোৰ লগত ৰোমাণ্টিক কবিতাৰ কি সম্পৰ্ক? এয়াই হ'ল গৱেষকৰ নিজস্ব গুণ, দক্ষতা আৰু পদ্ধতি। প্ৰণালীবদ্ধ গৱেষনা পদ্ধতিত সেয়া লিপিৱদ্ধ নাথাকে।

# শৈলীবিজ্ঞান ঃ অধ্যয়নৰ পৰিসৰ আৰু পদ্ধতি

ড° অনুৰাধা শৰ্মা

সাহিত্যৰ বিচাৰ-বিশ্লেষণত শৈলীবিজ্ঞানৰ বিষয়টোৱে ক্ৰমে গুৰুত্ব লাভ কৰিবলৈ ধৰিছে; কাৰণ শৈলীবিজ্ঞান এতিয়া কেৱল ভাষিক দিশবোৰৰ খুঁটি-নাটি বিচাৰ কৰাৰ বিজ্ঞান নহয়। শৈলীৰ বিশ্লেষণে সাহিত্য পাঠৰ ভাষিক বৈশিষ্ট্যবোৰ বিচাৰ কৰাৰ লগতে পাঠটোৰ সামগ্ৰিক সাহিত্যিক সৌন্দৰ্য আৰু গুণাৱলীক তুলি ধৰাৰ প্ৰয়াস কৰে। ভাষাৰ যাদুকৰী শক্তি আৰু সাহিত্যক মূৰ্তিমান কৰি তোলা ইয়াৰ মোহনীয় ৰূপটোৰ সামগ্ৰিক আবেদনৰ চৰ্চাই সাহিত্য পাঠৰ আলোচনাত শৈলীবিজ্ঞানৰ গুৰুত্ব বঢ়াই তুলিছে। সেইবাবেই শৈলীবিজ্ঞানৰ চৰ্চা বা প্ৰয়োগৰ পৰিসৰ আৰু পদ্ধতি সম্পৰ্কে কিছু সাধাৰণ ধাৰণা থকাটো একান্ত বাঞ্চনীয়।

কোনো বিষয় অধ্যয়নৰ ক্ষেত্ৰত আমি পৰিসৰ আৰু পদ্ধতিৰ কথা তেতিয়াহে উত্থাপন কৰোঁ, যেতিয়া আমাৰ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ফটফটীয়া হৈ থাকে। অৰ্থাৎ আমি প্ৰথমে এই অধ্যয়নৰ মাজেৰে কি বিচাৰ কৰিম আৰু কিয় বিচাৰ কৰিম সেইটো ঠিক কৰিব লাগিব। এইখিনি কথা ঠাৱৰ কৰিব পাৰিলেই অধ্যয়নৰ পৰিসৰ নিৰ্দিষ্ট হৈ পৰিব আৰু এই অধ্যয়নৰ বাবে পদ্ধতিগত দিশটোও পৰিষ্কাৰ হৈ পৰিব। সেয়েহে শৈলীবিজ্ঞানৰ পৰিসৰ আৰু পদ্ধতিৰ কথা আলচ কৰাৰ আগেয়ে ইয়াৰ অধ্যয়নৰ লক্ষ্য-উদ্দেশ্যৰ বিষয়ে কিছু কথা উল্লেখ কৰিব লাগিব।

সাহিত্য এনে এক অনন্য সৃষ্টি যে হাজাৰ বছৰ ধৰি প্ৰাচ্য-পাশ্চাত্যৰ মনীষীসকলক ই মোহাচ্ছন্ন কৰি ৰাখিছে আৰু ইয়াৰ আত্মা অন্তৰ্নিহিত ৰহস্য, সত্তা, বৈশিষ্ট্য আদি বিচাৰ কৰাৰ বাবে তত্ত্বানুৰাগীসকলে অবিৰাম প্ৰচেষ্টা অব্যাহত ৰাখিছে। অৱশ্যে আমাৰ এই আলোচনা মূলতঃ পাশ্চাত্য ষ্টাইলিষ্টিক (Stylistics) অধ্যয়নে সামৰি লোৱা বিষয়ৰ মাজতেই সীমাৱদ্ধ। এই ষ্টাইলিষ্টিক বা শৈলীবিজ্ঞানৰ লক্ষ্য



হৈছে সাহিত্যত ভাষাৰ প্ৰয়োগ তথা অভিনৱত্বৰ অন্বেষণ। এইখিনিতে উল্লেখ কৰা ভাল যে শৈলী আৰু শৈলীবিজ্ঞানৰ মাজতো কিন্তু ধাৰণাগত এক বিভ্ৰান্তি আছে। শৈলী বিষয়টো ইমান ব্যাপক যে ই কোনো বস্তু প্ৰকাশৰ ৰীতি, প্ৰণালী, ভংগী, নিপুণতা বা কলাপদ্ধতি আদিকো সামৰি লয়। সেয়ে, সাজ-পোছাক, কেশবিন্যাস, পুষ্পসজ্জা, গৃহনিৰ্মাণ এইবিলাকতো শৈলী বা ষ্টাইল শব্দ ব্যৱহাৰ কৰা হয়। শৈলী শব্দই ব্যাপক অৰ্থ বুজালেও কিন্তু শৈলীবিজ্ঞানৰ উদ্ভৱ হৈছে আধুনিক ভাষাবিজ্ঞান চৰ্চা আৰু সমালোচনাতত্ত্বৰ বিশাল প্ৰেক্ষাপটতহে। আমাৰ এই আলোচনাত যি শৈলীৰ কথা কোৱা হৈছে সেয়া শৈলীবিজ্ঞান আধাৰিত পৰিভাষাহে। অৱশ্যে শৈলীবিজ্ঞানতো শৈলী শব্দটো ব্যাপক অৰ্থতেই ব্যৱহাৰ হয়। যেনে—

(ক) ভাষাৰ নান্দনিকতা প্ৰকাশ
(খ) ভাষাৰ প্ৰকাশভংগী
(গ) সমাৰ্থক শব্দ বা ৰূপৰ পৰা কোনো বিশেষ ৰূপৰ নিৰ্বাচন
(ঘ) ভাষাৰ আৱেগিক আৱহ (emotional colour)
(ঙ) এক বিশেষ কৌশলৰ (stylistic device) প্ৰয়োগ প্ৰণালী
(চ) কেতবোৰ উপ-প্ৰণালীৰ ভিতৰত সাহিত্যৰ ভাষাক সজাই তোলা
(ছ) ভাষা আৰু ভাবনাৰ আন্তঃসম্পৰ্ক
(জ) ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত লেখকৰ ব্যক্তিগত বৈশিষ্ট্য

এই বিষয়বোৰ শৈলীগত বিশ্লেষণত সামৰি লোৱা হয়। শৈলীৰ পৰম্পৰাগত দিশটো সামৰি M. H. Abrams- এ কৈছে ঃ ‘‘Style has traditionally been defined as the manner of linguistic expression in prose or verse- as how speakers or writers say whatever it is that say.’’(A Glossary of Literary Terms, 2007, p.312) অৰ্থাৎ গদ্য আৰু পদ্যৰ ভাষিক প্ৰকাশৰ ধৰণেই হৈছে শৈলী আৰু বক্তা বা লেখকে কেনেকৈ প্ৰকাশ কৰিছে বা সেইধৰণে প্ৰকাশ কৰাৰ উদ্দেশ্যে কি সেই বিষয়কো শৈলীয়ে সামৰি লয়। সাধাৰণভাৱে ক'বলৈ হ'লে পদ্য আৰু গদ্যৰ ৰূপ নিৰ্মাণ কৰা ভাষিক সমলৰ বিচাৰ-বিশ্লেষণকে শৈলীবিজ্ঞানৰ লক্ষ্যই সামৰি লয়।

সাহিত্য যিহেতু ভাষা শিল্প, গতিকে লিখিত বা কথ্য ভাষাৰ মাধ্যমত তাৰ প্ৰকাশ ঘটে। শৈলীবিজ্ঞানে এই কথাক নতুনভাৱে উপলব্ধি কৰাইছে। সাহিত্য কলাৰ আধাৰ কেৱলমাত্ৰ ভাষাই। সাহিত্যৰ পাঠত (text), যেনে- উপন্যাসত নিহিত চৰিত্ৰ, প্লট, কাহিনী স্বতন্ত্ৰ উপাদান; এইবোৰ উপন্যাসৰ পৰা বিচ্ছিন্ন নহয়; অবিচ্ছেদ্য। ভাষাৰ

বিন্যাসেৰে এই অপৰিহাৰ্য উপাদানবোৰ উপন্যাসত গাঁথা থাকে। সাহিত্যৰ লগত ভাষাৰ এই সম্পৰ্কৰ বাবেই পাঠৰ ভাষাৰ বিচাৰ তথা সূক্ষ্ম বিশ্লেষণ শৈলীবিজ্ঞানৰ বিচাৰ্য বিষয় হৈ পৰিছে।

সাহিত্যৰ শ্ৰেণীগত (genre) ভাগ-উপভাগবোৰ বহুসময়ত শৈলীবিচাৰৰ পৰা স্পষ্ট হৈ উঠে। যেনে- কবিতা, নাটক, উপন্যাস, গল্প, প্ৰবন্ধ, ৰম্য ৰচনা আদিৰ ৰূপ গঠন আৰু প্ৰকাশত যি ধৰণৰ ভাষিক সমল ব্যৱহাৰ কৰা হয় তাৰ দ্বাৰাই ইয়াৰ ভাগবোৰ স্পষ্ট হৈ উঠে। সাহিত্য জীৱনৰ অনুকৃতি; গতিকে ইয়াক পাঠকৰ (readers) বিশ্বাসযোগ্য ৰূপত উপস্থাপন কৰিবলৈ হ'লে উপযুক্ত ভাষিক সমলৰ প্ৰয়োজন। ইয়াতেই আহি পৰে লেখকৰ দক্ষতা। তেওঁ কিমান দক্ষতাৰে বৰ্ণনীয় বিষয় সৰস কৰি তোলাৰ লগতে পাঠকক পতিয়ন নিয়াবলৈ সমৰ্থ হৈছে সেয়া শৈলীবিজ্ঞানে অধিক স্পষ্ট ৰূপত ব্যাখ্যা কৰিব পাৰে। বৰ্ণনীয় বিষয় সৰস কৰি তোলাৰ লগত জড়িত হৈ আছে লেখকৰ নান্দনিক চেতনা, এই নান্দনিক চেতনা কি ধৰণে মূৰ্ত হৈ উঠে সেয়াই শৈলীবিচাৰৰ আলোচ্য বিষয়।

ৰচনাৰ ৰূপ (form) আৰু বিষয়ৰ (content) মাজৰ সম্পৰ্কৰ সংযোগ আৱিষ্কাৰ কৰাই শৈলীবিজ্ঞানৰ কাৰ্য। সাহিত্যৰ বিভিন্ন স্তৰত শৈলীৰ প্ৰকাৰ ৰূপ কিদৰে গঢ়ি উঠিছে বা শৈলীগত বৈচিত্ৰ্য কিদৰে স্বতন্ত্ৰ তথা ব্যতিক্ৰমী হৈ উঠিছে শৈলী বিচাৰত সেয়াও ধৰা পৰে। লেখকৰ বিশেষ প্ৰকাশভংগীৰ আঁৰৰ প্ৰেৰণা অৰ্থাৎ যি ব্যতিক্ৰমী ৰূপ তাৰ আঁৰত বা কাৰ্যকাৰণ হিচাপে থকা শক্তি, শৈলীৰ নিৰ্দেশক কাৰক (determining factor), শৈলীৰ বিশেষ প্ৰকাশ ৰূপৰ প্ৰকৃতি, অৰ্থাৎ ধ্বনি, শব্দ বা বাক্য গঠনৰ বৈশিষ্ট্যই কিদৰে এই প্ৰকাশ ভংগীক বিশিষ্টতাপূৰ্ণ কৰি তুলিছে, শৈলীগত কৌশল (stylistic devices)- এই সকলোবোৰ বিষয় শৈলীবিজ্ঞানে সামৰি লয়। ভাষিক সমলৰ পৰিমিতি, সন্তুলন, পৰিসংখ্যা তথা তাৰ বাহ্যিক গঠন (surface structure) আৰু আভ্যন্তৰীণ গঠনৰ (deep structure) আলোচনাৰে সাহিত্য পাঠৰ (text) সৌন্দৰ্য আৰু অন্তৰ্নিহিত সত্য আৱিষ্কাৰ কৰাই শৈলীবিজ্ঞানৰ লক্ষ্য। তদুপৰি, বিশেষ সামাজিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটত ভাষা প্ৰয়োগৰ বিশিষ্টতা আৰু ভাষা প্ৰয়োগত লেখকৰ সচেতন, অসচেতন বা অৱচেতন মনৰ ভূমিকা বা দৃষ্টিভংগী আদিও শৈলীবিজ্ঞানৰ সন্ধানগত বিষয়। অৱশ্যে, এইখিনিতে এই কথাও মনলৈ আহিব পাৰে— শৈলী বিচাৰত কাব্য, নাটক, উপন্যাস আদিৰ ধ্বনি, শব্দ, বাক্য আদি বিশ্লেষণ কৰোঁতে যি ধৰণে খণ্ড খণ্ড কৰা হয়, তেতিয়া ইয়াৰ সামগ্ৰিক সৌন্দৰ্য নষ্ট হয় নেকি বা এক নিটোল শিল্পৰূপক মাত্ৰ ধ্বনি, শব্দ, বাক্যৰ সমষ্টি বা বিন্যাস বুলিহে গণ্য কৰা হয়



নেকি? এই ধাৰণাটো প্ৰকৃততে ভিত্তিহীন। ধ্বনি, শব্দ বা বাগধাৰা (discourse) আদিৰে কিদৰে এক নিটোল শিল্পৰূপ গঢ় লৈ উঠে তাকহে শৈলীবিজ্ঞানে বিশ্লেষণ কৰে। সাহিত্যৰ প্ৰকৃত সৌন্দৰ্য অনুধাৱন কৰাত বা শিল্পৰূপত আবেদন সৃষ্টিৰ উপাদানবিলাক চিনাক্ত কৰাত শৈলীবিজ্ঞানে সহায় কৰে। এয়া বিজ্ঞানৰ গৱেষণাগাৰৰ বেৰচ্ছেদন টেবুলত (desection table) টুকুৰা টুকুৰ কৰি কৰা পৰীক্ষা নহয়। ই বিভিন্ন ভাষিক উপকৰণৰ মাধ্যমত গঢ় লৈ উঠা শিল্পৰূপৰ নিৰ্মাণ কৌশলত নিহিত থকা নান্দনিক চেতনা উৎঘাটনৰ প্ৰয়াস। বিশেষ ভাষিক সমলে ভাবনাক কিদৰে তীব্ৰ কৰি তোলে তাৰ বিচাৰ-বিশ্লেষণ শৈলীবিজ্ঞানে সামৰি লয়।

গতিকে শৈলীবিজ্ঞান ভাষাৰ উপাদানবিলাকৰ (ধ্বনি, শব্দ, বাক্য আদি) ব্যৱহাৰৰ মাজতেই আৱদ্ধ নহয়। পৰৱৰ্তী কালত বিশেষকৈ জাৰ্মান তাত্ত্বিকসকলে শৈলীবিজ্ঞানৰ চৰ্চাক সাহিত্য সমালোচনা, দাৰ্শনিক ভাবনা, মানসিক প্ৰৱণতা আৰু ঐতিহাসিক প্ৰেক্ষাপট আদিৰ লগতো সাঙুৰি পেলোৱাৰ চেষ্টা কৰিলে। (Krishnaswami, Verma & Nagaraan, 2006, P. 136) গতিকে এতিয়া শৈলীবিজ্ঞান এনে এক সৰ্বাত্মক পদ্ধতি হৈ পৰিল, যাৰ লক্ষ্য হ'ল- এটা পাঠৰ মাজত নিহিত হৈ থকা ভাষিক, সাহিত্যিক, সামাজিক, ঐতিহাসিক, মনোবৈজ্ঞানিক আদি সকলো বৈশিষ্ট্যৰ বিচাৰ-বিশ্লেষণৰ মাজেদি পাঠটোৰ সামগ্ৰিক সত্যটো নিৰূপণ কৰা। সেইটোৱেই হ'ব পাঠটোৰ শৈলী আৰু স্বাভাৱিকভাৱেই এই শৈলীয়ে পাঠটোৰ নিৰ্মাতাগৰাকীৰ দৃষ্টিভংগীকো পূৰ্ণৰূপত তুলি ধৰিব। শৈলীবিজ্ঞানৰ এই লক্ষ্য আৰু উদ্দেশ্য নিৰূপণ হোৱাৰ লগে লগে ইয়াৰ পৰিসৰে কোনবোৰ বিষয় সামৰি ল'ব সেইটোও স্পষ্ট হৈ পৰিল। এতিয়া ইয়াৰ লগত ৰজিতা খোৱাকৈ ইয়াৰ অধ্যয়নৰ পদ্ধতিগত ধাৰণাবোৰো বিবেচনা কৰিব পাৰিম।

অধ্যয়নৰ পদ্ধতি (methodology) বুলি কোৱাৰ লগে লগে এক নিৰ্দিষ্ট বিধিসন্মত প্ৰণালীৰ কথাই মনলৈ আহে। কিন্তু, প্ৰথমতেই আমি এটা কথা সন্মুখত ৰাখিব লাগিব যে বিশুদ্ধ বিজ্ঞানৰ অধ্যয়নত যি ধৰণৰ পদ্ধতি ব্যৱহাৰ কৰা হয় মানৱবিদ্যা আৰু সমাজবিজ্ঞান (Humanities and Social Science) অধ্যয়নৰ পদ্ধতি কিন্তু সেইধৰণৰ নহয়। বিজ্ঞান শাস্ত্ৰত এটা পদক্ষেপৰ পৰা আন এটা পদক্ষেপলৈ যাওঁতে (one step to another step) এটা নিৰ্দিষ্ট পদ্ধতি অনুসৰণ কৰি ইপ্সিত ফল পাব পাৰি। কিন্তু মানৱবিদ্যা বা সমাজবিজ্ঞান অধ্যয়নৰ পদ্ধতিক বহু সময়ত সৰলীকৃত বা সাধাৰণীকৰণ কৰিব নোৱাৰি। কাৰণ এই ধৰণৰ অধ্যয়নত বহু সময়ত মানুহৰ মানসিকতা (human psychology) আৰু সমাজশাস্ত্ৰ (Sociology) নিহিত হৈ

থাকে। মানৱ মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া জড়িত হৈ থাকে বাবেই আচলতে ইয়াৰ পদ্ধতিক সাধাৰণীকৰণ কৰা কঠিন। কিন্তু ইয়াৰ মানে এইটো নহয় যে মানৱবিদ্যা আৰু সমাজবিজ্ঞানৰ অধ্যয়নত কোনো পদ্ধতি নাথাকে। নিশ্চিতভাৱেই আলোচ্য বিষয়টোক প্ৰতিনিধিত্ব কৰিব পৰাকৈ অধ্যয়নৰ পদ্ধতি নিৰ্ণয় কৰি ল'ব লাগিব। কাৰণ তাত্ত্বিক সিদ্ধান্ত এটা প্ৰতিফলিত কৰিববলৈ পদ্ধতি থাকে যাৰ জৰিয়তে আমি ইপ্সিত লক্ষ্যত উপনীত হ'ব পাৰোঁ। কিন্তু লক্ষণীয় কথাটো হ'ল পদ্ধতিৰ ইফাল-সিফাল হ'ব পাৰে বা প্ৰয়োজন অনুসৰি অধ্যয়নকাৰীয়ে পদ্ধতিৰ নিয়ম শিথিল কৰিব পাৰে আৰু কিছুমান বিষয় প্ৰয়োজন অনুসৰি সংযোগ-বিয়োগ কৰি ল'ব পাৰে।

মানৱবিদ্যা বা সমাজবিজ্ঞানৰ অধ্যয়নত জ্ঞানৰ বিভিন্ন শাখা পাৰস্পৰিকভাৱে যুক্ত হৈ থাকে বাবেই অধ্যয়নকাৰী বিমোৰত নপৰা নহয়। যেনে- সাহিত্যৰ পাঠৰ মাজত সমাজতত্ত্বৰ অন্বেষণ কৰিব পাৰোঁ, লেখকৰ দৃষ্টিভংগী বিচাৰ কৰিব পাৰোঁ ইত্যাদি। এতিয়া প্ৰশ্ন হ'ল, শৈলীবিজ্ঞানৰ দৃষ্টিৰে যেতিয়া আমি বিচাৰ কৰিম, তেতিয়া এইবোৰ দিশ আঁতৰাই থম নেকি? বা অকল শব্দ, পদ আদি ব্যাকৰণৰ মাজতেই শৈলীবিজ্ঞানক আৱদ্ধ ৰাখিম নেকি, অথবা নান্দনিক দিশটোকহে অকল গুৰুত্ব দিম নেকি? ইতিমধ্যে শৈলীবিজ্ঞানৰ পৰিসৰত আমি কিছু কথা উল্লেখ কৰি আহিছোৱেই। এইবোৰক কেতিয়াও আঁতৰাই থ'ব নোৱাৰি, কাৰণ লেখকৰ চিন্তা-ভাৱনা বা দাৰ্শনিক চেতনাও সাহিত্যত বিভিন্ন ৰূপত ব্যঞ্জিত হৈ আছে। উদাহৰণস্বৰূপে, জ্যোতিপ্ৰসাদৰ ৰচনাৱলীত আমি পাওঁ যে জ্যোতিৰ সমাৰ্থক শব্দ পোহৰ, আলোক, জেউতি, কিৰণ, দীপ, দ্যুতি আদি শব্দ বাৰম্বাৰ ৰূপত ব্যৱহাৰ কৰা হৈছে। আনকি, জ্যোতি শব্দক স্পষ্ট কৰিববলৈয়ে বহু সময়ত বিপৰীত অৰ্থবোধক এন্ধাৰ শব্দও ব্যৱহাৰ কৰা হৈছে। জ্যোতি প্ৰসাদৰ এই জ্যোতিপ্ৰীতি যে তেওঁৰ দাৰ্শনিক চেতনাৰ এক প্ৰকাশ সেইকথা আমি স্পষ্টভাৱে তুলি ধৰিব পাৰোঁ। গতিকে এই কথাবোৰো শৈলীৰ বিচাৰত অনিবাৰ্যভাৱেই আহি পৰে। সেইবাবেই শৈলীবিজ্ঞান অধ্যয়নত এটা নিৰ্দিষ্ট পদ্ধতিৰে এটা পদক্ষেপৰ পৰা আন এটা পদক্ষেপলৈ যাওঁতে কিছু অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। আমি ভাবোঁ এইক্ষেত্ৰত অধ্যয়নকাৰীয়ে অধ্যয়নৰ ইপ্সিত লক্ষ্যপ্ৰাপ্তিৰ বাবে সৰল অথচ সংহতিপূৰ্ণ পদ্ধতি এটা নিৰ্ণয় কৰি লোৱাটোৱে তেওঁৰ সন্মুখত আটাইতকৈ সুবিধাজনক পথ।

পদ্ধতি নিৰ্ণয়ত এনে সমস্যা থাকিলেও কেতবোৰ নিৰ্দিষ্ট ধাৰণাৰ মাজেৰেই অধ্যয়নকাৰী আগবাঢ়িব লাগিব আৰু কেতবোৰ প্ৰাথমিক কথাত গুৰুত্বও দিব লাগিব। প্ৰথমতে, পাঠ (text) যিটো ভাষাৰ মাধ্যমত নিৰ্মাণ হৈছে সেই ভাষাটোৰ প্ৰায়োগিক



দিশ সম্পৰ্কে অধ্যয়নকাৰীৰ জ্ঞান থাকিব লাগিব। ভাষাটোৰ জঁতুৱা ঠাঁচ, প্ৰবাদ-প্ৰবচনৰ উপৰিও ভাষাটোৰ বিভিন্ন ঔপভাষিক ৰূপ আৰু ঐতিহাসিক ৰূপৰো এক ধাৰণা থকাটো বাঞ্ছনীয়। কাৰণ সৃষ্টিশীল সাহিত্যত (creative literature) লেখকৰ ভাষা প্ৰয়োগৰ যি স্বাধীনতা, শৈলীবিজ্ঞানীয়ে এই স্বাধীনতা বিশ্লেষণ কৰিববলৈ হ'লে ভাষাটোৰ সৰু-বৰ খুঁটি-নাটি জনাটো প্ৰয়োজনীয়। তদুপৰি বিষয় বা প্ৰসংগ অনুসৰি লেখকে ভাষা ব্যৱহাৰ কৰোঁতে উপযুক্ত ৰূপটো ধৰি ৰাখিব পাৰিছে নে নাই বা লেখক ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত কিমানদূৰ সফল হৈছে সেই কথা বিচাৰ কৰিববলৈ হ'লে অধ্যয়নকাৰীৰ সেই ভাষাটোৰ ওপৰত দখল থাকিব লাগিব। দ্বিতীয়তে, এক বহল প্ৰেক্ষাপটত পাঠৰ শৈলী বিশ্লেষণ কৰিববলৈ হ'লে লেখকৰ সমকালৰ লেখকসকলৰ ৰচনা তথা পূৰ্বসূৰী লেখকৰ একে ধৰণৰ ৰচনাৰ বিষয়েও সাধাৰণ ধাৰণা থকা প্ৰয়োজনীয়। কোনো বৈশিষ্ট্য এগৰাকী লেখকৰ ব্যক্তিগত বৈশিষ্ট্য নে যুগ শৈলীৰ প্ৰভাৱ সেই কথা নিৰ্ণয়ৰ বাবে সমকালৰ ৰচনাৰ সাধাৰণ ধাৰণা থকা উচিত।

এই কথাখিনি হৈছে কোনো পাঠৰ শৈলী বিচাৰৰ প্ৰাথমিক কথা। এতিয়া পৰৱৰ্তী পৰ্যায়ত অধ্যয়নকাৰীয়ে কি ধৰণে আগবাঢ়িব তাৰ এক আভাস দিবলৈহে আমি যত্ন কৰিম। গদ্য আৰু পদ্য এই দুটা ভাগ অনুযায়ীও পদ্ধতি ইফাল-সিফাল হ'ব পাৰে। কাৰণ এই দুটা শ্ৰেণীৰ ৰূপ গঠনত ভাষিক সমলৰ ব্যৱহাৰ কৌশলৰ ভিন্নতা আছে। বৰ্তমান সময়ত গদ্য-পদ্যৰ বিভাজনত শিথিলতা আহি পৰিলেও বা গদ্যধৰ্মী পদ্য বা পদ্যধৰ্মী গদ্যৰ নিৰ্মাণ হ'লেও কিন্তু এই বিভাজন একাকাৰ হৈ যোৱা নাই। গতিকে, শৈলী বিশ্লেষণৰ পৰ্যায়ত সাহিত্যৰ এই ফৰ্ম সন্মুখত ৰাখি অধ্যয়নকাৰী আগবাঢ়িব লাগিব।

শৈলীবিচাৰৰ ক্ষেত্ৰত বিশেষভাৱে লক্ষ্য ৰাখিবলগীয়া দিশটো হৈছে নিৰ্বাচন (choice)। নিৰ্বাচন নিৰ্ভৰ কৰে বিভিন্ন বিষয়ৰ ওপৰত, যেনে- লেখকৰ ব্যক্তিত্ব, ৰচনাৰ বিষয়, ফৰ্ম (form), সময়, সমাজ, মাধ্যম (medium) ইত্যাদি। ভাষা ব্যৱহাৰৰ প্ৰসংগতে যিহেতু নিৰ্বাচনৰ কথা আহি পৰে গতিকে লেখক প্ৰচলিত নিয়মৰ (norm) পৰা পৃথক হৈয়ো পৰে। নিয়মৰ পৰা আঁতৰি আহিলেও তেওঁৰ ভাষা একে ধৰণেই প্ৰকাশক্ষম হৈ থাকে, আনকি বহু সময়ত আভিধানিক অৰ্থ অতিক্ৰমী ই হৈ পৰে অনন্য অৰ্থব্যঞ্জক। গদ্য-পদ্য উভয় ক্ষেত্ৰতে নিৰ্বাচনৰ (choice) কথা আহি পৰে যদিও কবিতাৰ ক্ষেত্ৰত লেখক অতি সচেতন হ'ব লগা হয় এইবাবেই যে ভাষা প্ৰয়োগত মিতব্যয়ী হোৱাটো ইয়াৰ এক অনিবাৰ্য বিষয়। কবিতাৰ শৈলী বিচাৰৰ ক্ষেত্ৰত নিৰ্বাচনৰ দিশটো সেয়ে সূক্ষ্মভাৱে বিবেচনা কৰিব লগা হয় কাৰণ ইয়াৰ হাত ধৰিয়ে কবিতাৰ

বিবিধ উপকৰণ উদ্ভাসি উঠে। নিৰ্বাচনৰ জৰিয়তেই কবিতাত প্ৰমুখন বা foregrounding তুলি ধৰা হয়। প্ৰমুখনৰ বাবেই কবিতাৰ ভাষা গদ্য ভাষাৰ পৰা পৃথক হৈ পৰে। কবিতাৰ ব্যতিক্ৰমী বৈশিষ্ট্য ধৰা দিয়ে পাঠকৰ ওচৰত। কবিতাৰ বিশিষ্টতা, বিস্ময় বা উদ্ভাসন প্ৰকাশ কৰাৰ বাবে কবিয়ে প্ৰমুখনৰ সাহায্য লয়। অৱশ্যে প্ৰমুখনৰ বিভিন্ন প্ৰকৰণৰ সহায়ত কবিয়ে নিজকে ব্যক্ত কৰে। সেয়া হ'ল বিচ্যুতি, সমান্তৰালতা, শব্দ প্ৰয়োগৰ বিশিষ্টতা, চিত্ৰকল্পৰ অভিনৱত্ব, আলংকাৰিতা ইত্যাদি। অৱশ্যে এই উপকৰণবোৰ যে গদ্যৰ ভাষাত নাথাকে এনে নহয়। কিন্তু, কবিতাত যি ধৰণে ৰচক নিৰ্বাচনৰ প্ৰতি সচেষ্ট হ'ব লগা হয়, গদ্যৰ ভাষাত তাৰ প্ৰৱণতা এইবাবেই কম যে ছন্দ, লয় আদি গদ্যত অনিবাৰ্য নহয়, আনহাতে ব্যাখ্যা বিশ্লেষণৰো সুবিধা গদ্যত থাকে।

সাহিত্যৰ পাঠত ব্যৱহাৰ কৰা ভাষাগত কৌশলৰ মাজৰ যোগসূত্ৰৰ অন্বেষণ যিহেতু শৈলীচৰ্চাৰ জৰিয়তে কৰা হয়; গতিকে ধ্বনি-শব্দ-শব্দাৰ্থগত, বাক্যগত তথা বাগধাৰাৰ বৈশিষ্ট্যৰ আৱিষ্কাৰো অনিবাৰ্যভাৱেই এই চৰ্চাৰ মাজলৈ আহি পৰে। এঙ্কভিষ্টে (Enkvist) 'Linguistics and Style' (1964) গ্ৰন্থত শৈলীবিচাৰত যি ভাষাবৈজ্ঞানিক কাঠামৰ প্ৰসংগ উল্লেখ কৰিছে, সেইবোৰ হ'ল (ক) ধ্বনিতাত্ত্বিক প্ৰসংগ (Phonological context), (খ) ৰূপতাত্ত্বিক প্ৰসংগ (morphological context), (গ) বাক্যিক প্ৰসংগ (syntactic context), (ঘ) শাব্দিক আৰু শব্দাৰ্থগত প্ৰসংগ (lexical and semantic context), (ঙ) লেখতাত্ত্বিক প্ৰসংগ (graphological context)। উল্লেখযোগ্য যে আমি ইতিমধ্যে উল্লেখ কৰি অহা বিচ্যুতি, সমান্তৰালতা, আলংকাৰিকতা আদি প্ৰমুখনৰ বিভিন্ন প্ৰকৰণবোৰো ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, বাক্যিক, শাব্দিক আৰু শব্দাৰ্থগত প্ৰসংগৰ অন্তৰ্গত কৰি বিশ্লেষণ কৰিব পাৰি।

**ধ্বনিতাত্ত্বিক প্ৰসংগ**

ভাষাৰ মূল ধ্বনি যদিও, ধ্বনিৰ নিজস্ব কোনো অৰ্থ নাই। কিন্তু ভাষাৰ শ্ৰুতিৰূপত ধ্বনিগত আলোচনাৰ বিশেষ মূল্য আছে। উচ্চাৰিত ধ্বনিৰ ওপৰতে সুৰ (tone), লয় (rythm), ছন্দমিল (rhyme), অনুপ্ৰাস (alliteration) আদি নিৰ্ভৰ কৰে। কোনো বিশেষ পৰিস্থিতি ফুটাই তুলিবলৈও বিশেষ ধ্বনিৰ প্ৰয়োজন। বিশেষকৈ গীত আৰু কবিতাৰ শৈলীবিচাৰত এনে ধ্বনিগত বিশ্লেষণ প্ৰয়োজনীয়। ধ্বনিৰ মিল, পৰিৱেশ অনুযায়ী ধ্বনিৰ প্ৰয়োগ, ধ্বনিৰ দ্বিৰুক্তি (reduplication), ভাববস্তুক অধিক সুদৃঢ় কৰি তোলা, শ্ৰুতিমধুৰতা আদি ধ্বনিতাত্ত্বিক প্ৰসংগৰ আধাৰত আলোচনা কৰা হয়। ধ্বনিকেন্দ্ৰিকতা (phone-centrism), ধ্বনিৰ মিল-অমিলৰ প্ৰয়োগ, ধ্বনাত্মক প্ৰয়োগ, ধ্বনিগত প্ৰক্ৰিয়া আদিক শৈলীবিজ্ঞানৰ এই দিশটোৰে সামৰি লয়। উল্লেখযোগ্য



যে শৈলীবিজ্ঞানত ধ্বনিৰ আলোচনাক লৈয়েই গঢ় লৈ উঠিছে ধ্বনিকেন্দ্ৰিক শৈলীবিজ্ঞান (phonostylistics) নামৰ এটা শাখা।

**ৰূপতাত্ত্বিক প্ৰসংগ**

ভাষাৰ পদ্যসংগঠনৰ অন্তৰ্নিহিত উপাদান সম্পৰ্কীয় আলোচনা ৰূপতত্ত্বই সামৰি লয়। শব্দৰ গঠন, পদ সাধন আৰু ইয়াৰ বিশিষ্ট ব্যৱহাৰে ব্যক্তিশৈলী বা যুগশৈলী চিহ্নিত কৰে। ক্ৰিয়াপদ, নামপদ, তথা সৰ্বনামৰ বিশিষ্ট ব্যৱহাৰো বিশিষ্ট শৈলীৰ পৰিচায়ক। অৱশ্যে, যুগ প্ৰচলিত ব্যাকৰণে সদায় লিখিত ভাষা নিয়ন্ত্ৰণ কৰে। যাৰ বাবে ৰূপতাত্ত্বিক সংগঠনত লেখকৰ উদ্ভাৱনী শক্তি, ভাষিক গঠনৰ শিল্পকৌশল তথা ব্যক্তিত্ব প্ৰায়েই স্পষ্টৰূপত দৃষ্টিগোচৰ নহয়। সেয়ে শৈলীবিচাৰৰ আলোচনাত ৰূপতাত্ত্বিক বিশ্লেষণৰ বিস্তাৰণ কম। তৎসত্ত্বেও যুগ প্ৰচলিত ব্যাকৰণৰ মাজত শিল্পৰ ভাষা নিয়ন্ত্ৰিত হ'লেও তাৰ মাজতে পদ গঠনৰ নতুনত্ব, প্ৰত্যয়-বিভক্তিৰ ব্যৱহাৰ, লেখকৰ শব্দ প্ৰয়োগৰ কৌশল, কোনো বিশেষ ৰূপতাত্ত্বিক উপাদানৰ প্ৰয়োগ আদিৰ মাজত কোনো ব্যক্তি বা যুগৰ বিশিষ্ট শৈলী উদ্‌ঘাটিত হ'ব পাৰে।

ৰূপতাত্ত্বিক প্ৰয়োগৰ অভিনৱত্বত লেখকৰ স্বকীয়তা বিভিন্ন ধৰণে প্ৰকাশ পাব পাৰে। যেনে- একাধিক বিশেষণ পদ ব্যৱহাৰ কৰিব পাৰে, ক্ৰিয়াপদ বিশেষভাৱে ব্যৱহাৰ কৰিব পাৰে, বিশেষ বিশেষ প্ৰত্যয় বা সুকীয়া শব্দৰ সংযোগেৰে শব্দসৃষ্টিৰ প্ৰৱণতা দেখা যাব পাৰে, শাব্দিক উদ্ভাৱনেৰে (neologim) বিশেষত্ব প্ৰকাশ কৰিব পাৰে, সমাসবদ্ধ পদ গঠনেৰে শৈলীগত কৌশল দেখুৱাব পাৰে ইত্যাদি। শব্দ গঠনৰ (word formation) বিভিন্ন দিশ ৰূপতত্বই সামৰি লয়। গতিকে সমাসে-অনুপ্ৰাসে লেখকে অৰ্থৱহ ৰূপৰ সৃষ্টি কৰি শৈলী নিৰ্মাণৰ দক্ষতা প্ৰকাশ কৰিব পাৰে। শৈলীগত বিশ্লেষণৰ জৰিয়তে এই বিশেষত্ববোৰ উলিয়াই অনা হয়।

**বাক্যিক প্ৰসংগ**

পাঠৰ শৈলীবিচাৰৰ আলোচনাত ৰূপগঠনৰ লগতে বাক্যগঠনৰ প্ৰতিও দৃষ্টি দিয়া প্ৰয়োজন। অৱশ্যে বাক্যিক শৈলীবিচাৰৰ মূল উদ্দেশ্য বাক্যতত্ত্ব বা বাক্য বিশ্লেষণৰ (syntax or syntactic analysis) পৰা স্বতন্ত্ৰ। বাক্য নিৰ্মাণৰ উপায়ৰ (means) লগত বাক্য সৃষ্টিৰ মূল উদ্দেশ্যেহে শৈলীৰ আলোচনাত অপৰিহাৰ্য। সেয়ে বাক্য সৃষ্টিৰ সম্ভাৱনা, ইয়াৰ ৰূপান্তৰ, আভ্যন্তৰীণ গঠন (deep structure) আদিৰ লগত শৈলীবিচাৰৰ সম্পৰ্ক আহি পৰে।

সাহিত্যৰ ক্ষেত্ৰত বাক্য নিৰ্মাণৰ মূল উদ্দেশ্য তিনিটা। প্ৰথমতে, বিশেষ কোনো তথ্য পাঠকৰ সন্মুখত আকৰ্ষণীয় বা বিশিষ্ট ৰূপত তুলি ধৰা। অগ্ৰভূমিত গুৰুত্ব দান

বা প্ৰমুখনৰ (foregrounding) জৰিয়তে এই তথ্য বিশিষ্ট কৰি তোলা হয়। বাক্যিক ক্ৰমৰ বিচ্যুতিৰ মাধ্যমতো অগ্ৰভূমিত গুৰুত্ব দিয়া হয়। দ্বিতীয়তে, আৱেগ, মানসিক দ্বন্দ্ব, মনস্তাত্ত্বিক অভিজ্ঞতা, পৰিৱেশ বা বিষয়ৰ গুৰুত্ব আদিৰ ক্ষেত্ৰতো বিশেষ বাক্য কৌশল ব্যৱহাৰ কৰা হয়। যেনে- কোনো বিশেষ মানসিক অৱস্থা প্ৰকাশ কৰিবলৈ প্ৰশ্নসূচক, বিস্ময়সূচক, ভাববোধক বাক্য ব্যৱহাৰ কৰা হ'ব পাৰে। সেইদৰে, চুটি চুটি বাক্যই বক্তব্যৰ গতিময় চিত্ৰধৰ্মিতা প্ৰকাশ কৰে। আনহাতে, অসমাপিকা ক্ৰিয়াৰ সহায়ত গঢ় লৈ উঠা দীঘল বাক্যত থাকে বিষয়ৰ পূৰ্ণ বৰ্ণনা। পুনৰুক্তি, লোপ আদি প্ৰক্ৰিয়াও বাক্যৰ পৰিসৰত অভিজ্ঞতা বা বিষয়ৰ প্ৰতিফলন হৈ উঠে। তৃতীয়তে, কবিতা বা গীতৰ ছন্দ মিলৰ প্ৰয়োজনত কেতিয়াবা বাক্যত পদৰ ক্ৰমৰ সালসলনি কৰা হয়। মিলৰ উপৰিও গদ্য-পদ্য উভয়তে কোনো বিষয় বা কাৰ্যৰ ওপৰত জোৰ দিবলৈও বাক্যত পদৰ ক্ৰম সালসলনি কৰা হয়।

বাক্যৰ অনুসন্ধানে ব্যক্তিশৈলী আৰু যুগশৈলীও সুনিশ্চিত কৰি তোলে। বাক্যিক কাঠামত এটা যুগৰ শৈলীৰ সাৰ্বিক পৰিচয় যিদৰে পোৱা যায়, সেইদৰে বৰ্ণনীয় বিষয় স্পষ্ট কৰিবলৈ লেখকে ব্যৱহাৰ কৰা বিবিধ কৌশলত ব্যক্তিশৈলীও স্পষ্ট হৈ পৰে।

**শাব্দিক আৰু শব্দাৰ্থগত শৈলীপ্ৰসংগ**

সাহিত্যত ভাষাৰ ৰূপ আৰু বাক্যৰ স্তৰ লেখকে যি ভাষাত লিখে সেই ভাষাৰ ব্যাকৰণৰ নিয়মৰ অধীন। কিন্তু, শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত লেখক তুলনামূলকভাৱে স্বাধীন। শব্দক আশ্ৰয় কৰি শব্দৰ সীমা ভাঙিবলৈ লেখকে প্ৰয়াস কৰে। ভাৰতীয় সনাতন ভাবনাত শব্দ ব্ৰহ্ম। শব্দৰ এই শক্তিক যথোপযুক্তভাৱে ব্যৱহাৰ কৰিব পৰাতেই থাকে লেখক বা কবিৰ অনন্য প্ৰতিভা। কিদৰে ভাবনাক তেওঁ যথাযথ ৰূপত দাঙি ধৰিব সেইটো নিৰ্ভৰ কৰে শব্দ নিৰ্বাচনৰ ওপৰত। কাৰণ শব্দ কেতিয়াও মাত্ৰা চেৰাই যোৱা বিধৰ হ'ব নোৱাৰে, অতিৰঞ্জিত কথা বৰ্জনীয়। প্ৰয়োজনতকৈ কম হ'লেও ভাবনা নিশকতীয়া হৈ পৰাৰ সম্ভাৱনা। কিন্তু শুদ্ধতা, যথাৰ্থতা আৰু স্বচ্ছতাক পূৰ্ণৰূপে নিয়ন্ত্ৰণত ৰাখি তাৰ অনুকূলে শব্দ নিৰ্বাচনতেই থাকে লেখকৰ শৈলী নিৰ্মাণৰ দক্ষতা। গতিকে, স্বাধীনতা আৰু সংযমৰ দ্বন্দ্বক অতিক্ৰম কৰিহে লেখক-শব্দ নিৰ্বাচনত উত্তীৰ্ণ হ'ব পাৰে। শব্দ নিৰ্বাচনত লেখকৰ স্বাধীনতা, নিয়ন্ত্ৰণ আৰু ইয়াৰ আলংকাৰিক মূল্যায়ন শৈলীবিচাৰৰ অন্তৰ্গত বিষয়।

লেখকে ব্যৱহাৰ কৰা শব্দ সম্ভাৰৰ পৰা লেখকৰ ব্যক্তিগত ৰুচি-অভিৰুচি,



দৰ্শন, সামাজিক-সাংস্কৃতিক চেতনা, অভিপ্ৰায় (motivation), লেখক সত্তাৰ পৰিচয় উদ্‌ঘাটন কৰিব পাৰি। তদুপৰি, বিশেষ প্ৰসংগ বা ভাবকো লেখকৰ শব্দ নিৰ্বাচনে প্ৰাণৱন্ত কৰি তোলে। ৰচনাৰ আৱেগিক আৱহ (emotional colour), স্থানীয় আৱহ (local colour), সাংস্কৃতিক আৱৰণো ধৰি ৰাখে শব্দ সম্ভাৰে। বিশেষকৈ, গল্প, উপন্যাস বা কাহিনী সাহিত্য যেতিয়া বিশেষ কোনো অঞ্চল, জনগোষ্ঠী বা বিশেষ কোনো শ্ৰেণীক অৱলম্বন কৰি গঢ়ি উঠে তেতিয়া সামাজিক উপভাষা আশ্ৰিত (sociolectal) শব্দ বা পৰিস্থিতি নিৰ্ণায়ক ভাষা (register) সচেতনভাৱে লেখকে গ্ৰহণ কৰে। শৈলীৰ বিচাৰত এই বিষয়বোৰো স্পষ্ট হৈ পৰে। তদুপৰি, শব্দালংকাৰ, চিত্ৰকল্প নিৰ্মাণ আদিও শব্দৰ স্তৰতে বিশ্লেষণ কৰিব পাৰি।

অৱশ্যে, শৈলীৰ আলোচনা শব্দৰপৰা শব্দাৰ্থৰ (lexical meaning) স্তৰলৈ ব্যাপ্ত। বিশেষভাৱে কবিতাত কবিয়ে শব্দক গতানুগতিক সাঁচৰ পৰা উলিয়াই আনি নতুন মাত্ৰাত উদ্ভাসিত কৰি তোলে। প্ৰচ্ছন্ন অৰ্থৰে শব্দই সৃষ্টি কৰে অনন্য দ্যোতনা। সেইদৰে, কবিতাত বা কেতিয়াবা গদ্যতো শব্দ বা শব্দপুঞ্জৰ ব্যঞ্জনাময় ৰূপেৰে প্ৰতীকৰ সৃষ্টি কৰা হয়। শব্দৰ অৰ্থই context বা পৰিৱেশক আশ্ৰয় কৰে। সেয়ে অভিধান নিৰ্দিষ্ট অৰ্থৰ অনুশাসন অস্বীকাৰ কৰি বহুসময়ত লেখকে নতুন নতুন সাহিত্যিক ব্যঞ্জনাৰ সৃষ্টি কৰে।

শব্দৰ বিভিন্ন অৰ্থৰ ক্ষেত্ৰত দুটা দিশ স্পষ্ট— এটা হৈছে অন্তৰ্নিহিত (implicit) আৰু আনটো হৈছে প্ৰকাশিত (explicit)। শৈলীবিজ্ঞানত দ্ব্যৰ্থকতা তথা অনেকাৰ্থ বিষয়টিক বিশিষ্ট ৰচনা কৌশল আৰু সূক্ষ্ম কাব্যানুভূতিৰ অন্তৰ্গত হিচাপে বিবেচনা কৰা হয়। কবিতাৰ প্ৰতীকী (symbolic) আৰু অনুভৱী (emotive) প্ৰয়োগত একোটা শব্দই অনায়াসে অনন্ত গভীৰলৈ প্ৰৱেশ কৰে।

শব্দাৰ্থৰ লগত অনিবাৰ্যভাৱেই জড়িত হৈ আছে আলংকাৰিক প্ৰসংগ। ভাষাৰ মূৰ্তৰূপ শব্দালংকাৰ আৰু ভাৱৰূপত অৰ্থালংকাৰৰ ব্যাপ্তি দেখা যায়। যিকোনো ধৰণৰ আলংকাৰিক প্ৰয়োগে বাক্যৰ আভ্যন্তৰীণ গঠনৰ (deep structure) লগত কবিৰ উপলব্ধি ঘনিষ্ঠ কৰি তোলে। শৈলীৰ আলোচনাত উপমা (simile) অলংকাৰৰ গুৰুত্ব আছে। কেৱল উপমাই নহয়, কবিতাৰ ভাষাও বহু সময়ত ৰূপকাশ্ৰয়ী। ইংগিত, ব্যঞ্জনা, চিত্ৰকল্প (image) এই সকলোবিলাককে বহল অৰ্থত ৰূপক বুলিয়েই ক'ব পাৰি। তদুপৰি, শব্দৰ দ্ব্যৰ্থকতায়ো (ambiguity) আলংকাৰিক প্ৰয়োজন সিদ্ধ কৰে। সংস্কৃত অলংকাৰ শাস্ত্ৰৰ 'যমক' ইয়াৰ নিদৰ্শন। শৈলীবিচাৰত শব্দ আৰু শব্দাৰ্থ সম্পৰ্কীয় আলোচনাই এই সকলোবিলাক সামৰি লয়।

**লেখতাত্ত্বিক প্ৰসংগ**

কোনো ভাষাৰ লেখচিহ্নৰ প্ৰায়োগিক অধ্যয়নকে বোলা হয় লেখতত্ত্ব (graphology)। কথনৰ পৰা লেখতত্ত্বৰ ক্ষেত্ৰ ভিন্ন আৰু স্বতন্ত্ৰ। লেখতত্ত্বত ব্যৱধান (space), অক্ষৰ বিন্যাস, যতিচিহ্ন (punctuation), ঘনমুদ্ৰন (bold letter), বক্ৰমুদ্ৰন (italics), হৰফৰ আকৃতি (capital/small letter) ইত্যাদিৰ ব্যৱহাৰ সম্পৰ্কিত আলোচনা প্ৰাসংগিক হৈ উঠে। লেখতাত্ত্বিক বিন্যাসত লেখাৰ নিজস্বতা চিহ্নিত হয়, ৰচনাৰ বিষয়বস্তুৰ স'তেও ইয়াৰ সম্পৰ্ক প্ৰসংগপূৰ্ণ হৈ পৰে।

দৃশ্যৰূপত গদ্যৰ পৰা কবিতা স্বতন্ত্ৰ আৰু এই স্বতন্ত্ৰতা আনি দিয়ে লেখৰীতিৰ বৈশিষ্ট্যই। কবিতাৰ শাৰী সাধাৰণতে সৰু আৰু শাৰীবোৰৰ বাওঁ অংশ কেতিয়াবা খালী ৰখা হয়। অৰ্থাৎ এটা শাৰী শেষ হোৱাৰ পিছত তাৰ ঠিক তলৰ পৰা আনটো শাৰী আৰম্ভ নহ'বও পাৰে। বিভিন্ন জ্যামিতিক সজ্জাৰ আঁক-বাকেৰে কবিতাৰ লেখসজ্জা গঢ় দিয়া হয়। এইবাবেই শৈলীবিচাৰত লেখতত্ত্বৰ এক গুৰুত্ব আছে আৰু এই কৌশলকো শৈলীবিজ্ঞানত আলোচনা কৰা হয়।

**বাগধাৰাগত শৈলী প্ৰসংগ**

পৰম্পৰাগত ভাষাবিজ্ঞানত বাক্যই হৈছে ভাষাৰ বৃহত্তম একক; কিন্তু কোনো পাঠৰ অৰ্থ উদ্ধাৰৰ বাবে বাক্যৰ ওপৰৰ স্তৰৰ একক 'discourse' অৰ্থাৎ 'বাগধাৰা'ৰ ওচৰ চপা প্ৰয়োজন। সাধাৰণভাৱে ক'বলৈ হ'লে 'discourse' হ'ল বাক্যতকৈ ওপৰৰ স্তৰৰ ভাষিক গঠন। পাঠৰ প্ৰকৃত অৰ্থ উদ্ধাৰৰ বাবে বহুসময়ত অভিপ্ৰায় আৰু প্ৰসংগ বিশ্লেষণ কৰিবলগা হয়। ইয়াকে কোৱা হয় বাগ বিশ্লেষণ (discourse analysis)। পাঠৰ একোটি খণ্ড পাঠকৰ (reader) বাবে কিদৰে অৰ্থপূৰ্ণ, উদ্দেশ্যপূৰ্ণ আৰু ঐক্যবদ্ধভাৱে সংলগ্ন হৈ পৰে সেয়া বাগধাৰাৰ বিশ্লেষণত স্পষ্ট হৈ পৰে। এইবাবেই শৈলীবিজ্ঞানত বাগ বিশ্লেষণৰ এক গুৰুত্ব আছে। প্ৰকৃততে, সাহিত্যৰ বিশ্লেষণত একোটা গাইগুটীয়া বাক্যৰ ভূমিকা গৌণ। প্ৰসংগ সাপেক্ষেহে এইবোৰ অৰ্থৱহ হৈ উঠে আৰু প্ৰসংগ ব্যাপ্ত হৈ থাকে সামগ্ৰিকতাৰ মাজত। শৈলীবিজ্ঞানতো ৰচনাৰ ভাষিক বিন্যাসৰ সামগ্ৰিকতাৰ মাজত পৰিস্ফুট ৰচনাৰ বৈশিষ্ট্য, উপাদান, লেখকৰ সমকাল, ব্যক্তিসত্বা তথা সমাজ আৱিষ্কাৰৰ প্ৰয়াস থাকে। সেয়ে, বাগ বিশ্লেষণৰ পদ্ধতি শৈলীচৰ্চাৰ অন্তৰ্গত বিষয়।

এইদৰে, এটা পদ্ধতিৰ মাজেৰে আমি শৈলীচৰ্চাৰ দিশত আগবাঢ়িব পাৰোঁ যদিও আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে ইপ্সিত লক্ষ্যৰ বাবে অধ্যয়নকাৰীয়ে নিজৰ প্ৰয়োজন অনুসৰি এটা সংহত নীতি তৈয়াৰ কৰি ল'ব পাৰে। মাথো শৈলীবিজ্ঞানৰ



লক্ষ্য আৰু ইয়াৰ পৰিসৰক সন্মুখত ৰাখিলেই অধ্যয়নকাৰীৰ উদ্দেশ্যে পূৰণ হ'ব। সাহিত্যৰ ৰূপ-ৰস আৰু সত্তাৰ প্ৰয়োজনীয়তাত লেখকে ব্যৱহাৰ কৰে- নিৰ্দিষ্ট ভাষাটোৰ ভাষিক সমল। লেখকৰ আৱেগ-অনুভূতি, সামাজিক দৃষ্টি, নিৰ্দিষ্ট আৱহ, অভিপ্ৰায়, প্ৰসংগ, ভাষাটোৰ ব্যাকৰণৰ সীমাৱদ্ধতা আদিৰ মাজৰ জটিল সংগঠনেই নিৰ্মাণ কৰে সাহিত্যৰ শৈলী। গোটেই বিষয়টোৱে ইমান বহুমাত্ৰিক আৰু বিস্তৃত তথা বৈচিত্ৰ্য আৰু বৈবিধ্যৰে ভৰা যে ইয়াৰ অধ্যয়নৰ নিৰ্দিষ্ট পদ্ধতি নিৰ্দেশনা কৰাও বিষয়টোৰ সমানেই কঠিন। সেয়ে আমাৰ এই আলোচনাত পদ্ধতিগত দিশৰ এটা সাধাৰণ পৰিচয় দিয়াৰহে আমি প্ৰয়াস কৰিছোঁ।

---

**গ্ৰন্থপঞ্জী ঃ**


**অসমীয়া**

শৰ্মা, অনুৰাধা ঃ শৈলী আৰু শৈলীবিজ্ঞান; নিনাদ গোষ্ঠী, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০১২

**বাংলা**

মজুমদাৰ, অভিজিৎ ঃ শৈলীবিজ্ঞান এবং আধুনিক সাহিত্যতত্ত্ব; দে'জ পাবলিশিং, কলকাতা, প্ৰথম প্ৰকাশ, ২০০৭

ৰায়, অপূৰ্ব কুমাৰ ঃ শৈলীবিজ্ঞান; দে'জ পাবলিশিং, কলকাতা, প্ৰথম দে'জ সংস্কৰণ, ২০০৬

**ইংৰাজী**

Abrams, M.H. : A Glossary of Literary Terms; Thomson Wadsworth, First Indian Reprint, 2007

Crystal, David : Investigating English Style; Longman, London, 1969

Enkvist, Nils Eric;

Spencer, John;

Gregory, Micheal J. : Linguistics and Style; Oxford University Press, London, 1964

Krishnaswami, N;

Verma, S.K;

Nagaraan, M. : Modern Applied Linguistics; Macmillan, Chennai, 2006

Lucas, F. L. : Style; Cassel & Company Ltd., London, 1964

# ব্যৱহাৰিক জীৱনত ধ্বনিতত্ত্বৰ ব্যৱহাৰ আৰু গৱেষণা

**মুণীন্দ্ৰ নাথ কলিতা**

বিদ্যায়তনিকভাৱে আমি গৱেষণা গুৰু নহয়। গৱেষণা গুৰু ডাঙৰ কথা, আনকি আনুষ্ঠানিকভাৱে আৰু সাৰস্বত ৰূপত আমি নিজকে সামান্য এজন গৱেষক ছাত্ৰ বুলিও দাবী কৰিব নোৱাৰোঁ। কিন্তু সুদূৰ তাহানিতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ হৈ থকা কালত শ্ৰদ্ধেয় গোলোকচন্দ্ৰ গোস্বামী চাৰে লোৱা শ্ৰেণী সমূহত ধ্বনিতত্ত্বৰ বিভাজন, ধ্বনিৰ উৎস, ধ্বনিৰ সৃষ্টি ক্ষমতা, ধ্বনিৰ উৎপাদন আৰু বাক্ ব্যৱহাৰ আদি বিষয়সমূহে আমাক বাৰুকৈয়ে আপ্লুত কৰিছিল। একে সময়তে মানব বাক্যন্ত্ৰৰ পৰা ধ্বনিৰ সৃষ্টি প্ৰক্ৰিয়া আৰু এই ধ্বনিসমস্তৰ ব্যৱহাৰিক প্ৰয়োগ সম্পৰ্কত খৰচি মাৰি কিবা এটা কৰাৰ বাসনাই মনত পোখা মেলিছিল। বাক্ ধ্বনিৰ ব্যৱহাৰ আৰুসিবোৰৰ কাৰিকৰী কৌশলেৰে নিজস্বভাৱে চিন্তা-চৰ্চা কৰিবলৈ বুলি হৃদয়ত জাগ্ৰত হোৱা দুৰন্ত হেঁপাহৰ তাগিদাতেই আমি স্নাতকোত্তৰ সমাপ্ত কৰিয়েই আনুষ্ঠানিক শিক্ষাৰ ফলি-পুথি থ'লো আৰু বাক্ধ্বনিৰ ব্যৱহাৰিক প্ৰয়োগেৰে বধিৰসকলৰ বাগ্‌যন্ত্ৰক উদ্দীপিত কৰি তেওঁলোকৰ মুখৰ মাত উলিওৱাৰ দায়িত্বক আপোন ইচ্ছাতে শিৰ পাতি ল'লো। এই দায়িত্বৰ তাগিদাতেই আমি যোৱা দুটা দশকজুৰি বাক্যন্ত্ৰৰ প্ৰতিটো অংগৰ পুঙ্খানুপুঙ্খ পৰীক্ষা-নিৰীক্ষা আৰু নিজস্ব গৱেষণাত ব্যস্ত হৈ আছো। আমাৰ এই কিঞ্চিৎ ধ্বনি সাধনাই ইতিমধ্যে এশৰো অধিক বধিৰ ছাত্ৰ-ছাত্ৰীৰ মুখলৈ মাত আনিবলৈ সক্ষম হৈছে। সেইখিনিয়ে আমাৰ গৱেষণাৰ সৰ্ব্বোচ্চ প্ৰাপ্তি। আমাৰ এই সামান্য প্ৰয়াসৰ সম্ভেদ জানি 'গৱেষকৰ হাতপুথি'ৰ সম্পাদক ড° ৰঞ্জন কলিতাদেৱে আমাক বাক্ধ্বনিৰ ব্যৱহাৰিক প্ৰয়োগ সম্পৰ্কত একলম গৱেষণালব্ধ আলোচনা আগবঢ়াবলৈ অনুৰোধ জনাই আমাক কৃতাৰ্থ কৰিছে। কিন্তু গৱেষণাৰ বিষয়ত কিবা লিখিবলৈ বুলি আমাৰ সাহে নুকুলায়। অতএব, আমি আমাৰ সঞ্চিত অভিজ্ঞতাৰে



বাক্ধ্বনিনো দৰাচলতে কি আৰু ইয়াৰ ব্যৱহাৰিক গৱেষণাৰে কিদৰে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব পাৰি আনকি বধিৰ ছাত্ৰ-ছাত্ৰীৰ মুখলৈকো সৰস্বতী নিগৰাব পাৰি, সেই বিষয়ে যৎকিঞ্চিৎ সম্ভেদ দিবলৈ প্ৰয়াস কৰিছোঁ।

বাগ্‌ধ্বনি থেৰাপি একবিংশ শতিকাৰ বধিৰসকলৰ মুখৰ পৰা শুৱলা মাত উলিওৱা এক ব্যতিক্ৰমী প্ৰচেষ্টা। যাৰ অৰ্থ হ'ল বধিৰসকলেও সাধাৰণজনৰ দৰে মুখেৰে কথা-বতৰা পাতি সমাজৰ দহজনৰ লগত সমানে আগুৱাই যাব পাৰে।

বধিৰসকল যাক কোৱা হয় Hearing empaired। অৰ্থাৎ কাণৰ অক্ষমতা কিন্তু শৰীৰৰ সকলো অংগ-প্ৰত্যংগৰ সক্ষমতা থকাৰ বাবে সমাজৰ আগত তেওঁলোকে ভাল যেনেই লাগে।

মানুহৰ মগজুত যিমানবিলাক সঞ্চিত জ্ঞান, বিজ্ঞানৰ কথা আলোড়িত হৈ থাকে সেই সকলোবোৰেই মানুহৰ পঞ্চ ইন্দ্ৰিয়ৰ কাৰ্যকলাপৰেই সৃষ্টি হৈ মগজুত সঞ্চিত হৈ ৰৈ থাকে।

মানুহৰ জন্মৰদিনাৰ পৰাই মগজুত বাস্তৱ জীৱনৰ, সমাজ জীৱনৰ সকলো কথা সঞ্চিত হ'বলৈ ধৰে। কেনেকৈনো এই প্ৰক্ৰিয়া আৰম্ভ হয় বাৰু?

চকু-কাণ, নাক, মুখ, ছালৰ জৰিয়তে পৃথিৱীৰ সকলো কথা এজন শিশুৱে আয়ত্ব কৰিবলৈ আৰম্ভ কৰে। ভূমিষ্ঠ হোৱাৰ পিছৰে পৰা চকুৰে যিবোৰ দেখে সেইবোৰ আয়ত্ত্ব কৰি ল'বলৈ আৰম্ভ কৰে। সেইবোৰ ক্ৰমে ক্ৰমে মন-মগজুত কেমেৰাৰ দৰে সঞ্চিত কৰি ৰাখে। সেইদৰে নাকেৰেও ঘ্ৰাণৰ জৰিয়তে মগজুত গোমূৰ লগতে জাগতিক বস্তুবোৰ সঞ্চিত কৰে। ঠিক তেনেদৰে জিভাৰে সোৱাদ লোৱাৰ লগতে খাদ্যৰ ভাল—বেয়া বস্তুৰ বিচাৰ আৰম্ভ কৰে।ছালৰ জৰিয়তে স্পৰ্শৰে মৰম-চেনেহ, মাক-দেউতাক ইত্যাদিবোৰৰ কথা সঞ্চিত কৰে।

আকৌ কাণৰ জৰিয়তে পৰিৱেশৰ সকলো শব্দ জগতৰ কথাবোৰ সঞ্চিত কৰি ৰাখে।

কিন্তু যেতিয়া কাণৰ অক্ষমতা দেখা যাব এই অক্ষমতাৰ বাবে মগজুত সঞ্চিত কৰিব পৰা জ্ঞান-বিজ্ঞানৰ কথাবোৰ আধাৰৈ হ্ৰাস পোৱা দেখা যায়।

কিয় বাৰু এনেকুৱা হয়? কেনেকৈ হয়?

শব্দ ব্ৰহ্ম বুলি কোৱ হয়। শব্দৰ জৰিয়তে আমি সমাজৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰো। শব্দই মানুহক জ্ঞানৰ উচ্চতম সীমালৈ লৈ যাব পাৰে।

জন্মৰ পিছৰে পৰা শব্দ জগতৰ লগত আমাৰ চিনাকি। শব্দৰ জৰিয়তে প্ৰতিটো বস্তু চিনাকি হওঁ। শব্দৰে ভাল-বেয়া বিচাৰ কৰিবলৈ আৰম্ভ কৰো।

মাৰ কোলাত শুই শুইয়ে মাতৃত্বৰ মৰম যেনেকৈ স্পৰ্শ-আলিংগনেৰে আয়ত্ব কৰিবলৈ আৰম্ভ কৰো তেনেদৰে মাৰ মুখৰ পৰা ওলোৱা প্ৰতিটো শব্দৰো চিনাকি হ'বলৈ আৰম্ভ কৰো। প্ৰতিটো শব্দকে জুকিয়াই চাবলৈ আৰম্ভ কৰো। মন-মগজুত সেই সকলোবোৰেই থিতাপি লয়। যেতিয়া কাণৰ জৰিয়তে আমাৰ মন-মগজুত শব্দ ব্ৰহ্ম যোৱা বন্ধ হৈ যায় তেতিয়াই জ্ঞানৰ পৰিসৰ কমি যায়।

মাৰ কোলাত থাকোতেই মাৰ মৰমৰ প্ৰতিটো কথাই, প্ৰতিটো গানেই শিশুক আকৰ্ষিত কৰে। শিশুৱে সেই শব্দবোৰ নুশুনিলেও তেতিয়াও স্পৰ্শ, নাক, মুখ আৰু চকুৰে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ আৰম্ভ কৰে। কাণৰ অক্ষমতা থকা লোককে কোৱা হয় বধিৰ ইয়াক ৰোধ কৰিবলৈ গোটেই বিশ্বৰ বিজ্ঞানীসকলে দিনে-নিশাই অহৰহ প্ৰচেষ্টা চলাই আছে। যাৰ পৰাই সৃষ্টি হৈছে 'কোকলেয়াৰ ইম্পলেণ্ড'। (Cochlea implant)

আমিও অহৰহ প্ৰচেষ্টা চলাই আৰম্ভ কৰিছো এই 'বাগধ্বনি থেৰাপি'। যাৰ অৰ্থ হ'ল কাণেৰে নুশুনিলেও মানুহ এজন সাধাৰণজনৰ দৰে কথা-বতৰা পাতিব পাৰে।

এই থেৰাপিত এজন মানুহৰ শৰীৰত কাণ দুখন নোহোৱা বুলি ধৰিয়ে শিক্ষা দিয়া হয়।

যিজন মানুহে সৰুৰ পৰাই শব্দজগতৰ লগত পৰিচয় নাই। শব্দ জগতৰ প্ৰতিটো শব্দই ছবি বুলি ভাবে। শব্দৰ কাৰ্যবোৰ বুজি নাপায় তেনে ব্যক্তিকে এই থেৰাপিয়ে প্ৰতিটো ধ্বনি, প্ৰতিটো শব্দক প্ৰতিটো বাক্যৰ লগত চিনাকি কৰি দি জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ লগতে সমাজত চলিব পৰা ব্যৱস্থা কৰি দিয়া হয়। এয়ে ধ্বনিতত্ত্বৰ অপূৰ্ব স্বাৰ্থ বাগ্‌ধ্বনি থেৰাপি।

বাগধ্বনি থেৰাপি হৈছে— ছাইন (চিহ্ন), ফিলিং (অনুভূতি), ভাইব্ৰেচন (কম্পনাংক) আৰু চাইণ্টিফিক এডুকেচন (বিজ্ঞান সন্মত শিক্ষা) এক সংমিশ্ৰণত গঢ়ি উঠা নতুন থেৰাপি।

যিহেতু বধিৰ এজনে কাণেৰে নুশুনে, গতিকে শব্দ কি তেওঁলোকে বুজি নাপায়। প্ৰতিটো শব্দৰ লগতে যে একোটা অৰ্থ নিহিত হৈ থাকে সেই কথা তেওঁলোকৰ বোধগম্য নহয়। গতিকে বাগধ্বনি থেৰাপি দিয়াৰ আগতে শিশু বা তেনে ব্যক্তিৰ লগত বন্ধুত্ব গঢ়ি তুলিব লাগে। বন্ধুত্বৰ মাজেৰে আৰম্ভ হয় প্ৰথম পাঠ।

এই প্ৰথম পাঠটিত থাকিব ৰং আৰু ছবিৰ সমাহাৰ। প্ৰতিটো শিশুৱে ৰঙক ভাল পায়, ছবিক ভাল পায়।

বধিৰ শিশুটিৰ লগত বন্ধুত্ব গঢ়ি তুলিলে ধেমালিৰ ছলেৰে বহীত ছবি আঁকি ৰং



কৰিবলৈ দিয়া হয়। এটি দুটি বহীত ছবি আঁকি দিয়াৰ পিচত ৰং বলাব দিয়াৰ লগে লগে ৰং আৰু ছবিৰ সমাহাৰত শিশুটিয়ে আত্মহাৰা হৈ উঠে। পুনৰ নতুন নতুন ছবি যেনে— চৰাই, ফুল, বল, বেট ইত্যাদি আঁকি দিয়াৰ লগে লগে ৰং কৰিবলৈ হাবিয়াস কৰে। শিশুটিক মনে বিচৰা ছবি আঁকি ৰং কৰিবলৈ দিয়াৰ পিচত শিশুই ভালপোৱা কিছু খাদ্য তেওঁলোকক দিব লাগে। এনেদৰে প্ৰথম পাঠৰ আৰম্ভ হয়।

এদিন-দুদিনৰ পিচতে শিশুটিক আৰম্ভ কৰা হয় স্বৰবৰ্ণখনৰ এটা বৰ্ণ। কাৰণ প্ৰথম কথা হ'ল—অসমীয়াৰ প্ৰায় প্ৰতিটো ব্যঞ্জন বৰ্ণৰ লগত এটা 'অ' স্বৰবৰ্ণ সংযোগ হৈ থাকে।

দ্বিতীয়তে স্বৰবৰ্ণ উচ্চাৰণৰ পদ্ধতি সহজ। অসমীয়া স্বৰবৰ্ণখনত মূলত এঘাৰটা স্বৰবৰ্ণ আছে যদিও এঘাৰটা স্বৰবৰ্ণৰ পদ্ধতি আমি নিশিকালেও হয়। ইয়াৰ ভিতৰত অ, আ, ই, উ, এ, ও এই ছটা স্বৰবৰ্ণ শিকালে বাকীকেইটা শিকাব পৰা যাব। স্বৰধ্বনিৰ অ' আৰু এ' এই দুটা ধ্বনি বধিৰসকলৰ উচ্চাৰণত প্ৰয়োগ কৰা নহয়।

স্বৰবৰ্ণত থকা 'ঋ' বৰ্ণটোৰ উচ্চাৰণ 'ৰ-ই' বা 'ৰি' ৰূপে উচ্চাৰিত হয়। এই বৰ্ণটো ব্যঞ্জনবৰ্ণখন উচ্চাৰিত হোৱাৰ পিছত শিকাব লাগে।

স্বৰবৰ্ণৰ আদি অক্ষৰ 'অ' বৰ্ণটো প্ৰথমে শিকাই ল'ব লাগে। প্ৰথমে স্বৰবৰ্ণটো ডাঙৰকৈ আঁকি ৰং বলাব দিব লাগে আৰু সেই বৰ্ণটো বিজ্ঞানসন্মত পদ্ধতিৰে লিখাৰ কৌশল শিকাব লাগে। ছাত্ৰজনক (প্ৰথম শিক্ষাৰ আদিপাঠত আমি ছাত্ৰজনক ধেমালিৰ ছলেৰে উশাহ-নিশাহ জোৰকৈ উলিয়াই দিয়া, কমকৈ উলিয়াই দিয়া, নাক বন্ধ কৰি মুখেৰে উশাহ লোৱা, মুখ বন্ধ কৰি নাকেৰে উশাহ লোৱা কৌশলবোৰ শিকাব লাগে।) মুখেৰে কেনেকৈ 'অ' ধ্বনিটো উচ্চাৰণ কৰিব লাগে সেই কৌশল শিকাব লাগে। ছাত্ৰজনৰ লগত যিহেতু বন্ধুত্ব গঢ়ি তোলা হৈছে গতিকে ছাত্ৰজনে মুখ মেলিব দিলে সি মুখ মেলিব, বন্ধ কৰিব দিলে বন্ধ কৰিব। (এই পৰ্যায় তিনি-চাৰি বছৰীয়া ছাত্ৰৰ বাবেহে) অৱশ্যে পাঁচ-ছয় বছৰীয়া ছাত্ৰ এজনে কোনো সংকোচ নোহোৱাকৈ মুখ মেলি বা জপাই দিব। কিয়নো তেওঁলোকে বুজি পায় যে তেওঁলোকৰ মুখৰ মাত নাই, তেওঁলোকে অইনৰ কথা বুজি নাপায় আৰু তেওঁলোকে নিজৰ মনৰ ভাব প্ৰকাশ কৰিব নোৱাৰে। বৰং তেওঁলোকৰ উৎসাহ বাঢ়ি গৈহে থাকে তেওঁলোকে কথা কোৱাৰ বাবে। সেইবাবে পাঁচ-ছয় বছৰীয়া ল'ৰা-ছোৱালীক ধ্বনিৰ শিক্ষাত কোনো অসুবিধা হোৱা দেখা নাযায়। স্বৰবৰ্ণটোৰ উচ্চাৰণত 'অ' স্বৰ বৰ্ণটো বতাহ মুখৰ পৰা ওলাওঁতে মুখবিবৰ কিমান ডাঙৰ কৰিব লাগে তাক দেখুৱাই দি সেইৰূপে উচ্চাৰণ কৰিব দিব লাগে।

বতাহ ওলাওঁতে কোনখিনি ঠাইত ভাইব্ৰেচন (কম্পনাংক) হয় আৰু একেলেঠাৰিয়ে মুখ বিবৰৰ বতাহ কেনেকৈ উলিয়াই দি তাকিব পাৰি তাক পৰ্যায়ক্ৰমে বুজাই দিব লাগে।

এনেদৰে দেখুৱাই দিয়াৰ পিচত ছাত্ৰজনে সেইৰূপে উচ্চাৰণ কৰিব আৰু লগে লগে 'Sign' এটি দি অৰ্থাৎ 'অ' বৰ্ণটোৰ দুটা আঙুলিৰে ওঁঠত লগাই পুনৰ পুনৰ উচ্চাৰণ কৰিববৈলে দিব লাগে। বহীত বা ব'ৰ্ডত ইয়াৰ পিছত ছাত্ৰজনক বৰ্ণটো দেখুৱাই পুনৰ উচ্চাৰণ কৰিববৈলে দিব লাগে। তেনেদৰে উচ্চাৰণ শুদ্ধ হোৱাৰ পিছত মাথোঁ দুটা আঙুলি ওঁঠত লগাই দি অৰ্থাৎ 'Sign'ৰ দ্বাৰা দেখুৱাই দি বৰ্ণটো উচ্চাৰণ কৰিব দিব লাগে।

বৰ্ণটোৰ শুদ্ধ উচ্চাৰণ নোহোৱাপৰ্যন্ত ছাত্ৰজনক একেটা বৰ্ণকে বাৰে বাৰে উচ্চাৰণ কৰিববৈলে দি থাকিব লাগে। এটা বৰ্ণ উচ্চাৰণ নোহোৱাপৰ্যন্ত আন এটা বৰ্ণৰ উচ্চাৰণ কৰিববৈলে চেষ্টা কৰিব নালাগে।

ছাত্ৰজনৰ বৰ্ণটো উচ্চাৰণ শুদ্ধ হোৱাৰ পিচত উৎসাহ দিব লাগে। মৰম কৰিব লাগে যাতে সি দ্বিতীয় এটি বৰ্ণ উচ্চাৰণ কৰিববৈলে আগ্ৰহ কৰে। আনকি ওচৰত থকা ল'ৰা বা ছোৱালীক দেখুৱাই তাক উৎসাহ দিব লাগে যে সি কিমান সুন্দৰকৈ উচ্চাৰণ কৰিছে।

স্বৰবৰ্ণৰ প্ৰথম স্বৰ উচ্চাৰণ হোৱাৰ পিচত দ্বিতীয় বৰ্ণ 'আ' বৰ্ণটোৰ উচ্চাৰণ কৰিববৈলে দিব লাগে। 'আ' বৰ্ণটোৰ উচ্চাৰণৰ কৌশলো 'অ' বৰ্ণৰ দৰে যদিও এই 'আ' বৰ্ণটোৰ উচ্চাৰণৰ সময়ত মুখবিবৰ কিমান ডাঙৰ কৰিব লাগে, জিভাৰ অৱস্থান কেনেকুৱা সকলোবোৰ পুংখানুংখ দেখুৱাই গৈ উচ্চাৰণ কৰিববৈলে দিব লাগে। স্বৰবৰ্ণৰ 'অ' বৰ্ণটোৰ 'Sign' হাতৰ আঙুলিৰ তিনিটা আঙুলি ওঁঠত লগাই ওঁঠৰ অৱস্থান বুজাববৈলে সেইৰূপে উচ্চাৰণ কৰিববৈলে দিব লাগে।

তদ্ৰুপ 'ই' বৰ্ণটোৰ উচ্চাৰণত মুখৰ আকৃতি কেনেকুৱা হ'ব, বতাহ কোনপিনে ওলাই আহিব ইত্যাদিবোৰ বুজাই দিয়াৰ লগতে 'কম্পনাংক' কোনখিনিত বেছি হ'লে শুদ্ধ উচ্চাৰণ হ'ব তাকো বুজাই দিব লাগে।

অসমীয়া ভাষীসকলৰ উচ্চাৰণত 'ই' আৰু 'ঈ'ৰ ধ্বনিগত যি পাৰ্থক্য তাৰ ৰূপ উচ্চাৰণত দেখা পোৱা নাযায়। যেনে— ইটা, ঈগল, ইমান, ঈশ্বৰ ইত্যাদি। গতিকে আমি বৰ্ণ দুটাৰ এটা বৰ্ণ উচ্চাৰণ কৰিলেও হয়। আকৌ বধিৰসকলে 'ই', 'ঈ'ৰ যি সূক্ষ্ম পাৰ্থক্য তাক বুজি নাপায়। সৰ্বসাধাৰণেও ইয়াৰ পাৰ্থক্য ধৰিব নোৱাৰে গতিকে ইয়াৰ উচ্চাৰণৰ ৰূপ এটাত শিকালেও যথেষ্ট হ'ব। কিন্তু লিখিত ৰূপত দুয়োটা ৰূপে



শিকাব লাগে। কিয়নো এই দুয়োটা ৰূপ আমাৰ ভাষাত দেখা যায়। আমাৰ ভাষা যিহেতু সংস্কৃতমূলীয় সেইবাবে শব্দৰ লিখিত ব্যৱহাৰৰ ক্ষেত্ৰত আমি দুয়োটা ব্যৱহাৰ কৰিব লাগিব, নহ'লে 'বানান'ৰ সমস্যাই দেখা দিব।

'ই' আৰু 'ঈ'ৰ 'Sign' এটাই। কিন্তু 'ই'ৰ প্ৰতিনিধিত্ব বৰ্ণ 'ঈ' হিচাপে দেখুৱাব লাগে। যাতে 'ঈ' বৰ্ণটো দেখিলে ছাত্ৰজনে 'ই' বৰ্ণৰূপে উচ্চাৰণ কৰে। ইয়াৰ পিচত 'উ' বৰ্ণটোৰ উচ্চাৰণ পদ্ধতি দিব লাগে। লিখাৰ পদ্ধতিও একেলগে গৈ থাকিব। 'উ' বৰ্ণটো উচ্চাৰণ কৰাৰ সময়ত ব'ৰ্ডত মুখ বিবৰৰ বাহিৰৰ অংশ (ওঁঠ দুটা) আঁকি দেখুৱাই দিব লাগে কেনেকৈ ওঁঠ দুটি কোচ খাই পৰে আৰু মুখৰ আকৃতি গোল হৈ পৰে। জিভাৰ সঞ্চালন কেনেকৈ কৰিব লাগে তাকো দেখুৱাই দিব লাগে। ইয়াৰ পিছত কম্পনাংক কোন ঠাইত হয় তাকো দেখুৱাই দিব লাগে যাতে কম্পনাংকৰ অনুভূতিৰ দ্বাৰা বৰ্ণটো উচ্চাৰণ কৰিব পাৰে। লগে লগে বৰ্ণটোৰ 'Sign'টো মনত ৰাখিববৈলে দিব লাগে। ইয়াৰ বাবে আয়না ব্যৱহাৰ কৰা প্ৰয়োজন। (কাণেৰে নুশুনা ল'ৰা-ছোৱালীক ধ্বনিৰ শিক্ষাত আয়না অপৰিহাৰ্য কিয়নো তেওঁলোকে দেখি দেখি উচ্চাৰণৰ কৌশল আয়ত্ব কৰিব পাৰে।)

প্ৰতিটো বৰ্ণতে আয়না ব্যৱহাৰ কৰিববৈলে দিব লাগে। যাতে বৰ্ণটো উচ্চাৰণ কৰাৰ লগে লগে ছাত্ৰজনে বৰ্ণটোৰ বিভিন্ন কৌশলসমূহ আয়নাৰ জৰিয়তে আয়ত্ব কৰিববৈলে সুবিধা হয়।

'উ' বৰ্ণটোৰ লিখাৰ কৌশল শিকোৱাৰ পিছত 'উ' বৰ্ণৰ নিৰ্দিষ্ট 'Sign'টো ছাত্ৰজনক শিকাই পুনৰ পুনৰ বৰ্ণটো উচ্চাৰণ কৰিববৈলে দিব লাগে। এবাৰ 'Sign'টো অৰ্থাৎ আঙুলিকেইটা আৰু আন এবাৰ 'Sign' নেদেখুৱাকৈ 'উ' বৰ্ণটো উচ্চাৰণ কৰিববৈলে দিব লাগে।

ইয়াৰ পিছৰ 'ঊ' বৰ্ণটোৰ লিখাৰ কৌশল শিকাব লাগে। দুয়োটা বৰ্ণৰে যে উচ্চাৰণ একে তাকো পুনৰ পুনৰ শিকাই দিব লাগে।

ইয়াৰ পিছৰ 'এ' বৰ্ণৰ উচ্চাৰণৰ লগতে লিখাৰ কৌশল শিকাব লাগে। বৰ্ণটো শিকোৱাৰ পদ্ধতিৰ লগে লগে কম্পনাংক অনুকৰণ কৰিববৈলে হাত ব্যৱহাৰ কৰি আনখন হাতেৰে 'Sign'টো ওঁঠত ধৰি আইনাত দেখুৱাই দিব লাগে।

'এ' বৰ্ণৰ উচ্চাৰণৰ পিছত 'ঐ' বৰ্ণটোৰ উচ্চাৰণ শিকাব লাগে। 'ঐ' বৰ্ণটো দুটা ধ্বনি বা বৰ্ণৰ সমষ্টি। গতিকে 'ঐ' বৰ্ণৰ সংযুক্ত বৰ্ণ দুটা ('অ-ই') 'অ' আৰু 'ই' বৰ্ণ দুটাৰ 'Sign' একলগ কৰি উচ্চাৰণৰ পদ্ধতি শিকাব লাগে।

'ও' বৰ্ণটোৰ উচ্চাৰণৰ বেলিকা আমি প্ৰথমে লিখাৰ কৌশলবোৰ শিকাব

লাগে। লিখাৰ কৌশল আয়ত্ব কৰাৰ পিছত মুখখন অৰ্থাৎ ওঁঠ দুটি ডাঙৰ-সৰু কৰাৰ কৌশল শিকাব লাগে আৰু এনেকুৱা পৰ্যায়ত আয়না ব্যৱহাৰ কৰি শিক্ষকজনে কৰাৰ দৰে ছাত্ৰজনক আয়নাত নিজে নিজে ডাঙৰকৈ ওঁঠ দুটি মেলি বা সৰুকৈ লৈ মুখৰ ভিতৰৰ পৰা বতাহ উলিয়াই দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ পিছত ওঁঠ দুটি নিৰ্দিষ্ট জোখত ঘূৰণীয়াকৈ ৰাখি ভিতৰৰ পৰা বতাহ মুখবিবৰেৰে উলিয়াই দিলে 'ওঁ' বৰ্ণটোৰ উচ্চাৰণ হ'ব। লগে লগে 'ও' বৰ্ণৰ 'Sign'টো মনত ৰাখিবলৈ দিব লাগে।

ইয়াৰ পিছতে স্বৰবৰ্ণৰ শেষ বৰ্ণ অৰ্থাৎ 'ঔ' বৰ্ণটো লিখাৰ কৌশল শিকাই দিব লাগে। 'ঔ' বৰ্ণটো দুটা স্বৰধ্বনিৰ সমষ্টি যেনে— 'অ' আৰু 'উ' ধ্বনিৰ। গতিকে এই দুয়োটা স্বৰবৰ্ণকে একেলগে উচ্চাৰণ কৰিলে 'ঔ' বৰ্ণটোৰ উচ্চাৰণ হ'ব।

'অ' আৰু 'উ' বৰ্ণ দুয়োটাৰ 'Sign' একেলগে কৰি দেখুৱাই দিলে ঔ বৰ্ণৰ 'Sign' হৈ যায়।

স্বৰবৰ্ণখনত থকা 'ঋ' বৰ্ণৰ উচ্চাৰণ আমি ব্যঞ্জন বৰ্ণটো উচ্চাৰণ শিকোৱাৰ পিছতহে উচ্চাৰণৰ পদ্ধতি শিকালে ভাল ফল লাভ কৰিব পাৰি।

স্বৰবৰ্ণমালাখন উচ্চাৰণ শেষ হোৱাৰ পিছত ছাত্ৰজনক উৎসাহ জগাই গাত হাত বুলাই মৰম কৰিব লাগে তেতিয়া ছাত্ৰজনে বুজিব যে লিখা-পঢ়া শিকিলে সকলোৰে মৰম কৰে। আনকি শিক্ষকৰ পৰাও মৰম পোৱা যায়।

স্বৰবৰ্ণমালাখন উচ্চাৰণ আৰু লিখাৰ কৌশল শিকোৱাৰ পিছত আমি স্বৰবৰ্ণৰ প্ৰতিনিধিত্ব বৰ্ণকেইটা শিকাব লাগে। যেনে- অ = অ, আ = আ, ই = ই, ঈ, উ = উ, ঊ, এ = এ, ঐ = ঐ (অই), ও = ও, ঔ = ঔ (অউ) ইয়াৰ পিছতে স্বৰচিহ্নবোৰ শিকাব লাগে। প্ৰতিটো স্বৰবৰ্ণৰ লগত স্বৰচিহ্নবোৰ লিখাৰ কৌশল শিকোৱাৰ লগতে স্বৰচিহ্নবোৰ দেখুৱাই দি বৰ্ণবোৰ উচ্চাৰণ কৰিবলৈ দিব লাগে।ছাত্ৰজনৰ স্বৰচিহ্নবোৰ মনত আছেনে নাই এই কথা জানিবলৈ ওলট-পালট কৰি স্বৰবৰ্ণখন লিখি সেই বৰ্ণকেইটাৰ স্বৰচিহ্নবোৰ লিখিবলৈ দিব লাগে।

অসমীয়া ভাষাত ব্যঞ্জন বৰ্ণমালাখনত আমি ৪১টা ব্যঞ্জন বৰ্ণ দেখা পাওঁ। কিন্তু ধ্বনিগত ফালৰ পৰা আমি ২১টা বৰ্ণৰ উচ্চাৰণ শিকিলে আটাইকেইটা বৰ্ণৰ উচ্চাৰণ শিকা হয়।

বধিৰ ছাত্ৰ-ছাত্ৰীক এই ২১টা বৰ্ণ শিকালে আমি ব্যঞ্জন বৰ্ণমালাৰ আটাইকেইটা বৰ্ণৰ উচ্চাৰণ শিকাব পাৰো।

ব্যঞ্জন বৰ্ণমালাখনত আদি বৰ্ণ 'ক' বৰ্ণ আছে যদিও বধিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আমি 'ক' বৰ্ণৰ পৰা উচ্চাৰণ শিকাব নালাগে। প্ৰথমতে ছাত্ৰজনক ওষ্ঠ বৰ্ণৰ



উচ্চাৰণৰ পদ্ধতি শিকাব লাগে যাতে উচ্চাৰণৰ পদ্ধতি শিকাওঁতে ছাত্ৰজনে কোনো অস্বস্তি বা কোনো অসুবিধা নাপায় আৰু সহজতে উচ্চাৰণ কৰিব পাৰে। সেইবাবে 'প' বৰ্ণটোৰ উচ্চাৰণ শিকাব লাগে।

'প' বৰ্ণৰ উচ্চাৰণৰ সময়ত ওঁঠ দুটি কিমান মেলিব লাগে জিভাখন কেনেদৰে ৰাখিব লাগে কথাষাৰ ভালদৰে ছাত্ৰজনৰ আগত থকা আয়নাত দেখুৱাই দিব লাগে আৰু মুখৰ ভিতৰৰ পৰা কেনেকৈ বতাহ উলিয়াই দিব লাগে সেই কথা পুংখানুপুংখভাৱে বুজাই যাব লাগে। ইয়াৰ পিছত বৰ্ণটোৰ 'Sign' দেখুৱাই বৰ্ণটো উচ্চাৰণ কৰাব লাগে।

এনেদৰে পৰ্যায়ক্ৰমে উচ্চাৰণ কৰি 'প' বৰ্গৰ প্ৰতিটো বৰ্ণৰে 'Sign' বোৰ লগে লগে বৰ্ণটোৰ লগত দেখুৱাই যাব লাগে।

'প' বৰ্গৰ পিছত আমি 'ত' বৰ্ণৰ উচ্চাৰণৰ পদ্ধতি শিকাব লাগে। বধিৰ ছাত্ৰ-ছাত্ৰীসকলক দন্তমূলীয়া বা মূৰ্ধণ্য বৰ্ণবোৰ বেলেগ বেলেগকৈ শিকাব নালাগে। কিয়নো 'ত' বা 'ট' বৰ্ণৰ উচ্চাৰণ অসমীয়াভাষীসকলে বেলেগ বেলেগৰূপে উচ্চাৰণ নকৰে। যেনে— তৰা আৰু টকা। গতিকে আমি 'ত' বৰ্ণটোৰ উচ্চাৰণ শিকাই 'ট' বৰ্ণটো আৰু 'ৎ' টো প্ৰতিনিধিত্ব বৰ্ণ হিচাপে ধৰিব লাগে। কিন্তু দুয়োটা বৰ্ণৰে যে উচ্চাৰণ একে তাক বুজাই দিব লগে আৰু দুয়োটা বৰ্ণ দেখিলে যাতে দুয়োটা বৰ্ণৰ উচ্চাৰণ 'ত'ৰূপে কৰে সেই কথা বুজাই যাব লাগে। ত, ট, ৎ এই তিনিটা বৰ্ণৰ উচ্চাৰণ একে যদিও 'ৎ' উচ্চাৰণৰ বেলিকা 'ৎ'ৰ লগত যে 'অ' স্বৰবৰ্ণটোৰ যোগ নহয় তাক বুজাই দিব লাগে।

তেনেদৰে থ, ঠ / দ, ড / ঢ, ধ / ন, ণ বৰ্ণকেইটাৰ উচ্চাৰণৰ পদ্ধতিৰ লগে লগে লিখাৰ কৌশলবোৰ শিকাই প্ৰতিটো বৰ্ণৰ লগত নিৰ্দিষ্টকৈ থকা 'Sign'টো চিনাক্ত কৰি যাব লাগে।

ইয়াৰ পিছত আমি চ বৰ্ণটোৰ উচ্চাৰণ শিকাব লাগে। এই বৰ্ণটোৱে প্ৰতিনিধিত্ব কৰিব ছ বৰ্ণটো।

তেনেদৰে 'জ' বৰ্ণই প্ৰতিনিধিত্ব কৰিব জ, ঝ, য বৰ্ণকেইটা।

আকৌ 'ৰ' বৰ্ণই প্ৰতিনিধিত্ব কৰিব ৰ, ঢ়, ড় বৰ্ণকেইটা

'ল' বৰ্ণটোৰ উচ্চাৰণ পদ্ধতি শিক্ষা দিয়াৰ পিছতহে আমি আৰম্ভ কৰিব লাগে 'ক' বৰ্গৰ বৰ্ণকেইটা।

ক, খ, গ, ঘ, ঙ বৰ্ণকেইটা যিহেতু ভিতৰৰ গলকোষ আৰু তালুকা আৰু জিভাৰ দ্বাৰা উচ্চাৰিত ধ্বনি। গতিকে এটি এটিকৈ বৰ্ণবোৰ উচ্চাৰণ কৰি যাব লাগে। এইকেইটা বৰ্ণৰ কোনটো বৰ্ণ আগতে উচ্চাৰণ কৰিবলৈ ছাত্ৰজনক দিব লাগে এই কথা নিৰ্ভৰ কৰিব ছাত্ৰজনৰ ওপৰত।

প্ৰতিটো বৰ্ণৰ উচ্চাৰণৰ বেলিকা ছাত্ৰজনৰ ওপৰত নিৰ্ভৰ কৰি দুই-তিনিটা কৌশল প্ৰয়োগ কৰা হয়। যি কৌশলটো ছাত্ৰজনে সহজে বুজি পায় সেই কৌশলটোকে ছাত্ৰজনৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব লাগে। কিয়নো ভিতৰৰ সৃষ্টি হোৱা বৰ্ণ বাবে কেতিয়াবা আঙুলি বা পানী বা চামুচ ব্যৱহাৰ কৰি এইকেইটা বৰ্ণৰ উচ্চাৰণৰ কৌশল শিকোৱা হয়।

শেষত 'য়' বৰ্ণটোৰ উচ্চাৰণ শিকোৱা হয় যদিও এই বৰ্ণটোৰ উচ্চাৰণত 'ই-অ' বৰ্ণ বা ধ্বনি দুটা একলগ কৰি শিকালে হয়।

সদৌ শেষত শিকোৱা হয় 'ঋ' বৰ্ণটো। এই বৰ্ণৰ উচ্চাৰণ 'ৰ-ই' বা 'ৰি' ৰূপে শিকালে বৰ্ণটো উচ্চাৰণ হয়।

এনেদৰে স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ শিক্ষা দিয়াৰ পিছত ছাত্ৰজনক শব্দ লিখা পদ্ধতি শিকাব লাগে। বধিৰ ছাত্ৰ-ছাত্ৰীক শব্দৰ শিক্ষা পদ্ধতি অলপ আছুতীয়াকৈ দিয়া হৈছে যেনে— কলম শব্দটো লিখি প্ৰথম পৰ্যায়ত প্ৰতিটো বৰ্ণ ব্যঞ্জন বৰ্ণৰ লগত 'অ' বৰ্ণ যে লগ হৈ থাকে তাক বুজাই উচ্চাৰণ কৰাই যাব লাগে। আৰু শব্দটোৰ কাষত কলমৰ ছবিটো আঁকি দি উচ্চাৰণ পদ্ধতি শিকাব লাগে। যেনে—

কলম— (কঅ) (লঅ) (মঅ)

ইয়াৰ পিছৰ ৰূপ 'কঅ', 'লম' অৰ্থাৎ 'ম' বৰ্ণৰ লগত যে 'অ' বৰ্ণ যুক্ত হৈ নাথাকে তাক বুজাই লিখি বুজাই দিব লাগে।

শব্দটোৰ লগত ছবিটো দেখুৱাই দি বুজাই দিব লাগে যে কলম বস্তুটোৰ আক্ষৰিক ৰূপ— কলম। এনেদৰে এটা এটাকৈ ফুলৰ মালা গঁঠাৰ দৰে শব্দৰ শিক্ষা দি যাব লাগে।

প্ৰথম পৰ্যায়ত 'অ' স্বৰ থকা শব্দৰ শিক্ষাহে দিব লাগে যাতে শব্দবোৰ উচ্চাৰণ কৰোতে সহজ পায়। যেনে— কলম, খৰম, গঁড়, ঘৰ, কল ইত্যাদি।

ইয়াৰ পিছত 'আ' স্বৰ থকা শব্দবোৰৰ শিক্ষা দিব লাগে।

তেনেদৰে ই, উ, এ, ঐ, ও, ঔ স্বৰ থকা শব্দৰ শিক্ষা দি শেষতহে ঋ বৰ্ণ থকা শব্দৰ শিক্ষা দিব লাগে।

শব্দৰ উচ্চাৰণ কৰোতে সদায় ছাত্ৰজনক লক্ষ্য ৰাখিব লাগে যেন ছাত্ৰৰ এদিনত চাৰি-পাঁচটা শব্দতকৈ বেছি শব্দৰ শিক্ষা দিয়া নহয়। আৰু প্ৰতিদিনে শিকি এৰি অহা শব্দবোৰৰ পুনৰ উচ্চাৰণ কৰি যাব লাগে।

শব্দ শিক্ষা শেষ হোৱাৰ পিছত অসমীয়া ভাষাৰ বাক্যৰ পদ্ধতিৰ শিক্ষা দিব



লাগে। বাক্যৰ পদ্ধতিৰ ক্ষেত্ৰত আমি অসমীয়া ভাষাৰ ব্যাকৰণৰ গুৰুত্বপূৰ্ণ কথাবোৰ মন কৰাৰ প্ৰয়োজন। সেইবাবে অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ শিকাব লাগে যাতে বাক্য লিখোতে বা পঢ়োতে শুদ্ধ ৰূপত উচ্চাৰণ কৰিব আৰু লিখিব পাৰে। যেনে— টো, খন, ডাল, জন ইত্যাদি।

কিয়নো নিৰ্দিষ্টতাবাচক প্ৰত্যয় ব্যৱহাৰ নাজানিলে অসমীয়া ভাষাটো শুদ্ধকৈ ক'ব বা লিখিব পৰা নাযায়। গৰুটো নকয় যদি গৰুখন কৈ দিয়ে অসমীয়া ভাষাৰ প্ৰথম বাক্য পদ্ধতিতে খেলিমেলি হোৱা দেখা যায়। সেইবাবে সম্ভৱপৰ 'টো' ব্যৱহাৰ থকা শব্দবোৰ গোট খুৱাই এখন তালিকা কৰিব লাগে। তেনেদৰে খন, ডাল, জন ইত্যাদিৰ লগত ব্যৱহাৰ থকা শব্দবোৰ গোট খুৱাই একোখন তালিকা কৰি সেইবোৰ মনত ৰাখিবলৈ দিব লাগে।

ইয়াৰ পিছত আমি সৰ্বনামৰ পদবোৰৰ ব্যৱহাৰ শিকাব লাগে— মই, মোৰ, মোক তুমি, তোমাৰ, তোমাক, আপুনি, আপোনাৰ, আপোনাক, আমি আদি সৰ্বনামবোৰৰ শিক্ষা দিওঁতে ছবি আঁকি সেইবোৰ বুজাই যাব লাগে।

সৰ্বনাম পদবোৰৰ শিক্ষা শেষ হোৱাৰ পিচত ক্ৰিয়াবাচক পদবোৰৰ লগত সৰ্বনাম পদবোৰ লগ লগাই সৰু সৰু বাক্য গঠন কৰি যাব লাগে। যেনে—

মই খাওঁ
মই যাওঁ
মই খেলো
তুমি খোৱা
তুমি যোৱা

ইয়াৰ পিছতে বাক্যবোৰ দীঘল কৰি গৈ থাকিব লাগে। যেনে—

মই ভাত খাওঁ
মই ভাত খাবলৈ যাওঁ।

প্ৰথম পৰ্যায়ত বৰ্তমান কালৰ ৰূপবোৰৰ শিক্ষা দি পিছত পৰ্যায়ক্ৰমে অতীত আৰু ভৱিষ্যৎ কালৰ শিক্ষা দিব লাগে। যেনে—

মই ভাত খাওঁ
মই ভাত খাম
মই ভাত খাইছিলো।

বাক্য গঠন পদ্ধতিৰ শিক্ষা দিয়াৰ সময়ত নয়াৰ্থক বাক্যবোৰৰ শিক্ষাও দি যাব লাগে। যেনে—

মই ভাত খাওঁ।

মই ভাত নাখাওঁ।

বাক্য গঠন পদ্ধতিৰ শিক্ষা দিওঁতে ‘বচন’ৰ শিক্ষাৰ একান্ত প্ৰয়োজন। একবচন আৰু বহুবচনৰ ৰূপবোৰ ভাঙি ভাঙি শিকাব লাগে। যেনে—

ক) মানুহজন আহিছে

মানুহবোৰ আহিছে।

খ) চৰাইটো উৰিছে।

চৰাইবোৰ উৰিছে।

বাক্য গঠন পদ্ধতিৰ আন এটা উল্লেখনীয় কথা হ’ল— বিপৰীত বিপৰীতাৰ্থক শব্দ। যেনে—

বগা—ক’লা

ইয়াৰ ৰূপবোৰৰ শিক্ষা দিওঁতে—

বগা গৰু

ক’লা গৰু— এই ৰূপে শিক্ষা দিলে বধিৰ ছাত্ৰ-ছাত্ৰীয়ে বিপৰীত শব্দবোৰ সোনকালে আয়ত্ত কৰাত সুবিধা হয়।

এনেদৰে বাক্য গঠন পদ্ধতিক পৰ্যায়ক্ৰমে শিক্ষা দি বধিৰ এজনক লিখা-পঢ়াৰে সমাজত আগুৱাই লৈ যাব পাৰি আৰু সমাজৰ দহজনৰ লগত বধিৰজনেও আগুৱাই যাব পাৰে।

অসমীয়া পদ্ধতিৰ শব্দৰ যুক্তাক্ষৰৰ প্ৰতিটো যুক্ত অক্ষৰ ভাঙি ভাঙি দিব লাগে। যেনে—

মক্কা— (মক) (কা)

দুৰ্যোগ— (দুৰ) (যোগ)

বধিৰ ছাত্ৰ-ছাত্ৰীও দুটা বা তিনিটা ভাষাত শিক্ষা গ্ৰহণ কৰাত অসুবিধা নাই। এইক্ষেত্ৰত অসমীয়া স্বৰবৰ্ণ বা ব্যঞ্জন বৰ্ণৰ শিক্ষা শেষ হোৱাৰ পিছতো বা শব্দ শিক্ষাৰ শেষ হোৱাৰ পিছতো আমি ইংৰাজী বা আইন ভাষাৰ বৰ্ণমালাৰ শিক্ষা দিব পাৰো। উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ ইংৰাজী বৰ্ণমালাৰ— A বৰ্ণৰ অসমীয়া উচ্চাৰণ হয় ‘এ’।

‘B’ বৰ্ণৰ উচ্চাৰণ হয় ‘বি’।

ইংৰাজী বৰ্ণমালাতো আমি অসমীয়া ভাষাৰ বৰ্ণবোৰৰ ‘Sign’ বোৰ ব্যৱহাৰ



কৰি ইংৰাজী ভাষাৰবৰ্ণবোৰৰ লগত সংযোগ কৰি উচ্চাৰণ উলিয়াই যাব পাৰো।

বধিৰ ছাত্ৰ এজনক অসমীয়া ভাষাৰ বৰ্ণবোৰৰ উচ্চাৰণৰ শিক্ষা দিয়াৰ পিছত ইংৰাজী ভাষাৰ শিক্ষা দিবলৈ অতি সহজ। কাৰণ অসমীয়া বৰ্ণৰ ‘Sign’ বোৰ দেখুৱাই দেখুৱাই ইংৰাজী বৰ্ণবোৰৰ লগত সংযোগ কৰি গৈ থাকিলে বৰ্ণবোৰৰ উচ্চাৰণ শুদ্ধৰূপত কৰিব পাৰে। অসমীয়া ভাষাত আৱিস্কৃত এই বধিৰৰ ধ্বনিতত্ত্বৰ দ্বাৰা পৃথিৱীৰ যিকোনো বধিৰৰে মুখৰ পৰা মাত উলিয়াবলৈ সম্ভৱ। ইয়াৰ বাবে লাগে মাথো বিভিন্ন ভাষাৰ ভাষাজ্ঞান।

এনেদৰে ধ্বনিসমূহৰ উৎপাদন আৰু সিবোৰৰ সন্মিলনত সৃষ্ট বিবিধ ৰূপক গৱেষণাকৃত পদ্ধতিৰে ব্যৱহাৰ কৰি ভাষাতত্ত্বৰ গৱেষণা ক্ষেত্ৰত নতুন গৱেষকসকলে ন ন বিষয়ত গৱেষণা কাৰ্য আৰম্ভ কৰিব পাৰে। অপ্ৰিয় হ’লেও এই কথা সত্য যে সাহিত্য আৰু ভাষাতত্ত্ব বিষয়ত আনুষ্ঠানিকভাৱে Ph. D, D. Lit আদি উপাধিৰ বাবে গৱেষণা কৰ্ম কৰোঁতে অধিকাংশ গৱেষকেই হাততে পোৱা আৰু সহজতে সম্পাদন কৰিব পৰা গৱেষণাকৃত বিষয়বোৰকহে অগ্ৰাধিকাৰ দিয়ে। কিন্তু অলপ গভীৰভাৱে গমি চালে আৰু দৃঢ়ভাৱে মন কৰিলেই গৱেষকসকলে গৱেষণাৰ বাবে নতুন বিষয় বিচাৰি পাব পাৰে। অসমীয়া বিষয়ৰ ছাত্ৰ হিচাপে আমাৰ ব্যক্তিগত অনুভৱত দৃষ্টিগোচৰ হৈছে যে ভাষা-সাহিত্যৰ অন্যান্য বিষয় যেনে— ৰূপতত্ত্ব, বাক্যতত্ত্ব, লোকসংস্কৃতি, লোকবিদ্যা, মৌখিক সাহিত্য নিৰ্দিষ্ট কোনো সাহিত্যিকৰ সাহিত্যকৃতিৰ বিচাৰ আদি বিষয়ত নতুন গৱেষকসকলে যিদৰে আগ্ৰহ প্ৰদৰ্শন কৰে ধ্বনিতত্ত্ব বিষয়ত কিন্তু তেনে গুৰুত্বৰ বিষয়টো তল পৰি থকা যেন ভাব হয়। নতুন গৱেষকসকলে যদি এই বিষয়ত গমি-পিতি চায় আৰু ধ্বনিতত্ত্ব বিষয়ত এইধৰণৰ গৱেষণা কাৰ্যত আনুষ্ঠানিকভাৱে মনোনিৱেশ কৰে তেন্তে প্ৰকৃত অৰ্থতে বৃহত্তৰ সমাজখনৰ এক গুৰুত্বপূৰ্ণ বৌদ্ধিক দায়িত্ব সম্পন্ন হ’ব বুলি আমি ভাবোঁ।

# গদ্যৰীতি অধ্যয়নৰ পৰিসৰ আৰু প্ৰণালী

ড° চুমী কলিতা

মানৱ জীৱনৰ ভাষিক প্ৰয়োজন পূৰণৰ হেতু গদ্যৰ আবিৰ্ভাৱ এক অভিনৱ আৰু চমকপ্ৰদ ঘটনা। ভাষা সৃষ্টিৰ লগে লগেই দৰাচলতে গদ্যৰো সৃষ্টি। কিন্তু দৈনন্দিন জীৱনত মানৱ জাতিৰ পাৰস্পৰিক বোধগম্যতাৰ বাবে ব্যৱহৃত ভাষাশৈলী আৰু সাহিত্যিক গদ্যৰ মাজত পাৰ্থক্য আছে। কথিত ৰূপত অৰ্থাৎ অনানুষ্ঠানিকভাৱে বক্তা আৰু শ্ৰোতাৰ মাজত অভিজ্ঞাপন কাৰ্যৰ বাবে কেৱল অৰ্থবহ শব্দসমষ্টিৰ সংযোজনেই যথেষ্ট। কিন্তু আনুষ্ঠানিকভাৱে ভাষাৰ দ্বাৰা সাহিত্য সৃষ্টিৰ ৰীতি, যাক আমি গদ্য বুলি কওঁ, সেই গদ্য নিৰ্মাণৰ বাবে শব্দ সম্ভাৰৰ লগতে আৰু বহু উপাদানৰ প্ৰয়োজন হয়। সেইবাবেই ভাষিক প্ৰয়োজনত সৃষ্টিকালৰে পৰা মানুহে কথা-বতৰাৰ মাধ্যমত গদ্য প্ৰয়োগ কৰি আহিলেও কিন্তু সাহিত্যিক প্ৰক্ৰিয়াত গদ্যৰ সৃষ্টি পদ্য বা কবিতাতকৈ পাছৰ ঘটনা। মানৱ মনৰ ভাৱ-অনুভূতি প্ৰকাশৰ বাহক ৰূপে গদ্যৰ স্থান ভাষা সাহিত্যৰ ইতিহাসত সবাতোকৈ উৰ্দ্ধত। তথাপিও কিন্তু পদ্যৰ তুলনাত গদ্য নব্য সৃষ্টি। দৰাচলতে বিশ্বৰ প্ৰতি দেশৰ সাহিত্যতে গদ্যতকৈ পদ্যৰ সৃষ্টি কৰ্ম পোনতে সম্ভৱ হৈছে। ইয়াৰ এক বিধিসন্মত কাৰণো নোহোৱা নহয়। গদ্যৰ মূল আধাৰ হৈছে কেতবোৰ কাৰিকৰী শক্তি। যি শক্তি আকৌ নিৰ্ভৰশীল ঘাইকৈ ব্যাকৰণৰ ওপৰত। কোনো এটা ভাষাৰ ব্যাকৰণৰ যথাৰ্থ জ্ঞান অবিহনে সেই ভাষাত সাহিত্যিক গদ্য সৃষ্টি সম্ভৱপৰ নহয়। ব্যাকৰণ বুলি কওঁতেও আকৌ প্ৰত্যেক ভাষাতে অন্তৰ্নিহিত ভাষাটোৰ নিজস্ব বৈশিষ্ট্যবোৰলৈ মনত পৰে। ব্যাকৰণ মাত্ৰেই হৈছে নীতি-নিৰ্দেশিত, নিৰ্দিষ্ট প্ৰণালী সম্বলিত ভাষাৰ এক নিয়ন্ত্ৰিত অভিজ্ঞাপন। দেখি, শুনি, পঢ়ি, বুজি ইয়াক আয়ত্ত কৰিব পাৰি। মানুহৰ মস্তিষ্কৰ বিশেষ কোষত অৰ্ন্তলীন হৈ থকা এক জন্মগত প্ৰতিভাৰ বলতহে মানুহে ভাষাৰ এই ব্যাকৰণ আয়ত্ত কৰিব পাৰে। অনুশীলনৰ দ্বাৰা তাক প্ৰভাৱশালী ৰূপ দিয়া হয়। কিন্তু ভাষাৰ



আয়ত্তীকৰণত ব্যাকৰণৰ জ্ঞান প্ৰাপ্তি এক কঠোৰ অথচ স্বতঃসিদ্ধ প্ৰক্ৰিয়া। মানৱ মনৰ প্ৰখৰ উদ্ভাৱনী শক্তি আৰু গ্ৰহণ ক্ষমতাৰ দ্বাৰাহে এই শক্তি আহৰণ কৰিব পাৰি। বিপৰীতে কবিতাৰ সৃষ্টিতো ব্যাকৰণগত নীতি-নিৰ্দেশনা থাকিলেও সি গদ্যৰ দৰে কঠোৰ বিধি নিৰ্দেশিত নহ'লেও চলে। শৃংখলাৰ এনে মসৃণতাকল্পেই সেয়ে বিশ্বৰ সৰ্ব দেশতে গদ্যতকৈ পদ্যৰ সৃষ্টি আগতে হোৱা দেখা যায়।

মানৱ জীৱন পৰিৱৰ্তনশীল। ভাষাও প্ৰভাৱশীল। জীৱশ্ৰেষ্ঠ মানুহে কোনো শক্তিৰ ওচৰতে কেতিয়াও নতি স্বীকাৰ নকৰে। মানুহৰ এই শ্ৰেষ্ঠত্বকল্পেই ক্ৰমে ক্ৰমে তেওঁলোকে ভাষা, তাৰ পাছত ব্যাকৰণ আৰু লাহে লাহে কাব্য সৃষ্টিৰ প্ৰেৰণা আয়ত্ত কৰিলে। সময় যোৱাৰ লগে লগে মানুহৰ জীৱন প্ৰবাহৰ গতিও সলনি হৈ আহিল। সাহিত্যৰ মাধ্যমেও সুঁতি সলালে। মানুহৰ মনত উদ্ৰেক হোৱা ঈপ্সিত ভাৱ প্ৰবাহক পাঠকৰ সন্মুখত বাস্তৱিক ভংগীৰে প্ৰত্যয়জনকভাৱে উপস্থাপন কৰিবলৈ মানুহে পদ্যতকৈ অধিক সুবিধাজনক আৰু বাস্তৱ ধৰ্মী এক বাক্‌ভংগী বিচাৰিলে আৰু মানৱ জাতিৰ প্ৰচুৰ উদ্ভাৱনী ক্ষমতাৰ কৰ্ষণকল্পেই সাহিত্যজগতত এদিন গদ্যৰ সৃষ্টি সম্ভৱ হ'ল। প্ৰকৃতিগত দিশৰ পৰা কবিতা আৰু গদ্য উভয়ে শৈল্পিক অনুভূতিৰ প্ৰকাশক। কিন্তু বাস্তৱিক জীৱনত বাক্-ব্যৱহাৰৰ হেতু মানুহে কবিতাতকৈ গদ্যকহে অগ্ৰাধিকাৰ দিয়ে। ৰীতি আৰু ছন্দৰ দ্বাৰা সুনিৰ্দিষ্ট লয়ত আবদ্ধ বাবেই দৈনন্দিন জীৱনৰ ভাষিক প্ৰয়োজনতো মানুহে পদ্যতকৈ গদ্য ব্যৱহাৰ কৰিবলৈ ভাল পায়। তদুপৰি কবিতা হ'ল মানৱ মনৰ ভাৱ প্ৰকাশক ৰূপে সুকুমাৰ অনুভূতিৰ কলাত্মক প্ৰকাশ। স্বাভাৱিকতেই এইবিধ অভিব্যক্তি সৰস, সাবলীল আৰু সুকোমল ছন্দেৰে তৰংগায়িত। বিপৰীতে গদ্য হ'ল মানৱ মনৰ ভাৱ অনুভূতিৰ সম্পূৰ্ণ বাস্তৱিক, প্ৰত্যক্ষ আৰু স্পষ্ট প্ৰকাশ। শব্দ প্ৰয়োগৰ কৌশলেই এই দুই প্ৰকাৰ অভিব্যক্তিৰ মূল স্বৰূপ। কিন্তু লক্ষণীয় যে কবিতাত শব্দৰ সৃষ্টি আৰু গদ্যত শব্দৰ ব্যৱহাৰ কাৰ্যতহে অধিক গুৰুত্ব প্ৰদান কৰা হয়। কবিতা সৃষ্টিত শব্দৰ যি মহত্ত্বৰ ভূমিকা, সেয়া বিশেষকৈ কবি কল্পনাৰ অসাধাৰণ সৃজনী ক্ষমতাৰে নিৰ্মিত। আনহাতে গদ্যৰচনা হ'ল ইতিমধ্যে প্ৰাপ্ত অথবা প্ৰস্তুত ভাষিক সামগ্ৰীখিনিৰে নব্য সংযোজনকল্পে নিৰ্মিত শব্দ সম্ভাৰৰ সমষ্টি, য'ত মানৱ মনৰ ভাৱ-অভিব্যক্তিৰ লীলায়িত আৰু কাব্যিক স্পৰ্শৰ বিপৰীতে সম্পূৰ্ণ বাস্তৱিক, স্পষ্ট আৰু দ্ব্যৰ্থকতাবিহীন শব্দ সম্ভাৰৰ দ্বাৰা এক নব্য নিৰ্মিতি গঢ়ি তোলা হয়। আপাতঃ দৃষ্টিত চাবলৈ গলে মানৱ মনৰ ভাৱ প্ৰকাশক ৰূপে কবিতা আৰু গদ্যৰ মাজত বিশেষ পাৰ্থক্য একো নাই। ই হ'ল বক্তাৰ ভাৱ প্ৰকাশৰ দুটা পৃথক শৈলী মাত্ৰ। সেইবাবেই এই দুই শৈলীৰ মাজৰ প্ৰভেদ

নিৰ্ণয় প্ৰক্ৰিয়াও শ্ৰোতা বা পাঠকৰ অনুভূতিগ্ৰাহ্য দক্ষতাৰেহে পৰিচালিত হয়। পাঠকৰ আত্মিক অনুভূতি আৰু বৌদ্ধিক সক্ষমতাৰ দ্বাৰাহে এইপ্ৰভেদ হৃদয়ংগম কৰিব পাৰি। অৰ্থাৎ সহজ ভাষাত কবিতা আৰু গদ্যৰ পাৰ্থক্য বিশ্লেষণ যুক্তিৰ ওপৰত নহয়, মানুহৰ অনুভূতিৰ সূক্ষ্মতাৰ ওপৰতহে নিৰ্ভৰশীল। বাক্য বিন্যাস প্ৰকৰণৰ নিৰ্দ্ধাৰিত নীতি-নিৰ্দেশনাৰ দ্বাৰা নিয়ন্ত্ৰিত হৃদয়ৰ সমস্ত পুঞ্জীভূত ভাব প্ৰকাশৰ বাহক ৰূপে ছন্দবিহীন পদসমষ্টিৰ শৃংখলাবদ্ধ আৰু ধাৰাবাহিক প্ৰয়োগকে গদ্য বোলা হয়। ভাষাৰ মাধুৰ্য আৰু প্ৰাঞ্জলতাও গদ্যৰ স্পষ্টতাৰ ওপৰতে নিৰ্ভৰশীল। সেইবাবেই গদ্যৰ অন্যতম প্ৰধান গুণ হৈছে ভাব প্ৰবাহৰ সঠিক সংগতি। এই সংগতিৰ লগত যেতিয়া মিলিত হয় ভাবৰ সাৱলীলতা, মাধুৰ্য, প্ৰগাঢ়তা, ওজস্বিতা আৰু বাঙ্ময়তা, প্ৰকৃত অৰ্থত তেতিয়াই সৃষ্টি হয় গদ্যৰ। সহজ ভাষাত ক'ব পাৰি, গদ্য হৈছে মানুহৰ মনৰ ভাব-অনুভূতি প্ৰকাশৰ এক বাচিক ৰূপ, যি ৰূপে প্ৰসিদ্ধি লাভ কৰিব পাৰে যথাৰ্থ শব্দ প্ৰয়োগ, শৃংখলাবদ্ধ পদ সন্নিবেশ, ঋজু কথনশৈলী, প্ৰায়োগিক মধুৰতা আদি গুণৰ সংমিশ্ৰণতহে।

ভাষা-সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত গদ্যৰীতি অধ্যয়নৰ প্ৰয়োজনীয়তা বিশেষ লেখতলবলগীয়া। সাম্প্ৰতিক কালত বিশ্ববিদ্যালয়ৰ অধীনত পি. এইচ. ডি., এম. ফিল আদি ডিগ্ৰী লাভৰ হেতু কোনো লেখক বিশেষৰ গদ্যৰীতি অধ্যয়ন প্ৰক্ৰিয়াই ছাত্ৰ-ছাত্ৰীৰ মাজত বিশেষ গুৰুত্ব লাভ কৰা দেখিবলৈ পোৱা গৈছে। গদ্য অধ্যয়নৰ দ্বাৰা একোটা ভাষাত অৰ্ন্তনিহিত বিশেষত্বসমূহ বিশ্লেষণ কৰিব পৰা যায়। একোটা জাতি আৰু একোখন ভাষিক সমাজত দৈনন্দিন কথ্যৰীতি আৰু শিষ্ট তথা বৌদ্ধিক উপাদানসমূহৰ সম্ভেদো গদ্যৰীতি অধ্যয়নৰ জৰিয়তে বিচাৰি উলিয়াব পাৰি। একোটা ভাষাৰ গঠন, উদ্ভৱ, সমৃদ্ধি, ব্যৱহাৰ, বিবৰ্তন, সংকোচন, সংবৰ্দ্ধন, অন্য ভাষাৰ প্ৰভাৱ আদি সমস্ত দিশৰ সন্ধান গদ্যৰীতিয়ে দিব পাৰে। গদ্যৰ মৌলিক উপাদান ৰূপে স্বীকৃত শব্দসম্ভাৰৰ বৈচিত্ৰ্যময় স্থিতি, ব্যৱহাৰ আৰু বিৱৰ্তন সম্পৰ্কে জানিবলৈকো গদ্যৰীতিৰ অধ্যয়ন গুৰুত্বপূৰ্ণ। যুগৰ পাছত যুগ ধৰি বিবিধ বিশেষত্বৰে পৰিপুষ্ট হৈ বিৱৰ্তনৰ দিশে গতি কৰা ভাষা একোটাৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰিবলৈ, অথবা সংশ্লিষ্ট ভাষাটোত প্ৰাপ্ত গভীৰ, বৰ্ণাঢ্য আৰু বিস্তৃত লোকসাহিত্য, সংস্কৃতিৰ সম্ভেদ পাবলৈ, থলুৱা জীৱনত প্ৰচলিত মাত-কথা, যোজনা পটন্তৰ আদিৰ উঁহ উলিয়াবলৈ, সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভাষাটোৰো ভাব আৰু ৰূপত আৰোপ হোৱা বিবিধ পৰিৱৰ্তনৰ গূঢ়াৰ্থ অনুধাৱন কৰিবলৈ আৰু সৰ্বোপৰি ভাষা একোটাৰ লগতে সেই ভাষাত প্ৰাপ্ত সাহিত্য সম্পদৰো ক্ৰমবিকশিত ধাৰাৰ গতি আৰু প্ৰকৃতিৰ যথাৰ্থতা নিৰ্দ্ধাৰণৰ বাবে গদ্যৰীতি অধ্যয়নৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। গদ্যৰীতিৰ কালগত অধ্যয়নৰ জৰিয়তে একোটা ভাষাৰ



বিশেষ সময়ৰ ভাষিক ৰূপ, সমৃদ্ধি, পৰিবেশ, ক্ৰমবিবৰ্তন আদিৰ জ্ঞান অৰ্জন কৰিব পাৰি। ব্যক্তিগত স্তৰত আকৌ গদ্যৰ মাধ্যমত অধ্যয়ন কৰা ধ্বনি, ৰূপ, শব্দ, বাক্য, ভাব, ছন্দ, অলঙ্কাৰ আদিৰ বিশ্লেষণে বিভিন্ন পৰ্যায়ৰ গদ্য লেখকসকলৰ সুকীয়া সুকীয়া ৰূপত বুদ্ধিমত্তা, প্ৰতিভা আৰু স্বকীয় বৈশিষ্ট্যৰ স্ফুৰণ ঘটাব পাৰে। বিভিন্ন লেখকৰ গদ্যশৈলীত থকা মিল-অমিল সম্বন্ধেও ইয়াৰ দ্বাৰা জানিব পৰা যায়। সাহিত্য ৰূপে গদ্য ৰচনাৰ মান নিৰূপনো গদ্যৰীতি অধ্যয়নৰ অন্যতম প্ৰয়োজনীয়তা ৰূপে স্বীকৃত।

সাহিত্যত আৰোপ কৰা গুণ আৰু বিশিষ্টতা অনুসৰি গদ্য সাহিত্যক পাঁচটা ভাগত ভাগ কৰা হৈছে -- বৰ্ণনাত্মক (Narrative), যুক্তিনিষ্ঠ (Argumentative), নাটকীয় (Dramatic), বাৰ্তাবাহক (Informative) আৰু মননশীল (Contemplative)। পাশ্চাত্যৰ প্ৰসিদ্ধ সমালোচক Marjori Boultan[২]য়েই হৈছে গদ্যৰ এই শ্ৰেণীবিভাজন প্ৰসংগৰ পথিকৃৎ। এইগৰাকী সমালোচকে তেওঁৰ 'Anatomy of prose' গ্ৰন্থত উল্লিখিত পাঁচোপ্ৰকাৰ গদ্যৰে বিশ্লেষণাত্মক সংজ্ঞাও আগবঢ়াইছে।

সাধাৰণভাৱে সাহিত্যৰ ক্ষেত্ৰত সবাতোকৈ অধিক জনপ্ৰিয় আৰু প্ৰচলিত গদ্যবিধেই হ'ল বৰ্ণনাত্মক। আকৰ্ষণীয় কাহিনী, বিষয়বস্তু আদিৰ বৰ্ণনা সম্বলিত লেখন-ৰীতিকে বৰ্ণনাত্মক গদ্য বোলা হয়। আকৌ বাস্তৱৰ সৈতে সংগতি ৰক্ষা কৰি সম্পূৰ্ণ যুক্তিবাদী মনোভংগীৰে বাস্তৱধৰ্মী তথ্য অথবা মত দাঙি ধৰাৰ অৰ্থে বৰ্ণনাত্মক গদ্যতকৈ অধিক ভাবময় যি গদ্য ব্যৱহাৰ কৰা হয়, তাক কোৱা হয় যুক্তিনিষ্ঠ গদ্য। নাটকীয় গদ্য হ'ল কিছু পৰিমাণে কাব্যিক। আৱেগিক ভাবানুভূতিয়ে এইবিধ গদ্যত প্ৰায়ে সাংগীতিক লহৰ সৃষ্টি কৰে। স্বাভাৱিক আবেগ-অনুভূতি, ৰাগ-অনুৰাগেৰে নাটকীয় গদ্য সিক্ত। জ্ঞান অন্বেষণ কিম্বা সৃষ্টি ক্ষমতাযুক্ত বিভিন্ন খবৰ-বাতৰি অথবা তথ্য ৰচনাৰ হেতু যি প্ৰত্যক্ষ গদ্য ব্যৱহাৰ কৰা হয় তাক কোৱা হয় বাৰ্তাবাহক বা জ্ঞানজ্ঞাপক গদ্য। ধৰ্মীয়, আধ্যাত্মিক অথবা চিন্তাসমৃদ্ধ বিষয় ৰচনাৰ হেতু লেখকে যি গদ্য ব্যৱহাৰ কৰে, সেয়ে হৈছে মননশীল বা চিন্তামূলক গদ্য।

গদ্যৰীতিৰ অধ্যয়ন বুলিলেই ইয়াৰ পৰিধি সম্পৰ্কীয় কৌতুহল এটিও মনলৈ আহে। গদ্যৰ অধ্যয়নত কি কি বিষয় সামৰা হয়? কি কি ৰীতি অথবা স্তৰৰ মাজেৰে গদ্যৰ বিশ্লেষণ সম্পন্ন কৰা হয়? এনেধৰণৰ বিভিন্ন প্ৰশ্নই ন শিকাৰুৰ মনত ভূমুকি মাৰে। লেখকৰ মনত পুঞ্জীভূত ভাব সমষ্টিক সাহিত্যিক মাধ্যমেৰে পাঠকৰ ওচৰলৈ প্ৰেৰণ কৰাৰ সবাতোকৈ শক্তিশালী আৰু স্বয়ংক্ৰিয় মাধ্যম হৈছে গদ্য। গদ্যৰ প্ৰণালীবদ্ধ অধ্যয়নে ভাষা একোটাৰ আভ্যন্তৰীণ গঠনৰ ইংগিত দাঙি ধৰিব পাৰে। সেইফালৰ পৰা চাবলৈ গ'লে গদ্যৰীতিৰ অধ্যয়ন এক পদ্ধতিগত, বিজ্ঞানসন্মত আৰু শৃংখলা অনুসৃতঃ পদ্ধতি, যি পদ্ধতি

সম্পন্ন হয় গৱেষকৰ কষ্টসাধ্য শ্ৰম, জ্ঞান আৰু অভিজ্ঞতাৰ দ্বাৰাহে। গদ্যৰীতি অধ্যয়নৰ মূল বিষয় হৈছে শব্দসম্ভাৰ, বাক্যৰীতি, অনুচ্ছেদ, যতি, লয়, অলংকাৰ আৰু ৰীতিৰ পুংখানুপুংখ বিশ্লেষণ আৰু ঐতিহ্যৰ সন্ধান। নতুন গৱেষকসকলে এই সমস্ত বিষয়ত পুঙ্খানুপুঙ্খভাৱে আৰু গভীৰ উৎসৰ্গীকৃত মনোভংগীৰে গুৰুত্ব প্ৰদান কৰা উচিত। গদ্যৰীতিৰ অধ্যয়ন প্ৰসংগত এই সকলো স্তৰত কিমান গভীৰলৈ আৰু কি বিধিৰে গৱেষকসকলে তেওঁলোকৰ অনুসন্ধান আৰম্ভ কৰিব, এই বিষয়ে আমি আলোকপাত কৰোহঁক।

**শব্দৰীতি ঃ**

শব্দই হ'ল গদ্যৰ মূল আৰু প্ৰাথমিক উপাদান। উপযুক্ত স্থানত উপযুক্ত ভাব প্ৰকাশৰ তাড়নাত উপযুক্ত শব্দৰ সংস্থাপন কেৱল পাৰদৰ্শী গদ্যকাৰৰ পক্ষেহে সম্ভৱ, কিয়নো শব্দ প্ৰয়োগত সামান্য হীন-ডেঢ়ি হ'লেই গদ্যই তাৰ নন্দনতাত্ত্বিক সৌন্দৰ্য হেৰুওৱাৰ ভয় থাকে। আকৌ নান্দনিক সৌন্দৰ্যক অধিক গুৰুত্ব দিবলৈ গৈ বাস্তৱবাদী মনোভংগীক আওকাণ কৰিলে শব্দৰ মননশীল ওজস্বিতা আৰু গাঢ়তা ক্ষয় হয়। "Prose takes it stand firmly on the intellectual value of the word. It uses rhythms whice ordinary speech neglects, and aims at a general fluid harmony of movement. It seeks to associate words agreeably and luminously. It strives after a more accurate, subtle, flexible and satisfying expression than the rough methods of ordinary speech care to compass"[২] বাস্তৱিকতেই শব্দৰ বৌদ্ধিক গাম্ভীৰ্য আৰু অৰ্থৰ ওপৰতেই গদ্যৰ মনোগ্ৰাহিতা নিৰ্ভৰশীল। সেইবাবে সাহিত্য, বিশেষকৈ সৃষ্টিশীল সাহিত্যৰ গদ্য ৰচনাত শব্দ নিৰ্বাচন কাৰ্যত গদ্যকাৰ যথেষ্ট যত্নশীল হোৱা দৰকাৰ। "বিষয় আৰু প্ৰকাশভঙ্গীৰ মাজত যে ওতঃপ্ৰোতঃ সম্বন্ধ বিদ্যমান, টুলুঙা বিষয়ৰ লগত গহীন প্ৰকাশভঙ্গী বা গহীন বিষয়ৰ লগত তৰল প্ৰকাশভঙ্গী যে খাপ নেখায় সেই কথা লেখকে পাহৰিব নালাগিব। বিশেষকৈ শব্দচয়নৰ বেলিকা তেওঁ এই কথা মনত ৰাখিব লাগিব। উপযুক্ত উপলক্ষত উপযুক্ত শব্দটো প্ৰয়োগ কৰিব পৰাটোৱেই কৃতী লেখকৰ পৰিচায়ক।"[৩]

শব্দ হৈছে গদ্যৰীতিৰ প্ৰধান উপাদান। শব্দ প্ৰয়োগৰ চাতুৰ্যই একোগৰাকী গদ্যকাৰৰ ব্যক্তিত্বত অন্তৰ্নিহিত হৈ থকা কলাসুলভ চেতনাৰ ইংগিত প্ৰদান কৰিব পাৰে। এই ইংগিতৰ আধাৰতে সম্ভৱ হৈ উঠে তেওঁৰ গদ্যৰীতিৰ সুকীয়া বিশ্লেষণ। A Berrett ৰ ভাষাত, "Style is a form of words"[৪] গতিকেই গদ্যৰীতিৰ সাৰ্থকতা বহু পৰিমাণে শব্দচয়নৰ ওপৰত নিৰ্ভৰশীল। বৰ্ণনীয় বিষয়বস্তুৰ সৈতে সংগতি ৰাখি উপযুক্ত শব্দৰ নিৰ্বাচন তথা ভাৱৰ যোগ্য প্ৰকাশক হ'ব পৰাকৈ উপযুক্ত স্থানত সিবোৰৰ সংস্থাপন উন্নতমানৰ গদ্যৰ বাবে বিশেষ লেখত ল'বলগীয়া বিষয়। যোগ্যতাসম্পন্ন সুদক্ষ লেখকে নিজৰ সৃষ্টিৰ সৈতে



সংগতি ৰাখি বিষয়বস্তুৰ প্ৰয়োজনীয়তা সাপেক্ষে বিভিন্ন ধৰণৰ শব্দ প্ৰয়োগেৰে গদ্যক অধিক শক্তিশালী আৰু সৌষ্ঠৱপূৰ্ণ কৰি তোলে। "লেখকৰ যথানুৰূপ বিষয় বিন্যাস, শব্দচয়ন আৰু চিত্ৰ নৈপুণ্যৰ মাধ্যমত ব্যঞ্জিত হোৱা বিধেয়। ভাষাৰ মিতাক্ষৰ গাঢ়তা বা পৰিমিতি ৰক্ষা কৰিবৰ বাবে লেখকে উপযুক্ত শব্দ চয়ন কৰে।"[৫] এনে কৰিবলৈ যাওঁতে কেতিয়াবা তৎসম, অৰ্দ্ধতৎসম আদি শব্দৰ উপৰি লেখকৰ প্ৰিয় হৈ পৰে বিভিন্ন কথিত শব্দ, উপভাষাগত ৰূপ, ধ্বন্যাত্মক শব্দ, যুৰীয়া শব্দ, প্ৰবাদ-পটন্তৰ, জতুৱা ঠাঁচ, খণ্ডবাক্য, প্ৰাচীন, নতুন, সহজ-সৰল, দুৰ্বোধ্য অজস্ৰ শব্দ। কিছুমান লেখকৰ যদি দীঘলীয়া শব্দ প্ৰয়োগৰ প্ৰৱণতা থাকে, তেন্তে কোনোবাজনে সংক্ষিপ্ত অথচ অৰ্থপূৰ্ণ শব্দৰেহে গদ্য নিৰ্মাণত গুৰুত্ব প্ৰদান কৰে। "Some people have a passion for long words."[৬] কিছুমান লেখকৰ আকৌ কেতিয়াবা কিছুমান প্ৰিয় শব্দও থকা দেখা যায়, যাৰ সঘন প্ৰয়োগ সমালোচক অথবা গৱেষকৰ দৃষ্টিত তেওঁৰ গদ্যৰীতিৰ এক বিশেষত্ব ৰূপে চিহ্নিত হয়। গদ্যৰীতিৰ বিশ্লেষণ প্ৰসংগত শব্দচয়নৰ দিশত থকা এনে বৈচিত্ৰ্যপূৰ্ণ ব্যৱহাৰৰ যথোপযুক্ত আলোচনাও একোগৰাকী লেখকৰ গদ্য শৈলীক অধিক অৰ্থপূৰ্ণ কৰি তোলাত সহায়ক ৰূপে পৰিগণিত হয়।

**বাক্যৰীতি ঃ**

গদ্য সাহিত্য বুলিলেই সামগ্ৰিকভাৱে তাৰ জঁকাটো নিৰ্মাণ হয় উৎকৃষ্ট আৰু সাৱলীল শব্দ সম্ভাৰৰ দ্বাৰা। যোগ্য লেখকে আত্মিক জ্ঞান আৰু মস্তিষ্কৰ সংযোগত চয়ন কৰা শব্দৰীতিয়ে নিৰ্মাণ কৰা গদ্যৰ এই জঁকাটোক তেজ-মঙহৰ যোগান ধৰে বাক্যই। বাক্য হ'ল এক বা একাধিক পদ উচ্চাৰণৰ দ্বাৰা কোনো এটা ক্ৰিয়াকৰ্মৰ পূৰ্ণ ভাব প্ৰকাশ কৰা ৰীতি। অৰ্থাৎ সহজ ভাষাত "দুই বা অধিক পদ গোট খাই কথা বুজালে তাক বাক্য বোলে।"[৭] লেখকৰ অন্তৰস্থ ভাবানুভূতি অথবা কোনো বিষয়প্ৰাপ্ত জ্ঞানৰ পুঙ্খানুপুঙ্খ সম্ভেদ পাঠকক দিবলৈ হ'লে উপযুক্ত স্থানত সুসংবদ্ধ বাক্য ব্যৱহাৰৰ কৌশল জনাটো দৰকাৰ। বাক্য হৈছে ঘাইকৈ ব্যাকৰণৰ বিষয়। গতিকে ই স্বাভাৱিকতে কেতবোৰ ব্যাকৰণগত নীতি-নিৰ্দেশনাৰ মাজত আবদ্ধ। সৃষ্টিশীল সাহিত্য হৈছে লেখকৰ কল্পনাৰে উজ্জীৱিত, বলিষ্ঠ, ওজস্বী, গাম্ভীৰ্যপূৰ্ণ আৰু চিন্তাসমৃদ্ধ। এই সাহিত্যই তাৰ ব্যক্তিত্ব ৰক্ষাৰ বাবে লেখকৰ বিশেষ যত্নৰ দ্বাৰা প্ৰতিপালিত হোৱা দৰকাৰ। কিয়নো চিন্তাশীল লেখা এটাৰ বাক্য নিৰ্মাণ কাৰ্যত লেখক যথেষ্ট সচেতন আৰু পৰিপক্ক নহ'লে লেখাই তাৰ মৰ্যাদা হেৰুৱাৰ ভয় থাকে। আনহাতে সম্পূৰ্ণ বাস্তৱধৰ্মী নীতি-নিৰ্দেশনাৰে চালিত, চিন্তাশীল তথ্য সমৃদ্ধ প্ৰাসংগিক লেখা এটা নিৰ্মাণ কৰিবলৈ যাওঁতে বাক্য নিৰ্মাণৰ ক্ষেত্ৰত গদ্যকাৰ ব্যাকৰণৰ সন্মুখত লেও-সেও হৈ পৰিলে লেখাই তাৰ নান্দনিক সৌন্দৰ্য হেৰুৱাই পেলোৱাৰ শংকাই দেখা দিয়ে। সেইবাবেই সৃষ্টিশীল গদ্যকাৰসকলে

বাক্য নিৰ্মাণৰ ক্ষেত্ৰত ব্যাকৰণগত দিশ সমূহক গুৰুত্ব প্ৰদান কৰিও বিষয়ধৰ্মী, প্ৰত্যক্ষ অৰ্থ প্ৰকাশক আৰু সমৃদ্ধিশালী তথা স্পষ্ট বাক্য নিৰ্মাণতহে অধিক মনোনিৱেশ কৰে। এনে কৰাৰ ফলতে এইসকল গদ্যকাৰে কেতিয়াবা ব্যাকৰণৰ পুঙ্খানুপুঙ্খ বিশ্লেষণৰ শিকলি ছিঙিব খোজে, তথাপি সমালোচকসকলে তাত আসোঁৱাহ নিৰ্দেশ কৰাৰ সুৰুঙা বিচাৰি নাপায়— "When we are studying a prose style, we find that grammar has its unitations as a guide to what is good. If we wish to write well ourselves, we had better write grammatically; but very good authors may use ungramamatical language, unidiomatic language and even very vulgar or stangy language in order to suggest the kind of person who is speaking."[৮] অৰ্থাৎ সৃষ্টিশীল সাহিত্যত ব্যাকৰণেহে গদ্যক অনুসৰণ কৰে। গদ্যই ব্যাকৰণক প্ৰকৃত মৰ্যাদা প্ৰদান কৰে মাত্ৰ। মুঠৰ ওপৰত, গদ্যৰীতিৰ অধ্যয়নত বাক্যৰ মহত্ত্বৰ ভূমিকা লেখত লবলগীয়া। যোগ্যতা, আসক্তি আৰু আকাংক্ষা সংযুক্ত, গভীৰ অৰ্থপ্ৰবাহিত আৰু লেখকৰ অভীষ্ট লিপ্সা সাধনৰ উপযোগীকৈ নিৰ্মিত বাক্যইহে গদ্যৰ গাঢ়তা অক্ষুণ্ণ ৰাখিব পাৰে। একোটা ভাষাত প্ৰাপ্ত উক্তি, জতুৱা ঠাঁচ, প্ৰবাদ-পটন্তৰ, খণ্ডবাক্য আদিৰ অধ্যয়নো বাক্যৰীতিৰ অন্তৰ্গত।

**অনুচ্ছেদ ঃ**

গদ্যৰীতিৰ বিশ্লেষণত শব্দ আৰু বাক্যৰীতিৰ পাছতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে অনুচ্ছেদে। বৰ্ণনীয় বিষয়বস্তুৰে বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি কৰি লক্ষ্যবিন্দুত উপনীত হৈ লেখকৰ অন্তৰস্থ ভাবপ্ৰবাহ পাঠকৰ দিশে প্ৰবাহিত কৰি গদ্যৰ অভীষ্ট সিদ্ধি কৰিবলৈ হ'লে অনুচ্ছেদ নিৰ্মাণত গদ্যকাৰ যথেষ্ট সচেষ্ট হোৱা দৰকাৰ। শব্দ, বাক্য, লয়, যদিত, অলংকাৰ সমগ্ৰৰ মাজত সুসমন্বয় ৰক্ষা কৰি ব্যঞ্জনাসমৃদ্ধ ভাব আৰু ভাষাৰ স্পষ্টতাৰে অনুচ্ছেদ নিৰ্মাণ কৰিলেহে গদ্যৰ সংযুতি ৰক্ষা পৰে আৰু পাঠকৰো মনোযোগ আকৰ্ষণ হয়। শব্দসমষ্টৰ দ্বাৰা সৃষ্ট বাক্যৰ মাজত অৰ্ন্তনিহিত বিক্ষিপ্ত অংশসমূহক অনুচ্ছেদে নিৰ্দিষ্ট ৰূপত সংগঠিত কৰে আৰু পাঠকৰ ঈপ্সিত অনুভূতিক মিতাব পৰাকৈ বিষয়বস্তুক সুসংবদ্ধভাৱে আগবঢ়াই লৈ যায়। বহু সময়ত বহুতো গদ্যকাৰে প্ৰথম অনুচ্ছেদৰ শেষৰ শাৰীটোত এনে বহু কথা কৈ যায়, যিবোৰৰ বিস্তৃত ব্যাখ্যাৰ উপলব্ধি পৰৱৰ্তী অনুচ্ছেদৰ প্ৰথম বাক্যটোৰ পৰাহে সম্ভৱ হয়। কিছুমান লেখকৰ অত্যধিক দীঘলীয়া অনুচ্ছেদ ব্যৱহাৰৰ প্ৰৱণতা থাকে। বহুতে আকৌ একেবাৰে চুটি চুটি, খণ্ডিত অনুচ্ছেদ ব্যৱহাৰ কৰি ভাল পায়। মধ্যম গঢ়ৰ অনুচ্ছেদেও ভাল গদ্য নিৰ্মাণ কৰে। পাঠকৰ পক্ষেও ই অধিক তৃপ্তিদায়ক। বহু সময়ত সৃষ্টিশীল সাহিত্যৰ ক্ষেত্ৰত আকৌ চুটি অথবা দীঘল



অনুচ্ছেদেহে লেখকৰ অভীষ্ট সিদ্ধি কৰিব পাৰে। মুঠতে দৈৰ্ঘ্য যিয়েইনহওক কিয় অনুচ্ছেদৰ নিৰ্মাণৰীতি হ'ব লাগে যথাৰ্থ ভাৱসাম্যসম্পন্ন, গভীৰ অৰ্থপ্ৰযুক্ত আৰু বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি কৰিব পৰাকৈ স্থিতিস্থাপক গুণৰ অধিকাৰী। Marjorie Boulton ৰ ভাষাত Each paragraph treats of one aspect of the topic and each lads on to the next reasonably, this is the whole art of paragraphing from the point of view of logic. It is usually possible to find one sentence in each paragraph, called, in most books an grammar, the key sentence which sums up the gist of the peragraph. We have given our attention to the logical structure of a paragraph and have seen that, whatever its length, it must have some unity of thought and will usually dad on to another paragraph by an abvious link.....:[৯] গদ্যৰীতিৰ অধ্যয়নত অনুচ্ছেদৰ স্থিতি আৰু প্ৰয়োগ উপলব্ধিও বিশেষভাৱে দৰকাৰী কথা। শব্দ আৰু বাক্যৰীতিৰ সমান্তৰালভাৱে সেয়ে অনুচ্ছেদ নিৰ্মাণতো পাৰদৰ্শী হ'লেহে লেখকে উপযুক্ত লেখা পাঠকক। উপহাৰ দিব পাৰে।

**লয় ঃ**

গদ্যৰীতিৰ অধ্যয়নত 'লয়' ৰো উল্লেখনীয় ভূমিকা আছে। লেখকৰ মনৰ আবেগ, অনুভূতিক হুবহু ৰূপত পাঠকৰ সন্মুখত দাঙি ধৰিবলৈ হ'লে গদ্য লয়যুক্ত হোৱা দৰকাৰ। ভাষা প্ৰয়োগৰ চাতুৰ্য, শব্দৰ প্ৰকাশ ক্ষমতা, বাক্যৰ ওজস্বিতা আৰু বৰ্ণনীয় বিষয়ৰ ধাৰাবাহিকতাৰ সৈতে লেখকৰ আবেগ, অনুৰাগ জড়িত হৈ যি এক সাৱলীল শ্ৰুতিমধুৰ অনুৰণনৰ সৃষ্টি হয় সেয়ে লয়।

লেখকৰ মনৰ বিভিন্ন ভাব-অনুভূতি, আৱেগ-অনুৰাগ আদিয়ে নিয়মীয়া ৰূপত লয়ধৰ্মী হৈ গদ্যৰ মাধ্যমেদি প্ৰকাশ পালে পাঠকৰ হৃদয় গদ্যবস্তুৰ দিশে আকৰ্ষিত হয় আৰু অন্তৰতো ৰসানুভূতিৰ সঞ্চাৰ ঘটে। লয় মূলতঃ কবিতাৰ বস্তু। সেইবুলিয়েই কিন্তু গদ্যত যে 'লয়'ৰ স্থিতি শূন্য তেনে নহয়। কবিতাৰ লয় আৰু গদ্যৰ লয়ৰ মাজত প্ৰকৃতিগত পাৰ্থক্য আছে। "One of the differences between mediocre prose and great prose is that great prose has fine rhythm. The reader may perhaps be surprised at the association of rhythm with prose; is not rhythm one of the essential characteristics of poetry? Yes ; but the rhythm of poetry consists, with a few exceptions already mentioned, of a regular pattern of of stresses varied so as to add interest but never so much as to obliterate the basic pattern; the rhythm of prose depends entirely on suitable variatians."[১০] গদ্যত লয় সৃষ্টিৰ বাবে পৰ্ব, ছন্দবন্ধন, মাত্ৰা আদিৰ প্ৰয়োজন নাই। তীব্ৰ আৰু গাম্ভীৰ্যসম্পন্ন শব্দ সম্ভাৰ, স্পষ্ট আৰু প্ৰত্যক্ষ বাক্যৰীতি, নিটোল, সংহত, সংযমী আৰু অৰ্থবহ যতি তথা ভাৰসাম্যযুক্ত

সুৰ প্ৰবাহেহে গদ্যত 'লয়'ৰ সৃষ্টি কৰে। আলোচ্য উপাদানসমূহে কবিতাৰ লেখীয়াকৈ গদ্যতো এক প্ৰকাৰৰ নিয়মিত বিৰতিৰ সৃষ্টি কৰে আৰু এই বিৰতিৰ ফলশ্ৰুতিয়ে ধ্বনিপ্ৰবাহ, শব্দসম্ভাৰ আৰু বাক্য সমগ্ৰক এক 'লয়' মুখী আবেদন প্ৰদান কৰিবলৈ সক্ষম হয়।

**যতিচিন ঃ**

বৰ্ণনীয় বিষয়ক শ্ৰুতিমধুৰ কৰিবলৈ অথবা লয় প্ৰদানেৰে গাম্ভীৰ্যপূৰ্ণ ৰূপ দিবলৈ হ'লে যতি বা বিৰাম চিনৰ প্ৰয়োজন। সচেতন আৰু শক্তিশালী লেখকে যতি প্ৰয়োগৰ দ্বাৰা ঈপ্সিত ভাবক পাঠকৰ হৃদয়সংবেদী আৰু অৰ্থঘন ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হয়। যতি হ'ল কেতবোৰ বিৰাম, যিয়ে কথা কওঁতে বা মনৰ ভাব প্ৰকাশ কৰোঁতে বক্তাক মাজে মাজে থমকি ৰোৱাত সহায় কৰে। বৰ্ণনীয় বিষয়ৰ শ্ৰুতিমাধুৰ্য বঢ়াবলৈ অথবা লয়যুক্ত কৰিবলৈকো যতি ব্যৱহাৰ কৰা হয়। শ্বাসযতি, ভাবযতি আৰু ছন্দযতিৰ অন্তৰ্গত অলেখ যতিচিনৰ যথাযোগ্য ব্যৱহাৰে গদ্যক, বিশেষকৈ সৃষ্টিশীল গদ্যক বিশেষভাৱে প্ৰভাৱশালী কৰি তোলে। দাৰি, কমা, কোলন, চেমিকোলন, ভাববাচক, প্ৰশ্নবোধক, দেচ আদি যতিচিনৰ প্ৰয়োগে গদ্যক শক্তিশালী আৰু গভীৰ অৰ্থমহত্ত্ব প্ৰদান কৰে। সেইবাবেই যতিচিনৰ যথোপযুক্ত ব্যৱহাৰৰ পাৰদৰ্শিতা গদ্যকাৰ মাত্ৰেই অন্যতম অৰ্হতাৰূপে বিবেচিত।

**অলংকাৰ ঃ**

অলংকাৰ গদ্যৰ এক অন্যতম উপাদান। অলংকাৰৰ প্ৰয়োগে সাহিত্যৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে তাৰ অৰ্থঘনত্বও বঢ়ায়। কাব্য সাহিত্যতে অলংকাৰ প্ৰয়োগৰ সুবিধা বেছি যদিও কৌশলী আৰু দক্ষতাপূৰ্ণ গদ্যকাৰেও কিন্তু অলংকাৰ প্ৰয়োগৰ দ্বাৰা বৰ্ণনীয় বিষয়ক অধিক স্পষ্ট কৰি তোলাৰ লগতে ভাব প্ৰবাহৰ সৈতে পাঠকৰ সহজ সম্পৰ্ক ৰক্ষা কৰাত আগভাগ লয়। "... the ornamentation is not an afterthought canscientiously applied, but is dictated by the whole tone of the piece and temperment of the writer, like rhythm in peotry." [১১] গদ্যত অলংকাৰৰ প্ৰয়োগ নিঃসন্দেহে এক কৌশলী আৰু শ্ৰমসাধ্য ব্যাপাৰ। অবাৰিত অলংকাৰ প্ৰয়োগ অথবা অলংকাৰবিহীন নিৰাভৰণ প্ৰকাশভংগী দুয়োটাই ভাল গদ্যৰ পৰিপন্থী। সেইবাবেই অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰতো গদ্যকাৰে বিশেষ চাতুৰ্য প্ৰয়োগ কৰি বৰ্ণনীয় বিষয়ক সৌন্দৰ্য দান কৰাৰ লগতে বিষয়বস্তুৰ প্ৰকাশকো স্পষ্ট আৰু তীক্ষ্ণ কৰি তোলাৰ চেষ্টাত ব্ৰতী হ'ব লাগে। অলংকাৰ প্ৰয়োগত অত্যধিক সংৰক্ষণশীল মানসিকতাই গদ্যক নীৰস, স্পন্দনহীন কৰি তোলে। বিপৰীতে আলংকাৰিক স্পৃহাত সংযমহীনতাই গদ্যৰ বৌদ্ধিক ঘনত্ব হ্ৰাস কৰাৰ সম্ভাৱনাই দেখা দিয়ে। অতি সুকোমল আলসুৱা শব্দৰ প্ৰয়োগ, ভাষাৰ লয়ধৰ্মী প্ৰবাহ, যতিৰ কৌশলী অৱতাৰণা আদিয়ে অলংকাৰ প্ৰয়োগ



স্পৃহাকো সমৃদ্ধ কৰিবলৈ সক্ষম হয়। মুঠৰ ওপৰত ভাল গদ্যৰ সৃষ্টিত অলংকাৰৰ ভূমিকা বিশেষ ভাৱে মহত্ত্বপূৰ্ণ। কিন্তু এই মহত্ত্ব জাকতজিলিকা হৈ উঠে কেৱল গদ্যকাৰৰ দখল আৰু অৰ্ন্তলীন অনুভৱৰ দ্বাৰাহে।

**ৰীতি ঃ**

গদ্যশৈলীৰ আলোচনাত সবাতোকৈ গুৰুত্বপূৰ্ণ, শক্তিশালী আৰু মহত্ত্বৰ প্ৰসংগ হৈছে ৰীতি। ৰচনা ৰীতিৰ গুৰুত্ব, সাহিত্য মানেই বিশেষত্বপূৰ্ণ। অসমীয়া ভাষাত এই 'ৰীতি' শব্দটো প্ৰয়োগ কৰা হয়, ইংৰাজী style শব্দৰ প্ৰতিশব্দৰূপে। 'ৰীতি' ৰ সমাৰ্থক ৰূপে 'শৈলী' শব্দৰ প্ৰয়োগো অসমীয়া ভাষাত পোৱা যায়। অৱশ্যে মন কৰিবলগীয়া কথা এয়ে যে অসমীয়া ভাষাত প্ৰাপ্ত এই 'ৰীতি' বা 'শৈলী' কোনোটো শব্দই ইংৰাজী style শব্দটোৰ স্বৰূপ সঠিক ৰূপত প্ৰকাশ কৰিব নোৱাৰে। সহজ ভাষাত 'ৰীতি' বা 'শৈলী' হ'ল স্বকীয় চিন্তা-অনুভূতি অনুসৰি লেখকে সচেতনভাৱে বিষয়বস্তুত আৰোপ কৰা কিছুমান ভাষিক গুণ, যিবোৰৰ জৰিয়তে তেওঁ পাঠকৰ লগত অভিলষিত যোগাযোগ স্থাপন কৰিব পাৰে। ব্যক্তিভেদে পৰিলক্ষিত হোৱা ভিন ভিন লেখকৰ জ্ঞান অভিজ্ঞতাৰ প্ৰকৃতি, বিচাৰ কৌশল, বোধ, অন্তৰ্দৃষ্টি, ৰুচি-অভিৰুচি, ভাব-চিন্তন, উদ্দেশ্য, অভিব্যক্তি আদিয়েই লিখন কৌশলৰ মাজেদি আহি যথোপযুক্ত ভঙ্গীৰ মাধ্যমেদি যেতিয়া ভাষিক ৰূপ লয়হি, তেতিয়াই সি হৈ পৰে সংশ্লিষ্ট লেখকজনৰ নিজস্ব লিখন ৰীতি বা গদ্যশৈলী।

" প্ৰকাশভঙ্গীৰ দিশৰ পৰা গদ্যৰীতিক উকা বা নিৰাভৰণ (Plain) আৰু বাখৰুৱা বা অলংকৃত (Ornate) এই দুই ভাগত ভগোৱা হৈছে।" [১২] নিৰাভৰণ বা উকা গদ্যত মূলতঃ বৰ্ণনীয় বিষয়ৰ স্পষ্টতাৰ ওপৰতহে অধিক গুৰুত্ব দিয়া হয়। অলংকাৰ, ছন্দ, লয় আদিৰ কৌশলী সংযোগ অথবা চাতুৰ্যপূৰ্ণ ব্যৱহাৰেৰে ইয়াক ৰসাশ্ৰয়ী কৰি তোলাতকৈ প্ৰত্যক্ষ আৰু স্পষ্ট ৰূপত গাম্ভীৰ্যপূৰ্ণভাৱে পাঠকৰ সন্মুখত উপস্থাপন কৰাতহে এই শ্ৰেণী গদ্যলেখকৰ কৃতিত্ব ফুটি উঠে। আনহাতে " ভাব আৰু অনুভূতিৰ স্পষ্টতা আৰু বিকাশৰ বাবে বাখৰুৱা গদ্যত উপমাদি বিভিন্ন অলংকাৰ আৰু যোজনা, পটন্তৰ, খণ্ডবাক্য, জতুৱা ঠাঁচ, প্ৰতীক, চিত্ৰকল্প ইত্যাদিৰ প্ৰয়োগ কৰা হয়। " [১৩]

আকৌ বিষয়বস্তুৰ পৰিধি আৰু গদ্যৰ প্ৰকৃতি অনুসৰি গদ্যৰীতিক বৰ্ণনাত্মক, ব্যাখ্যাত্মক, চিন্তামূলক, যুক্তিনিষ্ঠ, নাটকীয়, কথোপকথনমূলক, হাস্যৰসাত্মক, কাব্যিক, স্পন্দিত, ঘৰুৱা আদি বিবিধ শাখাত ভাগ কৰিব পাৰি। বহুতো গদ্যকাৰৰ নিজস্ব একোটা ঠাঁচ থাকে আৰু তেওঁ ঘনে প্ৰতি তেনে ঠাঁচত গদ্য ৰচনা কৰি ভাল পায়। এনেধৰণৰ ঠাঁচসম্পন্ন ৰীতিক আমি লেখকৰ নিজস্ব উদ্ভাৱনী গদ্যৰীতি আখ্যা দিব পাৰোঁ। অসমীয়া ভাষাত বিশেষকৈ মননশীল গদ্যত লেখকগোষ্ঠীৰ নিজস্ব উদ্ভাৱনী ৰীতিৰ প্ৰচুৰ প্ৰয়োগ পৰিলক্ষিত হয়। মহেন্দ্ৰ বৰা এই

থূলৰ এগৰাকী আগশাৰীৰ গদ্যকাৰ। মূলতঃ ইংৰাজী প্ৰভাৱৰ ব্যাপক প্ৰভাৱেৰে প্ৰভাম্বিত বৰাৰ গদ্যৰ অলেখ স্থানত নিজস্ব উদ্ভাৱনী ৰীতিৰ যথাৰ্থ প্ৰয়োগ পৰিলক্ষিত হয়। সৃষ্টিশীল গদ্যতো ইয়াৰ প্ৰয়োগ আছে, কিন্তু ব্যৱহাৰৰ মাত্ৰা কম। সৃষ্টিশীল গদ্যত ঘাইকৈ বৰ্ণনাত্মক আৰু কথোপকথনমূলক ৰীতিৰ আধিপত্য অধিক পৰিলক্ষিত হয়।

এনেদৰে কৰা আলোচনাৰ অন্তত আমি দেখিবলৈ পাওঁ যে গদ্যৰ স্বৰূপ মূলতঃ শব্দৰীতি, বাক্যগঠন, অনুচ্ছেদ, যতি, লয়, অলংকাৰ আৰু ৰীতি— এইকেইটা দিশৰ সৈতে অংগাংগীভাৱে জড়িত। কোনো এক সাহিত্যৰ অথবা এগৰাকী সাহিত্যিকৰ গদ্যশৈলীৰ অধ্যয়ন বুলিলে আমি উল্লিখিত দিশসমূহৰ পুখানুপুংখ অধ্যয়ন আৰু বিশ্লেষণকে বুজো। গতিকে দেখা যায় যে কোনো এক সাহিত্য কৰ্মৰ অথবা সাহিত্যিক বিশেষৰ গদ্যৰীতিৰ অধ্যয়ন প্ৰণালী সম্পন্ন কৰিবলৈ হ'লে গৱেষকসকলে উল্লিখিত বিষয় সমগ্ৰত নিজৰ অনুসন্ধান আৰু প্ৰজ্ঞাৰ পোহৰ পেলাই বাচি-বিছাৰি নিৰ্দিষ্ট সাহিত্যিকগৰাকীৰ গদ্যশৈলীৰ প্ৰতিটো দিশ নিৰহ-নিপালী ৰূপত পাঠকৰ সন্মুখত প্ৰতিষ্ঠা কৰা দৰকাৰ। অসমীয়া ভাষাত বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমীয়া কথা সাহিত্য', হৰিনাথ শৰ্মাদলৈৰ 'অসমীয়া গদ্য সাহিত্যৰ গতিপথ', অৰ্পণা কোঁৱৰৰ 'প্ৰাচীন অসমীয়া গদ্যশৈলী', স্মৃতিৰেখা ভূঞাৰ 'অসমীয়া গদ্য', এই লেখকৰ 'আধুনিক অসমীয়া সৃষ্টিশীল গদ্যৰীতি', 'আধুনিক অসমীয়া মননশীল গদ্যৰীতি', প্ৰফুল্ল কটকীৰ 'ক্ৰমবিকাশত অসমীয়া কথাশৈলী' আদি গদ্যৰীতি বিষয়ক কেইখনমান উল্লেখযোগ্য গ্ৰন্থ।

---

**পাদটীকা ঃ**

১) Marjorie Boulton, Anatomy of Prose, P.7
২) Shree Aravind, the future poetry, P.18
৩) প্ৰফুল্ল কটকী, ক্ৰমবিকাশত অসমীয়া কথাশৈলী, পৃ. ২১
৪) A. Berret, A study of Modern Dramma, P.II
৫) শচন্দ্ৰ দাস, সাহিত্য সন্দৰ্শন, পৃ. ২০৯
৬) Marjorie Boulton, পূৰ্বোক্ত গ্ৰন্থ, পৃ.১৪
৭) সত্যনাথ বৰা, বহল ব্যাকৰণ, পৃ.২১৭
৮) Marjorie Boulton, পূৰ্বোক্ত গ্ৰন্থ, পৃ.২৪
৯) পূৰ্বোক্ত, পৃ. ৩৬
১০) পূৰ্বোক্ত, পৃ. ৪৯
১১) পূৰ্বোক্ত, পৃ. ৫২
১২) প্ৰফুল্ল কটকী, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৮
১৩) পূৰ্বোক্ত, পৃ. ১৯

# এম. এল. এ. (M.L.A.) হাতপুথিৰ আৰ্হিত গ্ৰন্থপঞ্জী প্ৰস্তুত প্ৰণালী

**মানৱ মেধি**

গৱেষণা গ্ৰন্থ ৰচনাৰ ক্ষেত্ৰত গৱেষকৰ পক্ষে এক গুৰুত্বপূৰ্ণ কাম হ'ল গ্ৰন্থপঞ্জী নিৰ্মাণ। অনুৰূপভাৱে পাদটীকাৰ ব্যৱহাৰো গৱেষণা গ্ৰন্থৰ অন্যতম প্ৰয়োজনীয় বিষয়। গৱেষণা পত্ৰ বা গৱেষণা গ্ৰন্থ একোখন প্ৰস্তুত কৰোঁতে বিভিন্ন ধৰণৰ গ্ৰন্থ, আলোচনী, ৰচনা, প্ৰবন্ধ, তথ্য, দৃশ্য, পাঠ আদিৰ সহায় লোৱা হয়। যেতিয়াই গৱেষণা গ্ৰন্থত অন্যৰ কামৰ সহায় লোৱা হয়, তেতিয়াই তাক পঞ্জীয়নভুক্ত কৰা উচিত। এই কাৰ্যই গৱেষণা পত্ৰ বা গৱেষণা গ্ৰন্থখনৰ পাঠকক আধাৰ গ্ৰন্থসমূহৰ সন্দৰ্ভত এটি সম্যক ধাৰণা দিয়াৰ উপৰিও সহায়ক গ্ৰন্থসমূহ বিচাৰি উলিওৱাত সহায় কৰে। অনুৰূপভাৱে পাদটীকাৰ ব্যৱহাৰে গৱেষণা গ্ৰন্থত ব্যৱহৃত তথ্যসমগ্ৰৰ উৎস নিৰ্দেশ কৰি পাঠকক প্ৰতিষ্ঠিত সিদ্ধান্তৰ গ্ৰহণযোগ্যতা সম্পৰ্কত চিন্তাৰ অৱকাশ প্ৰদান কৰে। সাম্প্ৰতিক কালত বিদ্যায়তনিকভাৱে আৰু আনুষ্ঠানিকৰূপত গৱেষণা কৰ্মত প্ৰবৃত্ত হোৱা গৰিষ্ঠসংখ্যক গৱেষকেই এম. এল. এ. (M.L.A.) হাতপুথিৰ আৰ্হিত গ্ৰন্থপঞ্জী আৰু পাদটীকা প্ৰস্তুত কৰা দেখা যায়। কিন্তু বহু সময়ত উপযুক্ত বোধগম্যতাৰ অভাৱত নিৰ্দিষ্ট আৰু শৃংখলিত ৰূপত গ্ৰন্থপঞ্জীখনৰ প্ৰস্তুতিত যথেষ্ট বেমেজালিৰ সৃষ্টি হোৱাও পৰিলক্ষিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ এই অসুবিধা দূৰীকৰণৰ বাবে সম্পাদকৰ অনুৰোধত এই শিতানত এম. এল. এ. হাতপুথিৰ আৰ্হিত কিদৰে গ্ৰন্থপঞ্জী প্ৰস্তুত কৰিব পাৰি সেই বিষয়ে যথাসম্ভৱ উজু আৰু সৰল ৰীতিত এটি আভাস প্ৰদানৰ চেষ্টা কৰা হৈছে।

গ্ৰন্থপঞ্জী গৱেষণা গ্ৰন্থৰ শেষত দিয়া হয়। গৱেষণা পত্ৰখনৰ মূল পাঠ যি পৃষ্ঠাত শেষ হয়, তাৰ ঠিক পাছৰ পৃষ্ঠাৰ পৰাই গ্ৰন্থপঞ্জী আৰম্ভ কৰা উচিত। গ্ৰন্থপঞ্জী একোখনত ঘাইকৈ লেখকৰ নাম, শিৰোনাম, গ্ৰন্থৰ নাম, আলোচনীৰ নাম, ক্ৰমিক সংখ্যা, প্ৰকাশৰ চন, তাৰিখ, ঠাই, প্ৰকাশকৰ নাম, পৃষ্ঠা সংখ্যা আদি আটাইবোৰ সন্নিৱিষ্ট কৰা হয়।

এম. এল. এ. হাতপুথিৰ আৰ্হিত আমি উল্লিখিত শিতানসমূহক নিম্নোক্ত ধৰণে আলোচনা কৰিব পাৰোঁ—

লেখকৰ নাম অৰ্ন্তভুক্তিত সবাতোকৈ গুৰুত্ব দিবলগীয়া বিষয় হ'ল বৰ্ণানুক্ৰমৰ ধাৰাবাহিকতা ৰক্ষা। অৰ্থাৎ লেখকৰ নাম সদায় বৰ্ণানুক্ৰমিক হ'ব লাগে। লেখকৰ উপাধি প্ৰথমতে লিখা হয়। সেয়েহে বৰ্ণানুক্ৰমিক তালিকা প্ৰস্তুতকৰণত উপাধিৰ ব্যৱহৃত বৰ্ণ ক্ৰম অনুযায়ী কৰা হয়। যেনে—

কলিতা, কনক চন্দ্ৰ

গগৈ, চন্দনা

উপাধিৰ পিছত এটা ক'মা (,) দি মূল নামটো লিখা হয়।

দুজন লেখকৰ উপাধি যদি একে হয়, তেতিয়া মূল নামৰ ওপৰত ভিত্তি কৰি বৰ্ণানুক্ৰম তালিকা প্ৰস্তুত কৰা হয়। উদাহৰণস্বৰূপে—

শৰ্মা, প্ৰবীণ

শৰ্মা, বকুল চন্দ্ৰ

ওপৰৰ উদাহৰণত দুয়োগৰাকী লেখকৰ উপাধি একে হোৱা বাবে তেওঁলোকৰ নামৰ ক্ষেত্ৰত বৰ্ণানুক্ৰম (প, ব) ৰক্ষা কৰা হৈছে।

যদিহে একেজন লেখকৰ নাম আন আন সহযোগী লেখকৰ সৈতে বেলেগ বেলেগ গ্ৰন্থত থাকে, তেন্তে দ্বিতীয় লেখকজনৰ উপাধিৰ ওপৰত নিৰ্ভৰ কৰি বৰ্ণানুক্ৰমিক অৰ্ন্তভুক্তি কৰা হয়। যেনে—

কলিতা, কনকচন্দ্ৰ আৰু বীৰেন গোস্বামী

কলিতা, কনকচন্দ্ৰ আৰু প্ৰমোদ চৌধুৰী

কলিতা, কনকচন্দ্ৰ, নন্দ টাইড আৰু দয়াময় পাঠক

কলিতা, কনকচন্দ্ৰ, নন্দ টাইড আৰু পৰমা বৰ্মন

কেতিয়াবা কোনো এজন লেখকৰ নামেই বেলেগ বেলেগ গ্ৰন্থত বেলেগ বেলেগ আখৰ জোঁটনিৰে ব্যৱহাৰ কৰা দেখা যায়। ফলস্বৰূপে গৱেষকগৰাকীয়ে কোনটো আখৰ জোঁটনি ব্যৱহাৰ কৰিব, তাক লৈ বিভ্ৰান্তিত পৰে। এনেক্ষেত্ৰত লেখকজনৰ বহুল প্ৰযোজ্য আৰু গৰিষ্ঠসন্মত বানানটোকে গ্ৰহণ কৰা উচিত। এই প্ৰসংগতে মন কৰা দৰকাৰ যে গ্ৰন্থত লেখকৰ নাম সম্পূৰ্ণকৈ দিয়া থাকিলে গ্ৰন্থপঞ্জীতো তাক সম্পূৰ্ণকৈয়ে লিখিব লাগে। সংক্ষিপ্ত নাম লেখন পদ্ধতি এইক্ষেত্ৰত বৰ্জনীয়। উদাহৰণ স্বৰূপে—

✓ বেজবৰুৱা, লক্ষ্মীনাথ.    ✗ বেজবৰুৱা, ল.



অৱশ্যে মূল গ্ৰন্থৰ শিৰোনামা পৃষ্ঠাত যদিহে লেখকৰ নাম সংক্ষিপ্ত ৰূপত থাকে, তেন্তে গৱেষকে তাক সংক্ষিপ্ত বা সম্পূৰ্ণ উভয় ৰূপতে লিখিব পাৰে।

একেজন লেখকৰ দ্বাৰা ৰচিত দুখন বা তাতোধিক গ্ৰন্থ পঞ্জীভূত কৰাৰ সময়ত লেখকৰ নাম এবাৰহে (প্ৰথমবাৰ) দিব লাগে। তাৰ পিছৰ গ্ৰন্থসমূহত লেখকৰ নামৰ ঠাইত তিনিডাল হাইফেন (---) দিব লাগে। উদাহৰণস্বৰূপে,

তামুলী, লক্ষ্মীনাথ. সম্পা. *উষা.* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ২০০৫. ছপা.

--- *বুৰঞ্জী আৰু বিতৰ্ক.* গুৱাহাটী ঃ ভবানী প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনচ, ২০১০. ছপা.

যদি একেজন লেখকৰ দুজন বা তাতোধিক লেখকৰ সৈতে যুটীয়াভাৱে লিখা বা সম্পাদিত গ্ৰন্থ থাকে, তেনেক্ষেত্ৰত প্ৰতিবাৰতেই লেখকজনৰ নাম লিখিব লাগিব। উদাহৰণস্বৰূপে,

নেওগ, মহেশ্বৰ. সম্পা. *সঞ্চয়ন.* নতুন দিল্লী ঃ সাহিত্য অকাদেমি, ১৯৭১. ছপা

নেওগ, মহেশ্বৰ আৰু হেমন্ত কুমাৰ শৰ্মা. সম্পা. *সাহিত্য সমীক্ষা.* ডিব্ৰুগড় ঃ অসম সাহিত্য সভা, ২০০৩. ছপা.

আনহাতে যদি দুজন লেখকৰ দ্বাৰা ৰচিত দুখন বা তাতোধিক গ্ৰন্থ তালিকাভুক্ত কৰিবলগীয়া হয়, তেন্তে লেখক দুজনৰ নাম মাত্ৰ এবাৰেই (প্ৰথম গ্ৰন্থখনত) লিখিব লাগে। পিছৰ গ্ৰন্থকেইখনত লেখক দুজনৰ নামৰ ঠাইত তিনিডাল হাইফেন দিলে হ'ল। উদাহৰণ—

Gilbert, Sandra M., and Susan Gubar, Eds. *The Female Imagination and Moderuist Aerthetic*. New York : London, 1986. Print.

---. "Sexual Linguistics : Gender, Language, Sexuality." *New Literary History* 16.3 (1985) : 515.43. JSTOR. Web. 26 June, 2007

যদিহে এজন লেখকৰ আচল নামত আৰু ছদ্মনামত প্ৰকাশিত পুথি গ্ৰন্থপঞ্জীত সন্নিৱিষ্ট কৰা হয়, তেন্তে হয় লেখকজনৰ বহুল প্ৰচাৰিত নামটো ব্যৱহাৰ কৰিব লাগে নাইবা গ্ৰন্থসমূহক পৃথকে তালিকাভুক্ত কৰি মূল নামত Cross-reference আৰু ছদ্মনামৰ পিছত বৰ বন্ধনীৰ মাজত (Square Braekets) আচল নাম দিব লাগে।

যেনে—

Bakhtin, M. M. (See also Volosinov, V. N.). *The Dialogic Imagination : Four Essays.* Ed. Michel Holquist. Trans. Caryl Emerson and Holquist. Austin : Univ. of Texas Press, 1981.

Volosinov, V. N. (M. M. Bakhtin). *Marxism and the Philosophy of Language.* Trans.

Ladislav Matejka and I.R. Titunik. Cambridge : Harvard UP, 1986. *Google Book Search*. Web. 3 Dec. 2007.

লেখক যদি দুজন বা তাতোকৈ বেছি হয়, তেন্তে প্ৰবন্ধৰ শিৰোনামত সন্নিৱিষ্ট নামৰ পৰা প্ৰত্যক্ষভাৱে আৰু ক্ৰম অনুসাৰে তাক চয়ন কৰিলেই হয়। এইক্ষেত্ৰত লেখকৰ নাম বৰ্ণানুক্ৰমিক হোৱাৰ প্ৰয়োজন নাথাকে। তদুপৰি প্ৰথমজন লেখকৰ নাম ওলোটা ক্ৰম (Reverse Order) অৰ্থাৎ উপাধি প্ৰথমতে, তাৰ পিছত মূল নামটো লিখি, এটা কমা দি, পিছৰ লেখকসকলৰ নাম স্বাভাৱিক ক্ৰমতে লিখিব লাগে। শেষ নামটোৰ পাছত সামান্য ঠাই এৰিব লাগে। যদি লেখককেইজনৰ উপাধি একে হয়, তেতিয়াও সম্পূৰ্ণ নাম লিখা উচিত। লেখক কেইজন যদি সম্পাদক, অনুবাদক বা সংকলক হয় তেন্তে এটা কমা দি (ঠাই এৰিব নালাগে) শেষৰ নামটোৰ পাছত উপযুক্ত সংক্ষিপ্ত ৰূপটো লিখিব লাগে (সম্পা., অনু., সং. আদি)। উদাহৰণ ঃ

নেওগ, মহেশ্বৰ, কেশৱচন্দ্ৰ চাংকাকতি, *সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল, ...*

নেওগ, মহেশ্বৰ, বিৰিঞ্চি কুমাৰ বৰুৱা, সম্পা. *সাহিত্য সমীক্ষা.* ...

লেখকৰ সংখ্যা তিনিজনতকৈ অধিক হ'লে, কেৱল প্ৰথমজনৰ নাম লিখি এটা কমা দি অন্যান্যসকল বুলি লিখিলে হ'ল। উদাহৰণস্বৰূপে,

কলিতা, নবনীতা, অন্যান্যসকল, গল্পালোচনা, ২০১০ ছপা

কিছুমান গ্ৰন্থত লেখক হিচপে কোনো ব্যক্তিৰ নাম নাথাকে। এই ধৰণৰ কোনো সমিতি, অনুষ্ঠান, সভা, সন্মিলনী আদিৰ দ্বাৰা সৃষ্ট গ্ৰন্থৰ ক্ষেত্ৰত প্ৰথমে অনুষ্ঠানটোৰ নাম (সন্মিলিত লেখকৰ ঠাইত) লিখিব লাগে। অনুষ্ঠানটোৰ নাম সম্পূৰ্ণকৈ লিখিব লাগে সংক্ষিপ্তকৈ নহয়। (যথা- অ.সা.স. ✕ অসম সাহিত্য সভা ✓)। অনুষ্ঠানটোৰ নামৰ



আগত থকা যিকোনো ধৰণৰ পূৰ্বপদ (An, The আদি) পৰিহাৰ কৰিব লাগে (যথা- The American Philosophical Association ✕ / American Philosophical Association ✓) সন্মিলিত লেখক যদি প্ৰকাশক স্বয়ং হয়, তেতিয়াও সেই একে ৰীতিয়ে প্ৰযোজ্য হ'ব। উদাহৰণ—

অসম প্ৰকাশন পৰিষদ. সম্পা. *লক্ষ্মীনাথ বেজবৰুৱা*, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ১৯৭০. ছপা.

Anonymous Book অৰ্থাৎ যিবোৰ গ্ৰন্থত লেখক বা সম্পাদকৰ নাম নাথাকে তেনে গ্ৰন্থৰ নামটোকে বৰ্ণানুক্ৰমিকভাৱে সজ্জিত কৰিব লাগে। ইয়াতো যিকোনো ধৰণৰ পূৰ্বপদ (A, An, The আদি) পৰিহাৰ কৰা উচিত। উদাহৰণ স্বৰূপে 'অসমৰ লোকগীত' শীৰ্ষক এখন গ্ৰন্থত যদি লেখক বা সংগ্ৰাহকৰ নাম নাথাকে তেন্তে সেইখন গ্ৰন্থ প্ৰত্যক্ষভাৱে বৰ্ণানুক্ৰমমতে 'অ' বৰ্গত সন্নিৱিষ্ট হ'ব।

কোনো সংকলনত সন্নিৱিষ্ট দুই বা তাতোধিক পাঠৰ তালিকাভুক্তিৰ বাবে বাৰে বাৰে সংকলনখনৰ সবিশেষ অৰ্ন্তভুক্তি কৰিবলগীয়া হয়। এই পুনৰাবৃত্তি এৰাই চলিবৰ বাবে মূল সংকলনখনকেই তালিকাভুক্ত কৰি বাকী পাঠবোৰত তাৰ উল্লেখ কৰিব পাৰি (Cross referance)। উদাহৰণ—

Adamov, Arthur. "The Curable and the Incurable". Esslin 92-127.

Beckett, Samuel. "The Search for the self." Esslin 29-91.

Esslim, Martin. *The Theatre of the Absurad.* London : Methuen, 2001. Print.

Jean, Genet. "The Hall of Mirrors". Esslin 200-233.

যদিহে একে লেখকৰ দুই বা তাতোধিক সংকলন তালিকাভুক্তি কৰিবলগা হয়, তেন্তে লেখকৰ নামৰ স'তে সংকলিত পুথিৰ নাম অথবা নামৰ সংক্ষিপ্ত ৰূপ দিব লাগে।

গ্ৰন্থপঞ্জীত শিৰোনামা লিখাৰ ক্ষেত্ৰতো কিছুমান নীতি মানি চলিব লাগে। গ্ৰন্থৰ শিৰোনামা বেটুপাতৰ সলনি শিৰোনামা পৃষ্ঠাৰ পৰা ল'ব লাগে। ইংৰাজী গ্ৰন্থ হ'লে শিৰোনামাত থকা Noun, Pronun, Verb, Adjective, Adverbs, Subordinating conjunction আদিৰ প্ৰথম অক্ষৰ বৰফলাত (Capital letter) লিখিব লাগে।

Article, Prepositions, Coordinating Conjunctions আদি সৰু ফলাত (Small Letter) লিখিলেই হ'ল। শিৰোনামা আৰু উপ শিৰোনামা পৃথক কৰিবৰ বাবে এটি ক'লন (ঃ) ব্যৱহাৰ কৰি কিছু খালী ঠাই এৰিব লাগে। উদাহৰণ—

*লোকসাহিত্যৰ দুপদ অনুপম সম্পদঃ বিহুগীত আৰু আইনাম*

শিৰোনামাৰ শেষত যদি প্ৰশ্নবোধক বা ভাববোধক চিন থাকে তেন্তে ক'লন (ঃ)ৰ ব্যৱহাৰ নহয়। যেনে—

*অসম ভাৰতৰ নুমলী জীয়ৰী নেকি? এক অনুভৱ*

গ্ৰন্থ এখনৰ সম্পূৰ্ণ শিৰোনামা লিখিলে বক্ৰ অক্ষৰত (Italics) লিখিব লাগে।

কোনো গ্ৰন্থৰ ভিতৰত সন্নিৱিষ্ট হোৱা গল্প, প্ৰবন্ধ, ৰচনা, কবিতা, গীত আদিৰ শিৰোনামা উৰ্দ্ধকমাৰ ভিতৰত লিখা হয়। যেনে—

"কাঠনিবাৰী ঘাট"

"অসমীয়া জাতিৰ গাঁথনি আৰু সংস্কৃতি"

"মমতাৰ চিঠি"

"অ' মোৰ আপোনাৰ দেশ"

কিতাপ, নাটক, গ্ৰন্থ আকাৰে প্ৰকাশিত কবিতা (যেনে- The Waste Land), প্ৰচাৰ পত্ৰিকা, বাতৰি কাকত, আলোচনী, গৱেষণা পত্ৰিকা, ৱেবচাইট, অনলাইন দস্তাবেজ, চলচ্চিত্ৰ, দূৰদৰ্শন সম্প্ৰচাৰ, অঁনাতাৰ সম্প্ৰচাৰ, চি ডি, ৰেকৰ্ড এলবাম, কেচেট, নৃত্য পৰিৱেশন, নাট্য পৰিৱেশন, অপেৰা, চিত্ৰকলা, ভাস্কৰ্য আদিৰ নাম বক্ৰঅক্ষৰত (Italics) দিব লাগে। যেনে-

*হীৰেন গোঁহাই ৰচনাৱলী (গ্ৰন্থ)*

*মহৰী (নাটক)*

*আমাৰ অসম (বাতৰি কাকত)*

*সাতসৰী (আলোচনী)*

*আইন আৰু আপুনি (অনাঁতাৰ সম্প্ৰচাৰ)*

*কল্যানী* (দূৰদৰ্শনৰ সম্প্ৰচাৰ)

বহু সময়ত শিৰোনামাৰ ভিতৰতে আন শিৰোনামা ব্যৱহৃত হয়। এনেক্ষেত্ৰত উৰ্দ্ধকমাৰ ভিতৰত বক্ৰ অক্ষৰেৰে (Italics) শিৰোনামা লিখিব লাগে। যেনে-

"বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণ* আৰু ৰাজনৈতিক চেতনা"

ওপৰৰ উদাহৰণত প্ৰাপ্ত প্ৰবন্ধটো হ'ল "*মোৰ জীৱন সোঁৱৰণ*"গ্ৰন্থৰ বিষয়ত লিখা প্ৰবন্ধ। সেইবাবে সম্পূৰ্ণ প্ৰবন্ধটো উৰ্দ্ধ কমাৰ ভিতৰত লিখি 'মোৰ জীৱন সোঁৱৰণ'



গ্ৰন্থখনৰ নামটো বক্ৰভংগীত (Italics) লিখা হৈছে।

আকৌ দুটা উৰ্দ্ধকমাৰ (Double quotation)ৰ ভিতৰত দিয়া শিৰোনামা একক উৰ্দ্ধকমা (Single Quotation)ৰ ভিতৰত দিব লাগে। উদাহৰণ—

"হেম বৰুৱাৰ 'মমতাৰ চিঠি' আৰু আধুনিক কবিতা"

ওপৰৰ উদাহৰণত 'মমতাৰ চিঠি' এটা কবিতাৰ শিৰোনামা। কবিতাটিক আলোচ্য বিষয়ৰূপে লৈ আধুনিক কবিতাৰ বিশ্লেষণ আগবঢ়োৱা হৈছে। সেইবাবেই 'মমতাৰ চিঠি'ত একক উৰ্দ্ধকমা আৰু সম্পূৰ্ণ প্ৰবন্ধটোত দুটা উৰ্দ্ধকমা দিয়া হৈছে। অনুৰূপ উদাহৰণ—

"ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'এন্দুৰ' আৰু যৌনচেতনা" (গল্পৰ বিষয়ত লিখা প্ৰবন্ধ)

বক্ৰঅক্ষৰ বা উৰ্দ্ধকমাৰে শিৰোনামা চিহ্নিত হোৱা পদ্ধতি কিছুমান ক্ষেত্ৰত প্ৰযোজ্য নহয়। সেইবোৰ হ'ল—

* Scripture (প্ৰাচীন গ্ৰন্থ। সাঁচিপতীয়া পুথি আদি)

যেনে— বাইবেল, কোৰাণ, গীতা, উপনিষদ, বেদ আদি

* আইনৰ ধাৰা বা তেনে ধৰণৰ ৰাজনৈতিক দলিল। যেনে— মেগনা কাৰ্টা, ইয়াণ্ডাবু সন্ধি আদি।

* সংগীত কৰ্ম। যেনে- Bethoven's Symphony No. 7. in A, op. 92.

* সভা, সমাজ, গোট আদিত। যেনে- অসম সাহিত্য সভা, অসম প্ৰকাশন পৰিষদ।

গ্ৰন্থপঞ্জী প্ৰস্তুত কৰোতে, কোনো গ্ৰন্থ বা আন সাহিত্য কৰ্মৰ তথ্য অৰ্ন্তভূক্তি কৰোতে প্ৰথমে লেখকৰ নাম দি পিছত গ্ৰন্থ বা সাহিত্যকৰ্মৰ শিৰোনামা দিয়া হয়। লেখকৰ নাম আৰু সাহিত্যকৰ্মৰ শিৰোনামাৰ মাজত এটা ফুলষ্টপ থাকে। শিৰোনামাৰ পিছত এটা ফুলষ্টপ দি প্ৰকাশনৰ তথ্য দিয়া হয়। গতিকে গ্ৰন্থৰ তথ্য প্ৰকাশৰ ধৰণটো এনে ধৰণৰ ঃ

লেখকৰ নাম. গ্ৰন্থৰ নাম. প্ৰকাশনৰ তথ্য.

আনহাতে কোনো সংকলনত সন্নিৱিষ্ট গল্প, কবিতা, প্ৰবন্ধ, ৰচনা আদিৰ তথ্য লিখাৰ ধৰণ এনে ধৰণৰ—

লেখকৰ নাম. "গল্প/ প্ৰবন্ধ/ কবিতাৰ শিৰোনাম". *সংকলনৰ নাম.* প্ৰকাশনৰ তথ্য.

কোনো সাময়িকী বা ধাৰাবাহিক পত্ৰিকা বা আলোচনীত প্ৰকাশিত প্ৰবন্ধ, ৰচনা আদি অৰ্ন্তভুক্তিৰ ক্ষেত্ৰত তলত দিয়া ক্ৰম মানি চলা হয়।

লেখকৰ নাম. "প্ৰবন্ধৰ নাম". প্ৰকাশনৰ তথ্য.

ইয়াত প্ৰকাশনৰ তথ্যৰ ভিতৰত আলোচনীৰ নাম, বছৰ/ খণ্ড, সংখ্যা, ক্ৰমিক নম্বৰ, প্ৰকাশনৰ তাৰিখ, প্ৰকাশনৰ মাধ্যম আদি অৰ্ন্তভুক্ত। তাৰ উপৰি নিৰ্দিষ্ট পাঠটি থকা পৃষ্ঠাৰ নম্বৰো দিয়া উচিত। প্ৰকাশনৰ তথ্য প্ৰকাশৰ ক্ৰম এনে ধৰণৰ—

*আলোচনীৰ নাম* বছৰ (Volume). সংখ্যা (চন/ তাৰিখ) (Number). ঃ পৃষ্ঠা. প্ৰকাশৰ মাধ্যম.

উদাহৰণ ঃ

Barthelme, Federick. "Architecture". *Kansas Quarterly* 13.3 (1981) : 77-80. Print.

কিছুমান আলোচনীয়ে বছৰ-সংখ্যা (Volume) প্ৰকাশ নকৰি অকল ক্ৰমিক সংখ্যাহে (Issue Number) প্ৰকাশ কৰে। তেনে ক্ষেত্ৰত গ্ৰন্থপঞ্জীত অৰ্ন্তভূক্তি তলত দিয়া ধৰণে হয় ঃ

Kafka, Ben. "The Demon of Writing : Paperwork, Public Saffety, and the Reign of Terror." *Ryeresentation 98* (2001) : 1-24. Print/

ইয়াত 98 হ'ল নিৰ্দিষ্ট পাঠটি ছপা হোৱা আলোচনীৰ ক্ৰমিক নম্বৰ।

বহু আলোচনীত প্ৰবন্ধ এটা অনুক্ৰমিক পৃষ্ঠাত আৰম্ভণিৰ পৰা শেষ নহৈ মাজতে জঁপিয়াই আন পৃষ্ঠাত পুনৰ আৰম্ভ হৈ শেষ হয়। তেনে ক্ষেত্ৰত প্ৰবন্ধটো আৰম্ভ হোৱা পৃষ্ঠাৰ নম্বৰটোৰ পিছফালে এডাল যোগ (+) চিন দি এটা ফুলষ্টপ (.) দিয়া হয়। যেনে 25 নং পৃষ্ঠাত আৰম্ভ হোৱা প্ৰবন্ধ এটাই যদি জঁপিয়াই 31 নং পৃষ্ঠা পায়, তেন্তে তাক "25+." ধৰণে প্ৰকাশ কৰা হয়।

বাতৰি কাকতত প্ৰকাশিত লেখাতো একেই পদ্ধতি অবলম্বন কৰা হয়। বাতৰি কাকতৰ ক্ষেত্ৰত প্ৰকাশৰ চন আৰু তাৰিখৰ তথ্য অপৰিহাৰ্য্য। সাপ্তাহিক, পযেকীয়া বা মাহিলী আলোচনীৰ ক্ষেত্ৰতো প্ৰকাশৰ চন আৰু তাৰিখ অপৰিহায্য। যেনে ঃ

চৌধুৰী, ড° অৰূপজ্যোতি. "বিশ্বায়নৰ কাৰ্য্যসূচীত খাদ্য" *দৈনিক অগ্ৰদূত* 21 জানুৱাৰী. 2014 : 4+ ছপা.

বাতৰি কাকত আৰু আলোচনীৰ প্ৰকাশিত সম্পাদকীয় অৰ্ন্তভূক্তিৰ ক্ষেত্ৰত তলত দিয়া ধৰণে লিখা হয় ঃ



ডেকা, প্ৰাঞ্জলসেন. "প্ৰাৰ্থী বাচনি". সম্পাদকীয়. *দৈনিক অগ্ৰদূত* 21 জানুৱাৰী.2014:4 ছপা.

আলোচনী বা বাতৰিকাকত আদিত প্ৰকাশিত সম্পাদকলৈ লিখা চিঠিৰ তথ্য দিয়াৰ সময়ত চিঠিৰ কোনো শিৰোনাম দিব নালাগে। মাত্ৰ চিঠিৰ লেখকৰ নাম লিখি পিছত 'চিঠি' বা 'পত্ৰ' বুলি লিখি প্ৰকাশনৰ তথ্য দিলেই হ'ল। যেনে,

বৰুৱা, ৰাজীব. চিঠি. *অসমীয়া প্ৰতিদিন* 6 জানুৱাৰী. 2001:4 .ছপা.

কোনো অভিধান বা বিশ্বকোষত থকা পাঠ বা ৰচনাৰ তথ্য দিওঁতে যদিহে পাঠৰ লেখকৰ নাম উপলব্ধ হয় তেন্তে লেখকৰ নাম দিব লাগে। অন্যথা কেৱল উৰ্দ্ধক'মাৰ ভিতৰত পাঠৰ শিৰোনামা দি প্ৰকাশনৰ তথ্য দিলেই হ'ল। যেনে,

"Japan" *The Encyclopedia Americana.* 2004 ed. Print.

Allen, Anita L. "Privacy in Health Care". *Encyclopaedia of Bioethies.* ed. Stephen G. Post. 3rd ed. Vol. 4. New York : Machmillan-Thomson, 2004. Print.

কোনো গ্ৰন্থৰ পাতনি আগকথা, মুখবন্ধ (Introduction, Preface, Forword, Afterword) আদিৰ তথ্য প্ৰদানৰ ক্ষেত্ৰত লেখকৰ নামৰ পিছত পাঠৰ নাম দিয়া হয়। পাঠৰ নামত উৰ্দ্ধক'মা বা বক্ৰাক্ষৰৰ প্ৰয়োজন নাই। তাৰ পিছত গ্ৰন্থৰ তথ্য দিব লাগে। যেনে ঃ

Sears, Barry. Afterword. *The Jungle*. By Upton Sinclair. New York : Signet. 2001.343-47. Print

এনেদৰে উল্লিখিত নিয়মসমূহ অনুসৰণ কৰি গৱেষণা গ্ৰন্থৰ গ্ৰন্থপঞ্জী প্ৰস্তুত কৰিব পাৰি। আমাৰ এই আলোচনা সম্পূৰ্ণৰূপে 'এম. এল. এ. হাতপুথি'ৰ আৰ্হিত সম্পাদন হৈছে। অত এব, এই লেখাত মৌলিকত্ব দাবীৰ কোনো অবকাশ নাই। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ গৱেষণা গ্ৰন্থ আৰু গ্ৰন্থপঞ্জী নিৰ্মাণত এই লেখাৰ কিঞ্চিৎমান সহায় গ্ৰহণ কৰিব পাৰিলেও আমাৰ প্ৰয়াস সাৰ্থক হ'ব।